ISSN : 2320-6306

পানচৈ

PANCHOI



Peer Reviewed Research Journal of Humanities
and
Social Sciences

Vol. XIV Issue-I, August, 2026

Editor-in-Chief
Dr. Pranab Phukan

Associate Editor
Dr. Amor Saikia

Department of Assamese
Sarupathar College
P.O. Sarupathar - 785601
Golaghat, Assam

PANCHOI

A Yearly bi-lingual (Assamese & English) Peer-Reviewed Research Journal of Humanities and Social Sciences, Edited by Dr. Pranab Phukan (Editor-in-chief) and Dr. Amor Saikia (Associate editor), Published by Department of Assamese, Sarupathar College, Sarupathar-785601, Assam ISSN : 2320-6306, Voll-XIV, Issue- I, August, 2026, Price: Five Hundred only.

Reviewer and Advisory Board, 2026

Prof. Jiten Hazarika	: Vice Cencellor Dibrugarh University, Dibrugarh.
Prof. Dipak Kumar Roy	: Vice Cencellor Raiganj University, West Bengal.
Prof. Prafulla Kumar Nath	: Professor, Dept. of Assamese Gauhati University.
Prof. Satyakam Borthakur	: Professor, Dept. of Assamese Dibrugarh University.
Prof. Kusumbar Barua	: Professor, Dept. of Assamese Assam University.
Prof. Saugat Nath	: Professor, Dept. of English Assam University.
Dr. Prapti Thakur	: Principal Sarupathar College.
Dr. Jayanta Kumar Das	: Principal Jamunamukh College.
Dr. Prashanta Kr. Sahoo	: Rtd. Vice Principal & Head, Dept of English, Sarupathar College.

Editorial Board

Dr. Pranab Phukan, Editor-in-chief
Dr. Amor Saikia, Associate Editor

Member

Ms. Bharati Saikia, Dr. Ratnajit Gogoi, Mr. Pranjal Dutta, Dr. Ridip Khanikar, Dr. Monami Parashar, Trishmita Borah,

Published by

Department of Assamese, Sarupathar College, Sarupathar-785601, Golaghat, Assam, email id : asmsprc@gmail.com

Disclaimer

This journal is purely research based. The content and informations as published in the papers at the discretion are the authors alone. The Editorial Board members of publishers of the PANCHOI can't be held responsible for that.
-Editorial Board, PANCHOI

PANCHOI

পানচৈ

সূচীপত্র

অসমীয়া লোকসাহিত্যত মানৱ ব্যতিৰেক প্রাণীৰ গুৰুত্ব ঃ নির্বাচিত সাধুকথাৰ আধাৰত এটি সমীক্ষাত্মক...

❑ চিমা বৰা ‖ ৭-১৫

অসমত খ্রীষ্ট ধর্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি আৰু ঊনবিংশ শতিকাৰ অসমত খ্রীষ্টান ধর্ম প্রচাৰ...

❑ চিজল হাজৰিকা ‖ ১৬-২০

আধুনিক অসমীয়া সাহিত্যৰ বিকাশত কাকত-আলোচনীৰ ভূমিকা...

❑ ড° নিবেদিতা শইকীয়া ‖ ২১-২৯

ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতা ঃ এটি অধ্যয়ন

❑ ড° পংকজ শইকীয়া ‖ ৩০-৩৬

শৈলীবিজ্ঞানৰ আধাৰত বেজবৰুৱাৰ গদ্যশৈলী

❑ অঞ্জুমণি নাথ ‖ ৩৭-৪২

মিচিংসকলৰ পৰম্পৰাগত জীৱনশৈলীত বিশ্বায়নৰ প্রভাৱ

❑ লিজা গগৈ ‖ ৪৩-৪৭

পৰিৱেশ আন্দোলনত ‘মৌচাক’ আলোচনীৰ ভূমিকা

❑ ৰূপাঞ্জলি দেৱী, ড° বিজয় কুমাৰ শর্মা ‖ ৪৮-৫৪

দশৰথ দাসৰ গীত ঃ এটি অধ্যয়ন

❑ ড° হীৰেন দাস ‖ ৫৫-৫৯

ভূপেন হাজৰিকাৰ গীতৰ বিষয় বৈচিত্র্য বিচাৰ

❑ প্রতিম শইকীয়া ‖ ৬০-৬৮

ভূপেন হাজৰিকাৰ গীতত সাতভনীৰ অসম

❑ ড° ৰীতা শর্মা ‖ ৬৯-৭৫

ভূপেন হাজৰিকাৰ গীতত ব্রহ্মপুত্র বা লুইত প্রসংগ

❑ অপর্ণা হাজৰিকা ‖ ৭৬-৮২

মেদিনী চৌধুৰীৰ উপন্যাস *বণ্ডুকাবেহাৰত* মহাপুৰুষীয়া সমাজ-জীৱন আৰু সামাজিক মূল্যবোধৰ প্রতিফলন

❑ বিশ্বজিৎ শইকীয়া ‖ ৮৩-৮৯

শীলভদ্রৰ অনুসন্ধান উপন্যাসৰ ভাষাশৈলী ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

❑ দীপজ্যোতি দাস ‖ ৯০-৯৭

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ত সামাজিক অৱক্ষয় আৰু মানসিক প্রতিক্রিয়া ঃ এক সামাজিক...

❑ জ্ঞানময়ূৰ দাস, ড° গীতিমণি হাটীমূৰীয়া ‖ ৯৮-১০৬

ৰংৰং তেৰাঙৰ নির্বাচিত উপন্যাসৰ আলোচনা

❑ ৰৰষা ডেকা ‖ ১০৭-১১১

মহিম ৰৰাৰ গল্পত মানৱ প্রভাৱিত পৰিৱেশ পৰিৱর্তনৰ [Anthropocene] প্রসঙ্গ

❑ মনিষা গগৈ ‖ ১১২-১১৮

. . . .

বিংশ শতিকাৰ অসমীয়া সমাজৰ পৰিৱৰ্তন ঃ মহিম বৰাৰ চুটিগল্পৰ আধাৰত এটি অধ্যয়ন
❑ টুটুমনি দাস ▌ ১১৯-১২৩
শীলভদ্ৰৰ 'পৰিৱৰ্তন' গল্পত মধুপুৰ অঞ্চলৰ পৰিৱৰ্তনৰ ৰূপৰেখাঃ এক অধ্যয়ন'
❑ নয়নজ্যোতি কোঁৱৰ ▌ ১২৪-১২৯
অসমীয়া জীৱনীমূলক উপন্যাস 'সুশীলা' ঃ চমু আলোচনা
❑ ড° প্ৰশান্ত বৰা ▌১৩০-১৩৫
লুম্মেৰ দাইৰ মন আৰু মন উপন্যাসত প্ৰতিফলিত পাৰিপাৰ্শ্বিক সংবেদনশীলতা
❑ ড° তাম্ৰপালি ৰাজকোঁৱৰ ▌ ১৩৬-১৪১
নীলমণি ফুকনৰ কবিতা 'ওলমি থকা গোলাপী জামুৰ লগ্ন' ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
❑ ঝৰ্ণা নাথ ▌১৪২-১৪৭
হিমেন্দ্ৰ বৰঠাকুৰৰ নাটক 'দ্বীপ'
❑ নৱনীতা শইকীয়া, ড° ৰঞ্জন ভট্টাচাৰ্য ▌১৪৮-১৫২
ঔপনিৱেশিক প্ৰেক্ষাপটত নন্দিতা দেৱীৰ
বাদুলী চাকিৰ পোহৰত চাহ শ্ৰমিকৰ শোষণ আৰু বঞ্চনা ঃ এক আলোচনা
❑ অভিলাষী গগৈ ▌১৫৩-১৫৭
মেৰেং উপন্যাসত প্ৰতিফলিত নাৰীৰ সামাজিক স্থান ঃ চমু অধ্যয়ন
❑ জ্যোতি বড়া, ড° প্ৰভাত ভূঞ্যা ▌১৫৮-১৬৪
অনুৰাধা শৰ্মা পূজাৰীৰ *চাহেবপুৰাৰ ৰৰষুণ* উপন্যাসত প্ৰতিফলিত নাৰীবাদী চেতনা ঃ এটি অধ্যয়ন
❑ জয়ন্ত শইকীয়া ▌১৬৫-১৭৩
অসম সাহিত্য সভা পত্ৰিকাত মাধৱদেৱ চৰ্চা ঃ এক অধ্যয়ন
❑ ভাস্কৰজিৎ ফুকন ▌১৭৪-১৮৩
আধুনিক অসমীয়া কবিতাত প্ৰেম
❑ নিশামণি দাস ▌১৮৪-১৮৮
মনোজ কুমাৰ গোস্বামীৰ চুটিগল্পত সন্ত্ৰাসৰ প্ৰতিফলন ঃ এক তাত্ত্বিক অধ্যয়ন
❑ টুলেশ্বৰ ৰাজবংশী ▌১৮৯-১৯৮
নষ্টে ভাষাৰ স্বৰধ্বনিৰ বিশ্লেষণ
❑ ড° অমৰ শইকীয়া ▌১৯৯-২০৫
গোৱালপৰীয়া উপভাষাৰ শব্দ সাধনৰ প্ৰত্যয়
❑ ড° ৰাস্না দাস ▌২০৬-২১৫
ছেৰদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয়
❑ জয়শ্ৰী শইকীয়া, ড° পংকজ্যোতি বৰা ▌২১৬-২২২
মহাকাব্যত সাংবাদিক চৰিত্ৰ হিচাপে হনুমান
❑ ড° প্ৰাপ্তি ঠাকুৰ ▌২২৩-২৩১

কোচ-ৰাজবংশীসকলৰ সমন্বয় তথা সম্প্রীতিৰ নিদর্শন 'সাউৰী প্রথা'
❑ ড° লিলি দাস ‖ ২৩২-২৩৫
বিহুনামত অলংকাৰৰ প্রয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন
❑ চিৰঞ্জীত বড়া ‖ ২৩৬-২৪১
A Study on Rural Poverty Alleviation Programmes of India
❑ Dr. Minakshi Duarah ‖ 242-248
Nurturing Childhood: The Role of Anganwadi Centres in Empowering...
❑ Mr. Krishna Konwar ‖ 249-255
Elementary Education under the National Education Policy 2020: Challenges...
❑ Rakhi Bora ‖ 256-262
Impact of Yoga on Personality Development
❑ Swapnajyoti Saikia ‖ 263-269
From Folk Roots to Studio Playback: A History of Musical Direction in...
❑ Dr. Sandhan Hazarika ‖ 270-277
From Shangri-La to the Exilic Everyday: Memory, Home and National...
❑ Jugabrat Choudhury ‖ 278-288
Exploring the Philosophy of Patriotism in the Literary Works of Lakshminath...
❑ Mrs. Ananya Konwor ‖ 289-295
History of Inter-State Border Conflict in North East India; Causes and...
❑ Bipul Das ‖ 296-300
The Politics of Menstrual Leave in India : History and Debates
❑ Tonoya Bharadwaj ‖ 301-308
Crops and Cultivation in PurâGic Literature: Insights from the Matsya...
❑ Dr. Purboshri Borpuzari ‖ 309-315
Defects of Meaning (Arthadosas): A Critical Study...
❑ Ms. Suranjana Batsya, Dr. Chandan Hazarika ‖ 316-324
Social skills of higher secondary school students under Sarupathar...
❑ Rupjyoti Gogoi ‖ 325-332
From Royal Fabric to Cultural Identity: Muga Silk and the Formation...
❑ Astha Abhilasha Phukan ‖ 333-341

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

অসমীয়া লোকসাহিত্যত মানৱ ব্যতিৰেক প্ৰাণীৰ গুৰুত্ব ঃ নিৰ্বাচিত সাধুকথাৰ আধাৰত এটি সমীক্ষাত্মক অধ্যয়ন

চিমা বৰা
অংশকালীন অধ্যাপক, অসমীয়া বিভাগ
দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়, যোৱহাট

সাৰাংশ

বিজ্ঞানৰ নতুন আৱিষ্কাৰ, জীৱন নিৰ্বাহৰ নতুন প্ৰণালী, কৰ্ম ব্যস্ততা, পাৰিপাৰ্শ্ব সুৰক্ষাৰ চিন্তা নকৰাকৈ অৰ্থ উপাৰ্জনৰ উচ্চ আকাংক্ষা আদিয়ে মানুহক পৰিৱেশৰ পৰা আঁতৰাই আনিছে। নিজৰ জীৱন প্ৰণালী সহজ কৰিবলৈ মানুহে পৰিৱেশক বিনষ্ট কৰিছে। মানুহৰ জীৱন ৰক্ষাৰ স্বাৰ্থতে মানুহে প্ৰকৃতিক ৰক্ষা কৰিব লাগিব। পৰিৱেশৰ ভাৰসাম্য ৰক্ষা নহ'লে মানুহৰ বসতিও সম্ভৱ নহয়। এনে ধাৰণাৰ পৰায়ে মানৱতাবাদ (humanism)ৰ পৰৱৰ্তী বিধা হিচাপে পাৰিপাৰ্শ্ব সমালোচনা এই উত্তৰ-মানৱিক ধাৰণাৰে এটা ধাৰা সৃষ্টি হয়। সাহিত্যত ইয়াৰ প্ৰতিফলন ঘটে।

প্ৰকৃতিৰ সংৰক্ষণ, প্ৰকৃতিৰ লগত বহনক্ষম ব্যৱহাৰৰ ধাৰণা প্ৰতিফলিত হোৱা সাহিত্যিক পাৰিপাৰ্শ্ব সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হয়। পাৰিপাৰ্শ্ব সাহিত্যৰ সমালোচকসকলে পূৰ্বৰ সাহিত্য-সংস্কৃতিত প্ৰকৃতিৰ লগত মানুহৰ সহবাসৰ ধাৰণা কেনেদৰে প্ৰকাশ পাইছে, সেই সম্পৰ্কে চিন্তা-চৰ্চা আৰম্ভ কৰে। ফলস্বৰূপে মানুহ আৰু পৰিৱেশ দুয়োকে সমগুৰুত্বৰে অধ্যয়ন কৰে। এই ক্ষেত্ৰত পৰিৱেশৰ উপাদান হিচাপে মানুহৰ দৰে আন প্ৰাণীসমূহকো মৰ্যাদাসম্পন্নভাৱে বিচাৰ-বিশ্লেষণ কৰিবলৈ লয়। এনে অধ্যয়নক 'মানৱ ব্যতিৰেক প্ৰাণী অধ্যয়ন' (Non-human Animal) নাম দিয়ে। 'মানৱ ব্যতিৰেক প্ৰাণী' অভিধাটোৱে মানৱ প্ৰজাতিৰ বাহিৰে আন প্ৰাণীসমূহক বুজায়। প্ৰকৃততে জৈৱিকভাৱে মানুহো প্ৰাণীয়ে। 'মানৱ শ্ৰেষ্ঠ' ধাৰণাৰ পৰা আঁতৰি আহি মানৱ ব্যতিৰেক প্ৰাণী অধ্যয়নত প্ৰাণীৰ স্ব অভিজ্ঞতা, বুদ্ধিমত্তা আৰু মূল্য সম্পৰ্কে অধ্যয়ন কৰা হয়।

বীজ শব্দঃ ব্যতিৰেক, লোকসাহিত্য, সাধুকথা, পাৰিপাৰ্শ্ব, বহনক্ষম।

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

উত্তৰ-মানৱিক অৱধাৰণা এটি আধুনিক চিন্তাধাৰা। ই এটি উত্তৰ মানৱতাবাদী ধাৰা। মানৱতাবাদে গুৰুত্ব দিয়া *মানৱ শ্ৰেষ্ঠ* ধাৰণাৰ পৰা আঁতৰি আহি উত্তৰ-মানৱিক অৱধাৰণাই আন জীৱবোৰো সমানে শ্ৰেষ্ঠ এই কথাত গুৰুত্ব দিয়ে। উত্তৰ মানৱতাবাদৰ বিধা হিচাপে যি পাৰিপাৰ্শ্ব সমালোচনা তত্ত্বৰ সৃষ্টি হয়, মানৱ ব্যতিৰেক প্ৰাণী অধ্যয়নক তাৰ অন্তৰ্ভুক্ত কৰিব পাৰি। মানৱ ব্যতিৰেক অভিধাটোৱে মানৱ প্ৰজাতিৰ বাহিৰে আন প্ৰাণীসমূহ (জীৱ বা পশু-পক্ষী) ক বুজায়। এই প্ৰাণীৰ সম্পৰ্কীয় অধ্যয়নেই মানৱ ব্যতিৰেক প্ৰাণীৰ অধ্যয়ন (Non-human animal study)। মানৱ ব্যতিৰেক প্ৰাণী অধ্যয়নত প্ৰাণীৰ স্ব-অভিজ্ঞতা, বুদ্ধিমত্তা আৰু মূল্য সম্পৰ্কে অধ্যয়ন কৰা হয়। সাহিত্যত কিদৰে পৰিৱেশ তথা তাৰ উপাদান হিচাপে প্ৰাণীৰ লগতো মানুহৰ সহবাসৰ ধাৰণা প্ৰকাশ পাইছে, সেই সম্পৰ্কে এই অধ্যয়নে অধ্যয়ন কৰে। এই অধ্যয়নৰ উদ্দেশ্য হৈছে পৰিৱেশৰ লগত মানুহক সংযোগ

****

কৰা। পৰম্পৰাগতভাৱে প্ৰকৃতিৰ বিষয়ে মানুহৰ বোধ আৰু বহনক্ষম ব্যৱহাৰ বিষয়টোৰ প্ৰকাশৰ মাধ্যম লোকসাহিত্য আৰু লোকসংস্কৃতিৰ উপাদান এই অধ্যয়নৰ সমল।

লোকসাহিত্যৰ এটি ভাগ হৈছে সাধুকথা। 'সাধুকথা' পদটোৱে সাধাৰণতে গদ্য ৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীক সূচায়। এই সাধুকথাবোৰত মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ এক সুস্থ সম্পৰ্ক প্ৰতিফলিত হৈ আছে। বিজ্ঞানৰ নতুন আৱিষ্কাৰ, জীৱন নিৰ্বাহৰ নতুন প্ৰণালী, কৰ্ম ব্যস্ততা, পাৰিপাৰ্শ্ব সুৰক্ষাৰ চিন্তা নকৰাকৈ অৰ্থ উপাৰ্জনৰ উচ্চ আকাংক্ষা আদিয়ে মানুহক পৰিৱেশ তথা মানৱ ব্যতিৰেক প্ৰাণীৰ লগত থকা সম্পৰ্কৰ পৰা আঁতৰাই আনিছে। নিজৰ জীৱন প্ৰণালী সহজ কৰিবলৈ মানুহে পৰিৱেশক বিনষ্ট কৰিছে। এনে কাৰ্যই জৈৱ-বৈচিত্ৰ্যৰ ভাৰসাম্যক প্ৰভাৱিত কৰিছে। জৈৱ-বৈচিত্ৰ্যৰ ভাৰসাম্য ৰক্ষা নহ'লে পৃথিৱীত মানুহৰ বসতিও সম্ভৱ নহয়। সেয়ে বৰ্তমান সময়ত মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ সম্পৰ্ক অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে।

আলোচনা পত্ৰখনত অসমীয়া আৰু জনগোষ্ঠীয় সাধুকথাত প্ৰতিফলিত মানৱ ব্যতিৰেক প্ৰাণীৰ সম্পৰ্কে আলোচনা কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

অসমীয়া লোকসাহিত্যত মানৱ ব্যতিৰেক প্ৰাণীৰ প্ৰসংগঃ নিৰ্বাচিত সাধুকথাৰ আধাৰত এটি সমীক্ষাত্মক অধ্যয়ন শীৰ্ষক আলোচনা পত্ৰখনৰ উদ্দেশ্য হৈছে—

- ♦ মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ গুৰুত্ব বিচাৰ।
- ♦ মানৱ ব্যতিৰেক প্ৰাণীৰ জৈৱ-বৈচিত্ৰ্য ভাৰসাম্যৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে আলোচনা কৰা।
- ♦ সাধুকথাত প্ৰতিফলিত মানৱ ব্যতিৰেক প্ৰাণীৰ লগত মানৱৰ সহবাসৰ ধাৰণা সম্পৰ্কে আলোচনা।
- ♦ মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ পাৰস্পৰিক সংযোগৰ গুৰুত্ব বিচাৰ।
- ♦ মানৱ ব্যতিৰেক প্ৰাণীৰ আদৰ্শেৰে মানৱৰ মানৱীয় গুণৰ সম্পৰ্কে বিচাৰ কৰা।

০.৩ অধ্যয়নৰ গুৰুত্বঃ

পাৰিপাৰ্শ্ব ভাৰসাম্য ৰক্ষা নহ'লে মানুহৰ বসতিও সম্ভৱ নহয়। বহুসময়ত দেখা গৈছে প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আদিৰ সময়ত প্ৰকৃতিৰ লগত সম্পৰ্ক জড়িত হৈ বাস কৰা লোকসকলৰ ক্ষতিশংকা কম। জীৱ-জন্তু, পশু-পক্ষী, প্ৰকৃতিৰ আন উপাদানৰ আচৰণৰ পৰা তেওঁলোকে বহুতো দুৰ্যোগৰ আগতীয়া সন্ভেদো লাভ কৰাৰ নিদৰ্শন বিভিন্ন অধ্যয়নে প্ৰমাণ কৰিছে। লোকসাহিত্য লোকজীৱনৰ প্ৰতিফলন। তেওঁলোকৰ জীৱন চৰ্যাৰ সন্ভেদ সাধুকথাবোৰত পোৱা যায়। সেয়ে বৰ্তমান সময়ত লোকসাহিত্যত প্ৰকাশিত মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ সম্পৰ্ক অধ্যয়ন কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। আলোচনা পত্ৰখনত অসমীয়া আৰু জনজাতীয় সাধুকথাত প্ৰতিফলিত এই সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হৈছে।

০.৪ অধ্যয়নৰ পৰিসৰঃ

আলোচনা পত্ৰখনত মূলত অসমীয়া লোকসাহিত্যত মানৱ ব্যতিৰেক প্ৰাণীৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা হৈছে। আলোচনাৰ সুবিধাৰ্থে অসমীয়া আৰু জনজাতীয় নিৰ্বাচিত সাধুকথাক আলোচনা পত্ৰখনৰ পৰিসৰভূক্ত কৰা হৈছে।

০.৫ অধ্যয়নৰ পদ্ধতিঃ

অসমীয়া লোকসাহিত্যত মানৱ ব্যতিৰেক প্ৰাণীৰ প্ৰসংগঃ নিৰ্বাচিত সাধুকথাৰ আধাৰত এটি সমীক্ষাত্মক অধ্যয়ন শীৰ্ষক আলোচনা পত্ৰখন সমীক্ষাত্মক পদ্ধতি আৰু পাৰিপাৰ্শ্ব সমালোচনা তত্ত্বৰে প্ৰস্তুত কৰা হৈছে।

০.৬ তথ্য আহৰণৰ উৎসঃ

আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে সাধুকথা সংকলিত পুথি চাৰিখনক মুখ্য উৎস হিচাপে নিৰ্ধাৰণ কৰা

হৈছে। বিষয় সম্পৰ্কীত পুথি আৰু বিভিন্ন ৱেবচাইটৰ পৰা আহৰিত তথ্যক গৌণ উৎস হিচাপে নির্ধাৰণ কৰা হৈছে।

১.০ মূল আলোচনাঃ

১.১ উত্তৰ-মানৱিক অৱধাৰণাঃ

বিজ্ঞানৰ নতুন আৱিষ্কাৰ, জীৱন নির্বাহৰ নতুন প্রণালী, কর্ম ব্যস্ততা, পাৰিপার্শ্ব সুৰক্ষাৰ চিন্তা নকৰাকৈ অর্থ উপার্জনৰ উচ্চ আকাংক্ষা আদিয়ে মানুহক প্রকৃতিৰ পৰা আঁতৰাই আনিছে। নিজৰ জীৱন প্রণালী সহজ কৰিবলৈ মানুহে পৰিৱেশক বিনষ্ট কৰিছে। পৰিৱেশৰ ভাৰসাম্য ৰক্ষা নহ'লে মানুহৰ বসতিও সম্ভৱ নহয়। মানৱতাবাদৰ ধাৰণা কেৱল মানুহক লৈয়ে কেন্দ্রীভূত আছিল। বিভিন্ন প্রাকৃতিক দুর্যোগ, মহামাৰীত মানুহৰ মৃত্যু আদি বিগতকালৰ বহুতো অভিজ্ঞতাই মানুহ যে পৰিৱেশৰ পৰা আঁতৰি থাকিব নালাগে পৰিৱেশ বিজ্ঞানে এই ধাৰণাৰ জন্ম দিয়ে। এই ধাৰণাই কেৱল মানুহেই যে শ্রেষ্ঠ নহয়; বাকী জীৱবোৰো সমানে শ্রেষ্ঠ সেই কথা প্রতিপন্ন কৰে। সেয়ে এনে ধাৰণাৰ পৰায়ে মানৱতাবাদ (humanism)ৰ পৰৱর্তী বিধা হিচাপে উত্তৰ- মানৱিক অৱধাৰণাৰ সৃষ্টি হয়। এই অৱধাৰণা এটা আধুনিক চিন্তাধাৰা। যিয়ে কেৱল মানৱকেন্দ্রিক চিন্তাক লৈ প্রশ্নৰ অৱতাৰণা কৰে আৰু মানুহৰ ক্ষমতা, পৰিসৰ, আৰু স্বাভাৱিক সীমাবদ্ধতাৰ সীমা অতিক্রম কৰাৰ সম্ভাৱনাক লৈ আলোচনা কৰে। উত্তৰ-মানৱিক অৱধাৰণাই বিশ্বাস কৰে যে মানুহেই সকলোবোৰ চিন্তাৰ কেন্দ্র নহয়। জীৱজগতৰ অন্য প্রাণী আৰু পৰিৱেশো সমানেই গুৰুত্বপূর্ণ। এই চিন্তাধাৰাটোৱে কেৱল দর্শনেই নহয়; বিজ্ঞান, সাহিত্য, কলা, আৰু নীতিশাস্ত্রৰ ক্ষেত্রতো গুৰুত্বপূর্ণ প্রভাৱ পেলাইছে।

উত্তৰ-মানৱিক ধাৰণাৰে এটি বিধা হৈছে পাৰিপার্শ্ব সমালোচনা। যিসমূহ সাহিত্যত প্রকৃতিৰ সংৰক্ষণ, প্রকৃতিৰ বহনক্ষম ব্যৱহাৰৰ ধাৰণা প্রতিফলিত হৈছে, তেনে সাহিত্যক পাৰিপার্শ্ব সাহিত্যৰ অন্তর্ভূক্ত কৰা হয়। পাৰিপার্শ্ব সাহিত্যৰ সমালোচকসকলে সাহিত্য-সংস্কৃতিত প্রকৃতিৰ লগত মানুহৰ সহবাসৰ ধাৰণা কেনেদৰে প্রকাশ পাইছে, সেই সম্পর্কেও চিন্তা-চর্চা কৰে। ফলস্বৰূপে মানুহ আৰু পৰিৱেশ দুয়োকে সমগুৰুত্বৰে অধ্যয়ন কৰে। এই ক্ষেত্রত পৰিৱেশৰ উপাদান হিচাপে মানুহৰ দৰে আন প্রাণীসমূহকো মর্যাদাসম্পন্নভাৱে বিচাৰ-বিশ্লেষণ কৰিবলৈ লয়। এনে অধ্যয়নক 'মানৱ ব্যতিৰেক প্রাণী অধ্যয়ন' (Non-human Animal Study) নাম দিয়ে।

১.১.১ মানৱ ব্যতিৰেক প্রাণী অধ্যয়নঃ

মানৱ ব্যতিৰেক অভিধাটোৱে মানৱ প্রজাতিৰ বাহিৰে আন প্রাণীসমূহক (জীৱ-জন্তু) বুজায়। এই প্রাণীৰ সম্পর্কীয় অধ্যয়নেই মানৱ ব্যতিৰেক প্রাণী অধ্যয়ন (Non-human animal study)। এনে অধ্যয়নে মানুহৰ বাহিৰেও আন প্রাণী অর্থাৎ মানৱ ব্যতিৰেক প্রাণীৰ অধিকাৰ, অনুভূতি আৰু নৈতিকতা সম্পর্কে আলোচনা কৰে। মানৱ ব্যতিৰেক প্রাণীবোৰক কেৱল মানুহৰ সুবিধাৰ বাবে ব্যৱহাৰ নকৰি তেওঁলোকৰ স্বাধীনতা আৰু অধিকাৰৰ প্রতি এই অধ্যয়নে লক্ষ্য ৰাখে। এই অধ্যয়ন মানুহৰ বাহিৰৰ অন্যান্য উপাদান, যেনে প্রকৃতি, পৰিৱেশ, বা অন্যান্য জীৱৰ ওপৰত কেন্দ্রীভূত হয়। এই অধ্যয়নে মানুহৰ সর্বোচ্চ স্থানৰ ধাৰণাক প্রত্যাহ্বান জনায়।

উত্তৰ-মানৱতাবাদী বিধা মানৱতাবাদৰ পৰা আঁতৰি আহে। ইয়াৰে এটা চিন্তাধাৰা হিচাপে পৰিপার্শ্ব সমালোচনা তত্ত্বৰ সৃষ্টি হয়। মানৱ ব্যতিৰেক প্রাণী অধ্যয়নক এই পৰিপার্শ্ব সমালোচনা তত্ত্বৰে অন্তগর্ত এটি ধাৰা হিচাপে অন্তর্ভূক্ত কৰিব পাৰি। এই অধ্যয়ন মানুহৰ বাহিৰে অন্য প্রাণীৰ অধিকাৰ আৰু পৰিৱেশৰ সংৰক্ষণত তেওঁলোকৰ গুৰুত্ব সম্পর্কে আলোচনা কৰে। মূলত 'মানৱ শ্রেষ্ঠ' ধাৰণাৰ পৰা আঁতৰি আহি প্রাণীৰ স্ব অভিজ্ঞতা, বুদ্ধিমত্তা আৰু মূল্য সম্পর্কে অধয়েন কৰাই মানৱ ব্যতিৰেক প্রাণী অধ্যয়নৰ মূল কথা।

পৰিৱেশ অভিধাটোৱে মাটি, পানী, বায়ু, উদ্ভিদ আৰু প্রাণী আদি সকলোকে সামৰি লয়। মানুহৰ জন্মৰ সময়ৰ পৰা পৰিৱেশৰ লগত এক নিবিড় সম্পর্ক আছে। মানৱ প্রজাতিৰ উদ্ভৱৰ সময়ৰ পৰা বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ পূর্ব সময়লৈকে মানুহ সম্পূর্ণৰূপে পৰিৱেশ নির্ভৰশীল আছিল। সেয়ে এই সময়ছোৱাত মানুহ আৰু পৰিৱেশৰ

****

মাজত এক সুস্থ সম্পর্ক আছিল। পৰিৱেশৰ উপপাদানস্বৰূপে মানৱ ব্যতিৰেক প্ৰাণীসমূহৰ লগতো সম্পর্ক আছিল। এই প্ৰাণীসমূহৰ লগত মানুহে সহবাস কৰিছিল। বিজ্ঞানৰ নতুন আৱিষ্কাৰ, পাৰিপাৰ্শ্ব সুৰক্ষাৰ চিন্তা নকৰাকৈ অৰ্থ উপাজনৰ উচ্চ আকাংক্ষা আদিয়ে মানুহক মানৱ ব্যতিৰেক প্ৰাণীৰ পৰা আঁতৰাই আনিছে। বিজ্ঞানৰ আৱিষ্কাৰে মানৱ জীৱনত মানৱ ব্যতিৰেক প্ৰাণীৰ গুৰুত্ব কমাই আনিছে। জন্তুৰ হত্যা, বনাঞ্চল ধ্বংসৰ দৰে কাৰ্যই বিনষ্ট পৰিৱেশৰ সৃষ্টি কৰিছে। ই জৈৱিক ভাৰসাম্য ওপৰতো যথেষ্ট প্ৰভাৱ পেলায়। পৰিৱেশ তথা জৈৱিক ভাৰসাম্য ৰক্ষা নহ'লে মানুহৰ বসতিও সম্ভৱ নহয়। সেয়ে পৰিৱেশ আৰু মানৱ ব্যতিৰেক প্ৰাণী লগত থকা মানুহৰ সম্পর্ক অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। সাহিত্যত কিদৰে পৰিৱেশ তথা তাৰ উপাদান হিচাপে প্ৰাণীৰ লগতো মানুহৰ সহবাসৰ ধাৰণা প্ৰকাশ পাইছে, সেই সম্পর্কেও বৰ্তমান অধ্যয়ন কৰা হৈছে। এই অধ্যয়নেই মানৱ ব্যতিৰেক প্ৰাণী অধ্যয়ন। এই অধ্যয়নৰ উদ্দেশ্য হৈছে পৰিৱেশৰ লগত মানুহক পুনৰ সংযোগ কৰা। পৰম্পৰাগতভাৱে প্ৰকৃতিৰ বিষয়ে মানুহৰ বোধ আৰু বহনক্ষম ব্যৱহাৰ বিষয়টোৰ প্ৰকাশৰ মাধ্যম হিচাপে লোকসাহিত্য আৰু লোকসংস্কৃতিৰ উপাদানেই এই অধ্যয়নৰ সমল।

১.২ সাধুকথাঃ

লোকসাহিত্যৰ এটি শাখা হৈছে 'সাধুকথা'। সাধাৰণ অৰ্থত 'সাধুকথা' পদটোৱে সাধাৰণতে গদ্য ৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীক সূচায়। সাধুকথাৰ সংজ্ঞা লীলা গগৈয়ে এনেদৰে দিছে, *"সাধুকথা শব্দৰ মূল বিচাৰি ক'ব লগীয়া যে কাহিনীৰ অন্তৰালত সাধু, সৎ বা নীতি কথা একোটা জড়িত থাকে বাবেই পুৰণি লোক-কাহিনীবোৰক মানুহে সাধুকথা বোলে।"* [১] নৃতত্ত্ব আৰু সমাজতত্ত্বৰ অধ্যয়নৰ দিশৰ পৰা সাধুকথাৰ যথেষ্ট মূল্য আছে। ইংৰাজী Tale পৰিভাষাৰ অৰ্থ বুজাবৰ বাবে অসমৰ বিভিন্ন অঞ্চলত সাধুকথা বা সাধু অভিধাটো ব্যৱহাৰ কৰে। আনন্দ প্ৰদানৰ বাবেই সাধুকথাৰ সৃষ্টি বুলি ভবা হয় যদিও সাধুকথাই বিভিন্ন সামাজিক প্ৰকাৰ্য সাধন কৰি আহিছে। নীতি-শিক্ষা প্ৰদানৰ ক্ষেত্ৰত সাধুকথাৰ ভূমিকা গুৰুত্বপূৰ্ণ। সাধুকথা সময় আৰু স্থান নিৰপেক্ষ। কিয়নো এইবোৰ যি কোনো সময় আৰু যি কোনো ঠাইতে ৰচিত হ'ব পাৰে। সাধুকথাই কেলৱ শিশুকেই আনন্দ দিয়ে তেনে নহয়। বৰং ই সমাজৰ সকলো স্তৰৰ লোককে আনন্দ প্ৰদান কৰে। বিষয়বস্তুৰ বিভিন্নতা অনুসৰি সাধুকথাক কেইটামান উপভাগত বিভক্ত কৰিব পাৰি। যেনে— জন্তুকেন্দ্ৰিক সাধুকথা, যাদুমূলক সাধুকথা, ব্যাখ্যামূলক সাধুকথা, টেটোন, সমস্যামূলক সাধুকথা, ধৰ্মমূলক সাধুকথা আদি।

২. সাধুকথাত মানৱ ব্যতিৰেক প্ৰাণীৰ গুৰুত্বঃ

সাধুকথাবোৰৰ এটি প্ৰধান চৰিত্ৰ হৈছে মানৱ ব্যতিৰেক প্ৰাণীবোৰ। সাধুকথা এই প্ৰাণীবোৰে মানুহৰ দৰেই কথা কয়, কাম কৰে আৰু মানুহৰ লগত সহবাস কৰে। এইবোৰৰ মাজেৰেই সাধুকথাবোৰত মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ সম্পর্ক প্ৰতিফলিত হয়। সাধুকথাত মানৱ ব্যতিৰেক প্ৰাণীৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিবলৈ চাৰিখন গ্ৰন্থৰ কেইটামান সাধুক আধাৰ হিচাপে লোৱা হৈছে। সেই গ্ৰন্থ চাৰিখন হ'ল— লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু', বিশ্বনাৰায়ণ শাস্ত্ৰীৰ 'অসমৰ জনজাতীয় সাধু' আৰু শ্ৰীমতী নিৰুপমা হাগজেৰ 'ডিমাছা সাধু কথা'। তলত সাধুকথাত মানৱ ব্যতিৰেক প্ৰাণীৰ গুৰুত্ব সম্পর্কে আলোচনা কৰা হ'ল।

২.১ মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ পাৰস্পৰিক সম্পর্কঃ

সাধুকথাত মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজত এক সুস্থ সম্পর্কৰ প্ৰতিফলন হয়। য'ত মানুহ আৰু মানৱ ব্যতিৰেক প্ৰাণীবোৰে পৰস্পৰে পৰস্পৰক সহায় কৰে। এনে সাধুৰ নিদৰ্শন লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' আৰু বিশ্বনাৰায়ণ শাস্ত্ৰীৰ 'অসমৰ জনজাতীয় সাধু' গ্ৰন্থ দুখনত আছে। 'বুঢ়ী আইৰ সাধু'ৰ 'বাঘ আৰু কেঁকোৰা' আৰু 'অসমৰ জনজাতীয় সাধু'ৰ 'কাছ আৰু বাঘ' সাধু দুটা এই ক্ষেত্ৰত বাছনি কৰি ল'ব পাৰি। দুয়োটা সাধুতে মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজত চিৰন্তন সম্পর্ক প্ৰকাশ পাইছে। 'বাঘ আৰু কেঁকোৰা' সাধুটোৰ দুঠাইত এই সম্পর্কৰ প্ৰতিফলন ঘটিছে। প্ৰথমে বিপদত পৰা এটা বাঘৰ অনুৰোধত বাৰী- কোঁৱৰে

বাঘটোৰ জীৱন ৰক্ষা কৰিছে। এই সহায়ৰ বাবে বাঘে বাৰী-কোঁৱৰক সদায় এটা পশু আনি দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিলে তাক বাঘে পালন কৰিছিল। সাধুটোৰ আন এঠাইত প্ৰকাশ পাইছে, বাৰী-কোঁৱৰ আৰু ম'হৰ সম্পৰ্ক। ম'হৰ খুঁটিত লুকাই থকা বাৰী-কোঁৱৰে ম'হবোৰ চৰিবলৈ যোৱাৰ পাছত সহায় খুঁটিটো পৰিষ্কাৰ কৰে। লুকাই থকা বাৰী-কোঁৱৰ ধৰা পৰা পাছত ম'হবোৰে তাক তাহাঁহৰ গৰাকী পাতে আৰু সদায় সি খাবলৈ সুকীয়াকৈ গাখীৰ দি থৈ যায়। ইয়াৰোপৰি বাৰী-কোঁৱৰক ম'হজনীয়ে দুটা শিঙা দিয়ে আৰু কয়, *"এই শিং দুটাৰ এটা খং শিঙা, এটা ৰং শিঙা। আমি চৰিবলৈ গ লৈ তুমি যদি ৰং সিঙাটো বজোৱা শুনো তেন্তে তুমি ভালে আছা বুলি জানি আমিও ৰঙেৰে চৰি ঘাঁহ খাই ফুৰিম। আৰু যদি তোমাৰ কোনো বিপদ ঘটে তেন্তে তুমি যি খং শিঙাটো বজোৱা তেতিয়া আমি তোমাক ৰাখিবলৈ লৰি তোমাৰ ওচৰ ওলামহি।"*[২] এই সাধুটোত মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ বন্ধুত্ব সম্পৰ্কৰ লগতে পাৰস্পৰিক আদান- প্ৰদানৰ দিশটোও প্ৰতিফলিত হৈছে। 'কাছ আৰু বাঘ' সাধুকথাত বাঘটোৰ তাঁত বৈ থকা মানুহজনীক খাবলৈ ইচ্ছা হয়। কাছটোৱে বাঘৰ মনোভাৱ বুজিয়েই মানুহজনীক এই বিষয়ে অৱগত কৰাই তেওঁৰ জীৱন ৰক্ষা কৰে। এই প্ৰাণীবোৰৰ মাজতো যে মানুহৰ প্ৰতি স্নেহ আছে সেইকথা সাধুটোত প্ৰতিপন্ন হৈছে। সাধুকথাবোৰত প্ৰতিফলিত এই সম্পৰ্ক বৰ্তমান সময়ত পৰিলক্ষিত নহয়। বৰং বৰ্তমান সময়ত কোনো প্ৰজাতিৰ জন্তুৰ জীৱন হৈ পৰিছে মানুহৰ অৰ্থ উপাৰ্জনৰ উৎস। উদাহৰণস্বৰূপে অসমৰ প্ৰেক্ষাপটত গঁড় আৰু হাতীৰ কথাকে ক'ব পাৰি। আজিৰ পৰা প্ৰায় সাত আঠ বছৰ আগলৈকে বহু পৰিমাণে গঁড় হত্যা হৈছিল। মাত্ৰ খৰ্গটোৰ বাবে গঁড়ৰ হত্যা কৰিছিল। তেনেদৰে হাতী দাঁতটোৰ বাবেও হাতীক হত্যা কৰে। এই খৰ্গ আৰু দাঁত বিক্ৰী কৰি ধন উপাৰ্জন কৰে। এই উপাৰ্জনৰ লোভে একাংশ লোকক বিবেক শূন্য কৰি তুলিছে। ফলস্বৰূপে মানুহ জন্তুৰ বন্ধু হোৱাৰ বিপৰীতে শত্ৰু ৰূপেহে দেখা দিয়ে। অৱশ্যে চৰকাৰ তথা বিভিন্ন NGO- এ গঁড়কে আদি কৰি সকলো জীৱ জন্তুৰ সুৰক্ষা বাবে বিভিন্ন উপায় অৱলম্বন কৰিছে আৰু ইয়াৰ ভাল ফলাফলো পৰিলক্ষিত হৈছে। কিন্তু এতিয়াও সম্পূৰ্ণভাৱে সুৰক্ষা হোৱা নাই। ইয়াৰোপৰি বনাঞ্চল ধ্বংসৰ বাতৰিও আমি শুনিবলৈ পঢ়িবলৈ পাওঁ। বনাঞ্চল ধ্বংসৰ পৰিণামস্বৰূপে কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। ফলস্বৰূপে জীৱ জন্তুৱে আশ্ৰয়স্থল হেৰুৱাইছে আৰু খাদ্যৰ সন্ধানত মানৱ বসতি অঞ্চলত প্ৰৱেশ কৰিছে। বৰ্তমান সময়ত গাঁৱে-ভূঞে হাতী মানুহৰ সংঘাত শুনিবলৈ পোৱা যায়। খাদ্য সন্ধানত মানুহৰ খেতি, বাসস্থান ইত্যাদি ধ্বংস কৰিছে। মাংসভোজী প্ৰাণীবোৰে মানুহৰে চিকাৰ কৰিছে। এইবিলাক আচলতে মানুহৰ অবিবেচকী কাণ্ডৰ ফল। মানৱ ব্যতিৰেক প্ৰাণীৰ লগত মানৱৰ পূৰ্বতে যি সম্পৰ্ক আছিল; সেই সম্পৰ্ক বৰ্তমান নাশ হৈছে। তাৰ ফল মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ দুয়ো প্ৰাণীয়ে ভুগিব লগা হৈছে।

২.২ মানৱ ব্যতিৰেক প্ৰাণীৰ জৈৱ-বৈচিত্ৰ্য ভাৰসাম্য ৰক্ষাৰ প্ৰয়োজনীয়তাঃ

মানুহ পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃতিৰ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। মানুহৰ দৈনন্দিন সকলো কামতে পৰিৱেশৰ অৱদান আছে। পৰিৱেশৰ লগত বহনক্ষমভাৱে জীৱন যাপন কৰি মানুহে পৰিৱেশ সংৰক্ষণ কৰিব পাৰে। পৰিৱেশৰে এটি উপাদান হৈছে মানৱ ব্যতিৰেক প্ৰাণীবোৰ। সেয়ে মানুহ এই প্ৰাণীবোৰৰ ওপৰতো নিৰ্ভৰশীল। এই নিৰ্ভৰশীলতাৰ লগত জৈৱ বৈচিত্ৰ্যৰ কথা জড়িত। পৃথিৱীৰ পৰা যদি এটা জীৱও লুপ্ত হয় বা সংখ্যা কমি আহে অথবা অত্যধিক সংখ্যা বৃদ্ধি হয় তেতিয়া এইবোৰে মানৱ জীৱনটো প্ৰভাৱ পেলায়। মানুহ জীয়াই থাকিবৰ বাবে পৰিৱেশ তথা ইয়াৰ উপাদানসমূহৰ মাজৰ ভাৰসাম্য ৰক্ষা হোৱাটো অতি প্ৰয়োজনীয়। এনে ভাৰসাম্য ৰক্ষাৰ ইংগিত অসমীয়া আৰু জনগোষ্ঠীয় সাধুত প্ৰতিফলিত হৈছে। এনে কেইটামান সাধু হৈছে— 'বান্দৰ আৰু ঘঁৰিয়াল', 'সিংহ আৰু নিগনি', 'জুবু চাং-সাঈবাণী খাৰমুন' (সাপ সৃষ্টিৰ সাধু)। এই তিনিওটা সাধুতে পাৰিপাৰ্শ্ব ভাৰসাম্য ৰক্ষাৰ ইংগিত প্ৰতিফলিত হৈছে। পৰিৱেশৰ প্ৰতিটো জীৱৰে যে প্ৰয়োজনীয়তা আছে সেই কথাও সাধুকেইটাত প্ৰতিফলিত হৈছে। 'বান্দৰ আৰু ঘঁৰিয়াল' সাধুটোত বান্দৰ আৰু ঘঁৰিয়াল দুয়োটাৰে প্ৰয়োজনীয়তা প্ৰতিফলিত হৈছে। বান্দৰ নথকা হ'লে ঘঁৰিয়ালে জামু সোৱাদ ল'ব নোৱাৰে। কিয়নো ঘঁৰিয়াল

****

গছত উঠিব নোৱাৰে। সেইদৰে ঘঁৰিয়াল নথকা হ'লেও বান্দৰটো পানীৰ মাজত থকা ঘঁৰিয়ালৰ ঘৰলৈ যাব নোৱাৰে। কিয়নো বান্দৰে সাতুৰিব নোৱাৰে। সেয়ে নৈ পাৰ হ'বলৈ তথা পানীৰ মাজেৰে ক'ৰবাত যাবলৈ ঘঁৰিয়ালৰ দৰে প্রাণীৰ প্রয়োজন আছে। পঞ্চতন্ত্রৰ আন এটা সাধু 'সিংহ আৰু নিগনি' সাধুটোত সৰু তথা সামান্য প্রাণী এটাৰো প্রয়োজনৰ কথা আছে। পৰিৱেশ আৰু মানুহৰ সমাজখন যদি সন্তুলিত হৈ থাকিবলৈ সৰু-ডাঙৰ সকলো প্রাণীৰে প্রয়োজন আছে। সিংহ যিমানেই ডাঙৰ নহওক অথবা বনৰ ৰজা নহওক সি কুটিব নোৱাৰে। কিয়নো সিংহৰ শাৰীৰিক গঠন তেনে নহয়। সেয়ে জালৰ পৰা মুক্ত হ'বলৈ তাক নিগনিৰ দৰে এটা সৰু প্রাণীৰ প্রয়োজন হ'ল। কিয়নো দাঁতেৰে কুটি ৰছী ছিঙা ক্ষমতা নিগনিৰহে আছে। এই প্রয়োজনীয়তাৰ সম্পর্ক সাধুটোৰ শেষত সিংহৰ মুখেৰে এনেদৰে প্রকাশ কৰিছে, *"হেৰ নিগনি, আজি তইহে মোক বচালি। মই আজিহে বুজিলো যে বিপদত সৰুয়েও ডাঙৰক সহায় কৰিব পাৰে। নহ'লে চিকাৰী আহি পোৱা হ'লে মোক মাৰি পেলালেহেঁতেন।"*[৩] পৃথিৱীখনক সন্তুলিত কৰি ৰাখিবলৈ এনে জৈৱ-বৈচিত্র্য মানি চলিব লাগিব। 'জুবু চাং-সাঈবাণী খাৰমূন' (সাপ সৃষ্টিৰ সাধু) সাধুটোত ভেকুলীৰ সংখ্যা বৃদ্ধি হোৱাত এক ভাৰসাম্য ৰক্ষাৰ বাবে সাপৰ সৃষ্টি হৈছে। এই কথা সাধুটোৰ প্রথমতেই প্রকাশ পাইছে। ভেকুলীৰ উৎপাতত থাকিব নোৱাৰি দেৱতাসকলে সৃষ্টিকর্তাক ৰক্ষা কৰিবলৈ খাটনি ধৰে। সৃষ্টিকর্তাই নিজেই একো উপাই নাপাই পত্নীক এটি উপাই বিচাৰে। তেতিয়া ঘৈণীয়েকে উপাই দিয়ে যে, *"ভেকুলীবোৰক মাৰিবৰ বাবে আন এটা প্রাণী সৃজিব লাগিব। এই নতুন প্রণীটোৱে পানীতেই হওক বা মাটিতেই হওক ভেকুলীবোৰক খেদা মাৰি ধৰিব পাৰি লাগিব।"*[৪] ভেকুলীয়ে পোক-পৰুৱা খায়। ভেকুলীৰ সংখ্যা বৃদ্ধিয়ে স্বাভাৱিকভাৱেই পোক-পৰুৱাৰ সংখ্যা কম কৰি তুলিব। এনেদৰে এসময়ত পোক-পৰুৱা লুপ্ত হৈ যাব। পোক-পৰুৱাই মানুহক বিভিন্ন ধৰণে সহায় কৰে। যেনে— শস্যত পৰাগ ৰেণুত সহায় কৰে, মাটিত থকা জৈৱিক পদার্থ পচনত সহায় কৰে, আন কিছুমান অপকাৰী পোকক ভক্ষণ কৰি অপকাৰী পোকৰ সংখ্যা নিয়ন্ত্রণ কৰে আদি। এনে উপকাৰী পোক-পৰুৱাৰ সংখ্যা কমি আহিলে অথবা লুপ্ত হৈ পৰিলে শস্য উৎপাদন বেয়া হ'ব। সেয়ে ভেকুলী আৰু পোক-পৰুৱাৰ সংখ্যাৰ মাজত সন্তুলন ৰাখিবলৈ সাপৰ প্রয়োজন আছে। এইবোৰ নিদর্শন জৈৱ-বৈচিত্র্যৰ ভাৰসাম্যতা ৰক্ষাৰ চিৰন্তন সত্যটোৰ প্রকাশ।

বর্তমান সময়ত শগুনৰ সংখ্যা কমি আহিছে। মানুহৰ কিছুমান অবিবেচনীয় কর্মৰ পৰিণামস্বৰূপে শগুনৰ সংখ্যাৰ ওপৰত বিৰোপ প্রভাৱ পৰিছে। শ ভক্ষনেৰে পৰিৱেশ পাৰিপার্শ্বকতা ৰক্ষাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। মৃত জীৱ-জন্তু ভক্ষণ কৰি শগুনে পৰিৱেশ পৰিষ্কাৰ কৰে। এনে কার্যই মানৱ সমাজৰো উপকাৰ সাধন কৰে। শগুনৰ সংখ্যা হ্রাস হৈ অহাৰ ফলত ভৱিষ্যতে শবোৰ গেলি-পচি ৰোগ বিয়পোৱাৰ উপৰিও সমীপৱর্ত্তী পানীৰ উৎসত মিহলি হৈ পানী প্রদূষণ কৰাৰ সম্ভাৱনা আছে। মানুহৰ পৰিৱেশ বিনষ্ট কার্যই মানুহকে বিপদত পেলাইছে। সেয়ে পৰিৱেশৰ প্রতিটো উপাদানৰে প্রয়োজনীয়তা স্বীকাৰ কৰি ভাৰসাম্য ৰক্ষা কৰি জীৱন নির্বাহ কৰাৰ প্রয়োজনীয়তা আহি পৰিছে। জৈৱ বৈচিত্র্য ভাৰসাম্যহীনতাৰ বাবে মানুহৰ অস্তিত্ব বিপন্ন হ'বলৈ ধৰিছে। তাৰ পৰা উদ্ধাৰ পাবলৈ এই সাধুকথাবোৰত থকা আদর্শসমূহ মানুহৰ বাবে লাভদায়ক হ'ব।

২.৩ মানৱ ব্যতিৰেক প্রাণীৰ লগত মানৱৰ সহবাসৰ ধৰাণা আছেঃ

কিছুমান এনে সাধুত কোনো জন্তু মানুহৰ লগত একেলগে থাকি মানুহক সহায় কৰে। 'হিমব্রু নী খাৰমূন' (ভেকুলীৰ সাধু), 'চম্পাৱতী', 'এটা শিঙৰা মাছৰ কথা' সাধুৰ নাম এই ক্ষেত্রত উল্লিখিত।

শ্রীমতী নিৰুপমা হাগজেৰ 'ডিমাছা সাধু কথা' গ্রন্থৰ এটি সাধু হ'ল 'হিমব্রু নী খাৰমূন' (ভেকুলীৰ সাধু)। সাধুটোত সামান্য প্রাণী বুলি হেয়জ্ঞান কৰা এটা ভেকুলীৰ কথা আছে। মাছমৰীয়া বুঢ়া-বুঢ়ীৰ চেপাত এনিদ কেৱল ভেকুলীহে লাগে। বুঢ়া-বুঢ়ীয়ে এটা এটাকৈ ভেকুলীবোৰ মাৰোঁতে আধা মৰা ভেকুলী এটাই তাক নামাৰিবলৈ কাকূতি কৰি কয় যে, *"মোক ৰক্ষা কৰা। মই তুমি হাল বাওঁতে আৰু ধান কাটোতে সহায় কৰিম।"*[৫] যিয়ে মাছমৰীয়া এহাল বুঢ়া-বুঢ়ীৰ লগতে থাকি বাৰিষা কালত পথাৰলৈ গৈ খেতিৰ কামত সহায় কৰাৰ কথা আছে। সেইদৰে, 'বুঢ়ী আই

সাধু'ৰ 'চম্পাৱতী' সাধুটোত এজনী ছোৱালীক এডাল অজগৰৰ লগত বিয়া দিয়া আৰু অজগৰডালৰ লগত সংসাৰ কৰাৰ কথা আছে। ইয়াৰোপৰি সাধুটোত অজগৰডাল দেৱমানৰলৈ ৰূপান্তৰিত হোৱা কথাও আছে। একেখন গ্ৰন্থৰে 'এটা শিঙৰা মাছৰ কথা' সাধুটোত জকাইত লগা এটা শিঙৰা মাছৰ কথা আছে। য'ত এজন দুখীয়া মানুহৰ জকাইত লগা শিঙৰাটোৱে গৰু চৰাই দি মানুহজনক সহায় কৰে। দুখীয়া মানুহজনে এদিন দিনটো জকাই বাই শিঙৰা মাছ এটাহে পায়। তাকে খাবলৈ বাচিবলৈ ধৰোঁতে শিঙৰাটোৱে মাত লগাই, *ককাই, মই শিঙৰাৰ ৰজা; তই মোক নাখাবি; মই তোৰ সদায় গৰুটো ৰখি দিম।* [৬] এই সাধুটোতো শিঙৰাটো এজন পুৰুষলৈ ৰূপান্তৰিত হয়।

অতীজৰ পৰা মানুহে মানৱ ব্যতিৰেক প্ৰাণীৰ লগত সহবাস কৰি আহিছে। এই সম্পৰ্কে সাধুকথাবোৰতো প্ৰকাশ পাইছে। পূৰ্বতে এঘৰ মানুহৰ ঘৰত মানুহতকৈ অন্য জীৱ-জন্তুৰ সংখ্যাহে অধিক আছিল। এই জীৱ-জন্তুবোৰ ঘৰৰ সদস্য যেন জ্ঞান কৰিছিল। এই সময়ত জীৱ-জন্তু পোহাৰ আঁৰত অৰ্থ উপাৰ্জনৰ উদ্দেশ্য নাছিল। বিভিন্ন ধৰণৰ কামত সহায় হ'বৰ বাবে পুহিছিল। ইয়াৰ উপৰিও মানুহ জীয়াই থাকিবলৈ প্ৰয়োজনীয় বস্তুবোৰ সন্তুলিতৰূপে পাই থাকিবলৈ জীৱকূল ৰক্ষা কৰা প্ৰয়োজন আছিল আৰু বৰ্তমানেও আছে। কিন্তু বৰ্তমান সময়ত যন্ত্ৰৰ দেশত জন্তুৰ প্ৰয়োজনীয়তা মানুহৰ বাবে কমি আহিছে। সেয়ে মানুহৰ এই মানৱ ব্যতিৰেক প্ৰাণীবোৰৰ পৰা আঁতৰি আহিছে। আজিৰ সময়ত জীৱ-জন্তু পোহা মূল উদ্দেশ্য হ'ল অৰ্থ উপাৰ্জন। পূৰ্বৰ দৰে মানৱ ব্যতিৰেক প্ৰাণীবোৰৰ প্ৰতি মানুহ সহানুভূতি পৰিলক্ষিত নহয়। কিন্তু মানুহক মানৱ ব্যতিৰেক প্ৰাণীবোৰৰ যথেষ্ট প্ৰয়োজন আছে। এই কথা মানুহে লাহে লাহে উপলব্ধি কৰিছে। চিকিৎসাবিজ্ঞানেও প্ৰমাণ কৰিছে যে মানসিক শান্তিৰ বাবে মানৱ ব্যতিৰেক প্ৰাণীবোৰৰ প্ৰয়োজন আছে। উদাহৰণস্বৰূপে নিসংগতা দূৰ কৰিবলৈ বৰ্তমান সময়ত বিভিন্নধৰণৰ জীৱ পোহে। যেনে— কুকুৰ, মেকুৰী আদি।

২.৪ মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ পাৰস্পৰিক সংযোগঃ

অসমীয়া আৰু জনগোষ্ঠীয় বহুতো সাধুত মানুহৰ পৰা কোনো জন্তু অথবা কোনো জন্তুৰ পৰা মানুহৰ জন্মৰ কথা আছে। এনে কেইটামান সাধু হৈছে— 'মেকুৰীৰ জীয়েকৰ সাধু ', 'শামুকৰ সাধু' (পুনশ্চ মানফান), 'কাছৰ সাধু' (জনগোষ্ঠীয় সাধু)। লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ 'মেকুৰীৰ জীয়েকৰ সাধু' সাধুত এজনী মেকুৰীয়ে দুজনী ছোৱালীক জন্ম দিয়ে। এঘৰ মানুহৰ এজনী বৰ চেনেহৰ মেকুৰী আছিল। মেকুৰীজনী গাভিনী হৈছিল আৰু সেই একে সময়তে গিৰিহঁতনীও গৰ্ভৱতী আছিল। মেকুৰীজনীৰ মাছ খাবলৈ মন যোৱাত তাই অইনৰ ঘৰৰ পৰা মাছ চুৰ কৰি আমি গিৰিহঁতনীক দিয়ে। গিৰিহঁতনীয়ে ৰান্ধি-বাঢ়ি মেকুৰীজনীক কাঁইটবোৰহে খাবলৈ দিয়ে। গিৰিহঁতনীৰ এনে কাৰ্যত মনৰ বেজাৰ পাই মেকুৰীজনীয়ে শাও দিয়ে যে, *"মোৰ পেটত যি আছে তাইৰ পেটলৈ যাওক আৰু তাইৰ পেটত যি আছে মোৰ পেটলৈ আহক।"* [৭] এই শাও অনুসৰিয়ে মেকুৰীজনীৰ দুজনী ছোৱালী জন্ম দিয়ে আৰু গিৰিহঁতনীয়ে দুটা মেকুৰী পোৱালী জন্ম দিয়ে। 'শামুকৰ সাধু' (পুনশ্চ মানফান) সাধুটোত এগৰাকী মহিলাৰ পৰা এটা শামুক জন্ম হোৱাৰ কথা আছে। আকৌ সেই শামুকটো পৰায়ে এটা ল'ৰা জন্ম হোৱা কথাও সাধুটোত আছে। সেইদৰে 'কাছৰ সাধু' সাধুটোত এগৰাকী মহিলাৰ পৰা এটা কাছ জন্ম হোৱাৰ কথা আছে। এইকেইটাৰ উপৰি জনজাতীয় বহুতো সাধুত মানুহৰ পৰা একোটা প্ৰাণীৰ উৎপত্তিৰ কথা আছে। যেনে— যমডাকিনী চৰাইৰ জন্ম (এজনী ছোৱালীৰ পৰা চৰাই জন্ম), ঢেঁকী দিয়া চৰাইৰ জন্ম (চকুচৰহা মানুহ এজনী চৰাই হ'ল), কুৱঁৰা চৰাইৰ জন্ম (এজনী বুঢ়ী চৰাইলৈ ৰূপান্তৰিত হৈ কুৱঁৰা চৰাই জন্ম), ভালুকৰ জন্ম (এজনী 'দমৰু খহ' ৰোগীৰ পৰা ভালুকৰ জন্ম) আদি অন্যতম।

এনেবোৰ সাধুৱে মানৱ আৰু মানৱ ব্যতিৰেক প্ৰাণীৰ মাজৰ এৰাব নোৱাৰা সম্পৰ্কটোকে সূচায়। বৰ্তমান মানুহ এই সম্পৰ্কৰ পৰা কিছু পৰিমাণে আঁতৰি আহিছে। পৰিৱেশে সদায় মানুহক নিজৰ সন্তানৰ দৰে পালন কৰি আহিছে। পৰিৱেশৰ উপাদান হিচাপে মানৱ ব্যতিৰেক প্ৰাণীবোৰেও মানুহৰ জীৱন নিৰ্বাহত সহায় কৰি আহিছে। মানুহেও যদি পৰিৱেশ তথা ইয়াৰ উপাদানসমূহক জীৱনৰ অবিচ্ছিন্ন অংগ হিচাপে জ্ঞান কৰি বহনক্ষমভাৱে জীৱন

****

যাপন কৰে তেতিয়া বিনষ্ট পৰিৱেশে সৃষ্টি কৰা সমস্যাসমূহ লাহে লাহে লাঘৱ হ'ব।

২.৫ মানৰ ব্যতিৰেক প্রাণীৰ আদর্শৰে মানৱৰ মানৱীয় গুণৰ বিচাৰঃ

'বুঢ়ী আইৰ সাধু'ৰ এটি অন্যতম সাধু হৈছে 'বুঢ়া-বুঢ়ী আৰু শিয়াল'। এই সাধুটোত প্রৱঞ্চনা আৰু স্বার্থপৰতাই প্রকৃতি প্রদূষণ কৰি পৰিৱেশৰ অৱক্ষয় ঘটোৱাৰ কথা আছে। সাধুটোত এহাল বুঢ়া-বুঢ়ী আৰু শিয়ালৰ মাজৰ প্রত্যুত্তৰৰ সংঘাতৰ কথা আছে। এদিন বুঢ়াই কচু ৰুই থাকোঁতে শিয়ালবোৰে আহি কয়হি, *"ককা, আপুনি কচু ৰুৱ জনা নাই, কচুবোৰ আগেয়ে সিজাই লওক। আৰু য'ত ৰুৱ, গাঁত একোটাত দি ঢাকি থৈ যাওক, দেখিব; ৰাতিৰ ভিতৰতে একোজোপা ডাঙৰ ডাঙৰ কচু গছ হৈ আছে।"*[৮] বুঢ়াই শিয়ালৰ কথা মতেই কৰে আৰু ৰাতি শিয়ালে কচুবোৰ খাই পেলায়। শিয়ালৰ চতুৰালিৰ উত্তৰ দিবলৈ বুঢ়া-বুঢ়ীয়ে বুঢ়া মৰাৰ নাটক কৰে। বুঢ়ীয়ে কান্দি থকা দেখি শিয়ালে কি হৈছে সোধাত বুঢ়ীয়ে কয়, *"বোপাহঁত, আজি আমাৰ বুঢ়াটো ঢুকাল, সেইবাবে কান্দিছোঁ। তহঁতে পাৰ যদি বুঢ়াক বাহিৰলৈ উলিয়াই নি খা গৈ।"*[৯] বুঢ়ীৰ এনে কথা শুনি শিয়ালবোৰে ৰং মনে ভিতৰত সোমায়। বুঢ়ীয়ে বাহিৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিয়ে আৰু বুঢ়াই শিয়ালবোৰক টাঙোনেৰে মৰিয়াই মাৰে। তাৰে চাৰিটা শিয়াল পলাই নিজৰ প্রাণ ৰক্ষা কৰে। এইশিয়ালকেইটায়ে ইয়াৰ প্রতিশোধ ল'বলৈ এদিন বুঢ়ীক অকলে লগ পায় খাবলৈ প্রস্তুতি কৰে। অৱশ্যে বুঢ়ীয়ে বুদ্ধি পাঙি শিয়ালৰ পৰা নিজকে ৰক্ষা কৰে।

হিতোপদেশৰ সাধুৰ 'বগলী আৰু কেঁকোঁৱা' সাধুটোত বুঢ়া বগলী এটাৰ প্রৱঞ্চনাৰ কথা আছে। বুঢ়া বগলীটোৱে মাছ চিকাৰ কৰিব নোৱাৰা হোৱাত বুদ্ধিৰে মাছ চিকাৰ কৰিব বিচাৰিছিল। সেই উদ্দেশ্যে বগলীটো থকা ঠাইখনৰ সৰোবৰত জালোৱাই সকলো মাছ মাৰি পেলোৱাৰ কথা মাছবোৰক কয় আৰু মাছবোৰক আন সৰোবৰলৈ নি সহায় কৰাৰ ছলেৰে এটা এটাকৈ মাছবোৰ খায়। এদিন এটা কেঁকোঁৱাক লৈ যাঁওতে কেঁকোঁৱাটোৱে বগলীৰ চতুৰালিৰ কথা জানিব পাৰি নিজৰ প্রাণ ৰক্ষাৰ হেতু বগলীটোক ডিঙি চেপি মাৰে।

বহু সাধু আছে য'ত কিছুমান প্রাণী চৰিত্রৰ জৰিয়তে অমানৱীয় গুণৰ পৰিচয় তথা শিক্ষা দিছে। মানুহ সমাজত শান্তিপূর্ণভাৱে থাকিবলৈ হ'লে মানুহৰ মাজৰ অমানৱীয় গুণবোৰ আঁতৰ হোৱাৰ প্রয়োজন। সাধুকথাৰ কথক বা লেখকসকলে এইবোৰ কথা অনুভৱ কৰিছিল। সেয়ে তেওঁলোকে মানুহক মানৱ ব্যতিৰেক প্রাণীৰ আদর্শেৰে বুজাবলৈ চেষ্টা কৰিছিল। মানুহৰ মানৱীয়-অমানৱীয় কিছুমান গুণক মানৱ ব্যতিৰেক প্রাণীৰ কিছুমান গুণৰ লগত তুলনা কৰিছিল। যেনে— টেঙৰ লোকক শিয়ালৰ লগত, অপকাৰী লোকক বোন্দাৰ লগত। এইবোৰৰ নিদর্শন সাধুকথাতো আছে। কিয়নো সাধুকথাৰ কথকে বা লেখকে মানৱ ব্যতিৰেক প্রাণীৰ আচৰণেৰে মানুহৰ স্বভাৱবোৰক এটা পৰিচয় দিব বিচাৰে। অর্থাৎ মানুহে জীৱনৰ আদর্শৰ পাঠবিলাক গ্রহণ কৰে মানৱ ব্যতিৰেক প্রাণীৰ পৰা।

৩. উপসংহাৰঃ

অধ্যয়নৰ অন্তত উপনীত হোৱা সিদ্ধান্তসমূহ এনেধৰণৰ—

• বর্তমান সময়ত মানুহ পৰিৱেশ তথা তাৰ উপাদানসমূহৰ পৰা আঁতৰি অহা ফলস্বৰূপে জৈৱ-বৈচিত্র্য ভাৱসাম্য নষ্ট হৈছে। সেয়ে এই ভাৱসাম্য ৰক্ষাৰ হেতু মানৱ ব্যতিৰেক প্রাণী অধ্যয়নৰ প্রয়োজন আছে।

• মানৱ আৰু মানৱ ব্যতিৰেক প্রাণীৰ মাজৰ পাৰস্পৰিক সম্পর্কৰ প্রতি গুৰুত্ব বৃদ্ধি কৰাৰ প্রয়োজনীয়তা আহি পৰিছে। সম্পর্ক কমি অহাৰ পৰিণতি মানৱ আৰু মানৱ ব্যতিৰেক প্রাণী দুয়োৱে ভোগ কৰিব লগা হৈছে।

• প্রাণীকুলৰ মাজৰ জৈৱচক্রৰ ন্যার্যতা ৰক্ষা কৰাটো বর্তমান সময়ত অতি প্রয়োজনীয়। জৈৱচক্রৰ ন্যার্যতা ৰক্ষা নোহোৱা বাবে মানুহৰ অস্তিত্ব বিপন্ন হ'বলৈ ধৰিছে। তাৰ পৰা উদ্ধাৰ পাবলৈ এই সাধুকথাবোৰত থকা আদর্শসমূহ মানুহৰ বাবে লাভদায়ক হ'ব।

• বর্তমান নগৰকেন্দ্রিক ব্যস্ততা, ঔদ্যোগিক সমাজৰ মানুহে মানৱ ব্যতিৰেক প্রাণীৰ লগত বন্ধুত্ব কৰাৰ প্রয়োজনীয়তাক লাহে লাহে চিকিৎসাবিজ্ঞান, মনোবিজ্ঞান, জীৱবিজ্ঞান আদি অধ্যয়ন গুৰুত্ব দিছে। মানসিক

শান্তিৰ বাবে মানৱ ব্যতিৰেক প্ৰাণীবোৰৰ প্ৰয়োজন আছে।

• মানুহে পৰিৱেশ আৰু মানৱ ব্যতিৰেক প্ৰাণীক জীৱনৰ অবিচ্ছিন্ন অংগ হিচাপে জ্ঞান কৰি বহনক্ষমভাৱে প্ৰকৃতিৰ সংসৰ্গত জীৱন যাপন কৰা উচিত। এনে হ'লেহে বিপন্ন পৰিৱেশে আৰু জৈৱ-বৈচিত্ৰ্য ভাৰসাম্যহীনতাই সৃষ্টি কৰা সমস্যাসমূহ লাহে লাহে লাঘৱ হ'ব। তাকে নোহোৱাৰ বাবে মানৱকূলৰ সম্মুখতো এক অন্ধকাৰ ভৱিষ্যতৰ অশনি সংকেতে দেখা দিছে। এনে নিদৰ্শন সাধু কথাত আছে।

• মানুহে সমাজত শান্তিপূৰ্ণভাৱে বাস কৰিবলৈ নিজৰ মাজৰ অমানৱীয় গুণবোৰ পৰিত্যাগ কৰাৰ প্ৰয়োজন আছে। এইসমূহ আদৰ্শৰ প্ৰতিফলন সাধুকথাৰ মাজত হৈছে।

প্ৰসংগটোকাঃ

[১]লীলা গগৈ, অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, পৃ. ২০১

[২]লক্ষ্মীনাথ বেজবৰুৱা, বুঢ়ী আইৰ সাধু, পৃ. ২৬-২৭

[৩]পঞ্চতন্ত্ৰ, পৃ. ৩৬

[৪]নিৰুপমা হাগজেৰ, ডিমাছা সাধু কথা, পৃ. ১৮

[৫]উল্লিখিত, পৃ. ৬১

[৬]লক্ষ্মীনাথ বেজবৰুৱা, বুঢ়ী আইৰ সাধু, পৃ. ১০৩

[৭]উল্লিখিত, পৃ. ৯

[৮]উল্লিখিত, পৃ. ৩৩

[৯]উল্লিখিত, পৃ. ৩৩

গ্ৰন্থপঞ্জীঃ

অসমীয়া গ্ৰন্থঃ

হাগজেৰ, নিৰুপমা। *ডিমাছা সাধু কথা*। প্ৰথম প্ৰকাশ, ১৯৯৮।

শাস্ত্ৰী, বিশ্বনাৰায়ণ। *অসমৰ জনজাতীয় সাধু*। অসম সাহিত্য সভা, যোৰহাট।

হাজৰিকা, বিশ্বেশ্বৰ। *অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰথম খণ্ড*। তৃতীয় প্ৰকাশ, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ২০২২।

হাজৰিকা, ৰঞ্জু। *হিতোপদেশৰ সাধু*। প্ৰথম প্ৰকাশ, বনলতা, পাণবজাৰ, গুৱাহাটী- ১, ১৯৯৯।

বেজবৰুৱা, লক্ষ্মীনাথ। *বুঢ়ী আইৰ সাধু*। নতুন সংস্কৰণ, বুক হোম, যোৰহাট, ২০২৩।

গগৈ, লীলা।*অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা*। পুনৰ মুদ্ৰণ, বনলতা নতুন বজাৰ, ডিব্ৰুগড়-১, ২০১৭।

শৰ্মা, সত্যেন্দ্ৰনাথ।*অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। দশম সংস্কৰণ, সৌমাৰ প্ৰকাশ ৰিহাবাৰী, গুৱাহাটী-৮, ২০১৮।

ইংৰাজীঃ

Herbrechter, Stefan. *Posthumanism – A Critical Analysis*. Retrieved from https. // elearning.shisu.edu.cn

Singer, Peter. (1997). *Animal Liberation*. Retrieved from https. //books.google.com

Website:

Mehmet Galip, ZORBA.(April 24-26, 2019). Posthumanism and Literary Theory. Antalya/TUR-KEY. Retrieved from https. //ardaarikan.weebly.com

Horschler, Daniel J., Marlene, D. Berke, Laurie, R. Santosa, Differences Between Human and Non-Human Primate Theory of Mind. Evidence from Computational Modeling. Retrieved from www.biorxiv.org

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

অসমত খ্ৰীষ্টান ধৰ্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি আৰু ঊনবিংশ শতিকাৰ অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্ৰহণ কৰা কাৰ্য পন্থা ঃ এক অধ্যয়ন

চিজল হাজৰিকা
গৱেষক ছাত্ৰী, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী

সাৰাংশ

উত্তৰ-পূব ভাৰতত সপ্তদশ শতিকাতেই খ্ৰীষ্টান ধৰ্মৰ ইতিহাস আৰম্ভ হোৱাৰ প্ৰমাণ পোৱা যায়। অসমৰ ইতিহাসত ঊনবিংশ শতিকাতে এফালে আহোম শাসনৰ অন্ত পৰিছিল আৰু আনফালে বিট্ৰিছ শাসনৰ সূচনা হৈছিল। মোগল সাম্ৰাজ্যৰ পতনৰ লগে লগে ভাৰতত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন আৰম্ভ হয়। ১৮২৬ চনৰ ২৪ ফ্ৰেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসমত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ঔপনিৱেশিক শাসনৰ আৰম্ভ হয়। ঊনবিংশ শতিকাৰ আদিভাগত ব্ৰিটিছ সাম্ৰাজ্যৰ উপনিৱেশত পৰিণত হোৱা অসমত ঔপনিৱেশিক ব্যৱস্থাৰ অধীনত পুৱণি ৰাজনৈতিক, প্ৰশাসনিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক পৰম্পৰাৰ ঠাইত আধুনিকতাৰ সূচনা হৈছিল। অসমত ব্ৰিটিছ শাসনৰ ফলস্বৰূপে ইউৰোপীয় ধ্যান-ধাৰণা, চিন্তা-চৰ্চা, জ্ঞান-বিজ্ঞান, সাহিত্য, সংগীত, নৃত্য, কলা-সংস্কৃতি, ইতিহাস চৰ্চা আদিৰ সমান্তৰালভাৱে ধৰ্মৰ ক্ষেত্ৰতো নতুন বাট মুকলি হ'ল। বিশেষকৈ অসমত খ্ৰীষ্টান ধৰ্ম সূচনাৰ বাট মুকলি হ'ল।

বীজ শব্দঃ খ্ৰীষ্টান, অসম, মিছনেৰী, বিদ্যালয়, সংবাদপত্ৰ

০.১ বিষয়ৰ পৰিচয়ঃ

মিছনেৰীসকলে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমৰ প্ৰেক্ষাপটত মিছনেৰীসকলক বিট্ৰিছে আমন্ত্ৰণ কৰি আনিছিল। উত্তৰ-পূব ভাৰতত সপ্তদশ শতিকাতেই খ্ৰীষ্টান ধৰ্মৰ ইতিহাস আৰম্ভ হোৱাৰ প্ৰমাণ পোৱা যায়। অসমত খ্ৰীষ্টান ধৰ্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি আৰু ঊনবিংশ শতিকাৰ অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্ৰহণ কৰা কাৰ্য পন্থাৰ এক অধ্যয়নই হৈছে গৱেষণা পত্ৰখনৰ মূল উপজীব্য বিষয়।

০.২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্বঃ

অসমত খ্ৰীষ্টান ধৰ্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি আৰু ঊনবিংশ শতিকাৰ অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্ৰহণ কৰা কাৰ্য পন্থাঃ এক অধ্যয়ন শীৰ্ষক গৱেষণা পত্ৰখন কেইটামান উদ্দেশ্য আগত ৰাখি প্ৰস্তুত কৰা হৈছে। তলত উদ্দেশ্যসমূহ উল্লেখ কৰি তাৰ গুৰুত্বসমূহ আলোচনা কৰা হ'ল—

(ক) অসমৰ ইতিহাসত মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ঊনিবংশ শতিকাত মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অসমীয়া ভাষাত ৰচনা কৰা পুথি-

****

পত্রিকা, অসমীয়া ভাষাৰ স্বতন্ত্রতা প্রতিষ্ঠাৰ বাবে প্রণয়ন কৰা বিভিন্ন গ্রন্থ, ১৮৪৬ চনত প্রকাশ কৰা অসমীয়া প্রথম সংবাদপত্র *অৰুনোদই* আদিয়ে অসমীয়া ভাষা-সাহিত্যত আধুনিকতাৰ সূচনা কৰে। অসমীয়া ভাষা-সাহিত্যত আধুনিকতাৰ সূচনা কৰাৰ ক্ষেত্রত গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱা মিছনেৰীসকলৰ প্রধান উদ্দেশ্যে আছিল খ্রীষ্টান ধর্ম প্রচাৰ কৰা। বর্তমান সময়ৰ প্রেক্ষাপটতো অসমত খ্রীষ্টান ধর্মৰ গুৰুত্ব আছে। অসমত খ্রীষ্টান ধর্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি অধ্যয়নৰ উদ্দেশ্য গৱেষণা পত্রখন প্রস্তুত কৰা হৈছে।

(খ) ঊনবিংশ শতিকাৰ অসমত খ্রীষ্টান ধর্ম প্রচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্রহণ কৰা কার্য পন্থাসমূহৰ উদ্দেশ্য গৱেষণা পত্রখন প্রস্তুত কৰা হৈছে।

০.৩ অধ্যয়নৰ পৰিসৰঃ

অসমত খ্রীষ্টান ধর্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি, ঊনবিংশ শতিকাৰ অসমত খ্রীষ্টান ধর্ম প্রচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্রহণ কৰা কার্য পন্থাসমূহৰ অধ্যয়নক গৱেষণা পত্রখনত গুৰুত্ব প্রদান কৰা হৈছে। বিষয়টো উপস্থাপন কৰোঁতে প্রাসংগিক অন্যান্য কিছুমান দিশৰো আলোচনা কৰা হৈছে।

০.৪ অধয়নৰ পদ্ধতিঃ

অসমত খ্রীষ্টান ধর্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমি আৰু ঊনবিংশ শতিকাৰ অসমত খ্রীষ্টান ধর্ম প্রচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্রহণ কৰা কার্য পন্থাঃ এক অধ্যয়ন শীর্ষক বিষয়টো অধ্যয়ন কৰোঁতে মূলতঃ বর্ণনাত্মক, বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক পদ্ধতি প্রয়োগ কৰা হ'ব।

১. অসমত খ্রীষ্টান ধর্মৰ সূচনাৰ ঐতিহাসিক পৃষ্ঠভূমিঃ

উত্তৰ-পূব ভাৰতত সপ্তদশ শতিকাতেই খ্রীষ্টান ধর্মৰ ইতিহাস আৰম্ভ হয় বুলি বিশ্বাস কৰা হয়। **১৬২৭** চনত পর্তুগীজ পাদুৰী ফাডাৰ ষ্টিফেন কেচেলা আৰু ফাডাৰ জন কেব্রালৰ উত্তৰ পূব ভাৰতলৈ অহাৰ লগে লগে খ্রীষ্টান ধর্মৰ ইতিহাস সূচনা হয়। অৱশ্যে তেওঁলোকে কোনোধৰণৰ গীর্জা নির্মাণ কৰা তথ্য পোৱা নাযায়।

> *The two jesuit priests had come to the Portuguese settlement at Hugli. It is generally presumed that the duo were probably looking for a passage to Tibet and China,and they travelled as far as Pandu, a few miles west of Guwahati, which was the border between the Ahom kingdom and the Mughal territories. In a letter dated October 4, 1627. Father Cacella gave an account of their visit to Goalpara and Kamrup in Assam. This letter however, does not contain any mention of any local Christian at that time.* [১]

১৭৯৩ চনত ভাৰতলৈ অহা উইলিয়াম কেৰীয়ে ভাৰতৰ কেইবাখনো প্রদেশত খ্রীষ্টান ধর্মৰ সূচনা কৰে। তেওঁৰ সহযোগত আত্মাৰাম শর্মাই ১৮১৩ চনত শ্রীৰামপুৰ মিছনেৰী প্রেছৰ পৰা বাইবেল অসমীয়ালৈ অনুবাদ কৰি 'নতুন নিয়ম' নামেৰে প্রকাশ কৰিছিল আৰু ইয়াৰ জৰিয়তে অসমে খ্রীষ্টান প্রেৰণা লাভ কৰিছিল।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত অসম ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যোৱাৰ লগে লগে অসমৰ ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক দিশৰ লগতে ধর্মীয় দিশতো কেতবোৰ নতুন পৰিৱর্তনৰ সূচনা হ'ল। ঔপনিবেশিক শাসনৰ সুবিধাৰ বাবে ব্রিটিছে মিছনেৰীসকলক অসমলৈ মাতি আনিছিল। অসমৰ উত্তৰ পূব সীমান্তৰ পাহাৰীয়া অঞ্চলত খামটি আৰু চিংফৌসকলে সৃষ্টি কৰা অশান্তি নাইকিয়া কৰিবৰ উদ্দেশ্যেই মেজৰ জেনেৰেল জেনকিন্সে মিছনেৰীসকলক অসমলৈ আমন্ত্রণ জনাইছিল। ইতিমধ্যে মিছনেৰীসকলে চীন আৰু উত্তৰ বর্মাৰ শ্বান জনজাতিবোৰৰ মাজত মিছন প্রতিষ্ঠা কৰিবলৈ বিচাৰিছিল যদিও চীনত প্রৱেশ কৰিব পৰা নাছিল। আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে শদিয়াৰ পৰা চীন দেশলৈ সোমোৱাত সুবিধা হ'ব বুলি ভাবি জেনকিন্সৰ প্রস্তাৱ গ্রহণ কৰিলে। ১৮৩৬ চনৰ ২৩ মার্চত নাথান ব্রাউন আৰু অলিভাৰ টি কাট্টাৰ সপৰিয়ালে শদিয়াত উপস্থিত

****

হয়। কাট্টাৰৰ দায়িত্বত এটা সৰু ছপাশাল লৈ আহে। ১৮৩৭ চনৰ জুলাই মাহত মাইলছ ব্ৰনছন আহি তেওঁলোকৰ লগত যোগ দিয়ে। শদিয়াত মিছনেৰীসকলে খামটি আৰু চিংফৌ ভাষা শিকি পুথি ৰচনাৰ কাম আৰম্ভ কৰা, শ্ৰীমতী ব্ৰাউন আৰু শ্ৰীমতী কাট্টাৰে অসমীয়া বিদ্যালয় খোলা আদি কাম আৰম্ভ কৰিছিল যদিও এই সময়তে খামটি আৰু চিংফৌ আক্ৰমণ আৰম্ভ হ'ল। শদিয়াত ১৮৩৯ চনৰ জানুৱাৰীত খামটিসকলে কৰ্ণেল এডাম হোৱাইট আৰু আশীজন লোকক হত্যা কৰি আতংকৰ সৃষ্টি কৰিলে। ব্ৰিটিছে এই বিদ্ৰোহ দমন কৰিছিল যদিও মিছনেৰীসকলে পৰ্বতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ আশা এৰি ১৮৩৯ চনৰ ১২ মে'ত শদিয়া ত্যাগ কৰি জয়পুৰলৈ যায়। ১৮৪০ চনত নামচাঙৰ নগাসকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰাৰ উদ্দেশ্যে নামচাঙলৈ যায়।

১৮৪১ চনত মিছনেৰীসকল ইষ্ট ইণ্ডিয়া কোম্পানীৰ সদৰ ঠাই শিৱসাগৰলৈ আহে আৰু শিৱসাগৰেই মিছনেৰীসকলৰ কাম-কাজৰ ঘাঁই কেন্দ্ৰ হৈ পৰে। মিছনেৰীসকলে ১৮৪৩ চনত জয়পুৰৰ পৰা ছপাশালটো শিৱসাগৰলৈ তুলি আনিছিল। পৰৱৰ্তী সময়ত শিৱসাগৰৰ লগতে নগাঁও আৰু গুৱাহাটীটো মিছনেৰীসকলৰ সত্ৰ গঢ় লৈ উঠিল। এইসমূহে অসমত খ্ৰীষ্টান ধৰ্ম পৃষ্ঠভূমি গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

২. ঊনবিংশ শতিকাৰ অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে গ্ৰহণ কৰা কাৰ্য পন্থাঃ

ঊনবিংশ শতিকাত মিছনেৰীসকলে অসমত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে বিভিন্ন কাৰ্য-পন্থা গ্ৰহণ কৰিছিল। মিছনেৰীসকলে অসমত কৰা কাৰ্য-কলাপৰ দুটা প্ৰধান দিশ হ'ল—

ক) বিদ্যালয় স্থাপন

খ) মুদ্ৰাযন্ত্ৰ স্থাপন আৰু সংবাদপত্ৰ প্ৰকাশঃ

ক) বিদ্যালয় স্থাপনঃ আমেৰিকান বেপিষ্ট মিছনেৰীসকলৰ অসমলৈ এক গুৰুত্বপূৰ্ণ অৱদান হ'ল শিক্ষা। মিছনেৰীসকলে অসমত কাম-কাজ আৰম্ভ কৰাৰ প্ৰাৰম্ভিক পৰ্যায়তে বুজি উঠিছিল যে অসমৰ অধিকাংশ লোকৰ লিখা-পঢ়াৰ প্ৰাথমিক জ্ঞান নাই, অধিকাংশ লোক পঢ়া-শুনাৰ পৰা বঞ্চিত। ইয়াৰ মূলতে হৈছে অসমত তথাকথিত উচ্চজাতৰ লোকসকলেহে পৰম্পৰাগতভাৱে শিক্ষা গ্ৰহণ কৰাৰ সুযোগ আৰু সুবিধা লাভ কৰিছিল। সেয়েহে মিছনেৰীসকলে নিজৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে অসমৰ সাধাৰণ মানুহক শিক্ষিত কৰি তুলিবলৈ স্থানীয় ভাষাৰ শিক্ষা প্ৰদান কৰিবৰ বাবে গাঁওবোৰত বিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। মিছনেৰীসকলে ব্ৰিটিছ বিষয়াৰ পৃষ্ঠপোষকতাত শিৱসাগৰ, নগাঁও আৰু গুৱাহাটীত প্ৰথমে একাধিক স্কুল স্থাপন কৰি ধৰ্ম প্ৰচাৰৰ কাম আৰম্ভ কৰে। এনেদৰে প্ৰতিষ্ঠা কৰা বিদ্যালয়বোৰে এনে এচাম অসমীয়াক গঢ় দিছিল, যিসকল মিছনেৰীয়ে প্ৰদান কৰা শিক্ষাৰ প্ৰভাৱত ডাঙৰ-দীঘল হৈছিল আৰু বিদ্যালয়ৰ পৰিৱেশত এই লোকসকলে সৰুৰে পৰা খ্ৰীষ্টান ধৰ্মৰ নীতি-নিয়মৰ সৈতে পৰিচিত হৈ পৰিছিল। এই শিক্ষাই হিন্দু শাস্ত্ৰসমূহক আক্ৰমণ কৰাৰ প্ৰয়াস কৰিছিল। মিছনেৰী পত্নীসকলে আৰম্ভণিৰে পৰা মিছন স্কুল স্থাপন আৰু পৰিচালনাৰ দায়িত্ব লৈছিল।

মিছনেৰীসকলে অতি সোনকালে বুজি উঠিছিল যে স্থানীয় অসমীয়া মানুহে নিজৰ সন্তানক মিছনেৰীৰ তত্ত্বাৱধানত শিক্ষা দিবলৈ বিচৰা নাছিল। সেয়ে মিছনেৰীসকলে গৃহহীন আৰু অনাথ শিশুসকলক শিক্ষা দিবলৈ দিবলৈ প্ৰয়াস কৰিছিল। এনে প্ৰয়াসৰ বাবেই মিছনেৰীসকলে ১৮৪৩ চনত *Nowgong Orphan Institution* নগাঁৱত স্থাপন কৰিছিল। ইয়াত অসমৰ বিভিন্ন প্ৰান্তৰ অনাথ আৰু অসহায় গৃহহীন ল'ৰা-ছোৱালিক একত্ৰিত কৰি খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱত শিক্ষা দিছিল। তদুপৰি গুৱাহাটী আৰু শিৱসাগৰতো এনেধৰণৰ বিদ্যালয় স্থাপন কৰিছিল। ১৮৪৫ চনত ব্ৰাউন আৰু অলিভাৰ কট্টাৰে শিৱসাগৰত ১৪ খন স্কুল শিৱসাগৰ বেপ্তিষ্ট মিছনৰ অধীনত স্থাপন কৰিছিল। তেওঁলোকে স্থানীয় ভাষাৰ লগতে ইংৰাজী ভাষাকো শিক্ষাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল।

"By January 1845, Brown and Oliver Cutter established fourteen schools under the

Sibsagar Baptist Mission.[২]

অসমত মিছনেৰীসকলেই প্ৰথম ছোৱালী শিক্ষাৰ বাবে বিদ্যালয় স্থাপন কৰিছিল। শ্ৰীমতী ব্ৰাউন আৰু শ্ৰীমতী কট্টাৰে ১৮৪৪ চনত প্ৰথম শিৱসাগৰত ছোৱালী শিক্ষাৰ বাবে বিদ্যালয় স্থাপন কৰিছিল— *In 1844, the first school of this kind was established at Sibasagar by Mrs. Cutter and Mrs. Brown.This was followd by two other girl schools at Nowgong and Guwahati.*[৩]

মিছনেৰীসকলে ১৮৫৭ চনত দৰং জিলাত কেইবাখনো বিদ্যালয় স্থাপন কৰিছিল। ইয়াৰ মূলতে আছিল সেই অঞ্চলত বসবাস কৰা কছাৰী, মিকিৰ আৰু অনাৰ্য জনজাতিসমূহক শিক্ষা প্ৰদান কৰি শিক্ষিত কৰি তোলা। এনেদৰে মিছনেৰীসকলে অসমৰ বিভিন্ন প্ৰান্তত বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। এই বিদ্যালয়সমূহ প্ৰতিষ্ঠাৰ অন্তৰালত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য নিহিত হৈ আছিল। মিছনেৰীসকলে এই কথা ভালদৰেই অনুভৱ কৰিছিল যে হিন্দু ধৰ্মৰ ব্ৰাহ্মণ্য আধিপত্য তথা অন্ধবিশ্বাস নাইকিয়া কৰি খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ শিক্ষা, বিশেষকৈ পাশ্চাত্য শিক্ষাৰ প্ৰয়োজন। এই বিদ্যালয়সমূহে অসমত শিক্ষাৰ পথ প্ৰদৰ্শক হোৱাৰ সমান্তৰালভাৱে অসমৰ লোকসকলৰ মাজত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে কাম কৰিছিল।

খ) মুদ্ৰাযন্ত্ৰ স্থাপন আৰু সংবাদপত্ৰ প্ৰকাশঃ

অসমত শিক্ষাৰ প্ৰসাৰ, অসমীয়া ভাষা-সাহিত্যৰ সু-প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত মিছনেৰীসকলৰ এক গুৰুত্বপূৰ্ণ অৱদান হ'ল ছপাশালৰ প্ৰতিষ্ঠা। ঊনবিংশ শতিকাত সমগ্ৰ বিশ্বতে খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰত মিছনেৰী ছপাশালে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মিছনেৰীসকলে তেওঁলোকে প্ৰচাৰৰ কাম কৰা দেশসমূহত স্থানীয় ভাষাত বাইবেল আৰু অন্যান্য ধৰ্মীয় গ্ৰন্থ প্ৰস্তুত কৰিবলৈ ছপাশাল স্থাপন কৰিছিল। আমেৰিকান মিছনেৰী নাথান ব্ৰাউন আৰু অলিভাৰ কট্ৰাবে ১৮৩৬ চনৰ ২৩ মাৰ্চত শদিয়াত প্ৰথম ছপাশাল স্থাপন কৰে। চিংফৌৰ উপদ্ৰৱৰ কাৰণে ১৮৩৯ চনত মিছনেৰীসকল শদিয়াৰ পৰা আহি জয়পুৰলৈ আহে। জয়পুৰৰ অস্বাস্থ্যকৰ পৰিৱেশ আৰু নিৰাপত্তাহীনতাৰ কাৰণে ১৮৪১ চনত শিৱসাগৰলৈ মিছনেৰীসকল আহে। ১৮৪৩ চনৰ ১৫ নবেম্বৰত কাট্টাৰ আৰু শ্ৰীমতী কাট্টাৰে জয়পুৰত থকা ছপাশালখন শিৱসাগৰলৈ আনে। এই ছপাশালে অসমত বিদালয়ৰ পাঠ্য আৰু ধৰ্মগ্ৰন্থৰ প্ৰণয়ন আৰু মুদ্ৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি বিদ্যালয় স্থাপন কৰাৰ ফলত পাঠ্যপুথিৰ প্ৰয়োজনীয়তা আহি পৰিল। এই ছপাশালতে মিছনেৰীসকলে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ উপযোগী কিছুমান পাঠ ৰচনা কৰি প্ৰকাশ কৰিছিল। মিছনেৰীসকলে প্ৰথম অৱস্থাত কেতবোৰ পুস্তিকা মিছন প্ৰেছত ছপা কৰি বিলাই দিছিল। এই পুস্তিকাবোৰৰ অনেকত হিন্দু ধৰ্মৰ বিৰুদ্ধে কিছু কথা সন্নিৱিষ্ট হৈছিল। ঊনবিংশ শতিকাৰ কেইবাটাও দশকলৈ শিৱসাগৰৰ মিছন প্ৰেছে অসমৰ একমাত্ৰ ছপা প্ৰতিষ্ঠান হিচাপে কাম কৰিছিল। ১৮৭১ চনতহে আউনীআটীৰ সত্ৰত দত্তদেৱ গোস্বামীয়ে অসমৰ দ্বিতীয়টো ছপাযন্ত্ৰ *ধৰ্মপুস্তক* যন্ত্ৰ স্থাপন কৰে।

ঊনবিংশ শতিকাত মিছনেৰীসকলৰ প্ৰচেষ্টাত অসমীয়া কাকত-আলোচনীৰ ইতিহাস আৰম্ভ হয়। ১৮৪৬ চনৰ ১ জানুৱাৰীত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা নাথান ব্ৰাউনৰ সম্পাদনাত অসমৰ প্ৰথম বাৰ্তালোচনী *অৰুণোদই* ছপা হৈ ওলায়। মূলতঃ খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি মিছনেৰীসকলে *অৰুণোদই* প্ৰকাশ কৰিছিল যদিও *অৰুণোদই*-য়ে পশ্চিমীয়া শিক্ষা, মূল্যবোধ, উদাৰনৈতিক ভাবাদৰ্শ অসমীয়া মানুহৰ মাজলৈ কঢ়িয়াই আনিছিল। *অৰুণোদই*-য়ে খ্ৰীষ্টান ধৰ্মক শ্ৰেষ্ঠত্ব প্ৰতিপাদন, ইংৰাজী ভাষাক শ্ৰেষ্ঠত্ব ভাষাৰ মৰ্যাদা আৰু ইংলেণ্ডক আদৰ্শ দেশ হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস দেখা যায় আৰু অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। *অৰুণোদই* কাকতত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নানা লেখা প্ৰকাশ কৰাৰ লগতে দেশ-বিদেশৰ সংবাদ, সমসাময়িক সংবাদ, ধৰ্ম-বাৰ্তা, প্ৰসিদ্ধ বুৰঞ্জীমূলক কাহিনীৰ বিৱৰণ, হিন্দুস্থানৰ বিৱৰণ, বিজ্ঞানভিত্তিক

****

লেখা, পুৰণি অসম বুৰঞ্জীৰ কথা, চুটি সাধু, স্তুতিগীত, ভূগোল বিষয়ক লেখা, বাইবেলৰ অংশ বিশেষৰ অনুবাদ, নীতি শিক্ষামূলক লেখা আদি প্রকাশ পাইছিল। লেখা, বাইবেলৰ অংশ বিশেষৰ অনুবাদ, নীতি শিক্ষামূলক লেখা আদি প্রকাশ পাইছিল।

প্রসংগটীকা

১. Milton Sangma : *History of the American Baptist Missions in North-East India,*1987, p.14
২. M.S Barkataki : *Britist Administration in North East India (1826-74)* 1985, p.97
৩. Archana Chakravarty : *History of Education in Assam(1826-1919)*1989, p.129

সহায়ক গ্রন্থপঞ্জীঃ

গোস্বামী, বসন্ত কুমাৰ (সম্পা.)। ***অৰুনোদই*** *১৮৫৫-১৮৬০ (অসম্পূর্ণ বছৰ আৰু সংখ্যা)*। অসম সাহিত্য সভা। যোৰহাট, ২০১৮।

চৌধুৰী, প্রসেনিজৎ। ***ঊনৈছ শতিকাৰ অসমত এভুমুকি***। ভৱানী প্রিণ্ট এণ্ড পাব্লিকেশ্যনচ। গুৱাহাটী, ১৯৮৪

নেওগ, প্রণৱস্বৰূপ (সম্পা.)। ***মহেশ্বৰ নেওগ ৰচনাৱলী***। চন্দ্র প্রকাশ। গুৱাহাটী, ২০০৯।

নেওগ, মহেশ্বৰ। ***অসমীয়া সাহিত্যৰ ৰূপৰেখা***। চন্দ্র প্রকাশ। গুৱাহাটী, ২০১৩।

———***অৰুনোদই*** । অসম প্রকাশন পৰিষদ। গুৱাহাটী, ২০০৮।

বৰপূজাৰী, হেৰম্বকান্ত । ***আমেৰিকান মিছেনৰীসকল আৰু ঊনিবিংশ শতিকাৰ অসম***। অসম সাহিত্য সভা।যোৰহাট, ১৯৯৪।

ইংৰাজী গ্রন্থঃ

Barkataki, M.S., *Britist Administration in North East India(1826-74)*, Mittal Publications, Delhi, India, 1985

Brown, E. W. *The Whole World Kin: A Pioneer Experience Among Remote Tribes, and Other Labors of Nathan Brown*. Hubbard Brothers, 1890

Bronson Gunn, Harriette, *In A Far Country* (Edited with an introduction and Notes by Prasanta Das), Bhabani Books, Guwahati, 2017

Chakravarty,Archana, *History of Education in Assam (1826-1919)*, Mittal Publications, Delhi, India, 1989

Hervey, George Winfred. *The Story of Baptist Missions in Foreign Lands: From the Time of Carey to the Present Date*. Chancy R. Barns, 1884

Sangma, Milton S. *History of American Baptist Mission in North-East India, 1836-1950*. Mittal Publications, 1987

The Assam Mission of the American Baptist Missionary Union: Papers and Discussions of the Jubilee Conference held in Nowgong, December 18-19, The Assam Mission of American Baptist Missionary Union,1886

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

আধুনিক অসমীয়া সাহিত্যৰ বিকাশত কাকত-আলোচনীৰ ভূমিকা ('অৰুনোদই'ৰ পৰা 'ৰামধেনু'লৈ)

ড° নিবেদিতা শইকীয়া
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ, মৰিগাঁও মহাবিদ্যালয় (স্বায়ত্ত্ব)

সাৰাংশঃ

আধুনিক অসমীয়া সাহিত্য ঘাইকৈ আলোচনী কেন্দ্রিক। ঊনবিংশ শতিকাৰ আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশত সংবাদপত্ৰ আৰু আলোচনীৰ ভূমিকা অনস্বীকাৰ্য। প্ৰথম অসমীয়া আলোচনী 'অৰুনোদই' পাততে অসমীয়া ভাষা আৰু সাহিত্যই নতুন ৰূপ লাভ কৰিলে। তাৰ পিছত ক্ৰমে 'জোনাকী', 'বাঁহী', 'আৰাহন', 'জয়ন্তী', 'ৰামধেনু' আদি আলোচনীয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীত একো একোটা নতুন যুগৰ সৃষ্টি কৰিলে। এই নতুন যুগসমূহৰ সৃষ্টিত সমকালীন যুগৰ বিভিন্ন পৃষ্ঠভূমি যেনে -- সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, বৌদ্ধিক দিশে অসমীয়া সাহিত্যক নতুন গতি প্ৰদান কৰিছিল। আলোচ্য পত্ৰত অসমীয়া সাহিত্যৰ প্ৰসাৰ আৰু পৰিৱৰ্ধনত তদানীন্তন অসমৰ প্ৰভাৱিত সংঘটনা তথা আলোচনীসমূহৰ বিকাশে অনা পৰিপুষ্টিৰ বিষয়ে আভাস দিয়াৰ চেষ্টা কৰা হ'ব।

বীজ শব্দঃ আধুনিক অসমীয়া সাহিত্য, কাকত-আলোচনী, ভূমিকা, ৰোমাণ্টিক ভাৱাদৰ্শ, অধুনিকতাবাদী চিন্তাধাৰা।

০.১ প্ৰস্তাৱনাঃ

আধুনিক অসমীয়া সাহিত্যৰ আলোচনীকেন্দ্রিক পৰম্পৰাত প্ৰথম অসমীয়া আলোচনী 'অৰুনোদই'ৰ পাততে অসমীয়া ভাষা আৰু সাহিত্যই নতুন ৰূপ লাভ কৰিলে। তাৰ পিছত ক্ৰমে 'জোনাকী', 'বাঁহী', 'আৰাহন', 'জয়ন্তী', 'ৰামধেনু' আদি আলোচনীয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীত একো একোটা নতুন যুগৰ সৃষ্টি কৰিলে। ঊনবিংশ শতিকাৰ প্ৰাৰম্ভৰে পৰা সংঘটিত বিভিন্ন ঘটনা পৰিঘটনাই অসমীয়া সমাজ জীৱন তথা ভাষা-সাহিত্যলৈ পৰিৱৰ্তনৰ বাৰ্তা কঢ়িয়াই আনে। সেই ঘটনাসমূহৰ ভিতৰত উল্লেখযোগ্য ঘটনা হ'ল ১৮২৬ খ্ৰীষ্টাব্দত অসম ইংৰাজৰ অধীন হয় ফলত অসমীয়া মানুহক ইংৰাজী শিক্ষা আৰু পাশ্চাত্য সভ্যতা-সংস্কৃতিয়ে কিছু পৰিমাণে স্পৰ্শ কৰে। দ্বিতীয়তে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবে অহা মিছনেৰীসকলে সমান্তৰালভাৱে কৰা ভাষা শিক্ষাৰ প্ৰসাৰণ আৰু তৃতীয়তে, ঊনবিংশ শতিকাৰ শেষৰফালে উচ্চ শিক্ষা প্ৰয়াসী ছাত্ৰসকলৰ বংগীয় নৱজাগৰণৰ লগত সম্পৰ্ক ইত্যাদিয়ে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত দিক্‌দৰ্শনকাৰীৰ ভূমিকা গ্ৰহণ কৰিলে।

০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

এটা দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে অসমীয়া সাহিত্যই আধুনিকতাবাদী ৰূপ পৰিগ্ৰহ কৰোঁতে কাকত-আলোচনীৰ যিবোৰ কাৰকে ইন্ধন যোগালে সিবোৰক আলোচনাৰ মাজত ঠাই দিয়াৰ উদ্দেশ্যেৰেই এই অধ্যয়ন কৰা হৈছে।

****

০.৩ অধ্যয়নৰ পদ্ধতিঃ

আমাৰ এই অধ্যয়নত ঘাইকৈ বৰ্ণনাত্মক, বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

০.৪ অধ্যয়নৰ পৰিসৰঃ

'অৰুনোদই'ৰ পৰা ৰামধেনু' বিষয়টো আলোচনা কৰোঁতে ঘাইকৈ উল্লেখযোগ্য কাকত-আলোচনীৰ বিষয়ে আলোচনা কৰা হ'ব।

১. অসমীয়া ৰাতৰি কাকত আলোচনীৰ অভ্যুদয়ঃ

অসমীয়া ভাষা সাহিত্যৰ সূচনাৰ ক্ষেত্ৰত আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ বৰঙণি উল্লেখযোগ্য। খ্ৰীষ্টধৰ্মৰ প্ৰচাৰৰ বাবে অসমলৈ অহা মিছনেৰীসকলে অসমত বাতৰি কাকত প্ৰকাশ কৰাটো এটা উল্লেখযোগ্য বিষয়। ১৮৩৬ চনত অসমত প্ৰৱৰ্তিত বঙলা ভাষাৰ আগ্ৰাসনৰ পৰা একমাত্ৰ মিছনেৰীসকলৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলতেই অসমীয়া ভাষাই হেৰোৱা মৰ্যাদা ঘূৰাই পালে।

অসমৰ জাতীয় জীৱন তথা অসমীয়া ভাষাৰ ত্ৰাণকৰ্তাৰূপে 'অৰুনোদই সম্বাদপত্ৰ' মিছনেৰীসকলৰ উদ্যোগত শিৱসাগৰ মিছন প্ৰেছৰ পৰা ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা প্ৰকাশ পায়। সম্পাদকৰ নহয়, কেৱল মুদ্ৰকৰ নাম থকা ঘোষণাটোত কোৱা হৈছিল *"THE ORUNODOI, A monthly paper, devoted to religion, science and generally intelligence, is printed and published at the Sibsagar Mission Press, by O.T. Cutter, for the American Baptist Mis-sion in Assam-Price, one Rupee per annum, in advance, or one and half at the end of the year."* প্ৰথমাৱস্থাত 'অৰুনোদই সম্বাদপত্ৰ' নামটো ১৮০০ খ্ৰীষ্টাব্দলৈকে চলি আছিল, ১৮৫১ চনৰ পৰা ১৮৬০ লৈকে 'অৰুনোদই' আৰু ১৮৬১ ৰ পৰা ১৮৮০ লৈ 'অৰুনোদয়' এই তিনিটা নামত। 'অৰুনোদই'ৰ নামকৰণৰ পৰিৱৰ্তনৰ এই ক্ষেত্ৰত ৰেভাৰেণ্ড নাথান ব্ৰাউনৰ "Grammatical Notice of the Assamese Language" আৰু ১৮৫৯ খ্ৰীষ্টাব্দত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ'ৰ প্ৰভাৱ উল্লেখনীয়। এই দুখন ব্যাকৰণে বৰ্ণবিন্যাসৰ ক্ষেত্ৰত সৱলীকৰণ ৰীতি আদৰি আনিলে। 'অৰুনোদই'ৰ প্ৰথমজন সম্পাদক আছিল ডঃ নাথান ব্ৰাউন[১] আৰু তেওঁ ১৮৫৪ খ্ৰীষ্টাব্দলৈকে অৰুনোদই সম্পাদনা কৰিছিল।

অসমীয়া ভাষা-সাহিত্যক দুৰ্যোগময় পথৰ পৰা উদ্ধাৰ কৰাত 'অৰুনোদই'য়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। জ্ঞান-বিজ্ঞানৰ বাতৰি, দেশ-বিদেশৰ নানান খবৰ, নীতি শিক্ষা, কাহিনী আৰু জীৱনী, সাঁথৰ, জ্যোতিষ-তত্ত্ব ইত্যাদি 'অৰুনোদই'ৰ বিষয়বস্তু আছিল। বাইবেলৰ অনুবাদ, বুৰঞ্জী আৰু পুৰণি পুথিৰ উদ্ধাৰ আৰু প্ৰকাশ, লুপ্ত প্ৰচলিত অসমীয়া শব্দৰ আহিত সমাৰ্থক ইংৰাজী প্ৰতি শব্দৰ সন্ধান আৰু প্ৰয়োগ, নতুন শব্দ সৃষ্টি আদিৰ ক্ষেত্ৰত 'অৰুনোদই'য়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। আধুনিক অসমীয়া সাহিত্যলৈ 'অৰুনোদই'ৰ অৱদান সম্পৰ্কত নগেন শইকীয়াই এনেদৰে কৈছে,*"অৰুনোদই'য়ে অসমীয়া ভাষাৰ আধুনিক ৰূপদান কৰাত, অসমীয়া মানুহ বিশ্বৰ লগত পৰিচিত হোৱাত, অসমীয়া মানুহক এটা আধুনিক দৃষ্টিভংগী গ্ৰহণ কৰাত আৰু অসমীয়া মানুহৰ প্ৰাণত ঐতিহ্য-প্ৰীতি আৰু ভাষা-প্ৰীতি জগাই জাতীয় চেতনা উদ্ৰেক কৰাত লোৱা ভূমিকাই অসম আৰু অসমীয়া মানুহক আধুনিক জীৱন দান কৰিলে, আৰু এই সমগ্ৰ প্ৰযত্নৰ মাজেদি আধুনিক অসমীয়া সাহিত্যৰ অংকুৰটিৰ উদ্‌গম ঘটালে।...ক'বলৈ গ'লে 'অৰুনোদই' কাকতে অসমীয়া ভাষা আৰু সাহিত্যিক ভাৰ আৰু গঢ় (Spirit and form) দুয়োটা দিশতে আধুনিকভাৱে গঢ়ি তুলিলে।" ('অৰুনোদই'ৰ পৰা 'জোনাকী'লৈ, পৃষ্ঠা ঃ ১৬-১৭)*

২. 'অৰুনোদই'ৰ পৰৱৰ্তী অসমীয়া কাকত-আলোচনীৰ অভ্যুদয়ঃ

'অৰুনোদই'ৰ পৰৱৰ্তী অসমীয়া কাকত-আলোচনীৰ সংখ্যা প্ৰায় তেৰখন যদিও 'আসাম বিলাসিনী'

(১৮৭১-১৮৮৩), 'আসাম নিউচ' (১৮৮২), 'আসাম বন্ধু' (১৮৮৫২), 'মৌ' (১৮৮৬) আদিৰ ভূমিকা অসমীয়া সাহিত্যত উল্লেখযোগ্য। পৰম্পৰাগত আদর্শ আৰু লক্ষ্য লৈ প্রকাশিত পত্র-পত্রিকাসমূহৰ ভিতৰত 'আসাম বিলাসিনী' আৰু আধুনিক দৃষ্টিভংগীৰে প্রকাশিত পত্র-পত্রিকাৰ ভিতৰত 'আসাম নিউচ', 'আসাম বন্ধু' আৰু 'মৌ' আদিয়েই প্রধান।

২.১ আসাম বিলাসিনী

অসমীয়া ভাষাৰ দ্বিতীয়খন সম্বাদপত্র 'আসাম বিলাসিনী' ১৮৭১ খ্রীষ্টাব্দত মাজুলীৰ আউনীআটী সত্রৰ পৰা শ্রীশ্রী দত্তদেৱ গোস্বামীৰ সম্পাদনাত ১৮৮৩ খ্রীষ্টাব্দলৈকে প্রকাশিত হৈছিল। ঊনবিংশ শতিকাতে মাজুলীৰ দৰে ঠাইৰপৰা ধর্ম প্রকাশ যন্ত্রত 'আসাম বিলাসিনী' সম্পাদপত্র প্রকাশ পোৱাটো অতি গুৰুত্বপূর্ণ কথা।

ধর্মীয় বিষয়ৰ ওপৰতে বিলাসিনী আৱদ্ধ আছিল তথাপি মাজে সময়ে ইয়াত জ্ঞান-বিজ্ঞানৰ বাতৰিও প্রকাশ পাইছিল। 'সম্বাদাৱলী' শিৰোনামাৰ শিতানত নানা বিষয়ব বা-বাতৰি প্রকাশ পাইছিল। বাতৰিৰ উপৰিও 'আসাম বিলাসিনী'ত বিজ্ঞাপন, প্রবন্ধ, কবিতাও প্রকাশ পাইছিল। 'আসাম বিলাসিনী'ত প্রকাশিত ৰচনা; বিজ্ঞাপনসমূহত অসমীয়া লিপি 'ৰ' ৰ পৰিৱর্তে বঙলা 'র' ব্যৱহাৰ কৰা হৈছিল। 'আসাম বিলাসিনী'ৰ পাতত ভোলানাথ দাসৰ অমিত্রাক্ষৰ ছন্দত ৰচিত 'সীতাহৰণ কাব্য' প্রকাশ হৈছিল।

২.২ আসাম নিউচ

'অৰুনোদই'ৰ মৃত্যুৰ পিছত ১৮৮২ চনত ভাষাৰ ওজা হেমচন্দ্র বৰুৱাৰ সম্পাদনাত ইংৰাজী অসমীয়া দ্বিভাষী সাপ্তাহিক 'আসাম নিউচ' কাকত ছপা হৈ ওলায়। মাণিক চন্দ্র বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন আদি ব্যক্তিয়ে 'বৰুৱা-ফুকন ব্রাদার্ছ' এটা কোম্পানী গঠন কৰি তাৰ যোগেদি এই কাকত উলিয়াইছিল।[২] হেমচন্দ্র বৰুৱাই ১৮৮৫ চনলৈকে 'আসাম নিউচ' সম্পাদনা কৰে।' 'আসাম নিউচ' কাকতে অসমীয়া বর্ণবিন্যাস আৰু বাক্যবিন্যাস প্রণালীত নতুনত্ব অনাৰ চেষ্টা কৰে। 'অৰুনোদই'ৰ ভাষিক বৈশিষ্ট্যৰ পৰা 'আসাম নিউচ' ফালৰি কাটি আহি অসমীয়া ভাষাৰ গদ্যৰ মান এটা স্থিৰ কৰি দিয়ে। লক্ষ্মীনাথ বেজবৰুৱাই 'আসাম নিউচ' সম্পর্কে মোৰ জীৱন সোঁৱৰণত লিখিছে, *"বাস্তবিকতে 'আসাম নিউচ' পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ ফালে ভালকৈ মন দিহে প্রথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ।" (বেজবৰুৱা গ্রন্থাৱলী* **১ম** *খণ্ড, পৃষ্ঠা-৩৯)*

২.৩ আসাম বন্ধুঃ

গুণাভিৰাম বৰুৱাৰ সম্পাদনাত ১৮৮৫ খ্রীষ্টাব্দত কলিকতাৰ পৰা প্রকাশিত 'আসাম বন্ধু' প্রকাশ পাইছিল। 'আসাম বন্ধু'য়েই হ'ল অসমীয়া ভাষাৰ প্রথম মাহেকীয়া সাহিত্য-আলোচনী।[৩] মাত্র ১৪টা সংখ্যা ওলায়েই বন্ধ হোৱা আলোচনীখনৰ আয়ুসকাল চুটি হ'লেও কম সময়ৰ ভিতৰতে জ্ঞান-বিজ্ঞানৰ বতৰা, ইতিহাস চর্চা, দর্শন সম্পর্কীয় আলোচনা, বিজ্ঞান বিষয়ক ৰচনা, গ্রন্থ সমালোচনাৰ প্রচেষ্টা, ভাষা-সাহিত্যৰ পদ্ধতিগত আলোচনা, ব্যংগ ৰচনা, সৃষ্টিধর্মী সাহিত্য ৰচনা, নতুন বিষয়বস্তু আৰু নতুন ছন্দেৰে কবিতা সৃষ্টি আদিৰ প্রয়াসেৰে আধুনিক অসমীয়া সাহিত্যৰ প্রসাৰণত ভালেখিনি অৰিহণা যোগালে। 'সাধাৰণৰ মনোৰঞ্জন আৰু জ্ঞান চর্চা'ৰ উদ্দেশ্যেৰে প্রকাশিত 'আসাম বন্ধু' ঊনবিংশ শতাব্দীৰ অষ্টম আৰু নৱম দশকৰ আলোচনীসমূহৰ ভিতৰত বিষয়বস্তু নির্বাচন আৰু সাহিত্য বহুগুণৰ ফালৰ পৰা উৎকৃষ্ট"।[৪] অসমীয়া ৰোমাণ্টিক কবিতা, ব্যংগ ৰচনা আদিব ক্ষেত্রতো 'আসাম বন্ধু', 'জোনাকী'ৰ অগ্রদূত স্বৰূপ। সাহিত্য, বিজ্ঞান আৰু শিল্প সম্পর্কীয় সকলো আলোচনাকে সামৰা এই কাকতখনক লক্ষ্মীনাথ বেজবৰুৱাই 'অসমত অসমীয়া মাহেকীয়া কাকতৰ প্রথম পথ প্রদর্শক বুলি কৈছে।' *('মোৰ জীৱন সোঁৱৰণ', পৃষ্ঠা-৮০)*

****

২.৪ মৌঃ

১৮৮৬ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৮৮৭ চনৰ মাৰ্চ মাহলৈকে মাত্ৰ চাৰিটা সংখ্যা প্ৰকাশ হৈ বন্ধ হোৱা মাহেকীয়া কাকত 'মৌ' অসমীয়া সম্বাদপত্ৰৰ ইতিহাসত এক উল্লেখনীয় অধ্যায়। 'মৌ'ৰ সম্পাদক আছিল হৰনাৰায়ণ বৰা, কিন্তু মহেশ্বৰ নেওগে 'হৰনাৰায়ণ বৰাৰ সম্পাদিত বলিনাৰায়ণ বৰাৰ মৌ'[৫] বুলি অভিহিত কৰিছে। আলোচনীখনৰ প্ৰায় সকলোবোৰ প্ৰৱন্ধই বলিনাৰায়ণ বৰাই নিজে ৰচনা কৰিছিল। ('মৌ' ভূমিকা, পৃষ্ঠা-২) এই প্ৰৱন্ধবোৰত বলিনাৰায়ণ বৰাই অসমৰ শিক্ষা, সামাজিক আৰু ৰাজনৈতিক অৱস্থা, ৰাজহ আৰু ভূমিব্যৱস্থা, স্ত্ৰী-স্বাধীনতা, সাময়িক প্ৰসঙ্গ আদি উত্থাপন কৰিছিল। স্ত্ৰী শিক্ষা আৰু স্ত্ৰী স্বাধীনতা বিষয় সম্বলিত ৰচনা 'তিৰোতাৰ বন কি?' প্ৰথম বছৰ 'মৌ'ৰ প্ৰথম সংখ্যাৰ ৰচনা। 'মৌ'ৰে ৰাজনৈতিক সংবাদ সেৱাত গঠনমূলক সমালোচনাৰ ধাৰা প্ৰৱৰ্তন কৰে।[৬] 'মৌ'ত প্ৰকাশিত দুই এটা প্ৰৱন্ধত বৃটিছ শাসনৰ প্ৰথমাৱস্থাত প্ৰচলিত কুপ্ৰথাৰ দোষ আঙুলিয়াই তাক দূৰীকৰণৰ বাবে চোকা অভিমত প্ৰকাশ কৰিছে। এককথাত ক'বলৈ গ'লে অসমীয়া সাহিত্যৰ বিকাশলৈ 'মৌ'ৰ অৱদান সীমিত হ'লেও অসমৰ সামাজিক সাংস্কৃতিক তথা ৰাজনৈতিক দিশৰ ভালেমান তথ্য 'মৌ'য়ে দি থৈ গৈছে। 'মৌ'ৰ ছপাবৈশিষ্ট্য ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য। 'মৌ'ত পেট কটা 'ৰ' পৰিৱৰ্তে বঙলা 'র' ব্যৱহাৰ কৰা হৈছে। সম্ভৱত যিটো প্ৰেছত 'মৌ'ৰ হৈছিল সেই প্ৰেছত হয়তো 'ৰ' আখৰটোৰ সাঁচ নাছিল।

'মৌ' আলোচনীত প্ৰকাশিত ৰচনাবোৰৰ মাজেদি সাহিত্য চৰ্চা কৰাৰ পৰিৱৰ্তে অসমীয়া সমাজৰ উন্নতিৰ পথ নিৰ্দেশ কৰাহে ইয়াৰ মূল উদ্দেশ্য আছিল। এটা স্বাধীনচিতীয়া দৃষ্টিভংগীৰে আত্মপ্ৰকাশ লাভ কৰা কাকতখন সেই সময়ৰ শিক্ষিত অসমীয়া ডেকাসকলে বৰং ভুলকৈ প্ৰতিক্ৰিয়াশীল বুলি তাৰ বিপক্ষে থিয় দিছিল।

২.৫ জোনাকী

অঃ ভাঃ উঃ সাঃ সভাৰ উদ্দেশ্য কাৰ্যকৰী কৰিবৰ বাবে চন্দ্ৰকুমাৰ গুপ্তৰ (আগৰৱালা) আৰ্থিক সাহায্য আৰু তেওঁৰে সম্পাদনা, কাৰ্যধ্যক্ষতা আৰু স্বত্বাধিকাৰীত্বত ১৮৮৯ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা 'জোনাকী' নামেৰে মুখপত্ৰখনি প্ৰকাশ পায়। নিৰবিচ্ছিন্নভাৱে প্ৰকাশ নাপালেও সামগ্ৰিকভাৱে 'জোনাকী' কাকত ১৮৮৯ খ্ৰীষ্টাব্দৰ পৰা ১৮৯৯ খ্ৰীষ্টাব্দলৈ কলিকতাৰ পৰা আৰু ১৯০১ খ্ৰীষ্টাব্দৰ পৰা ১৯০৩ খ্ৰীষ্টাব্দলৈ গুৱাহাটীৰ পৰা প্ৰকাশ হৈছিল। 'জোনাকী'য়ে আধুনিক অসমীয়া ভাষা-সাহিত্যক নানাভাৱে পৰিপুষ্ট কৰাৰ লগে লগে পাশ্চাত্য ৰোমান্টিক ভাৱাদৰ্শক মুক্তভাৱে আদৰণি জনাই আৰু বঙালী সাহিত্যৰো বিশিষ্ট সাহিত্যিকসকলৰ আৰ্হি আগত ৰাখি আধুনিক সাহিত্যৰ ভাৱধাৰা আৰু সাহিত্যিক ৰূপ অসমীয়াত সমাৱেশ কৰিলে।

উল্লেখনীয় যে, কবিতা, উপন্যাস, নাটক, সাধুকথা, গল্প, প্ৰবন্ধ, জীবনী, লঘুৰচনা, ব্যংগৰচনা, পুথি আলোচনা আদি বিভিন্ন শাখাৰে এদল নতুন লেখকৰ যোগেদি 'জোনাকী'য়ে জাতীয় সাহিত্যৰ সৌধ প্ৰতিষ্ঠা কৰি 'অৰুনোদই' আৰু 'আসাম বন্ধু'ত আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ আধুনিকীকৰণ প্ৰক্ৰিয়াক সম্পূৰ্ণ কৰি তুলিলে। ভাৰতীয় ঐতিহ্য আৰু অসমীয়া লোকজীৱন-পৰম্পৰা আৰু বৈষ্ণৱ ঐতিহ্যৰ পৰা পোৱা আধ্যাত্মিক তথা নৈতিক দৃষ্টিভংগী 'জোনাকী'ত প্ৰতিফলিত হৈছিল। অন্যহাতে আধুনিক ভাৱাদৰ্শৰ ক্ষেত্ৰত 'জোনাকী'য়ে পাশ্চাত্যৰ ৰোমাণ্টিক ভাৱাদৰ্শৰূপ অসমীয়া সাহিত্যলৈ প্ৰৱাহিত কৰিলে।

'জোনাকী'ত ভাষাবিষয়ক ৰচনা প্ৰকাশ পাইছিল। বেজবৰুৱাৰ 'অসমীয়া ভাষা' বিষয়ক বক্তৃতামালা, হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষা', লম্বোদৰ বৰাৰ 'অসমীয়া ভাষাৰ আখৰ-জোটনি' প্ৰৱন্ধ উল্লেখযোগ্য।

ঊনবিংশ শতিকাৰ শেষ দশকত 'জোনাকী'য়ে প্ৰতিষ্ঠা কৰা সাহিত্যাদৰ্শক কোনো আলোচনীয়ে অতিক্ৰম কৰিব পৰা নাছিল। মহেশ্বৰ নেওগে 'জোনাকী'ৰ সম্পৰ্কত এনেদৰে কৈছে, *জোনাকী' আৰু 'জোনাকী'ৰ দলৰ আদৰ্শ অসমীয়া সাহিত্যত বৰ্তমান শতকৰ চতুৰ্থ দশকলৈকে অব্যাহতভাৱে চলি আছিল: তাৰ নানাভাৱে বিস্তাৰ ঘটিছিল, কিন্তু সাৰ্থক পৰিৱৰ্তন বিশেষ নঘটিছিল। 'জোনাকী'তে আৰম্ভ কৰি এই সময়লৈকে ওলোৱা আলোচনীক কেন্দ্ৰ কৰিয়ে অসমৰ সাহিত্য আন্দোলন চলিছিল, আৰু সকলোবোৰ আলোচনীয়েই 'জোনাকী'ৰ আদৰ্শকে কম-বেছি পৰিমাণে দাঙি ধৰিছিল। (মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃষ্ঠা. ২৫১-২৫২)*

'জোনাকী'য়ে সৃষ্টি কৰা এনে জাগৰণক লক্ষ্য কৰিয়েই 'জোনাকী'ৰ একত্ৰ সংকলনৰ ভূমিকাত নগেন শইকীয়াই মন্তব্য কৰিছে 'জোনাকী এখন কেৱল আলোচনী নহয়; ই এটা যুগ, এটা আন্দোলন, এটা সাহিত্যিক ব্যক্তিত্ব। আধুনিক অসমীয়া মনৰ বৌদ্ধিক আৰু সৃষ্টিশীল জাগৰণৰ 'জোনাকী' য়েই সংঘটন কৰিলে।" [৭]

২.৬ 'বিজুলী' আৰু 'ঊষা'ঃ

আধুনিক অসমীয়া সাহিত্যৰ গুৰি ধৰোঁতা পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'বিজুলী' আৰু 'ঊষা' আলোচনীৰ অসমীয়া সাহিত্য জগতত বিশেষ অৱদান আছে। 'বিজুলী' ঊনবিংশ শতিকাৰ শেষ দশকত (১৮৯০-৯৩) প্ৰকাশ পাইছিল। পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাস 'ভানুমতী' বিজুলীত ছোৱা ছোৱাকৈ প্ৰকাশ হৈছিল। 'বিজুলী'ৰ দ্বিতীয় ভাগত গুণাভিৰাম বৰুৱাৰ 'আসামৰ উন্নতি', 'আমাৰ শাসন, শাসক আৰু একতা', 'চিকাগো প্ৰদৰ্শনী', 'বৈজ্ঞানিক প্ৰসঙ্গ', 'ভ্ৰমপ্ৰসাদ' আদি প্ৰৱন্ধ প্ৰকাশ পাইছিল। 'কঠিন শব্দৰ ৰহস্য ব্যাখ্যা' বৰুৱাৰ 'বিজুলী'ত প্ৰকাশিত ব্যংগ ৰচনা।...গোহাঞিবৰুৱাৰো অনেক প্ৰৱন্ধ 'বিজুলী'ৰ দ্বিতীয় ভাগত প্ৰকাশ পাইছিল। তাৰ ভিতৰত 'অসমৰ ৰাজহৰ নতুন নিয়ম', 'অসমীয়া ডেকা সমাজ', 'অসমৰ বাতৰি কাকত', 'আহোমৰ দিন' আদি প্ৰৱন্ধ উল্লেখযোগ্য। ... কলিকতাৰ বলৰাম দেৰ ষ্ট্ৰীটৰ 'কৃপাসিন্ধু' প্ৰেছৰ পৰা 'বিজুলী' ছপা হৈছিল। ...[৮]

চতুৰ্থ ভাগ 'বিজুলী' বন্ধ হোৱাৰ এবছৰ পিছতে 'ঊষা'ৰ জন্ম হয়। ১৯০৭ চনৰ পৰা ১৯১২ চনলৈকে তেজপুৰৰ পৰা 'ঊষা' প্ৰকাশ পাইছিল। 'ঊষা'ৰ জন্মৰ পটভূমি সম্পৰ্কে পদ্মনাথ গোহাঞি বৰুৱাই 'মোৰ সোঁৱৰণী'ত লিখিছিল যে সাহিত্যিক পেন্সন পোৱাৰ পাছত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি তেখেতে মুকলিমুৰীয়া আৰু একাণপতীয়াকৈ সাহিত্য চৰ্চাত লাগি গৈছিল। 'ঊষা' জন্মৰ লগে লগে প্ৰবীণ সাহিত্যিকসকলৰ জন্ম আৰু প্ৰতিষ্ঠা 'ঊষা'ৰ পাততেই ঘটিছিল। প্ৰথম বছৰৰ পৰাই 'ঊষা' নিয়মীয়াকৈ প্ৰকাশ নহৈছিল। কেতিয়াবা দুই বা ততোধিক মাহৰ 'ঊষা' এটা সংখ্যাত প্ৰকাশ হৈছিল। জাতীয় সাহিত্যৰ উন্নতিৰ হকে 'ঊষাই আৰম্ভণিৰে পৰা আত্মনিয়োগ কৰিছিল। প্ৰথম ভাগ 'ঊষা'ত অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ কথা চিন্তা কৰি শৰৎচন্দ্ৰ গোস্বামীয়ে 'আমাৰ সাহিত্যত অভাৱ' এই সম্পৰ্কে প্ৰৱন্ধ লিখিছে। দেৱেশ্বৰ চলিহাই লিখা 'অসমীয়া ভাষা' প্ৰৱন্ধত অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰিবলৈ আৰু আখৰ জোঁটনিৰ আউল মাৰিবলৈ কেতবোৰ মূল্যৱান পৰামৰ্শ আগবঢ়াইছিল। তদুপৰি 'ঊষা' প্ৰথম ভাগত হেমচন্দ্ৰ গোস্বামীৰ 'শৰাইঘাটৰ যুদ্ধ', ৰাধানাথ ফুকনৰ 'অসমীয়াৰ ভৱিষ্যৎ', বেণুধৰ ৰাজখোৱাৰ 'মানুহৰ জীৱনৰ উদ্দেশ্য', দেৱেশ্বৰ চলিহাৰ 'মানুহ পশুতকৈ কিয় শ্ৰেষ্ঠ' ইত্যাদি প্ৰৱন্ধ প্ৰকাশ পাইছিল। 'ঊষা'ৰ যশ আৰু জনপ্ৰিয়তা বৃদ্ধিত 'কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন' শীৰ্ষক প্ৰৱন্ধলানিয়ে অৱদান যোগাইছিল। 'ঊষা'ৰ 'সম্পাদকৰ শৰাই' শিতানত ভাষা, সাহিত্য আৰু জাতীয় জীৱন সম্পৰ্কীয় বিষয়বোৰে ঠাই পাইছিল।

২.৭ বাঁহীঃ

১৮৩১ শকৰ আঘোণ মাহত (১৯০১) কলিকতাৰ লাল বজাৰ ষ্ট্ৰীটৰ 'আসাম বেঙ্গল ষ্টোৰচ'ৰ পৰা

লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' প্ৰকাশ পায়। ১৯০৯ চনৰ পৰা ১৯২৯ চনলৈকে 'বাঁহী' বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পাইছিল। 'বাঁহী'ৰ মূলমন্ত্ৰ আছিল 'নহি জ্ঞানেন সদৃংশ পৱিত্ৰমিহ বিদ্যতে।' উল্লেখযোগ্য যে, 'বাঁহী'ৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰ আটাইবোৰ লেখাৰে লেখক বেজবৰুৱা নিজে আছিল। পৰৱৰ্তী সংখ্যাব পৰাহে অন্যান্য লেখকৰ ৰচনা 'বাঁহী'ত প্ৰকাশ হ'বলৈ ধৰে।

অসমীয়া ভাষা-সাহিত্য আৰু সমাজ-সংস্কৃতিলৈ 'বাঁহী'ৰ অৱদান সুদূৰপ্ৰসাৰী। বেজবৰুৱাৰ সম্পাদনাত 'বাঁহী' হৈ পৱিছিল অসমৰ জাতীয় জীৱনৰ এটা স্বতন্ত্ৰ অথচ স্বয়ং সম্পূৰ্ণ আন্দোলন। 'বাঁহী'ত চিন্তাগধুৰ প্ৰবন্ধ, ব্যংগ ৰচনা, কবিতা, গল্প, উপন্যাস, গ্ৰন্থ সমালোচনা, ভাষাতাত্ত্বিক বিতৰ্ক আদি বিভিন্ন দিশে গুৰুত্ব পাইছিল। এই ৰচনাসমূহে দৰাচলতে এদল নতুন লেখকৰ সৃষ্টি কৱিলে।' মহেশ্বৰ নেওগে 'বাঁহী'ক অসমীয়া সাহিত্যিকৰ তীৰ্থস্থান বুলি অভিহিত কৱিছে। (অসমীয়া সাহিত্যতৰ ৰূপৰেখা, পৃষ্ঠা. ২৫২) বেজবৰুৱাই প্ৰতিকূল পৱিৱেশৰ মাজেৰেই 'বাঁহী'ৰ সম্পাদনা কৱিছিল। বেজবৰুৱাৰ মৃত্যুৰ পিছত 'বাঁহী'ৰ সম্পাদনাৰ ভাৰ অমিয় কুমাৰ দাস আৰু মাধৱচন্দ্ৰ বেজবৰুৱাক দিয়া হয়। ১৯০৯ চনৰ পৰা ১৯৩৮ চনলৈকে সুদীৰ্ঘ ডেৰকুৰি বছৰ কাল 'বাঁহী'য়ে অসমৰ জাতীয় জীৱনত এটা স্বতন্ত্ৰ আন্দোলনৰ জন্ম দিলে।

কবিতাৰ ক্ষেত্ৰত 'বাঁহী'ৰ বৰঙণি উল্লেখযোগ্য। 'জোনাকী'ত প্ৰকাশ পোৱা ৰোমাণ্টিক কবিতাৰ ধাৰা প্ৰবাহিত হৈ 'বাঁহী'ত অধিক পূৰ্ণতা লাভ কৱিছিল। 'বাঁহী'ত কাব্য চৰ্চা কৰা লোকসকলৰ ভিতৰত পদ্মাৱতী দেৱী ফুকননী, জ্ঞাননাথ বৰা, লক্ষ্মীধৰ শৰ্মা, জ্যোতিপ্ৰসাদ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য, লক্ষ্মীনাথ বেজবৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, সূৰ্যকুমাৰ ভূঞা, অতুলচন্দ্ৰ হাজৰিকা, প্ৰসন্নলাল চৌধুৰী, নলিনীবালা দেৱী, যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতি আদি। অসমীয়া চুটিগল্পৰ বিকাশতো 'বাঁহী'ৰ অৱদান উল্লেখযোগ্য। 'বাঁহী'ৰ উল্লেখযোগ্য গল্পকাৰ কেইজন হ'ল লক্ষ্মীনাথ বেজবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা ইত্যাদি। ... [৯]

গীতি-সাহিত্যলৈও 'বাঁহী'ৰ অৱদান উল্লেখনীয়। শ্ৰীকৃপাবৰ, কলাগুক বিষ্ণুৰাভা, আনন্দচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, ৰামচন্দ্ৰ দাস, যদুনাথ হাজৰিকা, অপূৰ্বচন্দ্ৰ বৰদলৈ আদিয়ে গীত ৰচনা কৱিছিল। 'বাঁহী'তে বেজবৰুৱাৰ অসম সংগীত 'অ' মোৰ আপোনাৰ দেশ' গীতটিও প্ৰকাশ পাইছিল।

অসমীয়া ভাষা বিষয়ক অনেক প্ৰৱন্ধ 'বাঁহী'ৰ পাততে সৃষ্টি হৈছিল। বাণীকান্ত কাকতিয়ে অসমীয়া ভাষা সম্পৰ্কে গুৰুত্বপূৰ্ণ ৰচনা 'বাঁহী'ত লিখিছিল। কাকতিৰ 'অসমীয়া ভাষাৰ অষ্ট্ৰিক অধঃস্তন' (২৬শ বছৰ, ২য় সংখ্যা) ভাষাবিষয়ক উল্লেখযোগ্য প্ৰৱন্ধ। লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসমীয়া' (প্ৰথম বছৰ, প্ৰথম সংখ্যা), 'জগৎ সৃষ্টিৰ বিষয়ে আহোম শাস্ত্ৰৰ মত' (প্ৰথম বছৰ, তৃতীয় সংখ্যা), 'পুৰণি অসমৰ জিলিগুনি এটি' (প্ৰথম বছৰ, ষষ্ঠ সংখ্যা), 'অসমীয়া গৌৰীপুৰত বাংলা সাহিত্য সভা' (প্ৰথম বছৰ নৱম সংখ্যাৰ পৰা প্ৰথম বছৰ দ্বাদশ সংখ্যা), 'বাঁহী'ৰ উল্লেখযোগ্য প্ৰৱন্ধ। 'বাঁহী'ৰ প্ৰথম বছৰ, চতুৰ্থ সংখ্যাৰ পৰা গ্ৰন্থ সমালোচনা আৰম্ভ হৈছিল।

২.৮ আৱাহনঃ

১৯২১ চনত আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ আঠ বছৰৰ পিছত জন্ম লাভ কৰা 'আৱাহন' আলোচনীয়ে অসমীয়া সাহিত্য আৰু চিন্তাজগতত এক নৱচেতনাৰ উন্মেষ ঘটায়। জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত আৰু ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত ১৯২৯ চনত (১৮৫১ শকৰ কাতি মাহ) 'আৱাহন'ৰ প্ৰকাশ সমকালীন পৱিবেশৰ পৱিপ্ৰেক্ষিততে এটা গুৰুত্বপূৰ্ণ ঘটনা। ভাৰতৰ স্বাধীনতা আন্দোলনকে ধৰি শিক্ষাৰ প্ৰসাৰ, পশ্চিমৰ সাহিত্যাদৰ্শৰ প্ৰভাৱ ইত্যাদিয়ে 'আৱাহন'ৰ জন্ম আৰু বিকাশত প্ৰভাৱ পেলাইছিল।

'জোনাকী' আৰু 'বাঁহী'ৰ ৰোমাণ্টিক ভাৱধাৰাক সূক্ষ্মতৰ, পৰিসীমিত ৰূপত প্ৰতিষ্ঠা কৰি 'আৱাহন' আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যক দ্বিতীয় মহাযুদ্ধৰ সময়লৈকে তাৰ স্বাভাৱিক গতিপথত আগবঢ়াই দিলে। 'আৱাহন'ৰ পাতত কাব্য চৰ্চা কৰা কবিসকলৰ ভিতৰত গণেশ গগৈ, দেৱকান্ত বৰুৱা, যতীন্দ্ৰনাথ দুৱৰা, লক্ষ্মীনাথ ফুকন আদিয়ে প্ৰধান। অসমীয়া ৰোমাণ্টিক কবিতাৰ ক্ষেত্ৰখনো 'আৱাহন' আলোচনীয়ে সমৃদ্ধ কৰিছিল। ড° বাণীকান্ত কাকতি, সূৰ্যকুমাৰ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ আদিয়ে তত্ত্বমূলক তথা সমালোচনামূলক প্ৰবন্ধ লিখি 'আৱাহন'ৰ পৃষ্ঠা শুৱনী কৰিছিল। 'আৱাহন'ৰ পাততে অসমীয়া চুটিগল্পই পৰিণতি লাভ কৰে। নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ 'পোহাৰী', 'ৰসায়ন', 'বীণাৰ ঝংকাৰ', 'ভাগ বটোৱাৰ' আদি গল্প প্ৰকাশ পাইছিল। 'আৱাহন'ত সাহিত্য আলোচনাইও গুৰুত্ব পাইছিল। বিৰিঞ্চি কুমাৰ বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, তীৰ্থনাথ শৰ্মা আৰু হেম বৰুৱা, মহেশ্বৰ নেওগ, প্ৰফুল্ল দত্ত গোস্বামী আদি সমালোচকে 'আৱাহন'লৈ বিশিষ্ট অৱিহণা আগবঢ়াইছিল। নাট্যচৰ্চাৰ ক্ষেত্ৰতো 'আবাহন'ৰ অৱদান উল্লেখনীয়। উল্লিখিত এনেবোৰ সাহিত্যৰ বিভিন্ন ৰূপৰ প্ৰকাশে 'আৱাহন'ক ঐশ্বয্যশালী কৰি তুলিছিল। হৃদয়বৃত্তি আৰু আদৰ্শৰ মুকলি প্ৰকাশে 'আৱাহন' যুগক যি বৈশিষ্ট্য প্ৰদান কৰিলে, সেই বৈশিষ্ট্য বহু পৰিমাণে পাশ্চাত্য দৃষ্টিভংগী আৰু বিন্যাস ভংগীৰ ফলশ্ৰুতি। ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ উদাৰনৈতিক মানৱতাবাদৰ ভাৱাদৰ্শ অসমীয়া সাহিত্যলৈ প্ৰবলভাৱে এই যুগতে প্ৰচাৰিত হৈছিল। 'জোনাকী'য়ে সূচনা কৰা ৰোমাণ্টিক ভাৱ-চেতনা 'আৱাহন' যুগত বহুবৰ্ণময় হৈ উঠিল। বিংশ শতিকাৰ ত্ৰিশৰ দশক অৰ্থাৎ 'আৱাহন'ৰ শেহৰফালে অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতিলৈ নতুনত্ব আহিল। পশ্চিমীয়া মনোবিজ্ঞানৰ লগত স্থাপন হ'ল নতুন সম্পৰ্ক। ফলস্বৰূপে 'আৱাহন'ৰ মাজেদিয়েই প্ৰকাশ পালে অসমীয়া শিক্ষিত মধ্যবিত্তৰ জীৱন-দৃষ্টি। এনেদৰে ডেৰ দশক জুৰি 'আৱাহন' আলোচনীয়ে অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিলে। (আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, লীলা গগৈ, পৃষ্ঠা. ২৩৭)

২.৯ জয়ন্তী

১৯৩৮ চনৰ জানুৱাৰীত কেশৱকান্ত বৰুৱাৰ পৃষ্ঠপোষকতাত আৰু ৰঘুনাথ চৌধুৰীৰ সম্পাদনাত 'জয়ন্তী' প্ৰকাশ হয়। গুৱাহাটীৰ জয়ন্তী আৰ্ট প্ৰেছৰ পৰা প্ৰকাশিত আলোচনীখন প্ৰগতিশীল পত্ৰিকীয়া ৰূপে প্ৰকাশ পাইছিল। অসমীয়া ভাষা-সাহিত্যৰ জগতলৈ নতুন চিন্তা আৰু সম্পৰীক্ষাৰ ঢল বোৱাই অনাটো 'জয়ন্তী'ৰ অন্যতম লক্ষ্য আছিল যদিও অসমৰ প্ৰতিটো জটিল ৰাজনৈতিক সমস্যা সমাধানৰ অৰ্থে অনুকূল জনমত সৃষ্টি কৰাটো 'জয়ন্তী'ৰ ঘোষিত লক্ষ্য আছিল। *'জয়ন্তী'য়ে নিজকে প্ৰগতিবাদী বুলি ঘোষণা কৰিলে আৰু পোনৰে পৰা ৰোমাণ্টিক ধাৰাৰ কবি-সাহিত্যিকসকলক পোনপটীয়াকৈ আক্ৰমণ কৰিলে। (অসমীয়া গল্প সংকলন, 'পাতনি', হোমেন বৰগোহাঞি, পৃষ্ঠা. ০৪-০৫)*

চল্লিশৰ দশকটোত 'জয়ন্তী'ৰ ভূমিকা কেৱল পুৰণিক আক্ৰমণ কৰাৰ মাজতে আৱদ্ধ নাছিল। প্ৰাচীন জীৱনবীক্ষাৰ বিকল্প হিচাপে এই আলোচনীয়ে মাৰ্ক্সীয় দৰ্শনাশ্ৰিত এক নতুন জীৱনৰ আদৰ্শ আৰু মানৱ মুক্তিৰ আদৰ্শ দাঙি ধৰিছিল। বস্তুতঃ মাৰ্ক্সীয় বিশ্ববীক্ষাক সাহিত্য সৃষ্টিৰ আদৰ্শ আৰু সামাজিক ৰূপান্তৰৰ আহিলা হিচাপে সচেতন আৰু সংঘবদ্ধ প্ৰচেষ্টা 'জয়ন্তী'ৰ মাজতেই প্ৰথমবাৰৰ বাবে দেখা গ'ল।

'জয়ন্তী'ৰ পৰৱৰ্তী সময়ত প্ৰকাশিত 'সুৰভি' (১৯৪০) আৰু 'পছোৱা' (১৯৪৮-৪৯) আদি আলোচনীয়েও 'জয়ন্তী'ৰ প্ৰগতিবাদী চেতনা তীব্ৰ কৰি তুলিছিল। অসমীয়া সাহিত্যৰ বৰ্তমান সময়ত যি প্ৰগতিশীল সাহিত্যৰ চৰ্চা আৰু সৃষ্টি হৈছে তাৰ বাবে 'জয়ন্তী' আলোচনীকেই দিক্‌দৰ্শনকাৰীৰ মৰ্যাদা দিব পাৰি।

****

২.১০ 'ৰামধেনু' আলোচনীঃ

স্বৰাজোত্তৰ অসমৰ বৌদ্ধিক জগতৰ এক উল্লেখযোগ্য ঘটনা হ'ল সাহিত্যলোচনী 'ৰামধেনু'ৰ প্ৰকাশ। ১৯৫০ চনৰ এপ্ৰিল মাহত আত্মপ্ৰকাশ কৰা 'ৰামধেনু'ৰ প্ৰথমজন সম্পাদক আছিল ইন্দ্ৰকমল বেজবৰুৱা। যুগান্তকাৰী আলোচনী 'ৰামধেনু'য়ে অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে। কবিতা, চুটিগল্প, উপন্যাস, সমালোচনা ইত্যাদি সকলোতে এই নতুনত্ব বিয়পি পৰিল। পাশ্চাত্যৰ বিভিন্ন দৰ্শন, চিন্তা-চৰ্চা, অসমীয়া সাহিত্যলৈ ৰামধেনু যুগে আদৰি আনিলে। 'ৰামধেনু'ৰ সাফল্যৰ আঁৰত সম্পাদক ভট্টাচাৰ্য্যৰ যুগমানস সচেতনা সাহিত্যিক ব্যক্তিত্বইও সহায় কৰিলে। অসমীয়া সাহিত্যই ইয়াতে আধুনিক ৰূপ পৰিগ্ৰহ কৰিলে।

৩.০ উপসংহাৰঃ

অসমীয়া সাহিত্যৰ বিকাশত কাকত-আলোচনীৰ ভূমিকা ('অৰুনোদই'ৰ পৰা 'ৰামধেনু'লৈ) এই বিষয়ৰ আলোচনাৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে -

১. 'অৰুনোদই'তে অসমীয়া সাহিত্যৰ বিবিধ ৰূপৰ অংকুৰণ ঘটিল। আধুনিক ভাৱ-প্ৰকাশৰ এটা গদ্যশৈলীৰ সৃষ্টিৰে সমকালীন সমাজ-তথা সাহিত্যলৈ পৰিৱৰ্তন আনিলে। অসমীয়া সাহিত্যলৈ এনেবোৰ পৰিৱৰ্তনেৰে 'অৰুনোদই'য়ে অসমীয়া লোকৰ মনত জাতীয় চেতনাৰ বীজ ৰোপন কৰিলে বুলি ক'ব পাৰি।

২. 'আসাম নিউচ' কাকতে 'অৰুনোদই'ৰ বৰ্ণবিন্যাস আৰু বাক্যবিন্যাস পদ্ধতি পৰিহাৰ কৰি অসমীয়া গদ্যৰ সুস্থিৰ মান এটা অসমীয়া সাহিত্যলৈ আনিলে।

৩. 'আসাম বন্ধু'তে নৱন্যাসধৰ্মী বিবিধ সাহিত্যৰূপৰ উন্মেষ হৈছিল। তাৰ ভিতৰত সমালোচনাৰ ধাৰা, ব্যংগ ৰচনা, বিভিন্ন কবিতা, প্ৰৱন্ধ আদি উল্লেখযোগ্য। 'জোনাকী' যুগৰ কৰ্ণধাৰসকলৰ বেছিভাগৰে সাহিত্য চৰ্চাৰ থলী আছিল 'আসাম বন্ধু'।

৪. 'জোনাকী'য়ে পশ্চিমৰ ৰোমান্টিক ভাবাদৰ্শক অসমীয়া সাহিত্যলৈ আদৰি আনি অসমীয়া সাহিত্যত নতুন সাহিত্য চেতনা, আদৰ্শ আৰু আংগিকৰ সূচনা কৰিলে। 'অৰুনোদই'ৰ পৰা আসাম বন্ধু'লৈকে সিঁচৰতি হৈ থকা সাহিত্য চিন্তা সৃষ্টিক 'জোনাকী'য়ে এক আদৰ্শমুখী কৰি অসমীয়া সাহিত্যৰ গতি প্ৰবাহ একমুখী কৰি তুলিলে। ফলত, সাহিত্য জগতত গল্প, প্ৰৱন্ধ, উপন্যাস, ব্যংগ ৰচনা, ভ্ৰমণ বৃত্তান্ত, জীবনী, পুথি সমালোচনা আদি নতুন নতুন সাহিত্য ৰূপৰ প্ৰচাৰ কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰি ভৱিষ্যতৰ বাবে এক আৰ্হি স্থাপন কৰিলে।

৫. 'জোনাকী'ত আৰম্ভ হোৱা পাশ্চাত্য ৰোমান্টিক ভাৱাদৰ্শই 'বাঁহী'ত অধিক পূৰ্ণতা পালে। সমালোচনা, ব্যংগ, সৃষ্টিশীল ৰচনা সকলোতে 'বাঁহী'য়ে নতুন নতুন আংগিক, সাহিত্য চেতনাৰ পয়োভৰ ঘটালে। এক কথাত, লক্ষ্মীনাথ বেজবৰুৱাই 'বাঁহী' সম্পাদনাৰে অসমৰ জাতীয় জীৱনত এক ভাষিক, সাংস্কৃতিক আৰু আধ্যাত্মিক নৱজাগৰণৰ সূচনা কৰিলে।

৬. অসমীয়া সাহিত্যলৈ 'আৱাহনে' পাশ্চাত্যৰ নানান মতাদৰ্শ কঢ়িয়াই আনি ৰোমান্টিকতাৰ কিছু পৰিমাণে অৱসান ঘটালে আৰু বাস্তৱধৰ্মী দৃষ্টিভংগীক কিছু পৰিমাণে আদৰণি জনালে। বিশেষকৈ অসমীয়া সাহিত্যত চুটিগল্পৰ ক্ষেত্ৰত এনে প্ৰভাৱ অনুভূত হ'ল।

৭. চল্লিছৰ দশকৰ 'জয়ন্তী'য়ে ৰোমান্টিকতা পৰিহাৰ কৰি সমাজবাদী আৰু প্ৰগতিবাদী হৈ পৰিল। কবিতা, গল্প, প্ৰৱন্ধ সকলোতে এই চিন্তাধাৰা ব্যাপ্ত হ'ল। উগ্ৰজাতীয়তাবাদী চিন্তাৰ বিপৰীতে বৈজ্ঞানিক সমাজবাদী দৰ্শনৰ চিন্তা-চৰ্চা আৰম্ভকৰি এক যুক্তিপূৰ্ণ বিশ্লেষণাত্মক ধাৰাৰ সূচনা কৰিলে 'জয়ন্তী'য়ে।

****

প্রসঙ্গসূত্রঃ

১. নগেন শইকীয়া, (সম্পা.), জোনাকীঃ ভূমিকা, একত্র সংকলন, পৃ. .০০৪

২. নগেন শইকীয়া, অৰুনোদইৰ পৰা জোনাকীলৈ, পৃ. ১৯

৩. নগেন শইকীয়া (সম্পা.), 'আসাম-বন্ধু'ৰ একত্র সংকলন, ভূমিকা, পৃ. ২৮

৪. নগেন শইকীয়া, উল্লিখিত

৫. মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ২৩

৬. ৰাজেন শইকীয়া, 'বলিনাৰায়ণ বৰাৰ 'মৌ': এটি মূল্যায়ন,' চন্দ্রপ্রসাদ শইকীয়া, সম্পা, অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ. ১৮৪

৭. নগেন শইকীয়া (সম্পা.), 'জোনাকী', 'ভূমিকা', একত্র সংকলন, পৃ..০০১

৮. উপেন্দ্র বৰকটকী, 'পদ্মনাথ গোহাঞিবৰুৱাৰ ঊষা আৰু বিজুলীৰ অৱদান', চন্দ্রপ্রসাদ শইকীয়া (সম্পা.), অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস', পৃ. ২২৩

৯. প্রহলাদ কুমাৰ বৰুৱা, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ. ৪৯

প্রাসংগিক গ্রন্থপঞ্জীঃ

গগৈ, লীলা (সম্পা.) ঃ আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, ষ্টুডেণ্টচ্, এম্প'ৰিয়াম, ডিব্রুগড়, ১৯৯৪

গোস্বামী, যতীন্দ্রনাথ (সম্পা.) ঃ বাঁহী, প্রথম খণ্ড (একত্র সংকলন), অসম সাহিত্য সভা, ২০০১

তামুলী, লক্ষ্মীনাথ (সম্পা.) ঃ বাঁহী, দ্বিতীয় খণ্ড (একত্র সংকলন) অসম প্রকাশন পৰিষদ, গুৱাহাটী, মার্চ ২০০৫

নেওগ, মহেশ্বৰ (সম্পা.) ঃ অৰুনোদই, অসম প্রকাশন পৰিষদ, গুৱাহাটী দ্বিতীয় প্রকাশ, ২০০৩

নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্র প্রকাশ, টিহু সপ্তম তাঙৰণ, ১৯৮৭

ফুকন, প্রসন্ন কুমাৰ ঃ অসমৰ সম্বাদ পত্রৰ সমীক্ষাত্মক অধ্যয়ন, (১৮৬৪ ৰ পৰা ১৮৮৬ লৈকে), ১৪০ বছৰ, মধু প্রকাশ, দেৱগাঁও, ১৯৯৬

বৰগোহাঞি, হোমেন (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ১৯৯৩

ঐ (সম্পা.) ঃ শ্রেষ্ঠ অসমীয়া নির্বাচিত প্রবন্ধ (১ম খণ্ড), অসম প্রকাশন পৰিষদ, মার্চ, ২০০৫

বৰুৱা, প্রহলাদ কুমাৰ ঃ অসমীয়া চুটিগল্পৰ অধ্যয়ন, বনলতা, ডিব্রুগড়, দ্বিতীয় প্রকাশ, ২০০৭

শইকীয়া, চন্দ্র প্রসাদ (সম্পা.) ঃ অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি, গুৱাহাটী, প্রথম প্রকাশ, মার্চ ১৯৯৮

শইকীয়া, নগেন (সম্পা.) ঃ অৰুনোদইৰ পৰা জোনাকীলৈ, কৌস্তুভ প্রকাশন, ডিব্রুগড়, ২০১১

****

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতা ঃ এটি অধ্যয়ন

ড° পংকজ শইকীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জেংৰাইমুখ মহাবিদ্যালয়

সাৰাংশ

যিবোৰ কবিতাত কবি হৃদয়ৰ একান্ত ব্যক্তিগত অনুভৱৰ সুতীব্ৰ, স্বতঃস্ফূৰ্ত প্ৰকাশ ঘটে আৰু য'ত এক সাংগীতিক ধ্বনি-মাধুৰ্যৰ সৃষ্টি হয়, তেনেধৰণৰ কবিতাবোৰেই গীতি-কবিতা। লোক-সাহিত্যৰাজিয়েই অসমীয়া গীতি-কবিতাৰ ভেটিটো নিৰ্মাণ কৰিছে। উদ্ভৱকালীন অসমীয়া আৰু মধ্যযুগীয় লিখিত সাহিত্যৰ ইতিহাসত চৰ্যাপদ, বৰগীত, নামঘোষা, পাঁচালী গীত আদিয়ে গীতি-কবিতাৰ সাক্ষ্য বহন কৰে। তদ্ পৰৱৰ্তী কালৰ আধুনিক অসমীয়া সাহিত্যৰ ৰোমাণ্টিক স্তৱটোত (১৮৮৯-১৯৪০)-হে অসমীয়া গীতি-কবিতাই গভীৰ আৰু পূৰ্ণাংগ ৰূপত ব্যাপ্তি লাভ কৰিলে। চন্দ্ৰকুমাৰ, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, প্ৰসন্নলাল চৌধুৰী, নলিনীবালা দেৱী, উমেশচন্দ্ৰ চৌধাৰী, আনন্দচন্দ্ৰ আগৰৱালা, পাৰ্বতীপ্ৰসাদ বৰুৱা, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰী ৰায়চৌধুৰী, গণেশ গগৈ, শৈলধৰ ৰাজখোৱা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, জ্যোতিপ্ৰসাদ আগৰৱালা, কমলেশ্বৰ চলিহা, দেৱকান্ত বৰুৱা আদি অনেক ৰোমাণ্টিক কবিয়ে অসমীয়া গীতি-কবিতাৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি তুলিলে। চন্দ্ৰকুমাৰৰ 'মাধুৰী', বেজবৰুৱাৰ 'বীণ-ব'ৰাগী, হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি', ৰঘুনাথ চৌধাৰীৰ 'গোলাপ', পাৰ্বতীপ্ৰসাদৰ 'জীৱন যদি হেৰালে তোৰ' আদি সাৰ্থক গীতি-কবিতাৰ নিদৰ্শন। এই গৱেষণা-পত্ৰত ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতাৰ লক্ষণ, বিভিন্ন শাখা আদিৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হ'ব।

বীজশব্দঃ ৰোমাণ্টিক, গীতিধৰ্মিতা, সাংগীতিক, ছন্দ, শব্দ-চয়ন

০.০ প্ৰস্তাৱনা ঃ

অসমীয়া গীতি-কবিতাৰ এক প্ৰাচীন ঐতিহ্য আছে। অসমীয়া মৌখিক সাহিত্য বা লোক-সাহিত্যৰ বুকুতে অসমীয়া গীতি-কবিতাৰ ভেটিটো নিৰ্মাণ হয়। বিহুনাম, আইনাম, বিয়ানাম, গোৱালপৰীয়া লোকগীত, মৈষাল গীত, বাৰমাহী গীত— এইসমূহত লোককবিৰ হৃদয়ৰ স্বতঃস্ফূৰ্ত আৱেগ, ব্যক্তিগত আশা-আকাংক্ষা, তীব্ৰ বিৰহ-বেদনা এনেদৰে প্ৰকাশ পাইছে যে তত্ত্বগত দিশৰপৰা এইবোৰক অসমীয়া গীতি-কবিতাৰ প্ৰথম নিদৰ্শন বুলি ক'ব পাৰি। খ্ৰীষ্টিয় দশম-একাদশ শতিকাৰপৰা চতুৰ্দশ শতিকাৰ ভিতৰত ৰচিত চৰ্যাপদ, শংকৰ-মাধৱ বিৰচিত বৰগীত, নামঘোষা, পাঁচালী গীত বা কবিতাসমূহক সমালোচকসকলে অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত গুৰুত্বপূৰ্ণ সম্পদ হিচাপে ঠাই দিছে। এই সাহিত্যৰাজিৰ মাজত কেতিয়াবা ব্যক্তিগত ভাব-অনুভৱৰ আন্তৰিক প্ৰকাশ লক্ষ্য কৰা যায় যদিও এইবোৰ মূলতঃ বস্তুনিষ্ঠ ৰচনা। শংকৰী ৰচনাৰ নৈৰ্ব্যক্তিকতাৰ বিপৰীতে মাধৱদেৱৰ ৰচনা, বিশেষকৈ *নামঘোষাৰ* মাজত আত্ম-অনুশোচনাত কাতৰ এগৰাকী ভক্তকবিৰ হৃদয়ৰ বিগলিত অনুভৱ প্ৰকাশ পাইছে আৰু এনে লক্ষণাক্ৰান্ত হোৱাৰ বাবেই ই গীতি-কবিতাৰ ওচৰ চাপিছে। কিন্তু এই কথা ঠিক যে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক স্তৱটোত (১৮৮৯-১৯৪০)-হে অসমীয়া গীতি-কবিতাই গভীৰ আৰু পূৰ্ণাংগ ৰূপত ব্যাপ্তি লাভ কৰিলে। ড° সত্যেন্দ্ৰনাথ শৰ্মাই এই স্তৱটোক 'গীতি-কবিতাৰ (Lyrics) আধিপত্যৰ যুগ'[১] বুলি কৈছে। তেওঁৰ ভাষাত 'গীতি-কবিতা সম্পৰ্কে

****

এই কথা নিঃসন্দেহে ক'ব পাৰি যে ভোলানাথৰ হাতত গীতি-কবিতাই ৰূপ ল'লে যদিও অনুভূতিৰ সূক্ষ্ম ব্যঞ্জনা, আবেগসঞ্চাৰী ভাব, ছন্দৰ বৈচিত্র্য আৰু প্রকাশন ৰীতিৰ মধুৰতা জোনাকী যুগৰ কবিসকল আৰু তেওঁলোকৰ পৰৱর্তী ৰোমাণ্টিক কবিসকলৰ ৰচনাতহে ৰামধেনুৰ বর্ণ-বৈচিত্র্য লৈ প্রকাশ পালে।'[২]

০.১ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

ক) অসমীয়া গীতি-কবিতাৰ পৰিক্রমা নির্ণয় কৰা।

খ) ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতাসমূহ বিচাৰ কৰা।

গ) গীতি-কবিতাৰ লক্ষণসমূহ ৰোমাণ্টিক অসমীয়া কবিতাত কেনেদৰে প্রকাশ পাইছে, তাৰ বিচাৰ আগবঢ়োৱা।

ঘ) ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতাৰ বিভিন্ন শ্রেণীসমূহ নির্ণয় কৰা।

০.২ অধ্যয়নৰ পদ্ধতি ঃ

এই আলোচনা-পত্রত প্রধানভাৱে বিশ্লেষণাত্মক আৰু বর্ণনামূলক পদ্ধতি গ্রহণ কৰা হৈছে। গীতি-কবিতাৰ সংজ্ঞা আৰু বিশেষত্বসমূহৰ আধাৰত ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতাসমূহৰ বিচাৰ-বিশ্লেষণ কৰা হ'ব।

০.৩ অধ্যয়নৰ পৰিসৰঃ

আলোচনা-পত্রখনত প্রধানতঃ অসমীয়া কবিতাৰ ৰোমাণ্টিক স্তৰটো অধ্যয়ন কৰা হ'ব। জোনাকী আলোচনীৰ জন্মৰপৰা দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ সময়লৈকে (১৮৮৯-১৯৪০) —এই সময়খণ্ড পৰিসৰত অন্তর্ভুক্ত কৰা হৈছে।

১.০ গীতি-কবিতাঃ সাধাৰণ পৰিচয়ঃ

গীতি-কবিতা এক প্রকাৰৰ কবিতা— য'ত কবি হৃদয়ৰ একান্ত ব্যক্তিগত অনুভৱৰ সুতীব্র, স্বতঃস্ফূর্ত প্রকাশ ঘটে আৰু য'ত এক সাংগীতিক ধ্বনি-মাধুর্যৰ সৃষ্টি হয়। ড° প্রফুল্ল কটকীয়ে কৈছে যে যিবোৰ কবিতা বীণা (Lyre) বা তেনেজাতীয় বাদ্যযন্ত্রৰ সহায়ত গীত হিচাপে অর্থাৎ শুৱলাকৈ গাব পাৰি, তাকে গীতি-কবিতা আখ্যা দিয়া হৈছে। গীতি-কবিতা বুলিলে বুজায় সুৰ লগাই গাবৰ উপযোগী এটি নাতিদীর্ঘ কবিতা; একান্ত ব্যক্তিগত ভাব-অনুভূতিপ্রকাশক চুটি কবিতা (ৰাস্কিন)।[৩] কৰবী ডেকা হাজৰিকাই কৈছে— *...গীতি-কবিতাৰ লগত গানৰ সম্বন্ধ নাই। গান হ'ল গীতিকাৰৰ সুৰ-নির্ভৰ ৰচনা। কিন্তু গীতি-কবিতা স্বচ্ছন্দে বৈ যোৱা কবিৰ আপোন আবেগ-অনুভূতিৰ প্রবাহ।*[৪]

এই গীতি-কবিতাৰ কেতবোৰ সাধাৰণ বিশেষত্ব পৰিলক্ষিত হয়। ব্যক্তিগত ভাব-চিন্তা-অনুভূতি বা উপলব্ধিৰ আন্তৰিক সাৱলীল প্রকাশ গীতি-কবিতাৰ অন্যতম প্রধান বৈশিষ্ট্য। গীতি-কবিতাত এটা মাথোন অনুভূতি অথবা পৰিস্থিতিৰ প্রকাশ ঘটে; বিষয়াস্তৰৰ উপস্থাপন ইয়াত নহয়। ইয়াত ব্যক্তিগত দৃষ্টিভংগীৰ প্রকাশ অতি স্পষ্ট; ছন্দৰ প্রয়োগ বিচিত্র; প্রকাশভংগী সংক্ষিপ্ত, সৰল আৰু মধুৰ। এনে গীতি-কবিতাৰ শুদ্ধ পৰিৱেশনত সাংগীতিক ধ্বনিৰ মূর্চ্ছনা অনুভূত হয়। গতিকে ক'ব পাৰি যে গীতি-কবিতাত ব্যক্তিগত ভাব-অনুভূতিৰ সংক্ষিপ্ত, কোমল, স্বচ্ছন্দ অভিব্যক্তি ঘটে। প্রকৃত গীতি-কবিতাত চিন্তাতকৈ সদায় অনুভূতিয়ে আগস্থান পায়।

২.০ ৰোমাণ্টিক যুগৰ অসমীয়া গীতি-কবিতাঃ

ঊনবিংশ শতিকাৰ শেষার্ধত কলিকতাত পঢ়িবলৈ যোৱা ছাত্রকেইজনমানৰ প্রচেষ্টাত ১৮৮৯ চনৰ জানুৱাৰী মাহৰপৰা প্রকাশ পোৱা *জোনাকী* আলোচনীৰ যোগেদিয়েই অসমীয়া সাহিত্যত পাশ্চাত্যৰ ৰোমাণ্টিক আন্দোলনৰ প্রভাৱ বিয়পি পৰে। ইংৰাজী সাহিত্যৰ ৱর্ডছৱর্থ, ক'লেৰিজ, শ্যেলী, বায়ৰন, কীটছ আদিৰ গীতি-কবিতাসমূহেৰে প্রভাৱপুষ্ট জোনাকী যুগৰ কবিসকলে ব্যক্তিনিষ্ঠ ভাব-অনুভৱ, ব্যক্তিগত অভিজ্ঞতাৰ মধুৰ-কোমল অভিব্যক্তি গীতি-কবিতাৰ জৰিয়তে প্রকাশ কৰিলে।

ৱর্ডছৱর্থ আৰু ক'লেৰিজৰ যুটীয়া সৃষ্টি *Lyrical Ballads*-ৰ যোগেদি যেনেকৈ ইংৰাজী সাহিত্যত

ৰোমাণ্টিক আন্দোলনৰ আৰম্ভণি ঘটে, তেনেদৰে চন্দ্রকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' শীৰ্ষক গীতি-কবিতাটোৱেই অসমীয়া কবিতাৰ ইতিহাসত ৰোমাণ্টিক আন্দোলনৰ সূচনা কৰিলে। চন্দ্রকুমাৰৰ পিছত লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্র গোস্বামী, প্রসন্নলাল চৌধুৰী, নলিনীবালা দেৱী, উমেশচন্দ্র চৌধাৰী, আনন্দচন্দ্র আগৰৱালা, পার্বতীপ্রসাদ বৰুৱা, চন্দ্রধৰ বৰুৱা, যতীন্দ্রনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতী, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, গণেশ গগৈ, শৈলধৰ ৰাজখোৱা, ইন্দ্রেশ্বৰ বৰঠাকুৰ, দৈৱচন্দ্র তালুকদাৰ, ডিম্বেশ্বৰ নেওগ, আনন্দ চন্দ্র বৰুৱা, জ্যোতিপ্রসাদ আগৰৱালা, কমলেশ্বৰ চলিহা, দেৱকান্ত বৰুৱা আদিয়ে অসমীয়া গীতি-কবিতাৰ ক্ষেত্রখন সমৃদ্ধ কৰি তুলিলে। অৱশ্যে এই কথা লক্ষ্যণীয় যে জোনাকীৰ জন্মৰ পূৰ্বেই প্রাক-ৰোমাণ্টিক স্তৰৰ ভোলানাথ দাস ('মেঘ', 'মধুহাঁসি', 'কিয়নো নাজাগে মন'), কমলাকান্ত ভট্টাচার্য ('একুৰা জুই', 'পাহৰণি')-ৰ কেতবোৰ কবিতাত আধুনিক গীতি-কবিতাৰ লক্ষণ ফুটি উঠিছিল।

তলত কেইগৰাকীমান নির্বাচিত অসমীয়া ৰোমাণ্টিক কবিৰ গীতি-কবিতা সম্পর্কে বিশ্লেষণ দাঙি ধৰা হৈছে—

২.১ চন্দ্রকুমাৰ আগৰৱালাৰ গীতি-কবিতাঃ

চন্দ্রকুমাৰ আগৰৱালাৰ *প্রতিমা* আৰু *বীণ-বৰাগী*— এই দুই কবিতা-সংকলনত যিবোৰ গীতি-কবিতা সংকলিত হৈছে, সেইবোৰৰ গীতিধর্মিতা বা লিৰিকেল সৌন্দর্য অতুলনীয়। ইয়াৰে *প্রতিমাত* বহিঃজগতৰ সৌন্দর্য আৰু *বীণ-বৰাগীত* আভ্যন্তৰীণ জগতৰ সৌন্দর্য প্রকাশ কৰিবলৈ গৈ কবিয়ে ইংৰাজী ৰোমাণ্টিক কবি ৱর্ডৰ্ৱর্থ, কীটছৰ দৰে সৌন্দর্য, মাধুর্য, গীতিময়তা প্রকাশ কৰিছে। 'মাধুৰী' কবিতাত সৌন্দর্য, আনন্দ আৰু পৰিত্রতাৰ মিলন ঘটিছে। আগৰৱালাৰ 'নিয়ৰ' কবিতাটো এটা অনুপম গীতি-কবিতা। কবিতাটোত কবিয়ে এটা মাথোন অনুভৱ— সৌন্দর্যময় জীৱনটোৰ ক্ষণস্থায়িত্বৰ অনুভৱ নিয়ৰৰ টোপালটোৰ আলমত ব্যঞ্জিত কৰিছে—

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা,
নিশাৰ তৰা এটি সৰিয়েহে আছে
সৰগত টোপনি যোৱা।

.....

ফুলনিত কোনে নিশা নাচিছিল
ছিগি ৰই গ'ল মণি,
ৰঙ্গিলীৰ ভাব হাঁহি নাচোনৰ
ৰ'ল চিন এইকণি।[৫]

লোককথাৰ আধাৰত লিখা কবিগৰাকীৰ 'তেজীমলা' কবিতাতো লিৰিকেল সৌন্দর্য বিদ্যমান—

"হাতো নেমেলিবি ফুলো নিছিঙিবি
ক'ৰে নাৰৰীয়া তই;
মানুহে ফুলৰ কি জানে আদৰ?
তেজীমলাহে মই।"[৬]

চন্দ্রকুমাৰৰ হৃদয়ৰ গভীৰ দুখৰ অনুভৱ 'সন্ধিয়া', 'যুগমীয়া শোক', 'সৰা পাহি', 'বিশ্ব ভাৰৰীয়া' আদি গীতি-কবিতাত অপূর্ব গীতিময়তাৰে প্রকাশ পাইছে।

২.২ লক্ষ্মীনাথ বেজবৰুৱাৰ গীতি-কবিতাঃ

খুহুতীয়া বা হাস্যৰসাত্মক কবিতাকেইটাক বাদ দি বেজবৰুৱাৰ প্রায় আটাইকেইটা কবিতাই অসমীয়া ৰোমাণ্টিক

যুগৰ প্ৰথম স্তৰৰ উজ্জ্বল গীতি-কবিতাৰ নিদৰ্শন। বেজবৰুৱাৰ 'বীণ-ব'ৱাগী, 'অসম সঙ্গীত', 'অ' মোৰ আপোনাৰ দেশ' আদি গীতি-কবিতা স্বদেশপ্ৰেমৰ গভীৰ অনুভৱেৰে সিক্ত। 'বীণ-ব'ৱাগী'ত ভাব, ভাষা আৰু ছন্দৰ সুষম তথা সাৱলীল সমন্বয় এনেধৰণে লক্ষ্য কৰা যায়—

'নতুন প্ৰাণৰ
ন চকুযুৰি,
দীপিতি ঢালি দে তাত;
পুৰণি পৃথিৱী
নকৈ চাই লওঁ
হে বীণ এযাৰি মাত।[৭]

'ভ্ৰম' বেজবৰুৱাৰ অন্য এটা অনিৰ্বচনীয় গীতি-কবিতা। কবিতাটোত এলিজাবেথীয় যুগৰ ইংৰাজী ৰোমাণ্টিক কবিতাৰ প্ৰভাৱ পৰিলেও কবিগৰাকীৰ মৌলিক অনুভৱৰ ই গভীৰ পৰিচায়ক[৮]—

কোনে কয় সেইটি হৰিণা-পোৱালি ?
ইমান চেতনা নাই !
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
ডেও দি দুবৰি খায়।[৯]

বেজবৰুৱাৰ 'প্ৰিয়তমা', 'চুমা', প্ৰিয়তমাৰ সৌন্দৰ্য' আদি অসমীয়া প্ৰণয়মূলক গীতি-কবিতাৰ উৎকৃষ্ট নিদৰ্শন। শ্যেলীৰ Love's Philosophy-ৰ অনুবাদ 'চুমা' কবিতাটো বেজবৰুৱাৰ হাতত মৌলিক যেন হৈ পৰিছে।

২.৩ হেমচন্দ্ৰ গোস্বামীৰ গীতি-কবিতাঃ

চতুৰ্দশপদী বা ছনেট কবিতা হৈছে গীতি-কবিতাৰ বিভিন্ন শাখাৰ ভিতৰত অন্যতম। হেমচন্দ্ৰ গোস্বামীয়ে *জোনাকী* আলোচনীত প্ৰকাশ কৰা 'প্ৰিয়তমাৰ চিঠি' কবিতাটোৰেই প্ৰথম অসমীয়া ছনেট। এই শ্ৰেণীৰ কবিতাত একেটি মাথোন ভাব বা কল্পনা চৈধ্য আখৰযুক্ত চৈধ্যশৰীয়া কবিতাৰ মাজেৰে প্ৰকাশ কৰা হয়। গতিকে কবিতাৰ এই বিশেষ গাঁথনিটো কবিৰ হৃদয়ৰ আৱেগ প্ৰকাশৰ বাবে উপযুক্ত মাধ্যম। শব্দৰ কোমল ব্যৱহাৰ, সাংগীতিক মূৰ্চ্ছনা আদিৰ গুণত 'প্ৰিয়তমাৰ চিঠি' কবিতাটো অসমীয়া ৰোমাণ্টিক যুগৰ এটা অতুলনীয় গীতি-কবিতা হৈ পৰিছে—

সৌন্দৰ্যৰ বুকুৰ কাঁচলি উদঙাই
প্ৰকৃতিৰ চো-ঘৰ চালো পিতপিত;
কুকুৰা-ঠেঙীয়া এই আখৰকিটিত
যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই।
.....
ফুল ফুলে, সৰি যায়, শুকায় বননি;
বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে।
তোমৰ চিঠিয়ে, প্ৰিয়ে, জানে কি মোহিনী
নিতৌ নোহোৱা বাহী, ন ন ফুল মেলে।
যত শুঙো, চুমা খাওঁ, নালাগে আমনি,
হৃদয়ত হেপাহৰ ভোটা তৰা জ্বলে।[১০]

গোস্বামীৰ অন্য কবিতাসমূহৰ ভিতৰত 'পুৱা', 'ধৰা পৰা', 'কাকো আৰু হিয়া নিবিলাওঁ' উল্লেখযোগ্য গীতি-কবিতা। অৱশ্যে তেওঁৰ সকলো কবিতাত গীতি-কবিতাৰ অপৰিহাৰ্য গুণ সাংগীতিক লয় সম্পূৰ্ণৰূপে পোৱা

****

নাযায়। কবিগৰাকীৰ কবিতাত সাংগীতিক লয়তকৈ চিত্রধর্মিতাহে বিদ্যমান।

২.৪ ৰঘুনাথ চৌধাৰীৰ গীতি-কবিতাঃ

ৰঘুনাথ চৌধাৰীৰ নিঃসংগ জীৱনৰ দুঃখবোধ আৰু তেওঁৰ হৃদয়ৰ ৰোমাণ্টিক সৌন্দর্যবোধৰ সার্থক প্রকাশ ঘটিছে চৰাই আৰু ফুলক কেন্দ্র কৰি কবিগৰাকীয়ে লিখা গীতি-কবিতাৰাজিত। কবিগৰাকীৰ *সাদৰী, কেতেকী, দহিকতৰা* কাব্যপুথিৰ প্রায়ভাগ কবিতাই প্রকৃতিপ্রীতিৰ নিদর্শন। শ্যেলীৰ To a Skylark, কীটচ্‌ৰ Ode to a Nightingale কবিতাৰ দৰে ৰঘুনাথ চৌধাৰীৰ চৰাইকেন্দ্রিক দীঘলীয়া গীতি-কবিতা 'কেতেকী'ত স্বতঃস্ফূর্ত আৱেগ, কোমল-মধুৰ শব্দ-চয়ন, সাংগীতিক সুৰৰ ঝংকাৰ অনুভৱ কৰা যায়। 'গোলাপ', 'গোৱাহে এবাৰ মোৰ প্রিয় বিহঙ্গিনী', 'ফুল-শয্যা' আদি তেওঁৰ একো একোটা অনুপম গীতি-কবিতা। 'ফুল-শয্যা' কবিতাত কবিৰ অন্তৰৰ বিৰহ-বেথা কৰুণ সংগীতৰ মূর্চ্ছনাৰ দৰে এনেদৰে প্রকাশ পাইছে—

আৰুনো কিমান দিয়া বেদনাৰ বোজা,
হে মোৰ হৃদয় দেৱতা ?
কৰুণ ৰোদন তুলি ভাঙি দিলা কিয়
প্রাণৰ নিবিড় নীৰৱতা ? [১১]

২.৫ যতীন্দ্রনাথঃৱৰাৰ গীতি-কবিতাঃ

ৰোমাণ্টিক যুগৰ এগৰাকী খ্যাতনামা প্রেমৰ কবি যতীন্দ্রনাথ দুৱৰাৰ *আপোন-সুৰ* আৰু *বনফুলৰ* কবিতাসমূহত আত্মনিষ্ঠ গীতি-কবিতাৰ প্রকৃতি পূর্ণমাত্রাই প্রকাশ হৈছে বুলি ড° সত্যেন্দ্রনাথ শর্মাই অভিমত আগবঢ়াইছে। শর্মাৰ মতে দুৱৰাৰ কবিতাৰ মাজত অনুভৱৰ আন্তৰিকতা, ভাবৰ সৌকুমার্য, প্রকাশভংগীৰ মাধুর্য, ছন্দৰ সাৱলীল গতি উপলব্ধ হয়।[১২] সেই দিশৰপৰা ক'ব পাৰি যে আত্মগত বেদনাক দুৱৰাই সাংগীতিক কোমল-মধুৰ সুৰ আৰু লয়েৰে তেওঁৰ কবিতাসমূহৰ মাজেৰে প্রকাশ কৰিছে আৰু তেনেদৰেই ৰোমাণ্টিক যুগৰ অন্যতম শ্রেষ্ঠ গীতি-কবিতাৰ ৰচক হিচাপে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। অনির্বচনীয় গীতি-কবিতা 'শূন্য পৰিচয়'ত কবিয়ে কৈছে—

মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ ৰৱণেৰে ঢকা;
অন্তৰ জ্বলোৱা ছবি অতীতৰ স্মৃতি লই
বুকুৰ তেজেৰে আছে অন্তৰতে আঁকা। [১৩]

২.৬ পার্বতীপ্রসাদ ৰৰুৱাৰ গীতি-কবিতাঃ

অসমীয়া কাব্য-সাহিত্যক্ষেত্রত 'গীতি-কবি' আখ্যা লাভ কৰা পার্বতীপ্রসাদ ৰৰুৱাই *সোণৰ সোলেঙ, লুইতী, গুণগুণনি, ভঙা টোকাৰীৰ সুৰ, শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল*— এই গীতি-কবিতাৰ পুথিসমূহ ৰচনা কৰিছে। এই কবিগৰাকী এজন সার্থক গীতিকাৰো। তেওঁৰ গীতি-কবিতাত লোকগীতৰ ঠাচ, অসমৰ নৈসর্গিক সৌন্দর্য, যুক্ত-ব্যঞ্জনৰ ব্যৱহাৰ নথকা সুকোমল শব্দ-চয়ন আদি বৈশিষ্ট্য প্রকাশ পাইছে। পার্বতীপ্রসাদৰ এটি উল্লেখযোগ্য গীতি-কবিতা 'জীৱন যদি হেৰালে তোৰ'।

২.৭ দেৱকান্ত ৰৰুৱাৰ গীতি-কবিতাঃ

ৰোমাণ্টিক যুগৰ শেষস্তৰৰ নতুনত্বৰ বার্তাবাহী কবি দেৱকান্ত ৰৰুৱাৰ কবিতাত ৰবার্ট ব্রাউনিঙৰ নাটকীয় স্বগতোক্তি (dramatic monologue), শ্যেলী বা যতীন্দ্রনাথ দুৱৰাসুলভ বিষাদৰ অনুভূতি মন কৰিবলগীয়া দিশ। অৱশ্যে ব্রাউনিঙৰ কবিতাৰ নৈর্ব্যক্তিক সুৰটোৰ বিপৰীতে কবি দেৱকান্ত 'টু ইন দ্য কেম্পানা', 'লাভ এমং দ্য ৰুইনজ্‌' আদি কবিতাৰ ব্যক্তিসাপেক্ষ লিৰিকধর্মী সুৰটোৰ প্রতিহে বেছিকৈ আকৃষ্ট হৈছিল।[১৪]

****

ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ অন্যতম শ্ৰেষ্ঠ প্ৰেমৰ কবি দেৱকান্ত বৰুৱাৰ 'কলঙ-পাৰত মাজনিশা', 'মনোৰমা', 'সাগৰ দেখিছা', 'অপ্ৰকাশ', 'অসাৰ্থক' আদি সাৰ্থক প্ৰেমমূলক গীতি-কবিতা। 'সাগৰ দেখিছা' কবিতাত কবিৰ হৃদয়ৰ ভাবপ্ৰৱাহৰ উদ্বেলিত ৰূপ এনেকৈ প্ৰকাশ পাইছে—

হৃদয়ৰ
ৰঙা তেজ ঢালি
প্ৰতিমাৰ পখালোঁ চৰণ, কিয়? তুমি নুবুজিবা সখী!
কিনো বেদনাত
ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জো আমি বিজয়াৰ
বিফল সন্ধ্যাত!(http://pratipod.files.wordpress.com)

৩.০ মূল সিদ্ধান্তঃ

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগত গীতি-কবিতা সৃষ্টিৰ জৰিয়তে খ্যাত হোৱা কেইগৰাকীমান প্ৰতিনিধিত্বকাৰী কবিৰ কবিতা সম্পৰ্কে আলোচনা কৰাৰ পাছত নিম্নোক্ত সিদ্ধান্তসমূহ পোৱা গ'ল—

ক) ৰোমাণ্টিক যুগৰ গীতি-কবিতাত ব্যক্তি-জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, বিৰহ-বেদনা কবিসকলে সংবেদনশীলভাৱে প্ৰকাশ কৰি তোলাত সক্ষম হৈছে।

খ) ভাব, ভাষা আৰু ছন্দৰ সুষম তথা সাৱলীল বিন্যাস; স্বতঃস্ফূৰ্ত আৱেগৰ প্ৰকাশ; কোমল আৰু মধুৰ শব্দ-চয়নে ৰোমাণ্টিক যুগৰ গীতি-কবিতাবোৰত সংগীতময় সুৰ আৰু লয়ৰ সৃষ্টি কৰিছে। ৰোমাণ্টিক কবিসকলক বহু সমালোচকে পলায়নবাদী মনোভাবৰ বুলি কয়। কিন্তু ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, দেৱকান্ত বৰুৱা আদিৰ কবিতাত হৃদয়ৰ বিৰহ-বেদনা আৰু আকাংক্ষাৰ প্ৰকাশ ইমান নান্দনিক আৰু সাংগীতিক মাধুৰ্যসনা যে সেই কবিতাবোৰ আজিও পঢ়ুৱৈৰ মাজত অতি জনপ্ৰিয়।

গ) ইংৰাজী গীতি-কবিতাৰ দৰে অসমীয়া ৰোমাণ্টিক গীতি-কবিতাৰো বিভিন্ন শাখা আছে। ছনেট, শোককবিতা বা ইলিজী, প্ৰশস্তি কবিতা, সাহিত্যিক বেলাড, আধ্যাত্মিক গীতি-কবিতা, প্ৰকৃতিমূলক গীতি-কবিতা, প্ৰেমমূলক গীতি-কবিতা, স্বদেশপ্ৰীতিমূলক গীতি-কবিতা আদি। হেমচন্দ্ৰ গোস্বামীয়ে ছনেট, হিতেশ্বৰ ৰৰৱৰুৱাই শোককবিতা, লক্ষ্মীনাথ ৰেজৰৰুৱাই স্বদেশপ্ৰীতিমূলক, পাৰ্বতীপ্ৰসাদ আৰু ৰঘুনাথ চৌধাৰীয়ে প্ৰকৃতিমূলক গীতি-কবিতাৰ ৰচনাৰে প্ৰসিদ্ধি অৰ্জন কৰিছে।

ঘ) প্ৰেমমূলক গীতি-কবিতা ৰচনাৰ ক্ষেত্ৰত অসমীয়া ৰোমাণ্টিক গীতি-কবিসকল অতি সিদ্ধহস্ত। বিশেষতঃ যতীন্দ্ৰনাথ দুৱৰা, গণেশ গগৈ, দেৱকান্ত বৰুৱা আদিয়ে তেওঁলোকৰ গীতি-কবিতাত প্ৰগাঢ় উপলব্ধিৰে সিক্ত যি প্ৰণয়ৰ অনুভূতি প্ৰকাশ কৰিছে, সি পঢ়ুৱৈৰ হৃদয়ত সদায় আলোড়ন সৃষ্টি কৰি আহিছে। দুৱৰাৰ 'শূন্য পৰিচয়', দেৱকান্ত বৰুৱাৰ 'কলঙ পাৰত মাজনিশা', গণেশ গগৈৰ 'স্বপ্নভঙ্গ' এই ক্ষেত্ৰত উজ্জ্বল স্বাক্ষৰ।

ঙ) অসমীয়া ৰোমাণ্টিক গীতি-কবিতাত লোক-সাহিত্য আৰু পাশ্চাত্যৰ প্ৰভাৱ স্পষ্ট।

৪.০ উপসংহাৰঃ

জোনাকী আলোচনীৰ পাততে অসমীয়া ৰোমাণ্টিক গীতি-কবিতাৰ সূচনা আৰু পূৰ্ণ বিকাশ ঘটে। চন্দ্ৰকুমাৰ আগৰৱালাৰপৰা আৰম্ভ কৰি দেৱকান্ত বৰুৱালৈকে প্ৰায় সকলো ৰোমাণ্টিক কবিয়েই অসমীয়া গীতি-কবিতাৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰিলে। হৃদয়ৰ একান্ত ব্যক্তিগত ভাব-অনুভূতিক ছন্দৰ বান্ধোন, ভাষাৰ লালিত্য, সাংগীতিক লয়েৰে উপস্থাপন কৰি এই কবিসকলে কবিতাবোৰ পঢ়ুৱৈৰ বাবে আৱেদনশীল কৰি তুলিলে। যুদ্ধোত্তৰ কালৰ অসমীয়া সাহিত্যত এই ৰোমাণ্টিক গীতি-কবিতাৰ প্ৰৱাহ বহু পৰিমাণে স্তিমিত হৈ পৰিল যদিও নৱকান্ত বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, হীৰেন ভট্টাচাৰ্য্য, কেশৱ মহন্ত, কৰবী ডেকা হাজৰিকা আদিৰদ্বাৰা নতুন যুগ আৰু নতুন সময়ৰ

****

অনুকূলে এই ধাৰাৰ কবিতা সৃষ্টি হৈ থাকিল।

প্রসংগ-সূত্রঃ

১. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সত্যেন্দ্রনাথ শর্মা, ২০০৬, পৃ.২৮২
২. উল্লিখিত, পৃ.২৮৬
৩. *সাহিত্য-সংজ্ঞা কোষ*, প্রফুল্ল কটকী, ২০০৫, পৃ.৭৬
৪. *কবিতাৰ ৰূপ-ছায়া*, কৰবী ডেকা হাজৰিকা, ১৯৯৬, পৃ.৬
৫. http://librarydevi.blogspot.com
৬. *সঞ্চয়ন*, মহেশ্বৰ নেওগ (সম্পা.), ২০০৬, পৃ.১৯৫
৭. উল্লিখিত, পৃ.২০৪
৮. 'আধুনিক অসমীয়া কবিতা', উপেন্দ্র নাথ শর্মা, *অসমীয়া সাহিত্যৰ বুৰঞ্জী (পঞ্চম খণ্ড)*, ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী (সম্পা.), ২০১৫, পৃ.১৫০
৯. *সঞ্চয়ন*, পূর্বোল্লিখিত, পৃ.২০৮
১০. উল্লিখিত, পৃ.১৯৭
১১. উল্লিখিত, পৃ.২৪০
১২. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পূর্বোল্লিখিত, পৃ.৩১১
১৩. *সঞ্চয়ন*, পূর্বোল্লিখিত, পৃ.২৫৬
১৪. 'আধুনিক অসমীয়া কবিতা', পূর্বোল্লিখিত, পৃ.২১৭

প্রসংগ-গ্রন্থঃ

কটকী, প্রফুল্ল ঃ *সাহিত্য-সংজ্ঞা কোষ*, জ্যোতি প্রকাশন, গুৱাহাটী-১, প্রথম প্রকাশ, ডিচেম্বৰ, ২০০৫
গোস্বামী, লোকনাথ ঃ *অসমীয়া আধুনিক সংগীতৰ ইতিহাস*, ৰেখা প্রকাশন, গুৱাহাটী-১, প্রথম প্রকাশ, ২০১৬
ডেকা হাজৰিকা, কৰবী ঃ *অসমীয়া কবি আৰু কবিতা*, বনলতা, ডিব্রুগড়-১, বনলতা সংস্কৰণ, ২০০৪
ঐ ঃ *কবিতাৰ ৰূপ-ছায়া*, বনলতা, ডিব্রুগড়-১, দ্বিতীয় সংস্কৰণ, জুন, ১৯৯৬
ঐ ঃ *সাহিত্য-সঞ্চয়ন*, কৌস্তুভ প্রকাশন, ডিব্রুগড়-৩, প্রথম প্রকাশ, এপ্রিল, ২০০৫
তালুকদাৰ, নন্দ ঃ *কবি আৰু কবিতা*, বনলতা, গুৱাহাটী-১, পৰিবর্ধিত সংস্কৰণ, জানুৱাৰী, ২০০৬
দত্ত, হৰেন্দ্র নাথ ঃ *ৰোমাণ্টিচিজম্ আৰু গীতি মানস*, বনলতা, ডিব্রুগড়-১, প্রথম প্রকাশ, জানুৱাৰী, ১৯৯৪
দেৱ গোস্বামী, ৰঞ্জিৎ কুমাৰ (সম্পা.) ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী (পঞ্চম খণ্ড)*, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ৰজাদুৱাৰ, উত্তৰ গুৱাহাটী, গুৱাহাটী-৩০, প্রথম প্রকাশ, ছেপ্টেম্বৰ, ২০১৫
নেওগ, মহেশ্বৰ (সম্পা.) ঃ *সঞ্চয়ন*, সাহিত্য অকাদেমি, ৰবীন্দ্র ভবন, ৩৫ ফিৰোজ শাহ ৰোড, নতুন দিল্লি ১১০০০১, অষ্টাদশ মুদ্রণ, ২০০৬
ঐ ঃ *অসমীয়া গীতি সাহিত্য*, চন্দ্র প্রকাশ, গুৱাহাটী-১, পঞ্চম প্রকাশ, ডিচেম্বৰ, ২০২১
শর্মা, সত্যেন্দ্রনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্রকাশ, ৰিহাবাৰী, গুৱাহাটী-৮, নৱম সংস্কৰণ, জুন,২০০৬
শর্মা, হেমন্তকুমাৰ ঃ *অসমীয়া সাহিত্যত দৃষ্টিপাত*, বীণা লাইব্রেৰী, গুৱাহাটী-১, চতুর্দশ সংস্কৰণ, ছেপ্টেম্বৰ, ২০১২

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

শৈলী বিজ্ঞানৰ আধাৰত বেজবৰুৱাৰ গদ্যশৈলী

অঞ্জুমণি নাথ

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, মেলামৰা মহাবিদ্যালয়

সাৰাংশ

শৈলী বিজ্ঞানত লেখকৰ ৰচনাক পাঠ হিচাপে লৈ তাত ব্যৱহৃত ভাষিক সমলবোৰৰ আলোচনা কৰা হয়। এই গৱেষণা পত্ৰত লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰ শৈলী বিশ্লেষণ কৰা হৈছে। শৈলী বিশ্লেষণ কৰিবলৈ যাওঁতে বেজবৰুৱাৰ সকলো ৰচনাকে সামৰা নাই। মাত্ৰ বেজবৰুৱাৰ কৃপাবৰী ৰচনাসমূহকহে সামৰা হৈছে। শৈলী বিজ্ঞানৰ চাৰিটা দিশৰ ওপৰত এই গৱেষণা পত্ৰ প্ৰস্তুত কৰা হৈছে। ভাষাৰ অভিব্যঞ্জনা, শব্দ চয়ন, বাক্যবিন্যাস আৰু ভাষাৰ বিশিষ্টতা। ভাষিক অভিব্যঞ্জনাৰ ক্ষেত্ৰত বেজবৰুৱাৰ ৰচনাত থকা ধ্বনিব্যঞ্জনাক প্ৰতিনিধিত্ব কৰা কাব্যিকতাক বিচাৰি অনা হৈছে। শব্দচয়নত ইংৰাজী, বঙলা, সংস্কৃতীয়া, অসমীয়া, অংকীয়া নাটৰ আৰ্হিৰ গদ্য, জতুৱা ঠাঁচ, খণ্ডবাক্য আদি কিদৰে ব্যৱহাৰ কৰিছে তাৰ আলোচনা কৰা হৈছে। বাক্যবিন্যাস সম্পৰ্কীয় আলোচনাত অসমীয়া বাক্য গঠনৰ বিভিন্ন প্ৰকাৰসমূহ বেজবৰুৱাৰ গদ্যত কিদৰে প্ৰকাশ পাইছে সেই সম্পৰ্কে আলোচনা কৰা হৈছে। অসমীয়া ভাষাৰ এটা বিশেষ বৈশিষ্ট্য হ'ল ভাষাৰ বিশিষ্টতা। সন্ধি, সমাস, বচন, প্ৰত্যয়, বিভক্তি আদি ব্যৱহাৰৰ যোগেদি অসমীয়া ভাষা গঠন কৰা হৈছে। বেজবৰুৱাৰ গদ্যত এইসমূহৰ ব্যৱহাৰ কিদৰে হৈছে তাক আলোচনা কৰা হৈছে।

বীজশব্দঃ বেজবৰুৱা, শৈলী, গদ্য, ভাষা।

০.১ বিষয়ৰ পৰিচয় ঃ

প্ৰতিগৰাকী বিশিষ্ট লেখকৰ ৰচনাত একোটা নিজস্ব ঠাঁচ থাকে। নিজস্ব ৰচনা কৌশল, প্ৰকাশভংগীৰে পাঠকৰ মনত গভীৰ দ্যোতনাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। কোনো লেখকৰ ৰচনাভংগীৰ বৈচিত্ৰ্যকে সেই লেখক গৰাকীৰ শৈলী বোলা হয়। কোনো এগৰাকী লেখকৰ ৰচনাক পাঠ হিচাপে তাত ব্যৱহৃত ভাষিক সমলবোৰৰ আলোচনা শৈলী বিচাৰত কৰা হয়। বিশেষকৈ শৈলী বিজ্ঞানে ভাষিক বিচ্যুতিবোৰৰ বিশ্লেষণ আগবঢ়ায়। ভাষিক বিচ্যুতিয়ে পাঠৰ আকৰ্ষণীয়তা বৃদ্ধি কৰে। শৈলী হ'ল লেখকৰ সাহিত্যৰ ৰচনাৰ স্বকীয় ৰীতি আৰু ই লেখকৰ আত্মাৰ বহি প্ৰকাশ। কেতিয়াবা এনেকুৱাও দেখা যায় যে, কবি সাহিত্যিকসকলে ভাষাৰ সাধাৰণ নীতি নিয়মৰ মাজত বিশেষ কিছুমান ঠাঁচ সংৰচনা কৰে, যিবিলাকে কেতিয়াবা ব্যাকৰণৰ নীতি নিয়ম উলংঘা কৰে। এনে উলংঘিত নীতিক ব্যাকৰণগত অশুদ্ধতাৰ শাৰীত ধৰা নহয় বৰঞ্চ এইবোৰে পাঠৰ সৌন্দৰ্যহে বৃদ্ধি কৰে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

বিংশ শতিকাৰ সত্তৰ আশীৰ দশকৰ পৰা অসমীয়া সাহিত্যত আধুনিক শৈলী বিজ্ঞান সম্পৰ্কীয় আলোচনাই অৰ্ধ শতক অতিক্ৰম কৰিবৰ হ'ল যদিও সি ধৰণেৰে শৈলী সম্পৰ্কীয় আলোচনা হ'ব লাগিছিল সেই ধৰণে হোৱা নাই। শৈলী বিজ্ঞানৰ আলোচনাই ভাষা এটাৰ বিভিন্ন ৰূপ সমূহৰ বিশ্লেষণ আগবঢ়াই নতুন লেখক সকলক উৎসাহিত কৰে। এই গৱেষণাই শ্ৰেষ্ঠ সাহিত্যিক বেজবৰুৱাই গদ্যত কিদৰে শৈলী ব্যৱহাৰ কৰি ভাষাটোক সমৃদ্ধিশালী কৰিছে সেয়া আলোচনা কৰি নতুন পাঠক আৰু লেখকসকলৰ চিন্তাৰ খোৰাক দিব পাৰে তাৰ

****

উদ্দেশ্যৰেই গৱেষণা পত্রখন প্রস্তুত কৰা হৈছে।

০.৩ অধ্যয়নৰ পদ্ধতি ঃ

বেজবৰুৱা গদ্যৰ শৈলী সম্পর্কে আলোচনা কৰোতে প্রায়োগিক দৃষ্টিভংগীৰে শৈলী বিশ্লেষণ কৰা হৈছে। গৱেষণাপত্রখন প্রস্তুত কৰোতে বর্ণনামূলক আৰু বিশ্লেষণাত্মক দুয়োটা পদ্ধতিৰ সহায় লোৱা হৈছে।

০.৪ অধ্যয়নৰ উৎসঃ

গৱেষণা পত্রখন প্রস্তুত কৰোতে মুখ্য আৰু গৌণ দুয়োটা উৎসৰ সহায় লোৱা হৈছে। মুখ্য উৎস হিচাপে বেজবৰুৱাৰ কৃপাবৰী ৰচনাসমূহ লোৱা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন পুথি পাজিৰ সহায় লোৱা হৈছে।

০.৫ অধ্যয়নৰ পৰিসৰঃ

গৱেষণা পত্রখন প্রস্তুত কৰোঁতে পৰিসৰ হিচাপে বেজবৰুৱাৰ কৃপাবৰী ৰচনাসমূহ যেনে -- (ক) কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা (খ) কৃপাবৰ বৰুৱাৰ ওভটনি (গ) ৰৰবৰুৱাৰ বুলনি (ঘ) ৰৰবৰুৱাৰ ভাৱৰ বুৰবুৰণি (ঙ) ৰৰবৰুৱাৰ চিন্তাৰ শিলগুটি (চ) ৰৰবৰুৱাৰ সাহিত্যিক ৰহস্য আদি পাঠ লোৱা হৈছে।

১.বিষয় আলোচনা ঃ

অসমীয়া সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যশৈলী অসমীয়া গদ্য সাহিত্যত এক অবিৰস্মৰণীয় স্বাক্ষৰ। বেজবৰুৱাৰ গদ্যশৈলীত অনুকৰণীয় ভাৱ-ভাষাৰ সমাহাৰ ঘটিছে। বেজবৰুৱাৰ ৰচনাত সততে ব্যৱহাৰ নোহোৱা শব্দ, জতুৱা ঠাঁচ, খণ্ডবাক্য, প্রবাদ-পটন্তৰ আদিৰ সঘন প্রয়োগ ঘটিছে। কেৱল শুদ্ধ অসমীয়া ভাষাৰ বাক্যই, ইংৰাজী, হিন্দী, বঙলা, সংস্কৃত ভাষাৰ সংমিশ্রিত বাক্যৰ ব্যৱহাৰো দেখা যায়। এই বিশ্লেষণত তেখেতৰ কৃপাবৰী ৰচনাসমূহ যেনে - (ক) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা', (খ) 'কৃপাবৰ বৰুৱাৰ ওভটনি', (গ) 'ৰৰবৰুৱাৰ বুলনি', (ঘ) 'ৰৰবৰুৱাৰ ভাবৰ বুৰবুৰণি', (ঙ) 'ৰৰবৰুৱাৰ চিন্তাৰ শিলগুটি', (চ) 'ৰৰবৰুৱাৰ সাহিত্যিক ৰহস্য' আদিৰ পাঠ লোৱা হৈছে।

শৈলী বিজ্ঞানত যি চাৰিটা দিশৰ ওপৰত গুৰুত্ব দিয়া হয় এই বিশ্লেষণতো সেই কেইটা দিশতে গুৰুত্ব দিয়া হৈছে। দিশকেইটা হ'ল -১) ভাষাৰ ধ্বনি, ২) বাক্য বিন্যাস, ৩) শকচয়ন আৰু ৪) ভাষাৰ বিশিষ্টতা।

১) **ভাষাৰ ধ্বনিঃ** বেজবৰুৱাৰ ভাষিক ব্যঞ্জনাই কৃপাবৰী ৰচনাসমূহ সুখপাঠ্য কৰি তোলাই নহয়, বিষয়বস্তুৰ সঠিক উপস্থাপনতো সহায় কৰিছে। হাঁহিৰ ছলেৰে ব্যংগ প্রদান বেজবৰুৱাৰ কৃপাবৰী ৰচনাৰ উদ্দেশ্য। এই উদ্দেশ্য এক সফল কৰি তুলিছে ভাষিক অভিব্যক্তি নাই।

১.১. "সুদীর্ঘ কাল মাহ দলোতে দলোতে মাহদলা জাঁতৰ আগদাঁত খয় যোৱাদি মাথোন আগদাঁত বোৰ গৈছিল।"[১]

১.২. "দুখীয়াৰ কোমল গালখিনি তিন দিনলৈকে পানীত তিওৱা বৰা চাউল উখহাদি উখহি আছিল।"[২]

১.৩. "মলয়া বতাহে ললিত লৱঙ্গ লতাৰে সৈতে ওমলাৰ দৰে ধানৰ ঠোকবোৰৰ সৈতে উমলিৰ লাগিছে। সেই ওমলা অকল ওমলাই নহয় লাৱণ্য কলাকৌশল সংযুক্ত সুললিত নৃত্যকলা। ধানসুন্দৰীসকলৰ মূৰত বৰুণৰ পুষ্পবৃষ্টি।"[৩]

১.৪. "বক্তৃতা কৰি ৰাতৰ উদ্ধাৰ কৰিবলৈ যোৱাটো দিখৌ নৈৰ পল-বোকাত পৰা বুঢ়ীগাইক লেজু লগাই বল দি নাটানি দূৰৈৰ পৰা মুখেৰে হেলৌ-হেছৌ কৰি তুলিবলৈ যোৱাৰ নিচিনা। এই কথা গমি-পিটিকি তাই ... এতিয়া মাত্র কওঁ শুনা, গালা নাম গ'ল উৰি, তাৰ কি আছে আতিগুৰি।" ('বেজবৰুৱা গ্রন্থাৱলী' পৃ-১২২৮)

১.৫. "সোঁৱৰণৰ বৰপীৰাখন ভূতকাল। সেই ভূতকালটো ভলুৱা ভূত হৈ কোনজোপা গছৰ ডালত

ওলমি আছে কোনে কব? গত গঢ়ল মৃত মৰিল। তুমি তোমাৰ মূৰটো শিলত আকাঁলি মাৰিলেও নাহে। কি মিলা প্ৰীতি। কি বুকুৰ বান্ধৱতা।" (বেজবৰুৱাৰ ভাবৰ বুৰবুৰণি, 'বেজবৰুৱা গ্ৰন্থাৱলী' পৃ-১৫০৮)

১.১. আৰু ১.২.১ শাৰীকেইটাত দেখা গৈছে যি মাহদাল জাঁত আৰু পানীত তিওৱা কোমল চাউলৰ সৈতে পৰিচিত নহয় তেনে পাঠকে ভাব বস্তু বুজি নাপায়। তেনেকৈ ১.৪. ত দিখৌ নৈৰ পালবোকাৰ অভিব্যঞ্জনাই যি ৰসময়তাৰ সৃষ্টি কৰিছে সেইয়া বেজবৰুৱাৰ গদ্যৰ বৈশিষ্ট্য। ১.৩. আৰু ১.৫. ১ শাৰীকেইটাই বেজবৰুৱাৰ ৰচনাত থকা কাব্যিক ধ্বনি ব্যঞ্জনাক প্ৰতিনিধিত্ব কৰিছে। মূলকথা ঋজু হ'লেও বেজবৰুৱাই কাব্যিকতাৰ প্ৰলেপ সানিছে। ফলস্বৰূপে বেজবৰুৱাৰ গদ্য মননশীল হৈছে।

২) বাছকৰনীয়া শব্দ সম্ভাৰ, বক্ৰোক্তি আদিয়ে বেজবৰুৱাৰ গদ্যৰ বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। সহজ সৰল শব্দ, বাক্যৰ দ্বাৰা এক সুন্দৰ কথনৰীতি গঢ় লৈ উঠিছে। নিখুঁত অসমীয়া বাক্য গাঁথনিৰ লগতে বিভিন্ন ভাষাৰ (ইংৰাজী, হিন্দী, বঙলা) ঠাঁচৰ বাক্যও পোৱা যায়। সংমিশ্ৰিত বাক্য গাঁথনিয়ে পাঠকৰ হাস্যৰস উদ্ৰিক্ত কৰে। চুটি চুটি বাক্যৰ ব্যৱহাৰৰ লগতে তেখেতৰ শৈলীত জটিল, দীঘল সমাসসিদ্ধ বাক্যৰ প্ৰাচুৰ্য দেখা গৈছে। বাক্যত নিজাকৈ ৰচিত খণ্ডবাক্য, জতুৱা প্ৰকাশভংগীৰ পয়োভৰ ঘটা দেখা যায়।

২.১. ইংৰাজী ঠাঁচৰ বাক্য -"যি ইংৰাজী ভাষাৰ দীঘ-বাণি দেখি আজি তুমি আচৰিত মানিছা, তাৰো এদিন চুলিৰ আগেদি ধাতু যাব। জানি থ'বা।" ('বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৩৪১)

২.২. "সংস্কৃতীয়া বাক্য - যাবজ্জীৱেৎমুখং জীৱেৎ। ঋণংকৃত্বা মৃঘং পিৱোৎ। ('বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৩৫১)

২.৩. "বঙলা ঠাঁচৰ বাক্য - "আপুনি এখানে কেনে। আপনাকে কলকাতায় দেখা মনত পড়েছে।"
(বেজবৰুৱাৰ চিন্তাৰ শিলগুটি, 'বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৫৭৭)

২.৪. অসমীয়া ঠাঁচৰ বাক্য - "গেনাই ফুকনৰ পুতেক সেনাই ফুকনৰ ঘৰত গোৱে-পোৱে তল যোৱা কথা।" (কৃপাবৰ বৰবৰুৱাৰ ওভটনি, 'বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১২৬৯)

অংকীয়া নাটৰ গদ্যৰ আৰ্হিতো বেজবৰুৱাই বাক্যৰচনা কৰিছিল। কোনো গহীন কথা উপস্থাপন কৰিবলৈ বেজবৰুৱাই এনে পন্থা অৱলম্বন কৰিছে।

২.৫. "আহে সভাসদ লোক। আঃ অসমক অজ্ঞান অন্ধকাৰ অসুৰক বধক উদ্দেশ্য পৰম পূণ্যশ্লোক কৃপাবৰ বৰবৰুৱাক মঘে তৰুণ অৰুণক কিৰণ জিনি জ্যোতিৰ্ম্ময় অৰুন্দই নাম পৰম শোভন কাকত জন্ম লেভল। আঃ অসমত আজু কি আনন্দ ভেল। যৈচে পৰম পুৰাতন অৰুন্দইক অংশ পূৰ্ণৰূপে ভূ-ভাৰ হৰণ হেতু বৰবৰুৱাক মঘে লোকক কৃপায়ে অৱতাৰ ভেল।" (কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টেপোলা, 'বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১২৪৬)

বেজবৰুৱাৰ কৃপাবৰী ৰচনাৰ আনএটা বৈশিষ্ট হ'ল- জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ আকৰ্ষণীয় ব্যৱহাৰ।

২.৬. "বুঢ়া গ'ল হাটলৈ বুঢ়ীয়ে ধৰিলে পাছ, মোৰ মূৰ খাঃ বুঢ়া তই নিকিনিবি মাছ। মাছ কিনোতে মাছ কিনোতে টকা হ'ল খয়, অসমীয়া খাৰসুণি অমৃত যেন হয়।" (বৰবৰুৱাৰ সাহিত্যিক ৰহস্য, 'বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৬২৪)

২.৭. "কাকো নাপাই ভাদৈক পালা, মুচৰি সামৰি খালৈত থলা।" ('বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৫৯০)

২.৮. "এজনীয়ে ৰান্ধে, এজনীয়ে খায়, এজনীয়ে খং কৰি মাকৰ ঘৰলৈ যায়।" ('বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৫৪৪)

নিজাকৈ ৰচিত খণ্ডবাক্যৰ ব্যৱহাৰৰ ফলত বেজবৰুৱাৰ গদ্যই পৰিচ্ছন্ন ৰূপ লাভ কৰিছিল। এইবিলাকে

****

জনজীৱনৰ চিত্ৰ তথা মানসিক চিত্ৰ দাঙি ধৰে।"

২.৯. "পাপৰ গোহালি, বিভুতি বোমা, কথাৰ ফেদেলি পুৰাণ, বিয়াৰ পঘা, চিন্তাৰ শিলগুটি, তৰ্কাকিৰ মলখ।"

(৩) বৰ্তমান অসমীয়াত পাবলৈ নোহোৱা কিছুমান শব্দৰ ব্যৱহাৰ তেখেতৰ গদ্যত পোৱা যায়। এই শব্দবিলাকে অসমীয়া ভাষাৰ চহকী পৰম্পৰাক ধৰি ৰাখিছে। বেজবৰুৱাৰ শব্দচয়নৰ ই এক বৈশিষ্ট্য।

৩.১.আকোৱালে নোপোৱা, ফেকুন্দা, হেপোৰপিটি, চুমাচেঙেনি, পখিলা চুমা, ভীমটোকা, ফোপান্দাগলা, হুৰিশেষ, তেজী জঁকাল, তীখামোখৰা, টিঙত খীৰোৱা, ধৰফৰ-ধাৰফাৰ, ফু ফু, ফা-ফা, অনাদৰত ভেকুঁৰা ইত্যাদি। এইবিলাকে প্ৰাসংগিক ঘটনাৰ গুৰি ধৰিছে অথচ শৈলী টোক নিমজ আৰু শুৱলা কৰি তুলিছে। এনে ধৰণৰ শব্দচয়নৰ বাবে বেজবৰুৱাৰ গদ্য অনুকৰণীয়।

৩.২. এটা শব্দৰ অনুকৰণত অন্য শব্দ গঢ়াৰ ৰীতি বেজবৰুৱাৰ আছে। প্ৰত্নতত্ত্ব শব্দৰ অনুকৰণত বেজবৰুৱাই পত্নীতত্ত্ব, প্ৰিততত্ত্ব, দাড়িতত্ত্ব আদি শব্দ সৃষ্টি কৰিছে। ইংৰাজী 'অথডক্স' শব্দৰ অসমীয়া ৰূপান্তৰ ঘটাইছে এনেদৰে - অৰ্থদক্ষ।

৩.৩. শব্দ প্ৰয়োগৰ বিশিষ্টতাই বিশিষ্ট কৰি তোলে। বেজবৰুৱাৰ শৈলী বিশ্লেষণ কৰিলে দেখা যায় যে সৰল কথা জটিলকৈ কোৱাৰ অভ্যাস। যেনে -জল প্লৱন (বানপানী), হাতেৰে ধৰা বুলি নকৈ হস্তধাৰণ, হাতৰ তলুৱা বুলি নকৈ হদ্পদ্ম, চন্দ্ৰবদনী গৃহীনী, মৰ্কট, দগ্ধ কুচ ভক্ষণ, কস্মিন কাল ইত্যাদি।

আকৌ ছপাবলৈ দিয়াৰ সলনি ছাপিবলৈ দিয়া, বিপদত ধৈর্য ধৰা বুলি নকৈ বিপদং ধৈর্যং এনেকৈ উল্লেখ কৰিছে।

৩.৪. "আজি আতেমানে তাহাংকৰ মুখ পংকজৰ সুমধুৰ বাণী শুনি পৰম কৃতাৰ্থ মানিম।"

(কৃপাবৰ বৰুৱাৰ ওভটনি, বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১২৯১)

৩.৫. অসমীয়া সমাজ জীৱনৰ চিনাকি শব্দ বেজবৰুৱাই তেখেতৰ গদ্যলৈ বুটলি আনিছে।

"দল'তীত শ'লমাছ পৰাদি ঘপহকৈ পৰা, একে হুকিতে দুগ্ধনাথে মুখৰ বৰণ সলাই দধিৰাম হৈ টেঙা পৰি গ'ল।" (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৭৭১)

এই ধৰণৰ বাক্যত থকা বিশিষ্ট শব্দচয়ন বেজবৰুৱাৰ গদ্যশৈলীক ৰসোত্তীর্ণ কৰি তুলিছে। তদ্ভৱ, তৎসম, অনুৰূপ, অনুকাৰ শব্দৰ সমাবেশ লক্ষণীয়।

৩.৬. ধলুমা- লোটোমা, এনেই শুদাই পানী দি খোৱা চমিচম্পা বেজ, একোবেলি, সিধাপাতি, শপতাশাঁতি, এহুশুধীয়া, মেৰতলী ইত্যাদি শব্দবিলাকৰ ব্যৱহাৰে বেজবৰুৱাৰ সমাজজীৱনত থকা নিবিড় সম্পৰ্কৰ কথাকে সূচায়।

(৪) ভাষাৰ বিশিষ্টতা গদ্য শৈলী বিশ্লেষণৰ অন্যতম দিশ। সম্পূর্ণ অসমীয়া থলুৱা কথাভংগী জীয়াই আছে বেজবৰুৱাৰ গদ্যত। বেজবৰুৱাৰ শব্দ চয়নত অসমীয়া বাকভংগীৰ ৰূপ এনেধৰণৰ -

৪.১. "এ এৰা দেও কিনো ক'বা, কিনো শুনিবা। তোমাৰ বৰপেটৰ কথা শুনোতে শুনোতে পেটু-নড়ী ছিগিছে।" (কৃপাবৰ বৰুৱাৰ ওভটনি, বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১২৭৮)

৪.২. "আনৰ কথা নালাগে স্বয়ং বৰবৰুৱাৰ ডাঙৰিয়াই তেনে খিতাপেৰে তেনেখন বিষয় খাবলৈ পোৱা হেঁতেন হাতীয়ে ফঁয় লগাই বান্ধি থব লাগিলহেঁতেন।" (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৬৫৭)

কিছুমান শব্দসজ্জাই বেজবৰুৱাৰ গদ্যক সার্বজনীনতা প্ৰদান কৰিছে। এইবোৰে ৰূপ লৈছে প্ৰবাদ প্ৰবচনৰ -

৪.৩. "শিক্ষা আৰু উন্নতিৰ ভেটি কোনেও ৰাখিব নোৱাৰে।" (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৬২৮)

****

"জাতীয় জীৱনৰ পিঠাত সস্তাৱৰ তিল আৰু গ্ৰদ্ধাৰ গুৰ।"*(বৰুৱাৰ সাহিত্যিক ৰহস্য, বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৬৪৯)*

"এচৰু ভাতৰ এটা পিটিকিলেই গম পোৱা যায়।" (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৬৭৮)

অসমীয়া মানুহৰ মানসিক চিত্ৰ, ধৰ্ম বৰ্ণনিৰপেক্ষতাৰ সপক্ষে বেজবৰুৱাৰ গদ্যত পোৱা যায় এনেদৰে -

৪.৪. "ৰৰভাই যেনি যায়, সৰুভাই তেনি যায়।"

৪.৫. "কবীৰাৰ শৱটো হিন্দুৰ বুলি পুৰিবলৈ আৰু মুছলমান মছলমানৰ বুলি কবৰ দিবলৈ ওলাইছিল। দুই পক্ষৰ মাজত সনাতনী শালিকৰীয়া জোটাপুতি লাগি থাকোঁতেই শৱতো উৰি কাপোখনৰ তলৰ পৰা ফুকৎ কৰি উৰি গ'ল। কাপোখন দাঙি চালত শৱটোৰ ঠাইত গাটাচেৰেক ফুল ওলাল।"

(ৰৰবৰুৱাৰ সাহিত্যিক ৰহস্য, বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৬২৮)

বেজবৰুৱাৰ ৰচনাত নিৰ্দিষ্টতাবাচক প্ৰত্যয় আনিৰ্দিষ্টতাবাচক প্ৰত্যয় বহুবচনাত্মক প্ৰত্যয় ব্যৱহাৰ চকুত লগা।

৪.৬. "কথামখাৰ আঁহমখা ফঁহিয়াবলৈ টান।" চাউলকঠা, আষাৰচেৰেক, গোটাদিয়েক, কাঠিজোকা, এচাঙী, এফেৰি মৰম, পাতচেৰেক, জনমণ্ডলী, সদৌ অসমীয়া, এবেঁহি, এবেঁও, এপখমান, ফোৰাচেৰেক, নৈব্যদ্য এভাগি। স্বাৰ্থিক প্ৰত্যয়- চোৱাহঁকচোন, চোৱাঁহিচোন, শুনাহঁক।

থলুৱা কথনভংগী, উপমা খণ্ডবাক্য, জতুৰ শব্দচয়নে বেজবৰুৱাৰ গদ্য শৈলীক অনন্য মাত্ৰা প্ৰদান কৰিছে। হেৰাই যোৱাৰ উপক্ৰম ঘটা অসমীয়া ভাষাৰ সুৰীয়া সম্পদবোৰে বেজবৰুৱাৰ গদ্যক সমসাময়িক লেখকৰ গদ্যতকৈ পৃথক কৰি তুলিছে।

৪.৭. "গাখীৰৰ নামে পানীক খাবা, দোলাৰ নাম শিকিয়াত যাবা। (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১৮৮২)

"টোপনিয়ে কি জানে বকৰা, ভোকে কি জানে পইতা কৰ্কৰা।" (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১২৬৪)

"কাল অজগৰে লৈ যায় টানি টানি ৰাখা ৰাখা প্ৰভূ শাৰঙ্গপাণি।" (বেজবৰুৱা গ্ৰন্থাৱলী, পৃঃ ১২৬৪)

"ন-সূত লগুণৰ ভাৰ।"

এইখিনিতে বেজবৰুৱাৰ শৈলী সম্পৰ্কত লীলা গগৈৰ মত প্ৰণিধান যোগ্য।

"ভাষাৰ বৈচিত্ৰ্য, শব্দৰ বৈচিত্ৰ্য, চিত্ৰ বৈচিত্ৰ্য, অৰ্থ বৈচিত্ৰ আৰু চৰিত্ৰৰ সহায়ত বেজবৰুৱাই হহুঁৱায়। নিৰহ নিপানী প্ৰকাশ ভংগী অনুকৰণীয়ভাষা, বিষয়বস্তুৰ উপস্থাপনে বেজবৰুৱাৰ ৰচনাৰীতি সমৃদ্ধ কৰি তোলে।"

(সাহিত্যৰ দুটামান আলোচনাঃ ড° লীলা গগৈ)

এগৰাকী সাহিত্যিকৰ শৈলীয়ে তেখেতৰ পৰিচয়. শৈলীত ব্যক্তি গৰাকীৰ শৈল্পিক দক্ষতা আৰু ব্যক্তিত্ব নিহিত হৈ থাকে। বেজবৰুৱাই কৃপাবৰী ৰচনাত শৈলীৰ সহায়ত সকলোকে আকৃষ্ট কৰিছে। হাস্য- ব্যংগ ৰচনাৰ মাজেৰেই অসমীয়া জাতিৰ চিন্তা-ভাৱনা, ৰুচি অভিৰচিবোৰ ফুটি উঠিছে। এইবোৰৰ পৰিপেক্ষিতত বেজবৰুৱাৰ গদ্যৰ ৰূপ বিশিষ্ট হৈ পৰিছে।

সিদ্ধান্ত ঃ আলোচনাৰ পৰা সিদ্ধান্ত ল'ব পৰা যায় যে-

১) বেজবৰুৱাই তেখেতৰ ৰচনাত সাহিত্যিক ভাসাৰ লগতে কথিত ৰীতিৰো ব্যৱহাৰ কৰিছিল।

২) ব্যংগ ৰস বেজবৰুৱাৰ ৰচনাৰ মূল উপজিব্য।

৩) বেজবৰুৱাই তেখেতৰ গদ্যত অসমীয়া জতুৱা ঠাঁচ, ফকৰা-যোজনা, প্ৰবাদ, পটন্তৰ আদিৰ সুন্দৰ ব্যৱহাৰ কৰিছিল

৪) বেজবৰুৱাই বিভিন্ন ভাষাৰ সংমিশ্ৰণেৰে নিজা ধৰণেৰে কিছুমান বাক্য ৰচনা কৰিছিল।

****

প্রসংগ টোকাঃ

[১]লক্ষ্মীনাথ বেজবৰুৱা, বেজবৰুৱাৰ বুলনি, 'বেজবৰুৱা গ্রন্থাৱলী' পৃ-১৩৪৭

[২] বেজবৰুৱাৰ বুলনি, 'বেজবৰুৱা গ্রন্থাৱলী' পৃ-১২৫৬

[৩] বেজবৰুৱাৰ বুলনি, 'বেজবৰুৱা গ্রন্থাৱলী' পৃ-১৩৫৯)

গ্রন্থপঞ্জী

দুৱৰা, সপোন ঃ **ভাষা আৰু শৈলী**, ষ্টুডেন্টচ ষ্টৰচ, প্রথম প্রকাশ, ২০০৫।

হাজৰিকা, অতুলচন্দ্র, ঃ **বেজবৰুৱা গ্রন্থাৱলী** (২য় খণ্ড), মুখ্য সম্পাদক, সাহিত্য প্রকাশ, ১৯৭০।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

মিচিংসকলৰ পৰম্পৰাগত জীৱনশৈলীত বিশ্বায়নৰ প্ৰভাৱ

লিজা গগৈ
সহকাৰী অধ্যাপক, সৰুপথাৰ মহাবিদ্যালয়

সাৰাংশ

স্বকীয় লোকবিশ্বাস, ভাষা, সাজপাৰ, ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাগত জীৱনশৈলীৰে মিচিংসকলে অতীজৰে পৰা বৃহত্তৰ অসমীয়া সমাজখন চহকী কৰি আহিছে। বৰ্তমানৰ বিজ্ঞান-প্ৰযুক্তিৰ দ্ৰুত বিকাশ আৰু বিশ্বায়নৰ ফলত এই জনগোষ্ঠীটোৰ দৈনন্দিন জীৱন প্ৰণালী তথা পৰম্পৰাগত মূল্যবোধলৈ গভীৰ পৰিৱৰ্তন আহি পৰিছে।

প্ৰস্তুত গৱেষণা পত্ৰখনত মুখ্যতঃ গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত হেৰহেৰী মিচিং গাঁৱৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আধাৰত তথ্য সংগ্ৰহ কৰি বৰ্ণনাত্মক, পৰ্যবেক্ষণ আৰু বিশ্লেষণাত্মক পদ্ধতিৰে বিশ্বায়নৰ প্ৰভাৱ নিৰূপণ কৰাৰ প্ৰয়াস কৰা হৈছে। অধ্যয়নত দেখা গৈছে যে বিশ্বায়ন আৰু আধুনিক শিক্ষা-দীক্ষাৰ ফলত মিচিংসকলৰ পৰম্পৰাগত ধৰ্মীয় বিশ্বাস দঞিঃ পলঃ আৰু প্ৰকৃতি পূজাৰ পৰা সত্ৰীয়া বা সনাতনী ৰীতিৰ সংমিশ্ৰণ, সাজপাৰ যেনে, এগে-গাচৰ, ৰিবিঃ গাচেঙৰ আধুনিকীকৰণ, তিনিপ্ৰকাৰৰ বিবাহ পদ্ধতিৰ — বিশেষকৈ আসুৰিক আৰু বাল্যবিৱাহৰ বিলুপ্তিৰ লগতে খাদ্যাভ্যাস আৰু লোকাচাৰসমূহত স্পষ্ট পৰিৱৰ্তন ঘটিছে।

বীজ শব্দঃ মিচিং, বিশ্বায়ন, জীৱনশৈলী, আলি-আই-লৃগাং, ক্ষেত্ৰভিত্তিক অধ্যয়ন।

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

ভাৰতবৰ্ষৰ উত্তৰ-পূৱ প্ৰান্তত অৱস্থিত অসম বহুভাষী আৰু অনেক জাতি জনগোষ্ঠীৰে পৰিপূৰ্ণ ৰাজ্য। অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰে নিজস্ব ভাষা, সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতি ইত্যাদি আছে আৰু সকলো জনগোষ্ঠীৰে সংস্কৃতি তথা পৰম্পৰা আন জাতি-জনগোষ্ঠীতকৈ পৃথক। অসমৰ এটা পুৰণি জনগোষ্ঠী হৈছে -মিচিং। বৰ্তমান যুগ হৈছে বিশ্বায়নৰ যুগ। বৰ্তমান সময়ত সকলো দেশতে যেনেদৰে বিশ্বায়নে প্ৰভাৱিত কৰিছে ঠিক তেনেদৰেই বিভিন্ন জাতি জনগোষ্ঠীৰ জীৱন প্ৰণালীতো বিশ্বায়নৰ প্ৰভাৱ পৰিলক্ষিত হয়। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত জীৱনশৈলীত বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে এই আলোচনাৰ জৰিয়তে চমু আভাস দিবলৈ চেষ্টা কৰা হ'ল।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত মিচিংসকলে অতীজৰে পৰা এক সুকীয়া স্থান দখল কৰি আহিছে। মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত জীৱনশৈলীত পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাই প্ৰভাৱ পেলাইছে। সেয়েহে তেওঁলোকৰ জীৱনশৈলীত বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে সম্যক ধাৰণা গ্ৰহণ কৰাৰ লগতে প্ৰভাৱৰ বিভিন্ন দিশ

****

পোহৰলৈ অনাৰ উদ্দেশ্য আগত ৰাখি 'মিচিংসকলৰ পৰম্পৰাগত জীৱন শৈলীত বিশ্বায়নৰ প্ৰভাৱ' শীৰ্ষক বিষয়টো এই অধ্যায়নত বাচনি কৰি লোৱা হৈছে।

০.৪ অধ্যয়নৰ পৰিসৰঃ

'মিচিংসকলৰ পৰম্পৰাগত জীৱনশৈলীত বিশ্বায়নৰ প্ৰভাৱ শীৰ্ষক' বিষয়টোৰ অধ্যয়নৰ পৰিসৰ যথেষ্ট বহল তথা ব্যাপক। মিচিং লোকসকলৰ জীৱন সম্পৰ্কীয় আনুষাঙ্গিকভাৱে জড়িত সকলো ধৰণৰ দিশসমূহ প্ৰাসংঙ্গিকভাবে আলোচনাৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত হেৰহেৰী মিচিং গাঁৱৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আধাৰত এই অধ্যয়ন প্ৰস্তুত কৰা হৈছে।

০.৫ অধ্যয়নৰ পদ্ধতি ঃ

ক্ষেত্ৰভিত্তিক অধ্যয়ন পত্ৰখনত গোলাঘাট জিলাৰ অন্তৰ্গত ধনশিৰি মহকুমাৰ হেৰহেৰী মিচিং গাঁৱঁৰ মিচিংসকলৰ জনজীৱনৰ বিষয়ে ক্ষেত্ৰ অধ্যয়নত গুৰুত্ব দিয়া হৈছে। সেয়ে গৱেষণা কৰ্মৰ অনুসন্ধান কৰ্মত আগবাঢ়োতে প্ৰণালীবদ্ধ পদ্ধতি গ্ৰহণ কৰা হৈছে।

০.৬ অধ্যয়ন ক্ষেত্ৰ ঃ

প্ৰস্তাৱিত বিষয়টোৰ অধ্যয়নৰ বাবে তথ্য সংগ্ৰহ কৰিবলৈ গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ অন্তৰ্গত হেৰহেৰী মিচিং গাঁৱত ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে।

০.৭ তথ্য সংগ্ৰহৰ আধাৰ ঃ

ক্ষেত্ৰভিত্তিক অধ্যয়ন বিষয়টোৰ বাবে প্ৰধানকৈ দুটা উৎসৰ যোগেদি প্ৰযোজনীয় তথ্যসমূহ আহৰণ কৰা হৈছে। উৎস দুটা হ'ল-

মুখ্য উৎস ঃ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে হেৰহেৰী গাঁৱৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

গৌণ উৎস ঃ মিচিং জনগোষ্ঠীৰ বিষয়ে আলোচনা কৰা বিভিন্ন প্ৰবন্ধ, আলোচনী, গৱেষণা গ্ৰন্থ আদি গৌণ উৎসৰ যোগেদি প্ৰয়োজনীয় সমল সংগ্ৰহ কৰা হৈছে।

১.০ অসমৰ মিচিং জনগোষ্ঠীৰ পৰিচয়ঃ

অসমত বাস কৰা এটা জনগোষ্ঠী হ'ল মিচিং জনগোষ্ঠী। নৃতাত্বিকভাৱে মিচিং সকল মংগোলীয় মূলৰ। শাৰীৰিক গঠন অনুসৰি মিচিংসকল বৰ ওখ বা চাপৰ নহয়, গাৰ ৰং প্ৰায়েই বগা, নাক চুটি আৰু উঠঙা, ভৰিৰ কলাফুল শকত। মিচিংসকলে বৃহৎ মংগোলীয় জাতি গোষ্ঠীৰ তিবৰ্তবৰ্মী শাখাৰ উত্তৰ অসম উপশাখাৰ অন্তৰ্গত আবতানিক বংশধৰ। আবতানিক সন্তানসকল হৈছে-আদী আপাতানি, গানঃ, হিল্ড, মিৰি, নিচি, মিচিং, তাগিন, অকাঁ আৰু বগুন। মিচিং জনগোষ্ঠীৰ লোকসকল উত্তৰ-পূৰ্বাঞ্চলৰ এক শান্তিপ্ৰিয় জনজাতি। সেই জাতিটোৱে সকলো সমাজৰ লগত শান্তিৰে বাসবাস কৰি ভাল পায় আৰু যথেষ্ট পৰিশ্ৰমী। পুৰুষৰ দৰে মিচিং মহিলাসকলেও কৃষি-কৰ্ম, গৃহকৰ্ম আদি কামত সমভাৱে অংশগ্ৰহণ কৰে। জাতিগতভাৱে মিচিংসকল নৈপৰীয়া। তেওঁলোকে জান-জুৰি, নৈ-বিলৰ কাষত থাকি ভাল পায়।

১.১ মিচিংসকলৰ অৱস্থানঃ

অসমত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, দৰং, গোলাঘাট জিলাৰ উপৰিও অৰুণাচল প্ৰদেশৰ অঞ্চল বিশেষত মিচিং মানুহে বসবাস কৰি আহিছে। ঘাইকৈ নৈৰ পাৰে পাৰে মিচিংসকলে চাংঘৰ সাজি বাস কৰে। ভৈয়ামলৈ প্ৰব্ৰজিত মিচিং সকল পাহাৰত থাকোতেও চাংঘৰতেই জীৱন নিৰ্বাহ কৰিছিল। মিচিংসকলে পাহাৰত থাকোতে বনৰীয়া জীৱজন্তু আক্ৰমণৰ পৰা হাত সাৰিবলৈ আৰু বতাহ বৰষুণত সোমাই থাকিব পৰাকৈ, পাহাৰৰ এচলীয়া অংশত ওখকৈ চাংঘৰ সাজি বাস কৰিছিল। তেওঁলোকে পাহাৰত সহজলভ্য

সুকাঠি গছৰ ফলীয়া কাঠেৰে পথালিকৈ বেৰ দি ঘৰ সাজিছিল। তেনে ঘৰৰ আৰ্হি বৰ্তমানেও অৰুণাচল প্ৰদেশৰ ভিতৰুৱা অঞ্চলৰ আদি গাওঁবোৰত দেখা পোৱা যায়।

১.২ মিচিংসকলৰ জনসংখ্যা আৰু ভাষা ঃ

২০০১ চনৰ লোকপিয়ল অনুসৰি ৬০.১ শতাংশ লোকেই স্বাক্ষৰ আৰু তাৰে ৯৮ শতাংশ লোকে গাঁৱত বসবাস কৰে। ২০১১ চনৰ লোকপিয়ল অনুসৰি মিচিং সকলৰ জনসংখ্যা হ'ল ৬,৮৭,৩১০ জন।[১] ভৈয়ামৰ জনজাতি সকলৰ ভিতৰত মিচিং সকল জনসংখ্যাৰ দিশৰ পৰা বড়োসকলৰ পিছতে দ্বিতীয় সৰ্ববৃহৎ ভৈয়াম জনজাতি।

চীন-তিব্বত বর্মীয় শাখাৰ উত্তৰ অসম উপশাখাৰ আন এটা উল্লেখযোগ্য ভাষা হৈছে মিচিং ভাষা। মিচিংসকলে তেওঁলোকৰ ভাষাটোক 'মিচিং আগম' (মিচিং ভাষা) অথবা 'তানি আগম' (মানৱ ভাষা) বুলি কয়।[২] মিচিং ভাষা লোক-সাহিত্যৰ দিশত অত্যন্ত চহকী। অলিখিত ৰূপত অতীজৰে পৰা প্ৰচলিত হৈ অহা গীত-মাতবোৰক সম্প্ৰতি লিখিত ৰূপ দিয়াৰ প্ৰয়াস কৰা হৈছে।

২.০ মিচিংসকলৰ পৰম্পৰাগত জীৱনশৈলীত বিশ্বায়নৰ প্ৰভাৱঃ

মিচিংসকলে বহন কৰি অহা পূৰ্বৰ পাহাৰীয়া জনজাতীয় আচাৰ-ব্যৱহাৰ, ৰীতি নীতিৰ লগতে অসম উপত্যকালৈ আহি বৃহত্তৰ অসমীয়া সমাজ ব্যৱস্থাৰ অংশীদাৰ হৈ অসমীয়া সমাজৰ ৰীতি-নীতিও গ্ৰহণ কৰিছে। গতিকে ক'ব পাৰি মিচিং সমাজখন এটা সংমিশ্ৰিত সমাজৰ অংশীদাৰ আৰু মিচিং সমাজ এটি সংমিশ্ৰিত সমাজ। সংস্কৃতি গতিশীল তথা পৰিৱৰ্তনশীল। সমাজ পাতি মানুহে বসবাস কৰাৰ পৰাই দৈনন্দিন জীৱন প্ৰণালী সলনি হ'বলৈ ধৰে। তেনেদৰেই মিচিং সংস্কৃতিও সময়ৰ সোঁতত পৰিৱৰ্তিত হৈছে অৰ্থাৎ বিভিন্ন লোকৰ সান্নিধ্যলৈ আহি মিচিং সকলৰ ৰীতি-নীতি আৰু কৃষ্টি-সংস্কৃতিৰ আদান-প্ৰদানৰ ফলত কিছু কিছু ক্ষেত্ৰত ৰূপান্তৰিত হৈছে। মিচিং সকলৰ পৰম্পৰাগত জীৱনত বিশ্বায়নৰ প্ৰভাৱৰ ফলত হোৱা পৰিৱৰ্তনসমূহ নিম্ন উল্লেখিত ধৰণৰ-

২.১ ধৰ্মীয় ৰীতি-নীতি ঃ

আজিও মিচিংসকলৰ মুখ্য দেৱতা দঃ ঞিঃ পঃ ল: বুলিয়ে বিবেচনা কৰে আৰু মিবুৰ সহায়ত পূজা পাতে । ইয়াৰোপৰি অনেক লৌকিক দেৱতাকো স্বীকৃতি দিয়া হয়। দদুপাং বুলি মৃতকসকলক দেৱত্ব আৰোপ কৰা হয় আৰু তালেং উঁই হ'ল আন দেৱতা। দঃ ঞিঃ পঃ লঃ ৰ সন্তান বুলি পৰম্পৰাগতভাৱে প্ৰচলন হৈ পূৰ্বৰ ধৰ্মীয় ৰীতিত বৰ্তমান উত্তৰ ভাৰতীয় সনাতনী ধৰ্মীয় ৰীতিৰ ছিটিকনি পৰা দেখা যায়। মিচিঙৰ পাৰমানন্দ আতৈয়ে শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নামধৰ্ম গ্ৰহণ কৰাৰ উপৰিও বহুতো মিচিং মানুহে ঘাইকৈ গোপালদেৰ প্ৰৱৰ্তিত কাল সংহতি পন্থৰ সত্ৰত শৰণ লৈ অনেকে বৈষ্ণৱ ৰীৰ্তি-নীতি মানি চলাও দেখা যায়। পূৰ্বতে প্ৰকৃতি পূজাত-অভ্যস্ত তানিৰ সন্তান মিচিংসকল এতিয়া কাল সংহতি, একশৰণ নামধৰ্মৰ প্ৰভাৱাধীন, যাৰ মূল শিপাডাল হল উত্তৰ ভাৰতীয় সনাতনী ব্ৰাহ্মণ্যবাদী হিন্দু।

২.২ সাজপাৰ ঃ

মিচিং লোকসকলে পৰিধান কৰা সাজপাৰৰ ক্ষেত্ৰতো অসমীয়া সাজপাৰ আৰু আধুনিকতাৰ পৰশ নপৰাকৈ থকা নাই। তেওঁলোকে আগৰে পৰা পৰিধান কৰি অহা পৰম্পৰাগত সাজপাৰৰ লগতে সংমিশ্ৰিত আধুনিক পোছাক পৰিধান কৰে। যিকোনো পৰ্বতীয়া জনজাতিৰ দৰেই মিচিং মহিলাসকলে পূৰ্বতে নিসীয়া অৰ্থাৎ মুকলি মেখেলা 'এগেঃ' পৰিধান কৰিছিল আৰু গাত কাপোৰ বা গাচৰ লৈছিল। কিন্তু আজিকালি প্ৰায় সকলো তিৰোতাই সীয়া মেখেলা পিন্ধে আৰু সেই কাপোৰৰ ৰং তথা চানেকী পুৰণি মিচিং ধৰাণতে আছে। তদুপৰি আজিকালি বেছ জাক-জমকীয়াকৈ বোৱা ফুলাম কাপোৰ 'ৰি: বি: গাচেং' আধুনিক ধৰণেৰে সী লয়। মিচিংসকলৰ এনেকুৱা ধুনীয়া 'ৰি: বি: গাচেং' আজিকালি অনেক আধুনিক অসমীয়া গাভৰুৱেও বিশেষ আদৰেৰে পিন্ধা দেখা

****

যায়। অৱশ্যে পুৰুষসকলৰ ক্ষেত্ৰত ক'ৰবাত কেনেবাকৈ গাৰ চোলা আৰু মূৰৰ পাগুৰিত কিছু বৈশিষ্ট্য পৰিলক্ষিত হয় যদিও অতি কম। ৰং বিৰঙী মিচিং এগে গাচৰ, ৰি: বি: গাচেং আৰকগ, দুমীৰ, মিবু গাবুক ইত্যাদি পোছাকবোৰে মিচিঙৰ নিজস্ব বৈশিষ্ট্য বহন কৰে। পৰম্পৰাগত উৎসৱ আদিত মিচিং পুৰুষসকলে গাত মিবু গালুগ আৰু মহিলাসকলে ৰিঃ বিঃ গাচেং পৰিধান কৰাটো বাধ্যতামূলক। মিচিং গাভকৰে নৃত্য পৰিৱেশন কৰাৰ সময়ত ৰঙীন ঊণসূতাৰে তৈয়াৰী ফুল দুমপুন আৰু লাকপুন ব্যৱহাৰ কৰে।

২.৩ লোকাচাৰ ঃ

মিচিং সকলৰ মাজত তেওঁলোকৰ লোকধর্মক লৈ বহুতো লোকাচাৰ পালিত হোৱা পৰিলক্ষিত হয়। এই লোকাচাৰসমূহৰ মাজেদি তেওঁলোকৰ ধর্মীয় ধ্যান-ধাৰণাৰ উমান পাৱ পাৰি। তেওঁলোক মূলত: প্ৰকৃতিৰ উপাসক। লোকধর্মৰ আধাৰত গঢ. লোৱা লোকাচাৰ, বিবাহ সম্পর্কীয় লোকাচাৰ, জন্মৰ জড়িত লোকাচাৰ, জীৱনবৃত্ত সম্পর্কীয় লোকাচাৰ, মৃত্যুৰ লগত জড়িত লোকাচাৰ, লোকচিকিৎসা, প্ৰাকৃতিক লোক ঔষধ, ভৱিষ্যতবাণী সম্পর্কীয়, যাদুমূলক বিশ্বাসৰ লগত, লোকক্ৰীড়াৰ লগত জড়িত লোকাচাৰসমূহ হৈছে মিচিং লোকসকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা লোকাচাৰ। যিসমূহে তেওঁলোকক সাংস্কৃতিকভাবে পৰিচয় প্ৰদান কৰি আহিছে। এই লোকাচাৰবোৰৰ অন্তৰালত একো একোটা লোকবিশ্বাস নিহিত হৈ থকা পৰিলক্ষিত হয়। এই লোকবিশ্বাস সমূহ সমাজ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ, সাংস্কৃতিক গোলকীকৰণ, শিক্ষা-দীক্ষাৰ সম্প্ৰসাৰণ আদিৰ ফলত তেওঁলোকৰ মাজত প্ৰচলিত এই লোকাচাৰবোৰলৈ আমূল পৰিবর্তন আনিছে।

২.৪ উৎসৱ পার্ৱনঃ

মিচিংসকলৰ জাতীয় উৎসৱ হ'ল 'আলি-আই- লৃগাং'। এই উৎসৱৰ সময়ত মিচিং লোকসকলে গীত মাত গাই, ঢোল-দগৰ বজাই আনন্দ কৰে আৰু ডেকা-গাভৰুৱে মন প্ৰাণ ঢালি নাচে। সেয়া সময় আছিল ফাগুন আৰু চ'ত মাহৰ। ভৈয়ামলৈ আহি ধান খেতি কৰিবলৈ লোৱাৰ লগে লগে অসমীয়া মানুহৰ লগতে তেওঁলোকেও বিহু পাতিবলৈ আৰম্ভ কৰিলে। গীত-মাতত আৰু ঢোলৰ ছেৱত কিছু জনজাতীয় বৈশিষ্ট্য সংৰক্ষিত হলেও অসমীয়া মানুহৰ দৰেই হুচৰি শিকিলে যদিও গাভৰুৰ নাচৰ ছন্দ আৰু লায়-লাস অসমীয়া গাভৰুৰ নাচতকৈ কিছু পৰিমাণে সুকীয়া হৈয়ে থাকিল । পৰ্বত পৰা নামি অহা এই মিচিং জনগোষ্ঠীৰ লোকসকলে ভৈয়ামত জনপ্ৰিয় বাদ্য ঢোলক নিজৰ প্ৰিয় বাদ্য হিচাপে গ্ৰহণ কৰি স্বকীয় বৈশিষ্ট্যৰ ছেও আৰু চাপৰ দি লয়।

২.৫ বিবাহ পদ্ধতি ঃ

মিচিং জনসমাজত গন্ধর্ব প্ৰথা, সামাজিক প্ৰথা আৰু আসুৰিক প্ৰথা এই তিনিপ্ৰকাৰৰ প্ৰথাৰ জৰিয়তে বিবাহ কার্য সম্পাদন হয়।[২] গন্ধর্ব বিবাহ প্ৰথাক প্ৰণয়মূলক বুলিও কোৱা হয়। এই বিবাহ পদ্ধতিত ডেকাই গাভৰুক আৰু গাভৰুৱে ডেকাৰ ভালপোৱাত কোনো বাধা নাথাকে। প্ৰণয় পাশত আবদ্ধ ডেকা-গাভৰুৰ কোনো পক্ষৰ পিতৃ-মাতৃৰ বিবাহত অমত থাকিলে অথবা আর্থিক স্বচ্ছলতা নাথাকিলে এই প্ৰথাৰে বিবাহ সম্পন্ন হয়।

সামাজিক প্ৰথাৰে বিবাহ হৱ খোজা ডেকাজনে গাভৰুৰ ঘৰত গৈ জোঁৱাই খটাৰ নিয়ম। এই অনুসৰি বাল্য অৱস্থাতেই ল'ৰা ঘৰৰ মানুহে ছোৱালীৰ ডিঙিত 'মণি' জাতীয় এবিধ অলংকাৰ পিন্ধাই দি বাক্‌দত্তাৰ আৱশ্যিক কার্য্য সম্পাদন কৰাৰ প্ৰথা চলিছিল। এই নিয়ম ১৯ শতিকাৰ আগভাগৰ পৰা প্ৰায় কুৰি শতিকাৰ মাজভাগলৈকে প্ৰচলিত-আছিল। কিন্তু বর্তমানে আধুনিক সভ্যতাৰ পোহৰ পৰাৰ লগে লগে এই পৌৰাণিক বাল্য বিবাহ প্ৰথা লাহে লাহে মিচিং সমাজৰ পৰা নোহোৱা হ'ব ধৰিছে ।

আসুৰিক বিবাহ প্ৰথা অনুসৰি ডেকা লৰা এজনে গাভৰু গৰাকীৰ অসম্মতি থকা স্বত্বেও বলপূর্বকভাবে টানি অনাৰ দৰে বিবাহ কার্য সম্পাদন কৰে। এনেদৰে বলপূর্বকভাৱে টানি আনি বিয়া কৰোৱা প্ৰথাক মিচিং

সমাজে দুগলা-লাঃ নাম, য়ামনৌ বুলি কয়। আজিকালি অৱশ্যে এনে প্রথাৰে বিবাহ হোৱা ব্যৱস্থাটো মিচিং সমাজেৰ পৰা প্রায়েই নাইকীয়া হৈছে। বর্তমান আধুনিকতাৰ পৰশত তেওঁলোকৰ সামাজিক পুৰণি ৰীতি-নীতিবোৰ আগৰ দৰে পালন কৰা নহয়। যুগ পৰিৱর্তন হোৱাৰ লগে লগে মিচিং সমাজৰো সাংস্কৃতিক দৃষ্টি ক্রমাত- সলনি হৈ বৃহৎ ভৈয়ামৰ সংস্কৃতিৰ লগত নিজকে খাপ খুৱাই ল'বলৈ অহৰহ প্রচেষ্টা চলাই থকা দেখা পোৱা যায় ।

২.৬ খাদ্যসম্ভাৰ ঃ

মিচিংসকলৰ খাদ্য সম্ভাৰেও মিচিং সংস্কৃতিক এটি সুকীয়া পৰিচয় দি আহিছে। পঃৰ আপং বা চাই মদ পানীয় প্রস্তুতকৰণ মিচিং জনগোষ্ঠীয় একচেতিয়া পৰম্পৰা। বর্তমান দেশ বিদেশত প্রচলিত প্রিয় গাহৰি মাংসৰ খাদ্যাভাসো অসম তথা পূর্বোত্তৰ ৰাজ্যত মিচিং জনগোষ্ঠীয়েই আগভাগ লৈ আহিছে। মিচিং সকলৰ কলা কৃষ্টিৰ নিজস্ব শৈলী এটা থাকিলেও অসমীয়া কলা কৃষ্টিৰ লগত সংমিশ্রিত হোৱাৰ দৰে সকাম নিকাম, পূজা পাতল আদিতো ভৈয়ামৰ ৰীতি-নীতিৰ সতে সংমিশ্রণ হল। যেনে - মৃতকৰ সৎকাৰ, শুচি, সকাম আদিত মিচিঙৰ নিজা ৰীতি নীতি থাকিলেও সকামবোৰ কেৱলীয়া ভকতৰ নিয়মে সম্পন্ন কৰা হয়। অন্য হিন্দু ৰীতিত কৰাৰ দৰে দহদিনত দহাকাজ কৰাৰ পৰিবর্তে মিচিং লোকসকলে মৃতকৰ ধর্মীয় কামবোৰ বহু বছৰলে ৰাখি থয়। একোটা পৰিয়ালৰ দহ বাৰজনলৈকে থুপাই ৰাখি কেবাটাও দতাঁল গাহৰি মাৰি বৰভোজ দিয়াৰ দৰে পাঁচ দহ বছৰৰ পাছত উলহ মালহেৰে দদ্‌গাং উদযাপন কৰে। এয়া মিচিং সকলৰ পৰম্পৰাগত ভাৱে চলি অহা ধর্মীয় অনুষ্ঠান। দদ্‌গাঙৰ চলেৰে মৃতকৰ সকলো আত্মীয় একত্রিত হৈ মৃতাত্মাক সমূহীয়াভাৱে স্মৰণ কৰে, এয়াও এটা সুন্দৰ পৰম্পৰা, মানৱীয় দৃষ্টিকোণৰ দিশৰ পৰা এটা সুকীয়া পৰম্পৰা।

৩.০ উপসংহাৰঃ

সামগ্রিকভাৱে চালে দেখা যায় যে মিচিং সকলৰ জীৱন পদ্ধতি সহজ সৰল। বান, গৰাখহনীয়াৰ সৈতে যুঁজ কৰি বহু কষ্টৰে খেতি-বাতি কৰি জীৱন অতিবাহিত কৰিলেও নৃত্য ,গীত, ৰঙ-তামাচা কৰি জীয়াই থাকি ভালপোৱা এটা জনগোষ্ঠী। তেওঁলোকৰ সৰল জীৱন পদ্ধতিত আজিকালি বাৰে বঙলুৱা বাহিৰা অপসংস্কৃতি বা কুসংস্কৃতিৰ প্রভাৱত সমাজবোৰ বিভিন্ন অপৰাধে কলুষিত কৰিবলৈ লৈছে।

প্রসঙ্গ টীকা

১.অর্পণা কোঁৱৰ, অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন, পৃ.১৫২
২. অর্পণা কোঁৱৰ, অসমৰ ভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন, পৃ.১৫১
২. গনেশ পেগু — 'মিচিং জনসংস্কৃতিৰ আঁহে আঁহে', পৃষ্ঠা-৫৬

সহায়ক গ্রন্থপঞ্জী ঃ

কাগ্‌য়ুং, মৃণালী, *অসমৰ সংস্কৃতি অধ্যয়ন*, সৰস্বতী প্রকাশন, ভাগৱতী প্রসাদ লডিয়া পথ, গোলাঘাট প্রথম প্রকাশ- আগষ্ট-২০২০

গগৈ, লীলা, *অসমৰ সংস্কৃতি*, বনলতা, ডিব্রুগড়-১, গুৱাহাটী -১, ১২ ম সংস্কৰণ- ২০১৯

পেগু, গনেশ, *মিচিং জনসংস্কৃতিৰ আঁহে আঁহে*, ধেমাজি বুক ষ্টল-ধেমাজি, প্রথম প্রকাশ-২০০৪

ৰাজখোৱা, অজন্তা, *উত্তৰ পূর্বাঞ্চলৰ বস্তু সংস্কৃতি*, সম্পাদনা, প্রাগজ্যোতিকা কাব্য কানন ১নং বৰজান গাঁও, গোলাঘাট, প্রথম প্রকাশ-২০১৬

তথ্য দাতা

১। যতীন মিলি, বয়স-৪৯, হেৰহেৰি মিচিং গাওঁ
২। হৰেকৃষ্ণ মিলি, বয়স-৩২, হেৰহেৰি মিচিং গাওঁ

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

পৰিৱেশ আন্দোলনত 'মৌচাক' আলোচনীৰ ভূমিকা

ৰূপাঞ্জলি দেৱী
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়
ড° বিজয় কুমাৰ শর্মা
প্ৰাধ্যাপক, অসমীয়া বিভাগ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

সাৰাংশ

সাহিত্যৰ গুৰুত্বপূৰ্ণ প্ৰকাৰসমূহৰ অন্যতম শিশু সাহিত্যই শিশুৰ বিকাশত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। শিশু আলোচনীসমূহৰ যোগেদি শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশ সাধন কৰা হয়। সাহিত্যৰ বিভিন্ন প্ৰকাৰসমূহৰ উৎকৃষ্ট সাহিত্যৰাজি শিশু উপযোগীকৈ আকৰ্ষণীয় ৰূপত উপস্থাপন কৰাৰ লগতে শিশুসকল উপকৃত হ'ব পৰা ভিন ভিন বিষয়ো শিশু আলোচনীত প্ৰকাশিত হয়। মনোৰঞ্জনৰ সমান্তৰালভাৱে জ্ঞান প্ৰদান কৰাই শিশু আলোচনীৰ উদ্দেশ্য। ১৯৮৪ চনত যোৰহাটৰ পৰা প্ৰকাশিত মৌচাক আলোচনীখনে শিশু সাহিত্য পৰিধি বিস্তাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আশীৰ দশকতে শান্তনু তামুলীৰ সম্পাদনাত প্ৰকাশিত আলোচনীখনে সাহিত্য ক্ষেত্ৰত এক নৱজাগৰণৰ সূচনা কৰিছিল। গতানুগতিক বিষয়সমূহৰ লগতে ইয়াত শিশুসকল উপকৃত হ'ব পৰাকৈ সমসাময়িক সমাজ-সাহিত্য আদি বিষয়বোৰত গুৰুত্ব দিয়া পৰিলক্ষিত হ'ল। নতুন ধৰণৰ সকলোবোৰ বিষয়ে ইয়াত গুৰুত্ব লাভ কৰিলে। সেইখিনি সময়ত জনসাধাৰণৰ মাজত পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টি হোৱাই নাছিল। কিন্তু সম্পাদক শান্তনু তামুলীয়ে শিশুসকলক আলোচনীখনৰ লগত জড়িত কৰি এক পৰিৱেশ আন্দোলন গঢ়ি তুলিলে। পৰিৱেশ সজাগতা আৰু সংৰক্ষণত শিশু আলোচনীখনে গুৰুত্ব প্ৰদান কৰিলে। প্ৰস্তাৱিত গৱেষণা পত্ৰত পৰিৱেশ আন্দোলনত 'মৌচাক' আলোচনীয়ে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে তাৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব।

সূচক শব্দঃ শিশু, শিশু আলোচনী, মৌচাক, বিষয়বস্তু, পৰিৱেশ, সজাগতা

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

সাহিত্যৰ এক সমৃদ্ধিশালী শাখা হিচাপে শিশু সাহিত্যৰ এক সুকীয়া পৰিচয় আছে। মৌখিক পৰম্পৰাৰে জনসাধাৰণৰ মাজত প্ৰচলিত শিশু সাহিত্যই অসমীয়া সাহিত্যৰ বিকাশত অন্যতম প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। শিশুৰ ৰুচি তথা সৰ্বাংগীণ বিকাশলৈ লক্ষ্য ৰাখি শিশু সাহিত্য ৰচনা কৰা হয়। শিশুৰ বিকাশৰ স্তৰ অনুসৰি ৰচিত সাহিত্যসমূহ শিশুৰ মানসিক উৎকৰ্ষ সাধনত সহায়ক। অসমীয়া শিশু আলোচনীয়েও শিশু সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। এনে আলোচনীসমূহৰ বৈচিত্ৰ্যময় বিষয়বস্তুয়ে শিশুক আকৰ্ষণ কৰে আৰু শিশুৰ পঠন অভ্যাস গঠনত ই যথেষ্ট সহায় কৰে। শিশুৰ মাজত জনপ্ৰিয় আৰু দীৰ্ঘকাল জুৰি প্ৰচলিত শিশু আলোচনী হৈছে 'মৌচাক'। আলোচনীখনে শিশুৰ মাজত এক সুকীয়া বাতাৱৰণ সৃষ্টি কৰি শিশু পাঠকক আলোচনীখনৰ লগত জড়িত কৰি তুলিছিল। ১৯৮৪ চনৰ পৰা দুটা দশকৰ অধিক কাল প্ৰকাশিত আলোচনীখন পূৰ্বৰ শিশু আলোচনীৰ তুলনাত কিছু পৃথক দৃষ্টিভংগীৰ। সমসাময়িক সময় আৰু সমাজৰ লগতে ইয়াত অন্যান্য

****

নতুন নতুন ধৰণৰ শিতান শিশু উপযোগীকৈ সজ্জিত কৰা হৈছে। আকর্ষণীয় উপস্থাপন, সহজ-সৰল ভাষা আৰু বিষয়বস্তুৰ বিচিত্রতাই শিশুসকলক আলোচনীখনৰ প্রতি আকর্ষিত কৰিব পাৰিছে। আনন্দদায়ক পৰিৱেশৰ মাজেৰে উপস্থাপিত জ্ঞানদায়ক শিতানসমূহো শিশুৰ সামগ্রিক বিকাশত যথেষ্ট সহায়ক।

সাম্প্রতিক সময়ত পৰিৱেশৰ লগত জড়িত সমস্যাবোৰে বিশ্বব্যাপী গুৰুত্ব লাভ কৰিছে। প্রদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি, বনানীকৰণ, বন্যপ্রাণীৰ বাসস্থান ধ্বংস আদিৰ দৰে সমস্যাসমূহে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। মানুহৰ অবিবেচক কার্যকলাপবোৰো এনে ধৰণৰ সমস্যাৰ মূল কাৰণ। সেয়েহে *মৌচাক* আলোচনীখনে শিশুৰ মাজত সৰুৰে পৰাই পৰিৱেশৰ প্রতি সচেতনতাৰ সৃষ্টি কৰিছে। সম্পাদক শান্তনু তামূলীয়ে আনন্দদায়ক পৰিৱেশ সৃষ্টি কৰি শিশুসকলৰ জড়িতকৰণেৰে এক পৰিৱেশ আন্দোলনৰ সূচনা কৰে। আকর্ষণীয় শিতানৰ সংযোজনেৰে শিশুসকলৰ মাজত প্রকৃতিৰ প্রতি থকা মৰমৰ ভাৱ জাগ্রত কৰি শিশুক পৰিৱেশ সংৰক্ষণৰ প্রতি উৎসাহী কৰি তুলিছিল। গৱেষণা পত্রখনত পৰিৱেশ আন্দোলনত 'মৌচাক' শিশু আলোচনীয়ে গ্রহণ কৰা গুৰুত্বপূর্ণ ভূমিকাৰ বিষয়ে আলোচনা কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

"পৰিৱেশ আন্দোলনত 'মৌচাক' আলোচনীৰ ভূমিকা" শীর্ষক গৱেষণা পত্রখনৰ উদ্দেশ্য হ'ল-

ক) 'মৌচাক' শিশু আলোচনীত প্রকাশিত পৰিৱেশ সম্পর্কীয় বিষয়সমূহৰ বিচাৰ কৰা।

খ) শিশুসকলৰ মাজত পৰিৱেশ সচেতনতা বৃদ্ধিত 'মৌচাক' ৰ ভূমিকা বিশ্লেষণ কৰা।

গ) পৰিৱেশ সংৰক্ষণৰ প্রতি শিশুৰ মনোভাৱ আৰু আচৰণত 'মৌচাক' ৰ প্রভাৱ মূল্যায়ন কৰা।

০.৩ অধ্যয়নৰ গুৰুত্বঃ

"পৰিৱেশ আন্দোলনত 'মৌচাক' আলোচনীৰ ভূমিকা" শীর্ষক গৱেষণা পত্রখনৰ গুৰুত্ব হ'ল-

ক) শিশুসকলৰ মাজৰ পৰিৱেশ সচেতনতা সৃষ্টিত বিষয়টোৰ গুৰুত্ব আছে।

খ) শিশু আলোচনী সম্পর্কীয় আলোচনাত বিষয়টোৰ গুৰুত্ব আছে।

গ) শিশুৰ লগতে সমাজৰ লোকসকলৰ মাজত পৰিৱেশ সম্পর্কীয় জ্ঞান, আগ্রহ আৰু যোগাত্মক মনোভাৱ সৃষ্টিত বিষয়টোৰ গুৰুত্ব আছে।

০.৪ অধ্যয়নৰ পদ্ধতিঃ

"পৰিৱেশ আন্দোলনত 'মৌচাক' আলোচনীৰ ভূমিকা" শীর্ষক বিষয়টোৰ আলোচনাত বর্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

০.৫ অধ্যয়নৰ উৎসঃ

মুখ্য উৎসঃ অধ্যয়নৰ মুখ্য উৎস হিচাপে 'মৌচাক' আলোচনীৰ প্রকাশিত সংখ্যাসমূহ গ্রহণ কৰা হৈছে।

গৌণ উৎসঃ শিশু আলোচনীৰ আলোচনা থকা গ্রন্থক গৌণ উৎস হিচাপে ব্যৱহাৰ কৰা হৈছে।

০.৬ অধ্যয়নৰ পৰিসৰঃ

এই অধ্যয়নত 'মৌচাক' আলোচনীখন আৰম্ভণিৰ পৰা অর্থাৎ ১৯৮৪ চনৰ পৰা ২০০০ চনলৈকে লোৱা হৈছে। আলোচনাত কেৱল পৰিৱেশ সম্পর্কীয় বিষয়বস্তু সর্ম্পকেহে অধ্যয়ন কৰা হ'ব।

১.০ মূল আলোচনাঃ

অসমীয়া শিশু সাহিত্যৰ প্রচাৰ আৰু প্রসাৰত প্রভূত অৱদান আগ�ৱঢ়োৱা 'মৌচাক' শিশু আলোচনীখন সাহিত্য জগতৰে অন্যতম জনপ্রিয় শিশু আলোচনী। বৈচিত্র্যময় বিষয় সম্ভাৰে সমৃদ্ধ আলোচনীখনে শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। শিশু গল্প, কবিতা, নাটক, উপন্যাস, ভ্রমণ কাহিনী আদিৰ

লগতে সমসাময়িক বিষয়সমূহ শিশু উপযোগীকৈ প্ৰস্তুত কৰি শিশুসকলক আধুনিকতাৰ ধাৰাটোৰ লগত সম্পৰ্কিত কৰি ৰাখিছে। ইতিহাস, ভূগোল, বিজ্ঞানমূলক ৰচনা, আইন-কানুন, তথ্য-প্ৰযুক্তি আদিৰ লগতে পৰিৱেশ সম্পৰ্কীয় ৰচনাই আলোচনীখনত গুৰুত্ব লাভ কৰিছে। বৰ্তমান বিশ্বত পৰিৱেশৰ সমস্যাই প্ৰধান সমস্যা হিচাপে দেখা দিছে। পৃথিৱীৰ জৈৱবৈচিত্ৰ্যৰ লগতে মানুহৰ ওপৰতো ই গভীৰ প্ৰভাৱ পেলাইছে। এই সমস্যাসমূহৰ সমাধানৰ কাৰণে পৃথিৱীৰ প্ৰতিজন মানুহ সচেতন হোৱাটো অতি প্ৰয়োজন। আশীৰ দশকতে প্ৰকাশিত 'মৌচাক' আলোচনীখনে পৰিৱেশৰ প্ৰতি প্ৰত্যেক ব্যক্তিকে সজাগ আৰু সতৰ্ক কৰি তুলিছে। কিছুমান আকৰ্ষণীয় কাৰ্যসূচীৰে শিশুক পৰিৱেশৰ লগত জড়িত কৰি প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। শিশুসকলো উৎসাহিত হৈ পৰিৱেশ আন্দোলনৰ লগত সক্ৰিয় অংশগ্ৰহণেৰে নিজকে জড়িত কৰি তুলিছে।

পৰিৱেশ আন্দোলনত শিশুসকলৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ। জীৱনৰ এইখিনি সময় শিশুৰ কাৰণে উপযুক্ত সময়। শিশুৰ ব্যক্তিত্ব গঠন আৰু মূল্যবোধ বিকাশৰ এই সময়ছোৱাত গঢ়ি উঠা সচেতনতা আৰু দৃষ্টিভংগীয়ে তেওঁলোকৰ ভৱিষ্যতৰ জীৱনত প্ৰভাৱ পেলায়। সেয়েহে শিশুসকলক পৰিৱেশ সম্পৰ্কীয় সজাগতা সৃষ্টি কৰাটো অতি প্ৰয়োজনীয়।

১.১ মৌচাকত প্ৰকাশিত পৰিৱেশ সম্পৰ্কীয় শিতানঃ

মৌচাক শিশু আলোচনীত প্ৰকাশিত বৈচিত্ৰ্যময় বিষয়সমূহৰ ভিতৰত পৰিৱেশ সম্পৰ্কীয় বিষয় অন্যতম। শিশুসকলক পৰিৱেশৰ প্ৰতি সজাগ আৰু দায়িত্ববোধ গঢ়ি তোলাৰ উদ্দেশ্য আলোচনীখনত এনে ধৰণৰ আকৰ্ষণীয় শিতান সন্নিৱিষ্ট কৰিছে। শিশুসকলক পোনপটীয়াকৈ পৰিৱেশৰ প্ৰতি জ্ঞান দিয়াৰ পৰিৱৰ্তে তেওঁলোককে জড়িত কৰি মৌচাক আলোচনীৰ যোগেদি সম্পাদকে এক পৰিৱেশ আন্দোলন গঢ়ি তুলিছিল।

আলোচনীখনত প্ৰকাশিত তেনে এক শিতান হ'ল **"তোমালোকৰ জন্মদিনত আমাৰ শুভেচ্ছা"**। মৌচাকৰ প্ৰথম বছৰ, চতুৰ্থ সংখ্যাৰে পৰা নিয়মীয়াকৈ শিতানটো প্ৰকাশ পাই আছে। শিতানটোৰ যোগেদি সম্পাদক শান্তনু তামুলীয়ে মৌচাক প্ৰকাশৰ নিৰ্দিষ্ট মাহটোত জন্মদিন পৰা সকলো শিশুকে শুভেচ্ছা জ্ঞাপন কৰিছে। তাৰ লগতে তেওঁলোকৰ জন্মদিন উপলক্ষে অভিভাৱকৰ সহযোগত গছপুলি ৰোপণৰ প্ৰতিও আহ্বান জনাইছে। মৌচাকত শিশুসকলক উদ্দেশ্যে কৰি সম্পাদকে লিখিছে এনেদৰে—

> *"এই মাহত জন্মদিনপৰা সকলো অকণিলৈ আমাৰ মৰম আৰু শুভেচ্ছা জনালোঁ। তোমালোকৰ সু-স্বাস্থ্য কামনা কৰিলোঁ। দূষিত বতাহ শুহি গছ-গছনিয়েও আমাৰ সু-স্বাস্থ্য ৰক্ষা কৰাত সহায় কৰে। সেয়েহে তোমালোকৰ জন্মদিনত এটা গছপুলি ৰুবা, গছজোপা সাৰ-পানী দি ডাঙৰ কৰিবা। গছজোপা লহপহকৈ বাঢ়ি অহা চাই মনত কিমানযে আনন্দ লাগিব। তোমালোকৰ লগে লগে গছপুলিটোও ডাঙৰ হৈ আহিব। এই কামত ডাঙৰৰো সহায় ল'বা। জন্মদিনত এনেদৰে গছপুলি ৰোৱাৰ খবৰ আৰু ফটো তুলি পঠালে মৌচাকত প্ৰকাশ কৰিম। অহা মাহত কোন কোন তাৰিখে কাৰ কাৰ জন্মদিন পৰিছে, আৰু সেইদিনা কোনে কোনে গছপুলি ৰুবলৈ ভাৰিছা আমালৈ লিখিবাচোন।"*[১]

মৌচাকৰ এই শিতানটোৰে সকলোৰে পৰা অভূতপূৰ্ব সঁহাৰি লাভ কৰিলে আৰু শিশুসকলেও জন্মদিনৰ দিনা গছপুলি ৰোপণ কৰি মৌচাকলৈ ফটো প্ৰেৰণ কৰিলে। সম্পাদকে শিশুৰ পৰা এনেধৰণৰ চিঠি লাভ কৰি উৎসাহিত হ'ল আৰু উত্তৰৰ শিতান **"আমি গছপুলি ৰুলোঁ"** নিয়মীয়াকৈ প্ৰকাশ কৰিলে। উক্ত শিতানত শিশুৰ নাম আৰু বয়সৰ লগতে গছপুলি ৰোপণৰ খবৰ প্ৰকাশিত হয়। এই সমগ্ৰ প্ৰক্ৰিয়াটোত শিশুসকলৰ লগত অভিভাৱকসকলো জড়িত হৈ পৰিল আৰু সমগ্ৰ অসমতে এক পৰিৱেশ আন্দোলনৰ সূচনা হ'ল। এনেধৰণৰ কৌশলে শিশুক যথেষ্ট আকৰ্ষিত কৰি তুলিলে।

যিটো সময়ত পৰিৱেশ সম্পৰ্কীয় সজাগতা অসমত হোৱাই নাছিল তেনে সময়তে মৌচাকে শিশুক গছপুলি ৰোপণৰ প্ৰতি অনুপ্ৰাণিত কৰি আহিছে। এইখিনিতে উল্লেখযোগ্য যে, সাম্প্ৰতিক সময়ত চৰকাৰী বা বেচৰকাৰীভাৱে পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ বাবে গছপুলি ৰোপণত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়তো গছ ৰোপণ কৰি ফটো পঠিয়াবলৈ নির্দেশনা দিয়া হৈছে। কিন্তু সম্পাদক শান্তনু তামূলীয়ে চাৰি দশকৰ পূৰ্বেই এক আনন্দদায়ক পৰিৱেশ সৃষ্টি কৰি শিশুসকলক প্ৰত্যক্ষভাৱে পৰিৱেশৰ লগত জড়িত কৰি তুলিছিল।

মৌচাকত প্ৰকাশিত আন এক শিতান হ'ল 'ৰবীন পখীৰ কাকলি'। ১৯৮৮ চনৰ জুন মাহৰ পৰা ধাৰাৱাহিকভাৱে শিতানটো প্ৰকাশ হৈছিল। ডাক্তৰ ৰবীন বেনাৰ্জীয়ে 'মৌচাক'ৰ শিশুসকললৈ বুলি কৈ যোৱা কথাবোৰৰ অনুলেখন হেমন্ত বৰদলৈৰ। শিতানটোৰ জৰিয়তে শিশুসকলক অপৰূপ প্ৰকৃতি জগতৰ বিষয়ে কোৱা হৈছে। মানুহ আৰু প্ৰকৃতিৰ আত্মীয়তা, জীৱ-জন্তুৰ প্ৰতি থকা নিস্বাৰ্থ প্ৰেম, বন্যপ্ৰাণীৰ প্ৰতি থকা মৰম আৰু সিঁহতক আপোন কৰিব পৰা কৌশল, সাগৰ তলিৰ অটল ৰহস্যৰে আবৃত আন এক জগত আদিৰ মনোমোহা বৰ্ণনা। আলোচনীখনত প্ৰকাশিত আকৰ্ষণীয় শিতানটোৰ আৰম্ভণিতে ৰবীন বেনাৰ্জীয়ে শিশুসকলক উদ্দেশ্যে কৈছে—

> *"আমাৰ প্ৰত্যেকৰে একোজনী মৰমৰ 'মা' আছে। সেই গৰাকী মাতৃৰ বাদেও আমাৰ আৰু এগৰাকী মাতৃ আছে। আমাৰ সকলোৰে মাতৃগৰাকী আমাৰ পৃথিৱীখন। আমাৰ পৃথিৱীখন, আমাৰ ঠাইখনেই আমাৰ সকলোৰে মা। আমি প্ৰত্যেকেই পৃথিৱীৰ সন্তান। আমি আমাৰ দেশৰ সন্তান। এই গৰাকী মাতৃয়ে বহুতো দান দিছে। এই গৰাকী মাতৃৰ বুকুত বহুতো সম্পদে ঠাঁহ খাই আছে। মজাৰ কথা কি জানানে? এই গৰাকী মাতৃয়ে আমাক খালি দিয়েহে। আমি আমাৰ মাক একো দিব নালাগে, কাপোৰ পিন্ধিবলৈ দিব নালাগে। মানে একোৱেই আমি দিব নালাগে। সেইবাবেই আমি এই গৰাকী মাতৃৰ ধাৰ কাহানিও সুজিব নোৱাৰোঁ।"* [২]

এনেদৰে শিশুসকলক পৃথিৱীৰ প্ৰতি থকা দায়িত্ববোধৰ বিষয়ে বুজাই দিছিল। তাৰ লগতে প্ৰকৃতিৰ বুকুত থকা জীৱ-জন্তু, চৰাই-চিৰিকতি, হাবি-বন,জান-জুৰি আদিৰ বিষয়ে তেখেতে বিভিন্ন দেশ ভ্ৰমণ কৰি পোৱা অভিজ্ঞতাৰে বৰ্ণনা কৰিছে। 'ৰবীন পখীৰ কাকলি' শিতানটোৰ প্ৰতিটো লেখাত প্ৰতিফলিত হৈছে প্ৰকৃতিৰ উদাৰতা, বন্যপ্ৰাণীৰ প্ৰতি থকা নিস্বাৰ্থ মৰম আৰু প্ৰকৃতিৰ প্ৰতি থকা দায়বদ্ধতা। শিতানটো পঢ়ি শিশুসকলে প্ৰকৃতিৰ প্ৰতি থকা প্ৰেম অনুভৱ কৰিছিল আৰু বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত থকা গভীৰ দায়িত্ববোধ অন্তঃকৰণেৰে উপলব্ধি কৰিব পাৰিছিল। পৰিৱেশ বিষয়ক সজাগতা, বন্যপ্ৰাণী সংৰক্ষণ আদি বিষয়বোৰ গুৰুত্ব দিয়াৰ কথাটো সেই সময়ত মানুহে গভীৰভাৱে চিন্তাই কৰা নাছিল। তেনে এক সময়তে ৰবীন বেনাৰ্জীয়ে অসমৰ পৰিৱেশক বিশ্বৰ সম্মুখত চিনাকি কৰি দিছিল। তেখেতে নির্মাণ কৰা তথ্যচিত্ৰৰ যোগেদি অসমৰ বিনন্দীয়া প্ৰাকৃতিক দৃশ্যৱাজিৰ লগতে কাজিৰঙাৰ গঁড়ৰ বিষয়ে বিশ্ববাসীক জনাইছিল। প্ৰকৃতিক নিস্বাৰ্থভাৱে ভাল পোৱা বেনাৰ্জীয়ে সেয়েহে মৌচাকৰ যোগেদি শিশুসকলৰ অন্তৰতো পৰিৱেশ সংৰক্ষণৰ প্ৰতি সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰিছিল। ঈশ্বৰৰ সৃষ্টি প্ৰতিটো জীৱৰে জীয়াই থকাৰ অধিকাৰ আছে। সেয়েহে শিতানটোৰ জৰিয়তে তেখেতে মৌচাকৰ পঢ়ুৱৈক জীৱ-জন্তুৰ প্ৰতি দয়ালু হ'বলৈ আৰু লুপ্তপ্ৰায় প্ৰাণীৰ সংৰক্ষণ কৰিবলৈ আহ্বান জনায়।

১.২ মৌচাকৰ পৰিৱেশ সম্পৰ্কীয় প্ৰবন্ধ আৰু বিশেষ লেখাঃ

মৌচাক প্ৰকাশৰ আৰম্ভণিৰে পৰা পৰিৱেশৰ লগত জড়িত বিভিন্ন বিষয় আলোচিত হৈ আহিছে। শিশুৰ মাজত পৰিৱেশ সম্পৰ্কীয় সচেতনতা সৃষ্টিত এইসমূহ লেখাৰ যথেষ্ট গুৰুত্ব আছে। 'মৌচাক'ৰ তৃতীয় সংখ্যাৰপৰাই কেইবাটাও খণ্ডত প্ৰকাশিত ডিম্বেশ্বৰ চলিহাৰ 'মানুহৰ জীৱন ৰক্ষাত প্ৰাণী' নামৰ লেখাটোত জীৱ-জন্তুৰ প্ৰতি থকা প্ৰেমৰ বৰ্ণনা কৰা হৈছে। জীৱ-জন্তুৱে বিপদৰ সময়ত মানুহক কেনেদৰে সহায় কৰিব পাৰে কাহিনীৰূপত

****

তাৰ উপস্থাপন কৰিছে। জীৱ-জন্তুৰ প্ৰতি থকা নিস্বাৰ্থ মৰমৰ কাহিনী ইয়াত সন্নিৱিষ্ট কৰা পৰিলক্ষিত হৈছে।

'মৌচাক'ৰ চতুৰ্থ বছৰ, ষষ্ঠ সংখ্যাটো 'বিশেষ বন্যপ্ৰাণী সংখ্যা' হিচাপে প্ৰকাশ কৰি বন্যপ্ৰাণী সংৰক্ষণৰ বিষয়ে শিশুসকলক বুজোৱা হৈছে। সেই সংখ্যাত প্ৰকাশিত মনালিছা বড়োৰ 'বন্য-প্ৰাণীৰ সংৰক্ষণ' বিষয়ক প্ৰবন্ধটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। ৰথীন্দ্ৰনাথ গোস্বামীয়ে 'বন্য-প্ৰাণী' নামেৰে এটি কুইজৰ শিতানো ইয়াত সন্নিৱিষ্ট কৰিছে।

মৌচাকৰ পঞ্চম বছৰ, দ্বিতীয় সংখ্যাৰ বিশেষ লেখাটো 'পৰিৱেশ প্ৰদূষণ'ক মূল বিষয় হিচাপে লৈ আলোচনা কৰিছে। বিষয়ৰ লগত সম্পৰ্কিত আকৰ্ষণীয় চিত্ৰই আৰম্ভণিতে পাঠকৰ অন্তৰ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। গকুল হাজৰিকাৰ 'পৰিৱেশ প্ৰদূষণ' নামৰ লেখাটোত পৰিৱেশ বুলিলে কি বুজায়, আমাৰ পৰিৱেশ কেনেদৰে দুষিত হৈ আহিছে, শাক-পাচলি আৰু ৰাসায়নিক সাৰ, গছেই জীৱন আদি বিষয়সমূহ সুন্দৰ আৰু সহজকৈ আলোচনা কৰিছে। তদুপৰি 'অসমত প্ৰদূষণ' বিষয়ক আলোচনাত দুটামান উদ্যোগৰ বিষয়ে কোৱা হৈছে। এই বিশেষ সংখ্যাটোত চিপ্‌কো আন্দোলনৰ বিষয়ে জনোৱাৰ লগতে আন্দোলনৰ জনক শ্ৰীচণ্ডী প্ৰসাদ ভাট, পদ্মশ্ৰী অনিল আগৰৱালৰ বিষয়ে শিশুসকলক পৰিচয় কৰি দিয়া হৈছে। পৰিৱেশ সম্পৰ্কীয় আৰু দুটা আন্দোলন বিনাছাৰ আন্দোলন, হান্নিকোৰ আন্দোলনৰ বিষয়ে ইয়াত উল্লেখ কৰিছে। এনে বিষয়ৰ আলোচনাই শিশুৰ মাজত পৰিৱেশ সম্পৰ্কে এক সুস্পষ্ট ধাৰণা দিছে আৰু সজাগতা সৃষ্টি কৰিছে বুলি ক'ব পাৰি।

মৌচাকত প্ৰকাশিত পৰিৱেশ সম্পৰ্কীয় কেইটামান উল্লেখযোগ্য লেখা হ'ল- গকুল হাজৰিকাৰ 'পৰিৱেশ সংৰক্ষণত স্কুলীয়া ছাত্ৰ-ছাত্ৰী' (পঞ্চম বছৰ, তৃতীয় সংখ্যা), 'পৰিৱেশ সংৰক্ষণ -বিছনয়' (পঞ্চম বছৰ, চতুৰ্থ সংখ্যা), মামণি গোস্বামীৰ 'পৰিৱেশ আৰু আমি' (সপ্তম বছৰ, দ্বিতীয় সংখ্যা), শান্তা শৰ্মাৰ 'অসমৰ বন্যপ্ৰাণী'(একাদশ বছৰ, ষষ্ঠ সংখ্যা), ৰথীন্দ্ৰনাথ গোস্বামীৰ 'বন্যপ্ৰাণীৰ সংৰক্ষণ' (পঞ্চদশ বছৰ, প্ৰথম সংখ্যা) আদি। শান্তনু তামূলীৰ 'প্লাষ্টিক' (ষষ্ঠদশ বছৰ, দ্বিতীয় সংখ্যা) শীৰ্ষক লেখাটোত 'আজিৰ যুগটোক মহাকাশ যুগ, ৰবটৰ যুগ, যন্ত্ৰ যুগ, পৰমাণুৰ যুগ আৰু লগতে কোৱা হয়—প্লাষ্টিক যুগ' হিচাপে আৰম্ভ কৰি প্লাষ্টিক সম্পৰ্কে তথ্যসমৃদ্ধ আলোচনা আগবঢ়াইছে।

এনেদৰে দেখা যায়, মৌচাকৰ বিভিন্ন ৰচনাসমূহত পৰিৱেশ সম্পৰ্কীয় আলোচনা আগবঢ়োৱা হৈছে। এনে ধৰণৰ শিতান আলোচনীখনত সন্নিৱিষ্ট কৰি শিশুৰ মাজত পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ সৃষ্টি কৰা হৈছিল।

১.৩ মৌচাকৰ সম্পাদকীয়ঃ

মৌচাকৰ সম্পাদক শান্তনু তামূলী শিশুৰ মাজত 'মৌচাক মামা' নামেৰে জনপ্ৰিয়। মৌচাক আলোচনীত অকণিহঁতক সম্বোধন কৰি লিখা চিঠিবোৰত তেখেতৰ পৰিৱেশ সম্পৰ্কীয় চিন্তা-চৰ্চা প্ৰতিফলিত হৈছে। আধুনিক বিজ্ঞান আৰু সভ্যতাৰ উন্নতিৰ লগে লগে ভয়াবহ ৰূপত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পাইছে। সেয়েহে পত্ৰৰ মাধ্যমেৰে শিশুসকলক এই বিষয়ে সতৰ্ক কৰি দিছে আৰু তাৰ কাৰণে প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়াইছে। পৃথিৱীখন সেউজীয়া কৰি ৰাখিবলৈ শিশুসকলৰ জন্মদিনত গছপুলি ৰোপণৰ প্ৰতি আহ্বান জনাইছে।

"গছ-গছনিয়ে বতাহ নিৰ্মল কৰে আৰু বৰষুণ সৃষ্টি কৰাত সহায় কৰে। তোমালোকেও পৃথিৱীখন মানুহৰ বস-বাসৰ উপযোগী কৰাত অৱিহণা যোগাব পাৰা। কেনেকৈ?—তোমালোকৰ জন্ম দিনটোত আনন্দ কৰাৰ লগতে নিজৰ ঘৰৰ সীমাৰ ভিতৰতে এজোপাকৈ গছ ৰুৱা... ।"[৩]

কেৱল জন্মদিনতে নহয়, যিকোনো উপলক্ষত প্ৰকৃতিক জীয়াই ৰাখিবলৈ গছপুলি ৰুৱলৈ তেখেতে অনুৰোধ কৰিছে। উদাহৰণস্বৰূপে, ৰঙালী বিহুৰ আনন্দৰ মাজতে সকলোৱে একোটাকৈ গছপুলি ৰুব পাৰে—

"এইবাৰ বিহুত বাৰু কি কৰিবা?

বিহৰ চিন হিচাপে বাৰীৰ এচুকত গছপুলি এটা ৰোৱাৰ কথাকেচোন ভাবিব পাৰা।"[৪]

শিশুৱে জন্মদিনত ৰোপণ কৰা গছপুলিৰো খবৰ তেখেতে ৰাখিছে আৰু পুলিৰোৰ আপদাল কৰি ডাঙৰ কৰিবলৈকো পৰামৰ্শ দিছে। গছে পৰিৱেশ ৰক্ষাৰ লগতে গছজোপাই আৰ্থিক দিশটো যে সহায় কৰে এই বিষয়েও তেওঁলোকক পত্ৰৰ মাধ্যমেৰে জনাইছে। (মৌচাক, দশম বছৰ, দ্বাদশ সংখ্যা)

'তোমালোকেও চোন কৰিব পাৰা' নামৰ চিঠিখনত দিল্লীৰ উদাহৰণেৰে আমাৰ অসমতো যে প্ৰদূষণ বৃদ্ধি পাইছে সেই সম্পৰ্কেশিশুসকলক জনোৱা হৈছে। বায়ু প্ৰদূষণ ৰোধৰ বাবে শিশুসকলে নিজৰ নিজৰ ঘৰ আৰু অঞ্চলত কেনেধৰণৰ পদক্ষেপ ল'ব পাৰে তাৰ ধাৰণা দিছে। (মৌচাক, ষষ্ঠদশ বছৰ, দ্বিতীয় সংখ্যা)

পৰিৱেশ ৰক্ষাৰ নামত সকলোৱে ৫ জুনৰ দিনটো 'বিশ্ব-পৰিৱেশ দিৱস' উদ্‌যাপন কৰি দায়িত্ব সামৰে কিন্তু পৰিৱেশৰ প্ৰতি মানুহৰ দায়বদ্ধতা দেখা পোৱা নাযায়। সেয়েহে শিশুসকলক পৰিৱেশ সংৰক্ষণত গুৰুত্ব দি প্ৰতিটো দিনেই 'পৰিৱেশৰ দিন' হিচাপে মানি চলিবলৈ আহ্বান জনাইছে। চৌপাশৰ পৰিৱেশ কেনেদৰে পৰিষ্কাৰ কৰি ৰাখিব পাৰি তাৰ বিষয়েও জনাইছে। সম্পাদকে কৈছে—*পৰিৱেশ সংৰক্ষণ কৰাটো আমাৰ সকলোৰে কৰ্তব্য। আমি দৈনন্দিন জীৱনতো নিতৌ পৰিৱেশ সংৰক্ষণৰ হকে কাম কৰি যাব পাৰোঁ। তাৰবাবে নালাগে সময়। নালাগে টকা-পইচা। লাগে মাথো আমাৰ এটা মন।*[৫]

এনেদৰে দেখা যায়, সম্পাদক শান্তনু তামূলীয়ে কৌশলেৰে শিশুলৈ দিয়া চিঠিসমূহৰ মাজেৰেও পৰিৱেশ আন্দোলনৰ সৃষ্টি কৰিছিল।

১.৪ অন্যান্য ৰচনাঃ

মৌচাকত প্ৰকাশিত অন্যান্য ৰচনাসমূহৰ যোগেদিও পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে শিশুসকলক বুজোৱা হৈছে। শিশুসকলে নিজে অভিনয় কৰিব পৰা নাটকৰ যোগেদি তেওঁলোকৰ মনত এই বিষয়বোৰ উপলব্ধি কৰাৰ প্ৰচেষ্টা দেখা যায়। পৰিৱেশ সম্পৰ্কীয় বিভিন্ন সমস্যাৰ কাহিনীৰে শিশুৰ মনত পৰিৱেশ সচেতনতাৰ সৃষ্টি কৰা হৈছে।

উদাহৰণস্বৰূপে- শিশু নাটকৰ ভিতৰত ভাৰতী বৰুৱাৰ 'অৰণ্যত অবিচাৰ' (তৃতীয় বছৰ, দ্বাদশ সংখ্যা) নাটকখনত হাবি-বন কাটি ধ্বংস কৰাৰ পৰিনামৰ বিষয়ে জনোৱা হৈছে। কেশদা মহন্তৰ 'ৰোওঁগৈ ব'লা গছৰ পুলি' (দ্বাদশ বছৰ, ষষ্ঠ সংখ্যা) নাটিকাখন চুবুৰীৰ শিশুসকলে বন মহোৎসৱ পতাৰ কাহিনীৰে লিখা হৈছে, য'ত গছপুলি ৰোপনত গুৰুত্ব দিয়া হৈছে। জয়ন্ত মাধৱ বৰাৰ 'আমাৰ পৰিৱেশ' (ষষ্ঠদশ বছৰ, ষষ্ঠ সংখ্যা) নামৰ শিশু নাটকখনো পৰিৱেশৰ কাহিনীৰে নিৰ্মিত সুন্দৰ নাটক। ইয়াৰ মাজেৰে পৰিৱেশৰ সমস্যাৰ বিষয়ে কোৱা হৈছে আৰু পৰিৱেশ সুন্দৰ কৰি ৰাখিবলৈ গছপুলি ৰোপণ কৰিবলৈ সকলোকে উৎসাহিত কৰিছে।

তদুপৰি মৌচাকত প্ৰকাশিত কবিতা আৰু গল্পসমূহতো পৰিৱেশৰ অপৰূপ সৃষ্টিক মূল বিষয় হিচাপে লৈ ৰচনা প্ৰকাশ কৰিছে। যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ জনপ্ৰিয় উপন্যাস 'পৃথিৱীৰ মৰম' (দশম বছৰ) ধাৰাবাহিকভাৱে পোনপ্ৰথম মৌচাকতে প্ৰকাশ কৰি শিশুসকলক প্ৰকৃতিৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰয়াস কৰিছে।

সাধাৰণতে আইনৰ বিষয়বোৰৰ পৰা শিশুক নিলগাই ৰখা হয়। কিন্তু মৌচাকত প্ৰকাশিত 'অকণিৰ আইন আদালত' নামৰ শিতানত অধিবক্তা প্ৰসেনজিৎ কুমাৰ গোস্বামীৰ 'পৰিৱেশ সংৰক্ষণ'(পঞ্চদশ বছৰ, দ্বাদশ সংখ্যা), 'বন্যপ্ৰাণী সুৰক্ষা আইন'(ষষ্ঠদশ বছৰ, দ্বিতীয় সংখ্যা), 'বন সংৰক্ষণ' (ষষ্ঠদশ বছৰ, ষষ্ঠ সংখ্যা) আদি আইনৰ বিষয়সমূহে শিশুসকলৰ মাজত সজাগতা সৃষ্টিত সহায় কৰিছে।

২.০ পৰিৱেশ সম্পৰ্কীয় ৰচনাৰ প্ৰভাৱঃ

মৌচাকত প্ৰকাশিত পৰিৱেশ সম্পৰ্কীয় ৰচনাসমূহে শিশুৰ মাজত এক জাগৰণৰ সৃষ্টি কৰিছিল। জন্মদিনত

মৌচাকৰ পদুৱৈসকলে গছপুলি ৰোপণৰ যোগেদি এক আনন্দদায়ক পৰিৱেশৰ সৃষ্টি কৰিছিল। 'ৰবীন পখীৰ কাকলি' শিতানো শিশুৰ মাজত যথেষ্ট জনপ্ৰিয় হৈছিল আৰু শিশুসকলে প্ৰকৃতিৰ প্ৰতি আত্মীয়তা অনুভৱ কৰাৰ লগতে জীৱ-জন্তুৰ প্ৰতি দয়ালু হ'বলৈ শিকিছিল। ৰবীন বেনাজীৰ বৈচিত্ৰ্যময় জীৱন কাহিনীয়ে শিশুক অভিভূত কৰাৰ লগতে বন্যপ্ৰাণী প্ৰেমৰ প্ৰতি আকৰ্ষিত কৰিছিল। মৌচাকলৈ পঠোৱা অকণিহঁতৰ চিঠি পত্ৰৰ শিতানৰ যোগেদি তেওঁলোকৰ পৰিৱেশৰ প্ৰতি ইতিবাচক চিন্তাৰ প্ৰকাশ লক্ষ্য কৰা যায়। তদুপৰি মৌচাক মামালৈ পঠোৱা 'বন্য-প্ৰাণী সপ্তাহত মণিকা, দিগন্ত আৰু ধ্ৰুৱজ্যোতিলৈ সন্মান' নামৰ চিঠিখনত তেওঁলোকে বানপানীত উটি অহা পহু ধৰি বন-বিভাগক গটাই দি পুৰস্কাৰ লাভ কৰাৰ বাতৰি প্ৰকাশ হৈছে। এনে খবৰে আলোচনীখনৰ জৰিয়তে আন শিশুকো অনুপ্ৰাণিত কৰিব পাৰে।

৩.০ উপসংহাৰঃ

'পৰিৱেশ আন্দোলনত *মৌচাক* আলোচনীৰ ভূমিকা' বিষয়টোৰ আলোচনাৰ পৰা দেখা গ'ল যে, *মৌচাক* আলোচনীখনে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। আলোচনীখনত সন্নিৱিষ্ট বিভিন্ন শিতানৰ যোগেদি স্পষ্ট হয়, শিশুসকলক লগত লৈ সম্পাদক শান্তনু তামূলীয়ে এক পৰিৱেশ আন্দোলনৰ সূচনা কৰিছিল। আনন্দদায়ক পৰিৱেশৰ সৃষ্টি কৰি শিশুৰ মাজত গছপুলি ৰোপণৰ অভ্যাস গঠন কৰিছিল। শিশুসকলো পৰিৱেশক লৈ অধিক সচেতন আৰু দায়িত্বশীল হৈ পৰিল। মৌচাকত প্ৰকাশিত অন্যান্য ৰচনা, যেনে- শিশু নাটক, শিশু উপন্যাস আদিতো পৰিৱেশ সম্পৰ্কীয় বিষয়ৰ উপস্থাপন দেখা পোৱা যায়। আশী দশকৰ সময়ছোৱাত মানুহৰ মাজৰ এই বিষয়ক সজাগতা সৃষ্টি হোৱাই নাছিল। কিন্তু সম্পাদক তামূলীয়ে মৌচাক শিশু আলোচনীৰ মাধ্যমেৰে শিশুৰ মাজত এক প্ৰবল আলোড়নৰ সূচনা কৰিলে। এনেদৰে 'মৌচাক'ৰ যোগেদি সাহিত্য জগতত পৰিৱেশ আন্দোলনৰ শুভাৰম্ভ কৰা হৈছিল।

প্ৰসংগ সূত্ৰঃ

১. শান্তনু তামূলী(সম্পাদক), মৌচাক, প্ৰথম বছৰ, চতুৰ্থ সংখ্যা, পৃ-২
২. উল্লিখিত, পঞ্চম বছৰ, দ্বিতীয় সংখ্যা, পৃ-৩১
৩. উল্লিখিত, প্ৰথম বছৰ, তৃতীয় সংখ্যা, পৃ-৩৮
৪. উল্লিখিত, দ্বাদশ বছৰ, দ্বাদশ সংখ্যা,পৃ-৪
৫. উল্লিখিত, সপ্তদশ বছৰ, দ্বিতীয় সংখ্যা, পৃ-৪

গ্ৰন্থপঞ্জীঃ

আধাৰ গ্ৰন্থঃ

তামূলী, শান্তনু (সম্পা.), **মৌচাক** ঃ (১৯৮৪-২০০০ চনলৈকে), অসম প্ৰিন্টিং ৰৰ্কছ প্ৰাঃলিঃ, যোৰহাট ।

প্ৰাসংগিক গ্ৰন্থঃ

তামূলী, শান্তনু, **অসমীয়া শিশু সাহিত্যৰ সমীক্ষা,** যোৰহাট ঃ মৌচাক প্ৰকাশন, ২০১০ মুদ্ৰিত।

মহন্ত, প্ৰশান্ত কুমাৰ (সম্পা.), **শান্তনু তামূলীৰ শিশু-সাহিত্য ইত্যাদি,** যোৰহাট ঃ ঋতম, ২০২২ মুদ্ৰিত।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

দশৰথ দাসৰ গীত ঃ এটি অধ্যয়ন

ড° হীৰেন দাস
সহকাৰী অধ্যাপক, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, ধুবুৰী গোট

সাৰাংশ

দশৰথ দাস আছিল এগৰাকী গীতিকাৰ,গায়ক তথা অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ আৰু বোলছবি জগতৰ বিশিষ্ট সংগীত পৰিচালক। দীৰ্ঘদিন ধৰি তেওঁ সৃষ্টিশীল ৰচনাৰে সংগীতৰ ক্ষেত্ৰখনত সুৰকাৰৰূপেও প্ৰতিষ্ঠা লাভ কৰি খ্যাতি অৰ্জন কৰিছে। তেওঁৰ 'স্নেহ বন্ধন','প্ৰেয়সী' নাটৰ গীতবোৰক লৈ 'হিটচ্ অৱ আৰাহন' নামৰ এখন কেচেট ওলাইছিল, আৰু সেই কেচেটখনে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল। বিশেষকৈ কেচেটখনত থকা 'চন্দ্ৰা ও চন্দ্ৰাবলী, ঝিকিমিকি জোনাক ৰাতি','স্নেহ বন্ধন চিঙি যায়', 'মৰম এনাজৰী চিঙি যোৱা নাই' গানবোৰে অসমীয়া সংগীত জগতত বিশেষভাৱে সমাদৰ লাভ কৰিছিল।

বীজশব্দঃ দশৰথ দাস, গীত, ভ্ৰাম্যমাণ থিয়েটাৰ, বোলছবি।

০.০ অৱতৰণিকাঃ

০.১ বিষয়বস্তুৰ পৰিচয়ঃ

সংগীত মানৱ জীৱনৰ মানসিক শান্তিৰ মহৌষধ। গীতে মানুহক আদিম যুগৰ পৰাই মানুহৰ কৰ্মশক্তিক শক্তিশালী কৰি আহিছে। সেয়ে গীত মানুহৰ শ্ৰেষ্ঠতম প্ৰিয় কলা। আনপিনে, নাটকো হ'ল মানুহৰ জীৱনৰ নৈতিক প্ৰমূল্যবোধৰ সাৰ্থক প্ৰতিফলন। নাটকে মানুহক চৰিত্ৰৱান, সৎ হৈ জীৱন পথত আগবাঢ়িবলৈ প্ৰেৰণা দিয়ে। সেয়ে নাটকত সন্নিবিষ্ট গীতসমূহে মানুহৰ জীৱনৰ কথা কয় । দশৰথ দাসৰ গীতসমূহ যিহেতু নাটকৰ লগত জড়িত, সেয়ে তেওঁৰ গীতসমূহ মূলত ঃ মানৱ-জীৱন সম্পৰ্কিত প্ৰেম বিষয়কেন্দ্ৰিক। তেখেতৰ গীতসমূহ প্ৰেম বিষয়ক হ'লেও সেয়া অৰ্থবহ মানবিশিষ্ট। এই ক্ষেত্ৰত অধ্যাপক অজিত তালুকদাৰৰ এযাৰ কথা উল্লেখনীয়, *"দশৰথ দাসৰ ৰচনাশৈলী মানবিশিষ্ট, ভাষাৰ প্ৰয়োগ স্থান-কাল চৰিত্ৰানুগ। ভাৱ প্ৰকাশৰ বাবে সুষম, অৰ্থবহ শব্দচয়নৰ দিশটো মনকৰিবলগীয়া। এজন সফল গীতিকাৰ, সু�ৰস্ৰষ্টা দশৰথ দাসৰ, নৃত্য-নাটিকা,গীত বা সংকলন সন্নিবিষ্ট ৰচনাৰাজি পঢ়ি নিশ্চয় আনন্দিত হ'ব।"*[১] আমাৰ এই আলোচনাত দশৰথ দাসৰ গীতৰ সামগ্ৰিক বিশ্লেষণ এটি আগবঢ়াবলৈ শ্ৰেষ্টা কৰা যাব।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

দশৰথ দাসৰ গীত ঃ এটি অধ্যয়ন — শীৰ্ষক অধ্যয়নৰ বাবে মূলত ঃ তলত দিয়া উদ্দেশ্যসমূহক বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। যেনে—

ক) অসমীয়া গীতি সাহিত্যত দশৰথ দাসৰ গীতৰ স্থান সম্পৰ্কে নিৰূপন কৰা।

খ) দশৰথ দাসৰ গীতৰ জৰিয়তে সমসাময়িক অসমীয়া সমাজ-জীৱন সম্পৰ্কে বিচাৰ কৰা ।

গ) অসমীয়া নাট্য আৰু বোলছবি জগতত দশৰথ দাসৰ গীতৰ প্ৰভাৱ সম্পৰ্কে যথোচিত বিচাৰ কৰা।

০.৩ অধ্যয়নৰ গুৰুত্বঃ

সাধাৰণতে দেখা যায়, অনেক প্ৰতিভা সম্পন্ন বিশিষ্টব্যক্তি প্ৰচাৰ আৰু সমালোচকৰ যথোচিত বিচাৰৰ অভাৱৰ বাবে কালৰ সোঁতত হেৰাই যায়। দশৰথ দাস এগৰাকী প্ৰচাৰবিমুখ শিল্পী। তৎসত্তেও তেওঁৰ গীতৰ জনপ্ৰিয়তা,

****

প্রাসংগিকতা লেখতল'বলগীয়া। সেয়ে হয়তো তেওঁৰ গীতৰ বিশেষ আলোচনা হোৱা নাই। এই উদ্দেশ্যৰে দশৰথ দাসৰ গীতৰ আলোচনা কৰিবলৈ লোৱা হৈছে।

০.৪ অধ্যয়নৰ পদ্ধতিঃ

গৱেষণা পত্রখন প্রস্তুত কৰোতে মূলতঃ বিশ্লেষণাত্মক আৰু বর্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

০.৫ তথ্য আহৰণৰ উৎসঃ

তথ্য আহৰণৰ উৎসৰূপে সৰোজ মোহন দাসে সংকলন আৰু সম্পাদনা কৰা দশৰথ দাসৰ 'ভাবনা বিচিত্রা' গ্রন্থখন মূল আধাৰ ৰূপে লোৱা হৈছে।

১. মূল বিষয়ৰ আলোচনাঃ

দশৰথ দাস শিল্পকলা, ভাষা-সাহিত্য-সংস্কৃতিৰ সামগ্রিক প্রতিভাৰে সমৃদ্ধ এক বর্ণাঢ্য ব্যক্তিত্বৰ অধিকাৰী। তেওঁ ৰচনা কৰা গীতসমূহ মূলত ঃ নাটক,বোলছবি উপযোগীকৈ ৰচনা কৰা। সেয়ে গীতসমূহ নাটক বা বোলছবিৰ কাহিনী তথা পৰিৱেশৰ উপযোগীকৈ ৰচনা কৰা। সেয়ে গীতসমূহ নাটক বা বোলছবিৰ উপযোগীকৈ লিখিব লগা হয়। দশৰথ দাসে ১৯৮০ চনত 'স্নেহ-বন্ধন' নাটকখনৰ বাবে লিখা আৰু পৰৱর্তী ১৯৮২ চনত প্রকাশিত 'হিটছ অৰ আৰাহন' কেছেটত সন্নিৱিষ্ট 'মৰম এনাজৰী' দ্বৈত কণ্ঠৰ ৰোমাণ্টিক গীত এটিৰ একাংশ ইয়াত উল্লেখ কৰা হ'ল—

"নাৰীকণ্ঠ ঃ মৰম এনাজৰী
ছিঙি যোৱা নাই
মই তোমাৰ মনৰ মাজত
আছোঁ যে লুকাই ।
পুৰুষকণ্ঠ ঃ চেনেহৰ চিৰযুগমীয়া বন্ধন ।
নিছিগে, ছিগা নাই
তোমালে' আছোঁ বাট চাই" [২]
নিছিগে, ছিগা নাই
তোমালে' আছোঁ বাট চাই" [২]

দাসৰ গীতটিৰ ভাষা অতি সহজ-সৰল। গীতৰ মাজেৰে গীতিকাৰৰ সৰল মনৰ উমান পোৱা যায়। এগৰাকী যৌৱনপ্রাপ্ত ডেকা-গাভৰুৰে নিজৰ প্রিয়জনক আপোন কৰি লোৱাৰ অপেক্ষাত কিদৰে সময় পাৰ কৰিছে, তাৰ সার্থক চিত্র গীতিকাৰ দশৰথ দাসে সুন্দৰভাৱে প্রতিফলিত কৰিছে। একেদৰে, ১৯৬৩ চনত ৰচনা কৰা আৰু 'হিটছ অৰ আৰাহন' কেছেটত মুক্তিপোৱা 'গোলাপ তোমাৰ সুৱাসেৰে' গীতটিতো গীতিকাৰে তেওঁৰ প্রেয়সীক ক'ব লগা অনেক কথা যে ক'ব নোৱাৰিলে, তাৰ সঠিক চিত্র এখনি দেখুৱাই দিছে। গীতিকাৰে লিখিছে—

"মন মোৰ আজি শ্রান্ত
জীৱনৰ ৰথ হ'ল আজি দিকভ্রান্ত
অনেক আশা হ'ল ভাষাহীন
বহুতো নহ'ল কোৱা
নতুন পাহিৰ হাঁহিৰে তোমাৰ
মন মোৰ ৰেঙোৱা" [৩]

প্রেমিক গীতিকাৰজনে তেওঁৰ প্রেয়সীক কৈছে, যি কথাৰ বাবে তেওঁৰ মন পিছলি যাব পাৰে, তেনে কথা যাতে তেওঁক কেতিয়াও নকয়। সাধাৰণতে, কথা ক'ব নজনাৰ বাবেই বহুত ভাল সম্পর্ক ভাঙি যায়। সেয়ে গীতিকাৰে তেওঁৰ প্রেয়সীক সঁকীয়াই দিছে যে, কোনো কথাৰ বাবেই যাতে গীতিকাৰে তেওঁৰ উদ্দেশ্যৰ পৰা বিচলিত হ'ব

লগা নহয়। সেয়ে তেওঁ লিখিছে—

"খোজবোৰ পিছলি যায়
মোৰ যাত্রাপথৰ দুয়োপাৰে
নুফুলে গোলাপ আৰু হায়
পংকিল পথত মোৰ নুশুনাবা সেই সুৰ
সেই কথাৰে নজগাবা
সেই কথা নক'বা।" [৪]

একেদৰে, দশৰথ দাসৰ ১৯৭৯ চনত লিখা 'নাই যেন আৰু নাহে ঘৃৰি' গীতটিত ব'হাগ বিহুৰ অৱক্ষয় চিত্র এখনি সুন্দৰভাৱে ফুটি উঠিছে। গীতিকাৰৰ ভাষাত এতিয়া বিহুত নাচনীৰ অতীতৰ নাচোনৰ উৎসাহ নাই। ঢোলবাদকৰো যেন ঢোলৰ প্রতি থকা অগাধ ভালপোৱা হেৰাই গ'ল। এয়া যেন জাতিৰ বাবে এক অশুভ বতৰা। গীতিকাৰে সেয়ে লিখিছে—

"আজিৰেই বিহু নাচনীৰ নাচোনৰ
ছন্দ হেৰাই গ'ল
আজিৰেই ঢোল বজোৱাজনৰে
শকতি নোহোৱা হ'ল
সেয়ে বিহুতে নুঠে যে ৰোল
কিয় এনে হ'ল
এয়া কিহৰে চিন!" [৫]

১৯৭৯ চনত ৰচনা কৰা আৰু ১৯৮৩ চনত 'সেন্দুৰ' বোলছবিত সন্নিৱিষ্ট দশৰথ দাসৰ এটি উল্লেখনীয় গীত হ'ল —"এই বৃষ্টি ৰিম ঝিম"। গীতটিত বৃষ্টিয়ে যিদৰে ধৰণীৰ ধূলি-মাকতি ধুই পখালি নিকা কৰে, সেইদৰে গীতিকাৰে বৃষ্টিৰ তালে-তালে বিজুলী হৈ এন্ধাৰ ধৰণীত পোহৰ সিঁচাৰ কথা কৈছে। গীতটিত প্রৱল আশাবাদ লক্ষ্য কৰা যায়। যেনে—

" বৃষ্টিমুখৰ এই আকাশ বুকুত
বিজুলীৰ ৰেখাটি আঁকিম
আকাশৰ বুকুতে নাচিম
যেন আকাশ বুকুৰে নাচিম
এন্ধাৰ ধৰাৰ বুকুত
বিজুলী পোহৰ সিঁচি
গীত গাম ন- পোহৰৰ ।" [৬]

একেদৰে, ১৯৮০ চনত 'স্নেহ-বন্ধন' নাটকৰ বাবে লিখা 'স্নেহ-বন্ধন ছিঙি যায়' গীতটিত আপোনজনক নিয়তিৰ বাবে চিৰদিনৰ কাৰণে হেৰুৱাব লগা হোৱাত হেৰুৱাজনৰ বেদনা অতি সুন্দৰৰূপত নাটকীয় কাহিনীৰ স'তে ৰজিতা মিলাই লিখিছে—

"স্নেহ-বন্ধন ছিঙি যায়
অহা-যোৱা দুটি বাটে
দিয়ে সঁকীয়াই
তথাপি মনে বুজনি নামানে

নীৰৰে উচুপে জীৱনে । (দশৰথ দাসৰ ভৱনা বিচিত্ৰা, পৃষ্ঠা, ৩৬)

একেদৰে, দশৰথ দাসৰ 'মৰম তৃষ্ণা' নাটখনিৰ বাবে ১৯৭৯ চনত ৰচনা কৰা "হে' অচিনাকী বন্ধু"—গীতটিত প্ৰকৃত বন্ধুৰ ক্ষেত্ৰত মৰম-ভালপোৱাই যে শ্ৰেষ্ঠ, সেই কথা অতি সুন্দৰ ৰূপত প্ৰকাশ কৰিছে। গীতটিত আছে—

"মৰম জ্যোতিৰে উজলোৱা মোৰ প্ৰাণ
এন্ধাৰ পথত মোৰ
সিয়ে হ'ব প্ৰতিদান
চেনেহ এনাজৰীৰে তোমাৰ
মোক কৰা আৱদ্ধ।" (দশৰথ দাসৰ ভৱনা বিচিত্ৰা, পৃষ্ঠা, ৩৮)

১৯৮৯ চনত লিখা 'লিহিৰি' নামৰ কেছেটত সন্নিৱিষ্ট আৰু ৰাণু বৈশ্যই কণ্ঠদান কৰা "লিহিৰি লিহিৰি বিৰিণা বন" আৰু "জিৰি জিৰি অ" গান দুটি দশৰথ দাসৰ সাৰ্থক সৃষ্টি। দুয়োটি গীততে প্ৰকৃতিৰ নিভাঁজ চিত্ৰ দুখন অতি সুন্দৰ ৰূপত ফুটি উঠিছে। ইয়াৰে প্ৰথম গীতটিত আছে—

"লিহিৰি লিহিৰি বিৰিণা বন
তোৰে স'তে হালি-জালি
নাচে আলসুৱা মোৰ মন।" (দশৰথ দাসৰ ভৱনা বিচিত্ৰা, পৃষ্ঠা, ৪২)

আনপিনে, "জিৰি জিৰি অ" গানটিতো অতি সুন্দৰৰূপত প্ৰেমৰ চিত্ৰএখনি প্ৰকাশ পাইছে এইদৰে—

"ৰিং মাৰি মাতিলে কোনে
বুজনি নেমানে মনে
যাওঁ কি নেযাওঁ ভাৱনাতে
মন কঁপে ঘনে ঘনে" (দশৰথ দাসৰ ভৱনা বিচিত্ৰা, পৃষ্ঠা, ৪৩)

'আৱাহন' থিয়েটাৰ অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ জগতৰ লব্ধ প্ৰতিষ্ঠিত জাতীয় অনুষ্ঠান। ১৯৮০ চনত এই থিয়েটাৰৰ শুভাৰম্ভ উপলক্ষে পৰিৱেশিত দশৰথ দাসৰ "সুন্দৰে যে ফুলাৰ মন্ত্ৰ"—শীৰ্ষক গীতটিত গীতিকাৰৰ আশা ফলপ্ৰসূ হোৱা বুলি ক'ব পাৰি—

"তুমি সৃষ্টি কৰা
বৰ্ণালী স্বৰ্ণালী
ন দিগন্ত
ন ন ৰূপেৰে মহান
তুমি অনন্ত ।" *(দশৰথ দাসৰ ভৱনা বিচিত্ৰা, পৃষ্ঠা, ৪৫)*

একেদৰে, ১৯৯১ চনত ৰচিত আৰু 'নাগিনীৰ অমৃত দংশন' নাটখনিত সন্নিৱিষ্ট "অ' মায়াবী নৈ"—গীতটিও সুৰৰ পিনৰ পৰা অনন্য। গীত টিত আছে—

"অ' মায়াবী নৈ
নে নে ভটিয়াই
নানিবি ঘোৰ অমানিশা
নানিবি নমাই ।"(দশৰথ দাসৰ ভৱনা বিচিত্ৰা, পৃষ্ঠা, ৪৮)

'ৰে'লৰ আলিৰ দূৰৰি বন' শীৰ্ষক বোলছবিত সন্নিৱিষ্ট দশৰথ দাসৰ 'হৃদয় নামে এখনি' গীতটি এটি উৎকৃষ্ট ৰোমাণ্টিক গীত বুলিব পাৰি। গীতটিৰ ভাষা,সুৰ অতি উন্নত । গীতিকাৰ দাসে লিখিছে—

"হৃদয় নামে এখনি
বৈ যোৱা বোৱাঁতি নৈ
নাজানো হঠাতে কিয়
থমকি থমকি ৰৈ
গতি হেৰুৱাই।" (দশৰথ দাসৰ ভৱনা বিচিত্রা, পৃষ্ঠা, ৫২)

১৯৭৯ চনত দশৰথ দাসে 'চন্দ্রগ্রহণ' নাটখনিৰ বাবে ৰচনা কৰা 'বহুতো আশাৰে বহুতো হেঁপাহেৰে' গীতটিৰ মাজেৰে সমাজবাস্তৱতাৰ এখন জীৱন্ত চিত্র প্রকাশ পাইছে এইদৰে—

"বহুতো আশাৰে বহুতো হেঁপাহেৰে
বান্ধিছিলি ঘৰ
আজি আপোন ঘৰৰ আপোনজনেই
হৈ যায় পৰ ।" (দশৰথ দাসৰ ভাবনা বিচিত্রা, পৃষ্ঠা, ৬৩)

ইয়াৰ উপৰিও, দশৰথ দাসৰ 'শকুন্তলা' নৃত্য নাটিকাত সংযোজিত 'কুঞ্জ বনে বনে','পাপ' নাটকত 'এই উতলা ফাগুণ', 'নিৰিবিলি নিৰিবিলি','দুৰ্বাৰ এই গতি দুর্নিবাৰ', 'মোৰ দুচকু ভৰি','নীলা নীলা বিশাল আকাশ', 'বনপখী নাচি নাচি যা','সৌৱা কুঁৱলী ভৰা','সোঁৱৰণি মাথোঁ নহ'বা তুমি','আলফুলীয়া কুমলীয়া','এই ব'হাগে সানি দিলে', 'জীৱন বাটত নানা ৰং','ৰাম তুমি শ্যাম','কিয়নো পাতিলি কামনাৰ মায়াজাল','পখীটি অ' উৰণীয়া','এই ক্ষণে ঘনে ঘনে','ধিনিকি ধিনদাও ধিনদাও','কি যে শুৱনি তোৰ মুখনি' আদি গীতে দশৰথ দাসৰ শিল্পীসত্তাক চহকী কৰিছে।

২. উপসংহাৰঃ

দশৰথ দাস আছিল জনতাৰ শিল্পী। আশীৰ দহকতে ভ্রাম্যমাণ থিয়েটাৰত গীত গাই, সুৰ দি অসমীয়া ভ্রাম্যমাণ থিয়েটাৰক জনসমাজত প্রতিষ্ঠিত কৰাৰ ক্ষেত্রত দশৰথ দাসৰ অ ৱদান উল্লেখনীয়। জনতাৰ প্রাণত থকা শিল্পীগৰাকীৰ প্রচাৰ বিমুখিতাৰ বাবে নতুন প্রজন্মৰ মাজত তেখেতৰ গীত,নাট, কবিতা, প্রবন্ধ তথা ৰচনাৰাজিৰ বৌদ্ধিক আলোচনা হোৱা দেখা নাযায়।

প্রসংগটোকাঃ

১. সৰোজ মোহন দাস (সংকলন আৰু সম্পাদনা) ঃ দশৰথ দাসৰ ভৱনা বিচিত্রা, পৃষ্ঠা, ২১
২. ঐ, পৃষ্ঠা, ২৫
৩. ঐ, পৃষ্ঠা, ২৬
৪. ঐ, পৃষ্ঠা, ২৯
৫. ঐ, পৃষ্ঠা, ৩৩
৬. ঐ, পৃষ্ঠা, ৩৫

গ্রন্থপঞ্জীঃ

মূলগ্রন্থ

দাস, সৰোজ মোহন (সংকলন আৰু সম্পাদনা) ঃ **দশৰথ দাসৰ ভৱনা বিচিত্রা**, পাঠশালা, প্রথম প্রকাশ,২০২২, মুদ্রিত।

প্রাসংগিক গ্রন্থ

গোস্বামী, লোকনাথ ঃ **অসমীয়া আধুনিক সংগীতৰ ইতিহাস**, গুৱাহাটী, ৰেখা প্রকাশন, প্রথম প্রকাশ,২০১৬, মুদ্রিত।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ভূপেন হাজৰিকাৰ গীতৰ বিষয় বৈচিত্র্য বিচাৰ

প্রতিম শইকীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
মেলামৰা মহাবিদ্যালয়, গোলাঘাট, অসম

সাৰাংশ

আধুনিক অসমীয়া গীতি সাহিত্যৰ সূচনা হৈছিল জোনাকী যুগত। জোনাকী যুগৰ সমসাময়িক সময়ত অর্থাৎ ১৮৮৮ চনত সত্যনাথ বৰাই ৰচনা কৰা 'গীতাৱলী' নামৰ পুথিয়েই আধুনিক অসমীয়া গীতি সাহিত্যৰ প্রথম পুথি। অসমীয়া গীতি সাহিত্যই অসমীয়া লোক সাহিত্যৰ অন্তর্গত মৌখিক বা লোকগীত-মাতবোৰৰ যোগেদিয়েই অত্মপ্রকাশ লাভ কৰিছিল যদিও সেই গীতবোৰত বিষয়ৰ বৈচিত্র্য বৰ বিশেষ নাছিল। ইয়াৰ পৰৰ্বতী লিখিত সাহিত্যাৰ সময়ত উপলব্ধ চর্যাগীতবোৰো বৌদ্ধ ধর্মৰ সহজযান পন্থৰ ধর্ম সাধনাৰ গীত । চুফী সাহিত্যৰ গীতবোৰো ধর্মীয় প্রভাৱযুক্ত আছিল। বিভিন্ন বিষয়ক কেন্দ্র কৰি গীত ৰচনাৰ পৰিৱেশ সৃষ্টি হৈছিল জোনাকী যুগৰ পৰা। এই সময়ছোৱাত সাহিত্যৰ ক্ষেত্রলৈ যিদৰে পশ্চিমীয়া ৰমন্যাসিক ভাৱধাৰাৰ আগমন হৈইছিল ঠিক তেনেদৰে অসমীয়া গীতি সাহিত্যইও নতুন ৰূপ পৰিগ্রহণ কৰিছিল। সত্যনাথ বৰাৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰী ৰায় চৌধুৰী, জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা, পার্বতিপ্রসাদ বৰুৱা, ভূপেন হাজৰিকা আৰু অতি সাম্প্রতিক সময়ৰ জুবিন গার্গ আদিলৈকে অসংখ্যজন গীতিকাৰে বিবিধ বিষয়ক গীতৰ মাজেৰে প্রকাশৰ প্রচেষ্টা কৰিছিল। বিংশ আৰু একবিংশ শতিকাৰ প্রথম দশকত অসমীয়া গীতি সাহিত্যক সম্পদশালী কৰা ভূপেন হাজৰিকাৰ গীতৰ মাজেৰে প্রকাশ পোৱা বিভিন্ন বিষয়বোৰ বিচাৰ কৰি চোৱাই এই লেখাৰ সংক্ষিপ্তসাৰ।

বীজ শব্দ ঃ ভূপেন হাজৰিকা, গীত, বিষয়, বৈচিত্র্য

০.০ অৱতৰণিকা

০.১ বিষয়ৰ পৰিচয়

আধুনিক অসমীয়া গীতি সাহিত্যক সম্পদশালী কৰা গীতিকাৰসকলৰ ভিতৰত আছিল ভূপেন হাজৰিকা অন্যতম। কৈশোৰ কালতেই তেজপুৰত শিক্ষাগ্রহণ কৰি থকাৰ সময়তে 'কুসুম্বৰ পুত্র শ্রীশঙ্কৰ গুৰুৰে ধৰিছিল নামৰে তান' নামৰ শঙ্কৰৰ প্রশস্তিমূলক গীতটিৰে গীতিকাৰ হিচাপে অত্মপ্রকাশ কৰা হাজৰিকাই সমগ্র জীৱন কালত একাধিক বিষয়বস্তুক লৈ অজস্র গীত ৰচনা কৰি অসমীয়া গীতি সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছিল। স্বকীয় চিন্তা-চেতনাৰে বিবিধ বিষয়ক লৈ ৰচনা কৰা গীতবোৰক স্বকীয় সুৰ দি নিজৰ সুৰীয়া কণ্ঠৰে গাই শ্রোতা-দর্শকৰ হৃদয়ত এখন সুকীয়া আসন দখল কৰিছিল হাজৰিকাই। হাজৰিকা যদিও বহুমুখী প্রতিভাৰে পৰিপুষ্ট ব্যক্তি আছিল তথাপিও আনবোৰ দিশতকৈ গীতিকাৰ, সুৰকাৰ, গায়ক, বোলছবি পৰিচালক হিচাপেহে তেওঁক জনতাই বেচিকৈ আদৰি লৈছিল। সেই কথা হাজৰিকাই নিজে স্বীকাৰ কৰি গৈছে এনেদৰে- *'নিজৰ কথাতো বাদেই মোক গোটেই জীৱন চেনেহেৰে আৱৰি ৰখা ৰাইজে দেখোন গানৰ ভূপেন হাজৰিকাটোকহে বাকীবোৰৰ পৰা সদায়েই ওপৰত ঠাই দি ৰাখিলে। মই নভৱাকৈয়ে সঙ্গীতেই হ'লগৈ মোৰ জীৱন আৰু জীৱিকা। গীতেই মোৰ জীৱনৰ বৃত্তপথ। সদায়েই দেখি আহিছোঁ- মই গীত গাবই লাগিব- লিখিবই লাগিব গীত। মোৰ প্রকাশনৰ প্রধান মাধ্যম হৈ পৰিল গীত*

****

আৰু মোৰ কণ্ঠ। সেই গীতৰেই সমাজক সদায় ন-ৰূপ দিয়াৰ প্ৰয়াস কৰি আহিছোঁ, নিজৰ সৈতে আওৰাই লৈ যাৰ খুজি আহিছোঁ নতুনৰ বাট বোলাসকলক।' [১]

'জনতাৰ শিল্পী', সমাজক সদায়েই ন-ৰূপ দিবলৈ নিজৰ চেতনাক জাগ্ৰত কৰি ৰখা ভূপেন হাজৰিকাই বিভিন্ন বিষয়ক লৈ বিভিন্ন সময়ত একাধিক 'কালজয়ী' গীত ৰচনা কৰিছিল। বিষয়বস্তুৰ বৈচিত্ৰ্যই তেওঁৰ গীতক অনন্য মাত্ৰা প্ৰদান কৰিছিল। হাজৰিকাৰ গীতত দেখা পোৱা বিষয় বৈচিত্ৰ্যৰ এক সম্যক আলোচনা আগবঢ়োৱাই হ'ব এই আলোচনা পত্ৰৰ মূল বিষয়।

০.২ আলোচনাৰ লক্ষ্য আৰু উদ্দেশ্য

এই আলোচনা পত্ৰৰ যোগেদি নিম্নলিখিত বিষয় কেইটা স্পষ্ট হোৱাৰ আশাৰে আলোচনাৰ লক্ষ্য আৰু উদ্দেশ্য স্থিৰ কৰা হৈছে। সেইকেইটা হ'ল-

ক) আধুনিক অসমীয়া গীতি সাহিত্যৰ বিকাশত ভূপেন হাজৰিকাৰ অৱদানৰ সম্যক আভাস পৰিস্ফুট হ'ব।

খ) ভূপেন হাজৰিকাৰ গীতত প্ৰাধান্য পোৱা বিভিন্ন বিষয়বোৰ সামগ্ৰিকভাৱে চিত্ৰিত হ'ব।

গ) অসমৰ লগতে বিশ্বৰ বিভিন্ন ঐতিহাসিক ঘটনাই হাজৰিকাৰ শিল্পীসত্তাক কেনেদৰে জাগৃত কৰিছিল সেই কথা চিত্ৰিত হোৱাৰ লগতে সেই ঘটনাৰ আলমত তেওঁ ৰচনা কৰা গীতৰ মাজত লুকাই থকা আন আন আনুষঙ্গিক দিশবোৰো পোহৰলৈ অহাৰ আশা কৰা হৈছে।

০.৩ আলোচনাৰ পৰিসৰ

ভূপেন হাজৰিকাৰ গীতৰ বিষয়বস্তুৰ পৰিসৰ বহু বিস্তৃত। এই বহুল পৰিসৰক এখন আলোচনা পত্ৰৰ সীমিত পৰিসৰৰ মাজত যথাযথভাৱে উপস্থাপন কৰাতো সম্ভৱপৰ নহয়। তেওঁৰ গীতৰ সামগ্ৰিক বিষয় বৈচিত্ৰ্যৰ মাজৰ পৰা কেইটামান প্ৰধান বিষয়ক আলোচনাৰ মাজত সামৰি ল'বলৈ চেষ্টা কৰা হৈছে

০.৪ অধ্যয়নৰ পদ্ধতি

আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে দুটা পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে,

ক) তথ্য আহৰণৰ পদ্ধতি আৰু খ) তথ্য বিশ্লেষণৰ পদ্ধতি।

তথ্য আহৰণৰ পদ্ধতিত কেৱল গৌণ বা দ্বিতীয় উৎসৰ সহায় লোৱা হৈছে। আহৰিত তথ্যৰ বিশ্লেষণৰ কাৰণে মূলতঃ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক এই দুই পদ্ধতি প্ৰয়োগ কৰা হৈছে।

১.০ মূল বিষয়ৰ আলোচনা

আধুনিক অসমীয়া গীতি সাহিত্যৰ বিকাশৰ দ্বিতীয় স্তৰৰ এজন উল্লেখযোগ্য গীতিকাৰ, সু�ৰকাৰ আৰু গায়ক আছিল ভূপেন হাজৰিকা, যাৰ কণ্ঠই অসমৰ লগতে বিশ্বৰ জনতাৰ হৃদয় আলোড়িত কৰিছিল। অসমীয়া গীতি সাহিত্যৰ ক্ৰম বিৱৰ্তিত ধাৰাত শঙ্কৰ-মাধৱ, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভা আদিৰ নাম যিদৰে চিৰস্মৰণীয় ঠিক একেদৰে ভূপেন হাজৰিকাও সদা স্মৰণীয়। বিংশ শতিকাৰ কেইবাটাও দশকৰ পৰা একবিংশ শতিকাৰ প্ৰথম দশকলৈকে নিজস্ব শৈলীৰে গীত ৰচনা কৰি আধুনিক অসমীয়া গীতি সাহিত্যক প্ৰাণৱন্ত কৰি তোলা ভূপেন হাজৰিকা অন্যতম শ্ৰেষ্ঠ এজন গীতিকাৰ। গীত ৰচনাতে হাজৰিকাৰ প্ৰতিভা সীমাবদ্ধ নাছিল, ঈশ্বৰ প্ৰদত্ত এটা সুৰীয়া কণ্ঠৰে সেই গীতৰ সুৰ নিগৰাই অসমৰ জাতি-বৰ্ণ, ভাষা নিৰ্বিশেষে সৰ্বস্তৰৰ মানুহৰ হৃদয়ত এখন সুকীয়া আসনো অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। গীতিকাৰ ভূপেন হাজৰিকাৰ গীত সৃষ্টিৰ বিষয়বস্তু আহৰণৰ ক্ষেত্ৰখন আছিল বহুল পৰিসৰৰ। সমাজৰ শোষিত-নিস্পেষিতজনৰ জীৱন চৰ্যাৰ পৰা আৰম্ভ কৰি বিশ্বৰ বিভিন্ন ঘটনাক্ৰমক হাজৰিকাই তেওঁৰ গীতৰ বিষয় হিচাপে লৈ অজস্ৰ কালজয়ী গীত ৰচনা কৰিছিল। বিষয়বস্তুৰ বৈচিত্ৰ্যতাই তেওঁৰ গীতক সৰ্বস্তৰৰ মানুহৰ মাজত জনপ্ৰিয় কৰি তুলিছিল। হাজৰিকাৰ গীতসমূহৰ

বিষয়বস্তুক বিভিন্ন প্রকাৰে শ্রেণীবদ্ধ কৰিলেও তেওঁৰ গীতৰ মাজত নিম্নলিখিত বিষয়সমূহ পৰিস্ফুট হোৱা দৃষ্টিগোচৰ হয়-- ক) জাতীয় প্রেম, স্বদেশ প্রেম, খ) মানৱতাবাদ, মানৱ প্রেম, গ) প্রেম-প্রণয় বিষয়ক, ঘ) জনগোষ্ঠীয় সমন্বয় চেতনা, ঙ) খাটি খোৱা মানুহৰ জীৱন চর্যা, চ) লোকগীত আধাৰিত গীত, ছ) প্রকৃতিৰ ৰূপ চিত্রায়ক, জ) শিশুকেন্দ্রিক গীত আৰু ঝ) ঐতিহাসিক ঘটনা প্রবাহৰ লগত জড়িত গীত ইত্যাদি।

ক) জাতীয় প্রেম, স্বদেশ প্রেম

জাতিক ভালপোৱা, জাতিৰ প্রতি দায়িত্বশীল হোৱা, দেশমাতৃৰ প্রতি শ্রদ্ধাশীল হাজৰিকাই তেওঁৰ গীতৰ মাজেদি জাতীয় প্রেম তথা দেশপ্রেমৰ মুক্ত প্রকাশ কৰিছিল। জন্মভূমিৰ প্রতি থকা অপৰিসীম শ্রদ্ধা তেওঁৰ বহু গীতৰ মাজেদি ফুটি উঠিছে। বিয়াল্লিছৰ গণ আন্দোলনৰ পাছত দেশে স্বাধীনতা লাভ কৰিলে যদিও অর্থনৈতিক নিৰাপত্তা নিশ্চিত নোহোৱা শোষিত, নিপীড়িত মানুহৰ দুখ-দুর্দ্দশাত ব্যথিত হাজৰিকাই শোষণৰ বিৰুদ্ধাচৰণ কৰি গীত ৰচি সেই গীতৰ যোগেদি প্রতিবাদী কণ্ঠ নিগৰাই 'নতুন ভাৰত' গঢ়াৰ স্বপ্ন দেখিছিল।

'অগ্নিযুগৰ ফিৰিঙতি মই । নতুন অসম গঢ়িম
সর্বহাৰাৰ সর্বস্ব । পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।'[২]

হাজৰিকাই সাম্যবাদৰ এখন নতুন অসম গঢ়াৰ সপোন দেখিছিল। জাতি-বর্ণ, ভাষাহীন সেই সমাজ গঢ়াৰ অনুভৱক গীতৰ মাজেৰে প্রকাশ কৰিছিল এনেদৰে-

'হৰিজন, পাহাৰী, হিন্দু, মুছলিমৰ। বড়ো, কোঁচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৰাম। ভেদাভেদৰ প্রাচীৰ ভাঙি
সাম্যৰ সৱগ ৰচিম।'

দেশৰ অস্থিৰ অৱস্থা, দেশৰ দুখ-দুর্দ্দশাৰ বাস্তৱতাই হাজৰিকাৰ 'বুকু হম হমাই' তুলিছিল। গীতৰ মাজেৰেই তেওঁ মনৰ অস্থিৰতাৰ মুক্ত প্রকাশ কৰিছিল। এই বিলাকেই তেওঁৰ অন্তৰত জাগৰিত দেশপ্রেম। দেশৰ মান-মর্যাদা লাঘৱ হৈ সমাজলৈ নামি অহা কাল এন্ধাৰে গীতিকাৰৰ অন্তৰাত্মাক জোকাৰি গৈছিল। প্রতিবাদৰ অন্য উপায় বিচাৰি নোপোৱা হজৰিকাই গীতৰ মাজেৰেই সেয়ে কৈছিল-

'দেশৰে চন্দ্রমা কাল এন্ধাৰে আৱৰে
অগণি কালিকা দেহৰ ৰন্ধ্রে ৰন্ধ্রে চৰে
বুকু হম হম কৰে মোৰ আই
কোনে নিদ্রা হৰে মোৰ আই
পুত্র হৈ মই কি মতে তৰো
আই তোৰে হৈ মই মৰো।'

দেশ মাতৃৰ কাৰণে নিজৰ জীৱনকো উৎসর্গিত কৰিব বিচৰাজন প্রকৃতার্থতেই এজন দেশপ্রেমিক। 'আমি অসমীয়া নহওঁ দুখীয়া', 'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ', 'জোনাকৰে ৰাতি অসমৰে মাটি', 'মই হ'লো মাউৰা ল'ৰা মোৰ আই নাই', 'জিলিকাব লুইতৰে পাৰ' আদি হাজৰিকাৰ অজস্র গীতৰ মাজেদি জাতীয় প্রেম তথা দেশপ্রেমৰ ভাৱধাৰৰ মুক্ত প্রকাশ ঘটিছে।

খ) মানৱতাবাদ, মানৱ প্রেম

মানৱতাবাদৰ প্রকাশ ভূপেন হাজৰিকাৰ গীতৰ আন এক বিষয়। মানৱৰ মঙ্গল কামনা আৰু মানৱ সত্তাৰ ওপৰত প্রাধান্য দিয়াই মানৱতাবাদ। মানৱতাৰ জয়গান গাই মানুহে মানুহৰ প্রতি মৰম, ভালপোৱাৰ উদ্রেক কৰাৰ আহ্বান তেওঁৰ গীতত দেখা যায়। মানৱতাবাদৰ সমান্তৰালকৈ তেওঁৰ গীতত সমাজ সচেতন মনোভাৱো

প্রকাশিত হৈছে। সামাজিক বৈষম্য, অন্যায়-অবিচাৰৰ বিৰুদ্ধে হাজৰিকাৰ প্রতিবাদী মনে শব্দৰ ব্যঞ্জনাৰে মাজেৰে প্রকাশৰ বাট বুলিছে। 'মানুহ মানুহৰ বাবে' এই চিৰশ্বাশত ধাৰণাৰ ওপৰত ভিত্তি কৰি ১৯৬০-৬১ চনৰ অসমৰ ভাষা আন্দোলনৰ পটভূমিত লিখিছিল 'মানুহে মানুহৰ বাবে' গীতটি।

'মানুহে মানুহৰ বাবে । যদিহে অকণো নাভাৱে
অকণি সহানুভূতিৰে। ভাবিব কোনেনো কোঁৱা-সমনীয়া'[৩]

হাজৰিকাৰ মানৱ প্রেম প্রকাশক আন এক উল্লেখযোগ্য গীত হ'ল 'ভাঙ শিল ভাঙ' নামৰ গীতটি। গীতটিৰ যোগেদিও মানৱ প্রেম প্রকাশ পাইছে। প্রচণ্ড ৰ'দৰ তাপত শিল ভাঙি কঠোৰ পৰিশ্রমেৰে জীৱন নির্বাহ কৰা, 'শিলেৰে ইতিহাস ৰচোঁতা, 'সাম্যৰ ৰহণ সানোতা' মানুহবোৰৰ প্রতি হাজৰিকাৰ মনত আছিল গভীৰ সহানুভূতি। শিল ভঙা সৰু সৰু মানুহৰ শ্রমৰ মর্যাদা দিবলৈ সমাজৰ মানুহৰ সময় নোহোৱা কথাই তেওঁক ব্যথিত কৰি তুলিছিল। তেওঁলোকৰ প্রতি থকা সহানুভূতিৰে তেওঁ লিখিছিল-

'তাৰ ঘাম সৰা নঙঠা পিঠি। তপত ৰ'দত যায় ফাটি
কোমল ভৰিৰ তলুৱাত জ্বলে। তপত ৰঙা ৰঙা মাটি
তথাপি তোৰ নাই গুণ গাওঁতা'[৪]

এইবিলাক গীতৰ উপৰিও 'গঙ্গা মোৰ মা', 'যদি জীৱনে কান্দে', 'মই এটি যাযাবৰ', 'তৃতীয় শ্রেণীৰ যাত্রী', 'মানুহৰ মুকুতিৰ কথা', 'মানুহৰ ছাঁ দেখি কিয়', 'মোৰ গীতৰ হেজাৰ শ্রোতা' আদি অনেক গীতৰ মাজেৰে মানৱ প্রেমৰ বন্দনা ঘোষিত হৈছে।

গ) প্রেম-প্রণয় বিষয়ক

ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত 'আকাশী গঙ্গা বিচৰা নাই', 'বহুদিনৰ আগতে', 'মই যেতিয়া এই জীৱনৰ মায়া এৰি', 'মিঠা মিঠা ব'হাগৰ গীত এটিকে', তোমাৰ দেখো নাম পত্রলেখা', 'সুৰ নগৰীৰ সুৰৰ কুমাৰ', 'কলিৰ কৃষ্ণ', 'মৰম বিচাৰি', 'নতুন নিমাতী নিয়ৰৰে নিশা', 'অলিয়া বলিয়া মন', 'নতুন নাগিনী তুমি', 'তোমাৰ উশাহ কহুঁৱা কোমল', 'স্নেহে আমাৰ শত শ্রাৱণৰ', 'এটি কলি দুটি পাত', 'শ্বিলঙৰে মনালিছা লিঙডো', 'মাঘত দেখোঁ উৰুকা নহয়', 'ৰাধাচূড়াৰ ফুল গুজি', 'ৰুম জুম নেপুৰ বজাই', 'গৌৰীপুৰীয়া গাভৰু দেখিলোঁ', 'তুমি বিয়াৰ নিশাৰ' আদি অনেক গীতৰ বিষয় প্রেম-প্রণয়।

'প্রথম মৰমে যদি সঁহাৰি নেপায়
ভালপোৱা কিয় জানো মৰহি যায়।
এখন হিয়া আৰু এখন হিয়াই
মিলিলেহে মৰমে পূর্ণতা পায়।।'[৫]

হাজৰিকাই ৰচনা কৰা আৰু সমৰ হাজৰিকাই কণ্ঠদান কৰা এই গীতটিত প্রেমক কামনাৰ পৰা আঁতৰাই জীৱনৰ সাধনাৰূপত উপস্থাপন কৰা হৈছে।

'ই নহয় নহয় মাথোঁ কামনা । তুমি মোৰ জীৱনৰ সাধনা।
আজীৱন তুমি মই সুখী হম । তুমি জানো গমকে পোৱা নাই।।' (গীতাৱলী)

১৯৬৯ চনত ৰচনা কৰা 'ৰাধাচূড়াৰ ফুল গুঁজি' নামৰ গীতটিত চাহ জনগোষ্ঠীয় লোকৰ প্রতিনিধি ৰাধিকা আৰু জুগ্নুৰ নিভাঁজ প্রেম কাহিনীৰ লগতে ঝুমুৰ নৃত্যৰ কথাও হাজৰিকাই উল্লেখ কৰিছে এনেদৰে-

'ৰাধাচূড়া ফুল গুঁজি ৰাধাপুৰৰ ৰাধিকা
চাহ ৰাগিচাত ঝুমুৰ নাচি জুগনুক যাঁচে ফটিকা।
সেই ফটিকা প্রেম ফটিকা

****

তাত ভেজাল-তেজাল একো নাই
কৃষ্ণচূড়াৰ ৰঙৰ দৰে সঁচা ৰঙ চটিয়াই
জুগনু বোলা শিৰীষ গছত
ৰাধা যেন লতিকা...'

ৰাধিকা আৰু জুগনুৰ চিৰশ্বাসত এই প্রেম কাহিনীত উপমা অলংকাৰৰ ব্যৱহাৰ মন কৰিব লগীয়া। শব্দৰ প্রতীক আৰু ব্যঞ্জনাময়তাৰে গীতিকাৰে ৰাধিকাৰ প্রেমক ফটিকাৰ লগত তুলনা কৰিছে। জুগনুক শিৰীষ গছ আৰু ৰাধিকাক সেই গছত বগাই যোৱা লতিকাৰ লগত তুলনা কৰি হাজৰিকাই গীতটিক অধিক প্রাণবন্ত কৰি তুলিছে। 'ৰুম ঝুম নেপূৰ বজাই' নামৰ গীতটিৰ যোগেদি হাজৰিকাই চাওঁতালী গাভৰুৰ ৰূপ-সৌন্দর্য বর্ণনা কৰাৰ লগতে কৃষ্ণাই নামৰ এজন ডেকাই সেই গাভৰুক প্রেম নিবেদন কৰাৰ কথা অকপটে স্বীকাৰ কৰিছে এনেদৰে-

'ৰুম ঝুম নেপূৰ বজাই। ঝুম ঝুম ঝুমকা কঁপাই
ৰূপসী নৈৰ পাৰেদি। কোন চাওঁতালী গাভৰু যায়।'

ঘ) জনগোষ্ঠীয় সমন্বয় চেতনা

অসম তথা উত্তৰ-পূর্বাঞ্চলৰ জনজাতীয় জীৱন আৰু জনজাতীয় সমন্বয় চেতনাক বিষয় হিচাপে লৈ ভূপেন হাজৰিকাই বহুবোৰ গীত ৰচনা কৰিছিল। ভূপেন হাজৰিকাই উত্তৰ-পূৱৰ সাতোখন ৰাজ্যৰ সামৰি সেই সমন্বয়ৰ সেতু ৰচনা কৰিছিল।

'আই অ' আই আমি সাতোজনী জী
লুইতৰ বালিতে উমলি আছিলোঁ
ৰ'দ কাঁচিয়লিত বহি।'

পাহাৰ-ভৈয়ামৰ জনগোষ্ঠীয় সমন্বয় চেতনাৰে অৰুণাচল প্রদেশৰ পটভূমিত ৰচিত আন এটা গীত হ'ল-

'চিয়াঙৰে গালং
লুইতৰে খামটি
টিৰাপৰে ৰানচুৰে
মোক কিয় মাতিছে
অসমীৰে পদুলি উদুলি মুদুলি
মৰম চেনেহৰ হাট বহিছে।'

কেৱল পাহাৰ ভৈয়ামৰ সমন্বয়েই তেওঁৰ গীতৰ মাজত পোৱা নাযায়, অসমৰ জনগোষ্ঠীয় সমন্বয়ক লৈও তেওঁ বহুবোৰ গীত ৰচনা কৰিছিল। অসমত বসবাস কৰি থকা বড়ো, ৰাভা, মিচিং, কাৰবি, তিৰা আদি জনগোষ্ঠীয় লোকক অসমীয়াৰ মহামিলনৰ সেতু হিচাপে গণ্য কৰি লিখিছিল-

'কার্বি আংলং বড়ো ৰাভা মিলিলে। অসমক জিনোতা নাই
সেই মহা মিলনৰ প্রতিজ্ঞা ভঙাৰ। শতৰুৰ কলিজা নাই।
মিলনৰ গীত গাই গাই।

ঙ) খাটি খোৱা মানুহৰ জীৱন চর্যা

খাটিখোৱা মানুহৰ দুখ-বেদনা, আশা-নিৰাশাক বিষয়বস্তু হিচাপে লৈও ভূপেন হাজৰিকাই বহু গীত ৰচনা কৰিছিল। তেনে শ্রমজীৱি মানুহৰ জীৱন আৰু জীৱিকাৰ বাবে কৰা সংগ্রামৰ ছবি হাজৰিকাৰ বহুবোৰ

গীতত জীৱন্ত হৈ উঠিছে। তেনে এটা গীত হ'ল-

'পৰহিৰ পুৱাতে টুলুঙা নাৱতে । ৰংমন মাছলৈ গ'ল
মাছকে মাৰিবলে' নেলাগে যাবলে' । ধুমুহা আহিব হ'ল।'

চ) লোকগীত আধাৰিত গীত

পুৰণি লোকগীতৰ বিষয়ক আধাৰ কৰিও হাজৰিকাই কেইবাটাও গীত ৰচনা কৰিছিল। 'হে মাই যশোৱা', 'বৰ বৰিবা যায় মেনকা' আদি গীতবোৰ তেনে শ্রেণীৰ গীত।

'হে মাই যশোৱা হে। মাই হেৰ' যশোৱা
আমাক লাগিয়া অলপ তোৰ মৰমও নাই।
তোৰ ঘৰ আসি । গৰু চাৰি ফুৰোঁ কৰেকৰা ভাত খাই।।'

ছ) প্রকৃতিৰ ৰূপ চিত্রায়ক

প্রকৃতিক মূল বিষয় হিচাপে লৈও হাজৰিকাই বহু গীত ৰচনা কৰিছিল। প্রকৃতিৰ অপৰূপ ৰূপ-সৌন্দর্যত নদ-নদী, পর্বত-পাহাৰ, গছ-গছনি, ফুল-ফল, চৰাই-চিৰিকটি আদিয়ে বিশেষ ৰঙনি যোগাই আহিছে। ব্রহ্মপুত্র নদীয়ে ভূপেন হাজৰিকাৰ অন্তৰত এক সুকীয়া স্থান অধিকাৰ কৰি আছিল। তেওঁৰ গীতৰ যোগেদি ব্রহ্মপুত্র নদীক কেতিয়াবা মৰমেৰে উপচাই পেলাইছে, কেতিয়াবা আকৌ খং, অভিমান প্রকাশ কৰিছে। ভিন্ন জাতি-জনজাতিৰে পৰিৱেষ্টিত পৰিত্র অসমভূমিত ব্রহ্মপুত্রই জনতাৰ মাজত সমন্বয়ৰ বাণী কঢ়িওৱাৰ অনুভৱৰে লিখিছিল- *'মহাবাহু ব্রহ্মপুত্র মহা মিলনৰ তীর্থ । ক'ত যুগ ধৰি আহিছে প্রকাশি সমন্বয়ৰ অর্থ।'*

তেওঁ কিছুমান গীতত নদ-নদীক প্রতীকী ৰূপতো উপস্থাপন কৰিছে। ব্রহ্মপুত্রৰ উপৰিও গঙ্গা, যমুনা, মেঘনা আদি নদীৰ কথা হাজৰিকাৰ গীতত পোৱা যায়। যেনে-*'গঙ্গা আমাৰ মা পদ্মা আমাৰ মা । আইৰ চকুলোৰে দুটি ধাৰা মেঘনা যমুনা।'*

শৰৎ ঋতুৰ প্রকৃতিৰ বিচিত্র ৰূপ তেওঁৰ গীতত জিলিকি উঠিছে এনেদৰে-

'শৰতৰ শেৱালিৰ নতুন নিয়ৰে। শুভ্র শুভ্র কিবা ছৰি আঁকে
শুকুলা ডাৰৰৰ পতাকা উৰুৱাই। মুকুতিৰ গীত গাই শৰালিজাকে।'

এইবিলাক গীতৰ উপৰিও 'অস্ত আকাশৰে সপোন ৰহণ সানি', 'শাৰদী ৰাণী তোমাৰ হেনো নাম', 'লুইতৰ বলীয়া বান', 'বিস্তীর্ণ পাৰৰে', 'এটি কলি দুটি পাত', 'ৰাধাচূড়াৰ ফুল গুজি' আদি অজস্র গীতৰ বিষয় প্রকৃতি।

জ) শিশুকেন্দ্রিক গীত

ভূপেন হাজৰিকাৰ 'ৰ'দ পুৱাবৰ কাৰণে মাতিবানো কাক', 'ৰং কিনিবা কোনে', 'আমি ভাইটি ভন্টি নাই দেখোন গণ্তি', 'ভূপেন মামাৰ গীতে মাতে অ আ ক খ', 'আমি অকণি ওলামেই' আদি অনেক গীতৰ বিষয় শিশুকেন্দ্রিক। যেনে-

'ৰ'দ পুৱাবৰ কাৰণে মাতিবানো কাক ?
ওলাই দেখোন আহিলেই বহদৈৰে জাক
লগে লগে লৰি আহিল সেউতীহঁতৰ মাক।' ইত্যাদি

ঝ) ঐতিহাসিক ঘটনা প্রবাহৰ লগত জড়িত গীত

সংগীত সৃষ্টিৰ ক্ষেত্রত হাজৰিকাৰ চিন্তা-চেতনা কেৱল এক নির্দিষ্ট ভৌগোলিক পৰিসীমাৰ মাজতে সীমাবদ্ধ হৈ নাথাকি বিশ্বমুখী হৈছিল। হাজৰিকাৰ গীতৰ মাজত দেখা যায় বিশ্বৰ বিভিন্ন ঐতিহাসিক ঘটনা প্রবাহৰ চাক্ষুস বিৱৰণ। বাংলাদেশৰ মুক্তিযুদ্ধ, চীনা আক্রমণ, ভাৰত-পাক্ বিবাদ, অসম আন্দোলন, অসমৰ

****

ভাষা আন্দোলন আদি অনেক ঐতিহাসিক ঘটনাক সমল হিচাপে লৈ হাজৰিকাই সৃষ্টি কৰিছিল কেইবাটাও কালজয়ী গীত। তেনে বিক্ষিপ্ত ঐতিহাসিক ঘটনাপ্রবাহৰ লগত জড়িত গীতৰ ভিতৰত *কত জোৱানৰ মৃত্যু হ'ল, অ' আয়ুব খাঁ, জয় জয় নৱজাত বাংলাদেশ, জুয়ে পোৰা তিৰাশী* আদি উল্লেখযোগ্য।

১৯৬২ চনৰ ২০ অক্টোবৰত চীনে ভাৰত আক্রমণ কৰিছিল। হিমালয় অঞ্চলৰ সীমান্তক লৈ হোৱা সেই চীন-ভাৰত যুদ্ধৰ ঐতিহাসিক ঘটনাক লৈ হাজৰিকাই এই গীতটি ৰচিছিল। এই যুদ্ধৰ শেষ পৰিণতিত চীনে ভাৰতীয় সৈন্যক পৰাস্ত কৰি আক্সাই আৰু আৰু অৰুণাচল প্রদেশৰ কিছু অংশ দখল কৰি লৈছিল আৰু চীন আৰু ভাৰত দুয়োখন দেশৰ মাজত চীন নিয়ন্ত্রিত অঞ্চল আৰু ভাৰত নিয়ন্ত্রিত অঞ্চল পৃথক কৰা 'Line of Actual Control' (LAC) নামৰ এক সীমা নির্দ্ধাৰণ হৈছিল। চীনে ভাৰত আক্রমণ কৰাৰ সময়ত হাজৰিকাই কামেং সীমান্ত পৰিভ্রমণ কৰিবলৈ গৈ প্রত্যক্ষ কৰিছিল বহু ভাৰতীয় সেনাৰ মৃতদেহ, সেই যুদ্ধই ক্ষয়-ক্ষতি কৰিছিল অজস্র ভাৰতীয় সা-সম্পত্তি। সেই দৃশ্যবোৰে তেওঁক বাৰুকৈয়ে ব্যথিত কৰি তুলিছিল আৰু সেই ব্যথাৰ প্রকাশ কৰিবলৈ ৰচনা কৰিছিল 'কত জোৱানৰ মৃত্যু হ'ল' নামৰ গীতটি।

"কত জোৱানৰ মৃত্যু হ'ল । কাৰ জীৱন যৌৱন গ'ল
সেই মৃত্যু অপৰাজেয় । তেনে মৃতক নহ'লো কিয়? "(গীতাৱলী, পৃ. ১৩৬)

শত্রু সেনাৰ পশুত্বত মৃত্যুক আকোঁৱালী লোৱা সৈন্যলৈ অশ্রু অঞ্জলি যাঁচি তেওঁলোকৰ অপূর্ণ বাসনাৰ কথা হৃদয়ঙ্গম কৰিছিল হাজৰিকাই। চীনা সৈন্যৰ হাতত যুদ্ধত প্রাণ আহুতি দিয়া সৈন্যসকলৰ পৰিয়াললৈ অহা কৰুণ পিৰিস্থিতিৰ চিত্রায়ণ কৰিছিল এনেদৰে-

'কত পিতৃ পুত্রহাৰা হ'ল । কোন মাতৃৰ বুকু শুদা হ'ল
ৰঙা সেন্দুৰ কাৰ মচা গ'ল । কাৰ বাসনা অপূর্ণ ৰ'ল।

১৯৬৫ চনৰ ভাৰত-পাক্ যুদ্ধ আন এক ঐতিহাসিক ঘটনা। মূলতঃ কাশ্মীৰক পাকিস্তানৰ লগত চামিল কৰিব বিচৰা সেই যুদ্ধৰ ভেটিত তেওঁ লিখিছিল 'অ' আয়ুব খান' নামৰ গীতটি। 'কলিকতাৰ ব্লেক আউটৰ আন্ধাৰ আৰু ছাইৰেণ'ৰ বিকট চিঞৰৰ মাজত অৱস্থান কৰি পাকিস্তানৰ মার্কিনপন্থী সংকীর্ণতাক সমালোচনা কৰিছিল হাজৰিকাই। আজীৱন কাৰাবৰণ খাটি গফুৰ খাঁই যি স্বাধীনতা আনিছিল সেই স্বাধীনতাক একনায়কত্ববাদেৰে ধ্বংস কৰি কাশ্মীৰক পাকিস্তানৰ লগত চামিল কৰিব বিচৰা সেই সময়ৰ পাকিস্তানৰ ৰাষ্ট্রপতি আয়ুব খান আৰু ক্ষমতাশালী নেতা জুলফিকৰ আলি ভূট্টোক সমালোচনা কৰি গীত লিখিছিল।

'অ' আয়ুব খান আৰু ভুট্টো জান
শিয়াল বা কোন আৰু সিংহ কোন?
মদগৰ্ব্বী হৈ
নুশুনো নুশুনো বুলি
দুটিমান নাঙঠ সত্যকে শুন।'

বাংলাদেশৰ মুক্তিযুদ্ধ বিশ্বৰ আন এক ঐতিহাসিক ঘটনা। ১৯৭১ চনৰ ২৬ মার্চত বাংলাদেশৰ সর্বস্তৰৰ জনগণে পাকিস্তানৰ বিৰুদ্ধে সশস্ত্র সংগ্রামত লিপ্ত হৈ সেই চনৰে ২৬ ডিচেম্বৰতচূড়ান্ত বিজয় লাভ কৰে। সামন্ততন্ত্রৰ অৱসান ঘটাই প্রজাতন্ত্রৰ প্রতিষ্ঠাৰ সেই সংগ্রাম হাজৰিকাই প্রত্যক্ষ কৰিছিল আৰু সেই মুক্তিযুদ্ধৰ অন্তত বাংলাদেশে লাভ কৰা ঐতিহাসিক বিজয়ক স্বাগতম জনাই ভূপেন হাজৰিকাই গীত ৰচনা কৰিছিল 'জয় জয় নৱজাত বাংলা দেশ'।

'জয় জয় নৱজাত বাংলা দেশ, জয় জয় মুক্তি বাহিনী।
ভাৰতীয় সৈন্যৰ স'তে ৰচিলা, মৈত্রীৰ কাহিনী।।

****

ধর্মান্ধতাৰ বিপৰীতে ধর্মনিৰপেক্ষতাৰ।
বিভেদকামী শক্তিৰ সলনি গঙ্গা পদ্মাৰ একতা।।
সামন্ততন্ত্ৰৰ বিপৰীতে এক নতুন প্ৰজাতন্ত্ৰ।
সমৰতন্ত্ৰৰ সলনি এক অভিনৱ সমাজতন্ত্ৰ।।'[৬]

বৃটিছৰ হাতৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছত পূব পাকিস্তান আৰু পশ্চিম পাকিস্তান দুভাগে ভাগ হৈ পৰিছিল। পশ্চিম পাকিস্তানে পূব পাকিস্তানৰ লোকক নিজৰ শাসনৰ অধীনত ৰাখিবলৈ বিচাৰিছিল। কিন্তু ১৯৭০ চনৰ সাধাৰণ নিৰ্বাচনত পূব পাকিস্তানৰ ৰাজনৈতিক শক্তিয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰাত পশ্চিম পাকিস্তানৰ লোকে এই ফলাফল মানি ল'বলৈ অস্বীকাৰ কৰি পশ্চিম পাকিস্তানৰ শাসক পক্ষই পাকিস্তানৰ সামৰিক শক্তিৰ সহায়ত পূব পাকিস্তানৰ লোকৰ ওপৰত অপাৰেশ্বন চার্চলাইট নামৰ সেনা অভিযান চলায় । পূব পাকিস্তানৰ লোক এই কথাত ক্ষুন্ন হৈ ১৯৭১ চনত পূব পাকিস্তানৰ জনতা, ছাত্ৰশক্তি, বুদ্ধিজীৱি আৰু সশস্ত্ৰ বাহিনী একত্ৰ কৰি মুক্তি বাহিনী (লিবাৰেশ্বন আৰ্মি) গঠন কৰি পশ্চিম পাকিস্তানৰ সেনাৰ লগত গেৰিলা যুদ্ধত অৱতীৰ্ণ হয়। ভাৰতে পূব পাকিস্তানৰ মুক্তি বাহিনীক সহায় আগবঢ়ায়। শেষত পশ্চিম পাকিস্তানৰ শাসক পক্ষই পূব পাকিস্তানক স্বতন্ত্ৰতা দিবলৈ বাধ্য হৈ পূৰ্বে আটক কৰা পূব পাকিস্তানৰ শ্বেখ মুজিবুৰ ৰহমানৰ দৰে নেতাকো মুক্তি প্ৰদান কৰে। এই পূব পাকিস্তানেই স্বতন্ত্ৰ ৰাষ্ট্ৰ হৈ বাংলাদেশ নামে পৰিগণিত হৈছিল। গীতটিত বাংলাদেশী নেতা শ্বেখ মুজিবুৰক হাজৰিকাই প্ৰশংসা কৰিছে এনেদৰে-

'স্থাপনা কৰি ৰক্তেৰে লিখিলা শ্বেখ মুজিবুৰৰ বাণী।
জয় জয় নৱজাত বাংলাদেশ,জয় জয় মুক্তি বাহিনী।।
ৰাৱালপিণ্ডিৰ অন্ধকূপত, মুজিবুৰে নকৰিলে সন্ধি।
শেল হানিলেও নিদিয়ে বচন, কি কৰিব কৰি তেওঁক বন্দী।।
য়াহায়া ভুট্টো শ্বেখ চাহাবৰ হ'ব পাৰে জানো প্ৰতিদ্বন্দী।
সিংহই জানো ভাল পাব পাৰে বাৰু ধূৰ্ত শিয়ালৰ ফন্দী।।'

১৯৭৯ চনৰ পৰা অসমত ৰাজনৈতিক অচলাৱস্থাৰ সৃষ্টি হৈছিল। তদানীন্তন অসমৰ মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ আকস্মিক মৃত্যু ঘটাত সেই বছৰৰ শেষৰফালে ভাৰতীয় নিৰ্বাচন আয়োগে উপ-নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰিছিল। কিন্তু সেই নিৰ্বাচনৰ কাৰণে সংশোধনী কৰা ভোটাৰ তালিকাত অবৈধ বাংলাদেশীৰ নাম সংযোজিত হোৱাৰ অভিযোগ তোলে 'সদৌ অসম ছাত্ৰ সস্থাই'। অসম আন্দোলনৰ '৮৩ চনটো অসমৰ ইতিহাসৰ এক কলা অধ্যায়। এই তি�ৰাশীৰ বাস্তৱ ঘটনাৰ পটভূমিত হাজৰিকাই ১৯৮৪ চনত ৰচনা কৰিছিল 'জুয়ে পোৰা তিৰাশী' নামৰ বিখ্যাত গীতটি।

'জুয়ে পোৰা তিৰাশীৰ । নিৰ্বচনীৰ বছৰ
মোৰ ভাইটি নোহোৱা হ'ল। নেপালোঁ খৱৰ
তই জাননে খৱৰ? । তই জাননে খৱৰ?'

০.৬ সিদ্ধান্ত

ক) ভূপেন হাজৰিকাৰ গীতত বিষয় বৈচিত্ৰ্যৰ লগতে বিষয়বস্তুৰ গভীৰতাও লক্ষ্য কৰা যায়। ৰোমাণ্টিকতাই কেৱল তেওঁৰ গীতত স্থান পোৱা নাছিল। সমসাময়িক ৰাজনৈতিক পৰিস্থিতি, সমাজ সংস্কাৰ, উচ্চ-নীচৰ ভেদাভেদ আঁতৰাই নতুন সমাজ গঢ়াৰ সংকল্প আদি বিষয়বোৰে তেওঁৰ গীত সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

খ) সমাজ সচেতনতা আৰু সামাজিক সংস্কাৰৰ আহ্বান হাজৰিকাৰ বহুবোৰ গীতত লক্ষ্য কৰা ।

****

গ) হাজৰিকাৰ গীতত পাহাৰ-ভৈয়ামৰ সম্প্রীতিৰ বান্ধোন দেখা যায়।

ঙ) অসমৰ লগতে বিশ্বৰ নানান ঐতিহাসিক ঘটনাৰ চাক্ষুস বিৱৰণ আৰু সেইবোৰক মানৱীয় দৃষ্টিভঙ্গীৰে চোৱাৰ প্রৱণতা তেওঁৰ গীতত লক্ষ্য কৰা যায়।

চ) তেওঁৰ গীতত অসমৰ থলুৱা লোকগীতৰ সুৰ স্পষ্ট ।

২. সামৰণি

ভূপেন হাজৰিকাৰ গীতত এনেদৰেই বহুবোৰ বিষয়ে স্থান অধিকাৰ কৰিছে। বর্ণনা বাহুল্যতাৰ প্রতি লক্ষ্য ৰাখি তেওঁৰ গীতত প্রাধান্য পোৱা কেইটামান গীতৰ বিষয় বৈচিত্র্যক আলোচনাৰ মাজত সামৰি লোৱা হ'ল। 'চিৰযুগমীয়া' আৰু 'কালজয়ী' গীতবোৰে ভূপেন হাজৰিকাৰ সত্তাক সদায়েই অসমীয়াৰ মাজত অমৰ কৰি ৰাখিব।

প্রসংগ টীকাঃ

১. *মোৰ গীত আৰু 'গীত সমগ্ৰ'ৰ নতুন সংস্কৰণ সম্পর্কত যৎকিঞ্চিৎ..., ভূপেন হাজৰিকা। ড' ভূপেন হাজৰিকাৰ গীত সমগ্রঃ গীতাৱলী,* পৃ.১৯৩

২. *গীতাৱলী, পৃষ্ঠা- ৪১*

৩. গীতাৱলী, পৃষ্ঠা-৩৯৩

৪. গীতাৱলী, পৃষ্ঠা-৪১৭

৫. গীতাৱলী, পৃষ্ঠা-৪২৯

৬. গীতাৱলী, পৃষ্ঠা-২১৫

সহায়ক গ্রন্থ

কোঁৰৰ, অর্পণা (সম্পা.), কোঁচ, হেমন্ত (সহ-সম্পা.)। চিৰযুগমীয়া ব্যক্তিত্ব। ভূপেন্দ্র স্মৰণ গ্রন্থ, দ্বিতীয় প্রকাশ, অক্টোবৰ, ২০১৯

তালুকদাৰ, দর্শন (সংগ্রাহক)। মানুহে মানুহৰ বাবে...ড' ভূপেন হাজৰিকাৰ গীতৰ শৰাই । নিষ্ঠা প্রকাশন, পাণবজাৰ, গুৱাহাটী, ষষ্ঠ প্রকাশ মার্চ, ২০১৭

দত্ত, দিলীপ কুমাৰ। ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ। প্রকাশক- অৰুণ পুৰকায়স্থ, কলিকতা,,৯, ৪র্থ তাঙৰণ, আগষ্ট, ১৯৯২

দাস, বুদ্ধেশ্বৰ। সব্যসাচী ড' ভূপেন হাজৰিকা। প্রকাশক-উইলচন দাস, বলিয়াঘাট, শিৰসাগৰ, ১৯৯২

বৈশ্য, বিনীতা। (সম্পা.) অসমীয়া গীতি সাহিত্যৰ সমীক্ষা। প্রথম প্রকাশ, ডিচেম্বৰ, ২০২২

হাজৰিকা, সূর্য (সম্পাদক)। গীতাৱলী (ড' ভূপেন হাজৰিকাৰ গীত সমগ্র), বাণী মন্দিৰ, গুৱাহাটী-৩, তৃতীয় সংস্কৰণ, ২০১০

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ভূপেন হাজৰিকাৰ গীতত সাতভনীৰ অসম

ড° ৰীতা শর্মা
সহকাৰী অধ্যাপিকা
ৰাজীৱ গান্ধী মেম'ৰিয়েল কলেজ, লেংটিছিঙা

সাৰাংশ

এগৰাকী গায়কৰ প্ৰাথমিক লক্ষ্য তেওঁৰ দৰ্শক। প্ৰতিগৰাকী গায়কে দৰ্শকক সন্তুষ্ট কৰিবলৈ গীতৰ মাজেৰে প্ৰয়াস কৰে। লগতে প্ৰতিগৰাকী গায়ক সমাজৰ প্ৰতি বিভিন্ন কাৰণত দায়ৱদ্ধ হোৱা উচিত। বহু সময়তবাস্তৱত ইয়াৰ প্ৰতিফলন দেখা নাযায় যদিও ভূপেন হাজৰিকা ইয়াৰ ব্যতিক্ৰম। অসমীয়া সঙ্গীত জগতৰ স্বনামধন্য গীতিকাৰ, সু�ৰকাৰ, সুগায়ক ভূপেন হাজৰিকা এগৰাকী গায়ককেই নহয়; মাতৃভূমিৰ প্ৰতি দায়ৱদ্ধ গায়ক। তেওঁ প্ৰতিটো গীততে সমাজৰ প্ৰতি, দেশৰ প্ৰতি, মাতৃভূমিৰ প্ৰতি দায়ৱদ্ধতা ফুটি উঠিছে। তেওঁৰ গীতত মাতৃভূমিৰ প্ৰতিটো সুখ-দুখৰ মুহূৰ্ত সজীৱ ৰূপত অঙ্কিত হৈছে। দেশত যেতিয়াই কোনো সমস্যাৰ উদ্ভৱ হৈছে গীতৰ মাজেৰে তেওঁ তাৰ সমাধানৰ ৰাস্তা লৈ আগুৱাই আহিছে। অসম মাতৃ ধন্য যে তেওঁ হাজৰিকাদেৱৰ দৰে এগৰাকী সুসন্তানক ধাৰণ কৰিছে। তেওঁৰ বাবে অসম মাতৃ বুলিলে সাতভনীৰ সমন্বয়। তেওঁৰ বহু গীতত মেঘালয়, অৰুণাচল, নাগালেণ্ড, মিজোৰাম আদিৰ সুন্দৰ উল্লেখ পোৱা যায়। ভূপেন হাজৰিকাৰ গীতত সাতভনীৰ উল্লেখ এই আলোচনাৰ মাজেৰে আগবঢ়াব বিচৰা হৈছে।

বীজশব্দ ঃ ভূপেন হাজৰিকা, গীত, সাতভনী, সম্প্ৰীতি, একতা, উত্তৰ-পূৰ্বাঞ্চল

০.১ অৱতৰণিকা ঃ

এগৰাকী গায়কৰ প্ৰাথমিক লক্ষ্য তেওঁৰ দৰ্শক। প্ৰতিগৰাকী গায়কে দৰ্শকক সন্তুষ্ট কৰিবলৈ গীতৰ মাজেৰে প্ৰয়াস কৰে। সঙ্গীতজ্ঞ হাজৰিকাদেৱে তেওঁৰ গীতত অসমী আইৰ সকলো দিশৰ চিত্ৰণ— সুখ-দুখ আনকি গভীৰ সঙ্কটাপন্ন অৱস্থাৰো চিত্ৰায়ণ দেখা যায়। তেওঁৰ মনত অসম বুলিলে সাতভনীৰ সন্মিলিত অসম। খণ্ডিত অসমৰ চিত্ৰই তেওঁৰ মনত সদায় দুখৰ সঞ্চাৰহে কৰে। তেওঁৰ গীতত শিলং, চেৰাপুঞ্জী, নাগালেণ্ড, কহিমা, মিজোৰামৰ সঘন উল্লেখ দেখা যায়। অকল ঠাইৰ উল্লেখেই নহয় বিভিন্ন জনগোষ্ঠী, উৎসৱ-পাৰ্বণ, সাজ-পাৰ আদিৰ উল্লেখো তেওঁৰ গীতত আছে। অসমৰ পূৰ্বৰ ৰাজধানী শিলং থকাকালীন শিলঙৰ লগত থকা তেওঁৰ সৌহাৰ্দতাৰ উল্লেখো স্পষ্ট ৰূপত পোৱা যায়। তেওঁলোকৰ আন্তৰিকতাপূৰ্ণ ব্যৱহাৰ পাহাৰ- ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন। তেওঁৰ বহু গীতৰ প্ৰতিপাদ্য বিষয় এই সম্প্ৰীতি। উত্তৰ-পূৰ্বাঞ্চল ভৌগলিকভাৱে ইখনৰ পৰা সিখন দূৰৱৰ্তী ৰাজ্য হ'লেও সাংস্কৃতিকভাৱে অতি সমৃদ্ধ এক অঞ্চল। বিভিন্ন জনগোষ্ঠী, ভাষা, সঙ্গীত, নৃত্য আৰু ঐতিহ্যৰ সমন্বয়ে অঞ্চলটোক এক বৈচিত্ৰ্যময় ভূমিত পৰিণত কৰিছে। এই বৈচিত্ৰ্যক সাংস্কৃতিক ঐক্যত ৰূপান্তৰিত কৰি একতাৰ ডোলেৰে বন্ধাত হাজৰিকাদেৱৰ ভূমিকা অসামান্য। হাজৰিকাদেৱৰ সঙ্গীতে সদায় আঞ্চলিক সীমাৰেখা অতিক্ৰম কৰি এক মানৱতাবাদী চেতনা গঢ়ি তোলে। তেওঁৰ সাতভনীৰ ধাৰণা এফালে বৰ অসমৰ চিত্ৰ আনফালে বৈচিত্ৰ্যৰ মাজৰ ঐক্যৰ সাংস্কৃতিক ৰূপক হিচাপেও ল'ব পাৰি।

****

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

ভূপেন হাজৰিকাৰ গীতত উত্তৰ -পূৰ্বাঞ্চালৰ সাতখন ৰাজ্যৰ সাংস্কৃতিক উপস্থিতি, জাতীয় ভাৱধাৰাৰ ঐক্য বিশ্লেষণ কৰা এই অধ্যয়নৰ প্ৰধান উদ্দেশ্য। লগতে পাহাৰ-ভৈয়ামৰ মিলনভূমি পূৰ্বৰ বৰ অসমত সাতভনীৰ সম্প্ৰীতি কিদৰে বৰ্ণিত হৈছে সেই দিশত আলোকপাত কৰাও এই অধ্যয়নৰ অন্যতম উদ্দেশ্য।

০.৩ অধ্যয়নৰ পৰিসৰঃ

বিষয়ৰ পৰিসৰ হিচাপে প্ৰধানকৈ উত্তৰ-পূৱ ভাৰত অথবা সাতভনী হিচাপে পৰিচিত ৰাজ্যকেইখনৰ উল্লেখ থকা গীতসমূহ বাচি লোৱা হৈছে।

০.৪ অধ্যয়নৰ পদ্ধতি ঃ

আলোচনাৰ পদ্ধতি হিচাপে বৰ্ণনামূলক পদ্ধতি অৱলম্বন কৰা হৈছে।

০.৫ তথ্য আহৰণৰ পদ্ধতি ঃ

তথ্য আহৰণৰ ক্ষেত্ৰ হিচাপে পুথিগত তথ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

১.০ ভূপেন হাজৰিকাৰ গীতৰ অসম ঃ

'ভাৰতৰে পূৰ্ব দিশত সূৰ্য্য উঠা দেশ'-- ৰূপে পৰিচিত অসমৰ পৰিচয় সম্পূৰ্ণ হয় সাতভনীৰ মিলনত। অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়ৰ লগত সন্মিলিতভাৱেহে প্ৰকৃত অসমৰ ছবি অঙ্কন কৰিব পাৰি। পূৰ্বৰ সাতভনীৰ সন্মিলিত বৰ অসম পৰৱৰ্তী সময়ত ৰাজনৈতিক কাৰণত পৃথক হলেও এই আটাইকেইখন ৰাজ্যৰ আত্মা অবিচ্ছিন্নভাৱে সদা সংলগ্ন। মূলতঃ উত্তৰ-পূৱ ভাৰত হিচাপে পৰিগণিত এই আটাইবোৰ ৰাজ্য একো একোটা চহকী সাংস্কৃতিকপৰিচয়ৰে পৰিচিত। এই সৰ্বাত্মকপৰিচয়ে বৰ অসমক সৰ্বভাৰতীয় প্ৰেক্ষাপটত উপস্থাপন কৰিছে।

অসমৰ সাংস্কৃতিক পৰিচয়ক গীতৰ মাজেৰে বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰা ব্যক্তিসকলৰ ভিতৰত ভূপেন হাজৰিকা অন্যতম। তেওঁৰ গীতত ভাৰতীয় বৈদিক-সংস্কৃত পৰম্পৰা সমৃদ্ধ গীতৰ সুৰৰ লগতে অসমত মাটি-পানীৰ সুৰ মিশ্ৰিত হৈ আছে। বৰ অসমৰ বৈচিত্ৰ্যপূৰ্ণ সমল তেওঁৰ গীতত চিত্ৰিত হৈছে আৰু প্ৰাণ পাই উঠিছে। পূৰ্বোত্তৰ এই দেশৰ পৰিচয় ভূপেন হাজৰিকা অবিহনে অসম্পূৰ্ণ।

'পুৱাৰ কিৰণে চুমা খোৱা দেশ' ৰূপে পৰিচিত অৰুণাচল শব্দৰ অৰ্থ হৈছে 'সূৰ্য্য উঠা অঞ্চল'। মনোমোহা অৰুণাচলৰ প্ৰাকৃতিক সৌন্দৰ্য্য ভূপেন হাজৰিকাৰ গীতত অতি সুন্দৰভাৱে বৰ্ণিত হৈছে। তেওঁৰ 'অৰুণ কিৰণ শিৰৰ ভূষণ' গীতৰ অৰুণাচল—

'পুৱাৰ সুৰুযে চুমা খোৱা দেশ
আমাৰ অৰুণাচল
কামেং চিয়াঙ লোহিত আৰু টিৰাপ সোৱণশিৰি
চিৰ জ্যোতিৰ কুসুমৰূপে
শোভে হিমগিৰি'[১]-- এই গীতৰ মাজেৰে অৰুণাচলৰ তুষাৰ শুভ্ৰ হিমৰাশিক চিৰ জ্যোতিৰ কুসুম ৰূপে কৰা কল্পনাই কবিৰ সাহিত্যালঙ্কাৰ প্ৰীতিৰ নিদৰ্শন দিয়ে। 'চিয়াঙৰে গালং' গীতটিত বৰ্ণিত হৈছে অৰুণাচলৰ পাহাৰত বসবাস কৰা ভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণনা আৰু তেওঁলোকৰ ভৈয়ামৰ লোকসকললৈ থকা মৰমৰ চিন। কোনোবাই যদি ভৈয়ামৰ লোকক লগ পাই মৰমেৰে সাৱটি ধৰিছে, কোনোবাই আকৌ এবাটি আপং যাচি যুগান্তৰৰ মিতিৰালিৰ ধ্বজা উৰুৱাইছে। অকা, চেৰদুকপেন, টাংচা, আপাটানি, মন্‌পা আদি ভিন ভিন জনগোষ্ঠীৰ উল্লেখেৰে পাহাৰৰ জনতাৰ লগত অটুট সম্পৰ্ক গঢ়িছে। সেয়ে উভতি আহোঁতে ভৈয়ামৰ লোকলৈ বুলি বাতৰি পঠাইছে,

****

'উভতি গৈ তই অসমীকে ক'ৰি
আজি পাহাৰে ভৈয়ামৰ কলিজা চিনিছে...'।[২]

'টিৰাপ সীমান্ত' নামৰ গীতটিত সীমান্তৱর্তী জিলা টিৰাপৰ বিভিন্ন জনগোষ্ঠীসমূহৰ বর্ণনাৰ লগতে মনোমুগ্ধকৰ সৌন্দর্য্য বর্ণিত হৈছে। অৰুণাচলী ডেকা-গাভৰুৰ সাজ-পাৰৰ লগতে সুন্দৰ দেহসৌষ্ঠৱৰ সাৱলীল বর্ণনা দাঙি ধৰিছে। ৰাঞ্চু, নক্তে, লুংচাং আদি জনগোষ্ঠীৰ সাজ-পাৰৰ বর্ণনা সজীৱ;

'(সৌৱা) ৰিণিকি ৰিণিকি
দেখিলোঁ খুনচা বস্তি
সৌৱা সুঠাম নক্তে ডেকাটি
গাত পিন্ধি জেইমচেং চোলাটি
মূৰত বেতৰে খপক শোভে
আৰু কঁকালত ৰঙীন খাতৰি
সি লোণৰ পুঙত ব্যস্ত'[৩]--- কর্মব্যস্ত নক্তে ডেকাৰ সুঠাম শৰীৰৰ লগতে জনগোষ্ঠীয় সাজ-পাৰৰ বিশদ বর্ণনা গীতটিত সুমধুৰ বর্ণনাৰে সন্নিৱিষ্ট হৈছে; ভূপেন হাজৰিকাৰ সুমধুৰ কণ্ঠই বর্ণনাভঙ্গীক চিত্রকল্পৰূপে আমাৰ সম্মুখত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। হাজৰিকাদেৱৰ 'ৰংপুৰ তোমাৰ নাম' গীতৰ মাজতো তেওঁ অৰুণাচল আৰু নাগালেণ্ডক স্মৰণ কৰিছে। এই দুই দেশৰ লগত অসমৰ সম্পর্ক অতি আন্তৰিকতাৰে সুঁৰৰিছে;

'অৰুণাচলী অসমীয়া চিৰযুগমীয়া
ৰাজনীতিয়ে নেমাৰে যেন বন্ধুত্বৰ অমিয়া হে'।'
আকৌ, *'গদাপাণি ডালিমীৰ, হে ভাষা নাগামিজ*
নগা অসমীয়াৰ মৰমৰ বীজ হে'।[৪]

'মন ক্ষণে ক্ষণে বিনায়' গীতটিটোত নামঘৰৰ মণিকূট সদৃশ সূর্য্যৰ প্রথম কিৰণে চুমা দিয়া অৰুণাচলত কৃষ্টি-সংস্কৃতিৰ বৰঘৰ সাজি মাতৃৰ কঁপালত তিলক আঁকি দিব বিচাৰিছে। অর্থাৎ প্রাচীন কৃষ্টি-সংস্কৃতিৰ দেশ বৰ অসমৰ কৃষ্টি অৰুণাচলতো জীয়াই ৰখাৰ আশা প্রকাশ কৰিছে।

ডালিমীৰ দেশ নাগালেণ্ড সাতভনীৰ অন্যতম। 'মই কহিমাৰে' গীতটো কহিমাৰ আধুনিকা ডালিমী আৰু ভৈয়ামৰ আধুনিক গদাপাণিৰ প্রেমৰ সজীৱ চিত্রায়ণ। এই চিত্র অঙ্কন কৰিবলৈ যাওঁতে তাহানি লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাত জীৱন্ত ৰূপ পোৱা পাহাৰী গাভৰু ডালিমী আৰু ভৈয়ামৰ ডেকা গদাপাণিৰ প্রেমক ভেটি হিচাপে লৈছে। আজি লক্ষ্মীনাথৰ ডালিমী অথবা গদাপাণি 'কহিমাৰে আধুনিকা ডালিমী' আৰু 'গদাপাণি আধুনিক ভৈয়ামৰ' সহযাত্রী ৰূপে গুৱাহাটী অভিমুখে গৈ থকা অৱস্থাত চিনাকি সূত্রে প্রেমৰ বান্ধোনেৰে বান্ধ খায়। পৰিণতি কহিমাৰ আধুনিকা ডালিমী 'অসমৰ ন-বোৱাৰী' আৰু ভৈয়ামৰ আধুনিক ডেকা গদাপাণি 'জোঁৱাই হ'লোঁ মই টুৰেনচাঙৰ'। এই মিলন সাধাৰণ, সৰল মিলন নহয়; ই '... পূর্ব ভাৰতীৰে / জীয়া প্রতীক সমন্বয়ৰ'। এই যাত্রা সহজীৱন-সহমৰণৰ যাত্রা; এই যাত্রা সমন্বয়ৰ যাত্রা। এই মিলন পাহাৰ- ভৈয়ামৰ মিলন।

'কাঃ মঙাইহ চেঃ মিজোৰাম' শীর্ষক গীতৰ মাজেৰে মিজোৰামৰ প্রতি তেওঁৰ অন্তৰৰ ভালপোৱা যাচিছে। গীতৰ মাজেৰে মিজোৰামৰ জনগণৰ সংগ্রামী চেতনা, সৃষ্টিৰ প্রেৰণা সোঁৱৰণ কৰিছে ; 'ই সংগ্রামী দেশ যাৰ নাম মিজোৰাম'। আকৌ,

সকলোতে যেন জনতা সজাগ
ধ্বংসৰ ঠাইত যেন সৃষ্টিহে আগ
কর্তব্যৰ যেন নাই বিৰাম---

****

ই প্রতিজ্ঞাৰ দেশ যাৰ নাম মিজোৰাম...[৫]

সুন্দৰৰ সাধক ভূপেন হাজৰিকাই সুন্দৰী গাভৰুৰ দেশ মিজোৰামত 'পাংকপাৰ' নৃত্যৰ তালে তালে হালি-জালি নচা সুন্দৰী মিজো গাভৰুৰ দেহবল্লৰীৰ নয়নাভিৰাম দৃশ্যৰ চিত্র অংকন কৰিছে ঃ

তাইৰ বক্ষৰ কৰচেই চোলাতে
শুকুলা মেঘে কিবা ফুল বাছিলে
তাইৰ অলঙ্কাৰ হালে জালে
পাংকপাৰ নৃত্যৰ তালে তালে
কি এই দৃশ্য নয়নাভিৰাম---
ই গাভৰুৰ দেশ যাৰ নাম মিজোৰাম।[৬]

মিজোৰামৰৰ উৎপত্তিগত ইতিহাসো গীতটোত বর্ণিত হৈছে। মিজোৰামৰ বিভিন্ন জনগোষ্ঠীৰ উল্লেখেৰে মিজোৰামৰ লগত স্থায়ী সম্প্রীতি আশা কৰি বিদায় মাগিছে। তেওঁৰ বাবে যিহেতু অসম মানে সাতভনীৰ অটুট বান্ধোনৰ বৰ অসম। গতিকে বিভিন্ন গীতত ঠায়ে ঠায়ে পার্বত্য জনগোষ্ঠীৰ উল্লেখেৰে সকলোৰে মাজত সমন্বয়ৰ সেঁতু নির্মাণত গুৰুত্ব দিছিল।

অসমৰ পূর্বৰ ৰাজধানী শিলং তথা মেঘালয় হাজৰিকাদেৱৰ বৰ প্রিয় আছিল। শিলং আৰু মেঘালয়ৰ সঘন উল্লেখ তেওঁৰ এই প্রীতি প্রকাশ পাইছে। তেওঁৰ সোঁৱৰণীত সপোন চহৰ শিলঙৰ গধূলি মূর্ত হৈ উঠিছে;

শিলঙৰে গধূলি
সপোন চহৰৰ মৰমী শৰতৰ
সোঁৱৰণী সোণালী -- শিলঙৰে গধূলি[৭]

অকল এয়ে নহয় সপোন চহৰৰ প্রেমত মগন হৈ প্রেমিকাৰ লগত উদ্দেশ্যহীন ভাৱে ঘুৰি ফুৰিছিল এই শিলঙতে। বজাৰ, নিজৰাৰ পাৰ, খাচী গাঁও, শিলঙৰ সৌন্দর্য্য সৰল গছ -- সকলো তেওঁৰ চেতনাত অমলিন হৈ জিলিকি আছে। খাচী গাভৰুৰ সুকোমল প্রেমৰ অনুভূতিত " দুটি মন নিজৰা জলধি হৈ / ওখকৈ সৰলৰ বননি দিলে বুৰাই"। তেওঁলোকৰ প্রেমত মচগুল চিত্র দেখি উৰি ফুৰা জোনাকী পৰুৱাইও "... ... উটি ফুৰা/ দুটি মিঠা শৰতৰ শেৱালি" বুলি জোকাই থৈ যায়। এই বর্ণনা শিলঙৰ প্রাকৃতিক সৌন্দর্য্যৰ বর্ণনা। শিলঙৰ খাচী গাভৰুৰ সৌন্দর্য্যই তেওঁক বলিয়া কৰিছে আৰু তেনে গাভৰুৰ মন পাবলৈ তেওঁ বাউলি হৈছে। 'শিলঙৰে মনালিছা' শীর্ষক গীতত গীটাৰ বজাই থকা মনালিছাৰ সৌন্দর্য্য দেখি তেওঁ আচৰিত হৈছে ঃ

তোমাক স্রজিলে কোন লিওনার্ডোই
কেনেকৈ হ'লা তুমি ইমান ধুনীয়া[৮]

তেওঁৰ দৃষ্টিত মনালিছাৰ সৌন্দর্য্য পার্থিৱ সৌন্দর্য্য নহয় ; বিখ্যাত চিত্রশিল্পী লিওনার্ডো ডা ভিন্সি সদৃশ কোন বিখ্যাত শিল্পীৰ তুলিকাৰ ৰূপহে। মনালিছা আজি তেওঁৰ কাষত নাই, কিন্তু মনালিছাৰ সোঁৱৰণি তেওঁৰ বাবে আজিও সজীৱ;

ক্রিছেনথিমাম যিমানে ৰঙা
(মোৰ) তোমাৰ সোঁৱৰণি সিমানে ৰঙা।

গীতৰ মাজত কবি-গীতিকাৰৰ এক দুখবোধ অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছে। এই দুখবোধ বিভাজনৰ দুখ, ৰাজধানী সলনিৰ দুখ, পাহাৰ ভৈয়ামৰ বিচ্ছেদৰ দুখ। 'হে' হে' হে' ঢোলে-ডগৰে' আন এটি উল্লেখযোগ্য গীত, যি গীতত চেৰাপুঞ্জীৰ সৌন্দর্য্য বর্ণিত হৈছে। হাজৰিকাদেৱৰ ভাষাত 'তাহানি যেতিয়া সূর্য্য শিশু আছিল -- খাচী কিম্বদন্তীৰ এটি চৰিত্র ব্রহ্মপুত্র উপত্যকালৈ যাওঁতে নিশ্চয় পাহাৰ আৰু ভৈয়ামৰ বস্তু আৰু বিশ্বাসৰ সাদৃশ্য

এনেদৰে কোনোবাই সোঁৱৰাইছিল -- আৰু এতিয়া ? এই অনুভূতিৰ অৰ্থ আজিৰ অসম আৰু মেঘালয়েও উপলব্ধি নকৰেনে ?'[১] এই অনুভৱ লৈয়ে তেওঁ গীতটি লিখি উলিয়াইছিল। অসমৰ প্ৰাচীন ৰাজধানী শ্বিলং অথবা মেঘালয়ৰ অন্তৰ্গত বিভিন্ন ঠাই, বিভিন্ন জনগোষ্ঠী, জনগোষ্ঠীসমূহৰ কৃষ্টি-সংস্কৃতি, সৰলতা আদিয়ে তেওঁক সততে আকৰ্ষণ কৰিছিল।

... হিয়াৰ উমেৰে
নেদেখা এনাজৰীৰে
বান্ধো আমি পাহাৰ শিখৰৰে
মহান চিয়েমক।[১০] --- এই বান্ধোন পাহাৰ- ভৈয়ামৰ একতাৰ বান্ধোন। উদাৰ মেঘে সাৰটি ধৰা চেৰাপুঞ্জী, খাচী গৰখীয়াই বজোৱা শ্বৰাতি, সৰলৰ সেউজীয়া পাত আৰু পাহাৰৰ ৰঙা মাটি কাটি খেতি কৰা কৃষক-- এই সকলোবোৰ তেওঁৰ বুকুৰ আপোন। খাচী গাভৰুৰ জেইনচেম অথবা খাচী ঈশ্বৰ উৱ্লেই তেওঁৰ পৰ নহয়। এনেদৰে ভিন্ন ঠাইত ভিন ভিন প্ৰসঙ্গত তেওঁ বৰ্তমান মেঘালয়ৰ বিভিন্ন ঠাই আৰু কৃষ্টি-সংস্কৃতিৰ উল্লেখ কৰিছে। 'লিয়েনমাকাও' গীত খাচী গাভৰুৰ দেহৰ অনন্য সুষমা, সৌন্দৰ্য্য, সৰলতা, কোমলতাৰ মুক্ত বৰ্ণন। ডিয়েংচি পাতৰ ৰং সনা চুলিটাৰী, বিজুলীৰে বোৱা জেইনচেম, মৌৰে বোলোৱা ৰঙা ওঁঠ, নিয়ৰৰ কোমলতা সনা শৰীৰেৰে লিয়েনমাকাও সৌন্দৰ্য্যৰ ৰহঘৰা।

এইদৰে সাতভনীৰ প্ৰতি অফুৰন্ত প্ৰেমেৰে তেওঁৰ গীতসমূহ ঋদ্ধ। মেঘালয়, অৰুণাচল, নাগালেণ্ড, কহিমা আদি ঠাইসমূহৰ মনোহাৰক বৰ্ণনা তেওঁৰ সাতভনীৰ প্ৰতি থকা সৌহাৰ্দ্যপূৰ্ণ মনোভাৱৰ পৰিচায়ক।

২.০ ভূপেন হাজৰিকাৰ গীতত সাতভনীৰ সম্প্ৰীতি ঃ

সাতভনীৰে সমৃদ্ধ পূৰ্বৰ বৰ অসমৰ প্ৰতি হাজৰিকাদেৱৰ আন্তৰিকতা, সাতভনীৰ প্ৰাকৃতিক আৰু জনগোষ্ঠীয় সৌন্দৰ্য্য তেওঁৰ গীতসমূহৰ অন্যতম প্ৰধান বিষয়। অকল এয়ে নহয় ইয়াত নিহিত আছে সাতভনীৰ পাৰস্পৰিক সম্প্ৰীতি, হৃদয়ৰ বান্ধোন। বাকী ছয়ভনীক বাদ দি অসম নিঠৰুৱা; সেয়ে ৰাজনৈতিক বা ভৌগলিক প্ৰয়োজনৰ দোহাই দি পৃথক ৰাজ্য হিচাপে পৰিগণিত হোৱা বাকী ছয় ৰাজ্যক তেওঁ কেতিয়াও অন্তৰৰ পৰা পৃথক কৰা নাছিল। ওপৰত উল্লেখ কৰা গীতসমূহত সাতভনীৰ সৌন্দৰ্য্যৰ লগতে সম্প্ৰীতিও নিকপকপীয়াকৈ বান্ধ খাই আছে। 'চিয়াঙৰে গালং' গীতত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতি বৰ্ণিত হৈছে;

অসমীৰে পদূলি উদুলি যে মুদুলি
মৰম চেনেহৰ হাট বহিছে– আকৌ,
মনপা ককাইটিক ধৰিলোঁ সাৰটি
... ক'লৈ ঃ যুগ যুগৰ মিতিৰালিৰ ধ্বজা উৰিছে
... একতাৰ বেহা কৰি ভাবিলোঁ ওভতো
... উভতি গৈ তই অসমীকে ক'বি --
আজি পাহাৰে ভৈয়ামৰ কলিজা চিনিছে (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন কথ, পৃ. ১৭১)

সমগ্ৰ কবিতাটো পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ অপূৰ্ব নিদৰ্শন; ইয়াত আছে চিৰযুগমীয়া সম্প্ৰীতিৰ অটুট নিনাদ। এই সম্প্ৰীতি কলিজাৰে গঢ়া সম্প্ৰীতি। কহিমাৰ আধুনিকা ডালিমী আৰু ভৈয়ামৰ আধুনিক গদাপাণিৰ মিলনো সাতভনীৰ চিৰযুগমীয়া সম্প্ৰীতি। চিৰ যুগমীয়া আত্মীয়তাৰ বাবেই কহিমা অৰ্থাৎ নাগালেণ্ডৰ ডালিমীয়ে 'পৰদেশ বুলি মোৰ ভয় লগা নাই' ক'ব পাৰিছে আৰু অসমৰ বোৱাৰী হ'ব পাৰিছে। গদাপাণি স্বৰূপ আধুনিক ডেকাইও গৰ্ববে কৈছে, 'জোঁৱাই হ'লোঁ মই টুৱেনচাঙৰ' আৰু এই মিলন যেন --'*... পূৰ্বভাৰতীৰে জীয়া প্ৰতীক সমন্বয়ৰ'। স্পষ্টভাৱেই প্ৰেমিক-প্ৰেমিকা বা তেজ-মঙহৰ শৰীৰধাৰী ডেকা-গাভৰুৰ প্ৰেম নহয়; ভূপেন হাজৰিকাদেৱৰ*

ভাষাত ই, "মাজে মাজে পূৰ্বভাৰতীৰ মৰমৰ এনাজৰীক ধ্বংস কৰিব খোজে এটি দুস্কৃতিকামী শক্তিয়ে তাৰে প্ৰতিবাদ এই গীত" (ড' ভূপেন হাজৰিকাৰ গীত সমগ্ৰ, পৃ.৩৬৮) মৰমৰ এনাজৰীৰ বান্ধোন কটকটীয়া কৰা গীত।

'কাঃ মঙইহ্ চেঃ মিজোৰাম' শীৰ্ষক গীত মিজোৰাম প্ৰতি মৰমৰ প্ৰতীক। এই মৰম বাই-ভনীৰ মৰম, পাহাৰ-ভৈয়ামৰ মৰম আৰু সম্প্ৰীতিৰ বান্ধোন। মিজোসকলৰ লোক বিশ্বাসৰ পৰা আৰম্ভ কৰি মিজোসকলৰ সংগ্ৰামী জীৱন, সাংস্কৃতিক জীৱন ইত্যাদিৰ মাজেৰে, বিভিন্ন জনগোষ্ঠীৰ উল্লেখ কৰি সামৰণিত সম্প্ৰীতিৰ সহাৰস্থানত গুৰুত্ব দিছে।

বিদায়পৰত কওঁ কথা এফাঁকি--
ধন্যবাদ বা কলাওমে
সংঘাত নহয় মৰমে মৰমে
আজিৰ এই দিন যেন ইতিহাস হয়
এনাজৰী যেন সদা দৃঢ়তৰ হয়।---- সাতভনীৰ মৰমৰ এনাজৰী।

'শ্বিলঙৰে গধূলি' অথবা 'শ্বিলঙৰে মনালিছা' গীত তেওঁৰ বাবে পূৰ্বৰ বৰ অসমৰ সোঁৱৰণি। এই সোঁৱৰণিৰ কথা তেওঁৰ নিজৰ ভাষাৰে, "শ্বিলং মোৰ বাবে সদায় মিঠা সোঁৱৰণি হৈ ৰ'ব-"। 'হে হে' হে' ঢোলে-ডগৰে' গীতত প্ৰথমেই পাহাৰ শিখৰৰ 'মহান চিয়েমক' "হিয়াৰ উমেৰে নেদেখা এনাজৰীৰে" বন্ধাৰ প্ৰয়াস কৰিছে। গীতটোৰ বিভিন্ন বৰ্ণনাত পাহাৰ আৰু ভৈয়ামত ভিন্ন নামেৰে পৰিচিত অভিন্ন বস্তু আৰু বিশ্বাসৰ বৰ্ণনা পোৱা যায়; যিদৰে অসম আৰু মেঘালয় ভিন্ন নামেৰে পৰিচিত হ'লেও আত্মা এক। শুৱালকুচিৰ সোণালী সূতাৰে বোৱা খাচী গাভৰুৰ জেইনচেম, সৰলৰ ধূপকাঠিয়ে ভৈয়ামত বিলোৱা সুগন্ধি সুবাস, সৰল-আঁহতৰ সেউজীয়া পাত, ব্লেই-জোনৰ পোহৰ, খাচী কৃষক অথবা ৰংমন, মহান উল্লেই আৰু নাগধাৰী শিৰ, বাঁহেৰে তৈয়াৰী বাঁহী আৰু শ্বৰাতি ভিন্ন নামেৰে পৰিচিত অভিন্ন আত্মা। সেয়ে,

খাচী আৰু আমি ভেদাভেদ এৰি
বঢ়াওঁ অসমীৰে মহান একতাক। ---- এই একতা সাতভনীৰ একতা। এয়ে ভূপেন হাজৰিকাৰ গীতৰ 'পাহাৰ ভৈয়াম একে কৰা ৰামধেনু'— এই ৰামধেনু সম্প্ৰীতিৰ ৰামধেনু। ভৌগলিক সীমাৰেখা পৃথক হ'লেও , বৰ অসমৰ পৰা আঁতৰি নিজা ভৌগলিক-ৰাজনৈতিক পৰিচয়ৰে চিহ্নিত হ'লেও, জনগণ পৃথক হৈ গ'লেও সম্প্ৰীতিৰ ৰামধেনুত 'তোমাৰ ভাষাৰ মৰমবোৰে / মিলনসেতু গঢ়ে।' এই সম্প্ৰীতিক লৈ তেওঁ অতি সংবেদনশীল আছিল।

৩.০ সামৰণি ঃ

সাম্প্ৰতিক প্ৰেক্ষাপটত ভূপেন হাজৰিকাৰ গীতৰ মৰ্ম অতি তাৎপৰ্য্যপূৰ্ণ। সুধাকণ্ঠ ৰূপে পৰিচিত সমগ্ৰ বিশ্বত নিজৰ লগতে অসম আৰু ভাৰতক চিনাকি কৰি দিয়া ভূপেন হাজৰিকাই সদায় তাৎক্ষণিক পৰিস্থিতিক কেন্দ্ৰ কৰি অসমৰ ৰাইজক সজাগ কৰি তুলিছিল। তেওঁৰ গীতত সাতভনীৰ আটাইকেইখনৰে পোনপটীয়া উল্লেখ নাথাকিলেও সাংস্কৃতিক সমন্বয়, ভৌগলিক ঐক্য, জনজাতীয় স্বীকৃতি অথবা সীমান্তীয় অভিজ্ঞতাৰ অন্তৰ্ভুক্তিৰে তেওঁ উত্তৰ-পূৰ্বাঞ্চলক এক সামূহিক সত্তা হিচাপে গঢ় দিছে। সময়ে সময়ে দেখা দিয়া ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতিয়ে বৰ অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ ভেটিত জোকাৰণি সৃষ্টি তোলে। সাম্প্ৰতিক প্ৰেক্ষাপটত সাতভনীৰ মাজত একাত্ম জনগণ সম্পৰ্কে থকা ধাৰণা সলনি হৈছে। কোনেও কাকো চিনি নাপায়, নাজানে। ৰাজনীতিৰ বীতচক্ষু পৰিধান কৰি পৃথিৰী চাবলৈ বিচৰা জনগণে আজি বৰ অসমৰ নিজা ভাই-ভনীক চিনি নাপায়। কিন্তু গণশিল্পী ভূপেন হাজৰিকাই উত্তৰ পূৰ্বাঞ্চলক সঙ্গীতৰ মাধ্যমত এক কল্প-সম্প্ৰদায় হিচাপে

****

কল্পনা কৰি ইয়াৰ সম্প্রীতি, ঐক্য অক্ষুণ্ণ ৰখাত গুৰুত্ব আৰোপ কৰিছিল। গতিকে আজিৰ প্রেক্ষাপটত সকলোকে নিজ নিজ কক্ষপথলৈ ঘুৰাই আনি পূর্বৰ সাতভনীৰ মিলা-প্রীতি ৰক্ষা কৰা দায়িত্ব শিল্পী সমাজে ল'বলৈ আগবাঢ়ি অহা উচিত। সঙ্গীতৰ এক বিশেষ শক্তি আছে , যি শক্তিয়ে সকলোৰে মনত পৰিস্থিতি সাপেক্ষ ভাৱ জগাই তুলি জনসাধাৰণক নির্দ্দিষ্ট লক্ষ্যলৈ লৈ যাব পাৰে। শিল্পীসমাজে এই শক্তিক ভেটি হিচাপে লৈ অসমৰ সাতামপুৰুষীয়া সম্প্রীতি উদ্ধাৰৰ সামান্য প্রচেষ্টা কৰিলে হাজৰিকাদেৱৰ প্রচেষ্টা সার্থক হ'ব।

প্রসঙ্গটোকা ঃ

১. সূর্য্য হাজৰিকা (সম্পা), ড°ভূপেন হাজৰিকাৰ গীত সমগ্র, বাণী মন্দিৰ,৩য় প্রকাশ ডিচেম্বৰ, ২০১০, পৃ. ৫০
২. প্রাগুক্ত গ্রন্থ, পৃ.১৯৪
৩.প্রাগুক্ত গ্রন্থ, পৃ.২৪১
৪. প্রাগুক্ত গ্রন্থ, পৃ.৪২২
৫. দিলীপ কুমাৰ দত্ত, ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, বনলতা, ষষ্ঠ প্রকাশ,২০১৪, পৃ.১৭৯
৬. প্রাগুক্ত গ্রন্থ, পৃ.১৭৯
৭. দিলীপ কুমাৰ দত্ত, ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, বনলতা, ষষ্ঠ প্রকাশ২০১৪, পৃ. ১৭২
৮. সূর্য্য হাজৰিকা (সম্পা), ড°ভূপেন হাজৰিকাৰ গীত সমগ্র, বাণী মন্দিৰ,৩য় প্রকাশ ডিচেম্বৰ ২০১০, পৃ. ৪৭৯
৯. প্রাগুক্ত গ্রন্থ, পৃ. ৫২০
১০. প্রাগুক্ত গ্রন্থ, পৃ. ৫২২

গ্রন্থপঞ্জী

গোস্বামী, পাৰুল; *সুধাকণ্ঠ,* বনফুল প্রকাশন, ভেটাপাৰা, গুৱাহাটী, ২০২১
দত্ত, দিলীপ কুমাৰ; *ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ,* বনলতা,২০১৪
মজুমদাৰ,পৰমানন্দ (সম্পা.); *ভূপেন হাজৰিকা 'গতি'ৰ পৰা 'আমাৰ প্রতিনিধি'লৈ,* অসম প্রকাশন পৰিষদ,২০১২
হাজৰিকা, সূর্য্য (সম্পা.); *ড° ভূপেন হাজৰিকাৰ গীত সমগ্র,* বাণী মন্দিৰ, ২০১০
হাজৰিকা, মঞ্জুলা (মুখ্য সম্পাদক); *ভূপেন্দ্রজ্যোতি* (চতুর্থ সংখ্যা), ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস, ২০১৫

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইত প্ৰসংগ

অপৰ্ণা হাজৰিকা
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
মেলামৰা মহাবিদ্যালয়, গোলাঘাট

সাৰাংশ

ভূপেন হাজৰিকা একেধাৰে সাহিত্যিক, গীতিকাৰ, সু�ৰকাৰ, চলচিত্ৰ নিৰ্মাতা আদি বহুমুখী প্ৰতিভাৰ অধিকাৰী। শৈশৱতে জ্যোতি, বিষ্ণুৰ আশিসধন্য হৈ বিষ্ণুৰাভাৰ দৰে সবল সংগ্ৰামী হোৱা আৰু জ্যোতিপ্ৰসাদৰ সৌন্দৰ্য সৃষ্টিৰ আকুলতাক নিজস্ব দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াস কৰিছিল। সেয়েহে অসম মাতৃক পুনৰ সজাই পৰাই তুলিবৰ বাবে নিজকে 'অগ্নিযুগৰ ফিৰিঙতি' বুলি কৈছিল। অসমৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সপোন ভূপেন হাজৰিকাৰ গীতৰ মাজতে সন্নিৱিষ্ট হৈ আছে। সমাজৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰি তেওঁ অসম আৰু অসমীয়াৰ সৰ্বাংগীন মংগলৰ হকে গীতৰ মাজেৰে সকীয়নী আৰু উপদেশ দি থৈ গৈছে। তেওঁৰ গীতত সমাজচেতনা, মানৱতা, প্ৰকৃতি প্ৰেম, জাতীয় ঐক্য, সামাজিক ন্যায় আৰু মানৱ মুক্তিৰ গভীৰ দৰ্শন প্ৰকাশ পাইছে। বিশেষকৈ ব্ৰহ্মপুত্ৰ বা লুইতক কেৱল প্ৰাকৃতিক উপাদান ৰূপে নহয়, বৰং অসমীয়া জাতিৰ জীৱন, ইতিহাস, সংস্কৃতি আৰু জাতীয় চেতনাৰ প্ৰতীক হিচাপে উপস্থাপন কৰিছে। তেওঁৰ গীতসমূহত লুইত অসমীয়া জাতিৰ গতিশীলতা, সংগ্ৰাম, ঐতিহ্য, শক্তি আৰু আশা-আকাংক্ষাৰ বাহক ৰূপে প্ৰতিফলিত হৈছে। এই গৱেষণা পত্ৰত ভূপেন হাজৰিকাৰ বিভিন্ন গীতত ব্ৰহ্মপুত্ৰ বা লুইতৰ প্ৰসঙ্গৰ সাহিত্যিক, সাংস্কৃতিক আৰু সামাজিক তাৎপৰ্য বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ব।

বীজশব্দঃ ভূপেন হাজৰিকা, ব্ৰহ্মপুত্ৰ, লুইত, সমাজচেতনা, জাতীয় ঐক্য।

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

ভূপেন হাজৰিকাৰ বিশাল সৃষ্টিৰাজিৰ মাজত গীত আছিল এক প্ৰাণৱন্ত মাধ্যম। *"ড' ভূপেন হাজৰিকাই ওপজা মাটিৰ পৰা আৰম্ভ কৰি বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে জনতাৰ মাজে মাজে ঘূৰি ফুৰোঁতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বায়ু, মাটি, পানী আৰু তেওঁৰ সান্নিধ্যলৈ অহা জাতি, জনগোষ্ঠী আদি সকলোকে গীতৰ বিষয়বস্তুৰ মাজত ধৰি ৰাখিছিল। সেয়েহে তেওঁৰ প্ৰতিটো গীতৰ মাজত নিহিত হৈ আছে মানৱ জীৱনৰ সুক্ষ্ম বিশ্লেষণ, প্ৰেমৰ সুকোমল অনুভূতি, গভীৰ জীৱনবোধ, মানৱতাবোধ, নিভাঁজ দেশপ্ৰেম, সামাজিক দায়বদ্ধতা আদি বিবিধ বিষয়।"*[১] ইতিহাস, বাস্তৱবোধ, মানৱতা, প্ৰকৃতি প্ৰেম, জাতীয় চেতনা আৰু জনগোষ্ঠীয় সমন্বয় তেওঁৰ গীতসমূহৰ মূল বিষয়। তেওঁৰ গীতত সমাজৰ দুখ-কষ্ট, আশা-আকাংক্ষা আৰু মানৱতাৰ এক গভীৰ প্ৰকাশ দেখা যায়। অসমীয়া সভ্যতা, ইতিহাস আৰু সংস্কৃতিৰ সৈতে মানৱীয় অনুভূতিৰ সমন্বয় ঘটাই তেওঁ সংগীতক এক শক্তিশালী সামাজিক মাধ্যমলৈ ৰূপান্তৰিত কৰিছিল। বিশেষভাৱে ব্ৰহ্মপুত্ৰ বা লুইতে তেওঁৰ গীতত এক বিশেষ স্থান অধিকাৰ কৰিছিল। লুইত কেতিয়াবা অসমৰ জনজীৱনৰ সাক্ষী, কেতিয়াবা বেদনাৰ ধাৰক, আকৌ কেতিয়বা একতা আৰু সংগ্ৰামৰ প্ৰতীকৰূপে চিত্ৰিত হৈছে। অসমৰ সভ্যতা, সংস্কৃতি আৰু অৰ্থনীতিৰ মূল আধাৰো ব্ৰহ্মপুত্ৰ নদীয়েই। অসমবাসীৰ জীৱন-যাত্ৰা, সুখ-দুখ, বানপানী, কৃষি, লোকসংস্কৃতি আদি সকলো বিষয় এই নদীৰ সৈতে গভীৰভাৱে জড়িত। হাজৰিকাদেৱে লুইতৰ মাজত অসমীয়া জাতিৰ আত্মা আৰু ঐক্যৰ শক্তি অনুভৱ কৰিছিল। সেইবাবে ভূপেন

****

হাজৰিকাৰ দৰে জনমুখী শিল্পীৰ গীতত ব্ৰহ্মপুত্ৰ লুইতৰ উল্লেখ স্বাভাৱিক।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

এই অধ্যয়নৰ মুখ্য উদ্দেশ্যসমূহ হৈছে-

ক) ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইতৰ প্ৰতীকী ৰূপ চিত্ৰণ।

খ)অসমৰ ইতিহাস, সংস্কৃতি আৰু সমাজ বাস্তৱতাৰ তাৎপৰ্য বিশ্লেষণ কৰা।

গ) ব্ৰহ্মপুত্ৰ বা লুইতকেন্দ্ৰিক গীতত প্ৰকাশ পোৱা মানৱতাবাদ আৰু জাতীয় ঐক্যৰ মূল্যায়ন কৰা।

ঘ) ভূপেন হাজৰিকাৰ গীতত প্ৰকৃতি আৰু মানৱ সমাজৰ আন্তঃসম্পৰ্ক বিশ্লেষণ কৰা।

০.৩ অধ্যয়নৰ গুৰুত্বঃ

এই অধ্যয়নৰ জৰিয়তে অসমৰ লোকসংস্কৃতি, কৃষিভিত্তিক জীৱন, বানপানী সমস্যা, সামাজিক সম্প্ৰীতি আৰু আঞ্চলিক চেতনাক অনুধাৱন কৰাত সহায় কৰিব। লুইতকেন্দ্ৰিক গীতসমূহৰ বিশ্লেষণে তেওঁৰ মানৱতাবাদী দৰ্শন আৰু জনমুখী শিল্পীসত্তাৰ গভীৰতা উন্মোচিত কৰিব। ব্ৰহ্মপুত্ৰৰ প্ৰতীকী তাৎপৰ্য বিশ্লেষণৰ লগতে প্ৰকৃতি আৰু মানুহৰ আন্তঃসম্পৰ্কৰ অধ্যয়ন, নদী আৰু মানুহৰ নিবিড় সম্পৰ্ক উপলব্ধি কৰাত এই অধ্যয়নে সহায় কৰিব।

০.৪ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰঃ

গৱেষণা পত্ৰখনিত বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতিৰে বিষয়বস্তু ব্যাখ্যা কৰা হৈছে। অধ্যয়নৰ সীমিত পৰিসৰত কেৱল লুইত বা ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ৰচিত হোৱা ভূপেন হাজৰিকাৰ কিছুসংখ্যক গীতহে আমাৰ অধ্যয়নীয় বিষয় হৈছে।

০.৫ তথ্য আহৰণৰ উৎসঃ

আলোচ্য বিষয়টো বিশ্লেষণ কৰিবলৈ যাওঁতে মুখ্য উৎস হিচাপে ভূপেন হাজৰিকাৰ ব্ৰহ্মপুত্ৰ বা লুইতকেন্দ্ৰিক কিছু সংখ্যক গীত গ্ৰহণ কৰা হৈছে। গৌণ উৎস হিচাপে ভূপেন হাজৰিকাৰ গীতৰ আলোচনা সম্বন্ধীয় বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ আৰু ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।

০.৬পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ

ভূপেন হাজৰিকা গীতসমূহত অসমৰ সমাজ-সংস্কৃতি, জনজীৱন, শ্ৰমজীৱী মানুহৰ দুখ-কষ্ট, মানৱতাবাদ আৰু আঞ্চলিক চেতনা গভীৰভাৱে প্ৰতিফলিত হৈছে। বিশেষকৈ 'লুইত' বা 'ব্ৰহ্মপুত্ৰ' নদী তেওঁৰ গীতত কেৱল প্ৰাকৃতিক সত্তা নহয়; ই অসমৰ ইতিহাস, সভ্যতা, সংস্কৃতি আৰু জাতীয় আত্মচেতনাৰ এক শক্তিশালী প্ৰতীক ৰূপত উদ্ভাসিত হৈছে। এই বিষয়ত বিভিন্ন গৱেষক, সমালোচক আৰু সাহিত্য বিশাৰদে বিভিন্ন দৃষ্টিকোণৰ পৰা আলোচনা আগবঢ়াইছে।

১৯৯২ চনত ৰচিত হোৱা দিলীপ কুমাৰ দত্তৰ 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰথ' নামৰ গ্ৰন্থখন ভূপেন হাজৰিকাৰ গীতৰ সংকলন যদিও ইয়াত লেখকে ভূপেন হাজৰিকাৰ গীতৰ বিষয়বস্তুৰ আলোচনা কৰিবলৈ যাওঁতে বিভিন্ন ভাগত ভাগ কৰি দেখুৱাইছে। বিদ্ৰোহৰ গীত, জাতিভেদৰ গীত, সামাজিক নিৰাপত্তাৰ গীত, মানৱ প্ৰেমৰ গীত আদি গীতসমূহত ভূপেন হাজৰিকাৰ ব্ৰহ্মপুত্ৰ বা লুইতকেন্দ্ৰিক গীতসমূহ উল্লেখ কৰিছে।

বুদ্ধেশ্বৰ দাসৰ *সব্যসাচী ড' ভূপেন হাজৰিকা* (১৯৯২) গ্ৰন্থৰ 'আৰ্ন্তজাতিক মঞ্চত ড' ভূপেন হাজৰিকা' শীৰ্ষক প্ৰবন্ধত জিৰণি বিহীন শিল্পী জীৱনৰ অব্যক্ত ভাব প্ৰকাশ কৰিছে। তৰণী পাঠক আৰু মনোমতী ডাকুৱা পাঠকৰ দ্বাৰা ২০০৯ চনত ৰচিত 'ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ' গ্ৰন্থত ভূপেন হাজৰিকাৰ অন্যান্য গীতসমূহৰ বিশ্লেষণৰ লগতে ব্ৰহ্মপুত্ৰ বা লুইতকেন্দ্ৰিক গীতসমূহৰো বিশ্লেষণ আগবঢ়োৱা হৈছে।

ভূপেন হাজৰিকাৰ গীতত লুইত বা ব্ৰহ্মপুত্ৰৰ প্ৰতীকী, সাংস্কৃতিক আৰু সমাজ বাস্তৱতামূলক তাৎপৰ্য

****

একেলগে বিশ্লেষণ কৰা বিস্তৃত আৰু সুসংগঠিত গৱেষণা তুনলামূলকভাৱে কম। অধিকাংশ অধ্যয়ন ভূপেন হাজৰিকাৰ সামগ্ৰিক সংগীত চিন্তা বা মানৱতাবাদী দৃষ্টিভংগীত সীমাবদ্ধ। সেয়েহে ভূপেন হাজৰিকাৰ গীতত লুইত বা ব্ৰহ্মপুত্ৰ প্ৰসংগ বিষয়টোৰ ওপৰত স্বতন্ত্ৰ আৰু গভীৰ গৱেষণাৰ যথেষ্ট সম্ভাৱনা আছে। পূৰ্বৱৰ্তী সাহিত্যসমূহে এই বিষয়ৰ বিভিন্ন দিশ উন্মোচন কৰিলেও অধিক বিশ্লেষণধৰ্মী আৰু আন্তঃবিষয়ক গৱেষণাৰ প্ৰয়োজন আজিও অনুভূত হয়।

১.০ বিষয়ৱস্তুৰ আলোচনাঃ

ভূপেন হাজৰিকাৰ গীতৰ মূল উৎস মানুহ। পাৰস্পৰিক প্ৰেম, সংঘাত, শোষণ-নিষ্পেষণৰ জীয়া ছবি অংকন কৰি মানুহৰ মুক্তিৰ কামনাৰে তেখেতে গীত ৰচনা কৰিছিল। প্ৰকৃতি তেওঁৰ গীতৰ অন্যতম উৎস। প্ৰকৃতিৰ অন্যতম উপাদান নদীয়ে মানুহ, গছ-বিৰিখ, তৰু-তৃণ আদিক জীয়াই থকাত সহায় কৰে। এই নদীৰ পাৰতেই সভ্যতা-সংস্কৃতিয়ে গঢ় লৈ উঠে। অসমৰ সোঁমাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ বা লুইত অসমীয়া জাতিৰ প্ৰাণ। ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইতে বিশেষ স্থান লাভ কৰিছে। ব্ৰহ্মপুত্ৰকেন্দ্ৰিক চেতনা তেওঁৰ গীতৰ এক অন্যতম বিশেষত্ব। ইয়াৰ কাৰণো নোহোৱা নহয়। ভূপেন হাজৰিকাৰ জন্ম হৈছিল শদিয়াৰ লুইতৰ পাৰতেই। শৈশৱ আৰু কৈশোৰৰ প্ৰায়ভাগ সময় ভৰলুমুখ আৰু ধুবুৰী-তেজপুৰৰ লুইতৰ পাৰতেই অতিবাহিত কৰিছিল। সেয়েহে তেখেতক লুইতপৰীয়া বুলি ক'লেও ভুল কোৱা নহ'ব। এই আলোচনাত ব্ৰহ্মপুত্ৰ বা লুইতক কেন্দ্ৰ কৰি ৰচিত হোৱা কেইটামান নিৰ্দিষ্ট গীতত গীতিকাৰৰ সমাজ চিন্তা, মানৱতাবাদ আৰু আঞ্চলিক চেতনাৰ প্ৰকাশ অনুধাৱন কৰাৰ প্ৰয়াস কৰা হৈছে।

১.১ সংগীতত নদীৰ প্ৰতীকী অৰ্থঃ

সংগীতত নদী বহু সময়ত জীৱন, আশা, স্মৃতি আৰু ৰূপান্তৰৰ প্ৰতীক হিচাপে ব্যৱহাৰ হয়। নদী কেৱল পানীৰ প্ৰৱাহ নহয়, ই জীৱনৰ এক গতিশীল শক্তি । নদীয়ে অবিৰতভাৱে বৈ থকাৰ দৰে মানুহৰ জীৱনো এক নিৰন্তৰ প্ৰবাহ। বহু শতাব্দী ধৰি সাহিত্য, ধৰ্ম আৰু সংগীতত নদী মানৱ অভিজ্ঞতাৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক হিচাপে ব্যৱহৃত হৈ আহিছে। উদাহৰণস্বৰূপে ব্ৰুচ স্প্ৰিংষ্টিনৰ 'দি ৰিভাৰ' নামৰ গীতে নদীক কৰ্মজীৱী শ্ৰেণীৰ জীৱনৰ এক বাস্তৱ প্ৰতিচ্ছবি হিচাপে উপস্থাপন কৰিছে।[২] নদী হৈছে আশা-নিৰাশাৰ এক গভীৰ প্ৰতীক। বহু গীতত নদীক প্ৰেমৰ স্বতঃস্ফূৰ্ত আৰু নিৰ্মল প্ৰকাশ হিচাপে দেখুওৱা হয়। সংগীতত নদী কেতিয়াবা স্মৃতিৰ, কেতিয়াবা যাত্ৰাৰ প্ৰতীক হিচাপে আৰু কেতিয়াবা জীৱনৰ ৰূপান্তৰৰ পথ ৰূপে প্ৰকাশ পায়। ভূপেন হাজৰিকাৰ নদী-চেতনা ভাৰতীয় সাহিত্যৰ অন্যান্য নদীকেন্দ্ৰিক সাহিত্য ধাৰাৰ লগতো তুলনীয়। বিশেষকৈ ৰবীন্দ্ৰনাথ ঠাকুৰ, কাজী নজৰুল ইছলাম আদিৰ সাহিত্যত নদীৰ যি সাংস্কৃতিক ব্যঞ্জনা দেখা যায়, ভূপেন হাজৰিকাৰ গীততো তাৰ এক স্বকীয় ৰূপ লক্ষ্য কৰা যায়। কিন্তু ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ অধিক বাস্তৱধৰ্মী আৰু জনজীৱনমুখী ৰূপত প্ৰকাশ পাইছে।

১.২ ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইতৰ প্ৰতীকী ৰূপঃ

অসমৰ ইতিহাসত ব্ৰহ্মপুত্ৰই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইত এক গভীৰ প্ৰতীক। লুইতৰ মাধ্যমেৰে তেওঁ অসমৰ সামগ্ৰিক জীৱনদৰ্শন প্ৰকাশ কৰিছে। বিভিন্ন জনগোষ্ঠীৰ লোকে ব্ৰহ্মপুত্ৰৰ পাৰত যুগ যুগ ধৰি বসতি স্থাপন কৰি আহিছে। ফলস্বৰূপে অসম এখন বহু সাংস্কৃতিক সমাজত পৰিণত হৈছে। ভূপেন হাজৰিকাই এই ইতিহাস গভীৰভাৱে অনুধাৱন কৰিছিল। তেওঁৰ বিভিন্ন সংস্কৃতি আৰু ধৰ্মক একেলগ কৰি এক নতুন সভ্যতা গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল বৰ লুইতৰ মাধ্যমেৰে। শংকৰ, আজান ফকীৰৰ ব্যক্তিত্বৰ আধ্যাত্মিক চিন্তাধাৰাও এই ধৰাতেই বিকশিত হৈছে। সেয়েহে ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ এক কেন্দ্ৰীয় শক্তি হিচাপে বিবেচিত হৈছে। তেওঁৰ বাবে লুইত কেৱল প্ৰাকৃতিক উপাদান নহয়,

****

ই অসমীয়া জাতিৰ ইতিহাস আৰু সংস্কৃতিৰ প্ৰাণ। তেওঁ গৌৰৱ কৰি গাইছে-

"মহাবাহু ব্ৰহ্মপুত্ৰ
মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ।" (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন বথ, পৃঃ ৩২)

এই গীতটোত তেওঁ ব্ৰহ্মপুত্ৰক অসমীয়া জাতিৰ ঐতিহ্য, সভ্যতাৰ বাহক, সমন্বয়ৰ প্ৰতীক আৰু ইতিহাসৰ সাক্ষী হিচাপে উপস্থাপন কৰিছে। গীতটোত আঞ্চলিকতা আৰু বিশ্বমানৱতাৰ এক সুন্দৰ সমন্বয় লক্ষ্য কৰা যায়। লুইতৰ দুয়োপাৰে বহু জনগোষ্ঠীয়ে যুগ যুগ ধৰি একেলগে বাস কৰি অসমীয়া সভ্যতা, সংস্কৃতি গঢ়ি তুলিছে। লুইতৰ এই মিলন শক্তিয়ে অসমৰ সামাজিক আৰু সাংস্কৃতিক ঐক্যৰ ভেটি সুদৃঢ় কৰিছে। লুইত অসমীয়া জাতিসত্তা আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰতীক। ভূপেন হাজৰিকাই লুইতৰ জৰিয়তে অসমৰ মাটি, মানুহ আৰু ঐতিহ্যৰ সৈতে গভীৰ আত্মীয়তা প্ৰকাশ কৰিছে।

১.৩ ভূপেন হাজৰিকাৰ গীতত লুইত আৰু অসমৰ জনজীৱনঃ

অসমীয়া মানুহৰ জীৱনৰ সকলো ক্ষেত্ৰতে লুইতে বিশেষ ভূমিকা লোৱা দেখা যায়। কৃষি, মৎস্য, যাতায়াত, বানপানী, লোকসংস্কৃতি আদি সকলো দিশতে লুইত বা ব্ৰহ্মপুত্ৰৰ প্ৰভাৱ বিৰাজমান। কেতিয়াবা নদী মাতৃস্বৰূপা আকৌ কেতিয়াবা ধ্বংসকাৰিণী। ভূপেন হাজৰিকাই তেওঁৰ গীতত নদীৰ এই দ্বৈত ৰূপ বাস্তৱভাৱে চিত্ৰিত কৰিছে। তেওঁৰ গীত মানুহৰ দুখ-কষ্ট, আশা-নিৰাশা, সংগ্ৰাম, সামাজিক বৈষম্য আৰু অন্যায়ৰ বিৰুদ্ধে এক শক্তিশালী কণ্ঠ। মানুহ আশাবাদী। আশাই মানুহক জীয়াই থাকিবলৈ প্ৰেৰণা দিয়ে। বাৰিষা দ-কূল উপচি পৰা লুইতে কেতিয়াবা আশাৰ সঞ্জীৱনী সুধা চটিয়াই আকৌ কেতিয়াবা দুখেৰে ওপচাই মানুহৰ জীৱন। গীতৰ জৰিয়তে তেওঁ বিচাৰিছিল সোণৰ অসমখন বানপানী মুক্ত হ'ব। সেয়েহে, তেখেতৰ 'লুইতৰ পাৰ দুটি' নামৰ গীতটোত এই আশা প্ৰকট হৈ পৰিছে। ভাদমহীয়া লুইতৰ বানে সেউজীয়া পথাৰ, ঘৰ-দুৱাৰ, ভঁড়ালৰ ধান আনকি বুকুৰ আপোনজনকো কাঢ়ি লৈ যায়। উন্নত প্ৰযুক্তি কৌশলে লুইতখন বান্ধিলে অসম আকৌ সোণোৱালী হৈ পৰিব। ইয়াৰ পৰা উৎপাদিত বিজুলী শক্তিয়ে আঁউসীৰ অমানিশা আঁতৰাই পোহৰৰ দীপাৱলীয়ে লুইতৰ দুটি পাৰ সোণালী কৰিব।

"লুইতৰ পাৰ দুটি
জিলিকি উঠিব ৰাতি
জ্বলি শত দেৱালীৰ বস্তি
আহিব কাতিৰে মাহটি
দূৰতে দেৱালীৰ বস্তি (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন বথ, পৃঃ ২১৪)

লুইতখন অসমীয়াৰ আৱেগ, অসমীয়াৰ বুকুৰ আপোন। লুইতেই কেতিয়াবা দুগৰাহ ভাত মোকলাই দিয়ে আকৌ কেতিয়াবা মুখৰ ভাতমুঠি কাঢ়ি নিয়ে। প্ৰলয়ংকাৰী বানে কাঢ়ি লৈ যায় অসমীয়াৰ আশা-আকাংক্ষা, সপোন। পথাৰৰ গৰু, ভঁড়ালৰ ধান, ঘৰ-বাৰী আৰু চেনেহৰ আপোনজনকো এই বানে কাঢ়ি লৈ যায়। বানৰ ভয়াবহতা আৰু নদীকেন্দ্ৰিক জীৱনৰ বাস্তৱতা তেওঁৰ গীতসমূহত গভীৰ সংবেদনশীলতাৰে প্ৰকাশ পাইছে-

"লুইততে মোৰ ঘৰ
লুইতেই মোৰ পৰ
লুইতেই যে ভাঙে গঢ়ে সপোন মৰমৰ।" (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন বথ, পৃঃ ২১২)

কোনোবা ঠাইত আকৌ গীতিকাৰে লুইতৰ প্ৰতি প্ৰচণ্ড ক্ষোভ উজাৰিছে। কেতিয়াবা দুৰ্নীতি ভ্ৰষ্টাচাৰেৰে

****

ভৰি থকা সমাজখনক ধুই নিকা নকৰাৰ বাবে ক্ষোভত গালি পাৰিছে। বুঢ়া লুইতৰ বানৰ বিভীষিকাত প্ৰত্যেক বছৰে ঘৰ-বাৰী এৰিবলগীয়া সমাজখনৰ দুখ-দুৰ্দশা দেখি হাজৰিকাদেৱে বাৰুকৈয়ে মনোকষ্ট পাইছিল। সেয়েহে তেওঁ লুইতৰ প্ৰতি ক্ষোভ উজাৰিছে-

"লুইতৰ বলিয়া বান
তই ক'লৈনো
ঢাপলি মেলিছ
হিৰ্ হিৰ্ শৰদে কাল ৰূপ ধৰি লৈ
কাকনো বাৰে বাৰে খেদিছ?" (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃঃ ২১৩)

১.৪ মানৱতাবাদ আৰু জাতীয় ঐক্যঃ

"মানৱীয় কোমলতা ভূপেন হাজৰিকাৰ শ্ৰেষ্ঠ সৌন্দৰ্য্য। বৈষ্ণৱ যুগত শঙ্কৰদেৱ আৰু মাধৱদেৱে ভক্তি ভাৱেৰে অসমীয়া সমাজক প্লাৱিত কৰাৰ দৰে কুৰি শতিকাৰ মানৱ-প্ৰেমৰ যুগত ড° হাজৰিকাই অসমীয়া সমাজত মানৱী মৰমৰ অমিয়া ঢালিছে। ইয়েই যেন তেওঁৰ জীৱন অন্বেষণ, ইয়েই তেওঁৰ আধ্যাত্মিক লক্ষ্য। তেওঁৰ গীতৰ এনে আধ্যাত্মিকতাৰ কাৰণেই তেওঁৰ গীত কেৱল গোটেই ভাৰততে নালাগে পৃথিৱীৰ আন আন ঠাইতো সমাদৃত হৈছে। তেওঁ মানৱ-প্ৰেমৰ বিশ্বজনীন ভাবেৰে লুইত পাৰৰ অসমীয়া জাতীয় জীৱনক এনেভাৱে চহকী কৰিছে যে ইতিহাসত প্ৰথমবাৰৰ কাৰণে এজন অসমীয়াই অসমীয়া সমাজখনক আৰ্ন্তজাতিক সাঁচত ৰূপ দিবলৈ চেষ্টা কৰা যেন অনুমান হয়।"[৩] ভূপেন হাজৰিকাৰ গীতত সমাজচেতনা বাৰুকৈয়ে স্পষ্ট। তেওঁৰ গীতত মানুহৰ দুখ, কষ্ট,সামাজিক বৈষম্য আৰু অন্যায়ৰ বিৰুদ্ধে এক শক্তিশালী কণ্ঠ শুনা যায়-

'বিস্তীৰ্ণ পাৰৰে
অসংখ্য জনৰে
হাঁহাকাৰ শুনিও
নিশব্দে নিৰৱে
বুঢ়া লুইত তুমি, বুঢ়া লুইত বোৱা কিয়?' (অসমীয়া জনপ্ৰিয় গান, পৃ. ৩০)

গীতটোত ব্ৰহ্মপুত্ৰক উদ্দেশ্য কৰি সমাজৰ দুখ-কষ্ট আৰু বৈষম্যৰ কথা কথা কোৱা হৈছে। নদীয়ে সকলো দেখে, সকলো জানে, কিন্তু নী�ৰৰ হৈ থাকে। এই নীৰৱতা আচলতে সমাজৰ উদাসীনতাৰ প্ৰতীক। এই গীতত লুইত কেৱল নদী নহয়; ই সমাজৰ ইতিহাসৰ নীৰৱ সাক্ষী। দৰিদ্ৰতা, শোষণ, বঞ্চনা আৰু মানৱীয় যন্ত্ৰণাৰ বিপৰীতে ব্ৰহ্মপুত্ৰক এক সাক্ষী হিচাপে উপস্থাপন কৰি সমাজৰ অৱক্ষয়ৰ কথা প্ৰকাশ কৰিছে। তেওঁ আশা কৰিছিল যে লুইতৰ শক্তিৰ দৰে অসমীয়া জাতিও সংগ্ৰামী আৰু অগ্ৰগামী হওক। শ্ৰমজীৱী, খাটিখোৱা অসমীয়া মানুহৰ দুখ-দুৰ্দশাৰ বৰ্ণনা হাজৰিকাদেৱৰ গীতত দেখা যায়।

"পৰাহি পুৱাতে টুলুঙা নাৱতে
ৰংমন মাছলৈ গ'ল" (অসমীয়া জনপ্ৰিয় গান, পৃঃ ৩২) শীৰ্ষক গীতত নিঃকিন মাছমৰীয়া ৰংমনে ব্ৰহ্মপুত্ৰৰ বুকুত মাছ মাৰি জীৱন-জীৱিকা নিৰ্বাহ কৰাৰ এখন কঠোৰ সংগ্ৰামৰ ছবি অংকন কৰিছে। নৈপৰীয়া ৰাইজৰ আশাৰ থলী এই ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰই তেওঁলোকক জীয়াই থকাৰ সমল দিয়ে। কিন্তু তাৰ মাজতো কেতিয়াবা প্ৰকৃতিয়ে তাণ্ডৱ চলায়। ৰংমনেও সপোনৰ ঘৰখন, মৰমৰ ৰহদৈজনীক এসাঁজ গোটাই দিবৰ বাবে বতাহ-বৰষুণকো নেওচি মাছ মাৰিবলৈ যায়। নহ'লে যে সিহঁতৰ চৰুত জুই নজ্বলে। ধুমুহাই সৃষ্টি কৰা কোবাল ঢৌত ৰংমনৰ মৃত্যুয়ে সমগ্ৰ নৈপৰীয়া মানুহৰ অনিশ্চিত ভবিষ্যতৰ ইংগিতেই বহন কৰিছে।

'আজি ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান' গীতত ব্ৰহ্মপুত্ৰক এক শক্তিশালী আৰু জাগ্ৰত শক্তি হিচাপে উপস্থাপন

****

কৰিছে। নদীৰ বহিমান সোঁতক অসমীয়া জাতিৰ সংগ্ৰামী শক্তিৰ প্ৰতীক হিচাপে দেখুওৱা হৈছে। অসমৰ মানুহে সংকটৰ সময়তো সাহস আৰু শক্তিৰে আগুৱাই যাব পাৰে তাকেই গীতটোৰ মাজেৰে ক'ব বিচাৰিছে-

"সমদলৰ পদধ্বনি
আবাল বৃদ্ধ বনিতাৰ
স্ব-নিৰাপত্তা লক্ষ্য আৰু
আনকো জীয়াই ৰখাৰ।
সহস্ৰজনৰ সাহস দেখি
পৃথিৱী কম্পমান।
আজি ব্ৰহ্মপুত্ৰ হ'ল বহিমান।।" (অসমীয়া জনপ্ৰিয় গান, পঃ ৩৬)

১.৫ যুৱ প্ৰজন্ম আৰু সমাজচেতনাঃ

ভূপেন হাজৰিকাই সদায় যুৱ প্ৰজন্মৰ ওপৰত গভীৰ বিশ্বাস ৰাখিছিল। তেওঁৰ গীতসমূহত তেওঁ যুৱ সমাজক জ্ঞান আৰু চেতনা লাভ কৰি সমাজ উন্নয়নৰ পথত আগবাঢ়িবলৈ আহ্বান জনাইছে। 'জিলিকাব লুইতৰে পাৰ' নামৰ গীতত তেওঁ যুৱ সমাজক জ্ঞানৰ আলোকে সমাজ আলোকিত কৰিবলৈ অনুপ্ৰাণিত কৰিছে।

"জিলিকাব লুইতৰে পাৰ
এন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষ বয়
জেউতি নিজৰাৰে ধাৰ।" (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃঃ ২০১)

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গুণ-গৰিমা গাবৰ বাবে ভূপেন হাজৰিকাই এই গীতটো ৰচনা কৰিছিল। অসম নামৰ এই ভূখণ্ড পূৰ্বতে প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ নামেৰে বিখ্যাত আছিল। মহাভাৰতৰ দিনৰ পৰাই এই দেশৰ গুণ-গৰিমা বিয়পি আছিল। অনেকজন পণ্ডিত, বুৰঞ্জীবিদ, সাহিত্যিক, মহাপুৰুষে গুৰুগৃহ, টোল বা ৰাজ অনুগ্ৰহত শিক্ষা লাভ কৰিছিল। আজিৰ দৰে সেই সময়ছোৱাত উচ্চ শিক্ষা লাভৰ বাবে কোনো মহাবিদ্যালয় বা বিশ্ববিদ্যালয় নাছিল। ১৯০১ চনত গুৱাহাটীত কটন কলেজ স্থাপন হোৱাৰ পিছত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অনেক সংগঠন আৰু গুণী-জ্ঞানী ব্যক্তিয়ে ১৯১৭ চনত আন্দোলনৰ পথ বাছি লয়। অৱশেষত ১৯৪৭ চনৰ অক্তোবৰ মাহত গুৱাহাটী বিশ্ববিদ্যালয় বিল গ্ৰহণ কৰা আৰু ১৯৪৮ চনৰ ২৬ জানুৱাৰীত কটন কলেজৰ চৌহদত প্ৰথম বৰ্ষৰ শ্ৰেণী আৰম্ভ হয়। ১৯৫৪ চনৰ ২২ ফেব্ৰুৱাৰীত গুৱাহাটীৰ জালুকবাৰীত নতুন ভৱন উদ্বোধন কৰা হয়। ভূপেন হাজৰিকাই এই গীতটো উদ্বোধনী গীত হিচাপে গোৱা হয়।

তেখেতৰ গীতৰ কথাই ইতিহাসৰ দিনৰ পৰা বৰ্তমানলৈকে সাঙুৰি লৈছে। ভূপেন হাজৰিকাদেৱে বিশ্বাস কৰিছিল যে প্ৰত্যেক বছৰেই অজ্ঞান এন্ধাৰ নাশি শ শ ছাত্ৰ-ছাত্ৰী এই বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহিব। তেওঁলোকৰ জ্ঞানৰ জ্যোতিয়ে লুইতৰ পাৰক জ্যোতিষ্মান কৰি তুলিব। সমাজখনক পৰিৱৰ্তন কৰি নতুন পথেৰে আগবঢ়াই নিয়াত ডেকাসকলেই আগবাঢ়ি যাব লাগিব। তেখেতে আশা কৰিছিল অসমৰ জাতি-জনগোষ্ঠীৰ যি একতা সেই একতাই আমাৰ সংস্কৃতিক মহীয়ান কৰিবলৈ সহায় হ'ব আৰু বুৰঞ্জীয়ে সঠিক পথৰ নিৰ্দেশনা দিব। যি অসমভূমিত সাঁচিপাতৰ ভাষাই ঐশ্বৰ্য সোঁৱৰায়, চিফুং বাঁহীৰ সুৰত সমন্বয়ৰ বাৰ্তা ভাঁহি আহে আৰু শৌৰ্য-বীৰ্যৰ বাবে ৰংঘৰে দুৱাৰ মুকলি কৰে। এই অসমতেই বিজ্ঞানৰ জোৱাৰত নতুন প্ৰজন্মই আস্থা প্ৰতিষ্ঠা কৰিব। তেওঁ সেয়েহে কৈছে-

"সাঁচিপাতে ভাষা দিব
চিফুঙে আশা দিব

****

ৰংঘৰে মেলিব দুৱাৰ।" (ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ, পৃঃ ২০১)

২. সিদ্ধান্তঃ

আলোচনাৰ অন্তত আমি কেইটামান সিদ্ধান্তত উপনীত হ'ব পাৰোঁ-

১. ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইত অসমৰ জাতীয় আৰু সাংস্কৃতিক পৰিচয়ৰ শক্তিশালী প্ৰতীক।

২. হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইতৰ প্ৰসঙ্গই অসমৰ ইতিহাস, ঐতিহ্য আৰু সামাজিক মূল্যবোধ সংৰক্ষণত বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

৩. তেওঁৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইত মানৱতাবাদ, সমাজ চেতনা আৰু জাতীয় ঐক্যৰ বাৰ্তা বহনকাৰী ৰূপত প্ৰতিফলিত হৈছে।

৪. ব্ৰহ্মপুত্ৰ বা লুইতৰ জৰিয়তে তেওঁ অসমীয়া সমাজৰ সুখ-দুখ, সংগ্ৰাম আৰু বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি উপস্থাপন কৰিছে।

৫. ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইত প্ৰকৃতি আৰু মানৱ সমাজৰ গভীৰ আন্তঃসম্পৰ্কৰ এক জীৱন্ত নিৰ্দশন।

৩. সামৰণিঃ

ভূপেন হাজৰিকাৰ গীতসমূহ কেৱল বিনোদনৰ উপাদান নহয়; ই অসমীয়া জাতিসত্তাৰ জীৱন্ত দলিল আৰু সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ। লুইত তেওঁৰ গীতত এক জীৱন্ত সত্তা, যিয়ে অসমত অতীত, বৰ্ত্তমান আৰু ভৱিষ্যতক এক সূত্ৰে বান্ধি ৰাখিছে। সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰ বা লুইত কেৱল এখন নদী হিচাপে সীমাবদ্ধ নহয়; ই অসমীয়া জাতিৰ ইতিহাস, সংস্কৃতি, সমাজজীৱন, বেদনা, সংগ্ৰাম, আশা-আকাংক্ষা আৰু মানৱীয় চেতনাৰ এক শক্তিশালী প্ৰতীক হিচাপে প্ৰতিফলিত হৈছে। লুইতৰ প্ৰবাহৰ দৰে তেওঁৰ গীতত অসমৰ জনজীৱনৰ সুখ-দুখ, ঐক্য, জাতীয় চেতনা আৰু মানৱতাবাদী দৰ্শন অবিৰতভাৱে প্ৰবাহিত হৈ আহিছে। নদী আৰু মানুহৰ গভীৰ আন্তঃসম্পৰ্কক শিল্পীসুলভভাৱে উপস্থাপন কৰি অসমীয়া সমাজক জাগ্ৰত আৰু অনুপ্ৰাণিত কৰাৰ চেষ্টা কৰিছিল। ভূপেন হাজৰিকাৰ গীত অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ইতিহাসত এক অমূল্য অৱদান হিচাপে চিৰদিন, চিৰকাল স্মৰণীয় হৈ থাকিব।

প্ৰসংগ টীকাঃ

১. অৰ্পণা কোঁৱৰ, হেমন্ত কোঁচ (সম্পা.)। চিৰযুগমীয়া ব্যক্তিত্ব, (পাতনি)

২. ব্ৰুচ স্প্ৰিংষ্টিন। 'দি ৰিভাৰ' (গীত, ১৯৮০)

৩. ড° দিলীপ কুমাৰ দত্ত। ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰথ, পৃষ্ঠা-১৪০

সহায়ক গ্ৰন্থপঞ্জীঃ

দত্ত, ড° দিলীপ (সম্পা.)। ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ। প্ৰকাশক-অৰুণ পুৰকায়স্থ, কলিকতা, ৯ ৪র্থ তাঙৰণ, আগষ্ট, ১৯৯২।

দাস, বুদ্ধেশ্বৰ। সব্যসাচী ড° ভূপেন হাজৰিকা। প্ৰকাশক-উইলচন দাস, বলিয়াঘাট, শিৱসাগৰ, ১৯৯২।

পাঠক, তৰণী, ডাকুৰা পাঠক, মনোমতী । ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ চমু বিশ্লেষণ। প্ৰকাশক-তৰণী পাঠক, গুৱাহাটী-৩, ২০০৯।

কোঁৱৰ, অৰ্পণা, কোঁচ, হেমন্ত (সম্পা.)। চিৰযুগমীয়া ব্যক্তিত্ব, প্ৰকাশক-ধেমাজী জিলা ছাত্ৰ সন্থা, দ্বিতীয় প্ৰকাশ, ২০১৯।

বৈশ্য, ড° বিনীতা (সম্পা.)। অসমীয়া গীতি-সাহিত্য সমীক্ষা। প্ৰকাশক-পূৰ্বায়ন প্ৰকাশন, গুৱাহাটী-ৰ ডিচেম্বৰ, ২০২২।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

মেদিনী চৌধুৰীৰ উপন্যাস *বণুকাবেহাৰত* মহাপুৰুষীয়া সমাজ-জীৱন আৰু সামাজিক মূল্যবোধৰ প্ৰতিফলন ঃ এক বিশ্লেষণ

বিশ্বজিৎ শইকীয়া
গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

সাৰাংশ

জীৱনীমূলক উপন্যাসৰ বিষয়বস্তুত প্ৰতিফলিত ব্যক্তিগৰাকীৰ ব্যক্তিশৈলী অথবা ব্যক্তিত্বই সমাজৰ সকলোকে আকৰ্ষণ কৰিব পৰা হ'ব লাগে। বাস্তৱ জীৱনক আধাৰ কৰি উপন্যাসৰ ৰূপ দিবলৈ যাওঁতে ব্যক্তিগৰাকীৰ ব্যক্তিত্ব অথবা চাৰিত্ৰিক বৈশিষ্ট্যৰ যাতে কোনো হেৰ্‌ফেৰ্ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লগীয়া হয়। জীৱনীমূলক উপন্যাসত উপন্যাসৰ কলা-কৌশলতা, কল্পনাৰ মৃদু পৰশ আদি লক্ষণ প্ৰকাশ পায়। এজন জীৱনীকাৰৰ মূলতঃ সম্পৰ্ক ব্যক্তি সত্যৰ লগত আনহাতে জীৱনীমূলক ঔপন্যাসিকৰ সম্পৰ্ক ৰস সৃষ্টিৰ সৈতে। আনহাতেদি যি গৰাকী ব্যক্তিৰ জীৱনক আধাৰ কৰি লোৱা হয়; সেই ব্যক্তিজনৰ সমকালিন সমাজ-চেতনা, সমাজিক সম্পৰ্ক, আদৰ্শ আদিও প্ৰকাশ পায়। মেদিনী চৌধুৰীয়ে মহাপুৰুষীয়া জীৱনক লৈ ৰচনা কৰা প্ৰথম অসমীয়া জীৱনীমূলক উপন্যাস *বণুকাবেহাৰত* মাধৱদেৱৰ জীৱন-কালৰ সমসাময়িক সমাজ-ব্যৱস্থাৰ লগতে অসমীয়া সমাজৰ মূল্যবোধ আৰু মহাপুৰুষীয়া সমাজ-জীৱন সম্পৰ্কে বিদ্যায়তনিক আলোচনা কৰা হ'ব।

বীজ শব্দঃ জীৱনীমূলক উপন্যাস, সামাজিক মূল্যবোধ, মহাপুৰুষীয়া সমাজ।

০.১ বিষয় পৰিচয়ঃ

অসমৰ এগৰাকী আগশাৰীৰ কবি, ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ, সাংবাদিক মেদিনী চৌধুৰীৰ ১৯৭৬ চনত প্ৰকাশ হোৱা *বণুকাবেহাৰ* উপন্যাসখনত মহাপুৰুষ মাধৱদেৱৰ জীৱন আৰু আদৰ্শৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে। বণুকা আছিল মহাপুৰুষ মাধৱদেৱৰ পিতৃভূমি। বৰ্তমান 'বণুকা' বাংলাদেশৰ ৰংপুৰ জিলাৰ অন্তৰ্গত। মাধৱদেৱে যদিও জন্ম গ্ৰহণ কৰিছিল সুদূৰ হৰিশিঙা বৰাৰ ঘৰত। অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা মাধৱদেৱৰ জীৱনৰ এচকল এই উপন্যাসত প্ৰতিফলিত হৈছে। গুৰুৰ পৰলোকগামী হোৱাৰ পিছত গুৰুৰ সকলো দায়িত্বভাৰ মাধৱদেৱেই মূৰ পাতি ল'ব লগীয়া হৈছিল। তেনে ক্ষণত মাধৱদেৱৰ জীৱনলৈ নানা সমস্যা আৰু প্ৰত্যাহ্বানৰ বৃষ্টিপাত নামি আহিছিল। *বণুকাবেহাৰ* ত ঔপন্যাসিক চৌধুৰীয়ে অতি কলাসুলভ ভাবে মাধৱে গুৰু বিনে পাৰ কৰা জীৱনৰ কঠোৰ সময়ছোৱা কিদৰে ধৈর্য্য আৰু সহনশীলতাৰে পাৰ কৰিছিল তাৰেই ছবি অংকন কৰিছে। উপন্যাসখনৰ পাতে পাতে মাধৱদেৱৰ গুৰুস্মৃতি-ৰোমন্থন, হৰিনামৰ মাহাত্ম্য, সকলো জাতিৰ শ্ৰেষ্ঠত মানৱ-জাতিৰ শ্ৰেষ্ঠত্ব, মানৱীয় মূল্যবোধ আদিৰ দিশসমূহ সুন্দৰ চিত্ৰকল্পৰ মাজেৰে প্ৰতিফলিত হৈছে।

মহাপুৰুষীয়া জীৱনক লৈ ৰচনা কৰা প্ৰথম অসমীয়া জীৱনীমূলক উপন্যাস হ'ল *বণুকাবেহাৰ*। উপন্যাসখনত মাধৱদেৱৰ পূৰ্ণ জীৱনকাল প্ৰতিফলিত হোৱা নাই। মাধৱদেৱৰ জীৱন কালৰ সমসাময়িক সমাজ-

****

ব্যৱস্থাৰ ছবি অংকনৰ ক্ষেত্ৰত ঔপন্যাসিকে নিজৰ বৰ্ণনা দাঙি ধৰিছে। উপন্যাসখনত সেই সময়ৰ অসমীয়া সমাজত জাতিভেদৰ স্থিতি, কিদৰে শংকৰদেৱৰ মৃত্যুৰ পিছত ভকতসকলৰ মাজত অৰিয়া-অৰি লাগি ভাগ ভাগ হৈছিল ইত্যাদি কথাৰে সমাজখনৰ মূল্যবোধ পতনৰ এক ছবি দাঙি ধৰিছে। আমাৰ আলোচনাৰ বিষয় হিচাপে *বণ্ডুকাবেহাৰত* প্ৰতিফলিত মহাপুৰুষীয়া সমাজ-জীৱনৰ দিশসমূহ ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰা হ'ব।

০.২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্বঃ

মেদিনী চৌধুৰীৰ *বণ্ডুকাবেহাৰত* প্ৰতিফলিত মাধৱদেৱৰ সমসাময়িক সমাজত মহাপুৰুষীয়া আদৰ্শ, মূল্যবোধ সম্পৰ্কে বিদ্যায়তনিক ভাবে আলোকপাত কৰাই এই পত্ৰখনৰ মূল উদ্দেশ্য। অসমীয়া সমাজখনত মাধ্যৱদেৱৰ দৰ্শন-আদৰ্শই আজিও প্ৰভান্বিত কৰি আহিছে। উপন্যাসখনত প্ৰতিফলিত মাধৱদেৱৰ ব্যক্তিত্ব আৰু সমসাময়িক সমাজ-চিত্ৰনে পূৰ্বৰ অসমীয়া সমাজ-জীৱন সম্পৰ্কে এক ধাৰণা দিয়ে। সেয়ে উপন্যাসখনক ন ন দৃষ্টিৰে চোৱাৰ থল আছে।

০.৩ বিষয়ৰ পৰিসৰঃ

আলোচনাৰ পৰিসৰত কেৱলমাত্ৰ *বণ্ডুকাবেহাৰ* উপন্যাসখনত সমসাময়িক কালৰ মহাপুৰুষীয়া আদৰ্শ আৰু সামাজিক মূল্যবোধ কিদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ব।

০.৪ অধ্যয়নৰ পদ্ধতিঃ

আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব।

০.৫ তথ্য আহৰণৰ উৎসঃ

অধ্যয়নৰ বাবে মুখ্য আৰু গৌণ দুই ধৰণৰ উৎসৰে সহায় লোৱা হ'ব। মুখ্য উৎস হিচাপে *বণ্ডুকাবেহাৰ* উপন্যাসখন আৰু গৌণ উৎস হিচাপে আনুষংগিক আলোচনাযুক্ত অন্য গ্ৰন্থৰ সহায় লোৱা হ'ব।

১. মূল বিষয় প্ৰবেশঃ

নৱ-বৈষ্ণৱ ধৰ্ম তথা ভক্তি আন্দোলনৰ যোগেদি মধ্যযুগীয় অন্ধকাৰময় কুসংস্কাৰ যুক্ত ভাব ধাৰাৰ পৰা অসমীয়া সমাজখনক মুক্ত কৰাৰ ক্ষেত্ৰত মহাপুৰুষ শংকৰদেৱৰ লগতে তেওঁৰ অন্যতম প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱৰ অৱদান আছিল অপৰিসীম। সেই গৰাকী বহুমুখী প্ৰতিভাৰ আকৰ সমাজ-সংস্কৃতিৰ খনিকৰ মহাপুৰুষৰ মাধৱদেৱৰ জীৱনৰ এচোৱা কালৰ আধাৰত *বণ্ডুকাবেহাৰৰ* কাহিনীভাগ নিৰ্মাণ কৰা হৈছে। উপন্যাসখন ঐতিহাসিক তথ্যৰ আধাৰ লৈ ৰচনা কৰা হৈছে। ঔপন্যাসিকে মাধৱদেৱৰ ব্যক্তি-জীৱনৰ অনুভূতি, আদৰ্শ-দৰ্শন, সুখ-দুখ, সমাজ-ব্যৱস্থা, মানৱীয় আচৰণ, মূল্যবোধ আদি সকলো প্ৰকাৰৰ দিশত নজৰ দিছে। *বণ্ডুকাবেহাৰত* প্ৰতিফলিত সমাজখন ভগৱতী ধৰ্ম-আদৰ্শত বিশ্বাসী এখন ভকতীয়া সমাজ। ভকত বৈষ্ণৱৰ কথোপকথনত য'ত বিনয়ী ভাব সদায়ে বিৰাজমান। ভকতসকলে বিশ্বাস কৰে যে; এই জগতৰ সৃষ্টিৰ মূল ঈশ্বৰ আৰু মানৱ জাতি কেৱল নিমিত্তহে মাথোন। জগতৰ সকলো কাম তেৰাৰ আদেশতে সম্পাদন হয়। মানুহবোৰ একোটা মাত্ৰ মাধ্যমহে। তেনে নম্ৰ-বিনয়ী সুৰ ভাব এটা উপন্যাসখনৰ পাতে পাতে ধৰা দিছে।

শংকৰদেৱে এনে এখন সমাজ প্ৰতিষ্ঠাৰ সপোন দেখিছিল; য'ত কোনো উচ্চ-নীচ জাতি ভেদৰ স্থান নাথাকিব। সেই আদৰ্শকে আগত লৈ মাধৱদেৱে ভকতসকলকৰ সৈতে ধৰ্ম প্ৰচাৰত আগবাঢ়িছে। কিন্তু শংকৰদেৱৰ মৃত্যুৰ পিছত ভকতসকলৰ মাজত খামখেয়ালি বাঢ়ি একত্ৰিত সমাজখন ভাগি ভাগ ভাগ হ'বৰ উপক্ৰম হয়। কিছুমান ভকতে কেৱল ব্যক্তিস্বাৰ্থৰ বাবে সুকীয়াকৈ ধৰ্মকাৰ্য কৰিব ধৰে। আন কোনোবা মতৰ মতানৈক্য লাগি, কোনোবা পদ বা উপাধিৰ কাৰণে পৃথক হৈ পৰে। তেতিয়াই সমাজখনত সামাজিক মূল্যবোধৰ অৱক্ষয় ঘটে। কিন্তু মাধৱদেৱ আদৰ্শৰ পৰা তিলমানো বিচলিত হোৱা নাই। ভকতসকলক সঠিক মাৰ্গ দেখুৱাই এখন সুস্থ সমাজ নিৰ্মাণত তেওঁ নিঃস্বাৰ্থ ভাবে দিন-ৰাতি এক কৰি আগবাঢ়িছে।

****

উপন্যাসখনত সমসাময়িক সমাজৰ জাতি-ভেদ প্ৰথা উপস্থিতিৰ ছবি পোহৰলৈ আহে কৈৱৰ্তকুলিয় হীৰামণিহঁতক দীক্ষা দিবলৈ ৰামচৰণ ঠাকুৰ অমান্তি হোৱা কাৰ্যত। উপন্যাসখনত হীৰামণি কৈৱতকুলীয় মাছমৰীয়া সম্প্ৰদায়ৰ লোক। তেওঁ এজন প্ৰকৃত বৈষ্ণৱ ভকত। সমাজৰ তথাকথিত উচ্চ বৰ্গৰ লোকে নীচ বুলি গণ্য কৰা বৰ্গটোৰ মাজত একপ্ৰকাৰৰ শ্ৰেণী বৈষম্যৰ দ্বন্দ্ব চকুত পৰে। হীৰামণিহঁতৰ মন-মগজুত তেওঁলোক যে 'নীচ জাত'ৰ এই ধাৰণাৰ ভেদ ৰৈ গৈছে। সেয়ে এবাৰ হীৰামণিহঁতে মাধৱৰ গৃহত মাটিতে বহি পৰাত মাধৱে কয়- *"ভকতসকল, তোমালোকক যাচিবৰ কাৰণে আমাৰ গৃহত আসনৰ অভাৱ ঃ নিজ গুণে মৰিষণ নকৰিলে আমাৰ উপায় নাই।"*[১] তাৰ উত্তৰত হীৰামণিয়ে কয়- *"হেছে প্ৰভু। আমাৰনো মাছমৰীয়া মানুহৰ মাটিয়ে বা কি পাটীয়েৱা কি !"*[২] কিন্তু মাধৱৰ কাৰণে সকলো ভকত সমতুল্য। সমাজৰ পৰা এনে মনোভাৱ নোহোৱা কৰিবৰ হেতুকেই গুৰুজনাই ৰাধিকা ৰমনীক সতী সজাই সমাজত এক বিপ্লৱৰ সূচনা কৰিছিল। গুৰুজনাই মাধৱক এই বুলি প্ৰায়ে সোঁৱৰাই দিছিল - *"বুজিছা বঢ়াৰপো, ৰাধিকাৰমণী আমাৰ সমাজত এক মূৰ্তিমান বিপ্লৱ। সমাজত খাটিখোৱা মানুহৰ স্থান ইমান নিম্নস্তৰত নিৰূপণ কৰা হৈছিল যে, সমাজৰ কল্যান প্ৰচেষ্টাত তেওঁলোক অংশীদাৰ হোৱাটো দূৰৰ কথা, তেওঁলোকৰ কল্যাণ অকল্যাণৰ প্ৰতি সমাজৰ নিয়ন্তাসকল আছিল একেবাৰে উদাসীন। ফলত সমাজৰ কল্যানৰ অৰ্থ হৈ পৰিছিল সমাজৰ মুষ্টিমেয় লোকৰ কল্যাণ।"*[৩]

শংকৰদেৱৰ আদৰ্শ অনুসৰণ কৰা ভকতসকলে ধৰ্ম-চৰ্চাৰ কাৰণে বিভিন্ন ঠাইত কিছুমান অনুষ্ঠান সাজি উলিয়াইছিল। তাঁতীকুছীত গঢ় লৈ উঠা কীৰ্তন ঘৰটো তাৰ এটি অন্যতম উদাহৰণ। কিন্তু মূল্যবোধৰ অৱক্ষয় ঘটা কিছুমান ভকতে কীৰ্তন ঘৰৰ ভিতৰত গোপনে জুৱাৰ আড্ডা পাতিবলৈ ধৰে। এই কথাতে মাধৱ-গোবিন্দ, মথুৰাদাস আতা সকলোৱে শংকিত হৈ পৰে। অৱশ্যে গোবিন্দই এই সমস্যাৰ সমাধান উলিয়ায়।

উপন্যাসখনৰ কিছুমান চৰিত্ৰই মূল্যবোধৰ স্থিতি ধৰি ৰখাৰ বিপৰীতে কিছু চৰিত্ৰৰ মূল্যবোধৰ স্খলন নঘটাকৈ থকা নাই। ধৰ্মাচাৰ্যৰ পদ নোপোৱাৰ ক্ষোভত বনগঞাগিৰিয়ে মাধৱৰ সমাজত বদনাম উলিয়ায়। তেনে কথা সহ্য কৰিব নোৱাৰি মাধৱে গুৰুগৃহ ত্যাগ কৰি তাঁতীকুছী পাইহি। আকৌ আদৰ্শৰ মতবিৰোধ লাগি দামোদৰ দেৱে পৃথকে ভকত গোটাই বৰসবাহৰ আয়োজন কৰে। তাকে দেখি নাৰায়ণ দাস আতাকে ধৰি একাংশ ভকতে মাধৱক নটুৱা নাচ পাতিবলৈ হেঁচা দিয়ে। গুৰুৰ আদৰ্শত ব্যাঘাত পৰিব বুলি ভাবিয়েই ইচ্ছা নথকাৰ স্বত্তেও ভকতৰ হেঁচাত নতুৱা নাচ পতাৰ কথাটোত মাধৱে সন্মতি দিয়ে। তাতে এচাম টুটকীয়া ভকতে ৰজাক গোচৰ দিয়েগৈ যে; ৰঙীয়াল কীৰ্তনঘৰত মাধৱে ছোৱালী নটুৱা নচুৱাই ধৰ্ম নষ্ট কৰিলে। পিছত সেই কথা ভুল বুলি প্ৰমান হয়। আচলতে নটুৱা কোনো ছোৱালীয়ে নচা নাছিল। যদিও মাধৱ ৰজাৰ ৰোষত পৰিব লগীয়া হয় আৰু মাধৱৰ হাজোলৈ নিৰ্বাসন হয়। টুটকীয়া এচাম ভকতৰ মাধৱৰ সৌভাগ্য সহ্য হোৱা নাছিল। সেয়ে বাৰে বাৰে মাধৱৰ ওপৰত পোটক তুলিবৰ বাবে নানা ষড়যন্ত্ৰ ৰচনা কৰিছে। কিন্তু মাধৱে সকলো ধুমুহা নিৰৱে পাৰ কৰিছে।

মাধৱে সমাজখন ভালকৈ উপলব্ধি কৰিছে। যিখন সমাজত ভাল আৰু বেয়া দুয়োবিধ মানুহৰে অস্তিত্ব বিৰাজমান। *"এতিয়াও ইয়াত পৰদ্ৰব্যলোলুপ সৰ্বশক্তিমান ৰজা আছে, ৰজাক উত্তম দ্ৰব্যৰ খবৰ দিবলৈ বনগঞাগিৰি বীৰাই চৌধুৰীৰ দৰে লুভীয়া তোষামোদকাৰীৰ দল আছে, ব্ৰাহ্মণ বিদ্বেষী আৰু বৈষ্ণৱবিদ্বেষী পণ্ডিত নামধাৰী ব্যক্তি আছে আৰু আছে যুগ যুগ ধৰি প্ৰৱঞ্চিত হৈও চেতনা নোহোৱা হীৰামণিহঁতৰ দল।"*[৪] মাধৱৰ অপ্ৰাণ চেষ্টা সমাজৰ বিপথে যোৱা লোকক উত্তম মাৰ্গ প্ৰদৰ্শন কৰোৱা। তাকে কৰিবলৈ যাওঁতে মাধৱ নানা কষ্ট সহ্য কৰিব লগীয়া হৈছে।

উপন্যাসখনত চিত্ৰিত অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি আদিৰ সুন্দৰ বৰ্হিপ্ৰকাশ ঘটিছে। এনেবোৰ চিত্ৰতে প্ৰকাশ পাইছে সামাজিক মূল্যবোধৰ ছবি। সৰুৰে ডাঙৰ সন্মান জনোৱাটো এটা ভাৰতীয় সংস্কাৰ বা পৰম্পৰাৰ ভিতৰুৱা। ভাৰতবৰ্ষৰ ৰাজপ্ৰসাদত অতীতৰে পৰা ধৰ্মগুৰুসকলক এক বিশেষ মৰ্যাদা দি অহা হৈছে। অসমো তাৰ ব্যক্তিক্ৰম নহয়। যদিও ধৰ্মৰ বিভেদকাৰীতাক লৈ কেতিয়াবা এই ধৰ্মগুৰু সকলেই

****

ৰাজদণ্ডৰে দণ্ডিত হোৱাৰো উদাহৰণ নথকা নহয়। উপন্যাসখনত এবাৰ যুৱৰাজ (ধীৰনাৰায়ণ) ভকতসকলৰ আমন্ত্রণ ৰক্ষা কৰি তাঁতী কুছীৰ ৰঙীয়াল ঘৰলৈ আহে। তেতিয়া তেওঁক বহিবলৈ পীৰা পাৰি দিয়ে। যুৱৰাজৰ আহাৰৰ বাবে জহা চাউল, ঘিঁউ, দধি আদিৰ ব্যৱস্থা কৰে। কিন্তু ধীৰনাৰায়ণে ইয়াৰ সলনি বিচাৰিলে আহু চাউল, মাটিমাহ আৰু শাক-পাচলি। যুৱৰাজৰ প্রজাৰ প্রতি এনে নম্র আচৰণে প্রজাৰ প্রতি দায়বদ্ধ আৰু সামাজিক মূল্যবোধৰ এক স্বাক্ষৰ বহন কৰিছে। অসমীয়া লোকসকল যে অতিথি পৰায়ণ তাৰ এক ছবি উপন্যাসখনত আঁকি দেখুৱাইছে। মাধৱে যেতিয়া ৰামানন্দৰ বিধৱা পত্নীৰ অপহৰণৰ খৱৰ পাই মাত লগাবলৈ গুৰুগৃহলৈ আহে তেতিয়া গুৰুপত্নীয়ে মাধৱক বহিবলৈ পীৰা এখন যতনাই দিয়ে। শত্রুও যদি অতিথি হৈ আহে, তেওঁকো দেৱতা জ্ঞান কৰা হয়। এই ক্ষেত্রত মাধৱ আৰু গোবিন্দ ব্যতিক্রম নহয়। ৰামচৰণ ঠাকুৰৰ সৈতে গোবিন্দৰ মত বিৰোধ থাকিলেও মাধৱৰ গৃহলৈ অহা ৰামচৰণক মাধৱে হাঁহিৰে সম্ভাষণ জনাই আৰু গোবিন্দই পীৰা-পানী যতনাই দিয়ে।

উপন্যাসখনত ভকতসকলৰ মুখত দিয়া বাপ, প্রভু, আতা, মিতা, আই আদি বিনয়ী সম্বোধনেৰে মহাপুৰুষীয়া ভকতীয়া সমাজৰ ছবি দাঙি ধৰিছে। *বণুকাবেহাৰত* বৈচিত্রপূর্ণ চৰিত্রসমূহৰ মাজেদি মূল্যবোধৰ প্রতিফলন ঘটিছে। প্রতিটো চৰিত্রই দয়া, ক্ষমা, ভকতি-ভাবনা, শ্রদ্ধা, ত্যাগ আদি মানৱীয় প্রমূল্যবোধেৰে পৰিপূর্ণ। তাৰ সম্পূর্ণ প্রতিফল ঘটিছে মাধৱদেৱৰ চৰিত্রটিৰ মাজেদি। গুৰুৰ মৃত্যুত ধর্মাচার্যৰ ভাৰ লোৱাৰ পিছত ধর্মপ্রচাৰৰ বাটত মাধৱৰ জীৱনলৈ অনেক প্রত্যাহ্বান নামি আহিছিল। গুৰু-সেৱাত ব্যাঘাত নপৰক বুলিয়েই মাধৱে ওৰেটো জীৱন চিৰকুমাৰৰ ব্রততে অটলে থাকে। গুৰু শংকৰেও মাধৱক অনেক চেষ্টা কৰি বিয়াৰ বাবে সৈমান কৰাব নোৱাৰিলে। গুৰুৰ মৃত্যুৰ পিছত মাধৱ কেতিয়াবা একেবাৰে অকলশৰীয়া হৈ পৰে আৰু তেতিয়াই গুৰুৰ উপদেশলৈ মনত পৰিলে তেওঁৰ অনুশোচনা হয়। তেনে অকলশৰীয়া অনুভৱত মাধৱে এবাৰ গোবিন্দ হৰিভকতক কৈছে-

"কেতিয়াবা তোমাৰ বাৰু একেবাৰে অকলশৰীয়া অকলশৰীয়া যেন নালাগেনে? চাৰিওফালে নাম-প্রসঙ্গ, ভোৰতালৰ শব্দৰ মাজত বহি বহি কেতিয়াবা মোৰ হঠাতে বৰ ভৰ লাগে। যেন জোনাক নিশা ভৰা লুইতৰ পাৰত ডকা চাকনৈয়াৰ শব্দনৈয়াৰ শব্দ শুনি শুনি তুমি অকলশৰে থিয় হৈ আছা!" [৫]

মাধৱে কেতিয়াও গুৰুৰ কথা অৱজ্ঞা কৰিব নোৱাৰে। গুৰুৰ মৃত্যুৰ পিছত মাধৱে শংকৰদেৱৰ স্মৃতি ৰোমন্থন কৰিছে। সেয়া মাধৱৰ গুৰুৰ প্রতি শিষ্যৰ ভক্তি আৰু শ্রদ্ধাৰ এক উত্তম নির্দশন। শংকৰদেৱে কোনো জাতি-বর্ণ নির্বিশেষে সকলোকে সমান গণ্য কৰি ভকতিৰ যি মার্গ দখুৱাই গৈছে; মাধৱে তাক আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰিছে। মাধৱে কৈৰ্বতকুলীয় ৰাইজক শৰণ দিবলৈ ওলোৱাত নানা প্রশ্নৰ সম্মুখীন হৈছে। কিন্তু মাধৱে কোনো প্রশ্নলৈ ভ্রূক্ষেপ নকৰি ধৈর্য্য সহকাৰে গুৰুৰ কামভাগ নিষ্ঠাৰে কৰি গৈছে। একাংশ শাস্ত্রবিদ পণ্ডিতে সুযোগ বুজি মাধৱ আৰু ভকতসকলক ঠাট্টা-মস্কৰা কৰে। তেওঁলোকৰ মতে শংকৰদেৱৰ আগতো এই দেশত বিষ্ণু পূজা, বিষ্ণু ধর্ম আছিল। কিন্তু তাৰ উত্তৰত মাধৱে এইদৰে অতি বিনম্রতাৰে কয়- *"চোৱা আচার্য্য মাধৱ কন্দলি, ৰুদ্র কন্দলি, হেম সৰস্বতী, শ্রীধৰ ভট্ট প্রমুখ্যে পণ্ডিতসকলে এই দেশত এই দেশত বিষ্ণুপূজাৰ কথা উল্লেখ কৰিছে। কিন্তু শ্রীমন্ত গুৰুৰ দৰে ইমান সংচালনিকৈ বিষ্ণুৰ আদর্শ সেইসকলে প্রচাৰ কৰা নাছিল। বিষ্ণু মন্দিৰলৈ বিষ্ণুপূজাৰ কাৰণে অহা চাওাল বা পণ্ডিতক চুলে গা ধুব নালাগে বুলিহে সেই সকলে ক'ব পাৰিছিল।"* [৬]

উপন্যাসখনৰ কাহিনীভাগ আগু�ৰাই লৈ যোৱাত সহায় কৰাৰ উপৰিও কাহিনীটোক অধিক কৌতুহল পূর্ণ কৰি তোলাত সহায় কৰিছে বনগঞাগিৰিৰ চৰিত্রটোৱে। বনগঞাগিৰি হ'ল শংকৰদেৱৰ ভাতৃ। শংকৰদেৱৰ মৃত্যুৰ পিছত ধর্মাচার্যৰ পদৰ বাবে তেওঁ আছিল পূর্ণ দাবীদাৰ। কিন্তু ধর্মাচার্যৰ পদ পালে মাধৱে। এই কথা সহ্য কৰিব নোৱাৰি বনগঞাগিৰিৰ মানৱীয় মূল্যবোধৰ পতন নঘটাকৈ নাথাকিল। তেওঁ মাধৱৰ বিৰুদ্ধে নানা ষড়যন্ত্র কৰি মাধৱক হীন প্রতিপন্ন কৰিবলৈ উঠি পৰে। শংকৰদেৱৰ মৃত্যুৰ পাছত পুত্র ৰামানন্দৰ মৃত্যু হোৱাত গুৰুৰ ঘৰখনৰ আশ্রয় দানৰ কাৰণে মাধৱে গুৰুঘৰত থাকিবলৈ লয়। কিন্তু তাতে বনগঞায়ে সমাজত মাধৱৰ বদনাম

উলিয়ায়। যাৰ বাবে মাধৱে গুৰুগৃহ ত্যাগ কৰিব লগীয়া হয়। তাৰ পাছতো মাধৱৰ জীৱন অনেক ধুমুহাৰ মাজেদি পাৰ হয়। ইচ্ছা নথকাৰ স্বত্ত্বেও ভকতৰ হেঁচাত কীৰ্তন ঘৰত নটুৱা নাচ পাতি শেষত হাজোলৈ নিৰ্বাসন হয়। তথাপিও মাধৱৰ কোনো খেদ নাই। খেদ আছে বনগঞাৰ 'যত অনৰ্থৰ মূল শেষ হৈ যক' বুলি তেওঁ যদুমণিৰ সৈতে ৰঙীয়াল ঘৰটো জুই লগাই দিয়ে। নিজৰ দোষ আৰু কৰ্মৰ বাবে শেষত বনগঞাই আত্মসূচনাত ভোগে। হৰিচৰণৰ সৈতে হোৱা মত বিৰোধত বনগঞাৰ অন্তৰত জ্বলি থকা জুইকুৰা আৰু ক্ষোভৰ বাৰ্হিপ্রকাশ ঘটিছে এইদৰে, *"মোৰ কথাত জানো কোনোবাই মূল্য দিয়া? নিষ্পাপ ৰামানন্দপত্নী সিন্দুমতীক সুৰানন্দ চৰ্দাৰে অপহৰণ কৰি নিয়াৰ গুৰিতে তোমালোকে সন্দেহ কৰিছিলা মোকেই। মই বাৰে বাৰে কৈছিলোঁ তেনে কৰ্ম মোৰ দ্বাৰা হোৱা নাছিল বুলি; তোমালোকে কোনেওতো মোক বিশ্বাস নকৰিলা? লাহে লাহে তোমালোকে লগ লাগি মোক পৰিণত কৰিলা এক খল-নায়কত। আৰু মোৰ কথাত তোমালোকে গুৰুত্ব দিবা?"* [৭]

হাজোলৈ যোৱাৰ পূৰ্বে মাধৱৰ সুন্দৰীদিয়ালৈ যাবৰ ইচ্ছা জাগে। সুন্দৰীত মাধৱৰ পুনঃবনগঞাৰ সৈতে সাক্ষাতত দুয়োৰে মাজত কথাৰ সন্ধি কটাকটি আৰম্ভ হয়। বনগঞাই মাধৱৰ যি অপবাদ উলিয়ালে তাৰ বাবে তেওঁ নিজে অনুতপ্ত। যেতিয়া শংকৰদেৱৰ মৃত্যুত ধৰ্যাচার্যৰ পদ মাধৱক দিয়া হৈছিল সেই সময়ত বনগঞাক বঞ্চিত কৰা বুলি অপমানবোধত ভুগিছিল। সেয়ে তেওঁৰ একমাত্র উদ্দেশ্য হৈ পৰিছিল মাধৱৰ ওপৰত প্রতিশোধ লোৱা। এই কথা মাধৱৰ সন্মুখত শেষত বনগঞাই নিজেই স্বীকাৰ কৰে। মাধৱৰ সৌভাগ্যৰ প্রতি তেওঁৰ এতিয়া আৰু মোহ নাই বুলি কয়। কিন্তু মাধৱৰ সৌভাগ্যৰ প্রতি মোহ আগৰ পৰাই নাছিল। ভকতৰ কথা ভাবি, গুৰুধর্মৰ কথা ভাবি মাধৱে সকলো অন্যায় নীৰৱে সহ্য কৰি গৈছে। মাধৱৰ এনে সহনশীলতাৰ ওচৰত বনগঞাই ক্ষমা খোজে।

উপন্যাসখনত মাধৱৰ লগত ছাঁটোৰ দৰে লাগি থকা এটা চৰিত্র হ'ল গোবিন্দ। প্রিয় গোবিন্দক মাধৱে হৰিভকত নাম দিয়ে। গোবিন্দই প্রতিটো সময়ত মাধৱৰ কাষত এজন শিষ্য, বন্ধু, পৰামর্শদাতা হিচাপে নিজৰ ভূমিকা পালন কৰিছে। বহু ঠাইত গোবিন্দ চৰিত্রটোৰ সন্মুখত মাধৱৰ চৰিত্রটোহে গৌণ হৈ পৰিছে। গুৰুক হেৰুৱাই অকলশৰীয়া হৈ পৰা ক্ষণত গোবিন্দই মাধৱৰ একমাত্র সংগী হিচাপে কাষত থাকে। মাধৱৰ মনত উদয় হোৱা প্রশ্ন গোবিন্দই অতি সহজে বুদ্ধিৰে সমাধান দিব পৰিছিল। গুৰুৰ বিধৱা বোৱাৰীৰ অপহৰণৰ সময়ত মাধৱ পাটবাউসীলৈ যাব; নে বিলৰ তাৰিলৈ যাব সেই সম্পর্কে ভাবি পাৰ নোপোৱা হৈছিল। মাধৱৰ এনে দোধোৰ-মোধোৰ ক্ষণত গোবিন্দই গুৰুপৰিয়ালৰ প্রতি থকা মাধৱৰ কর্তব্যৰ কথা সোঁৱৰাই দিয়ে।

মাধৱে গোবিন্দৰ কথাত গুৰুৰ যুক্তি উপলব্ধি কৰিছিল। গোবিন্দই দেহে মনে ভাগৱতী ধর্ম-আদর্শত সঁপি দিছিল। মাধৱে হীৰামণি-তুলসীহঁতক দীক্ষা দিয়াৰ সপক্ষে তেওঁ যুক্তি দিছিল। ৰাঘবেন্দ্র আচার্য পণ্ডিতসকলৰ আগত গোবিন্দই শংকৰ গুৰুজনাইহে সণ্টালনিকৈ বিষ্ণুৰ আদর্শ প্রচাৰ কৰি হৰিনাম অমৃতৰ নদী সর্বসাধাৰণৰ মাজলৈ বোৱাই আনিছিল বুলিও যুক্তি দিয়ে।

কীৰ্তন ঘৰত গোপনে জুৱাৰ আড্ডা চলাৰ দৰে এটা সাংঘাটিক ঘটনাই সকলোকে চিন্তিত কৰি তোলে। জুৱা খেলৰ দৰে অপবিত্র কার্যই কীৰ্তন ঘৰক কলুষিত কৰিব। যি কথা ৰামচন্দ্র, সুৰানন্দ মথুৰা দাস আতাই নালাগে কোনো সাধাৰণ লোক এজনেও সহ্য নকৰে। বিপথে পৰিচালিত হোৱা জুৱাৰি ভকতক সঠিক ৰাস্তালৈ অনিবৰ বাবেও গোবিন্দই উপায়ৰ অনুসন্ধান কৰে। উপন্যাসখনত গোবিন্দ একান্ত ভকত ৰূপে চিত্রিত হৈছে। তেওঁ ভাগৱতী ধর্মৰ প্রতি আকৃষ্ট আৰু সমাজৰ প্রতি সদায় জাগ্রত। গোবিন্দ আৰু মাধৱৰ সম্পর্ক এক মানৱীয় প্রমূল্যবোধৰ সম্পর্ক। য'ত গোবিন্দই মাধৱক দীক্ষাগুৰু ৰূপে আদৰি লৈছে। মাধৱে সুন্দৰী দিয়া ত্যাগ কৰি তাঁতিকুছিলৈ যোৱা বেলিকা গোবিন্দ বিচলিত হৈ পৰে।

হীৰামণিৰ চৰিত্রটিৰ যোগেদি উপন্যাসখনত সমকালীন সমাজখনত জাত-পাতক লৈ ভেদাভেদৰ এক

****

ছবি পোহৰলৈ আহে। হীৰামণিয়ে সুন্দৰ কণ্ঠৰে শাস্ত্ৰৰ পদ গাই মাধৱক আকৃষ্ট কৰিব পাৰিছিল। হীৰামণি কৈৱৰ্ত মাছমৰীয়া সম্প্ৰদায়ৰ লোক। শংকৰদেৱে জাত-পাত বিহীন যি সমাজ প্ৰতিষ্ঠাৰ সপোন দেখিছিল তাক পূৰ্ণ কৰিবলৈ হ'লে হীৰামণিহঁতৰ দৰে লোকক সুহৃদয়ে আঁকোৱালি ল'ব লাগিব। এনেবোৰ চৰিত্ৰ-চিত্ৰণৰ যোগেদি ঔপন্যাসিকে *বণ্ডুকাবেহাৰত* সামাজিক মূল্যবোধৰ ছবি আঁকিছে। হীৰামণিৰ পত্নী তুলসীয়ে বহু দিনলৈ সন্তানৰ মুখ দেখিবলৈ পোৱা নাছিল। দুয়ো দম্পতীয়ে মাধৱক ওচৰৰ পৰা চাবলৈ, মাধৱদেৱৰ কণ্ঠৰে শাস্ত্ৰৰ পদ শুনিবলৈ আগ্ৰহেৰে ৰৈ থাকেহি। কোনোবাই হেনো তেওঁলোকক উপদেশ দিছে যে; নিতৌ প্ৰভুৰ আশীৰ্বাদৰ ফলত তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণ হ'ব। তেওঁলোকে সন্তান প্ৰাপ্তিৰ কামনাৰে মাধৱদেৱৰ আশীৰ্বাদ বিচাৰিছে। যিজন মাধৱে দুবাৰকৈ সংসাৰৰ আহ্বান উপেক্ষা কৰিছে; তেওঁৰ ওচৰত সংসাৰ উপচাই দিয়াৰ আশীৰ্বাদ বিচাৰি অহা দেখি মাধৱে নিজেও কৌতুহল অনুভৱ কৰে। হীৰামণি স্বভাৱত তেনেই বিনয়ী সাধাৰণ লোক। মাধৱৰ তালৈ যেতিয়া শাস্ত্ৰ শুনিবলৈ আহে মাটিতেই বহি পৰি মাধৱক প্ৰণাম জনায়। মাধৱে কঠত বহাৰ দিহা কৰাত হীৰামনীয়ে নিজকে সৰু মানুহ বুলি নম্ৰতা প্ৰদৰ্শন কৰে।

শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শক অনুসৰণ কৰি যিসকলে ভাগৱতী নামধৰ্ম গ্ৰহণ কৰি ধৰ্ম প্ৰচাৰৰ ব্ৰত লৈছিল; সেই সকলৰ ভিতৰত মথুৰা দাস আতা এজন অন্যতম। মথুৰা দাসৰ পূৰ্বৰ নাম আছিল গোপাল তাঁতী। ধৰ্মপ্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰা গোপালক মাধৱদেৱেই মথুৰা দাস আতা নাম দিয়ে। মথুৰা দাস আতাই অশেষ কষ্ট ত্যাগ স্বীকাৰ কৰি পৰিয়াল পৰিজনৰ কথা পাহৰি তাঁতীকুচিৰ কীৰ্তনঘৰটো সাজি উলিয়াইছিল। সেই কীৰ্তনঘৰতে চৰিত্ৰহীন ভকতে গোপনে জুৱা খেলাৰ কথা গম পাই মথুৰা দাস আতাই দুখ প্ৰকাশ কৰে। মথুৰা দাস আতাৰ চৰিত্ৰটো নিঃস্বাৰ্থ মনোভাৱেৰে সমাজৰ প্ৰতি কাম কৰাৰ ইচ্ছাৰ এক প্ৰবল শক্তি হিচাপে চিহ্নিত হৈছে। ৰক্ষনশীল মনোভাৱৰ দ্বাৰা পৰিচালিত ৰামচৰন ঠাকুৰে আৰম্ভণিতে কৈবর্ত সম্প্ৰদায়ৰ লোকসকলক দীক্ষা দিবলৈ ওলোৱা কথাত সন্মতি দিয়া নাছিল। অৱশ্যে পিচলৈ মাধৱ আৰু গোবিন্দৰ যুক্তিত পতিয়ন গৈ মান্তি হয় আৰু নিজ ভুল স্বীকাৰ কৰে। উপন্যাসখনত হৰিচৰণ ঠাকুৰ, গুৰুপত্নী, ৰাঘৱ আচার্য, বৰবিষ্ণু আতৈ, সিন্ধুমতী, ভীম যদুমণি, ধীৰনাৰায়ন, পুৰুষোত্তম ঠাকুৰ আদি চৰিত্ৰৰ উল্লেখ পোৱা যায়। উপন্যাসখনত শংকৰদেৱ কায়িক ভাবে উপস্থিত নাই যদিও শংকৰদেৱৰ অস্তিত্ব উপন্যাসখনৰ পাতে-পাতে উপলব্ধ।

উপন্যাসখনত মূল কাহিনীৰ লগতে বহুতো উপকাহিনীৰ সংযোগ কৰা হৈছে। গুৰুৰ লগত যি সময়ত মাধৱে এই দেশলৈ আহিছিল তেতিয়া চৌকীয়া মাজিয়ে কিদৰে বাট দেখুৱাই শুশ্ৰূষা কৰিছিল তাৰ বৰ্ণনা কৰিছে। এবাৰ চোলাতত বহি হীৰামণিহঁতৰ লগত কথাপাতি থাকোঁতে মাধৱৰ ল'ৰালি কাললৈ মনত পৰে। তেতিয়া মাধৱৰ বয়স আছিল ন বছৰ। অসম দেশত তেতিয়া দুৰ্ভিক্ষই দেখা দিছিল। ক্ষুধাৰ জ্বালা সহ্য কৰিব নোৱাৰি মাধৱ আৰু গোবিন্দগিৰিয়ে ভিক্ষাবৃত্তি অবলম্বন কৰিবলৈ বাধ্য হৈছিল। কিন্তু এবাৰ চাৰি দিন ভিক্ষা মাগিও খুদকণ এটা নাপায় ঘৰলৈ ওভতি আহিব লগীয়া হৈছিল। ঘৰলৈ ওভতি আহোঁতে বাটৰ পৰা বনৰীয়া কচু এটাকে আনি ঘৰত সিজাই খাব লগীয়া হৈছিল। কছু সিজাই খোৱা সময়ত গোবিন্দগিৰিয়ে খেদকৰি যেতিয়া কৈছিল 'কচু নহৈ যদি আলু হ'লহেঁতেন' তেতিয়া মাধৱৰ মাকে উত্তৰত অতি তাৎপর্যপূর্ণভাৱে কৈছিল- *"খাবলৈ নোপোৱা ভিকল্পৰ আকৌ আলুৱে বা কি কচুৱে বা কি?" (বণ্ডুকাবেহাৰ, পৃ. ৪৯)* উপায়হীনতাৰ সমুখত মানুহৰ বিকল্পৰ স্থানো শূন্য ।

এবাৰ মাধৱৰো আত্মসংযমৰ জৰি ছিগিছিল। কোনোৱা টুটুকীয়া ভকতে কথা লগাইছিল যে; খটৰা পাৰা সত্ৰত মূৰ্তি পূজাৰ প্ৰচলন থকাৰ কথা। সুদূৰ খটৰা পাৰাৰ পৰা সত্ৰীয়া আতৈয়ে যেতিয়া বাউসীৰ কীৰ্তনত যোগদান কৰিবলৈ আহিছিল; বুঢ়া লুইতৰ ঘাটত আতৈৰ নাও চাপোতেই মাধৱে নিজে গৈ আতৈয়ে অনা চাউল পাত বস্তু সামগ্ৰী পানীত পেলাই দিছিল। মাধৱৰ এই কথা জানিব পাৰি শংকৰদেৱে মাধৱক বুজনি দি কয়,*"মূৰ্তি হয়তো ভাঙি চূৰমাৰ কৰি দলিয়াই পেলাব পাৰিম; কিন্তু মনবোৰ?"বণ্ডুকাবেহাৰ, পৃ. ২৫*মাধৱে তেতিয়াহে অনুশোচনা

****

কৰে। শংকৰদেৱৰ নাতিনীয়েকক মনপূৰ ভৰালীয়ে এডোখৰ ফলি গুটিৰ বাবে কথা শুনোৱা বুলি জানিব পাৰি ঘটনাটোৰ ওপৰত মাধৱৰ খং প্ৰকাশ পায়। এইদৰে উপন্যাসখনত মাধৱ হৈ পৰিছে এজন তেজমঙহৰ মানুহ। মাধৱে একান্তচিতে গুৰু-ভক্তিত নিজক অৰ্পণ কৰিছে।

২.সামৰণিঃ

অসমীয়া জীৱনীমূলক উপন্যাস-সাহিত্যৰ ইতিহাসত *বণুকাবেহাৰ*ৰ স্থান উল্লেখনীয়। মাধৱদেৱৰ জীৱনৰ কাল এচোৱাক লৈ ৰচনা কৰা এই উপন্যাসখনত প্ৰতিফলিত হৈছে মাধৱদেৱৰ ব্যক্তিত্ব আৰু আদৰ্শ। উপন্যাসখনত অতি নিটোল ভাবে প্ৰকাশ পাইছে সমসাময়িক সময়ৰ সমাজ-চিত্ৰ। শংকৰদেৱে ভাগৱতী ধৰ্ম প্ৰচাৰৰ মাধ্যমেদি সমাজৰ পৰা জাত-পাত, উচ্চ-নীচৰ বৈষম্য আঁতৰাই যি এক সমাজ গঢ়াৰ ইচ্ছা কৰিছিল সেই আদৰ্শকে লৈ মাধৱদেৱ আগবাঢ়িছে। উপন্যাসখন অতীত অসমৰ সামাজিক ৰীতি-নীতি, সাংস্কৃতি ছবি, বিশ্বাস, আচাৰ-ব্যৱহাৰ আদি প্ৰকাশ পাইছে। এইখিনিতে সামাজিক মূল্যবোধৰ উন্মেষ ঘটিছে। উপন্যাসখনত কিছু চৰিত্ৰৰ মূল্যবোধৰ অৱক্ষয় ঘটি বিপথে পৰিচালিত হৈ সমাজৰ খলনায়ক ৰূপে পৰিগণিত হৈছে। কিন্তু ইয়াৰ বিপৰীতে মাদৱদেৱৰ চৰিত্ৰটিৰ যোগেদি চিৰন্তন মূল্যবোধৰ বৰ্হিপ্ৰকাশ ঘটিছে।

মাধৱ চৰিত্ৰটিৰ মাজত আধ্যাত্মিক, সাংস্কৃতিক আৰু নৈতিক এই উভয় প্ৰকাৰৰ মূল্যবোধৰ সমাৱেশ ঘটিছে। সৰ্বগুণৰ আকৰ মাধৱৰ চৰিত্ৰটিত সকলো প্ৰকাৰৰ মূল্যবোধৰ গুণেই বিৰাজমান। মাধৱ আছিল সংযোগী, সহানুভূতিশীল, নম্ৰ, অহিংস, দেশপ্ৰেমিক, সামাজিক দায়িত্বশীল, আৰু মানৱতাবাদী। ঔপন্যাসিকে এনে চৰিত্ৰ ৰূপায়ণ কৰি মাধৱদেৱৰ জীৱন-আদৰ্শ আৰু সমাজ-চিত্ৰ সম্পৰ্কে অৱগত কৰোৱাৰ উপৰিও মূল্যবোধৰ অৱক্ষয়ে সমাজলৈ কঢ়িয়াই অনা ভৱিষ্যতৰ অন্ধকাৰময়তাৰে বাৰ্তা দিছে। মাধৱ, গোবিন্দ, শ্ৰীৰাম আতা আদিৰ দৰে সহানুভূতিশীল আৰু সংযোগী ব্যক্তিয়ে সদায় সমাজত শান্তিৰ বাণী সিঁচি আহিছে। *বণুকাবেহাৰত* মাধৱদেৱৰ জীৱন কালৰ সমসাময়িক সমাজ-ব্যৱস্থাৰ সৈতে খাপখোৱাকৈ ঔপন্যাসিকে মানৱীয় অনুভূতিৰে পূৰ্ণ সামাজিক-মূল্যবোধ আৰু মহাপুৰুষীয়া সমাজ-জীৱনৰ ছবি অংকন কৰিছে।

প্ৰসংগ টোকা

১. চৌধুৰী, মেদিনী। *বণুকাবেহাৰ*। পৃ. ৪৫
২. উল্লিখিত, পৃ. ৪৫
৩. উল্লিখিত, পৃ. ৪৬
৪. উল্লিখিত, পৃ. ১৬৮
৫. উল্লিখিত, পৃ. ১৩
৬. উল্লিখিত, পৃ. ৭১
৭. উল্লিখিত, পৃ. ১৭৯

সহায়ক গ্ৰন্থপঞ্জীঃ

মূলগ্ৰন্থ

চৌধুৰী, মেদিনী। *বণুকাবেহাৰ*। গুৱাহাটী বুক ষ্টল, প্ৰথম প্ৰকাশ, ১৯৭৬।

গৌণ সমল

ঠাকুৰ, নগেন, সম্পাদক। *এশ বছৰৰ অসমীয়া উপন্যাস*। জ্যোতি প্ৰকাশন, ২০১৮।

দেৱী, জাহ্নৱী। *অসমীয়া জীৱনী ভিত্তিক উপন্যাস*। ব্ৰহ্মপুত্ৰ বুকচ্, ২০০৫।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

শীলভদ্ৰৰ অনুসন্ধান উপন্যাসৰ ভাষাশৈলী ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

দীপজ্যোতি দাস, গৱেষক ছাত্ৰ
আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

সাৰাংশ

অসমীয়া উপন্যাস সাহিত্যৰ আধুনিক বিকাশৰ ধাৰাত ভাষাশৈলী এক গুৰুত্বপূৰ্ণ সমালোচনামূলক উপাদান হিচাপে স্বীকৃত। ভাষা কেৱল বিষয়বস্তু প্ৰকাশৰ মাধ্যম নহয়; ই লেখকৰ দৃষ্টিভংগী, মনস্তাত্ত্বিক অন্বেষণ আৰু নান্দনিক চেতনা প্ৰকাশৰ মূখ্য উপকৰণ। এই প্ৰেক্ষাপটত শীলভদ্ৰৰ উপন্যাসসমূহ অসমীয়া সাহিত্যত এক বিশেষ স্থান অধিকাৰ কৰে। তেওঁৰ ৰচনাসমূহত অন্তর্মুখী বৰ্ণনাভঙ্গী, মনস্তাত্ত্বিক বিশ্লেষণধৰ্মী ভাষা, স্মৃতিপ্ৰৱাহৰ কৌশল আৰু শব্দচয়নৰ সচেতনতা লক্ষ্য কৰা যায়। বিশেষকৈ অনুসন্ধান উপন্যাসখনত ভাষা এক আত্ম- অন্বেষণমূলক সৃজন-প্ৰক্ৰিয়াৰ ৰূপ ধাৰণ কৰিছে, য'ত ঘটনাপ্ৰৱাহৰ তুলনাত মনোজগতৰ আন্দোলন অধিক গুৰুত্ব লাভ কৰে।

আলোচনাত শীলভদ্ৰৰ উপন্যাসৰ ভাষাশৈলীৰ গঠনমূলক, শব্দতাত্ত্বিক, বাক্যতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা হৈছে। গৱেষণাটো মূলত পাঠ-বিশ্লেষণ পদ্ধতিৰ ওপৰত নিৰ্ভৰশীল; অনুসন্ধান উপন্যাসখনক কেন্দ্ৰ কৰি ভাষাৰ অন্তর্গত স্তৰসমূহ পৰ্যালোচনা কৰা হৈছে।

বীজ শব্দ ঃ শীলভদ্ৰ, ভাষাশৈলী, মনস্তাত্ত্বিক উপন্যাস, বাক্যগঠন, শব্দচয়ন, অনুসন্ধান।

০.১ অৱতৰণিকা

ভাষাশৈলী সাহিত্যৰ এক গুৰুত্বপূৰ্ণ তত্ত্ব। শৈলী (Style) হৈছে লেখকৰ ভাষা-প্ৰয়োগৰ স্বকীয়তা, যাৰ জৰিয়তে বিষয়বস্তু আৰু ভাবনা বিশেষ ৰূপ লাভ কৰে। অসমীয়া উপন্যাস সাহিত্যত মনস্তাত্ত্বিক ধাৰাৰ বিকাশৰ লগে লগে ভাষাৰ ৰূপো পৰিৱৰ্তিত হৈছে। এই পৰিৱৰ্তনৰ ক্ষেত্ৰত শীলভদ্ৰ বিশেষভাৱে উল্লেখযোগ্য। শীলভদ্ৰৰ উপন্যাসসমূহত বাহ্যজগতৰ তুলনাত অন্তর্জগতৰ ঘটনাই অধিক গুৰুত্ব লাভ কৰে। সেইকাৰণে তেওঁৰ ভাষা বৰ্ণনামূলক নহয়, অধিকাংশ ক্ষেত্ৰত আত্ম-অন্বেষণমূলক। বিশেষকৈ অনুসন্ধান উপন্যাসখনত স্মৃতি, মনোজগত, আত্মসমালোচনা আদি উপাদানৰ জৰিয়তে ভাষাৰ এক স্বকীয় গঠন লক্ষ্য কৰা যায়।

ভাষাশৈলী বিশ্লেষণৰ ক্ষেত্ৰত শব্দতাত্ত্বিক, বাক্যতাত্ত্বিক, ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক উপাদানসমূহ গুৰুত্বপূৰ্ণ। শীলভদ্ৰৰ উপন্যাসত তৎসম-তদ্ভৱ-দেশজ শব্দৰ সমন্বয়ে এক স্বতন্ত্ৰ শব্দভাণ্ডাৰ গঢ়ি উঠিছে। তদুপৰি দীঘল আৰু যৌগিক বাক্যৰ প্ৰয়োগে চিন্তাৰ গভীৰতা আৰু মনস্তাত্ত্বিক জটিলতা প্ৰকাশ কৰিছে। অলংকাৰিক চিত্ৰকল্প আৰু প্ৰতীকী ভাষা উপন্যাসৰ ভাবগম্ভীৰতা বৃদ্ধি কৰে। এই সকলোবোৰ উপাদান মিলি শীলভদ্ৰৰ ভাষাশৈলী অসমীয়া উপন্যাস সাহিত্যত এক স্বকীয় স্থান অধিকাৰ কৰিছে। সেয়েহে, শীলভদ্ৰৰ উপন্যাসৰ ভাষাশৈলী অধ্যয়ন

****

কৰা মানে কেৱল ভাষাৰ ৰূপ বিশ্লেষণ কৰা নহয়; ই এক সাহিত্যিক চেতনাৰ বিবর্তন বুজাৰ প্রয়াস। আধুনিক অসমীয়া উপন্যাসত অন্তর্জগতৰ কেন্দ্রীয়তা আৰু মনস্তাত্ত্বিক বাস্তৱতাৰ যি শক্তিশালী ধাৰা দেখা যায়, তাৰ সৈতে শীলভদ্রৰ ভাষাশৈলী নিবিড়ভাৱে সম্পৃক্ত।

০.২ গৱেষণাৰ উদ্দেশ্যঃ

ক. শীলভদ্রৰ উপন্যাসৰ ভাষাশৈলীৰ প্রধান বৈশিষ্ট্যসমূহ নির্ণয় কৰা।

খ. শব্দতাত্ত্বিক, বাক্যতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশসমূহ বিশ্লেষণ কৰা।

গ. অনুসন্ধান উপন্যাসখনত ব্যৱহৃত মনস্তাত্ত্বিক ভাষা-বিন্যাস পর্যালোচনা কৰা।

ঘ. আধুনিক অসমীয়া উপন্যাসত শীলভদ্রৰ ভাষাশৈলীৰ অৱদান মূল্যায়ন কৰা।

০.৩ গৱেষণাৰ পদ্ধতিঃ

গৱেষণা কার্য মূলতঃ পাঠ বিশ্লেষণ পদ্ধতিৰ ওপৰত নির্ভৰশীল; অনুসন্ধান উপন্যাসখনক কেন্দ্র কৰি ভাষাৰ অন্তর্গত স্তৰসমূহ পর্যালোচনা কৰাৰ লগতে এই গৱেষণা পত্রখনিত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

০.৪ গৱেষণাৰ উৎসঃ

ক. প্রাথমিক উৎস হিচাপে অনুসন্ধান উপন্যাসখন ব্যৱহাৰ কৰা হৈছে।

খ. গৌণ উৎস হিচাপে সমালোচনামূলক গ্রন্থ আৰু সহায়ক প্রবন্ধ গ্রহণ কৰা হৈছে।

০.৫ গৱেষণাৰ পৰিসৰঃ

অধ্যয়নৰ পৰিসৰ শীলভদ্রৰ অনুসন্ধান উপন্যাসৰ ভাষাশৈলীৰ বিশ্লেষণতে সীমাবদ্ধ থাকিব।

১. মূল বিষয়ৰ আলোচনাঃ

১.১ শীলভদ্রৰ অনুসন্ধান উপন্যাসৰ ভাষাশৈলীঃ

সাহিত্য সৃষ্টিৰ ক্ষেত্রত ভাষাৰ স্থান আটাইতকৈ গুৰুত্বপূর্ণ। এই ভাষা প্রয়োগৰ ক্ষেত্রত সাহিত্যিকে এনে শৈলী বা ৰীতি অৱলম্বন কৰে যিয়ে সেই সাহিত্যকৃতিক শিল্পগুণৰ ঐশ্বর্য প্রদান কৰে। সাহিত্যিকে ভাষা প্রয়োগৰ ক্ষেত্রত যি শৈলী বা ৰীতিৰে পাঠকৰ আগত কোনো এটা বিষয়ক কলাত্মক ৰূপত উপস্থাপন কৰি ভাব বিনিময় কৰিবলৈ চেষ্টা কৰে সেয়াই তেওঁৰ ভাষা-ৰীতি বা ষ্টাইল। ইয়াৰ অর্থ হ'ল লিখাৰ ধৰণ, লিখাৰ পদ্ধতি, ৰচনা-ৰীতি, ৰচনা-শৈলী, ভাষা-শৈলী। বাণীভংগী, প্রকাশভংগী, কথা-শৈলী আদিও অসমীয়াত শব্দৰ সমার্থক শব্দ হিচাপে ব্যৱহাৰ কৰা হয়। [১]

শীলভদ্রৰ এক বিশেষ ষ্টাইল বা কথাশৈলী আছে যিটোৱে তেওঁৰ কথা-সাহিত্যক এক বিশিষ্ট মাত্রা প্রদান কৰিছে। শীলভদ্রৰ উপন্যাসৰ পাঠক মাত্রেই এক ভিন্ন স্বাদ আস্বাদন কৰাৰ মূলতেই হৈছে শীলভদ্রৰ ষ্টাইল বা কথা-শৈলী। সাধাৰণতে দৈনন্দিন জীৱনত প্রয়োগ নোহোৱা বৌদ্ধিক পর্যায়ৰ বহুতো শব্দ তেওঁ ব্যৱহাৰ কৰিছে। শীলভদ্রৰ আলোচ্য উপন্যাসখনত ব্যৱহাৰ হোৱা শব্দৰ এখন তালিকা যুগুতোৱা হ'ল—

ইংৰাজী শব্দ— ক্লাছ, জিনচ, পেনছন, গ্রেটুইটি , ৰিটায়াৰ, প্রেছ , ৰেজিষ্টি, ট্রেজাৰি অফিচ, প্লেন কেফেটেৰিয়া, ফিট, ছেক্রেটেৰি, অর্ডাৰ, চি পি ডব্লু ডি, ৰেষ্ট ইণ্ডিজ, ইকনমিকছ, ছিজন টিকেট, ক্লাছ ফ্রেণ্ড, প'র্টিক, ৰাই এম চি এ, গোস্বামী চার্ভিচ, লেংগুৱেজ, এছেট, এফিডেফিট, পলিটিকেল কনফাৰেন্স, কাৰফিউ, গেছ-ষ্টভ, বিজনেছ, ইষ্টার্ণ চার্ভিছ, এজেণ্ট, স্ক'প, চেকেণ্ড পেপাৰ, ফার্ষ্ট ক্লাছ, প্রগ্রেম, ইছ্যু, টুৰ, কলেজ, ফাংছন, মিছেছ, পার্টি, ষ্টাৰ, লেটাৰ, একছপ্লইটেশ্যন, স্কুটাৰ, একজিকিউটিভ ইঞ্জিনীয়াৰ, ইত্যাদি।

ধন্যাত্মক অনুকাৰ শব্দ—টপটপকৈ, হুকহুকাই, ঘৰঘৰণি, জলজল, পটপট, সো-সোৱাই, গুণ-গুণাই,

পিলপিলকৈ, গুমগুমনি, ফট-ফট, কিৰিলিয়াবলৈ, লৰালৰিকৈ, থেনথেনাবলৈ, থমথমকৈ, ধিমধিমনি, ভোৰভোৰাই , ফুচফুচাই, খেচখেচাই, হিৰহিৰাই, হিচহিচাই, ফোঁচ-ফোঁচনি, থুলমূলকৈ, চপচপীয়া, কটকটীয়া, ফুটফুটীয়া, জকমককৈ, টিকটিকিয়া, জকমকীয়া, ধপধপাবলৈ, খিংখিঙীয়া ইত্যাদি।

অনুৰূপ শব্দ— গছ-গছনি, খেতি-পথাৰ, ইফালে-সিফালে, চাকৰি-বাকৰি, ঘৰ-দুৱাৰ, টকা-পইচা, ধ্যান-ধাৰণা, পইচা-পাতি, বিচাৰ-বিশ্লেষণ, জাবৰ-জোথৰ, চাফ-চিকুণ, খেলি-মেলি, হেলেক-পেলেক, বিচাৰ-বিবেচনা, গা-পা, খোৱা-বোৱা, বেগ-চেগ, ঠাল-ঠেঙুলি, ঘাত-প্রতিঘাত, ঠেলা-হেঁচা, ৰিকচা-ফিকচা, সৰু-সুৰা, কাম-কাজ, পঢ়া-শুনা, কিতাপ-পত্র, হেস্ত-নেস্ত, সাজ-পোছাক, চাল-চলন, কথা-বতৰা ইত্যাদি।

দ্বিৰুক্তিবাচক শব্দ— সৰু সৰু, মাজে মাজে, বিৰাট বিৰাট, লগে লগে, আহক আহক, হ'ল হ'ল, হাজাৰে হাজাৰে, ৰৈ ৰৈ, চিঞৰি চিঞৰি, ৰাম ৰাম, হৰি হৰি, মনে মনে, লাহে লাহে, টলৌ টলৌ, বাৰে বাৰে, ক'লা ক'লা, হ'ব হ'ব, নাই নাই, বাহিৰে বাহিৰে, যাম যাম, চাই চাই, প্রথম প্রথম, জনস্রোত জনস্রোত, পলাওক পলাওক, বাল্টিয়ে বাল্টিয়ে, ৰ'বা ৰ'বা, বন্ধু বন্ধু, বিজিনেছ বিজিনেছ, বিচাৰি বিচাৰি ইত্যাদি।

সন্ধি, সমাসসিদ্ধ শব্দ— অধ্যাৰোপিত, অর্দ্ধজাগ্রত, অনাহাৰক্লিষ্ট, বেদনার্ত, নিষ্প্রদীপ, দিগম্বৰ, নির্লিপ্ততা, মৰণাস্ত্র, পদোন্নতি, পুনৰুজ্জীৱিত, ভগ্নোদ্যম, অৱস্থাপন্ন, অতীন্দ্রিয়, মহোল্লাসে, সদ্যস্নাতা, শয্যাসংগিনী, আশুতোষ, ঘনিষ্ঠতা, তুষাৰমণ্ডিত, শৈলনিবাস, নয়ন, চৰিত্রবান, দুঃশ্চৰিত্র, আৰেগপ্রৱণ, ভগ্নাংশ আদি।

ভাষা-শৈলীৰ আন এটা বিশেষ আলোচ্য বিষয় হৈছে বাক্য। শীলভদ্রৰ আন এটা চকুত পৰা বৈশিষ্ট্য হৈছে বাক্য বিন্যাসৰ ক্ষেত্রত প্রদর্শন কৰা স্বকীয়তা। শীলভদ্রই অদ্ভুত নিয়ন্ত্রণবোধৰ জৰিয়তে ৰচনা কৰা চুটি চুটি আৰু অলংকাৰবিহীন বাক্যৰ ব্যৱহাৰ কৰা দেখা যায়। শীলভদ্রৰ অনুসন্ধান উপন্যাসখনৰ বাক্যৰ কেতবোৰ উদাহৰণ তলত তুলি দিয়া হ'ল—

> *তেওঁ পৰিবাৰৰ ফালে চালে। বয়সে মুখখন ভালকৈ আঁচুৰিছে। চকুৰ তলত গভীৰ ক'লা দাগ। মুখৰ অইন অংশতো ক'লা ক'লা দাগ। মুখৰপৰা পিছলি দৃষ্টি ভৰিৰ ফালে গ'ল। ভৰিদুখন এতিয়াও বহুতো কম বয়সীয়া মহিলাৰ ভৰি যেন দেখা হৈ আছে। ত্বক এতিয়াও মসৃণ আৰু ৰঙচুৰা হৈ আছে।*[২]

তেওঁৰ ৰচনাৰ আন এটা বৈশিষ্ট্য হৈছে বাক্যৰ পুনৰাবৃত্তি। একেখন উপন্যাসতে একেটা বাক্যৰ দুই বা ততোধিক প্রয়োগ দেখা যায়। বাক্যৰ ক্ষেত্রত এই শৈলীটো তেওঁ সচেতনভাৱেই প্রয়োগ কৰিছে। কেতিয়াবা একেটা অনুচ্ছেদৰ আৰম্ভণি আৰু শেষত, কেতিয়াবা এটা অনুচ্ছেদৰ বিৰতিৰ পিছত, কেতিয়াবা কোনো বিষয়ৰ বর্ণনাৰ আৰম্ভণি আৰু শেষত, কেতিয়াবা অধ্যায়ৰ আৰম্ভণিত একেটা বাক্যৰ পুণৰাবৃত্তি কৰা হৈছে। কেতিয়াবা বাক্যটো হুবহু ব্যৱহাৰ কৰা হৈছে আৰু কেতিয়াবা সামান্য সাল-সলনি কৰি ব্যৱহাৰ কৰা হৈছে। কোনো এটা বিষয়ক অধিক স্পষ্ট ৰূপ দিবলৈ নাইবা কোনো এটি বিশেষ বিষয়ৰ প্রতি পাঠকৰ দৃষ্টি আকর্ষণ কৰিবলৈ তেওঁ এই শৈলী গ্রহণ কৰিছে। এই পুনৰুক্তিয়ে এক প্রতীকাত্মক ইংগিত বহন কৰিছে। বাক্যৰ এনে পুনৰুক্তিৰ কেতবোৰ উদাহৰণ তলত দিয়া ধৰণৰ—

(১) (ক) ক্রমাৎ বাৰংবাৰতা বাঢ়ি গৈ আছে। (অনুসন্ধান, পৃ. ৪৩)

(খ) দিনক দিনে বাৰংবাৰতা বাঢ়ি গৈ আছে। (অনুসন্ধান, পৃ. ৪৪)

(২) (ক) কিন্তু বিনয়ে সামান্যভাৱে তাইৰ হাতখন স্পর্শ কৰাৰ লগে লগে তাইৰ গোটেই শৰীৰেদি এটা বিদ্যুৎ তৰংগ প্রবাহিত হৈ গ'ল। (অনুসন্ধান, পৃ. ৫৬)

(খ) কিন্তু তাইৰ গোটেই শৰীৰৰ মাজেৰে এক বিদ্যুৎ তৰংগ প্রবাহিত হৈ গ'ল। (অনুসন্ধান, পৃ. ১৪৫)

(৩) (ক) বৰুৱাই কেতিয়াবা তেওঁক মিষ্টাৰ চৌধুৰী, আৰু কেতিয়াবা দাদা বুলি মাতে। বিশেষ মেজাজত থাকিলে

কেতিয়াবা ছাৰ বুলিও সম্বোধন কৰে। (অনুসন্ধান, পৃ. ৬০)

খ) বৰুৱাই তেওঁক কেতিয়াবা মিষ্টাৰ চৌধুৰী বুলি মাতে, কেতিয়াবা দাদা বুলিও মাতে। মেজাজ ভালে থাকিলে ছাৰ বুলিও সম্বোধন কৰে। (অনুসন্ধান, পৃ. ৯০)

একাধিক ইংৰাজী বাক্যৰ প্ৰয়োগ তেওঁৰ ৰচনাৰ এটা বিশেষ দিশ। শিক্ষিত সমাজৰ দৈনন্দিন জীৱন ধাৰাত স্বতঃস্ফুটভাৱেই কেতবোৰ ইংৰাজী বাক্য প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। আধুনিক জীৱনৰ আভিজাত্য আৰু শিক্ষাৰ মানদণ্ড প্ৰকাশক এনে ইংৰাজী বাক্যবোৰৰ সঘন প্ৰয়োগ দেখা যায় শীলভদ্ৰৰ উপন্যাসত। তেওঁ ব্যৱহাৰ কৰা ইংৰাজী বাক্যবোৰো চুটি চুটি আৰু সৰল। কোনো এটা ইংৰাজী বাক্য ইংৰাজী অক্ষৰত লিখা নাই, ইংৰাজী বাক্যবোৰৰ বাবে তেওঁ অসমীয়া অক্ষৰহে ব্যৱহাৰ কৰিছে। তেওঁ ব্যৱহাৰ কৰা ইংৰাজী বাক্যবোৰ তলত দিয়া ধৰণৰ—

১) ইউ লুক কোয়াইট ইয়ং। (অনুসন্ধান, পৃ. ১৩)

২) ট্ৰুথ ইজ হোৱাট ৰান ওৱাছ টু বিলিভ। (অনুসন্ধান, পৃ. ১৮)

৩) দিছ ইজ ইয়ৰ দোষ সত্যজিত, দিছ ইজ ইয়ৰ দোষ (অনুসন্ধান, পৃ. ৬৬) ইত্যাদি।

পাত্ৰানুকূল ভাষাৰ প্ৰয়োগ হৈছে শীলভদ্ৰৰ সংলাপৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। শীলভদ্ৰই চৰিত্ৰ অনুযায়ী তেওঁলোকৰ সংলাপৰ ভাষা নিৰ্বাচন কৰিছে। তেওঁৰ উপন্যাসত শিক্ষিত, অশিক্ষিত, ধনী-দুখীয়া, অসমীয়া, অনা অসমীয়া আদি অজস্ৰ চৰিত্ৰৰ সমাহাৰ দেখা যায়। শীলভদ্ৰই সমাজৰ সকলো স্তৰৰ চৰিত্ৰই তেওঁৰ সাহিত্যত অন্তৰ্ভুক্ত কৰিছে। বাস্তৱ জীৱনত এই বিভিন্ন চৰিত্ৰবোৰে ব্যৱহাৰ কৰা ভাষাৰ ক্ষেত্ৰত পাৰ্থক্য দেখিবলৈ পোৱা যায়। শীলভদ্ৰই তেওঁৰ চৰিত্ৰবোৰৰ মুখত দিয়া সংলাপত ভাষা প্ৰয়োগৰ ক্ষেত্ৰত দেখা এই ভিন্নতাক অতি সূক্ষ্ম ৰূপত চিত্ৰিত কৰিছে আৰু ইয়াৰ ফলত তেওঁৰ সাহিত্য বাস্তৱতাৰ অধিক ওচৰ চাপিছে। তলত তেনে সংলাপৰ কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

ক) আৰে চাহাব, আপ চিৰ্ফ অৰ্ডাৰ নিকালিয়ে। যো কৰনা হায় হামকো ওপৰ ছোড় দিজিয়ে। ফিকিৰ মৎ কৰিয়ে। (অনা-অসমীয়া ব্যৱসায়ী এজনৰ মুখত দিয়া ভাষা, অনুসন্ধান, পৃ. ৪১)

খ) অফিচত, অফিচত। নট হিয়েৰ। ছাৰমিট ইয়ৰ এপ্লিকেশ্যান ইন দি অফিচ। ইউ আৰ ৱেষ্টিং মাই টাইম এণ্ড ইয়ৰ টাইম। (এজন উচ্চ পদবীধাৰী চৰকাৰী বিষয়াৰ মুখত দিয়া ভাষা, অনুসন্ধান, পৃ. ৮৯)

গীতৰ উল্লেখ তেওঁৰ ৰচনাৰ আন এক আকৰ্ষণীয় দিশ। গোৱালপৰীয়া লোকগীতৰ সঘন উল্লেখ তেওঁৰ ৰচনাত দেখা যায়। এনে গীতৰ উল্লেখে তেওঁৰ ভাষাশৈলীক এক বিশেষ সৌন্দৰ্য আৰু বৈচিত্ৰ্যতা প্ৰদান কৰিছে। তেওঁ উল্লেখ কৰা গীতৰ কেতবোৰ উদাহৰণ হ'ল—

ক) ৰাইজাঁই লাগিছে গাতে ভন্টি বাখৰ ঐ,
চকু দুটি নাহৰ ঐ,
চায়ে নো চাই থাকিবৰ মন। অনুসন্ধান, (পৃ. ৪২)
খ) ওচৰ চাপি চাপি নাহিবা নাচনী
তোমাৰ গাত মোহিনী... । (অনুসন্ধান, পৃ. ৪৩)
গ) মনেৰ আগুন জ্বলেয়া পেইলেন, নিবিয়া গেইলেন না।
(গোৱালপৰীয়া লোকগীত,অনুসন্ধান, পৃ. ৩৪, পৃ. ৫২)

ৰবীন্দ্ৰনাথৰ কবিতা আৰু গীতৰ ব্যাপক প্ৰয়োগ তেওঁৰ ৰচনাৰ এক উল্লেখযোগ্য দিশ। তলত তেনে কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল—

ক) যাহা চাই তাহা ভুল ক'ৰে চাই, যাহা পাই তাহা চাই না। (অনুসন্ধান, পৃ. ১৩৯)

খ) ভুলে থাকা, নয় সে তো ভোলা।
বিস্মৃতিৰ মৰ্মে বসি ৰক্তে মোৰ দিয়েছ যে দোলা
নয়ন সম্মুখে তুমি নাই,
নয়নেৰ মাজখানে নিয়েছ যে ঠাই। (অনুসন্ধান, পৃ. ১৪৬)

প্রাচ্য আৰু পাশ্চাত্যৰ বহু কবি সাহিত্যিকৰ ৰচনাৰ, ধর্মীয় গ্রন্থৰ, বাতৰি কাকতৰ, ৰাজনীতি শিক্ষা, ভাষা সম্বন্ধীয় অনুমোদন, দার্শনিক, বৈজ্ঞানিক তত্ত্বৰ অজস্র উদ্ধৃতি শীলভদ্রই তেওঁৰ ৰচনাত ব্যৱহাৰ কৰিছে। এইবোৰে তেওঁৰ তীক্ষ্ণ পর্যবেক্ষণ শক্তি আৰু গভীৰ অধ্যয়নৰ পৰিচয় বহন কৰাৰ উপৰিও তেওঁৰ সমগ্র ৰচনাকে এক বৌদ্ধিক স্তৰলৈ উন্নীত কৰিছে। তেওঁ ব্যৱহাৰ কৰা কেতবোৰ উদ্ধৃতি এনে ধৰণৰ—

ক) ট্রুথ ইজ হোৱাট ৰান ওৱান্টছ টু বিলিভ। অনুসন্ধান, (পৃ. ১৮)

খ) বাট্রাণ্ড ৰাছেলে কৈছে যে কোনোবা এক বিষয় সম্বন্ধে মানুহ এজনৰৰ আৱেগ সেই বিষয় সম্বন্ধে তেওঁৰ জ্ঞানৰ ব্যস্ত অনুপাতত থাকে। (অনুসন্ধান, পৃ. ১২৭)

গ) ভার্জিনিয়া উলফৰ কোৱা কথাষাৰ ভৃগু চৌধুৰীৰ মনত পৰিল-প্রকৃততে সত্য নো কি? ই বৰ অস্থিৰ আৰু অনিশ্চিত। কেতিয়াবা ই বাটৰ ধূলিৰ মাজত মিহলি হৈ থাকে, কেতিয়াবা ই বাটেৰে বাগৰি যোৱা কাগজ এডোখৰৰ খৰখৰনিত প্রতিভাত হ'ব পাৰে আৰু কেতিয়াবা ই সূর্যৰ পোহৰত ফুলি উঠা ফুল এপাহৰ মাজতো জিলিকি উঠিব পাৰে। (অনুসন্ধান, পৃ. ১২)

তেওঁৰ কথা-শৈলীৰ এক বিশেষ বৈশিষ্ট্য হৈছে গাণিতিক আৰু বৈজ্ঞানিক ভাষাৰ প্রয়োগ। কোনো পৰিবেশ আৰু পৰিস্থিতি আনকি চৰিত্রৰ মানসিক অৱস্থাৰ বর্ণনা দিবলৈও তেওঁ গণিতৰ আৰু বিজ্ঞানৰ বিশেষকৈ পদার্থ বিজ্ঞানৰ বহুতো সূত্র ব্যৱহাৰ কৰিছে। তেওঁৰ এই অসাধাৰণ শৈলীয়ে এচাম পাঠকক বিশেষভাৱে আকর্ষণ কৰে। কিন্তু সর্বসাধাৰণ পাঠকৰ বাবে এই সূত্রবোৰ উপন্যাসৰ ৰসগ্রহণৰ ক্ষেত্রত এক প্রকাৰে বাধা প্রদান কৰে। তেওঁ উপন্যাসৰ বিভিন্ন ঠাইত ব্যৱহাৰ কৰা এনে সূত্রবোৰৰ কেতবোৰ উদাহৰণ তলত দাঙি ধৰা হ'ল —

ক) দিনক দিনে বাৰংবাৰতা বাঢ়ি গৈ আছে। (অনুসন্ধান, পৃ. ৪৪)

খ) মানুহৰ ধাৰণা হ'ল বহুতো চলকৰ ফলন, ফাংছন অব ছেভেৰেল ভেৰিয়েবলছ। (অনুসন্ধান, পৃ. ৫৮)

গ) অনুক্রম এটাৰ পদবোৰৰ দৰে এটাৰ পিছত এটাকৈ সজাই খোৱা অৱস্থাত সিহঁতক বিচাৰি পাব নোৱাৰি।...এই আলোক ৰশ্মি সঞ্চাৰিত হোৱাৰ কোনো নিয়ম নাই। (অনুসন্ধান, পৃ. ৬৮)

পৌৰাণিক আখ্যান-উপাখ্যান, বুৰঞ্জীৰ ঘটনা, ৰাজনৈতিৰ ঘটনা, আধুনিক সমাজৰ পৰিৱর্তিত প্রমূল্য, ধর্মীয় বিশ্বাস, সাহিত্যিক আৰু দার্শনিক তত্ত্ব আদিৰ বর্ণনাই তেওঁৰ ৰচনাৰ এক বিস্তৃত অংশ অধিকাৰ কৰিছে। এই ক্ষেত্রত তেওঁৰ বর্ণনা সমালোচনাত্মক। সমাজ, সাহিত্যৰ আংগিক, শৈলী, বিষয়বস্তু সম্বন্ধীয় এক গধূৰ সমালোচনা তেওঁৰ ৰচনাত এনেদৰে সন্নিবিষ্ট কৰা হৈছে যে বহু সময়ত তেওঁৰ ৰচনাৰ ভাষাই কাহিনী-সাহিত্যৰ সাজ এৰি সমালোচনাৰ সাজ পৰিগ্রহণ কৰিছে। এই ক্ষেত্রত তেওঁৰ ভাষা এজন সূক্ষ্ম পর্যৱেক্ষক আৰু সমালোচকৰ ভাষা। এনে ভাষাৰ কেতবোৰ উদাহৰণ—

ক) পোছাকত তেওঁ যেনেদৰে 'জিনছ'ৰ যুগলৈ যাব পৰা নাই, তেনেকৈ তেওঁৰ সাহিত্যিক ৰুচি আৰু ধ্যান-ধাৰণায়ো চল্লিছ বছৰ আগতেই এটা স্থিৰ অৱস্থা ধাৰণ কৰি লৈছে।...ডিকেনছ, থেকাৰে, জর্জ ইলিয়ট বা হাডিৰ লিখাৰ ধৰণ বেলেগ আৰু ভার্জিনিয়া উল্ফ্ জয়েছ বা লৰেন্সৰ লিখাৰ ধৰণ বেলেগ। বিষয়-বস্তুৰ অৱতাৰণা কৰাৰ পদ্ধতি বা আংগিকৰ পৰিৱর্তন হৈয়েই আছে। আগবাঢ়ি গৈছে বা পিচফালে গৈছে বুলি কোৱাটো বিতর্কৰ বিষয়। মুঠতে পৰিৱর্তন হৈ আছে বুলি কোৱাটোৱেই উচিত।[৩]

খ) কর্ণাটকৰ মালানাঞ্জ অঞ্চলৰ চন্দ্রগুপ্তি গাঁও। তাতেই আছে দেৱী মাতংগীৰ মন্দিৰ।... এতিয়াও উত্তৰ ভাৰতৰ গাঁৱে-ভূঁয়ে সতীদাহ প্রথা পালন কৰাৰ বাতৰি ওলায়। চাৰিওফালৰ মানুহ ঢোল-দাৰ বজাই মহোল্লাসে এই মহোৎসৱত যোগ দিয়ে। [৪]

সমাজ, সাহিত্য, ধর্ম, ভাষা আদি বিষয়ক সমালোচনাৰ প্রসংগত তেওঁৰ ভাষা বহু সময়ত বক্রোক্তিপূর্ণ আৰু শ্লেষাত্মক। বুদ্ধিদীপ্ত ব্যংগ, মৃদু বিদ্রূপ আৰু শ্লেষ, তৰল বক্রোক্তি তেওঁৰ ভাষা-ৰীতিৰ এক আকর্ষণীয় বৈশিষ্ট্য। উদাহৰণ স্বৰূপে—*চৌধুৰীয়ে চিন্তা কৰি চালে যে আমি আধুনিক নোহোৱাকৈ থকা নাই। টিভিত দেখুওৱা প্রতিখন হিন্দী নাটকতে ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক 'মামি' আৰু 'ডেডি' বুলিয়েই মাতে... কতা? নাতিল'ৰা দীপুৱে দেখোন ৰঞ্জনক 'বাবা' আৰু প্রমিলাক মা বুলি মাতে। হয়তো ল'ৰাজন আধুনিক হ'ব পৰা নাই।* [৫]

অলংকাৰৰ প্রয়োগো তেওঁৰ ৰচনাত অত্যন্ত সীমিত। এনেবোৰ প্রয়োগে সাধাৰণতে ভাষাৰ লালিত্য আৰু মাধুর্য বৃদ্ধি কৰে। উপমা, ৰূপক, চিত্রকল্পৰ প্রয়োগেৰে আলংকৃত ভাষাই ৰচনাৰ সৌন্দর্য বর্জনৰ উপৰিও ইয়াক প্রাণস্পর্শী কৰি তোলে। শীলভদ্রই কিন্তু কবিপ্রসিদ্ধ অলংকাৰৰ প্রয়োগৰ দিশত গুৰুত্ব দিয়া নাই। তেওঁ সচেতনভাৱেই নিজৰ ৰচনাত অলংকাৰিক প্রয়োগৰ পৰা বিৰত আছে। যিমান পাৰি নিৰলংকাৰ ভাষা প্রয়োগ কৰিবলৈহে তেওঁ চেষ্টা কৰিছে। অৱশ্যে কোনো কোনো ক্ষেত্রত উপমা, ৰূপক, চিত্রকল্প আদিৰ প্রয়োগেৰে তেওঁ ভাষাক অতি আকস্মিকভাৱে অলংকৃত কৰা দেখা যায়। তেনে কেতবোৰ আলংকাৰিক প্রয়োগৰ উদাহৰণ তলত দিয়া হ'ল—

ক) সূৰ্যমুখীৰ দৰে নতুনকৈ ফুলি উঠা ফুল এপাহ (অনুসন্ধান, পৃ. ১০৯)

খ) সূৰ্যৰ কাৰণে সূৰ্যমুখীৰ প্রতীক্ষা। (অনুসন্ধান, পৃ. ১৪৫)

গ) স্পেইনৰ গৃহযুদ্ধৰ বিভীষিকা মূর্ত কৰি তোলা পিকাছোৰ গুয়েৰনিকাৰ দৰে ভয়ংকৰ চিত্র। অনুসন্ধান, পৃ. ১১১)

ইয়াৰ উপৰিও 'অনুসন্ধান' উপন্যাসত কেন্দ্রীয় চৰিত্রই আৰম্ভণিৰ পৰা শেষলৈকে বিচাৰি থকা আন্ধাৰ কোঠাৰ অজ্ঞাত ক'লা মেকুৰীটোৰে, কেন্দ্রীয় চৰিত্রৰ পৈতৃক গৃহৰ পুৰণি কঁঠাল গছ জোপাই প্রতীকী ব্যঞ্জনা দি যায়। 'অনুসন্ধান' উপন্যাসখনৰ এঠাইত আছে—

শৰৎ কালৰ দোকমোকালিত আপুনি বাহিৰলৈ ওলাই আহিছেনে? বেলিটো তেতিয়াও ওলাই অহা নাই। পূৱ আকাশত বিভিন্ন ৰঙৰ বৈচিত্রময় সম্ভাৰ। আন্ধাৰ আঁতৰি যাবলৈ ধৰিছে, কিন্তু দৃশ্যাবোৰ তেতিয়াও স্পষ্টকৈ ফুটি উঠা নাই...শেৱালি গোন্ধৰ লগত মিহলি হৈ উষাই আপোনাৰ মনত এক অনৈসর্গিক ভাবৰ সৃষ্টি কৰিব পাৰে। সেই বুলিতো আপুনি উষাক বিয়া কৰোৱাৰ কথা ভাবিব নোৱাৰে। [৬]

'অনুসন্ধান' উপন্যাসৰ শেষৰ ফালে ভৃগু চৌধুৰীৰ মানসিক অৱস্থাৰ বর্ণনা দিয়া হৈছে এনেদৰে—

চৌধুৰীয়ে এটা লঘু স্পর্শ বোধ কৰিলে। লঘু অথচ প্রশ্নাতীত। এইটো তেওঁৰ পৰিবাৰৰ স্পর্শ। প্রতিটো স্পর্শৰ এটা বিশেষ ৰূপ আছে। প্রতিজন মানুহৰ আঙুলিৰ ছাপ হেনো বেলেগ। সকলোৱে চকুত এই পার্থক্য ধৰা নপৰে। জনা মানুহে ধৰিব পাৰে। [৭]

শীলভদ্রৰ ভাষাশৈলী সহজ সৰল, পোনপটীয়া যদিও বহুসময়ত ইংগিতধর্মিতা, প্রতীকীব্যঞ্জনা আৰু চিত্রধর্মিতাৰে পৰিপূর্ণ। শীলভদ্রই প্রতীকীব্যঞ্জনা, ইংগিতধর্মিতাৰে দ্বিধা, হতাশা আৰু ৰহস্যৰে আবৃত চৰিত্রৰ মনোজগতৰ অন্তর্দ্বন্দ্বক চিত্তাকর্ষক ৰূপত দাঙি ধৰিছে। অনুসন্ধান উপন্যাসত মিনতিৰ মানসিক বর্ণনা দিছে এনেদৰে—

অইন যিকোনো দৰা এজন দায়িত্বপূর্ণ স্বামী হ'লেই যথেষ্ট। পিচে বিনয়ৰ ভূমিকা হ'ব লাগিব বেলেগ ধৰণৰ। দৈবাৎ আসনখন খালী হৈছে কাৰণে জীপ মাৰি তাই আসনখনত বহিব নোৱাৰে....তাইহে বাছনিত উঠিছে। সহস্র নায়িকাৰ এজনী হ'ব তাই নোৱাৰে। সাঁচি থোৱা শুচি থোৱা কল্পনা এটাক তাই কলুষিত কৰিব নোখোজে। [৮]

****

অনুসন্ধান উপন্যাসখনৰ সমাপ্তিৰ ফালে ঔপন্যাসিকে চৌধুৰীৰ মানসিক অস্থিৰতাৰ বৰ্ণনা এনেদৰে কৰিছে—

> *এটা আন্ধাৰ কোঠাত অনুপস্থিত ক'লা মেকুৰী এটাৰ অনুসন্ধান। গোটেই জীৱন ধৰি ভূগু চৌধুৰীয়ে নথকা কিবা এটাকেই বিচাৰি আছে। এইটোকেই কৰি থাকি তেওঁ সকলো মানুহ আৰু সকলো পৰিস্থিতিৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। তেওঁ কাকনো চিনি পায়... খুব বেছি হ'লে পৰিচালিত ভ্ৰমণসূচীহে হ'ব পাৰে। যিখিনি দেখুওৱা হয় সেইখিনি দেখা সম্ভৱ। ভগ্নাংশ এটাহে দৃষ্টিগোচৰ হয়।*[৩]

তেওঁৰ ৰচনা-ৰীতিৰ আন এটা বৈশিষ্ট্য হৈছে প্ৰখ্যাত সাহিত্যিক, বৈজ্ঞানিক, দাৰ্শনিক, প্ৰখ্যাত খেলুৰৈ, নামী ব্যক্তি, ৰাজনৈতিক নেতা আদিৰ নামৰ সঘন উল্লেখ। তেওঁ আমাৰ আলোচ্য উপন্যাসখনত উল্লেখ কৰা বিশ্বৰ প্ৰখ্যাত বুদ্ধিজীৱিসকলৰ নামসমূহ হ'ল- ভাৰ্জিনিয়া উলফ, ডিকেন্স, থেকাৰে, জৰ্জ ইলিয়ট, হার্ডি, জয়েছ, লৰেন্স, এমিলি ব্ৰত, বিছমিল্লা খা, গুণাৰ মির্ডাল, জা পল ছাত্ৰে, ছছাৰ, ছেকছপীয়াৰ, পিকাছো, বাট্ৰাণ্ড ৰাছেল, আইভান বুনিন ইত্যাদি।

আকৌ, তেওঁৰ ৰচনাৰ মাজত এক বুজন সংখ্যক কিতাপ, আলোচনীৰ নামৰ উল্লেখ পোৱা যায়। অনুসন্ধান উপন্যাসখনতো তেনে কেইখনমান কিতাপৰ নাম উল্লেখ কৰা হৈছে। যেনে-ইছপছ ফেবলছ, ক্ৰাইম্ এণ্ড পানিছমেণ্ট, কেনদিদা, আউটছাইডাৰ ইত্যাদি।

২. সামৰণিঃ

শীলভদ্রৰ ভাষাশৈলীয়ে অসমীয়া উপন্যাস সাহিত্যত এক স্বতন্ত্ৰ স্থান অধিকাৰ কৰি আছে। তেওঁৰ ভাষা ব্যৱহাৰত আধুনিকতা, বৌদ্ধিকতা, বাস্তৱচেতনা আৰু শিল্পসৌন্দৰ্যৰ এক সু-সমন্বিত ৰূপ পৰিলক্ষিত হয়। ইংৰাজী শব্দ আৰু বাক্যৰ প্ৰয়োগ, ধ্বন্যাত্মক, অনুৰূপ আৰু দ্বিৰুক্তিবাচক শব্দৰ ব্যৱহাৰ, চুটি অথচ তাৎপর্যপূর্ণ বাক্যবিন্যাস, পুনৰুক্তিমূলক শৈলী, পাত্ৰানুকূল সংলাপে তেওঁৰ উপন্যাসখনক এক বিশেষ বৈশিষ্ট্য প্ৰদান কৰিছে।

তেওঁৰ ভাষাশৈলীৰ আন এক গুৰুত্বপূর্ণ দিশ হৈছে বৈজ্ঞানিক, দার্শনিক আৰু সমাজ সমালোচনামূলক দৃষ্টিভংগীৰ সন্নিৱেশ। প্ৰাচ্য-পাশ্চাত্য সাহিত্য, গাণিতিক আৰু বৈজ্ঞানিক সূত্ৰ, লোকগীতৰ উদ্ধৃতি আদিৰ সার্থক প্ৰয়োগে তেওঁৰ সাহিত্যক গভীৰ মননশীলতা আৰু বৌদ্ধিক মাত্ৰা প্ৰদান কৰিছে। সাহিত্য, সমাজ, সংস্কৃতি আৰু আধুনিক জীৱনৰ সংকট সম্পর্কীয় বিষয়সমূহ তেওঁ সূক্ষ্ম পর্যৱেক্ষণ শক্তি আৰু বিশ্লেষণধর্মী ভংগীৰে উপস্থাপন কৰিছে। অলংকাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত শীলভদ্র সচেতনভাৱে সংযমী। তেওঁ অধিক অলংকাৰবহুল ভাষাৰ পৰিৱর্তে নিৰলংকাৰ অথচ ব্যঞ্জনাময় ভাষাৰ আশ্ৰয় লৈছে; ফলস্বৰূপে তেওঁৰ ভাষা সহজ, স্বাভাৱিক আৰু বাস্তৱমুখী হৈ উঠিছে।

সামগ্ৰিকভাৱে ক'ব পাৰি যে, শীলভদ্রৰ ভাষাশৈলী অসমীয়া উপন্যাস সাহিত্যত আধুনিক মনন, বাস্তৱচেতনা আৰু বৌদ্ধিক শিল্পবোধৰ এক সার্থক নিদর্শন। তেওঁৰ ভাষা কেৱল কাহিনী প্ৰকাশৰ মাধ্যমেই নহয়; ৰৰং সমাজ-বাস্তৱতা আৰু ব্যক্তিমানসৰ গভীৰ অভিব্যক্তি।

প্ৰসংগ টীকাঃ

১ শর্মা, অনুৰাধাঃ শৈলী আৰু শৈলীবিজ্ঞান, বান্ধৱ, পাণবজাৰ, গুৱাহাটী, ২০১৫,পৃ. ২

২) শীলভদ্র। অনুসন্ধান। অসম বুক ট্ৰাষ্ট, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম সংস্কৰণ, ২০১৪, পৃ. ২৭

৩) উল্লিখিত গ্ৰন্থ, পৃ. ১২

৪) উল্লিখিত গ্ৰন্থ, পৃ. ৪৮

****

৫) উল্লিখিত গ্রন্থ, পৃ. ১০৪
৬) উল্লিখিত গ্রন্থ, পৃ. ২৭
৭) উল্লিখিত গ্রন্থ, পৃ. ১২৭
৮) উল্লিখিত গ্রন্থ, পৃ. ১৪৬
৯) উল্লিখিত গ্রন্থ, পৃ. ১৫৮

গ্রন্থপঞ্জীঃ

মুখ্য—

শীলভদ্র। অনুসন্ধান। অসম বুক ট্রাষ্ট, পাণবজাৰ, গুৱাহাটী-১, প্রথম সংস্কৰণ, ২০১৪

গৌণ—

গোহাঁই, হীৰেণ। উপন্যাসৰ আধুনিক সমালোচনাঃ পদ্ধতি আৰু প্রকল্প। এল. বি. এছ পাব্লিকেশ্যন, গুৱাহাটী, প্রথম প্রকাশ, ১৯৮৮
ঠাকুৰ নগেনঃ ভাষা আৰু ভাষাচিন্তা, বনলতা, পাণবজাৰ গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ২০১১
ঠাকুৰ, নগেন (সম্পা.)। এশ বছৰৰ অসমীয়া উপন্যাস। জ্যোতি প্রকাশন, পাণবজাৰ, গুৱাহাটী, দ্বিতীয় প্রকাশ, ২০১২
দাস, অমল চন্দ্র (সম্পা.)। অসমীয়া উপন্যাস পৰিক্রমা। বনলতা, পাণবজাৰ, গুৱাহাটী, প্রথম সংস্কৰণ,২০১২
বৰগোহাঞি, হোমেন (সম্পা.)। অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড (পৰিৱর্ধিত সংস্কৰণ)। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি-সংস্থা, অসম, উত্তৰ গুৱাহাটী, দ্বিতীয় প্রকাশ, ২০১২
ভৰালী, শৈলেন। উপন্যাস বিচাৰ আক বিশ্লেষণ। চন্দ্র প্রকাশ, গুৱাহাটী, চতুর্থ প্রকাশ, ২০১২
শর্মা, গোবিন্দ প্রসাদ। উপন্যাস আৰু অসমীয়া উপন্যাস। ষ্টুডেণ্টচ্ ষ্টৰ্চ্, গুৱাহাটী, তৃতীয় সংশোধিত সংস্কৰণ, ২০১২

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

*দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ত সামাজিক অৱক্ষয় আৰু মানসিক প্ৰতিক্ৰিয়া ঃ এক সামাজিক মনোবিজ্ঞানভিত্তিক অধ্যয়ন

জ্ঞানময়ূৰ দাস
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
ড° গীতিমণি হাটীমূৰীয়া
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
অসম মহিলা বিশ্ববিদ্যালয়

সাৰাংশ

সমাজ আৰু ব্যক্তিৰ সম্পৰ্ক গভীৰ তথা অবিচ্ছেদ্য। এজন ব্যক্তিৰ পূৰ্ণ বিকাশৰ ক্ষেত্ৰত সামাজিক পৰিৱেশে প্ৰধান ভূমিকা গ্ৰহণ কৰে। ব্যক্তিয়ে সমাজৰ পৰাই ভাষা-সংস্কৃতি, মূল্যবোধ আৰু নৈতিকতাৰ জ্ঞান আহৰণ কৰে। সমাজ আৰু ব্যক্তিৰ আন্তঃসম্পৰ্কই মানসিক স্বাস্থ্য, বৌদ্ধিক বিকাশ আৰু ব্যক্তিত্ব গঠনত সহায় কৰে। এই সম্পৰ্কক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ প্ৰচেষ্টাৰ ফলস্বৰূপে সামাজিক মনোবিজ্ঞানৰ জন্ম হয়। সামাজিক মনোবিজ্ঞানে ব্যক্তিৰ চিন্তা-কৰ্ম ব্যৱহাৰ আৰু আচৰণৰ আঁৰত নিহিত হৈ থকা কাৰক অন্বেষণত গুৰুত্ব প্ৰদান কৰে। ইয়াৰ মূল উদ্দেশ্য হৈছে সমাজৰ বিভিন্ন গোট বা আন ব্যক্তিৰ উপস্থিতিয়ে প্ৰভাৱিত কৰা মানুহৰ আচৰণৰ সূক্ষ্ম পৰ্যালোচনা কৰা আৰু প্ৰকৃত কাৰণ উদঘাটন কৰা। মানুহৰ সামাজিক সমন্বয়ৰ স্বৰূপ জানিবলৈ সামাজিক মনোবিজ্ঞানৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। এজন ব্যক্তিৰ চিন্তাক সামাজিক-সাংস্কৃতিক কাৰকে কেনেদৰে পৰিচালিত কৰে, সেয়া আধুনিক সাহিত্য অধ্যয়নৰ অন্যতম বিষয়। মামণি ৰয়ছম গোস্বামীৰ অন্যতম সামাজিক বাস্তৱবাদী উপন্যাস *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* সত্ৰীয়া সমাজৰ বিভিন্ন ৰীতি-নীতি, অৱহেলিত নাৰীৰ যন্ত্ৰণাৰ মানসিক দ্বন্দ্ব, লিংগবৈষম্য, আন্তঃদলীয় সংঘাত আৰু পৰিস্থিতিয়ে গঢ় দিয়া আচৰণ অতি গভীৰভাৱে চিত্ৰিত হৈছে। উপন্যাসখনে সামাজিক কাৰক আৰু সামাজিক পাৰস্পৰিক ক্ৰিয়াই প্ৰভাৱিত কৰা ব্যক্তি মানসিকতা তথা মানসিক সমস্যাৰ ধাৰণা প্ৰদান কৰিছে।

বীজ শব্দ ঃ সমাজ, ব্যক্তি, আচৰণ, মানসিকতা, সামাজিক মনোবিজ্ঞান।

০.০ অৱতৰণিকা

০.১ বিষয়ৰ পৰিচয়ঃ

সমাজ মানৱসৃষ্ট। ব্যক্তিসমষ্টিয়েই সমাজ গঠন কৰে আৰু সমাজে ব্যক্তিৰ সামগ্ৰিক বিকাশ আৰু বৃদ্ধিত সহায় কৰে। সেয়ে ব্যক্তি আৰু সমাজৰ সম্পৰ্ক অংগাগী তথা পৰস্পৰ নির্ভৰশীল। ব্যক্তি বিভিন্ন সম্বন্ধৰে সমাজৰ লগত জড়িত হৈ থাকে। সামাজিকভাৱে পাৰস্পৰিক ক্ৰিয়া কৰিবলৈ ব্যক্তিয়ে সমাজৰ আন ব্যক্তি তথা গোটৰ

****

সংস্পর্শলৈ আহে আৰু আনৰ ক্রিয়া কলাপ তথা ব্যৱহাৰ-আচৰণৰ প্রতি সজাগ হৈ সম্বন্ধ স্থাপন কৰে। সম্বন্ধ স্থাপন হ'লেই ব্যক্তি মনৰ অৱস্থিতি প্রকাশিত হয়। বিভিন্ন সামাজিক-অসামাজিক কার্য কলাপৰ উৎসও হৈছে মন। গতিকে মনে মানুহৰ আচৰণ প্রকাশ কৰে। সেই দৃষ্টিৰে সমাজ আৰু মনৰ এক এৰাব নোৱাৰা সম্পর্ক আছে। আৰু মনৰ অৱস্থিতি প্রকাশেই মানসিক প্রক্রিয়া; যিয়ে আচৰণ গঢ় দিয়ে। নৃতত্ত্ব আৰু মনোবিজ্ঞানৰ বিভিন্ন গৱেষণাই মানুহৰ সামাজিক আচৰণ অধ্যয়ন কৰাত গুৰুত্ব আৰোপ কৰিছে। এইক্ষেত্রত সামাজিক মনোবিজ্ঞান অন্যতম। সামাজিক মনোবিজ্ঞানে সমাজৰ অন্যান্য গোট বা লোকৰ দ্বাৰা প্রভাৰিত মানৱ আচৰণক অধ্যয়ন কৰে। ই ব্যক্তিৰ সৃজনাত্মক প্রক্রিয়া, আবেগ-অনুভূতি, ব্যক্তিত্ব গঠনত সমাজৰ ভূমিকা সম্পর্কে অধ্যয়ন কৰাত গুৰুত্ব আৰোপ কৰে। অসমীয়া উপন্যাস সাহিত্যৰ বিশাল পৰিসৰত সামাজিক মনোবিজ্ঞানৰ গভীৰ প্রভাৱ পৰিলক্ষিত হৈছে। মামণি ৰয়চম গোস্বামীৰ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* ৰক্ষণশীল সমাজৰ ধর্মীয় গোড়ামী, মানৱীয় প্রমূল্যবোধৰ সংঘাত, সমাজত নাৰীৰ দুর্বিষহ অৱস্থা ইত্যাদি সামাজিক অৱক্ষয়ে প্রভাৱ পেলোৱা চৰিত্রসমূহৰ মনস্তত্ত্ব উপস্থাপিত হৈছে। এই অধ্যয়নত *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* প্রতিফলিত চৰিত্রৰ সিদ্ধান্ত গ্রহণত ঐতিহ্যৰ প্রভাৱ, সামাজিক উপাদানৰ মনস্তাত্ত্বিক ভূমিকা আৰু চৰিত্রৰ মানসিক প্রতিক্রিয়া সম্পর্কে অধ্যয়ন কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

'*দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*'ত সামাজিক অৱক্ষয় আৰু মানসিক প্রতিক্রিয়া ঃ এক সামাজিক মনোবিজ্ঞানভিত্তিক অধ্যয়ন" শীর্ষক গৱেষণা পত্রখন প্রস্তুত কৰাৰ মূল উদ্দেশ্য হৈছে—

- তাত্ত্বিক দৃষ্টিভংগীৰে সামাজিক মনোবিজ্ঞানৰ স্বৰূপ আৰু ইয়াৰ অধ্যয়নৰ প্রয়োজনীয়তা স্পষ্ট কৰা।
- *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* ত প্রতিফলিত সমাজৰ মানসিক গঠন, চিন্তাধাৰা আৰু আচৰণৰ মাজৰ পাৰস্পৰিক সম্পর্ক বিচাৰ কৰা।

০.৩ অধ্যয়নৰ পদ্ধতিঃ

গৱেষণা বিষয়টি অধ্যয়নৰ ক্ষেত্রত সামাজিক মনোবিজ্ঞানক তাত্ত্বিক আধাৰত বিশ্লেষণ কৰা হৈছে। গৱেষণা পত্রখন বিশ্লেষণাত্মক আৰু বর্ণনাত্মক পদ্ধতিৰ সহায়ত উপস্থাপন কৰা হৈছে।

০.৪ অধ্যয়নৰ উৎসঃ

অধ্যয়নৰ উৎসৰূপে দুইধৰণৰ উৎস গ্রহণ কৰা হৈছে,

০.৪.১ মুখ্য উৎসঃ মুখ্য উৎসৰূপে মামণি ৰয়চম গোস্বামীৰ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসক গ্রহণ কৰা হৈছে।

০.৪.২ গৌণ উৎসঃ গৌণ উৎস হিচাপে বিষয়টোৰ লগত সম্পর্কযুক্ত বিভিন্ন গ্রন্থ, কাকত আৰু ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।

১.০ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* ত প্রতিফলিত সামাজিক অৱক্ষয় আৰু মানসিক প্রতিক্রিয়াঃ

১.১ সামাজিক মনোবিজ্ঞানৰ ধাৰণাঃ

সামাজিক মনোবিজ্ঞান মানৱ সমাজৰ বিজ্ঞান। কিয়নো ই মানৱ সমাজৰ মানসিক প্রতিক্রিয়াক প্রভাৱিত কৰা সমাজৰ অনুষংগৰ জটিল তথা মৌলিক সম্পর্ক উন্মোচন কৰাত গুৰুত্ব আৰোপ কৰে। সামাজিক আচৰণৰ প্রতিটো স্বৰূপ সামাজিক মনোবিজ্ঞানে অধ্যয়ন কৰে।

প্রত্যেক ব্যক্তিৰে আন ব্যক্তিৰ সৈতে আন্তঃক্রিয়া থাকে। এনে আন্তঃক্রিয়াৰ বৈজ্ঞানিক পদ্ধতিৰ অধ্যয়নত মনোবৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰা উচিত। সামাজিক আচৰণৰ আন্তঃক্রিয়াৰ বিষয়ে পুংখানুপুংখ বৈজ্ঞানিক আলোচনাইহে সমাজতত্ত্বীয় বহুতো সিদ্ধান্ত প্রকাশ কৰিব পাৰে। সেয়ে সামাজিক মনোবিজ্ঞানী (Social

Psychologist)সকলে সামাজিক আচৰণৰ বিষয়ে পদ্ধতিগত গৱেষণাৰ জৰিয়তে অধ্যয়ন কৰি তথ্য উদ্‌ঘাটনৰ সপক্ষে মত দিছে।[১]

কিম্বল ইয়ঙৰ (Kimball Young)মতে, "সামাজিক মনোবিজ্ঞান হ'ল এনে এক বিজ্ঞান, যি মানুহৰ পাৰস্পৰিক আন্তঃসম্বন্ধ আৰু ইজনে-সিজনৰ চিন্তা, অনুভৱ, আৱেগ আৰু অভ্যাসৰ ওপৰত প্ৰভাৱ পেলোৱা কাৰকৰ বিষয়ে অধ্যয়ন কৰে। মনোবিজ্ঞানী ক্ৰুচ আৰু কাৰ্টচফিল্ডৰ (Kruch and Crutchfield) মতে, " সামাজিক মনোবিজ্ঞান হৈছে এনে এক বিজ্ঞান যি ব্যক্তিৰ সমাজত আচৰণৰ বিষয়ে অধ্যয়ন কৰে।" (Social Psychology is the science of behaviour of the individuals in society.) চাৰজেন্ট আৰু উইলিয়ামচন (Sargent and Williamson) মতে, "মানুহৰ সামাজিক বা আন্ত ঃ সম্পৰ্কৰ ওপৰত গুৰুত্ব প্ৰদান কৰা সমূহৰ সদস্যসকলৰ বৈজ্ঞানিক অধ্যয়নেই হ'ল সামাজিক মনোবিজ্ঞান।"[২] ই মূলত ব্যক্তিৰ আচৰণ পৰিৱৰ্তন আৰু আচৰণ গঠনৰ সম্পৰ্কে অধ্যয়ন কৰে।

১.১.২ সামাজিক মনোবিজ্ঞানৰ বিকাশঃ

সমাজ আৰু মানুহৰ মনৰ পাৰস্পৰিক সম্বন্ধৰ সম্পৰ্কে পাশ্চাত্যৰ আলোচকসকলে অতীজৰে পৰা অধ্যয়ন কৰি আহিছে। কিন্তু মনোবিজ্ঞানৰ শাখাৰূপে এই অধ্যয়নে বিকাশ লাভ কৰে ১৯০৮ চনত মেকডুগলৰ 'Introduction to Social psychology'গ্ৰন্থ প্ৰকাশৰ পৰৱৰ্তী সময়ত। মেক্‌ডুগলে মানুহৰ সামাজিক আচৰণত পৰিৱেশ আৰু মানুহৰ প্ৰবৃত্তিৰ লগতে 'জীন'ৰ প্ৰভাৱৰ কথা উল্লেখ কৰিছে। ১৯২৪চনত ফ্লইড্‌ অল্পৰ্টে 'Social psychology' নামৰ গ্ৰন্থ প্ৰকাশ কৰি সামাজিক মনোবিজ্ঞানৰ অধ্যয়নৰ ধাৰা মুকলি কৰে।

সামাজিক মনোবিজ্ঞানৰ বিকাশৰ ক্ষেত্ৰত মুজাফাৰ শ্বেৰীফ, কিম্বল ইয়ং, জন এছ.এছ. চাৰজেন্ট আদিয়ে অধ্যয়ন কৰি সামাজিক পৰিস্থিতিত মানুহৰ আচৰণ, অভিজ্ঞতা, সামাজিক আন্তঃসম্পৰ্ক আদিৰ বিষয়ে আলোচনা কৰি 'ব্যক্তিগত মনোভাৱ' আৰু 'সামাজিক মনোভাৱ'ক সংলগ্ন কৰিছে। বৰ্তমান সময়ত মনোবিজ্ঞান, সমাজতত্ব আৰু নৃতত্ত্বক একেলগে আলোচনা কৰি সামাজিক পৰিস্থিতিত আচৰণ বা প্ৰক্ৰিয়াৰ সৈতে জড়িত দিশবোৰ বিশ্লেষণ কৰা হৈছে। কিছুমান মনোবৈজ্ঞানিক কাৰকে সামাজিক পৰিস্থিতিত প্ৰভাৱ বিস্তাৰ কৰে। তেনে মনোবৈজ্ঞানিক কাৰকবোৰ হৈছে — বোধগম্যতা, স্মৃতি, আশা, শংকা বা ভয় আদি। সেয়ে এইবোৰৰ লগত সামাজিক আচৰণৰ সম্বন্ধ আছে। এইদৰে বৰ্তমান সামাজিক মনোবিজ্ঞান এটি পূৰ্ণাঙ্গ বিষয়।[৩]

১.১.৩ সামাজিক মনোবিজ্ঞানৰ প্ৰাসংগিক তত্ত্ব ঃ

সমাজ আৰু মানুহৰ মনৰ সম্পৰ্ক অধ্যয়নৰ ক্ষেত্ৰত সামাজিক মনোবিজ্ঞানৰ বিভিন্ন প্ৰাসংগিক তত্ত্ব পৰিলক্ষিত হয়—

• **সামাজিক পৰিচয় তত্ত্ব** (Social Identity Theory) ঃ

হেনৰী তাজফেল আৰু জন টার্নাৰে এই তত্ত্ব আগবঢ়াইছিল। এই তত্ত্ব অনুসৰি এজন ব্যক্তিৰ পৰিচয় তেওঁ জড়িত হৈ থকা সামাজিক গোটটোৰ ওপৰত নিৰ্ভৰ কৰে। সামাজিক পৰিৱেশ বুজিবলৈ মানুহক দুটা গোটত ভাগ কৰিছে। আন্তঃগোট(in-group) আৰু বহিঃগোট (out-group)। নিজৰ গোটক শ্ৰেষ্ঠ হিচাপে গ্ৰহণ কৰি আন গোটৰ সৈতে সৃষ্টি কৰা সংঘাত ই অধ্যয়ন কৰে।

• **কাৰণ নিৰ্ধাৰণ তত্ত্ব** (Attribution Theory) ঃ

ফ্ৰিটজ হেইডাৰ আৰু বার্নার্ড উইনাৰে এই তত্ত্ব আগবঢ়াইছিল। মানুহৰ সামাজিক আচৰণৰ ক্ষেত্ৰত বাহ্যিক আৰোপণ (পৰিস্থিতি আৰু ভাগ্য) আভ্যন্তৰীণ আৰোপণ (ব্যক্তিত্ব আৰু চেষ্টা) এই দুই কাৰণ নিহিত হৈ থকাৰ কথা বিশ্বাস কৰে। সাহিত্যত চৰিত্ৰসমূহৰ মাজত ভুল বুজাবুজি আৰু সংঘাত অধ্যয়নত সহায় কৰে।

****

• **সংজ্ঞানাত্মক বিসংগতি তত্ত্ব** (Cognitive Dissonance Theory) ঃ

লিওন ফেষ্টিঞ্জাৰে এই তত্ত্বৰ ধাৰণা আগবঢ়াইছিল। যেতিয়া কোনো ব্যক্তিৰ বিশ্বাস আৰু আচৰণৰ মাজত পার্থক্য থাকে তেতিয়া মানসিক অস্বস্তিত ভোগে। ন ন যুক্তিৰে নিজৰ আচৰণক শুদ্ধ বুলি প্রমাণ কৰিবলৈ চেষ্টা কৰে। সাহিত্যত বহু চৰিত্রৰ নিজৰ নৈতিকতা আৰু আচৰণৰ মাজত দ্বন্দ্ব পৰিদৃষ্ট হয়।

• **ঃলীয় চিন্তাৰ তত্ত্ব** (Groupthink Theory) ঃ

ইৰভিং জানিছৰ এই তত্ত্বই এজন ব্যক্তিয়ে নিজৰ গোটৰ ভিতৰত নিজৰ সঠিক মতামত লুকুৰাই গোটৰ সিদ্ধান্তত একমত দিয়ে। ফলস্বৰূপে ভুল সিদ্ধান্ত হ'ব পাৰে। সামাজিক গোটি বিশ্লেষণত ইয়াৰ ব্যৱহাৰ দেখা যায়।

• **সাংস্কৃতিক মনোবিজ্ঞান** (Cultural psychology) ঃ

মানৱ মন আৰু মানসিক ক্রিয়াক প্রভাৱিত কৰা সংস্কৃতিৰ কাৰকসমূহ তাত্ত্বিক দৃষ্টিভংগীৰে অধ্যয়ন কৰে সাংস্কৃতিক মনোবিজ্ঞানে। লোক ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান আৰু পৰম্পৰা মানুহৰ মনৰ সৈতে কিদৰে জড়িত সেই সম্পর্কে এই তত্ত্বই বুজাত সহায় কৰে।

১.২ সামাজিক মনোবিজ্ঞানৰ ভিত্তিতঃ*তাল হাতীৰ উঁয়ে খোৱা হাওদাঃ*

গভীৰ সমাজ মনস্কতা, মানৱীয় অন্তদৃষ্টি, ৰক্ষণশীলতাৰ কাঠিন্যত অৱৰুদ্ধ জীৱন-বাসনাৰ উন্মুক্ত বিশ্লেষক মামণি ৰয়চম গোস্বামী। সৃজনশীলতাৰে ব্যক্তিৰ মন-মগজুক আলোড়িত কৰা মামণি ৰয়চম গোস্বামী অসমীয়া উপন্যাস সাহিত্যৰ চিৰ পৰিচিত নাম। নৈতিকতা আৰু অনৈতিকতাৰ ঊর্ধত মানৱতাবাদী আদর্শৰ চূড়ান্ত পৰিচয় তেওঁৰ উপন্যাসত প্রতিফলিত হৈছে। তেওঁৰ উপন্যাস সাহিত্যৰ মৌলিকত্ব—মুক্ত দৃষ্টিভংগী তথা মানুহৰ মনোজগতৰ চিৰন্তন সত্য উন্মোচন। মামণি ৰয়চম গোস্বামীৰ গভীৰ সমাজ-মনস্তাত্ত্বিক দৃষ্টিভংগী প্রকাশিত উপন্যাস *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*। উপন্যাসখনত সামাজিক মানৱতাৰ অৱক্ষয়, চৰিত্রমনৰ নিসংগতা আৰু মানসিকতা অতি বলিষ্ঠৰূপত প্রকাশ পাইছে ।

দক্ষিণ কামৰূপৰ এক সত্রীয়া পৰিৱেশৰ এক ক্ষয়িষ্ণু ৰূপ উপন্যাসখনত বিৰাজমান। এখন প্রাচীনপন্থী বৈষ্ণৱ সত্রৰ ৰীতি-নীতি, সংস্কাৰ, পৰিৱেশৰ ৰক্ষণশীলতাৰ বিপৰীতে মানৱতাৰ আত্মমুক্তিৰ বাণী, ধর্মীয় পৰম্পৰাৰ আঘাত হানিও মানৱীয়তাৰ মুক্তিৰ হকে বিদ্রোহ ঘোষণা, প্রাচীন ধর্মীয় বৈষ্ণৱ পৰম্পৰাৰ কিছুমান সহজাত দোষ-ত্রুটী আৰু নতুন ৰাজনৈতিক বা-বতাহৰ কঁপনিত প্রাচীন ভূ-স্বামী সামন্তযুগীয় মাটিৰ মালিকসকলৰ মাজলৈ বিয়পি পৰা বিপদৰ আগজাননীয়েই উপন্যাসখনত শক্তিশালী ৰূপত ক্রিয়া কৰিছে।[৪] উপন্যাসখনৰ মূল বিষয়বস্তু হ'ল সত্রীয়া সমাজৰ ৰক্ষণশীলতা, আভিজাত্যৰ আন্তঃসাৰশূন্যতা আৰু মানৱীয় প্রমূল্যৰ সংঘাত। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱর্তী সময়ৰ অসমৰ সত্রীয়া সমাজত চলি থকা ধর্মীয় গোড়ামী, কানি ৰবিহৰ প্রভাৱ আৰু সমান্তৰালকৈ সামন্তবাদৰ পতন আৰু পৰিৱর্তনক স্পষ্টকৈ দেখুওৱা হৈছে । উপন্যাসখনৰ অন্যতম বৈশিষ্ট্য সমকালীন সত্রীয়া সমাজৰ নাৰীৰ প্রস্থিতি প্রতিফলন। কুসংস্কাৰচ্ছন্ন সামাজিক পৰম্পৰাই গিৰিবালা, দুর্গা আৰু সৰু গোসাঁনী তিনিও গৰাকী নাৰী চৰিত্রৰ জীৱনযাত্রাক বিধস্ত কৰি তোলা বিষয়বস্তু অতি সংবেদনশীলতাৰে বর্ণনা কৰিছে । শোষিত-নিষ্পেষিত নাৰীৰ মানসিক অস্থিৰতা তথা দ্বন্দ্ব, বৈধব্যৰ যন্ত্রণা, অৱদমিত আকাংক্ষা আৰু অতৃপ্ত বাসনা অতি নির্ভীকভাৱে উপস্থাপন কৰিছে। সমাজৰ নিষ্ঠুৰ ভণ্ডামিৰ বিৰুদ্ধে প্রতিবাদী স্বৰ সাব্যস্ত কৰিছে। উপন্যাসখনত ব্যক্তিৰ চিন্তা, অনুভূতি, ব্যৱহাৰ আন ব্যক্তি আৰু সামাজিক পৰিৱেশৰ দ্বাৰা কিদৰে প্রভাৱিত হৈছে চৰিত্রৰ মানসিকতাৰ পৰিৱর্তন আৰু সামাজিক আচৰণৰ জৰিয়তে অতি সহজেই উপলব্ধি কৰিব পাৰি। এই গৱেষণা পত্রত চৰিত্রসমূহৰ মানসিক সংঘাত, সামাজিক স্থিতি আৰু মনোজগতৰ সেই সহঃসম্বন্ধ সামাজিক মনোবিজ্ঞানৰ তাত্ত্বিক দৃষ্টিৰে অধ্যয়ন কৰাৰ প্রয়াস কৰা হৈছে--

• **সামাজিক প্রতীক আৰু আভিজাত্যৰ মনস্তত্ত্ব** (Social Symbolism and aristocratic psychol-

****

ogy) ঃ **ক্ষয়িষ্ণু আভিজাত্যঃ** সামাজিক মনোবিজ্ঞানৰ মতে মানুহে নিজৰ সামাজিক মর্যাদা ধৰি ৰাখিবলৈ অপ্রাণ চেষ্টা কৰে। আহোম ৰজাৰ পৰা বিস্তাৰ ভূমি লাভ কৰা সত্রাধিকাৰৰ প্রভুত্ব, বংশৰ প্রতিপত্তি আৰু সাধাৰণ প্রজাক কৰা দমন উপন্যাসখনত বর্ণিত হৈছে।

"গোসাঁইৰ বাটঘৰ পোৱাৰ লগে লগে বেণু-পার্টিৰ আৰাজ বন্ধ হ'ল। দোলাত উঠি অহা কইনাজনীকো কোনোবাই ধৰা-মেলা কৰি নমালে। এয়া সত্রাধিকাৰ মহাপ্রভুৰ বাটঘৰ। বেণু-পার্টিৰ আৰাজ ইয়াত বন্ধ হ'ব লাগিব। এইখিনিতে মানুহে দোলাৰ পৰা নামিব লাগিব। গোসাঁইৰ ককাক খঙাল অধিকাৰে শুদুৰীয়া এটাই মাইচাত বহোতে বিচনীৰ নালেৰে কোবাই হাতত ঘা কৰাৰ কথা সৰু গোসাঁনীয়ে শুনিছিল। সৌ সিদিনালৈ মহন্তহঁতেও গুড়ি বন্ধা চাৰিতহে বহিব পাৰিছিল। মাইচাত বহা বাবে ৰাজাবাহাৰ বামুণ এটাক খঙাল গোসাঁয়ে ঢেঁকীত বান্ধি মাৰাৰ কথাও গোসাঁনীয়ে শুনা পাইছিল।"[৫]

উপন্যাসখনৰ শিৰোনামত থকা 'হাওদা' শব্দটো সামন্তীয় সমাজব্যৱস্থাৰ প্রতীক হিচাপে গ্রহণ কৰা হৈছে। তৎকালীন সময়ত আভিজাত্য শ্রেণীয়ে হাতী পুহি এই প্রতীক সন্মান হিচাপে গ্রহণ কৰিছিল। সত্রীয়া সমাজৰ সেই পুৰণি দাম্ভিকতা আৰু ক্ষমতা সত্রীয়া ভূমিৰ বিলুপ্তি, আধিয়াসকলৰ বিদ্রোহে জুৰুলা কৰিছিল। সত্রীয়া সমাজৰ প্রতিপত্তি উঁয়ে খাই শেষ কৰিছে অর্থাৎ সামন্ত সমাজব্যৱস্থাৰ অৱসানক সূচাইছে। কিন্তু সত্রীয়া সমাজে সেই 'উঁয়ে খোৱা হাওদা'কে ধৰি ৰাখিব বিচাৰে। ই এক প্রকাৰৰ Cognitive Dissonance (মানসিক বিসংগতি) য'ত বাস্তৱৰ পৰিস্থিতিক অস্বীকাৰ কৰি অতীতৰ গৌৰৱত বিভোৰ হৈ আছে । ই চৰিত্রৰ মনোভাৱ (Attitude) আৰু আচৰণৰ (Behavior) মাজত সংঘাতক প্রতিফলিত কৰিছে ।

• চৰিত্রৰ সামাজিক পৰিচয় আৰু আন্তঃদলীয় সংঘাত(Social Identity & Intergroup Conflict)ঃ

হেনৰী তাজফল আৰু জন টার্নাৰে আগবঢ়োৱা সামাজিক পৰিচয় তত্ত্বৰ মতে এজন ব্যক্তিৰ পৰিচয় তেওঁ জড়িত থকা সামাজিক গোটটোৰ ওপৰত নির্ভৰ কৰে। উপন্যাসখনত প্রতিফলিত সামাজিক পৰিচয় গঠন আৰু সামাজিক শ্রেণীৰ মাজৰ সংঘাতক (Social identity Theory)ৰ জৰিয়তে অধ্যয়ন কৰিব পাৰি। সামাজিক পৰিৱেশক বুজিবলৈ মানুহক বিভিন্ন গোটত ভাগ কৰা হয়। যি গোটৰ সদস্য সেই গোটটোৰ পৰিচয় নিজৰ বুলি গ্রহণ কৰে। নিজৰ আত্মসন্মান বর্তাই ৰাখিবলৈ নিজৰ গোটটোক (In Group) আন গোটতকৈ (Out Group) শ্রেষ্ঠ বুলি প্রমাণ কৰিব বিচাৰে।

সত্রীয়া পৰিৱেশৰ লোকসকলৰ এক আন্তঃগোট 'In Group' ক্ষমতাৰ মানসিকতা (Power dynamics) আছে। য'ত তেওঁলোকে নিজকে উচ্চ শ্রেণী হিচাপে গ্রহণ কৰিছে। পৰম্পৰাগত সত্রীয়া সমাজব্যৱস্থাক বিনা বিচাৰে মানি লোৱা দুর্গাই সত্রীয়া ৰীতি-নীতিক শ্রেষ্ঠ হিচাপে গ্রহণ কৰি কৈছে— *"চুপ থাক এই সত্রৰ গহেৰে জীয়াক মাটি-বাৰীৰ বাবে গুৱাহাটীত কাছাৰৰী উঠিব নাঐ"*[৬] পুৰোহিত আৰু ইন্দ্রনাথৰ বামুণৰ ছোৱালী বিয়া কৰোৱা সম্পর্কীয় আলাপে জাতি-বৈষম্যৰ প্রসংগক সাঙুৰিছে—*" আমি জানো তহনাই এই শক্তিশালী বংশত কালিমা সানা কোনো কাম নকৰাহ"*[৭] আনহাতে অন্ধবিশ্বাসৰ দলগত প্রভাৱ তীব্রৰূপে প্রকাশিত হৈছে এইদৰে— *"নুচুবি! নুচুবি! এইমাত্র বাঁৰী হোৱা তিৰি ঐ শিৰত সেন্দূৰ পিন্ধা তিৰীহাঁত!!*[৮]

সত্রৰ সমাজখন ধর্মীয় নীতি-নিয়মৰ দ্বাৰা কঠোৰভাৱে নিয়ন্ত্রিত আছিল। সামাজিক মনোবিজ্ঞানৰ গুৰুত্বপূর্ণ দিশ দলগত চাপ (Group pressure) সত্রীয়া সমাজৰ বর্ণনাৰ জৰিয়তে উপস্থাপিত হৈছে। সমাজৰ পৰা বর্জন হোৱাৰ ভয়ৰ বাবে মানুহে মতামত প্রকাশ কৰিবলৈ ভয় কৰে আৰু কাৰো পক্ষ নলয়। ইয়াক সামাজিক মনোবিজ্ঞানত spiral of silence বুলি কোৱা হয়। ইন্দ্রনাথে ভনীয়েক গিৰিবালাক বিদ্যালয়ত নামভর্তি কৰি দিয়াৰ কথা চিন্তা কৰিও থমকি ৰৈছে—*মই ভাবিছিলো তাইক স্কুলত নাম লগে দিম কিন্তু এই বিষয়ে কোনো একমত নহয়। আমাৰ গহেৰ*

আপীয়ে ফলি-পুথি লৈ স্কুলত যাবাৰ নিয়ম নাই।[৯]

উপন্যাসখনত বহিঃগোট Out Group অর্থাৎ সামন্তীয় ব্যৱস্থাৰ দ্বাৰা শোষিত আৰু বঞ্চিত সাধাৰণ শ্রেণীৰ ক্ষোভ আৰু বিদ্রোহৰ স্বৰ ধ্বনিত হৈছে। সাম্যবাদী চিন্তাৰ প্ৰৱেশ আৰু পুৰণি জমিদাৰী প্রথাৰ অস্বীকাৰ কৰি শ্রেণী বৈষম্যৰ পৰা পৰিত্রাণ বিচাৰিছে। নিজ অধিকাৰৰ প্রতি সচেতন মানসিকতা প্রকাশিত হৈছে এইদৰে— *"আন গোঁহেক মাতি আন। গোঁহে তহঁতৰ দৰে হালত নামক। গহে হাল ধৰাক ধান কটাক।"* [১০] দুটা গোটৰ মাজৰ মানসিক দূৰত্ব উপন্যাসখনত প্রতিফলিত হৈছে।

• **লিংগ বৈষম্য আৰু সামাজিক আনুগত্য** (Gender Roles and social conformity)ঃ

উপন্যাখনত পুৰুষতান্ত্রিক সমাজব্যৱস্থাত নাৰীৰ সামাজিক স্থিতি, বৈধব্যৰ অসহনীয় যন্ত্রণা আৰু আত্ম পৰিচয় সংকট গুৰুত্বপূর্ণ দিশসমূহ উন্মোচিত হৈছে। নাৰীৰ সামাজিক অৱদমন আৰু আত্মসচেতনতাৰ মনোবিজ্ঞানিক যাত্রা চিত্রিত হৈছে। ইয়াত লিংগভিত্তিক সামাজিক চাপ আৰু দৃষ্টিভংগীয়ে (social attitude) নাৰীৰ আচৰণ আৰু অনুভূতিক কেনেদৰে নিয়ন্ত্রণ কৰে তাৰ সুন্দৰ প্রতিফলন ঘটাইছে। শাৰীৰিক আৰু মানসিক যন্ত্রণা ফুটি উঠিছে এইদৰে— *"ৰঙৰাৰ কেইবাটাও গহানীয়ে বাটঘৰ নেদেখাকৈয়ে চকু মুদিছিল। এটাই হেনো চুৰকৈ বাৰী পাছফালে যায় বাসন্তী পূজা চাওঁতে বৰ মাৰাত্মক শাস্তি ভুগিব লাগা হৈছিল?"*[১১]

আনহাতে সধৱা তিৰোতাৰ অৱস্থাও আছিল শোচনীয়— *"এই সত্রতে কত তিৰোতাক একে ৰাতিৰ ভিতৰত গিৰিয়েকে খেদি পঠিয়াইছে। আগ দুৱাৰেদি এজনী গৈছে যদি আন এজনী পাছ দুৱাৰেদি সোমাইছে।"*[১২]

সামাজিক লিংগ বৈষম্যৰ চূড়ান্ত উদাহৰণ গিৰিবালা দুর্গা আৰু সৰু গোসাঁনী চৰিত্রৰ জৰিয়তে প্রকাশিত হৈছে। মানুহ হোৱাৰ পূর্বেই নিজ ইচ্ছাৰ বিৰুদ্ধে গিৰিবালাই চৰিত্রহীন লাতু গোসাঁইক স্বামী বৰণ কৰিব লগা হ'ল। ফুলশয্যাৰ নিশাই লাতুৱে গিৰিবালাৰ আবেগক নস্যাৎ কৰি নিজ ব্যভিচাৰী মনোভাব প্রকাশ কৰিছে এইদৰে, *" শুন, মই তিৰী মানুহ ভাল পাওঁ। পার্টিত ঘুৰি ফুৰাওঁতে চমৰিয়া, দখলা, বৰদুৱাৰৰ চাৰি-পাঁচটা তিৰীৰ হাতেদি চাহ খাছিলো! মণিআৰী তিনিআলিৰ কানিৰ কাণ কাটি বেচা তিৰিটোৱে মোদ ফাল আৰু বিলেতী-আলুদি পাৰৱাৰ আঞ্জা ৰান্ধি খুৱেছিল, ঐ-টেঙাদি পহুৰ আঞ্জাও ৰান্ধি খুৱেছিল।" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.১৪০)*

আনকি ৰক্ষণশীল সমাজ ব্যৱস্থাত তিৰোতা মানুহে মাংসৰ প্রতি লোভ কৰাটো বৰ পাপ হিচাপে গ্রহণ কৰা হৈছিল। লিংগ পার্থক্যৰ ই এক উদাহৰণ— *"সেইদিনাও গুইৰ মাংস তাই খাইছিল! ৰঙা মেখেলা পিন্ধি ভিতৰলৈ যাব খোজা গোসাঁনীয়ে খুটাটোৰ ওচৰত থিয় হৈ কৈছিল, 'ছিকৌ' ছিকৌ! তিৰী মানুহৰ এনাই লোভ হৱা অমংগল অমংগল।" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.১৪২)*

এনে কথাই গিৰিবালাৰ মানসিক অস্থিৰতা গঢ় দিছিল। আৰু অবচেতনভাৱে প্রস্তুত কৰিছিল বিদ্রোহসত্তাক। সত্রৰ গোসাঁইৰ ব্যভিচাৰ সাধাৰণ হিচাপে গণ্য কৰা সত্রীয়া সমাজত সৰু গোসাঁনীয়ে স্বামীৰ মৃত্যুৰ পিছত নিজৰ জৈৱিক ক্ষুধাক অৱদমন কৰিব লগা হৈছে। সেয়ে মহীধৰ বাপুৰ প্রতি তীব্র আকর্ষণ অনুভৱ কৰিছে যদিও সমাজব্যৱস্থাৰ ভয়ত মানি ল'ব পৰা নায়। ইয়াত মগজুৰ ক্রিয়া আৰু বাহ্যিক প্রতিক্রিয়াৰ মাজৰ বৈপৰিত্য পৰিলক্ষিত হৈছে। Leon festinger ৰ Cognitive Dissonance theory জ্ঞানগত অসামঞ্জস্য তত্ত্বৰ প্রভাৱ পৰিছে।

• **সংস্কৃতি আৰু মনৰ সম্পর্ক বিচাৰ** (Relation between culture and mind)ঃ

ৰীতি-নীতি, বিশ্বাস-পৰম্পৰা, নিয়ম, উৎসৱ-অনুষ্ঠান আদি সাংস্কৃতিক কাৰকসমূহে মানুহৰ মানসিক প্রতিক্রিয়াক প্রভাৱিত কৰে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* মানসিক প্রতিক্রিয়াৰ আঁৰৰ বিশ্বাস পৰম্পৰাসমূহ সাংস্কৃতিক মনোবিজ্ঞানৰ দৃষ্টিৰে অধ্যয়ন কৰাৰ থল আছে।

সত্রীয়া সমাজব্যৱস্থাত স্বামীৰ মৃত্যুৰ পিছত নাৰীক হাজাৰটা নিয়মেৰে বান্ধি ৰখা হৈছিল। পিন্ধন-উৰণ ফুৰা-চকা আনকি আহাৰ গ্রহণৰ ক্ষেত্রত ৰীতি-নীতিৰ নামত শোষিত হৈছিল। সামাজিক অনুষ্ঠানত অংশ গ্রহণ

কৰাৰ পৰা দূৰত আছিল। মূলত বিধৱা নাৰী এগৰাকী অস্পৃশ্য নাৰী হৈ পৰিছিল। সা-সোৱাদ নোহোৱা সিদ্ধ শব্দ পাচলিবোৰ খাই ওকলিয়াব আৰম্ভ কৰিছিল গিৰিবালাই। বুঢ়া গোসাঁইৰ বছৰেকীয়া শ্ৰাদ্ধত লোভ সামৰিব নোৱাৰি মাংসৰ আঞ্জা মুখলৈ নি প্ৰায়শ্চিত্ত হ'ব লগা হয়। *"হেৰামদৰ পুৰোহিতে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে, নাদৰ পানী ঢালি মাইচানাটোক আধা ভিজা কৰ। কোনেও নুচুবি, চব কাম আলগে আলগে কৰ। দোনাত কৰি আৰৈ চাউল, তামৰ পইচা, কড়ি আৰু ফুল-তুলসী আন। গংগা-জল আছে যদি তাকো আন।" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.১৪১)*

এই আটাইবোৰ দিশে গিৰিবালাৰ মানসিক সুস্থতাত বিৰূপ প্ৰভাৱ পেলাই আৰু তাই মনোজগতৰ প্ৰতিবাদ ক্ৰমাৎ বৃদ্ধি পায়। কুসংস্কাৰচ্ছন্ন সমাজব্যৱস্থা শৈশৱতে ছোৱালীক বিয়া দিয়া নিয়ম আছিল এনে নহ'লে ই এক অপৰিত্ৰ কাৰ্য স্বৰূপে গ্ৰহণ কৰিছিল— *"ৰাজা পুখুৰীৰ গহে ধুওৱা বামুণ চুৱা গেছি। হয় হয়, চুৱা গেছি দেখা নাই আপীৰ বুকুখান। পেটত ডিমা থকা 'কুপতী'ৰ দৰে তলবল তলবল কৰে। (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.২৮)*

• **পৰিৱেশ আৰু আচৰণ বিশ্লেষণ**(Enviromental and behavioral analysis)ঃ

*দঁতাল হাঁতীৰ উয়ে খোৱা হাওদা*ৰ চৰিত্ৰৰ মানসিক দ্বন্দ্ব আৰু তেওঁলোকৰ আচৰণক প্ৰভাৱিত কৰা কাৰকসমূহ বিশ্লেষণ কৰিলে মনোবিজ্ঞানৰ কাৰণ নিৰ্ধাৰণ তত্ত্বৰ (Attribution Theory) প্ৰতিফলন পৰিলক্ষিত হয়। ই দুই ধৰণে মানুহৰ আচৰণৰ কাৰণ বুজে আভ্যন্তৰীণ [Internal Attribution](ব্যক্তিত্ব, চেষ্টা), বাহ্যিক [External Attribution] (পৰিস্থিতি, ভাগ্য)।

গিৰিবালা, দুৰ্গা, সৰু গোসাঁনীয়ে সত্ৰৰ কঠোৰ নিয়মক গ্ৰহণ কৰি জীৱন-যাপন কৰি আহিছে। সেয়ে সমাজৰ কোনো নীতি উলংঘা কৰিলে সমাজৰ ব্যক্তিয়ে তাক Internal Attribution অৰ্থাৎ চাৰিত্ৰিক বিসংগতি হিচাপে গ্ৰহণ কৰিব যদিও পাঠকে সেই আচৰণ আচলতে External Attribution বা অসহনীয় সামাজিক পৰিস্থিতিৰ ফলহে সেই কথা বুজি উঠে। দুৰ্গাই নিজে বহু সময়ত মানৱীয় ইচ্ছাবোৰক দমন কৰি নিজৰ ভাগ্যৰ দোষৰ বাবে সত্ৰীয়া পৰম্পৰাৰ বলি হোৱা বুলি ভাবি লৈছিল ই হৈছে External Attribution। ইন্দ্ৰনাথৰ মানসিক সংঘাতটো External Attributionৰ প্ৰভাৱ দেখা যায়।

সমাজব্যৱস্থাৰ দ্বাৰা অসচেতনভাৱে শোষিত দুৰ্গাৰ শাৰীৰিক আৰু মানসিক জগতত হোৱা চূড়ান্ত প্ৰতিক্ৰিয়া পৰিদৃষ্ট হৈছে, *"বিধৱা হোৱাৰ সেই বছৰ এটা আমতিৰ পৰা আনটো আমতি অহাৰ সময়লৈকে দুৰ্গা যেন ভূতেই হৈ গ'ল। শহুৰৰ ঘৰত প্ৰেতিনীৰ দৰে কাঁথিত বহি তুঁহ-জুই পুৰাই থকা এক প্ৰকাৰ অভ্যাসতেই পৰিণত হ'ল।" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.২৯)*। কিন্তু দুৰ্গাই এই অৱস্থা ভাগ্য লিখন বুলিয়েই পতিয়ন গৈছে। সমাজৰ তীব্ৰ মানসিক নিৰ্যাতন আৰু নিসংগতাই দুৰ্গা চৰিত্ৰৰ মানসিকতাৰ প্ৰচুৰ পৰিৱৰ্তন সাধন কৰে আৰু আচৰণত ইয়াৰ বহিঃপ্ৰকাশ ঘটে, *"কথাই কথাই খং উঠা হ'ল। মানুহক শাওপাত দিব ধৰিলে। শেষত যিবোৰ শুভাংকাক্ষী আছিল সেইবোৰো এটা এটাকৈ আঁতৰি গ'ল।" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.২৯)* দুৰ্গা চৰিত্ৰটোৱে মানসিক ভাৱসাম্য হেৰুৱাই দুৰ্বিষহ জীৱন-যাপন কৰিছিল।

গিৰিবালা চৰিত্ৰৰ বৈধব্যৰ যন্ত্ৰণা আৰু অৱদমিত নাৰীৰ আশা-আকাংক্ষাৰ মাজত সংঘাতে মানসিক দ্বন্দ্বৰূপে ক্ৰিয়া কৰিছে । চৌপাশৰ সামাজিক পৰিস্থিতিৰ নিষ্পেষণৰ দ্বাৰা ভাৰাক্ৰান্ত হৈ মাৰ্ক চাহাবৰ কায চাপিবলৈ প্ৰয়াস কৰিছে, *" চাহাব, জগলীয়াৰ পাৰৰ গহেঁনীমখাই কছিল, গিৰিবালা ঠওৱা, ওলেচী ফুলৰ দৰে চেহেৰা।"... মই সেই কথা পতিয়েছিলু। চুই চাৰ চাহাব। চুই চাৰ-সাৰমৰ্ম একো নাই না মোৰ এই দেহাৰ?" (দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা, পৃ.২৫৫)*

স্বামীৰ দ্বাৰা লাঞ্ছিত, মানসিক যন্ত্ৰণাৰে ভাৰাক্ৰান্ত গিৰিবালা শৰীৰ আৰু মনে আত্মহত্যাৰ বাবে পৰিস্থিতিগত স্থিতি গ্ৰহণ কৰিছে। ই হৈছে মানসিক হতাশাৰ চূড়ান্ত পৰ্যায়। বিভিন্ন দাৰ্শনিকে আত্মহত্যাৰ মনস্তত্ত্বক

****

এক দার্শনিক সমস্যা বুলি কৈছে। দার্শনিক এলবার্ট কেমুৰ মতে— জীৱনৰ অর্থহীনতাৰ মাজতো জীয়াই থকাটো এক বিদ্রোহ কার্য্য। কিন্তু উপন্যাসখনত সামাজিক অৱক্ষয় আৰু মানসিক দ্বন্দ্ব-সংঘাতৰ পৰিণতি স্বৰূপ গিৰিবালাৰ মৃত্যু এক মুকলি বিদ্রোহ হিচাপে গ্রহণ কৰিব পাৰি। ই হৈছে সমাজ ব্যৱস্থাৰ প্রতি চৰম কুঠাৰ ঘাট। মৃত্যুৰ জৰিয়তে গিৰিবালাই সমাজৰ ক্রূৰ-কঠিন নীতিক তাচ্ছিল্য কৰিছে।

• **মনোবিশ্লেষণীয়দৃষ্টিভংগী** (Psychoanalytic Perspective) ঃ

ফ্রয়েডীয় তত্ত্ব অনুসৰি মানুহৰ মানসিক অৱস্থাক Id (মৌলিক প্রবৃত্তি) Ego (বিচাৰ,যুক্তি) আৰু Super-ego (শুদ্ধ আৰু অশুদ্ধ নীতি) এই তিনি ধৰণে বিভক্ত কৰিব পাৰি।

অদম (Id)- গিৰিবালাৰ খ্রীষ্টান যুৱক মার্কৰ প্রতি যি দমিত যৌন-আৱেগ প্রতিফলন ঘটিছে ই হৈছে Idৰ প্রকাশ।

অধিসত্ত্বা (Superego)- সত্রীয়া সমাজৰ নিষ্ঠুৰ আৰু কঠিন নীতি-নিয়মৰ প্রভাৱে Superegoৰ ৰূপত কাম কৰিছে। যিয়ে গিৰিবালাৰ মনোজগতত লাজ আৰু অপৰাধবোধ জাগ্রত কৰিছে।

অহম (Ego)- গিৰিবালাৰ অহম ৰূপ ব্যর্থ হৈছে কিয়নো সামাজিক চাপত তাই আত্মহত্যাৰ পথ বাছি লৈছে।ই হৈছে অদম আৰু অধিসত্ত্বাৰ মাজত অহমৰ পতন।

আন বিধৰা চৰিত্র যেনে দুর্গা বা সৰু গোসাঁনীয়ে Superego অর্থাৎ কঠোৰ সমাজব্যৱস্থাৰ প্রতি আত্মসমর্পণ কৰি নিষ্ক্রিয়ভাৱে বিষাদত ভুগিছে। এইক্ষেত্রত অহম দমিত হৈ আছে। ফলস্বৰূপে ব্যক্তিত্বৰ বিকাশ হ'বলৈ সুবিধা লাভ কৰা নায়।

গতিকে শেষত ক'ব পাৰি যে, সামাজিক মনোবিজ্ঞান হৈছে মানুহৰ চিন্তা আৰু আচৰণত সমাজৰ আন ব্যক্তিৰ উপস্থিতিৰ দ্বাৰা প্রত্যক্ষ আৰু পৰোক্ষ প্রভাৱৰ বৈজ্ঞানিক অধ্যয়ন। ইয়াত সামাজিক পৰিচয়, গোটৰ গতিশীলতা, অন্ধবিশ্বাসযুক্ত আচৰণ আৰু পক্ষপাতমূলক ধাৰণাক গুৰুত্ব দিয়া হয়। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* মানৱীয় মূল্যবোধৰ সংঘাত, প্রজন্মৰ সংঘর্ষ অথবা কঠোৰ শ্রেণী আৰু জাতিগত গাঁথনিৰ বিৰুদ্ধে ব্যক্তিৰ সংগ্রাম অতি সবল ৰূপত প্রতিফলিত হৈছে। সামাজিক মনোবিজ্ঞানৰ তাত্ত্বিক অধ্যয়নৰ জৰিয়তে চৰিত্রৰ আচৰণৰ আঁৰত নিহিত হৈ থকা কাৰকসমূহ উন্মোচিত হৈছে।

২.০ সিদ্ধান্তঃ

♦ সামাজিক পৰিস্থিতিত মানুহৰ আচৰণ আৰু এই আচৰণৰ প্রকৃত কাৰণ জানিবলৈ চেষ্টা কৰা সামাজিক মনোবিজ্ঞান অধ্যয়নৰ এক গুৰুত্বপূর্ণ দৃষ্টিভংগী। সাহিত্য পাঠত বিভিন্ন চৰিত্রৰ মানসিকতা গঠন আৰু আচৰণ নিৰূপণৰ ক্ষেত্রত সামাজিক কাৰকে প্রভাৱিত কৰা পৰিলক্ষিত হয়। চৰিত্রৰ মানসপটত গভীৰ চাপ পেলোৱা এই কাৰকসমূহ বিচাৰ কৰাত সামাজিক মনোবিজ্ঞানৰ প্রাসংগিক তত্ত্বসমূহে যথেষ্ট সহায় কৰে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* প্রতিফলিত সামাজিক গতি-প্রকৃতি, ব্যক্তিৰ অন্তৰজগত আৰু গোষ্ঠীগত সম্পর্ক উন্মোচনৰ ক্ষেত্রত সামাজিক মনোবিজ্ঞানৰ বিভিন্ন তত্ত্বই শক্তিশালী আহিলা হিচাপে ক্রিয়া কৰিছে।

♦ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* গিৰিবালা, দুর্গা আৰু সৰু গোসাঁনী চৰিত্রৰ দমিত আবেগ-আকাংক্ষা Id, সংঘাতপূর্ণ মানসিক অৱস্থা Ego আৰু আত্ম-বাস্তৱায়নৰ ব্যর্থতাক প্রতিফলিত কৰিছে। সমাজৰ ভণ্ডামি, ধর্মীয় গোড়ামী আৰু লৈংগিক পক্ষপাতক মানৱীয় চেতনাৰ বিৰুদ্ধে দেখুৱাইছে, য'ত বিধৰাৰ মানসিক যন্ত্রণা আৰু আত্মহত্যাক অযুক্তিকৰ নিষ্ঠুৰ সামাজিক বিধানৰ বিৰুদ্ধে প্রতিবাদ (suicide as protest) হিচাপে গ্রহণ কৰা হৈছে। *দঁতাল হাতীল উঁয়ে খোৱা হাওদা* মাত্র একোটা সাহিত্য পাঠ নহয়, ই ৰক্ষণশীল সমাজ ব্যৱস্থাৰ মানসিক-সামাজিক বাস্তৱ চিত্র।

****

প্রসংগ টোকা ঃ

[১]উৎপল শইকীয়া, *সামাজিক মনোবিজ্ঞান*,পৃ.২২
[২]উল্লিখিত গ্রন্থ, পৃ.২৩
[৩]উল্লিখিত গ্রন্থ, পৃ.৩৯
[৪]কুমাৰ বৰা, পংকজ, 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত প্রকাশিত সমাজ ভাৱনাৰ দিশ,অসম সাহিত্য সভা পত্রিকা, জ্যোতিৰেখা হাজৰিকা (সম্পা.), সপ্তষষ্টিতম বর্ষ, পৃ.৩৮
[৫]মামণি ৰয়চম গোস্বামী, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা,পৃ. ৩৮
[৬]উল্লিখিত গ্রন্থ, পৃ.২৭
[৭]উল্লিখিত গ্রন্থ, পৃ.৭৫
[৮]উল্লিখিত গ্রন্থ, পৃ.৪২
[৯]উল্লিখিত গ্রন্থ, পৃ.৭৮
[১০]উল্লিখিত গ্রন্থ, পৃ.৪৫
[১১]উল্লিখিত গ্রন্থ, পৃ.২৭১
[১২]উল্লিখিত গ্রন্থ, পৃ.১৩৮

গ্রন্থপঞ্জীঃ মূল গ্রন্থঃ

গোস্বামী, মামণি ৰয়চম। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*। গুৱাহাটীঃ চন্দ্র প্রকাশন, তৃতীয় প্রকাশ,২০২২।

প্রাসংগিক গ্রন্থঃ

গোস্বামী, মৰমী। *স্নাতকৰ শিক্ষা মনোবিজ্ঞান পৰিচয়* ।ডিব্রুগড় ঃ মহাবীৰ পাব্লিকেশ্যন, প্রথম প্রকাশ,২০১৬।
চলিহা, মনীষা, ঘোষ, কুমুদ। *শিক্ষা মনোবিজ্ঞান* ।গোলাঘাট ঃ সৰস্বতী প্রকাশন, ২০১২।
ঠাকুৰ, নগেন (সম্পা.)। *এশ বছৰৰ অসমীয়া উপন্যাস*। জ্যোতি প্রকাশন, দ্বিতীয় প্রকাশ, ২০১২।
ডেকা, বীৰেন্দ্র। *স্নাতক মহলাৰ বিকাশাত্মক মনোবিজ্ঞান* ।গুৱাহাটী ঃ অশোক পাব্লিকেশ্যন, ২০১৫।
দত্ত, গোলোক চন্দ্র, সন্দিকৈ, ৰিণ্টু, বৰুৱা সঞ্জীৱ। *শিক্ষাৰ মনস্তাত্ত্বিক ভিত্তি*। গোলাঘাটঃ সৰস্বতী প্রকাশন, প্রথম প্রকাশ, ২০১২।
নাথ, ভনিতা। *মামণি ৰয়চম গোস্বামীৰ উপন্যাস বিচাৰ বিশ্লেষণ*। পূবায়ণ প্রকাশন,২০২১।
শইকীয়া, উৎপল। *সামাজিক মনোবিজ্ঞান* ।গুৱাহাটীঃ শান্তি প্রকাশন,২০২১।

ইংৰাজী গ্রন্থঃ

Baron, Robert A, Mishra, Girishwar. *Psychology.* Pearson Education,2026.
Mathur, S.S. *Social Psychology.* Shri Vinod Pustok, 2020.
Singh, Arup Kumar. *Social Psychology*. PHI Learning, 2024.
G. myers. *Social Psychology*. The Mc Graw Hill,Press
Dk. *The Psychology Book.* Pearson Education,2022.

গৱেষণা পত্রিকাঃ

হাজৰিকা, জ্যোতিৰেখা (সম্পা.)। অসম সাহিত্য সভা পত্রিকা। সপ্তষষ্টিতম বর্ষ, প্রথম সংখ্যা,২০১২।

ৱেবচাইট লিংকঃ

https.//www.simplypsychology.org,(12.4.2026)
https.//www.socialpsychology.org,(18.4.2026)
https.//bkbcollegeonline.co.in,(18.4.2026)

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ৰংবং তেৰাঙৰ নিৰ্বাচিত উপন্যাসৰ আলোচনা

ৰৰষা ডেকা
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

সাৰাংশ

এই গৱেষণা পত্ৰখনত 'জাক হেৰোৱা পক্ষী' উপন্যাসখনত প্ৰতিফলিত গোষ্ঠী সংঘৰ্ষৰ বিষয়ে অধ্যয়ন কৰা হৈছে। কাৰ্বি আৰু কুকি জনগোষ্ঠীৰ বিদ্ৰোহী সংগঠনৰ কাৰ্যকলাপে কাৰ্বি আংলঙত জনজীৱন বিধ্বস্ত কৰিছিল। গোষ্ঠী সংঘৰ্ষ, অস্তিত্বৰ সংকট, মানৱীয়তাৰ স্খলন আদি দিশসমূহ অধ্যয়ন কৰা গৱেষণা পত্ৰখনৰ মূল উদ্দেশ্য। 'জাক হেৰোৱা পক্ষী' উপন্যাসখনত কাৰ্বি সমাজখনৰ লগতে অসমীয়া ভাষাৰো কিছু আভাস পোৱা যায়। সেয়েহে উপন্যাসখনৰ ভাষা, গদ্যৰীতি আদি অধ্যয়ন কৰাৰ উপৰিও ৰংবং তেৰাঙৰ অন্যান্য সাহিত্যৰাজি তথা কাৰ্বিমূলৰ লেখকৰ সাহিত্যৰ গৱেষণামূলক অধ্যয়নে নতুন দিশ মুকলি কৰিব পাৰে।

বীজ শব্দঃ গোষ্ঠী সংঘৰ্ষ, কাৰ্বি সমাজ, অস্তিত্বৰ সংকট, নিৰাপত্তাহীনতা, সংঘাত।

০.১ অৱতৰণিকাঃ

অসমীয়া সাহিত্য জগতৰ এজন অন্যতম ঔপন্যাসিক হ'ল ৰংবং তেৰাং। 'ৰংমিলিৰ হাঁহি', 'জাক হেৰোৱা পক্ষী', 'মিৰবিন', 'ক্ৰান্তিকালৰ অশ্ৰু' আদি উপন্যাস ৰচনাৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যক সমৃদ্ধ কৰা বহুমুখী প্ৰতিভাৰ অধিকাৰী ৰংবং তেৰাং একেধাৰে গল্পকাৰ, ঔপন্যাসিক, শিক্ষাবিদ। এইজনা সাহিত্যিকৰ উপন্যাসৰ কাহিনীত কাৰ্বি সমাজ, উৎসৱ-পাৰ্বন, ৰীতি-নীতি, ডেকা-গাভৰুৰ প্ৰেম, গোষ্ঠী সংঘৰ্ষ, মানৱীয় প্ৰমূল্যৰ অৱক্ষয় আদি দিশ প্ৰতিফলিত হৈছে।

ৰংবং তেৰাঙৰ উপন্যাসৰ কাহিনী উপস্থাপন সহজ সৰল। কাৰ্বি সমাজখনক পটভূমি হিচাপে লৈ উপন্যাসসমূহ ৰচনা কৰিলেও 'ক্ৰান্তিকালৰ অশ্ৰু' উপন্যাসখন অসম আন্দোলনৰ পটভূমিত ৰচিত। উপন্যাসসমূহৰ মাজেৰে ঔপন্যাসিকৰ সূক্ষ্ম দৃষ্টিভংগী আৰু মানৱদৰদী সংবেদনশীল মনটোৰ প্ৰতিফলন ঘটিছে। ঔপন্যাসিক গৰাকীৰ আন এখন উপন্যাস 'জাক হেৰোৱা পক্ষী'ত কাৰ্বি আৰু কুকিসকলৰ গোষ্ঠী সংঘৰ্ষৰ ছবি অংকিত হৈছে। আলোচনা পত্ৰৰ কম পৰিসৰৰ বাবে 'জাক হেৰোৱা পক্ষী' উপন্যাসখন নিৰ্বাচন কৰি লোৱা হৈছে।

০.২ বিষয়ৰ পৰিসৰঃ

বিষয়ৰ আলোচনাৰ সুবিধাৰ বাবে ৰংবং তেৰাঙৰ 'জাক হেৰোৱা পক্ষী' উপন্যাসখন নিৰ্বাচন কৰি

****

লোৱা হৈছে।

০.৩ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্বঃ

সমাজ এখনৰ সুস্থ বিকাশৰ বাবে শান্তিপূর্ণ বাতাবৰণৰ প্রয়োজন। অশান্ত, সংঘর্ষপূর্ণ পৰিৱেশে সমাজৰ সুস্থ অগ্রগতিৰ পথত বাধাৰ সৃষ্টি কৰে। গোষ্ঠী সংঘর্ষই কিমান ভয়াবহ ৰূপ ল'ব পাৰে সেই বিষয়ে আমি প্রত্যেকজন ব্যক্তি সচেতন হোৱাৰ দৰকাৰ আছে। গোষ্ঠী সংঘর্ষই এটা পৰিয়াল, এখন সমাজ খানবান কৰিব পাৰে। এই গৱেষণা পত্রখনত গোষ্ঠী সংঘর্ষৰ ভয়াৱহতা, অস্তিত্বৰ সংকট, মানুহৰ মাজত মানৱতাৰ স্খলন আদি দিশসমূহৰ অধ্যয়ন কৰাই প্রধান উদ্দেশ্য।

০.৪ অধ্যয়নৰ পদ্ধতিঃ

বিষয়ৰ অধ্যয়নৰ বাবে বর্ণনাত্মক আৰু বিশ্লেষণাত্মক উভয় পদ্ধতিৰে সহায় লোৱা হৈছে।

১. বিষয়বস্তুৰ আলোচনাঃ

'জাক হেৰোৱা পক্ষী' ৰংবং তেৰাঙৰ এখন উল্লেখযোগ্য উপন্যাস। উপন্যাসখন কার্বি-কুকিৰ গোষ্ঠী সংঘর্ষক পটভূমি হিচাপে লৈ ৰচিত। শান্তি আৰু সম্প্রীতিৰে বসবাস কৰা কার্বি আৰু কুকি জনগোষ্ঠীৰ নিৰীহ জনতাৰ মাজত গোষ্ঠী সংঘর্ষই মাতি অনা ভয়াৱহতা, অস্তিত্বৰ সংকট, দুয়োটা গোষ্ঠীৰ বিদ্রোহী সংগঠনৰ কার্য-কলাপৰ ফলত দুয়োটা গোষ্ঠীৰ সাধাৰণ মানুহৰ মনতো পৰস্পৰৰ প্রতি উদ্রেগ হোৱা ঘৃণা আদি উপন্যাসখনৰ কাহিনীৰ মাজেৰে প্রতিফলিত হৈছে। উপন্যাসখনৰ নামকৰণে প্রতীকী অর্থ প্রকাশ কৰিছে— 'জাক হেৰোৱা পক্ষী' অর্থাৎ জাকৰ পৰা বিচ্ছিন্ন হৈ পৰা নিৰাপত্তা আৰু আশ্রয়ৰ অভাৱত হাঁহাকাৰ কৰা এজাক মানুহ।

'জাক হেৰোৱা পক্ষী' উপন্যাসখনৰ প্রধান চৰিত্র হৈছে ৰংজাংফং গাঁৱৰ গাঁওবুঢ়া ৱাইছং তেৰাং। ৱাইছঙৰ ডাঙৰ পুত্র জিৰছঙে কুকি ছোৱালী জুলীক বিয়া পতা কথাটো ৱাইছুঙৰ পত্নী কাজিৰে সহজভাৱে ল'ব পৰা নাই। তেওঁলোকৰ একমাত্র নাতি ৰূপলীনে কুকি আদৱ কায়দা শিকিব বুলি কাজিৰ চিন্তিত। পোন্ধৰটা অধ্যায়ত বিভক্ত উপন্যাসখনৰ প্রথম অধ্যায়তে কুকি মিতিৰৰ ঘৰৰ পৰা অনা কুকুৰা, আদা, জিৰলাং আৰু পহুৰ শুকান মঙহৰ টোপোলাই ৱাইছঙৰ ঘৰলৈ সম্প্রীতিৰ ভাৱ কঢ়িয়াই আনিলেও কাজিৰৰ মনৰ পৰা কুকি মানুহৰ প্রতি থকা মনোভাৱ একেবাৰে আঁতৰ কৰিব পৰা নাই। সমাজত চলি থকা জাত-পাতৰ বিচাৰৰ বিষয়ে ঔপন্যাসিকে ৱাইছং চৰিত্রটোৰ মনত চলি থকা প্রতিক্রিয়াৰ মাজেৰে প্রকাশ কৰিছে —

> *"ফটিকা এঢোক খাই, ৱাইছঙে ভাবিব ধৰিলে তাৰ সৰু ঘৰখনৰ কথা। কুকি ছোৱালী ঘৰ সোমোৱাত পৰিয়ালৰ মানুহখিনিয়ে ছিঃ-ছিঃ, ছাঃ-ছাঃ কৰাৰ পৰাই কিমান যে সমস্যাত সি ভুগিবলগীয়াত পৰিছে, সেয়া তাৰ বাহিৰে আনে বুজিব কেনেকৈ? অজাতিৰ ছোৱালীক সি ঘৰত সোমোৱাই সি হেনো সাত পুৰুষৰ বাবে ৰসাতললৈ গ'ল। কুকি ঘৰৰ ছোৱালীয়ে জানো কাৰবি ঘৰৰ নীতি-নিয়ম ধৰিব পাৰিব? সি হেনো তেৰাং বংশত কলংক সানিলে।"* [১]

উপন্যাসখনৰ চৰিত্র, কাহিনী, গাঁওখন সম্পূর্ণ কাল্পনিক যদিও ঔপন্যাসিকে প্রতিটো চৰিত্রক জীৱন্ত ৰূপত প্রকাশ কৰিছে। কাহিনী কাল্পনিক যদিও কার্বি-কুকি সংঘর্ষৰ বাস্তৱ ছবি এখন উপন্যাসখনৰ মাজেৰে প্রতিফলন ঘটিছে। 'জাক হেৰোৱা পক্ষী' উপন্যাসখনৰ এঘাৰ নং অধ্যায়ত ৱাইছঙৰ ঘৰত অনুষ্ঠিত হেম্ফু পূজা আৰু ন-ভাত খোৱা উৎসৱত ৱাইছঙৰ সৰু পুত্র লংকিৰি উপস্থিত নথকাৰ বাবে গাঁৱৰ ৰিচ'বাছাই কৰা প্রশ্নৰ উত্তৰত হোৱা কথোপকথনত কার্বি আংলঙত চলি থকা ভয়াৱহ পৰিস্থিতিৰ বিষয়ে বুজিব পাৰি —

"আহিব কেনেকৈ? কাৰবি আংলং বন্ধ নহয় জানো?"

****

"কোনে দিলে? আমি গ'ম নাপাওঁৰেই দেখোন।"

"হাতত বন্দুক ধৰা ল'ৰাহঁতে। কাৰবি আংলং জানো ছেমছুনছিং ইংতি, খৰছিং তেৰাঙৰ দিনৰ কাৰবি আংলং? কেৱল কটা-কটি, মৰা-মৰিৰ কথাহে শুনিবি এতিয়া।"

"এতিয়াও কিবা ঘটিছে নেকি?" — ভাত মুঠি মুখত দি ৰিচ'ৰাছাই সুধিলে।

"ছিংহাছন্ পাহাৰত হোনো কাৰবি আৰু কুকিৰ মাজত গুলীয়াগুলী হৈছে।"[২]

অসম চৰকাৰে যাঠি দশকত কার্বি আংলঙৰ হাবি জংঘল কাটি সৰু সৰু টিলাবোৰ কাটি সমান কৰা আঁচনি গ্ৰহণ কৰিছিল। সেয়েহে এনে আঁচনি কার্যকৰী হোৱাৰ পিছত সমতল ভূমিত স্থায়ীভাৱে বসবাস কৰিবলৈ একাংশ কার্বি লোক সিংহাসন পাহাৰ এৰি নামি আহে। সিংহাসন পাহৰৰ মাটি আদা খেতিৰ বাবে উপযোগী। সেয়েহে ৮০ৰ দশকত আদাৰ চাহিদা বৃদ্ধি পোৱাৰ বাবে মণিপুৰৰ কুকি সকলে সিংহাসন পাহাৰলৈ অনুপ্ৰৱেশ কৰিবলৈ লয়। নতুনকৈ প্ৰব্ৰজিত কুকি সকলে স্থানীয় লোকৰ ভূমি দখল কৰিবলৈ আৰম্ভ কৰাৰ ফলস্বৰূপে স্থানীয় কার্বিসকল অসন্তুষ্ট হৈ পৰিছিল। ইয়াৰ পৰিণতিত কার্বি আৰু কুকিৰ মাজত সংঘাত আৰম্ভ হয়। কুকি জনগোষ্ঠীৰ বিদ্ৰোহী গোটে সিংহাসন-খন্‌বামন এলেকাত কাৰবি বা আন সম্প্ৰদায়ে প্ৰৱেশ কৰিলে ভয়াৱহ পৰিণতি হোৱাৰ ভাবুকি প্ৰদান কৰে। সিংহাসন-খন্‌বামন এলেকাত যুগ যুগ ধৰি কার্বিসকলে বসবাস কৰি আহিছে। 'জাক হেৰোৱা পক্ষী' উপন্যাসখনত কার্বি-কুকিৰ এনেবোৰ বিবাদৰ বিষয়ে উল্লেখ আছে। উপন্যাসখনৰ তৃতীয় অধ্যায়ত কার্বি আৰু কুকিৰ গোষ্ঠী সংঘৰ্ষৰ বিষয়ে মাইছ' কিলিং গাঁৱৰ গাওঁবুঢ়া ছাইজঙে ৰাইছঙক অৱগত কৰাইছে। মণিপুৰ পৰা নতুন বাসস্থানৰ সন্ধানত দল ভাঙি অহা কুকিসকলৰ চাল-চলন স্থানীয় কুকিসকলৰ দৰে নহয়। সিংহাসন-খন্‌বামন অঞ্চল দখল কৰিব বিচৰাৰ বাবে কার্বি আংলঙৰ কার্বি লোকসকল জাঙুৰ খাই উঠাটো স্বাভাৱিক কথা।

> *"আমাৰ পর্বত-খন্‌বামন অঞ্চল হেনো দখল কৰাৰ মতলব।"*
>
> *"কেনেকৈ দখল কৰিব পাৰিব? সেয়া জানো কাৰবি আংলঙৰ মাটি নহয়?"*
>
> *"কিয় নহ'ব? আমিবোৰচোন পর্বত-খন্‌বামনৰ পৰা নামি অহা নাছিলো? স্বয়ং খৰছিং মেস্বৰচোন থেদংপি গাঁৱত ডাঙৰ-দীঘল হৈছিল। এতিয়া কুকিহঁতে এইখন কুকি পাহাৰ বুলি ক'লে জানো আমি মানিম? এই কথাবোৰে জানো আমাৰ মাজত কাজিয়া এখন নলগাবনে? আপুনিয়েই কওকচোন, ফু কাংবুৰা।"* [৩]

গোষ্ঠী সংঘৰ্ষই ২০০৩ চনৰ কার্বি আংলঙৰ বাতাবৰণ সলনি কৰিছিল। কার্বি আৰু কুকি দুয়োটা গোষ্ঠীৰ নিৰীহ জনতা হিংসা-প্ৰতিহিংসাৰ বলি হ'বলগীয়া হৈছিল। নিৰাপত্তাহীনতাত ভুগি বহু পৰিয়াল কার্বি আংলঙৰ পৰা অজ্ঞাত স্থানলৈ গুচি যোৱা পৰিলক্ষিত হৈছিল। 'জাক হেৰোৱা পক্ষী' উপন্যাসখনৰ ছেৰ্ লাংঠুৰ গাঁওবুঢ়া ছাৰ্‌মেনো গোষ্ঠী সংঘৰ্ষৰ বলি হয়। ৰেংমা নগা, কুকি মানুহবোৰৰ লগত ভাল সম্পৰ্ক ৰখা ছাৰ্‌মেনক গুলীয়াই হত্যা কৰা ঘটনাৰ বাবে ৰাইছঙৰ লগতে গাঁৱৰ আন লোক সকলো নিৰাপত্তাহীনতাত ভুগিছিল। গোষ্ঠী সংঘৰ্ষই এনে ৰূপ ল'লে যে মানুহে মানুহক গুলীয়াই মাৰিবলৈও কুণ্ঠাবোধ নকৰা হ'ল। মান্‌জাৰ স্কুলত পঢ়ি থকা কুকি ল'ৰা দুটাৰ হত্যাকাণ্ড গোষ্ঠী সংঘৰ্ষৰ আসুৰিক ৰূপৰ প্ৰতিফলন। হিংসা-প্ৰতিহিংসাই বিবেকহীন কৰি তোলা মানুহৰ বৰ্বৰতাই দুয়োটা গোষ্ঠীৰ মানুহকে অস্তিত্বৰ সংকট, নিৰাপত্তাহীনতাত ভুগিবলৈ বাধ্য কৰাইছিল। পৰিত্ৰ মনেৰে গীৰ্জা ঘৰলৈ ঈশ্বৰৰ প্ৰাৰ্থনাৰ বাবে যোৱা কার্বিসকলৰ ওপৰত কুকি বিদ্ৰোহীৰ আক্ৰমণেও গোষ্ঠী সংঘৰ্ষৰ ভয়াৱহতাৰ ছবি দাঙি ধৰিছে।

হাবিতলীয়া ৰংজাংফং গাঁওখন নিৰাপদ নহয়। পুৱতি নিশা গাঁও আক্ৰমণ কৰা, জ্বলাই দিয়া ঘটনাই

****

ৰাইছঙ আৰু গাঁৱৰ লোকসকলক চিন্তিত কৰি তুলিছিল। মণিপুৰৰ পৰা অহা দল হেৰোৱা কুকি সন্ত্রাসবাদীৰ হাতত ৰাইফল, পিষ্টল আছে। তাৰ বিপৰীতে ৰংজাংফং গাঁওবাসীৰ হাতত অস্ত্র-শস্ত্র নাই। নিজৰ জীৱন বচাবৰ বাবে নিৰাপদ স্থানত আশ্রয় লোৱাৰ চিন্তা-চর্চা কৰাৰ বাহিৰে তেওঁলোকৰ হাতত আন উপায় নাই। সেয়েহে সিদ্ধান্ত নোলোৱালৈকে নিশা ডেকা সকলক গাঁও পহৰাৰ দায়িত্ব দিয়ে।

গোষ্ঠী সংঘর্ষত ৰংজাংফং গাঁওখনো জুইত জাহ গৈছে। কুকি সন্ত্রাসবাদীয়ে পুৰতি নিশা গাঁৱত জুই জ্বলাই আঁতৰি গৈছিল। চাৰিওফালে আতংকময়ী পৰিৱেশ। জুই আৰু বন্দুকৰ শব্দ শুনি মানুহবোৰে যেনিয়ে-স্বতেনিয়ে পলাই নিজৰ প্রাণ ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। জাক হেৰোৱা পক্ষীৰ দৰে মানুহবোৰে আশ্রয় বিচাৰি, নিৰাপত্তা বিচাৰি হাঁহাকাৰ কৰিছে।

'জাক হেৰোৱা পক্ষী' উপন্যাসখনত প্রকাশ পোৱা গোষ্ঠী সংঘর্ষ আৰু বিপদাপন্ন মানুহৰ জীৱনৰ বিপৰীতে ৰাইছঙৰ ঘৰলৈ কুকি ছোৱালী জুলী বোৱাৰী হৈ অহা ঘটনাই ঐক্য-সম্প্রীতিৰ বার্তা বহন কৰিছে। কুকি সন্ত্রাসবাদীৰ আক্রমণত জুইত জাহ যোৱা ঘৰখন দেখি এফালে জুলী জাংচন সন্তাপত দগ্ধ। আনফালে শাহুৰেক কাজী ৰংহাপীৰ মনত জ্বলিছে অবিশ্বাসৰ জুই। এনে এক সংকটপূর্ণ পৰিস্থিতিত দুখ আৰু ভয়ত ঘৰলৈ উভতি যাব খোৱা জুলীৰ প্রতি ৰাইছঙৰ প্রতিক্রিয়াই ঔপন্যাসিকৰ ঐক্য-সংহতিৰ আদর্শত বিশ্বাসী সংবেদনশীল মানৰ দৰদী মনটোৰ প্রতিফলন ঘটাইছে —

> *"বোৱাৰী কৰি তোমাক আনিলো। এতিয়া মই উভতি যাবলৈ নকওঁ। তোমাৰ জাতিৰ সন্ত্রাসবাদীহঁতে আহি ঘৰ জ্বলালে বাবেই তুমি নিজকে কিয় দোষী কৰিবা? তুমিতো আমাৰ ঘৰ জ্বলাবলৈ অহা নাই, ঘৰখন বান্ধিবলৈহে আহিছা। আই, মই কি সতেনো তোমাক উভতি যাবলৈ কওঁ। এয়া হ'ব নোৱাৰে। ঘৰ জ্বলিল। অকল আমাৰ ঘৰেইতো জ্বলা নাই। তোমালোকৰ বংশ-পৰিয়ালৰ ঘৰবোৰকো জ্বলাইছে আমাৰ কাৰবি সন্ত্রাসবাদীহঁতে। সন্ত্রাসক ভাল পোৱা মানুহবোৰৰ কোনো জাত নাই, ধর্ম নাই, আই। এই ঘটনাবোৰ দেশৰ বাবে, জাতিৰ বাবে একো-একোটা দুর্যোগ।"* [৪]

২. সিদ্ধান্ত

অধ্যয়নৰ পৰা কেতবোৰ সত্য উদ্ভাসিত হৈছে —

১) ৰংবং তেৰাঙৰ 'জাক হেৰুৱা পক্ষী' উপন্যাসখন কার্বি-কুকিৰ গোষ্ঠী সংঘর্ষৰ পটভূমিত ৰচিত।

২) 'জাক হেৰুৱা পক্ষী' উপন্যাসখন কার্বি-কুকিৰ গোষ্ঠী সংঘর্ষৰ পটভূমিত ৰচিত যদিও ঔপন্যাসিকে কার্বি সমাজখন পাহৰা নাই।

৩) ৰংবং তেৰাঙৰ ৰচনাশৈলী সহজ সৰল।

৪) ঔপন্যাসিকে মানুহৰ মনোজগতত চলি থকা ক্রিয়া-প্রতিক্রিয়াসমূহ অতি সূক্ষ্মভাৱে পর্যবেক্ষণ কৰিছে।

৫) ৰংবং তেৰাং হিংসা-প্রতিহিংসাৰ বিপৰীতে ঐক্য-সংহতিৰ আদর্শত বিশ্বাসী সংবেদনশীল মনৰ অধিকাৰী।

৩. উপসংহাৰঃ

ৰংবং তেৰাঙৰ 'জাক হেৰোৱা পক্ষী' উপন্যাসখনত কার্বি-কুকিৰ গোষ্ঠী সংঘর্ষৰ জীয়া ছবি এখনৰ প্রতিফলন ঘটিছে। কার্বি আংলঙত সংঘটিত কার্বি-কুকিৰ গোষ্ঠী সংঘর্ষই কার্বি আৰু কুকি জনগোষ্ঠীৰ লোকসকলে

****

নিৰাপত্তাহীনতা, অস্তিত্বৰ সংকটত ভুগিবলগীয়া হৈছিল। 'ৰংবং তেৰাঙৰ জাক হেৰোৱা পক্ষীত প্রতিফলিত গোষ্ঠী সংঘর্ষ' শীর্ষক আমাৰ এই গৱেষণা পত্রই গোষ্ঠী সংঘর্ষৰ ভয়াৱহতা, মানৱতাৰ অৱক্ষয় সম্পর্কে জনাত সহায় কৰিব। উপন্যাসখনত প্রতিফলিত কার্বি সমাজ, ৰীতি-নীতি, গদ্যৰীতি আদি বিভিন্ন দিশৰ গৱেষণামূলক বিচাৰ-বিশ্লেষণ হ'লে বিদ্যায়তনিক দিশত নতুন দিশৰ উন্মোচন হ'ব বুলি আশা কৰিব পাৰি।

প্রসংগসূত্রঃ

১. ৰংবং তেৰাং, *জাক হেৰোৱা পক্ষী*, পৃ. ৯
২. উল্লিখিত, পৃ. ৭৫
৩. উল্লিখিত, পৃ. ৩০
৪. উল্লিখিত, পৃ. ৮৯

গ্রন্থপঞ্জীঃ

মুখ্য উৎসঃ

তেৰাং, ৰংবং। *জাক হেৰোৱা পক্ষী*।গুৱাহাটী ঃ বনলতা, ২০১৮। মুদ্রিত।

গৌণ উৎসঃ

দাস, শৈলেন। *কাৰ্বি সংস্কৃতিৰ প্রৱাহ*। গুৱাহাটী ঃ জনজাতি গৱেষণা কেন্দ্র আৰু অনুসূচিত জাতি, ২০০৩। মুদ্রিত।
ৰংফাৰ, বৰছিং। *গোষ্ঠী সংঘাত আৰু কাৰ্বি আংলং*। ডিফু ঃ ছ'লাংদ' পাব্লিকেশন, ২০১৫। মুদ্রিত।
শইকীয়া, গীতাশ্রী, জয়ন্ত দত্ত (সম্পা.)। *একবিংশ শতিকাৰ অসমীয়া উপন্যাস*। গুৱাহটী ঃ অসম বুক ট্রাষ্ট, ২০২৪। মুদ্রিত।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

মহিম বৰাৰ গল্পত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ (Anthropocene) প্ৰসঙ্গ

মনিষা গগৈ
গৱেষক, অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

সাৰাংশ

মানুহে প্ৰকৃতিৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱৰ অধ্যয়ন কৰিবলৈ সাম্প্ৰতিক সময়ত *Anthropocene* ধাৰণাটোৱে বিশেষ সমাদৰ লাভ কৰিছে। সাধাৰণ ভাষাত ক'বলৈ গ'লে *Anthropocene* হৈছে এনে এটা যুগ, য'ত মানৱ কাৰ্যকলাপেই প্ৰকৃতি আৰু পৰিৱেশৰ গঠন, পৰিৱৰ্তন আৰু সংকটৰ মূল কাৰণ হৈ পৰিছে। সাহিত্য যিহেতু সমাজৰ প্ৰতিফলন, গতিকে সাহিত্যৰ মাজতো সমাজৰ এনেধৰণৰ প্ৰসঙ্গসমূহ প্ৰতিফলিত হৈছে। ৰামধেনু যুগৰ এজন অন্যতম গল্পকাৰ মহিম বৰাৰ বহু গল্পত মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কৰ লগতে পৰিৱেশগত সংকটসমূহো প্ৰতিফলিত হৈছে। *Anthropocene* -ৰ দৃষ্টিৰে মহিম বৰাৰ গল্পৰ বিশ্লেষণ কৰাই আমাৰ এই গৱেষণা পত্ৰৰ মূল উদ্দেশ্য। আমাৰ এই অধ্যয়নৰ বাবে পাৰিপাৰ্শ্বিক সমালোচনা তত্ত্ব (Ecocriticism)-ক আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। বিষয়টো বিশ্লেষণৰ ক্ষেত্ৰত সাহিত্য সমাজতত্ত্বৰ অন্তৰ্গত *বিষয় বিশ্লেষণ পদ্ধতি* আৰু *সমাজ বিশ্লেষণ পদ্ধতি*গ্ৰহণ কৰা হৈছে। অধ্যয়নৰ শেষত দেখা গৈছে যে উন্নয়ন, সামাজিক পৰিৱৰ্তন আৰু স্বাৰ্থপৰ মানৱ আচৰণৰ ফলত প্ৰকৃতিৰ স্বাভাৱিক ভাৱসাম্যতাত ব্যাঘাত জন্মিছে আৰু মানুহৰ জীৱন-জীৱিকাৰ ওপৰত ইয়াৰ প্ৰভাৱ বাঢ়ুকৈয়ে পৰিছে। মানুহে নিজ স্বাৰ্থৰ বাবে প্ৰকৃতিক ধ্বংস কৰাৰ ফলত মানুহৰ জীৱনলৈ নামি অহা সংকটৰ লগতে সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক ক্ষেত্ৰত হোৱা পৰিৱৰ্তনৰ বিভিন্ন দিশো এই অধ্যয়নৰ জৰিয়তে উন্মোচিত হৈছে।

বীজ শব্দঃ Anthropocene, মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, পৰিৱেশ সংকট, বিপৰ্যয়, অসমীয়া চুটি গল্প।

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

Anthropocene শব্দটো গ্ৰীক শব্দ *Anthropos* আৰু *cene* শব্দ লগ হৈ গঠিত হৈছে। *Anthropos* মানে 'মানুহ' আৰু *cene* মানে হৈছে 'যুগ'। বিজ্ঞানী 'Paul Crutzen' আৰু 'Eugene Stoermer'এ ২০০০ চনত প্ৰথমবাৰৰ বাবে এই শব্দটো ব্যৱহাৰ কৰিছিল। সাধাৰণ অৰ্থত *Anthropocene* শব্দটোৰ অৰ্থ হৈছে এক নতুন ভূতাত্ত্বিক যুগ, য'ত মানৱ জাতিয়ে পৃথিৱীৰ পৰিৱেশ, জলবায়ু তথা প্ৰাকৃতিক প্ৰক্ৰিয়াবোৰত এক গুৰুত্বপূৰ্ণ আৰু দীৰ্ঘম্যাদী প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰিছে। অৰ্থাৎ মানুহ এতিয়া কেৱল জৈৱিক অস্তিত্বৰ সম্পৰ্কৰে প্ৰকৃতিৰ লগত সম্পৰ্কিত হৈ থকা নাই, মানুহ এক ভূতাত্ত্বিক (Geological) শক্তিলৈ ৰূপান্তৰিত হৈছে। *Anthropocene* কেৱল পৃথিৱীত তথা প্ৰকৃতি জগতত হোৱা বাহ্যিক পৰিৱৰ্তনসমূহৰ সম্পৰ্কে কৰা অধ্যয়নতে সীমাবদ্ধ হোৱা নাই,

****

ই এক গভীৰ ব্যাপক অধ্যয়ন। জীৱশ্ৰেষ্ঠ মানুহৰ কাৰ্যকলাপৰ ফলত সমগ্ৰ জগতত তথা ভৌগোলিক বাতাবৰণ আৰু জলবায়ুৰ ওপৰত পৰা স্থায়ী প্ৰভাৱ সম্পৰ্কে ই অধ্যয়ন কৰে। মানুহে উন্নয়নৰ স্বাৰ্থত প্ৰকৃতিক ধ্বংসৰ ফলত প্ৰকৃতিৰ ভাৰসাম্য বিনষ্ট হৈছে। মানুহ এতিয়া জৈৱ বৈচিত্ৰ্যৰ শৃংখলতাত এটা সামান্য উপাদানৰ পৰিৱৰ্তে প্ৰকৃতিত প্ৰলয় সৃষ্টি কৰিব পৰা এক শক্তিশালী ভূতাত্ত্বিক কাৰক বুলি কোৱাহে উপযোগী বুলিব পাৰি। যি কি নহওক মানুহে নিজ স্বাৰ্থৰ বাবে প্ৰকৃতিক ধ্বংস কৰাৰ ফলত প্ৰকৃতিৰ স্বাভাৱিক ভাৰসাম্যত ব্যাঘাত জন্মিছে আৰু ফলস্বৰূপে জৈৱ বৈচিত্ৰ্যৰ লগতে মানুহৰ জীৱনত অভাৱনীয় প্ৰভাৱ পৰিলক্ষিত হৈছে। সাহিত্য হৈছে সমাজৰ প্ৰতিফলন। মানুহ আৰু প্ৰকৃতিৰ লগত সম্পৰ্কিত এই দিশসমূহ সাহিত্যৰ জৰিয়তে প্ৰতিফলিত হৈছে। ৰামধেনু যুগৰ গল্পকাৰসকলৰ ভিতৰত মহিম বৰা অন্যতম। আমাৰ এই গৱেষণা পত্ৰত মহিম বৰাৰ গল্পত প্ৰতিফলিত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ প্ৰসঙ্গসমূহৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

- ♦ মহিম বৰাৰ গল্পত প্ৰকাশিত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ প্ৰসঙ্গসমূহ অন্বেষণ কৰা।
- ♦ মহিম বৰাৰ গল্পত প্ৰতিফলিত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ কাৰকসমূহ বিচাৰ কৰা।

০.৩ অধ্যয়নৰ গুৰুত্বঃ

মানৱ সমাজে প্ৰকৃতিৰ ওপৰত চলোৱা অবাধ লুণ্ঠনৰ বাবে দিনক দিনে প্ৰকৃতি জগতৰ প্ৰতি ভয়াবহতা বৃদ্ধি পাবলৈ ধৰিছে। উদ্যোগীকৰণৰ ফলত সৃষ্ট বৃহৎ কল-কাৰখানাৰ পৰা নিৰ্গত হোৱা বিষাক্ত ধোঁৱা, গাড়ী-মটৰৰ পৰা নিৰ্গত বিষাক্ত গেছসমূহ, গছ-গছনিৰ ধ্বংস আদিয়ে পৃথিৱী নামৰ গ্ৰহটোৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। ইয়াৰ ফলশ্ৰুতিত গোলকীয় উষ্ণতা বৃদ্ধি পাবলৈ ধৰিছে, পৰিৱেশ প্ৰদূষণ হৈছে। ই মানুহৰ জীৱনৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে বুলি ক'ব পাৰি। এই বিভিন্ন সমস্যাৰে জৰ্জৰিত প্ৰকৃতি আৰু মানৱ উভয়কে ৰক্ষণাবেক্ষণ দিয়াৰ স্বাৰ্থতেই মানৱ প্ৰভাৱিত পৰিৱেশ প্ৰসঙ্গসমূহে সাহিত্যত স্থান লাভ কৰিছে। কিয়নো বিভিন্ন সমালোচকসকলে প্ৰকৃতি আৰু মানৱ সমাজৰ পাৰস্পৰিক সম্পৰ্কৰ লগতে প্ৰকৃতি আৰু মানৱ উভয়ে উভয়ৰ ওপৰত পেলোৱা ইতিবাচক-নেতিবাচক প্ৰভাৱ, প্ৰকৃতিক ৰক্ষণাবেক্ষণৰ উপায় তথা প্ৰকৃতি সম্পৰ্কীয় সচেতনতা বৃদ্ধিৰ উদ্দীপনাৰ সৃষ্টি কৰে। গতিকে মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ প্ৰসঙ্গসমূহৰ উন্মোচনৰ বাবে আমাৰ এই অধ্যয়নৰ গুৰুত্ব আছে।

০.৪ অধ্যয়নৰ পৰিসৰঃ

মহিম বৰাৰ গল্পত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ প্ৰসঙ্গ শীৰ্ষক বিষয়টো অধ্যয়নৰ সীমাবদ্ধতালৈ লক্ষ্য ৰাখি পৰিসৰত মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' গল্পটোক সামৰা হৈছে। তদুপৰি গল্পৰ পাৰিপাৰ্শ্বিক চেতনাসম্বলিত দিশসমূহকহে এই অধ্যয়নত গ্ৰহণ কৰা হৈছে।

০.৫ অধ্যয়নৰ পদ্ধতিঃ

মহিমবৰাৰ গল্পত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ প্ৰসঙ্গ শীৰ্ষক বিষয়ৰ অধ্যয়নৰ বাবে পাৰিপাৰ্শ্বিক সমালোচনা তত্ত্ব (Ecocriticism)-ক আধাৰ হিচাপে গ্ৰহণ কৰা হৈছে। বিষয়টো বিশ্লেষণ কৰোঁতে সাহিত্য সমাজতত্ত্বৰ অন্তৰ্গত *বিষয় বিশ্লেষণ পদ্ধতি* আৰু *সমাজ বিশ্লেষণ পদ্ধতিৰ* প্ৰয়োগ কৰা হৈছে।

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ

বিজ্ঞানী 'Paul Crutzen' আৰু 'Eugene Stoermer'-এ *The 'Anthropocene'* (২০০০) শীৰ্ষক লেখাত মানুহৰ কাৰ্যকলাপে পৃথিৱীৰ ভূ-প্ৰাকৃতিক ব্যৱস্থালৈ কেনেকৈ কেতবোৰ স্থায়ী পৰিৱৰ্তন আনিছে, সেই সম্পৰ্কে আলোচনা কৰিছে। ঔদ্যোগীকৰণ, জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ, বননি ধ্বংস, নগৰীকৰণ আদি

****

'Anthropocene' যুগৰ প্ৰধান বৈশিষ্ট্য বুলি তেওঁলোকে চিহ্নিত কৰিছে।

The Climate of History: Four Theses (২০০৯) নামৰ প্ৰবন্ধত 'Dipesh Chakrabarty'-এ 'Anthropocene' ৰ সৈতে মানুহ আৰু জলবায়ু পৰিৱৰ্তনৰ সম্পৰ্ক ব্যাখ্যা কৰিছে। তেওঁৰ মতে, মানুহ এতিয়া কেৱল এক সামাজিক সত্তা নহয় বৰঞ্চ মানুহ এতিয়া ভূতাত্ত্বিক শক্তি হিচাপে পৰিগণিত হৈছে।

নৃতত্ত্ববিদ 'Bruno Latour'এ *Facing Gaia: Eight Lectures on the New Climate Regime* (২০১৭) গ্ৰন্থত মানুহ আৰু প্ৰকৃতিৰ আন্তঃসম্পৰ্ক ব্যাখ্যা কৰি উল্লেখ কৰিছে যে প্ৰকৃতি আৰু সমাজক পৃথক সত্তা হিচাপে চোৱা ধাৰণাই 'Anthropocene'-ৰ সংকট বৃদ্ধি কৰিছে।

তদুপৰি মহিম বৰাৰ গল্পৰ সম্পৰ্কে ইতিমধ্যে যথেষ্ট আলোচনা হৈছে। কিন্তু সেইসমূহত কেৱল সমাজতাত্ত্বিক দৃষ্টিভংগীৰেহে অধ্যয়ন কৰা পৰিলক্ষিত হৈছে। তাৰ ভিতৰত যোগেন্দ্ৰ নাৰায়ণ ভূঞা আৰু উপেন্দ্ৰ বৰকটকীয়ে সম্পাদনা কৰা 'মহিম বৰা স্ৰষ্টা আৰু সৃষ্টি' (১৯৮৯), ৰক্তাভ জ্যোতি বৰা আৰু ত্ৰিদিপ গোস্বামী সম্পাদনা কৰা 'সৃষ্টি আৰু প্ৰেৰণা মহিম বৰা' (২০০৮), অৰিন্দম বৰকটকীয়ে সম্পাদনা কৰা 'মহিম বৰা কৃতিত্ব অৱলোকন' (২০১৬) আদি অন্যতম। সাহিত্যৰ ক্ষেত্ৰত 'Anthropocene' বিষয়ক আলোচনা প্ৰায় সীমিত। যিসমূহ আলোচনা ইতিমধ্যে হৈছে সেইসমূহ কেৱল জলবায়ু পৰিৱৰ্তন, নগৰীকৰণ, বনাঞ্চল ধ্বংস, নদী প্ৰদূষণ আদি অধ্যয়নতেই সীমাবদ্ধ বুলিব পাৰি। গতিকে 'মহিম বৰাৰ গল্পত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তন (Anthropocene)-ৰ প্ৰসঙ্গ' শীৰ্ষক বিষয়টো নতুন কিছুমান দিশৰ সৈতে জড়িত আৰু সেই দৃষ্টিৰে গুৰুত্বপূৰ্ণ।

১.০ মহিম বৰাৰ গল্পত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তনৰ প্ৰসঙ্গঃ

কলং নদীৰ মৃত্যুৰ পিছত তাৰ পাৰত বসবাস কৰা মৎস্যজীৱী লোকসকলৰ জীৱনলৈ নামি অহা বিপৰ্যয় 'এখন নদীৰ মৃত্যু' গল্পটোৰ মূল উপজীব্য। এসময়ৰ তজবজীয়া কলং নৈখন সময়ৰ পৰিৱৰ্তনত যান্ত্ৰিক সভ্যতাৰ গৰাহত পৰি মৃত্যুমুখী হ'ল। কলঙৰ পানী স্থিৰ হ'ল, নদীৰ গৰ্ভ বাম হ'ল, পানী মেটেকাই গোটেই নৈখন আগুৰি ধৰিলে আৰু ক্ৰমান্বয়ে কলঙপৰীয়া সভ্যতা শুকাই আহিল। গল্পটোত ধনেশ্বৰে নদীৰ মৰা সুঁতিটোত মাছ মাৰিবলৈ গৈ খজুৰতিত থাকিব নোৱাৰা হোৱা, চুবুৰীয়া পাভৈহঁতৰ কলং আৰু তেওঁলোকৰ জীৱন সম্পৰ্কীয় আলোচনা, নৈখনক কেন্দ্ৰ কৰি জীয়াই থকা কলঙপৰীয়া লোকৰ সপোনবোৰৰ মৃত্যুৰ চিত্ৰ গল্পটোত চিত্ৰিত কৰিছে। গল্পকাৰে এফালে কলঙপৰীয়া লোকসকল আৰু নৈখনৰ মাজৰ সম্পৰ্ক আৰু আনহাতে মৃত কলং আৰু কলঙপৰীয়া লোকৰ জীৱনৰ বিপৰ্যয়ৰ পটভূমিত গল্পটোৰ কাহিনীভাগ আগবঢ়াই নিছে।

১.১ জৈৱ-বৈচিত্ৰ্যৰ পৰিৱৰ্তনঃ

পাৰিপাৰ্শ্বিক সমালোচনা তত্ত্বৰ এটা অন্তৰ্গত বিষয় হৈছে গভীৰ পৰিৱেশতন্ত্ৰ (Deep Ecology)। গভীৰ পৰিৱেশতন্ত্ৰই মানুহে প্ৰকৃতিৰ লগত সহাৱস্থান কৰাৰ বিপৰীতে নিজ স্বাৰ্থৰ বাবে প্ৰাকৃতিক উপাদানসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ ফলত জৈৱ বৈচিত্ৰ্যলৈ নামি অহা বিপৰ্যয়ৰ বিষয়ে অধ্যয়ন কৰে। মানুহে প্ৰকৃতিৰ ওপৰত চলোৱা নিৰ্মম অত্যাচাৰৰ বাবে জৈৱ-বৈচিত্ৰ্যলৈ নামি অহা সংকট মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' গল্পৰ মাজেৰে প্ৰতিফলিত হৈছে। গভীৰ পৰিৱেশতন্ত্ৰ অনুসৰি মানুহ আৰু প্ৰকৃতিৰ প্ৰতিটো উপাদানৰে এক নিজস্ব মূল্য আছে। প্ৰাকৃতিক উপাদানসমূহৰ মূল্য কেৱল মানুহৰ উপযোগিতা বা ব্যৱহাৰৰ লগত সম্পৰ্কিত নহয়। মানুহৰ প্ৰাকৃতিক প্ৰয়োজনৰ বাহিৰে এই প্ৰাকৃতিক সম্পদসমূহ অৰ্থাৎ জৈৱ বৈচিত্ৰ্যৰ আৰু প্ৰকৃতিগত সৌষ্ঠৱ হানি কৰাৰ অধিকাৰ নাই। সেয়েহে মানুহে প্ৰাকৃতিক সম্পদক নিজৰ চাহিদা পূৰণৰ বাবে ব্যৱহাৰ কৰিলেও প্ৰকৃতিৰ ক্ষতি নোহোৱাকৈ ব্যৱহাৰ কৰিব লাগে। প্ৰকৃতিক সম্পদসমূহৰ মানুহৰ ভোগবাদী স্বাৰ্থত ব্যৱহাৰ নকৰি প্ৰাকৃতিক উপাদানসমূহৰ লগত সহৱস্থান কৰিব লাগে, অন্যথা প্ৰাকৃতিক উপাদান সমূহৰ লগতে মানুহৰ জীৱনলৈ চৰম

বিপর্যয় নামি আহিব পাৰে। মানুহে প্ৰকৃতিৰ ওপৰত চলোৱা লুণ্ঠনৰ পৰিপ্ৰেক্ষিতত খুব কম সময়ৰ ভিতৰতে নামি অহা পৰিৱেশৰ বিনষ্ট ৰূপ আৰু জৈৱ বৈচিত্ৰ্যলৈ নামি অহা বিপদৰ কথা গল্পটোত এইদৰে কৈছেঃ

আন নালাগে, বোপাইৰ দিনৰ কথাও নালাগে, আজি তিনিবছৰ আগলৈকে এই কলঙতে লাঙি জাল, ঘাট জাল দূৰৰ কথা, তিনিবাৰ খেৰালি মাৰিয়ে তিনিদিনৰ চাউল-পাত, লোণ-তেলৰ খৰচ মই নিজে, এই অমুকায়ে উলিয়াইছিলোঁ। তেতিয়া নাৰ মাছ নোসোধেই, পাচিয়ে পাচিয়ে টেঙাগছৰ ওৰিতহে মানুহে পুতিছিল। কাৰণ তেতিয়া সেইখন আছিল এখন জীয়া নৈ।[১]

ভোগবাদী মানুহে নিজৰ স্বাৰ্থত প্ৰকৃতিৰ উপাদানসমূহৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ ফলশ্ৰুতিত প্ৰকৃতিৰ উপাদানবোৰ হ্ৰাস পাবলৈ ধৰিছে। দৈনন্দিন চাহিদা পূৰণৰ বাবেও প্ৰাকৃতিক সম্পদৰ নাটনিয়ে দেখা দিছে। গল্পটোত এই প্ৰসঙ্গৰ উপস্থাপন হৈছে ধনেশ্বৰহঁতৰ ঘৰত বহা চুবুৰীয়া পাভৈহঁতৰ আলোচনাতঃ *আগৰ দৰে ভাল খৰি এডালো পাবলৈ নাই, ভাত ৰন্ধাৰ যিহে কষ্ট।*[২] পাভৈহঁতৰ আলোচনাৰ আঁত ধৰি এসময়ৰ শস্যে-মৎস্যে ভৰপূৰ কলঙপৰীয়া ৰাইজৰ সাক্ষী ধনেশ্বৰৰ দেউতাকে শাস্ত্ৰৰ পদ মাতি কেনেদৰে প্ৰকৃতি জগতৰ প্ৰতিটো উপাদানেই সময়ৰ গতিত, যান্ত্ৰিক সভ্যতাৰ হেঁচাত টুটি আহিছে সেই কথাও গল্পটোত কৈছেঃ

শস্য হৰিব, মৎস্য হৰিব, হৰিব বিৰিখৰ গুটি।
ৰৰ ৰৰ মানুহৰ ৰাক্য লৰিব, লৰিব ধৰমৰ খুঁটি।[৩]

ধনেশ্বৰৰ দেউতাকৰ মুখত শাস্ত্ৰৰ পদৰ এই উল্লেখৰ মাজেৰেও প্ৰাকৃতিক জগতলৈ মানুহে মাতি অনা চৰম বিপযর্য়ৰ ছবিখন প্ৰতিফলিত হৈছে। মানুহে নিজৰ চাহিদা পূৰণৰ স্বাৰ্থত জীয়া নৈৰ সুঁতিটো বন্ধ কৰি পেলোৱাৰ ফলতেই নৈখন প্ৰদূষিত হৈছে, যাৰ বাবে নৈখনৰ লগতে নৈখনৰ জীৱকূললৈও বিপদ নামি আহিছে। গল্পটোত গল্পকাৰে ইয়াৰ আভাস দিছে এইদৰেঃ 'এতিয়া এইখন কলং হৈ আছেনে, এইখন গেলা পুখুৰী। মাছ আহিব ক'ৰ পৰা, পানীয়েই নাই।' কলঙৰ প্ৰদূষিত ৰূপটোৰ বৰ্ণনা গল্পকাৰে এইদৰে দাঙি ধৰিছেঃ

সিহঁতৰ সমুখতে কলং নামৰ এখন নদী আছিল। এতিয়া তাৰ বুকু চাকি ধৰিছে বিহমেটেকাই...কলঙৰ ৰানপানীয়ে গাঁৱৰ পথাৰত পলস নেপেলায় আৰু ব্ৰহ্মপুত্ৰ নানাধৰণৰ মাছে এই কলং পাৰৰ এখন জিলাৰ ৰাইজক পুষ্টিকৰ খাদ্যৰ যোগান নধৰে।[৪]

কলং নৈৰ এনে পাৰিপাৰ্শ্বিক অৱনতিয়ে মানুহৰ লগতে প্ৰকৃতিৰ অন্যান্য উপাদানৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাইছে। জীৱ-জন্তুৰ ওপৰতো ইয়াৰ প্ৰভাৱ মনকৰিবলগীয়া। গল্পটোত কৈছে, 'দুপৰীয়া চৰণীয়া গৰুৰ জাকে পানী বিচাৰি কলঙৰ বুকু টুকি ফুৰে, সেই পানী খাই গৰুৰ নানা ধৰণৰ বেমাৰ।'[৫] গল্পটোত বৰ্ণনা কৰা কলঙৰ প্ৰদূষিত ৰূপ, কলঙৰ লগতে কলঙপৰীয়া ঠাইবোৰত প্ৰকৃতিৰ উপাদানসমূহ লাহে লাহে হ্ৰাস পোৱা প্ৰসংগই গভীৰ পৰিৱেশতন্ত্ৰৰ আন এক আলোচ্য বিষয় মানুহে নিজৰ চাহিদা পূৰণৰ স্বাৰ্থত প্ৰকৃতিৰ জৈৱ বৈচিত্ৰ্যলৈ চৰম বিপর্যয় কঢ়িয়াই অনা দিশটোৰ প্ৰকাশ ঘটিছে। গল্পটোত উল্লেখ কৰা 'গেলা পুখুৰী', 'পানীয়েই নাই' আদি শব্দই নৈখনৰ প্ৰদূষিত দিশটোৰ কথা গল্পকাৰে উনুকিয়াইছে।

১.২ প্ৰকৃতিক ধ্বংস কৰাৰ ফলত মানুহৰ নিজৰ জীৱনলৈ নামি অহা বিপর্যয়ৰ চিত্ৰণঃ

কলঙৰ বাঢ়নী পানীয়ে সিপাৰৰ ৰাইজক অপকাৰ কৰাত এচাম স্বাৰ্থপৰ লোকে নিজৰ স্বাৰ্থত জীয়া নৈখনৰ বোৱঁতী সুঁতিটো বন্ধ কৰি দি নৈখনৰ প্ৰৱাহমান গতিক ৰুদ্ধ কৰি নৈখনক মৃতপ্ৰায় কৰি তুলিলে। মৃত্যুমুখী কলঙ নদীৰ চিত্ৰণে প্ৰকৃতিৰ উপাদানৰ ওপৰত মানুহে নিজৰ স্বাৰ্থৰ বিনিময়ত কৰা ধ্বংসলীলাৰ পৰিচয় দাঙি ধৰিছে। গল্পটোত মানুহে প্ৰকৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলোৱাৰ ফলত কলং নৈখনৰ দৰেই তেওঁলোকৰ জীৱনবোৰ কিদৰে শুকাই গৈছে, নিৰস হৈছে অর্থাৎ প্ৰকৃতিয়ে মানুহৰ ওপৰত পেলোৱা কু প্ৰভাৱৰ বৰ্ণনা কৰিছে এইদৰে, *চাওঁতে চাওঁতে এই গাঁওখন শুকাই গ'ল, এই মানুহবোৰ শুকাই গ'ল, তেওঁলোকৰ দুৱাৰমুখৰ এই কলং নৈখন*

শুকাই যোৱাৰ দৰে। নৈত পানী নাই, পানীত মাছ নাই, পথাৰত ধান নাই, বাৰীত শাক নাই, গৰুত গাখীৰ নাই, সকলো হৰি গ'ল।[৬]

মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্যাতন চলোৱাৰ বাবেই ক্ৰমাৎ প্ৰকৃতি জগতৰ অধিক অৱক্ষয় হ'বলৈ ধৰিছে আৰু এক ভয়ংকৰ পৰিস্থিতিৰ দিশে ধাৱমান হৈছে। সেয়া মহিম বৰাই 'এখন নদীৰ মৃত্যু' গল্পটোৰ জৰিয়তেও উপস্থাপন কৰিবলৈ যত্ন কৰিছে। জীৱ শ্ৰেষ্ঠ মানুহে প্ৰকৃতিৰ ওপৰত চলোৱা এই ধ্বংসলীলাৰ ফলশ্ৰুতিত একালৰ শস্যে-মৎসে ভৰপূৰ কলঙপাৰৰ মানুহখিনিলৈ ভয়াবহ দুৰ্বিষহ কঢ়িয়াই আনিছে। নৈখনৰ মৃত্যুয়ে নৈখনৰ জৈৱ বৈচিত্ৰ্যৰ লগতে নৈপৰীয়া লোকসকলৰ জীৱনলৈও অন্ধকাৰ নমাই আনিছে। আনহাতে কলঙৰ মৎস্যজীৱী লোকসকলৰ কথাও গল্পকাৰে বৰ্ণনা কৰিছে। কলং নদীখনৰ সুঁতিটো বন্ধ কৰি পেলোৱাৰ ফলত কলং পাৰত বসবাস কৰা লোকসকলৰ জীৱিকা ক্ষেত্ৰলৈও যথেষ্ট সমস্যা আহিছে। তেওঁলোকে কলং নদীত মাছ ধৰি সেই মাছ বিক্ৰী কৰি জীৱিকা নিৰ্বাহ কৰি আহিছিল। কিন্তু নদীখনক ভেটা দিয়াৰ ফলত তাত মাছ পাবলৈও নোহোৱা হ'ল, গতিকে জীৱিকাৰ পথ বন্ধ হোৱাৰ উপক্ৰম হৈছে। সেই সম্পৰ্কে গল্পটোত এইদৰে কৈছে, *...এই কলঙৰ পাৰত সাতামপুৰুষ ধৰি বসতি কৰি পৈত্ৰিক ব্যৱসায় চলোৱা এটা সম্প্ৰদায়ৰ অন্ন বস্ত্ৰৰ মূল সুঁতিটোক এই জীয়া নৈখনৰ লগতে ডিঙিত টিপি মাৰি পেলালে।*[৭]

প্ৰকৃতিৰ এই ধ্বংসৰ প্ৰভাৱ মানুহৰ জীৱন আৰু জীৱিকাত গভীৰভাৱে পৰিছে। বিশেষকৈ কৃষিভিত্তিক সমাজত কৃষকৰ উৎপাদন কমি গৈছে, মাছ মৰা লোকসকলৰ নদী-বিলসমূহ দূষিত হোৱাৰ ফলত জীৱিকালৈ সংকট নামি আহিছে। তদুপৰি পৰিৱেশ প্ৰদূষণৰ ফলত ৰোগ-ব্যাধিও বৃদ্ধি পাইছে, যাৰ ফলত মানুহৰ স্বাস্থ্যৰ লগতে জীৱনৰ গুণগত মানদণ্ডবোৰো অৱনতি ঘটিছে। 'এখন নদীৰ মৃত্যু' গল্পটোত জীৱন-জীৱিকাৰ তাড়নাৰ সমান্তৰালভাৱে মৃত কলঙে ধনেশ্বৰ, জয়ধনহঁতৰ জীৱনলৈ বেমাৰ-আজাৰো কঢ়িয়াই আনিছে। গল্পটোত ধনেশ্বৰে কৈছে, *এনেকুৱা মূৰ্খমতি দেশ থাকে নে? জীয়া নদী এখন কোনোবা দেশত মাৰি পেলায়নে? কটাৰ-পো কটাযোৱাহঁতে ইয়ালৈকে দেশখন স্বাধীন কৰি লৈছিলনে? আধাঘণ্টা পানীত থিয় হ'লেই গোটেইখন বখলা-বখল হয়।*[৮]

আকৌ কৈছে, *কলং শুকাই যোৱাৰ লগে লগে খেতি একেবাৰেই নোহোৱা হ'ল। নামত মাটি থাকি যদি খাজনাটোৰেই নোলায় তেনেহ'লে মাটিগিৰী হৈ লাভ কি?*[৯]

এইদৰে প্ৰকৃতিক ধ্বংস কৰাৰ ফলত প্ৰকৃতিয়ে কিদৰে মানুহৰ জীৱনলৈ বিপৰ্যয় কঢ়িয়াই আনিছে, মানুহৰ জীৱন-জীৱিকাত প্ৰভাৱ পেলোৱাৰ সমান্তৰালভাৱে বেমাৰ-আজাৰ বৃদ্ধিতো অৱিহণা যোগাইছে, সেই সম্পৰ্কে মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' গল্পটোত স্পষ্টভাৱে ফুটি উঠিছে।

১.৩ মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কঃ

প্ৰকৃতিৰ লগত মানুহৰ নিবিড় সম্পৰ্ক থাকে। গভীৰ পৰিৱেশতন্ত্ৰৰ ধাৰণাত বিশ্বাসী সমালোচকসকলৰ মতে মানুহ প্ৰকৃতিৰ বুকুত লালিত-পালিত, প্ৰকৃতি আমাৰ মাতৃসদৃশ। মানুহে প্ৰকৃতিৰ লগত ভাৰসাম্য ৰক্ষা কৰি চলা উচিত, তেতিয়াহে ভৱিষ্যতৰ বাবে পৃথিৱীখন মানুহৰ বাসোপযোগী হৈ ৰ'ব আৰু প্ৰকৃতিৰ উপাদানসমূহো জীয়াই থাকিব। কিন্তু মানুহে প্ৰকৃতিৰ লগত ভাৰসাম্য ৰক্ষা কৰি নচলাৰ বাবেই মানুহ এক ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে। গল্পটোত এনে পৰিস্থিতিৰ বৰ্ণনা মন কৰিবলগীয়া, *চাওঁতে চাওঁতে এই গাঁওখন শুকাই গ'ল, এই মানুহবোৰ শুকাই গ'ল, তেওঁলোকৰ দুৱাৰ মুখৰ এই কলং নৈখন শুকাই যোৱাৰ দৰে। নৈত পানী নাই, পানীত মাছ নাই, পথাৰত ধান নাই, বাৰীত শাক নাই, গৰুৰ গাখীৰ নাই, সকলো হৰি গ'ল।*[১০]

পাৰিপাৰ্শ্বিক সাহিত্য সমালোচনাৰ সমালোচক সকলে এই কথাটো বিশ্বাস কৰে যে মানুহ আৰু প্ৰকৃতি জগতৰ উপাদানসমূহে কেৱল সহাৱস্থান কৰিলেই নহ'ব, ইয়াৰ বিপৰীতে এক আৱেগিক বান্ধোনেৰে বান্ধ খাই থকা উচিত, তেতিয়াহে মানুহ প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হৈ থাকিব। গল্পটোত মানুহ আৰু প্ৰকৃতিৰ আৱেগিক সম্বন্ধ

অতি সুন্দৰভাৱে অংকন কৰিছে। কলঙৰ সিপাৰৰ ৰাইজক কলঙৰ বানপানীয়ে অপকাৰ কৰে, ভেটি খহায়। সেয়েহে তেওঁলোকে জীয়া নৈখনৰ বোৱঁতী সুঁতিটো চিৰকাললৈ বন্ধ কৰি পাৰিপাৰ্শ্বিকতাৰ লগতে চাৰিওফালৰ পৰিৱেশলৈ ভয়াবহতা কঢ়িয়াই আনিছে। তেওঁলোকে প্ৰকৃতিৰ লগত সহাৱস্থান কৰাৰ বিপৰীতে প্ৰকৃতিৰ ওপৰত চলোৱা মানুহৰ শোষণৰ বাবেই সমগ্ৰ জীৱ জগতলৈ বিপৰ্যয় নামি আহিছে।

আলোচ্য গল্পটোত প্ৰকৃতিৰ বুকুত উমলি জামলি ডাঙৰ-দীঘল হোৱা জয়ধনে জীৱন-জীৱিকাৰ বাবেই পৈত্ৰিক সম্পত্তি বিক্ৰী কৰি হ'লেও পুনৰ প্ৰকৃতিৰ বুকুলৈয়ে উভতি যাব বিচাৰিছে। গল্পটোত জয়ধনে কৈছে,

> *ঘৰ-বাৰী বেছি যি ধন পাওঁ তাৰে বিয়াখনত খৰচ কৰি বাকীখিনি লৈ উত্তৰপাৰলৈ (ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ) উঠি যোৱাৰ ব্যৱস্থা কৰিছোঁ। লুইতৰ পাৰত থাকিলে পৈত্ৰিক জাতিগত ব্যৱসায়টো চলাই থাকিব পাৰিম। ইয়াত তাৰ মুদা মৰিল নহয়।*[১১]

যুক্তিবাদী এচাম লোকে প্ৰকৃতিৰ ওপৰত চলোৱা উৎপীড়নৰ চিকাৰ হৈছে ধনেশ্বৰ, জয়ধন, পাভৈহঁতৰ দৰে লোকসকল। নৈখনৰ লগত আৱেগিক সম্পৰ্কৰে সম্পৰ্কিত লোকসকলৰ কোনেও নৈখন হঠাৎ মৃতপ্ৰায় হৈ যোৱা কথাটো কোনেও সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। তেওঁলোকে কলঙৰ এই অৱস্থাৰ পৰিৱৰ্তন কৰিব নোৱাৰিলেও বা পৰিৱৰ্তন কৰিবলৈ অসমৰ্থ হ'লেও ধনেশ্বৰ, জয়ধন, পাভৈৰ আদিৰ মুখত দিয়া বক্তব্যবোৰৰ মাজেৰে তেওঁলোকৰ কলং নৈৰ লগত থকা আৱেগিক সম্পৰ্কৰ কথা উমান পাব পাৰি।

২.০ উপসংহাৰঃ

মহিম বৰাৰ গল্পত মানৱ প্ৰভাৱিত পৰিৱেশ পৰিৱৰ্তন (Anthropocene)-ৰ প্ৰসঙ্গ শীৰ্ষক অধ্যয়নৰ অন্তত কিছুমান সিদ্ধান্ত উপনীত হ'ব পাৰি-

• মানুহৰ নিজৰ চাহিদা পূৰণৰ বাবে প্ৰকৃতিক ধ্বংস কৰাৰ ফলত প্ৰকৃতি তথা জৈৱ-বৈচিত্ৰ্যলৈ ভাবুকি আহিছে আৰু ইয়াৰ কু-ফল মানুহেই অধিক ভুগিব লগা হৈছে, সেয়া গল্পৰ মাজেৰে প্ৰতিফলিত হৈছে।

• উন্নয়ন, সামাজিক পৰিৱৰ্তন আৰু স্বাৰ্থপৰ মানৱ আচৰণৰ ফলত প্ৰকৃতিৰ স্বাভাৱিক ভাৱসাম্যতাত ব্যাঘাত জন্মিছে আৰু মানুহৰ জীৱন-জীৱিকাৰ ওপৰত ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে।

• প্ৰকৃতিৰ ওপৰত মানুহৰ অযথা হস্তক্ষেপে পৰিৱেশৰ ভাৱসাম্যতা বিঘ্নিত কৰিছে আৰু এইক্ষেত্ৰত সাহিত্যই সমাজক সচেতন কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলিব পাৰি।

• মানৱ জাতিয়ে উন্নয়নৰ স্বাৰ্থত জৈৱ বৈচিত্ৰ্য ধ্বংস কৰাৰ ফলস্বৰূপে জীৱ-জন্তুলৈও ভাবুকি আহিছে।

প্ৰসঙ্গসূত্ৰঃ

[১] গোহাঁই. হীৰেন (সম্পা.). *মহিম বৰাৰ গল্প সমগ্ৰ.* পৃ.১৭৩
[২] উল্লিখিত, পৃ.১৭৪
[৩] উল্লিখিত, পৃ.১৭৪
[৪] উল্লিখিত, পৃ.১৭৭
[৫] উল্লিখিত
[৬] উল্লিখিত, পৃ.১৭৫
[৭] উল্লিখিত, পৃ.১৭৭
[৮] উল্লিখিত, পৃ.১৭১
[৯] উল্লিখিত, পৃ.১৭৪
[১০] উল্লিখিত, পৃ.১৭৫
[১১] উল্লিখিত, পৃ.১৭৭

****

গ্ৰন্থপঞ্জী

মূল গ্ৰন্থঃ

গোহাঁই. হীৰেন (সম্পা.). *মহিম বৰাৰ গল্প সমগ্ৰ.* বনলতা, তৃতীয় প্ৰকাশ,২০১২.

সহায়ক গ্ৰন্থঃ

অসমীয়া

চমুৱা, নৱ কুমাৰ। *অসমত সেউজ সংৰক্ষণ চেতনা আৰু সাহিত্য*। নক্সা প্ৰকাশন, ২০১৭।

ডেকা. ৰাতুল। *সাহিত্য সমালোচনা তত্ত্বঃ পৰিচয় আৰু প্ৰয়োগ*। সম্প্ৰীতি প্ৰকাশন, ২০১৮।

দত্ত, ভাৰতী। *পৰিৱেশ প্ৰদূষণ আৰু মানৱ সমাজ.* প্ৰশান্তি প্ৰকাশন। ডিব্ৰুগড়, দ্বিতীয় প্ৰকাশ, ২০০২।

বৰকটকী, অৰিন্দম (সম্পা.)। *মহিম বৰা কৃতিত্বৰ অৱলোকন,* ক্ৰান্তিকাল প্ৰকাশন। প্ৰথম প্ৰকাশ, ২০১৬।

বৰা, ৰক্তাভ জ্যোতি আৰু ত্ৰিদিপ গোস্বামী (সম্পা.)। *সৃষ্টি আৰু প্ৰেৰণা মহিম বৰা,* ষ্টুডেণ্ট ষ্টৰচ্। প্ৰথম প্ৰকাশ, ২০০৮।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। *অসমীয়া চুটি গল্পৰ অধ্যয়ন*। বনলতা। দ্বিতীয় প্ৰকাশ, ২০০৫।

ভূঞা, যোগেন্দ্ৰ নাৰায়ণ আৰু উপেন্দ্ৰ বৰকটকী (সম্পা)। *মহিম বৰা স্ৰষ্টা আৰু সৃষ্টি*। ৰুমী-ৰূপক এণ্টাৰপ্ৰাইজ। প্ৰথম প্ৰকাশ,১৯৮৯।

ইংৰাজী

Devall, Bill and George Sessions. Deep Ecology. *Living as if Nature Mattered*. Salt Lake City, 1985.

Drengson, Alan, and Yuichi Inoue. *The Deep Ecology Movement. An Introductory Anthology.* North Atlantic Books, 1995.

Garrad, Greg. *Ecocriticism*. London & New York, Routledge, 2004.

Glotfelty, Cheryll, and Harold Fromm, editors. *The Ecocriticism Reader*. *Landmarks in Literary Ecology*. University of Georgia, 1996.

Green, John, *The Anthopocene Reviewed: Essays on a Human Centered Planet*. Dutton Penguin, 2021.

Hiltner, Ken, editor. *Ecocriticism. The Essential Reader.* Routledge, 2014.

Latour, Bruno. *Facing Gaia: Eight Lectures on the New Climatic Regime*. Polity Press, 2017.

Latour, Bruno. *We Have Never Been Modern*. Harvard UP, 1993.

গৱেষণা পত্ৰিকাঃ

Chakrabarty, Dipesh. "The Climate of History: Four Theses." Critical Inquiry, vol. 35, no. 2, 2009, pp.197-222.

Crutzen, Paul and Eugene F. Stoermer. "The Anthropocene." Global Change Newsletter, no. 41, 2000, pp.17-18.

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

বিংশ শতিকাৰ অসমীয়া সমাজৰ পৰিৱৰ্তন ঃ মহিম বৰাৰ চুটিগল্পৰ আধাৰত এটি অধ্যয়ন

টুটুমনি দাস
গৱেষক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

সাৰাংশ

সমাজ আৰু সাহিত্যৰ সম্পৰ্ক অভিন্ন, ইটো আনটোৰ পৰিপূৰক। সমাজ অবিহনে সাহিত্য কেতিয়াও সৃষ্টি হ'ব নোৱাৰে আনহাতে সাহিত্যও সমাজ অবিহনে কেতিয়াও ৰতি থাকিব নোৱাৰে। সাহিত্যত লেখকে আহৰণ কৰা অভিজ্ঞতা অৱধাৰিতভাৱে সোমাই থাকে। তাৰ সমান্তৰালভাৱে সাহিত্যত প্ৰতিফলিত হয় সামাজিক ধ্যান-ধাৰণা, অৰ্থনৈতিক আদৰ্শ আৰু ৰাজনৈতিক দৰ্শন ইত্যাদি দিশৰ। অৱশ্যে সমাজৰ পৰিপ্ৰেক্ষা কেতিয়াও স্হায়ী নহয় । সময়ৰ গতিশীলতাৰ লগে লগে ইয়াৰ সৈতে সংযোজিত হয় কিছুমান নতুন ঘটনা তথা দিশ। ফলস্বৰূপে সমাজ ব্যৱস্হাৰ বিৱৰ্তন ঘটে। বিংশ শতিকাৰ প্ৰথম দশকৰ পৰাই অসমীয়া সমাজৰ বাতাৱৰণ পূৰ্বৰ তুলনাত কিছু অস্বাভাৱিক ধৰণে সলনি হোৱা পৰিদৃষ্ট হৈছে। এই ক্ষেত্ৰত অৱিহণা যোগাইছে ঘাইকৈ দ্বিতীয় মহাযুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ প্ৰত্যক্ষ প্ৰভাৱে। সৰ্বব্ৰব্যাপী পৰা এই দুই ৰাজনৈতিক আন্দোলনে অৰ্থনৈতিক ব্যৱস্হাৰ লগতে সমাজ-বৌদ্ধিক তথা মানসিক আৰু সাংস্কৃতিক মূল্যবোধৰ ওপৰত গভীৰ চাপ পেলাইছে। তদুপৰি বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ উন্নয়ন, নগৰীকৰণ, ঔদ্যোগীকৰণ, পাশ্চাত্যকৰণ, বিশ্বায়নৰ অত্যাধিক বিকশিত ৰূপেও বিংশ শতিকাৰ সময়ৰ সমাজ পৰিৱৰ্তনৰ হাৰ কৰি তুলিছে দ্ৰুতগামী। ফলত পৰম্পৰাগতৰ সমাজৰ ঠাইত নতুন সমাজ গঢ় লৈ উঠিছে। সমাজৰ নতুন ৰূপটোৱে সাধাৰণ ব্যক্তিৰ লগতে সৃষ্টিশীল সাহিত্যিকৰ মনত গভীৰ ৰেখাপাত অঙ্কন কৰিছে আৰু সাহিত্যত তাৰ প্ৰতিফলন ঘটিছে যথাযথৰূপে। অসমীয়া সাহিত্যৰ এগৰাকী সু-প্ৰতিষ্ঠিত তথা সমাজ-সচেতন গল্পকাৰ মহিম বৰাৰ চুটিগল্পত সময় আৰু সমাজ পৰিৱৰ্তনৰ উজ্জ্বল নিদৰ্শন সুন্দৰৰূপত ফুটি উঠিছে। সেয়েহে গৱেষণা পত্ৰখনত বিংশ শতিকাৰ অসমীয়া সমাজৰ পৰিৱৰ্তনৰ প্ৰকৃত স্বৰূপ আলোচনা কৰিবলৈ মহিম বৰাৰ গল্পক আধাৰ হিচাপে নিৰ্বাচন কৰা হৈছে।

বীজ শব্দ ঃ সমাজ,সাহিত্য, সময়, পৰিপ্ৰেক্ষা,পৰিৱৰ্তন, গতিশীলতা।

০.১ বিষয়ৰ পৰিচয়ঃ

সমাজতত্ত্ব অধ্যয়নৰ অন্তৰ্ভুক্ত এটা অন্যতম বিষয় হৈছে সামাজিক পৰিৱৰ্তন (Social Change)। পৰিৱৰ্তন পৃথিৱীৰ এক অপৰিৱৰ্তনীয় তথা চিৰশ্বাশ্বত নিয়ম। *"আধুনিকতাৰ চৰিত্ৰ নিৰ্ণয়ত বিশ্বাস কৰা হয় যে যিকোনো বস্তুৱে পৰিৱৰ্তন হ'ব পাৰে বা পৰিৱৰ্তন হোৱা উচিত।"*[১] পৰিৱৰ্তন সমগ্ৰ বিশ্বজুৰি চলা এক চিৰন্তন আৰু অন্তহীন প্ৰক্ৰিয়া। সমাজতাত্ত্বিক সকলৰ মতে পৰিৱৰ্তন প্ৰক্ৰিয়াটো নিৰ্ভৰ কৰে মূলতঃ বিষয় বা বস্তু, সময় আৰু কালৰ ভিন্নতাৰ ওপৰত। সহজ অৰ্থত কোনো এক বিষয় বা বস্তুৰ পৰিৱৰ্তন হ'বলৈ হ'লে এটা নিৰ্দিষ্ট সময় বা দশকৰ ভিন্নতাৰ দৰকাৰ। সময়ৰ সোঁততে প্ৰতিখন সমাজতে কম-বেছি পৰিমাণে পৰিৱৰ্তন প্ৰক্ৰিয়াই অহৰহভাৱে ক্ৰিয়া কৰি

****

থাকে। উদাহৰণস্বৰূপে আদিম সমাজ প্ৰাচীন যুগৰ পৰা মধ্য যুগলৈ, মধ্য যুগৰ পৰা আধুনিক যুগলৈ অতিক্ৰম কৰোঁতে ইয়াৰ সামগ্ৰিক দিশত পৰিৱৰ্তন সংঘটিত হৈছে। পৰ্যায়ক্ৰমে হোৱা পৰিৱৰ্তন প্ৰক্ৰিয়াই আন সমাজৰ লগতে অসমীয়া সমাজতো প্ৰভাৱ বিস্তাৰ কৰিছে আৰু তাৰ যথাযথ ছবি অসমীয়া সাহিত্যত ৰক্ষিত হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাৰ আঁৰত কেইটামান নিৰ্দিষ্ট উদ্দেশ্য আছে। সেয়া হৈছে -

- সমাজ পৰিৱৰ্তনৰ প্ৰসঙ্গ বিচাৰ কৰা।
- বিংশ শতিকাৰ সমাজ পৰিৱৰ্তনৰ আঁৰত থকা বিভিন্ন কাৰক আৰু দিশ সম্বন্ধে মহিম বৰাৰ চুটিগল্পৰআধাৰত আলোচনা কৰা।
- সমাজ পৰিৱৰ্তনে সাধাৰণ মানুহৰ মনত সৃষ্টি কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বাস্তৱ ছবি পোহৰলৈ অনা।

০.৩ অধ্যয়নৰ পৰিসৰঃ

মহিম বৰাৰ গল্পত সমাজৰ বিবিধ বিষয়বস্তুৰ সমাহাৰ ঘটিছে। তাৰ ভিতৰত অধিক প্ৰাধান্য পাইছে সমাজ পৰিৱৰ্তনৰ দিশটোৱে। সেয়েহে গৱেষণা পত্ৰখনত বিংশ শতিকাৰ সমাজ পৰিৱৰ্তনক বিচাৰ কৰি চাবলৈ মহিম বৰাৰ গল্প বাছনি কৰা হৈছে। অধ্যয়নৰ সীমিত পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে গল্পকাৰৰ 'তৃতীয় শ্ৰেণীৰ যাত্ৰী' আৰু 'এখন নদীৰ মৃত্যু' গল্প দুটা।

'বিংশ শতিকাৰ অসমীয়া সমাজৰ পৰিৱৰ্তন ঃ মহিম বৰাৰ গল্পৰ আধাৰত এটি অধ্যয়ন' শীৰ্ষক গৱেষণা পত্ৰখন মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। সমাজ পৰিৱৰ্তনৰ বিবিধ দিশ ফহিয়াঁই চাবলৈ সমাজতাত্ত্বিক দৃষ্টিভংগীৰো সহায় লোৱা হৈছে।

০.৪ অধ্যয়নৰ উৎসঃ

অধ্যয়নৰ মুখ্য উৎস হিচাপে ড° হীৰেন গোহাঁই সম্পাদিত *'গল্প সমগ্ৰ মহিম বৰা'* সংকলনখন গ্ৰহণ কৰা হৈছে আৰু গৌণ উৎস হিচাপে মহিম বৰাৰ গল্পৰ বিষয়ে আলোচনা সন্নিৱিষ্ট গ্ৰন্থ, অন্যান্য প্ৰসংগ পুথিৰ সহায় লোৱা হৈছে।

১.০ মূল বিষয়ৰ আভাসঃ

সমাজ পৰিৱৰ্তনৰ গতি নিৰ্ণয় কৰাটো অত্যন্ত কঠিন কাৰ্য। কিয়নো পৰিৱৰ্তন কিয়, কেনেকৈ আৰু কোন দিশেৰে হয় তাক সঠিকভাৱে নিৰূপণ কৰিব নোৱাৰি। একেখন সমাজতে পৰিৱৰ্তন হাৰ কেতিয়াবা তীব্ৰ হ'লে কেতিয়াবা আকৌ মন্থৰ হয়। সমাজভেদে পৰিৱৰ্তন প্ৰক্ৰিয়া বেলেগ বেলেগ ধৰণে অনুভূত হয়। সেয়েহে সমাজ পৰিৱৰ্তনক নিৰ্ণয় কৰিবলৈ সমাজতত্ত্ববিদসকলে মূলতঃ তিনিটা তত্ত্ব প্ৰয়োগ কৰিছে। সেয়া হৈছে - ক্ৰমবিৱৰ্তনবাদী তত্ত্ব (Evolutionary Theory), কাৰ্যকৰীতাবাদ তত্ত্ব (Functionalist Theory) আৰু সংঘাত তত্ত্ব (Conflict Theory)।

ক্ৰমবিৱৰ্তনবাদী তাত্ত্বিক সকলৰ মতে জৈৱ বিৱৰ্তনৰ দৰেই সমাজবোৰ স্বাভৱিকতে সহজ গঠনৰ পৰা জটিল গঠনলৈ বিকশিত হয়। কাৰ্যকৰীতাবাদী তাত্ত্বিক সকলে সমাজক এক জটিল ব্যৱস্থা হিচাপে গণ্য কৰে। য'ত সমাজৰ বিভিন্ন অংশসমূহে একেলগে সামাজিক কাৰ্য সম্পাদনা কৰি সামাজিক সংহতি আৰু সামাজিক স্থিৰতা বজাই ৰাখিবলৈ চেষ্টা কৰে। সংঘাত তত্ত্বৰ সমৰ্থক সকলে সীমিত সম্পদ আৰু ক্ষমতাক লৈ সমাজখনত চিৰন্তন সংঘাত চলি আছে বুলি ধাৰণা কৰে। এই ধাৰণাত প্ৰধান(মালিক) আৰু প্ৰান্তীয় গোট (শ্ৰমিক)ৰ মাজত ঘটা শ্ৰেণী সংঘাতৰ ফলতেই সমাজলৈ বৃহৎ পৰিৱৰ্তন আহে।

২.০ আধাৰ গল্পৰ বিষয়বস্তুঃ

মহিম বৰাৰ গল্পসমূহৰ ভিতৰত 'তৃতীয় শ্ৰেণীৰ যাত্ৰী' গল্পটো সমালোচনাৰ বাবে এটা উল্লেখযোগ্য গল্প।

****

গল্পটো নির্মিত হৈছে দ্বিতীয় বিশ্বযুদ্ধৰ পৰিৱর্তিত পটভূমি আৰু বিয়াল্লিচৰ বিপ্লৱৰ কালছোৱাক কেন্দ্ৰ কৰি। গল্পটোৰ মূল বিষয়বস্তু আর্থ-ৰাজনৈতিক প্ৰেক্ষাপটত মানুহৰ সামাজিক মূল্যবোধলৈ অহা পৰিৱর্তন। এই পৰিৱর্তন প্ৰত্যক্ষ কৰিছে মূল পুৰুষ চৰিত্ৰ নিত্য বৰাই জয়াৰ মানসিকতাৰ মাজেৰে। জয়া হৈছে 'প্ৰাথমিক'ৰ সম্পাদিকা। কংগ্ৰেছৰ ভলণ্টিয়াৰ নিত্য বৰাই আন্দোলনৰ কামত ঘৰি-ফুৰোতে কেম্পত জয়াৰ সৈতে চিনাকী হয় আৰু পাছলৈ সেই চিনাকি প্ৰেমৰ সম্পর্কলৈ পর্যবসিত হয়। জয়াৰ মাকেও কেম্পত থকা মাহকেইটাত নিত্যক মৰম আদৰেৰে আৱৰি নিজৰ মাকৰ আসন পূৰণ কৰে। আন্দোলন চলি থকাৰ মাজতে এদিন প্ৰতিবাদী কার্যসূচীত অংশগ্ৰহণ কৰি নিত্য বৰা জেললৈ যাবলগীয়া হয়। জেলত থকা সময়তো নিত্যই জয়াহঁতৰ ঘৰখনৰ প্ৰতি পূৰ্বৰ মনোভাৱ বাহাল ৰাখে। সেয়েহে পূৰ্বৰ আত্মীয়তাৰ ওপৰত আস্থা ৰাখি নিত্যই জেলৰ পৰা ওলাই পোনে পোনে জয়াহঁতৰ ঘৰলৈ যায়। কিন্তু জয়াহঁতৰ ঘৰত উপস্থিত হৈ নিত্যই উপলব্ধি কৰিলে যে জয়াহঁতৰ ঘৰখনক আধুনিকতাৰ পৰশে সলনি কৰিলে। ধনী কন্ট্ৰেকটৰ তপন চৌধুৰীৰ লগত বিয়া হ'বলৈ জয়া উদ্‌গ্ৰীৱ হৈ পৰিছে। বহু বছৰ পাছত অহা নিত্যৰ খবৰ ল'বলৈ তাইৰ আহৰি নাই। জয়াৰ মাকেও নতুনক আদৰাত ব্যস্ত। জয়া আৰু মাকৰ মানসিকতা দেখি নিত্যই নিজকে তৃতীয় শ্ৰেণীৰ যাত্ৰী বুলি অনুভৱ কৰিলে। গল্পটোত গল্পকাৰে আধুনিক সমাজত মানৱীয় প্ৰমূল্যতকৈ টকা-পইচাৰহে যে মূল্য বেছি তাক সমাজ-বাস্তৱতাৰ আধাৰত উপস্থাপন কৰিছে।

মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' কালচেতনাবোধ প্ৰকাশিত এটি সার্থক গল্প। গল্পটোৰ বিষয়বস্তু কলং নদীৰ পা�ৰৰ মাছমৰীয়া সমাজখনক লৈ সৃষ্ট। স্বাধীনতাৰ আগলৈকে ধনেশ্বৰৰ দৰে মাছমৰীয়া গ্ৰাম্য নদীয়াল সমাজখনে কলং নদীত মাছ মাৰি জীৱিকা অর্জন কৰাৰ উপৰিও একো একোটা পৰিয়াল পোহপাল দি আহিছে। গল্পটোত তাৰ উল্লেখ এনেদৰে আছে— *"আজি তিনিবছৰ আগলৈকে এই কলঙতে লাঙি জাল, ঘাট জাল দূৰৰ কথা, তিনিবাৰ খেৱালি মাৰিয়েই তিনিদিনৰ চাউল-পাত, লোণ-তেলৰ খৰচ মই নিজে; এই অমুকায়ে উলিয়াইছিলোঁ।"*[২]

কিন্তু স্বাধীনতাৰ পাছত চৰকাৰে জনহিতার্থে ৰূপায়ন কৰা অদূৰদর্শী আঁচনিৰ ফলত কলং নদীৰ চলন্ত সোঁত কালক্ৰমত বন্ধ হয়। *বিহমেটেকা, জেংজাবৰ আদিয়ে কলঙৰ জলধাৰক স্থবিৰ কৰি পেলালে। ফলস্বৰূপে কলঙত পূৰ্বৰ দৰে মাছ-পুঠি নোহোৱা হ'ল। কলঙত মাছ পুঠি নোহোৱা হোৱাৰ লগে লগে ধনেশ্বৰহঁতৰ দৰে মাছমৰীয়া সমাজখনলৈও জড়তা আহিল।*[৩] সৰুৰে পৰা নদীখনৰ ওপৰত তেওঁলোকৰ জীৱন আৰু জীৱিকা এনেদৰে নির্ভৰশীল যে নতুন জীৱিকাৰ সন্ধান কৰি কাম কৰিবলৈকেও সিহঁত অক্ষম। সেয়েহে জীৱিকাৰ পথ বন্ধ হৈ পৰা সেই মানুহখিনিৰ জীৱন নিৰাশা আৰু হতাশাৰে ভৰি পৰিছে। গল্পটোত সমগ্ৰ মাছমৰীয়া মানুহখিনিৰ মনত ক্ষোভ আৰু দৰিদ্ৰতা ধনেশ্বৰৰ মাজেৰে স্পষ্ট ৰূপত বর্ণিত হৈছে। গল্পটোৰ বিষয়বস্তু আৰু ভাৱবস্তু এয়াই।

২.০ মূল বিষয়বস্তুৰ আলোচনাঃ

সমাজ পৰিৱর্তনৰ আঁৰত একাধিক কাৰক অন্তর্লীন হৈ থাকে, কিন্তু তাৰ ভিতৰত ৰাজনৈতিক কাৰকে সর্বাধিকভাৱে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। ৰাজনৈতিক উত্থান-পতনে যিকোনো সমাজৰ জাতীয় অর্থনীতিৰ ভেঁটি লৰচৰ কৰি তুলিব পাৰে। মহিম বৰাৰ 'তৃতীয় শ্ৰেণীৰ যাত্ৰী' গল্পত যুদ্ধই অনা অর্থনৈতিক পৰিৱর্তনৰ ছবি প্ৰতিফলিত হৈছে। গল্পটোৰ আৰম্ভণিতেই দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱে সমগ্ৰ সমাজ ব্যৱস্থালৈ কঢ়িয়াই অনা ব্যাপক পৰিৱর্তনৰ প্ৰতিচ্ছবি প্ৰকাশ পাইছে এনেদৰে ঃ

> *"সম্পূর্ণ নতুন লাগিছে ষ্টেচনটো তাৰ। এই দুবছৰৰ ভিতৰত বহুতো পৰিৱর্তন হৈ গ'ল। ঈশান কোণলৈ ৰে'ল বাটটোৰ সিফালে সেই ঠাইখিনি সৰু-সুৰা জাৰণি এখন হৈ পৰিছিল। এতিয়া দীঘল মিলিটেৰী বেৰেকেৰে ৰঙচঙীয়া হৈ আছে। সেই বনুৱাৰ কাৰণে নতুনকৈ সজা ঘৰ। তাৰ সিফালে কাৰখানা এটা— নতুনকৈ পতা। মুঠতে যুদ্ধৰ এই দুটি বছৰে ভালখিনি পৰিৱর্তন আনি দি গ'ল।"*[৪]

যুদ্ধৰ দৰে ৰাজনৈতিক বিপ্লৱেও সমাজ পৰিৱর্তনৰ গতি খৰতকীয়া কৰি তোলাত সহায় কৰে। বিয়াল্লিছৰ

****

গণ বিপ্লৱৰ ফলত ভাৰত তথা অসমত ভোগবাদী-অর্থকেন্দ্রিক নতুন সমাজ এখন গঢ় লৈ উঠে। মানুহ টকাৰ মোহত আছন্ন হৈ পৰে। মহিম বৰাই 'তৃতীয় শ্রেণীৰ যাত্রী' গল্পত অর্থসর্বস্ব সমাজৰ ভাৱধাৰাক তীব্র সমালোচনাৰে লিখিছে—

> *"নিত্যৰ মনত পৰিল দুবছৰ আগৰ সেই উত্তেজনাপূর্ণ দিনবিলাকৰ কথা। কি জাগৰণেই দেখা নগৈছিল গাঁৱে-ভূঞে। গাঁও উজাৰ কৰি মানুহ জেললৈ গৈছিল— আন্দোলন কৰিছিল, আৰু আজি দুবছৰৰ মূৰত কি পৰিৱর্তন! মানুহ পাগল টকাৰ কাৰণে। বিয়াল্লিছৰ অগ্নিময় দিনবিলাকো যেন স্মৃতিতহে পৰিণত হৈছেগৈ।"*[৫]

স্বাধীনতাৰ পাছত বৃদ্ধি পোৱা অর্থলালসা ক্রমান্বয়ে ব্যক্তিস্বার্থৰ পৰিণত হ'বলৈ ধৰে। গল্পটোত সেয়া ফুটাই তুলিছে জয়াৰ চিন্তা মাজেৰে। আধুনিক বস্তুবাদী সমাজত জয়াৰ মনত অধিক প্রাধান্য পাইছে কেৱল অর্থই। সেই বাবেই জয়াই নিত্য বৰাৰ সৈতে থকা পূর্বৰ আত্মীয়তাৰ বান্ধোন অগ্রাহ্য কৰি নতুন প্রার্থীক গ্রহণ কৰিছে। জয়াৰ মানসিকতাই প্রেমৰ সম্পর্কৰ আদর্শহীনতা আৰু মূল্যবোধৰ অৱক্ষয়ী ৰূপটোৰ বাস্তৱ ছবিকে সূচাইছে। আধুনিক যুগত অর্থলোভ আৰু ব্যক্তিস্বার্থৰ ওচৰত নিত্যৰ আদর্শবাদী সমাজ চেতনা পৰাজিত হৈছে। ইয়াৰ মাজেৰে গল্পকাৰে সমাজ পৰিৱর্তনৰ ছবি উন্মোচিত কৰিছে।

বিংশ শতিকাত বিজ্ঞান প্রযুক্তিবিদ্যাৰ বিকাশ আৰু দ্রুত উন্নয়ন হ'বলৈ ধৰে। বিজ্ঞান প্রযুক্তিবিদ্যাই মানুহৰ জীৱন যাত্রাৰ মান উন্নত কৰি তোলাত সহায় কৰে। কিন্তু সমাজত কেতিয়াবা ইয়াৰ ব্যৱহাৰৰ নেতিবাচক প্রভাৱো পৰে। এই প্রসঙ্গত সমাজতাত্ত্বিকসকলে কৈছে ঃ *"সামাজিক পৰিৱর্তনে যেনেদৰে সমাজক গতিশীল কৰি তোলে, তেনেদৰে সমাজলৈ স্থৱিৰতা নমাই আনিবও পাৰে। কেতিয়াবা আকৌ প্রগতি বা গতিশীলতাৰ আঁৰতেই স্থৱিৰতাও লুকাই থাকে।"*[৬] মহিম বৰাৰ 'এখন নদীৰ মৃত্যু' গল্পত তাৰ সুন্দৰ নিদর্শন আছে। স্বাধীনতাৰ পিছত দেশৰ ৰাস্তা-ঘাট ভাল হ'ল, নতুন দলং নির্মাণ হ'ল, যাতায়ত ব্যৱস্থা পূর্বতকৈ অধিক উন্নত হ'ল। কিন্তু সেই উন্নয়নে কিছুমান সমাজলৈ স্থৱিৰতা নমাই আনিলে। বিশেষকৈ কলং নদীৰ মুখ বন্ধ কৰি দিয়াৰ ফলত কলংপৰীয়া মাছমৰীয়া সমাজখনৰ জীৱিকা পথ চিৰকাললৈ বন্ধ হৈ পৰিল। কলঙৰ মৃত্যুৱে মৎস্য ব্যৱসায়ী সকলৰ জীৱনৰ অর্থনৈতিক দিশটোক কোঙা কৰি পেলালে। গল্পটোত সেয়া প্রকাশ পাইছে অত্যন্ত মর্মস্পর্শীৰূপে—

> *"এনেকৈ এখন নদী মাৰি পেলায় নেকি? লগে লগে এটা জাতিকো মাৰি পেলোৱা নাই নে চৰকাৰে? এই কলঙৰ পাৰৰ নদীয়াল ৰাইজে আজি কিহেৰে জীৱিকা উলিয়ায়? যাৰ দুকঠা মাটি আছে বাৰু খেতি কৰিলে, যাৰ মাছৰ ব্যৱসায়েই জীৱিকাৰ উপায় সেইবিলাকে কি কৰিব।"*[৭]

দেশৰ উন্নয়নৰ নামত সমাজলৈ অহা পৰিৱর্তনৰ পৰিণতিত নিম্নবিত্ত শ্রেণীয়ে ভোগ কৰিবলগীয়া কু-ফল প্রসঙ্গত ড° হীৰেন গোহাঁইয়ে কৈছে *"স্বাধীনতাৰ পিছত দেশত তথাকথিত প্রগতিৰ ধল আহিল। এসময়ত ফেনে-ফোটোকাৰে ওফন্দি থকা কলং নৈৰ ওপৰত দলং হ'ল। চহৰৰ ধনী মানুহখিনিক বচাবলৈ ওখ মথাউৰি বন্ধা হ'ল। কলং নৈৰ বুকু শুকাই আহিল। ফলত কলংপৰীয়া নদীয়াল মানুহখিনি মাতৃস্তনৰ পৰা বঞ্চিত হোৱাৰ দৰে হ'ল। জীৱিকাৰ বাট হেৰাল, জীৱন যাত্রাত বিকাৰ আহিল। মাছ ধৰা, নাও বোৱা, যাত্রী পাৰ কৰা— সেইবোৰ দিনে দিনে অসম্ভৱ হৈ পৰিল। দাৰিদ্র্য আৰু দুর্দশাৰ মাজত মানুহবিলাকৰ ৰং ৰহইচ, সংস্কৃতিও জয় পৰি গ'ল।*[৮]

৩.০ উপসংহাৰ ঃ

মহিম বৰাই 'তৃতীয় শ্রেণীৰ যাত্রী' আৰু 'এখন নদীৰ মৃত্যু' গল্প দুটাৰ মাজেৰে পৰিৱর্তনৰ বতাহে স্পর্শ কৰা বিংশ শতিকাৰ অসমীয়া সমাজৰ বাস্তৱ ছবি প্রকটিত কৰি সমাজৰ প্রতি গল্পকাৰৰ দায়বদ্ধতা প্রতিষ্ঠা কৰিব বিচাৰিছে। তেওঁৰ গল্পত ৰাজনৈতিক আন্দোলন, অর্থনৈতিক কাৰক আৰু আধুনিকতাৰ প্রভাৱে মানুহৰ সামাজিক দৃষ্টিভংগীৰ পৰিৱর্তন সাধন কৰাৰ লগতে ভোগবাদ, ব্যক্তিকেন্দ্রিকতা, দুর্নীতি ইত্যাদিয়ে সাংস্কৃতিক মূল্যবোধৰ

****

অৱক্ষয় ঘটাই কিদৰে সমাজ পৰিৱৰ্তন সাধিত কৰিছে সেয়াও স্পষ্টভাৱে ধৰা পৰিছে।

৩.১ প্ৰাপ্ত সিদ্ধান্তঃ

গৱেষণা পত্ৰখনৰ অধ্যয়নৰ অন্তত কেইটামান সামগ্ৰিক সিদ্ধান্ত পোৱা গৈছে। প্ৰাপ্ত সিদ্ধান্ত কেইটা হৈছে—

- সমাজ পৰিৱৰ্তনৰ আঁৰত ৰাজনৈতিক কাৰকৰ উপৰিও আন একাধিক কাৰক জড়িত হৈ থাকে।
- যিকোনো পৰিৱৰ্তনে সমাজত ইতিবাচক আৰু নেতিবাচক দুই ধৰণে প্ৰভাৱ বিস্তাৰ কৰে। মহিম বৰাই তেওঁৰ গল্পত সমাজৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা পৰিৱৰ্তনক নিৰপেক্ষ শিল্পদৃষ্টিৰে উপস্থাপন কৰিছে।

প্ৰসংগ সূত্ৰঃ

১. Ramaswamy, Sushila . *Theories of Social Change* . p. 453
২. হীৰেন গোহাঁই, *গল্প সমগ্ৰ মহিম বৰা*, পৃ.১৭৩
৩. প্ৰহ্লাদ কুমাৰ বৰুৱা, *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃ.২২৮-২২৯
৪. গোহাঁই, হীৰেন, পূৰ্বউল্লিখিত গ্ৰন্থ, পৃ.৬৩
৫. হীৰেন গোহাঁই, পূৰ্বউল্লিখিত গ্ৰন্থ,পৃ. ৬৩
৬. বিমল মজুমদাৰ, *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ*, পৃ. ১৬৬
৭. হীৰেন গোহাঁই, পূৰ্বউল্লিখিত গ্ৰন্থ,পৃ. ১৭৩
৮. হীৰেন গোহাঁই, পূৰ্বউল্লিখিত গ্ৰন্থ, ভূমিকা

সহায়ক গ্ৰন্থপঞ্জীঃ

মুখ্য উৎসঃ

গোহাঁই, হীৰেন(সম্পা.)।*গল্প সমগ্ৰ মহিম বৰা*।ডিব্ৰুগড় ঃ বনলতা, ২০০৪-২০০৫

গৌণ উৎসঃ

বৰগোহাঞি, হোমেন (সম্পা.)। *অসমীয়া সাহিত্যৰ বুৰঞ্জী ষষ্ঠ খণ্ড*। গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ২০১৫
বৰুৱা, প্ৰহ্লাদ কুমাৰ। *অসমীয়া চুটিগল্পৰ অধ্যয়ন*। গুৱাহাটী ঃ বনলতা, ২০১১
মজুমদাৰ, বিমল। *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ*। গুৱাহাটী ঃ জ্যোতি প্ৰকাশন, ২০১৬
শইকীয়া, নগেন। *অধ্যয়ন বৈচিত্ৰ্য*। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ২০১০

ইংৰাজী গ্ৰন্থঃ

Ramaswamy, Sushila . *Political Theory : Ideas and Concept*. Delhi : PHI Learning Pvt Limited, 2015

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

শীলভদ্ৰৰ ‘পৰিৱৰ্তন’ গল্পত মধুপুৰ অঞ্চলৰ পৰিৱৰ্তনৰ ৰূপৰেখা ঃ এক অধ্যয়ন’

নয়নজ্যোতি কোঁৱৰ, গৱেষক
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সাৰাংশ

সাহিত্যৰ এটা শাখা তথা সাহিত্যিক ৰূপ হিচাপে ‘আধুনিক চুটিগল্প’ আধুনিক ভগ্ন আৰু বহুমুখী চেতনাৰ প্ৰতিফলন। ঊনবিংশ শতিকাৰ শেষৰ ফালে আৰু বিংশ শতিকাৰ আৰম্ভণিতে গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰা আধুনিক চুটিগল্পৰ ধাৰাটো আধুনিক আৰ্থ-ৰাজনৈতিক, সাংস্কৃতিক আৰু মানসিক পৰিস্থিতিৰ দ্বাৰা গঢ় লৈ উঠা। ৰামধেনু যুগতেই প্ৰকাশ পোৱা বিভিন্ন সাহিত্যৰ আলোচনীত ষাঠিৰ পৰা সত্তৰৰ দশকত শীলভদ্ৰই আত্মপ্ৰকাশ কৰে। মধুপুৰক বাদ দি শীলভদ্ৰৰ সাহিত্য সম্পূৰ্ণ নহয়। প্ৰায় অন্যগল্পৰ দৰে শীলভদ্ৰৰ এই ‘পৰিৱৰ্তন’ গল্পতো চিত্ৰিত হৈছে মধুপুৰৰ ছবি। শীলভদ্ৰ ওৰফে ৰেৱতী মোহন দত্তচৌধুৰীৰ গল্প ‘পৰিৱৰ্তন’ত প্ৰতিফলিত হোৱা মধুপুৰ অঞ্চলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক তথা, মানৱীয় সম্পৰ্কৰ পৰিৱৰ্তনৰ ছবিখন এই আলোচনাত পৰ্যৱেক্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

সূচক শব্দঃ পৰিৱৰ্তন, মধুপুৰ, মানৱীয়, জীৱন, সম্পৰ্ক।

০.০ প্ৰস্তাৱনাঃ

পাশ্চাত্যৰ আধুনিকতাৰ ধাৰণা, সমাজ সংস্কাৰৰ নীতি, আঞ্চলিক পৰিচয় নিৰ্মাণ, আদৰ্শগত শক্তিৰ প্ৰতি অসমীয়া ৰামধেনু যুগৰ গল্পকাৰসকলে যথেষ্ট সাহিত্যিক সহাঁৰি প্ৰদান কৰিছিল। এই যুগৰ গল্পকাৰ সকলে নিৰ্মাণ কৰি উলিয়াইছিল অধিক চহকী আৰু বৈচিত্ৰপূৰ্ণ অসমীয়া গল্পৰ গতিধাৰা। ৰামধেনু যুগৰ এজন বিশিষ্ট গল্পকাৰ হ’ল শীলভদ্ৰ। ‘শীলভদ্ৰ’ৰ ছদ্ম নামেৰে গল্প উপন্যাস আদি সাহিত্যকৃতি ৰচনা কৰা ৰেৱতী মোহন দত্ত চৌধুৰীয়ে ১৯৯৪ চনত ‘মধুপুৰ বহুদূৰ’ গল্প সংকলনটিৰ বাবে ‘সাহিত্য অকাদেমি’ বঁটা লাভ কৰে। ইংৰাজী, তেলেগু, বাংলা, পাঞ্জাৰী, উড়িয়া, কন্নড় আদি বিভিন্ন ভাষালৈ তেওঁৰ গল্প অনুদিত হোৱাৰ লগতে ‘ভাৰতীয় ভাষা পৰিষদ বঁটা’, ‘অসম উপত্যকা বঁটা’ও লাভ কৰে।

উপন্যাসক বাদ দি গল্প সংকলনৰ কথা আলোচনা কৰিলেই বহুকেইখন গল্প সংকলন পুথিৰ নাম উল্লেখ কৰিব লাগিব। তাৰেই ভিতৰত ‘আকৌ মধুপুৰ’, ‘মধুপুৰ বহুদূৰ’, ‘অন্য এক মধুপুৰ’, ‘মধুপুৰৰ মধুকৰ’, ‘বাস্তৱ’, ‘কোনো ক্ষোভ নাই’ আদি উল্লেখযোগ্য গল্পসংকলন। আমাৰ আলোচ্য গল্প ‘পৰিৱৰ্তন’ গল্পটো ২০০৩ চনৰ জানুৱাৰী মাহত প্ৰকাশিত ‘আপোন মানুহ’ গল্প সংকলনৰ অন্তৰ্গত।

০.১ অধ্যয়নৰ লক্ষ্য, উদ্দেশ্য আৰু গুৰুত্বঃ

****

'পৰিৱৰ্তন' গল্পত গল্পৰ বক্তাৰ দৃষ্টিৰে 'মধুপুৰ' অঞ্চলক চোৱাৰ প্ৰয়াস কৰা হৈছে। গল্পটিত প্ৰতিফলিত হোৱা আৰ্থ-সামাজিক, সাংস্কৃতিক পৰিৱৰ্তন সমূহক ফহিয়াই চোৱাৰ যত্ন কৰা হৈছে। শীলভদ্রৰ এই গল্পত পৰিৱৰ্তনৰ গতিধাৰাৰ লগতে শীলভদ্রৰ গল্পৰ কথাশৈলীকো পৰ্যৱেক্ষণ কৰাৰ প্ৰয়াস কৰা হৈছে।

০.২ অধ্যয়নৰ পদ্ধতিঃ

"শীলভদ্রৰ 'পৰিৱৰ্তন' গল্পত মধুপুৰ অঞ্চলৰ পৰিৱৰ্তনৰ ৰূপৰেখাঃ এক অধ্যয়ন' শীৰ্ষক আলোচনাটি আগবঢ়াই নিবৰ বাবে বিশ্লেষণাত্মক আৰু প্ৰয়োজন অনুসৰি বৰ্ণনাত্মক পদ্ধতিৰো অৱলম্বন কৰা হৈছে।

০.৩ অধ্যয়নৰ পৰিসৰঃ

অধ্যয়নৰ সীমাৱদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি শীলভদ্রৰ এটা গল্প 'পৰিৱৰ্তন'ত প্ৰতিফলিত হোৱা মধুপুৰ অঞ্চলৰ সামাজিক পৰিৱৰ্তনসমূহক আলোচনাৰ পৰিসৰলৈ অনা হৈছে। 'পৰিৱৰ্তন' গল্পৰ লগতে শীলভদ্রৰেই অন্য দুই এক গল্পৰ কথা তুলনামূলকভাৱে অনা হৈছে যদিও সেয়া কেৱল মূল গল্প আলোচনাৰ সুবিধাৰ্থেহে অনা হৈছে।

০.৪ অধ্যয়নৰ উৎস আৰু সমল ঃ

আলোচনাৰ বাবে শীলভদ্রৰ 'আপোন মানুহ' গল্প সংকলনখনিৰ 'পৰিৱৰ্তন' গল্পটিক মুখ্য উৎস হিচাপে আৰু গৌণ উৎস হিচাপে বিভিন্ন ধৰণৰ প্ৰাসঙ্গিক গ্ৰন্থ, আলোচনা আদিৰ সহায় লোৱা হৈছে।

১.০ মূল বিষয়বস্তুৰ আলোচনাঃ

আধুনিক চুটিগল্পৰ বিষয় আৰু সাহিত্যিক ৰূপটোৰ উদ্ভাৱন কৰাত তথা গঢ় দিয়াত আধুনিক যুগৰ সমাজ-ঐতিহাসিক প্ৰেক্ষাপটে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ঔদ্যোগীকৰণ, নগৰায়ণ, দুটাকৈ মহা বিশ্বযুদ্ধ, ঔপনিৱেশিক আৰু উত্তৰ-ঔপনিৱেশিক আদি অতি প্ৰভাৱী পৰিৱেশে এক ধৰণৰ অস্থিৰ প্ৰবাহৰ সৃষ্টি কৰিছিল। এই অস্থিৰতাই সামাজিক চেতনাৰ পৰা আৰম্ভ কৰি ব্যক্তিৰ ব্যক্তিগত চেতনাকো গভীৰভাৱে প্ৰভাৱিত কৰিছিল। সমাজ তথা ব্যক্তিৰ ক্ষন্তেকীয়া অভিজ্ঞতাক সামৰি লোৱা ক্ষমতাৰে চুটিগল্পৰ ধাৰাটোৱে অস্থায়ী, আধুনিক জীৱনৰ অসংলগ্ন আৰু প্ৰায়ে বিশৃংখল স্বৰূপটোক প্ৰতিফলিত কৰিছিল। বিচ্ছিন্নতা, বিচ্যুতি, পৰিচয় সংকট,আধ্যাত্মিক শূন্যতা, নৈতিক অস্পষ্টতা আদি বিষয়বস্তু আদি আধুনিক চুটিগল্পৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল।

প্ৰায় অন্য ভাষাৰ দৰে অসমীয়া গল্পৰ প্ৰাৰম্ভিক পৰ্যায়ত আদৰ্শবাদ, ৰোমান্টিকতাবাদ, নৈতিকতাৰ স্বৰূপ আদিৰ দ্বাৰা প্ৰভাৱিত হৈ আছিল। স্বাধীনতা আৰু উত্তৰ স্বাধীনতা সময়ৰ আধুনিক অসমীয়া চুটিগল্পকাৰসকলে এই প্ৰৱণতাবোৰৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহি বাস্তৱবাদক আঁকোৱালি লৈ অসমীয়া সমাজৰ আৰু মানুহৰ বাস্তৱ জীৱনক চিত্ৰিত কৰিব ধৰিলে। গোলকীয় সাহিত্য আন্দোলন আৰু আধুনিকতাবাদী নীতি নিয়মৰ দ্বাৰা প্ৰভাৱিত হৈ অসমীয়া সাহিত্যিকসকলে পৰিৱৰ্তিত সামাজিক প্ৰেক্ষাপটত মানুহৰ অন্তৰ্নিহিত মনোজগতৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিলে। সমাজৰ ভণ্ডামিৰ পৰা আৰম্ভ কৰি প্ৰজন্মৰ সংঘাতলৈকে সাহিত্যিক বিষয়বস্তু, ভাৱৰ পৰিৱৰ্তনে দৈনন্দিন জীৱনৰ জটিলতাৰ প্ৰতি গভীৰ সচেতনতাক প্ৰতিফলিত কৰিছিল।

ৰাজনৈতিক মতাদৰ্শ, অৰ্থনৈতিক গাঁথনি, সামাজিক মূল্যবোধ আৰু সাংস্কৃতিক চেতনাৰে গঠিত সামাজিক পৰিৱৰ্তন সাহিত্যসৃষ্টিৰ অন্তৰালত গভীৰভাৱে জড়িত হৈ আছে। স্বাধীনোত্তৰ ভাৰতৰ প্ৰেক্ষাপটত সাহিত্যই জাতীয় পৰিচয় তথা প্ৰান্তীয়কৰণ, বিকাশৰ জটিলতা, সামাজিক আৰু মানসিক পৰিৱৰ্তনৰ ৰূপ প্ৰকাশৰ বাবে এক গুৰুত্বপূৰ্ণ বাহন হিচাপে কাম কৰিছিল। স্বাধীনোত্তৰ অসমত পৰিৱৰ্তনমূলক পৰিঘটনাসমূহে অঞ্চলটোৰ আৰ্থ সামাজিক তন্ত্ৰটোকেই সলনি কৰি পেলালে। ১৯৪৭ চনৰ ভাৰত বিভাজন, প্ৰব্ৰজন সংকট, ৰাজ্য সমূহৰ ভাষিক পুনৰ গঠনে অসমীয়া চেতনা গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আধুনিকীকৰণৰ প্ৰক্ৰিয়া, পুজিবাদী আৰু নগৰীয়া

****

মতাদর্শৰ প্রবাহে পৰম্পৰা আৰু আধুনিকতা, গ্রাম্য আৰু আৰু নগৰীয়া জীৱন, থলুৱা সংস্কৃতি আৰু বাহ্যিক প্রভাৱৰ মাজত নতুন উত্তেজনাৰ সৃষ্টি কৰিছিল। এই ক্ষেত্রত মুনীন বায়নৰ মন্তব্য গুৰুত্বপূর্ণ। তেওঁৰ মতে-

> *"নগেন শইকীয়া, প্রণৱজ্যোতি ডেকা আৰু পাছলৈ অপূর্ব শর্মাৰ গল্পত আধুনিকতাৰ অন্য কিছুমান দিশ যেনে- সংশয়, আয়ৰণি, অনাস্থা উন্মোচিত হ'বলৈ ধৰিছিল। কিন্তু বয়সৰ পিনৰ পৰা পঞ্চাশৰ দশকৰ গল্পকাৰসকলৰ সমসাময়িক শীলভদ্রৰ গল্পত সম্পূর্ণ এক মেজাজ ফুটি উঠিছিল। নামনি অসমৰ গৌৰীপুৰ অঞ্চলৰ জীৱনযাত্রা আৰু অধিবাসীসকলক লৈ গল্প লিখা শীলভদ্রৰ গল্প-উপন্যাসত মধুপুৰে এক গভীৰ সাংস্কৃতিক ব্যঞ্জনা লাভ কৰিছে।"* [১]

পৰিৱর্তন একমাত্র সত্য। অপৰিৱর্তন বুলি ভবা কথাবোৰবো পৰিৱর্তন হয়। একেদৰে ঘটনাবোৰবো, পৰিস্থিতিবোৰবো। শীলভদ্রৰ এখন অতি গুৰুত্বপূর্ণ গল্প সংকলন হ'ল 'আপোন মানুহ'। মুঠ ২৫ টি গল্পৰ ভিতৰত 'পৰিৱর্তন' এটি গল্প। গল্পটিৰ নাম যিদৰে 'পৰিৱর্তন', ঠিক একেদৰে গল্পৰ মূল বিষয়বস্তুও হ'ল পৰিৱর্তন। দৰাচলতে কেৱল পৰিৱর্তনতেই নহয়, বৰঞ্চ প্রায় এই গল্প সংকলনৰ প্রায় গোটেই কেইটি গল্পই একে ৰেখাকেই টানি আছে, আৰু সেয়া হৈছে পৰিৱর্তন। পৰিৱর্তন নামৰ গল্পৰ দৰে 'এটা ভাল কাম', 'বিভিন্ন চৰিত্র' আদি গল্পবোৰতো দেখা যায় পৰিৱর্তনৰ ছবি। উদাহৰণস্বৰূপে, 'এটা ভাল কাম'ত দেখা পোৱা যায় পুৰণি আৰু নতুনৰ, এই দুই পৃথিৱীৰ বৈসাদৃশ্য। উল্লিখিত গল্পটিত বক্তাই স্মৃতিৰ পাত লুটিয়াই কোৱাৰ দৰে বক্তাৰ বাবে যেন এই পৃথিৱীখন এখন সম্পূর্ণ নতুন পৃথিৱী। 'এটা ভাল কাম' নামৰ গল্পত গল্পৰ বক্তাই কয়-

> *"এতিয়াহে বহুত কথা বুজি পোৱা যেন লাগে। পঞ্চাছ বছৰ আগতে পৃথিৱীখন কেনেকুৱা আছিল আৰু আজি কেনেকুৱা হৈছে। সদায় দেখি আছো কাৰণেহে হতবাক হৈ যোৱা নাই। ধৰক মাজতে মই এই পৃথিৱীৰ বাহিৰৰ বেলেগ কোনোবা গ্রহত আছিলো। ইতিমধ্যে পৃথিৱীখনত কি হৈ আছে মই একোৱেই গম পোৱা নাছিলো। পঞ্চাছ বছৰ পিছত হঠাতে মোক যদি আকৌ আজিৰ পৃথিৱীখনলৈ লৈ আনে তেনেহ'লে হতবুদ্ধি নোহোৱাকৈ থাকিব পাৰিমনে? সম্পূর্ণ এক অপৰিচিত পৃথিৱী।"* [২]

ঠিক একেদৰে 'উপলব্ধি' গল্পতো দেখা যায় জীৱনৰ অস্থিৰ চৰিত্র। উপলব্ধি গল্পৰ গল্পকাৰে প্রথমতেই গল্পৰ বক্তাৰ দ্বাৰা কৈছে,

> *"জীৱন তো নিশ্চল নহয়। চঞ্চল, অস্থিৰ, গতিশীল। মানুহ এজন কেনেকুৱা? ভাল নে বেয়া? কোৱা টান। ভালো বেয়াও। একেজন মানুহ কেতিয়াবা ভাল আকৌ কেতিয়াবা বেয়া। কেতিয়া, কেনেকৈ, কি পৰিস্থিতিত থাকে তাৰ ওপৰত নির্ভৰ কৰে। দর্শকৰ দৃষ্টিভংগীৰ কথাও আছে।"* [৩]

জীৱনৰ ক্ষণভঙ্গুৰতা উক্ত গল্পৰ মূল বিষয় হিচাপে লৈ লিখা হৈছে 'স্মৃতিকথা' গল্পতো। 'স্মৃতিকথা' গল্পতো জীৱন আৰু জীৱনৰ পৰিৱর্তন আৰু স্মৃতিৰ কথাক সাৰটি জীৱনৰ সেই একেই চৰিত্রকেই উদঙাই তুলিছে। 'স্মৃতিকথা' গল্পত বক্তাই মৃত্যু আৰু জীৱনৰ কথা একেলগে সামৰি কৈছে এইদৰে-

> *"যেনেকৈ জীয়াই আছিলোঁ সেয়েই মোৰ জীৱন। তেনেকৈয়েই বোধ হয় মই জীয়াই থাকিবলৈ বিচাৰিছিলোঁ। যেনেকৈ মৰিবলৈ বিচাৰোঁ তেনেকৈ মৰিম নে নাই সেই কথা অৱশ্যে মই ক'ব নোৱাৰোঁ। সেই লৈও একো কথা নাই। মৃত্যু হ'ল সকলো পোৱা-নোপোৱাৰ সমাপ্তি। কিছুদিনৰ কাৰণে আপোন মানুহৰ মনত এক অস্পষ্ট স্মৃতি হিচাপে থাকিলে থাকি যাব পাৰোঁ। ক্রমে ক্রমে সেই স্মৃতি আৰু আধিকতৰ অস্পষ্ট হৈ পৰিব। আইতাৰ কথাতো বাদেই, দেউতাৰ কথানো কেতিয়া মনত পৰে? মাৰ কথা?"* [৪]

অন্য বহু গল্পকাৰৰ দৰে শীলভদ্রৰ গল্পতো পূবর্তে উল্লেখ কৰা কেতবোৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ক্ষেত্রত 'পৰিৱর্তন' গল্পও পৃথক নহয়। বহুমুখী সমাজ পৰিৱর্তনৰ জীৱন্ত সাক্ষী স্বৰূপে 'পৰিৱর্তন' গল্প এটা সার্থক গল্প। ইয়াৰ উপৰিও 'পৰিৱর্তন' গল্পত প্রতিফলিত হৈ উঠিল সমান্তৰালভাৱে নতুন আৰু পুৰণিৰ সংঘাত,

নষ্টালজিয়া আৰু প্ৰতিৰোধ তথা ধাৰাবাহিকতা আৰু বিচ্ছিন্নতা। শীলভদ্ৰৰ এই গল্পই আধুনিকীকৰণৰ উদ্বিগ্নতা আৰু পৰম্পৰাগত গাঁথনিৰ খহনীয়াৰ প্ৰতিফলন ঘটাই পৰিৱৰ্তনৰ চেতনাক চিহ্নিত কৰি তুলিলে। তদুপৰি আধুনিক অসমীয়া চেতনাৰ শিপাহীনতা আৰু পৰিচয়ৰ সংকটৰ অনুভূতিক উজ্জ্বল কৰি তুলিলে।

বিৱৰ্তনৰ ৰেখাক আঁকিবৰ বাবে যি ঘটনা বা উপঘটনাৰ অৱতাৰণা কৰিছে সেয়াও আহিছে সম্পূৰ্ণ প্ৰাসঙ্গিকতাৰ সৈতে। উদাহৰণস্বৰূপে, খগেন ডাক্তৰে ধুবুৰীৰ পৰা বদলি হৈ তেজপুৰলৈ পুনৰ ঘূৰি আহি মধুপুৰত নিজৰ ঔষাধালয় বা ফামাচী খুলি বহাৰ ঘটনাটোৱেই হওঁক অথবা গল্পত বক্তাৰ ভাতৃ প্ৰতিম, প্ৰফুল্ল দাই ডিগবৈৰ অইল কোম্পানীৰ চাকৰি এৰি গুচি অহাৰ ঘটনাই হওক- এই সকলোবোৰ ঘটনাৰেই অৱতাৰণা আছিল প্ৰাসঙ্গিক। বক্তাই নিজৰ চকুৰ সন্মুখতেই দেখিবলৈ পাইছে মধুপুৰৰ পৰিৱৰ্তন, সেয়া লাগিলে মধুপুৰৰ মানুহখিনিৰ আশা-আকাংক্ষাৰেই হওক অথবা জীৱনৰ মূল্যবোধেই হওক।

বক্তাই নিজৰ স্মৃতি গৰ্ভৰ ভিতৰৰ পৰা যিদৰে বুটলি আনিছে বিভিন্ন ঘটনা-উপঘটনা, ঠিক একেদৰে তেওঁ সেই ঘটনাসমূহৰ কাৰণ বা উপকাৰণো বিচাৰি পাইছে। তৈয়াৰ কৰিছে এক পৰিৱৰ্তনৰ ৰূপৰেখা। বক্তাৰ স্মৃতিৰ মাজত যি মধুপুৰ ৰৈ গৈছে সেই মধুপুৰ এতিয়া নাই। বক্তাই জানে। সেয়েহে তেওঁৰ মন মগজুৱে অনবৰেতেই বিচৰণ কৰে অতীতৰ মধুপুৰত। সেই সময়ত জীৱনৰ দৰ্শনেই আছিল পৃথক। এক চিৰস্থায়ী, লৰচৰ নোহোৱা জীৱন। এতিয়াৰ জীৱন দৰ্শনৰ মাজত সেই সময়ৰ জীৱন দৰ্শন আছিল সম্পূৰ্ণ বেলেগ। গল্পটিত প্ৰথম অৱস্থাত সময়ৰ গতি বাধিত হ'লেও, গল্পৰ শেষলৈ 'পৰিৱৰ্তন'ত দেখা পোৱা গৈছে বিৱৰ্তনৰ ৰূপৰেখা। বিৱৰ্তনৰ কথা অৱতাৰণা কৰি গল্পত বক্তাই সেয়ে কৈছে-

> *"জৈৱিক পৰিৱৰ্তন নহ'লেও মানসিক বিৱৰ্তনৰ গতি বৰং অধিকতৰ ক্ষিপ্ৰ হৈ পৰিছে। শ শ বছৰ আগতে মানুহৰ অৱয়ব যেনেকুৱা আছিল আজিও ঠিক তেনেকুৱাই আছে। কিন্তু যোৱা বিশ-ত্ৰিশ বছৰৰ ভিতৰত মানুহৰ যি মানসিক বিৱৰ্তন হৈছে তাত আকৃতি একে থাকিলেও মানুহক ভিন্ন জীৱ বুলি গণ্য কৰিব পাৰি। নতুন প্ৰজন্ম প্ৰায় অপৰিচিত হৈ পৰিবলৈ ধৰিছে। তেওঁলোকৰ আশা- আকাংক্ষা বেলেগ, জীৱনৰ মূল্যবোধো বেলেগ।"*[৫]

আজিকালিৰ সময়, এতিয়াৰ মানুহৰ মূল্যবোধৰ লগত গল্পকাৰৰ স্মৃতি খাপ খোৱা নাই। মধুপুৰৰ অতীতৰ সেই মধুৰ সময়ক সুঁৱৰি গল্পৰ বক্তাই বাৰে বাৰে সেই সময়ত ৰৈ যায়। আজিৰ জীৱনৰ, সময়ৰ, সমাজৰ ক্ষণভঙ্গুৰতা তথা অনিশ্চয়তাৰ কথা ক'বলৈ গৈ গল্পকাৰে গল্পটোৰ এটা চৰিত্ৰ মদন কলিতাই কৈছে-

> *"কি যে হৈ আছে একো বুজি নাপাওঁ। ৰাতিপুৱা বাতৰি কাকত পঢ়া বাদ দিছো। খবৰবোৰ পঢ়িলে দিনটোৰ কাৰণে উদ্বিগ্ন হৈ থাকিব লাগে। ইয়াত পাঁচজনক গুলীয়াই মাৰিলে, তাত সাতজনক মাৰিলে। এনেয়ে। অৰ্থহীন হত্যা। ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী কাকো বাদ নিদিয়ে। ইফালে একোদিনা একোটা দাবী লৈ জয়াললিতাৰ ভাবুকি। কোনদিনা চৰকাৰৰ পতন ঘটে একো ঠিক নাই। ব্ৰটিছ শাসন প্ৰতিষ্ঠা হোৱাৰ আগতে যেনেকুৱা অৱস্থা হৈছিল প্ৰায় তেনেকুৱা অৱস্থা। চৌবিশ ঘণ্টা এক অনিশ্চিত অৱস্থাত থকাটো বৰ অসহ্য কথা। মনত বৰ ষ্ট্ৰেইন পৰে।"*[৬]

পৰিৱৰ্তন গল্পটিক ভালকৈ গল্পৰ বক্তাৰ দৃষ্টিৰে বিশ্লেষণ কৰিলে দেখা পোৱা যায় মূলতঃ দুখন মধুপুৰ। এখন মধুপুৰ সেইখন, যিখন গল্পকাৰে শৈশৱৰ সময়তেই হেৰুৱাই পেলাইছে আৰু আনখন হৈছে নতুন মধুপুৰ, অস্থিৰ আৰু সম্পূৰ্ণ পৃথক মধুপুৰ। এখন সেইখন যিখন তেওঁৰ স্মৃতিৰ পাততে জীপাল আৰু য'ত আছে এক নিৰুদ্বিগ্ন জীৱন। আনখন হৈছে নতুন মধুপুৰ। সেইখন মধুপুৰ গল্পটিৰ বক্তাৰ বাঞ্ছিত নহয়, য'ত প্ৰতি মুহূৰ্ততেই কটাবলগীয়া হয় উদ্বিগ্ন জীৱনৰ ক্ষণ। কেৱল মধুপুৰতেই নহয়, তেওঁ সকলোতে দেখা পাইছে আমূল পৰিৱৰ্তন। সেয়েহে তেওঁ কৈছে- *"সেই মধুপুৰ এতিয়া আৰু নাই। মধুপুৰ বুলি কিয় কৈছো। সকলো ঠাইতেই আমূল পৰিৱৰ্তন*

****

ঘটিছে।"[৭] শীলভদ্র ১২)

গল্পকাৰ শীলভদ্রই তেওঁৰ 'আপোন মানুহ'ৰ পাতনিত 'নিজৰ কথা' বুলি লিখি উল্লেখ কৰিছে, তাহানিৰ মধুপুৰৰ উদ্বিগ্নহীন জীৱনৰ কথা। আহোমৰ শাসনে ঢুকি নোপোৱা মধুপুৰ আছিল জমিদাৰ প্রথা প্রচলন্তি হৈ থকা অসমৰ একমাত্র স্থান। 'পৰিৱৰ্তন' গল্পতো এই কথাখিনিকেই গল্পকাৰে বাৰে বাৰে উল্লেখ কৰিছে। ভাষা, সংস্কৃতিৰ পৰা পৃথক মধুপুৰৰ মানুহে অসমতকৈও কোচবিহাৰৰ লগতহে সম্পর্ক দৃঢ় কৰি ৰাখিছিল। বঙ্গদেশতো থকা জমিদাৰী প্রথা আৰু মধুপুৰ অঞ্চলৰ জমিদাৰী প্রথাই বহু ক্ষেত্রত সহায় কৰিছিল। দুয়ো ঠাইৰ মাজত সেয়ে স্বাভাৱিকতেই এক যোগসূত্র স্থাপিত হৈ আছিল। মনটো বাৰে বাৰে অতীতৰ মধুপুৰ পিনে গতি কৰা গল্পকাৰে সেয়ে উল্লেখ কৰিছে-

> *আগতে মধুপুৰ অঞ্চলত জমিদাৰী প্রথা প্রচলিত আছিল। অসমৰ অইন অঞ্চলত এই প্রথা নাছিল। ইতিহাসত ইয়াক চিৰস্থায়ী বন্দবস্ত বুলি উল্লেখ কৰা হৈছিল। সঁচাকৈ এয়া এক চিৰস্থায়ী ব্যৱস্থা বুলিয়েই ধাৰণা হৈছিল। অপৰিৱৰ্তনীয়। জীৱনযাত্রা যেনেকৈ চলি আছিল চিৰদিন যেন তেনেকৈ চলি থাকিব। আগতে যেনেকৈ চলিছিল, এতিয়াও তেনেকৈ চলি আছে, ভৱিষ্যতেও তেনেকৈ চলিব। জমিদাৰৰ অঙহী-বঙহী বা অনুগ্রহপুষ্ট মানুহৰ জীৱন এটা নির্দিষ্ট ছন্দত চলি আছিল। মাটি-বাৰী আছে, আপদে-বিপদে জমিদাৰৰ সহায় পোৱা যাবই।"[৮]*
> (শীলভদ্র ১১)

'নিজৰ কথা' অর্থাৎ পাতনিত উল্লেখ কৰিছে- *"জমিদাৰী প্রথা প্রচলিত থকা কাৰণে অসমৰ পশ্চিমাঞ্চলৰ সৈতে বংগ দেশৰ সম্বন্ধ আছিল অধিকতৰ প্রাচীন। তদুপৰি জমিদাৰৰ দেৱান, মেনেজাৰ, নায়েব, এইবোৰ কর্মচাৰীও আছিল বঙালী মানুহ।" (শীলভদ্র ১১)*

শীলভদ্রৰ কেৱল 'পৰিৱৰ্তন' গল্পতেই নহয় ৰৰঞ্চ মধুপুৰ কেন্দ্রিক প্রতিটো গল্পই দৰাচলতে গল্প নে বাস্তৱ কোৱাটো কঠিন। বহু সময়ত তেওঁৰ গল্পৰ বক্তাই নিজৰ বাস্তৱ স্মৃতিহে বর্ণনা কৰে। পৰিৱৰ্তন গল্পৰ বক্তাৰ নতুন দিনৰ উদ্বিগ্ন জীৱনৰ প্রতি মোহ ভঙ্গ হৈছে। এনেয়েই, কোনো কাৰণ নোহোৱাকৈ হোৱা প্রতিদিনৰ অর্থহীন হত্যাই, নির্বিচাৰ হত্যাই, কৃত্রিম মানৱীয় সম্পর্ক আৰু জীৱনৰ ক্ষণভঙ্গুৰতাই তেওঁক উদ্বিগ্ন জীৱনৰ প্রতি মোহভঙ্গ হোৱাত প্রেৰিত কৰিছে।

গল্পটিৰ শেষৰফালে দেখা পোৱা গৈছে যে বক্তাই যেন তেওঁৰ নিজৰ মুখৰ কথা অর্থাৎ ভাষাও পাহৰি পেলালে। গল্পত প্রৱেশ ঘটিছে বক্তাৰ নাতিৰ সখীয়েকৰ। তেওঁৰ নাম কিশোৰ। বহু সময়লৈকে বক্তাই বিভিন্ন কথা পতাৰ অন্তত কিশোৰে বক্তাক উদ্দেশ্য কৰি হাঁহি হাঁহি কয়- *"আপনি কি আজিকালি দেশী কথা নাকন?" (শীলভদ্র ১৪)* লগে লগেই বক্তা সজাগ হৈ উঠিল। নিজেই নিজক প্রশ্ন কৰি উঠিল- *"হয়তো। কিশোৰ মধুপুৰৰ ল'ৰা। তাৰ লগত দেশী কথা কোৱা নাই কিয়?" (শীলভদ্র ১৪)*

চৌবিশ ঘণ্টাই যিবোৰ স্মৃতি অথবা বিস্মৃতিয়ে মনত উদ্বিগ্নতা তথা দুশ্চিন্তাই তেওঁক আৱৰি ৰাখিছিল সেই সমস্তখিনি তেওঁ যেন হঠাৎ পাহৰি পেলালে। সময়ৰ বাগৰ তেওঁ পাহৰি পেলালে। কিশোৰৰ সপ্রতিভ চেহেৰাই তেওঁৰ চিন্তাক যেন পাহৰাই পেলালে। উদ্বেগ আৰু দুশ্চিন্তাৰ কথাও পাহৰি গ'ল। পৰিৱৰ্তনৰ টোৰে সকলো ধুৱাই নিলে, বক্তাৰ মধুপুৰকো। 'মধুপুৰ বহুদুৰ' গল্পৰ দৰেই বক্তাই 'পৰিৱৰ্তন' গল্পতো যেন নিজকে মধুপুৰৰ পৰা আজি পৃথক অনুভৱ কৰে। তেওঁৰ চিন্তা তথা চেতনাৰ পৰা কেতিয়াও তেওঁ এৰি অহা মধুপুৰৰ মধুৰ সময় বিচ্ছিন্ন হোৱা নাই। অতীত আৰু বর্তমানৰ সমাজ-সাংস্কৃতিক জীৱন চর্চাৰ এটা বিস্তৃত পৰিসৰ তেওঁৰ গল্পত মূর্ত হৈ উঠিছে।

ত্রিনেশ বৰুৱাই তেওঁৰ গল্পত দেখা পোৱা মধুপুৰৰ প্রসংগত ২০০৮ চনৰ জুলাই মাহৰ গৰীয়সীত 'শীলভদ্রঃ মধুপুৰ আৰু গৌৰীপুৰ' নামৰ প্রবন্ধত উল্লেখ কৰিছে এইদৰে-

****

"এই মধুপুৰ হ'ল শীলভদ্রৰেই শৈশৱ, কৈশোৰ তথা যৌৱনৰ স্মৃতিবিজড়িত তেওঁৰ ওপজা ঠাই গৌৰীপুৰ। গৌৰীপুৰৰ মাজেদি বৈ যোৱা গদাধৰ নৈয়ে তেওঁক সদায় আকর্ষিত কৰিছিল। গদাধৰ নৈ আৰু গদাধৰপৰীয়া গৌৰীপুৰৰ মানুহে সেয়ে শীলভদ্রৰ কাহিনীসমূহক প্রভাৱিত কৰিছিল।"

২.০ উপসংহাৰঃ

আলোচনাৰ শেষত ক'ব পৰা যায় যে, ভাৰতৰ অন্য প্রান্তৰ দৰে ১৯৪৭ চনৰ পৰা অর্থাৎ স্বৰাজোত্তৰ কালৰ পৰা অসম প্রদেশো উল্লেখযোগ্য ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিৱর্তনৰ সাক্ষী হৈ আছিল। স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্য সামাজিক পৰিৱর্তনৰ ভঁৰাল। পৰিচয়ৰ ৰাজনীতি, জাতিগত সংঘাত, বিদ্রোহ আদিৰ সৈতে জড়িত। এই সমূহৰ লগতে বিশ্বায়ন আৰু সাংস্কৃতিক আধুনিকীকৰণ আদি বিষয়ো সাহিত্যৰ পৰা বাদ পৰা নাছিল। দৰাচলতে তেওঁৰ গল্পত দেখা পোৱা যায় পৰম্পৰা আৰু আধুনিকতাৰ মাজৰ সংকট।

শীলভদ্রৰ অন্যগল্পতকৈ এই গল্পৰ বৰ বিশেষ পার্থক্য নাই। মধুপুৰেই যেন এই 'পৰিৱর্তন' গল্পৰ মূল চৰিত্র, পটভূমি আৰু মূল কাহিনী তথা বিষয়বস্তু। শীলভদ্রৰ এই গল্পত দেখা পোৱা গৈছে যে বিৱর্তনৰ প্রক্রিয়াটো হৈছে এক গতিশীল প্রক্রিয়া। স্থায়ী, স্থিৰ, নিশ্চল বুলি ভৱা, পৰিৱর্তন নহ'ব বুলি ভৱা প্রতিটো কথাই আচলতে পৰিৱর্তনশীল। মানুহৰ জৈৱিক বিৱর্তনতকৈও কেনেকৈ মানসিক বিৱর্তন ক্ষিপ্রতৰ, সেই চিত্র দেখা পোৱা যায়। উক্ত গল্পত বক্তাৰ দ্বাৰা কোনো এটা দুটা কাহিনী বা উপকাহিনী আমাক কৈ থকা নাই। বৰঞ্চ গল্পটোৰ প্রতিটো শাৰীতেই মধুপুৰৰ এডাল বিৱর্তনৰ ৰূপৰেখা দেখা পোৱা যায়।

প্রসংগ টোকাঃ

[১] মুনীন বায়ন, মধুপুৰৰ মধুকৰ, পৃ.ঘ
[২] শীলভদ্র, আপোন মানুহ পৃ.৫৫
[৩] *শীলভদ্র,* আপোন মানুহ পৃ.৯৯
[৪] *শীলভদ্র,* আপোন মানুহ পৃ.*৫৫*
[৫] *শীলভদ্র,* আপোন মানুহ পৃ.১২
[৬] *শীলভদ্র,* আপোন মানুহ পৃ.১৩
[৭] *শীলভদ্র,* আপোন মানুহ পৃ. ১২
[৮] *শীলভদ্র,* আপোন মানুহ পৃ. ১১

সহায়ক গ্রন্থপঞ্জীঃ

১. বায়ন, মুনীন, (সম্পা.)। *মধুপুৰৰ মধুকৰ।*গুৱাহাটী: সৃষ্টিলেখা, ২০০০।
২. শীলভদ্র। *আপোন মানুহ*। গুৱাহাটী: বিশাল প্রকাশন, ২০০৩।
৩. নেওগ, মহেশ্বৰ। *অসমীয়া সাহিত্যৰ ৰূপৰেখা*। গুৱাহাটী: চন্দ্র প্রকাশ, ২০১৬।
৪. মজুমদাৰ, বিমল। *সাহিত্যৰ তত্ত্ব আৰু প্রয়োগ।*প্রথম প্রকাশ। গুৱাহাটী: জ্যোতি প্রকাশন, ২০১১।

****

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

অসমীয়া জীৱনীমূলক উপন্যাস 'সুশীলা' ঃ চমু আলোচনা

ড° প্রশান্ত বৰা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জা,কামৰূপ

সাৰাংশ

অসমীয়া উপন্যাসৰ ব্যাপক আৰু বিস্তৃত ক্ষেত্রখনৰ এক জনপ্রিয় ধাৰা হ'ল জীৱনীমূলক উপন্যাস। এনে উপন্যাসত সমাজৰ ভিন্ন ক্ষেত্রৰ একোগৰাকী ব্যক্তিৰ জীৱন আৰু কর্মাৱলীৰ সৈতে একাত্ম হৈ থকা সামাজিক, ৰাজনৈতিক পটভূমিৰ সন্ধান তথা পৰৱর্তী প্রজন্মলৈ এৰি যোৱা আদর্শ, চিন্তাধাৰা আদিক যোগাত্মক দৃষ্টিৰে প্রকাশ ঘটোৱা হয়। আত্মপ্রতিষ্ঠাৰ সংগ্রাম তথা স্বজাতিৰ উত্তৰণৰ প্রতি অনুৰাগ মানুহৰ একপ্রকাৰ চিৰন্তন প্রবৃত্তি। ব্যক্তিৰ লক্ষ্যসন্ধানী অনুসন্ধিৎসু মন তথা জীৱনৰ কণ্টকময় পথ দৃঢ়তাৰে অতিক্রম কৰা সংগ্রামৰ কাহিনী আধাৰিত জীৱনীমূলক উপন্যাসমূহৰ মাজত বাস্তৱৰ সঁচা মানুহৰ বিচিত্র জীৱন পৰিক্রমাৰ বিৱৰণ অংকিত হয়। অসমভূমিৰ ভিন্ন সমাজৰ একো-একোগৰাকী ব্যক্তিৰ কর্মজীৱন তথা সমাজৰ ভিন্ন ক্ষেত্রলৈ আগবঢ়োৱা যুগান্তকাৰী অৱদানৰ আধাৰতে সৃষ্টি হৈছে বহুকেইখন উল্লেখযোগ্য অসমীয়া ভাষাৰ জীৱনীমূলক উপন্যাসৰ। নাৰী জীৱনৰ বাস্তৱ ছবি সম্বলিত এনে উপন্যাসৰ ভিতৰত ধীৰেণ বৰকটকীৰ 'মৃত্যু গছকি আনা জয় জিনি', ড° তিলোত্তমা মিশ্রৰ 'স্বর্ণলতা', নিৰুপমা বৰগোহাঞিৰ 'অভিযাত্রী' আদি সার্থক নিদর্শন। এই শাখাৰ আন এখন আকর্ষণীয় উপন্যাস হৈছে দিলীপ চন্দন ৰচিত 'সুশীলা'। উপন্যাসখনত নাৰী জীৱনৰ সংগ্রাম, সাহস, দৃঢ়তা আৰু সফলতাৰ অন্য এক বাস্তৱ মনপৰশা ছবিৰ প্রতিফলন ঘটিছে।

বীজ শব্দ ঃ নাৰী জীৱনৰ সংগ্রাম, কর্মস্পৃহা, সাহস, দৃঢ়তা, দায়বদ্ধতা

০.১ অধ্যয়নৰ উদ্দেশ্যঃ

বিষয়বস্তু তথা সুকীয়া কলা-কৌশলেৰে সমৃদ্ধ জীৱনীমূলক উপন্যাসসমূহত ঐতিহাসিক আৰু সামাজিক মূল্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। 'সুশীলা' উপন্যাসখনত ব্যক্তি জীৱনবীক্ষাৰ সমান্তৰালকৈ ধৰা দিয়া সামাজিক প্রেক্ষাপট বিচাৰ কৰি চোৱাটোৱেই এই আলোচনাৰ প্রথম উদ্দেশ্য।

সেইদৰে উপন্যাসখনত উন্মোচিত হোৱা এগৰাকী সাধাৰণ নাৰীৰ অসাধাৰণ কর্মস্পৃহাৰ অন্তৰালত সোমাই থকা মানসিক দৃঢ়তা, সংগ্রাম, সাহস আৰু দায়বদ্ধতাৰ স্বৰূপ বিচাৰ কৰাটোও এই আলোচনাৰ অন্যতম উদ্দেশ্য।

০.২ অধ্যয়নৰ পৰিসৰ আৰু পদ্ধতিঃ

সমাজ-বাস্তৱতাৰ আধাৰত ৰচিত তথা ব্যক্তি-বিশেষৰ জীৱনচর্যাৰ চিত্রায়ণ ঘটা 'সুশীলা' উপন্যাসখনৰ পটভূমি, কাহিনীভাগৰ বৈচিত্র্য, কেন্দ্রীয় চৰিত্রৰ মানসিক দৃঢ়তা, কর্ম আৰু সফলতাৰ প্রতিচ্ছবিকে আমাৰ আলোচনাৰ পৰিসৰত সামৰি এই দিশসমূহ বিশ্লেষণাত্মক পদ্ধতিৰে বিচাৰ কৰাৰ প্রয়াস কৰা হৈছে।

****

০.৩ পূৰ্বকৃত অধ্যয়নৰ আভাস ঃ

দিলীপ চন্দনৰ 'সুশীলা' উপন্যাসৰ পৰিচয়জ্ঞাপক আলোচনা হৈছে যদিও গৱেষণামূলক অধ্যয়ন হোৱা নাই সেয়ে উপন্যাসৰ গৱেষণামূলক অধ্যয়নৰ আধাৰত আলোচনা কৰা হৈছে।

১. বিষয়ৰ পৰিচয়ঃ

আধুনিক অসমীয়া উপন্যাসক অগতানুগতিক বিষয়বস্তু তথা সুকীয়া কলা-কৌশলেৰে সমৃদ্ধ কৰি তোলা ঔপন্যাসিকসকলৰ ভিতৰত দিলীপ চন্দন এক সু-পৰিচিত নাম। ঔপন্যাসিকগৰাকীয়ে উপন্যাসৰ কাহিনীৰ মাজেৰে গভীৰ সামাজিক আদৰ্শ প্ৰতিষ্ঠাৰ প্ৰয়াস কৰি আহিছে। সমাজ জীৱনৰ বৈচিত্ৰ্যময় দিশবোৰক উপন্যাসৰ কাহিনীৰূপত সজোৱা তেওঁৰ উপন্যাসসমূহৰ ভিতৰত 'সুশীলা' (২০১৯) এখন অন্যতম জীৱনীমূলক উপন্যাস। গতিশীল সময় আৰু সমাজৰ পৰিৱৰ্তনৰ লগত খাপ খোৱাকৈ আগবাঢ়ি অহা নাৰীসমাজৰ অনন্য প্ৰতিভাধৰসকলৰ জীৱন আৰু কৰ্মৰ বৰ্ণময় ৰূপক জীৱনীমূলক উপন্যাসৰ মাজত বিচিত্ৰ ৰূপ অংকন কৰা দেখা গৈছে। এই ক্ষেত্ৰত সাৰ্থক এক উদাহৰণেই হ'ল আলোচ্য উপন্যাসখন। উপন্যাসখনত অসমৰ পাহাৰীয়া জিলা কাৰ্বি আংলংঙৰ অতি পিছপৰা ঠাইৰপৰা ওলাই গৈ কটন কলেজৰ পৰা আই এছ চি পাছ কৰি শিক্ষকতাৰ লগতে অলেখ সামাজিক কাম-কাজেৰে নিজক প্ৰতিষ্ঠা কৰাৰ লগতে অনেকৰ বাবে আজিও আদৰ্শনীয় আৰু অনুপ্ৰেৰণাৰ উৎস হৈ থকা সুশীলা মমিনৰ জীৱনটোৰ গতি পৰিক্ৰমাই নাৰী সমাজলৈ আদৰ্শনীয় বাৰ্তা বিয়পাই আছে। সুশীলা মমিনৰ জীৱন সাহস আৰু অদম্য কৰ্মস্পৃহা তথা সামাজিক দায়বদ্ধতা সকলোৰে বাবে অনুকৰণীয় হৈ ৰৈছে। উপন্যাসৰ পাতত তুলি ধৰা বাস্তৱৰ এই নাৰীগৰাকীৰ বৰ্ণময় জীৱনৰ কাৰ্যাৱলীকে বিচাৰ কৰি চোৱাই এই আলোচনাপত্ৰখনৰ মূল বিষয়বস্তু।

২. 'সুশীলা' উপন্যাসৰ কাহিনীবিন্যাসঃ

'সুশীলা' উপন্যাসৰ কাহিনীভাগৰ ৰূপৰেখা বাস্তৱৰ অধিক ওচৰচপা। ঔপন্যাসিকে মুঠ পোন্ধৰটা অধ্যায়ৰ মাজেৰে সুশীলাৰ জীৱন-আদৰ্শ, আত্মত্যাগৰ গৰিমা, সাহস, দায়বদ্ধতা পোহৰলৈ অনাৰ উপৰি দ্বিতীয় বিশ্বযুদ্ধৰ পৰিৱেশ, কাহিনীৰ স্থান কাৰ্বি আংলং তথা গোলাঘাট আৰু গুৱাহাটীৰ শৈক্ষিক আৰু আনান্য দিশকো উপন্যাসখনত সামৰি লৈছে।

সৰলৰৈখিক গতিৰে উপন্যাসখনৰ আৰম্ভণিতে কণমানি সুশীলাৰ পৰিচয় দাঙি ধৰিছে। মাতৃহীনা সুশীলাই নঙলামুখত বিষণ্ণমনে বেলি ডুবাৰ সময়ত শালমৰা বাগানৰ মহৰীৰ কাম কৰা দেউতাক গণেশ দত্ত কামৰ পৰা উভতি অহালৈ বাট চাই আছে। কামৰ তাগিদাত দেউতাকে দিনটো তাইক অকলেই ঘৰত এৰি যায়। নিঃসংগ সুশীলাক ঘূৰি আহি দেউতাকে সাৱটি মৰমেৰে ভাত-পানী খুৱাই যতন লয়। কিবা কামত তেওঁ গোলাঘাটলৈ গ'লেই সুশীলালৈ দুই এখন কিতাপ কিনি আনে। জীয়েক সুশীলাক মানুহ কৰাৰ সপোন দেখা গণেশ দত্তৰ আত্মপ্ৰত্যয়ৰ পৰিচয় ধৰা পৰিছে এনেদৰে —

> *"দিনৰ সাঁজ ৰান্ধি খাই দিনটো বাগিচাত থাকোঁতে বৰ চাহাব-সৰু চাহাবৰ নানা নিৰ্দেশ পালন কৰি ভাগৰি পৰে গণেশ। গতিকে উভতি আহি আকৌ এসাঁজ ৰন্ধাৰ ধৈর্য নাথাকে। ফটিকা এঢোক পেটত পেলাই সাৰ-সিকটি নোহোৱাকৈ বিছনাত লেবেজান হৈ পৰি থাকিবলৈকে মন যায়। কিন্তু মন গ'লেইতো নহ'ব, মৰমৰ শীলাজনীক খুৱাব লাগিব নহয়। তাইক ডাঙৰ কৰিব লাগিব। পঢ়াই শুনাই উচ্চ কৰিব লাগিব। বহু সপোন গণেশৰ। শীলাক হাকিম কৰাৰ সপোন দেখে। বগা চাহাবৰ সৈতে সমানে সমানে ফেৰ মাৰি জীয়েকেও ডাঙৰ কাম কৰাৰ কল্পনা কৰে। আৰু বহুত কিবাকিবি — লানি নিছিগা সপোন। জীয়েকক লৈয়ে গণেশৰ জীৱন।"*[১]

উপন্যাসখনৰ দ্বিতীয় অধ্যায়ত সুশীলাৰ মাকৰ অকাল মৃত্যু হোৱা দেওবাৰৰ দিনটোত জীয়েকক লৈ গণেশে গিৰ্জালৈ যোৱাৰ কথা সাৱলীল ৰূপত অংকন কৰিছে। গণেশৰ বাবে এই দিনটো বিশেষ দিন। স্মৃতিৰ

****

মাজৰ পৰা ইটো-সিটো স্মৃতি উলিয়াই আনে। কাতিমহীয়া কুঁৱলীৰে ভৰা এই দিনটোতে পত্নীবিহীন গণেশে সুশীলাক লৈ গৈ গির্জাত সময় কটায়। চাইকেলত শীলাক তুলি গির্জালৈ নিয়াৰ আনন্দতে গোটেই সপ্তাহটোৰ শেষৰ দেওবাৰটোলৈ অধীৰ আগ্রহেৰে বাট চাই থাকে শীলাই। দেওবৰীয়া গির্জালৈ যোৱাৰ দিনটো কিবা অলপ বেলেগ। তথাপিও আজিৰ দেওবাৰটো আৰু অলপ বেলেগ।

"তায়ো জানে আজিৰ দেওবৰীয়া গির্জালৈ যোৱা দিনটো কিবা অলপ বেলেগ। কালিয়ে কৈ থৈছে বাপেকে। বোলে ঈশ্বৰক প্রার্থনা কৰিলে কোনোবা দিনা আকাশৰ মেঘৰ মাজৰ পৰা মাক উভতি আহিব পাৰে।"[২]

ঔপন্যাসিকে এই অংশতে গির্জাৰ ইটো পাৰে থকা মিছনেৰী স্কুলখনৰ প্রসংগ অৱতাৰণা কৰিছে। ১৯১৯ চনৰ জুলাই মাহতে স্থাপন হোৱা স্কুলখনত ছাত্রীসকলক ৰাখিব পৰাকৈ বর্তমান পকীঘৰ আৰু হোষ্টেলো হৈছে। গতিকে গণেশৰ শীলাক তাত পঢ়ুৱাবলৈ বৰ হেঁপাহ । সেয়ে গির্জালৈ আহিলেই তেওঁ স্কুলখনৰ বুজ লয়। এই অধ্যায়ত মিছনেৰীসকলৰ শিক্ষা প্রচলনৰ ইতিহাস তথা গোলাঘাটৰ সামগ্রিক চিত্র দাঙি ধৰিছে। গণেশে বন্ধু ৰিপনৰ সৈতে সুশীলাক লৈ নানা পৰিকল্পনা কৰে। ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধই সমগ্র বিশ্ব কঁপাই তুলিছে। জাপানী সৈন্য আহি ইম্ফল আৰু ক'হিমা অৱৰোধ কৰে। এনে পৰিস্থিতিত ব্রিটিছৰ অধীনৰ বাগানৰ কর্মচাৰী হেতুকে গণেশক খাদ্য পৰিদর্শক হিচাপে তৎকালীনভাৱে যুদ্ধলৈ চালান দিয়া হয়। জীয়েকক মাত্র আধাঘণ্টাৰ বাবে লগ কৰি পুৱতি নিশাই যুদ্ধৰ গাড়ীত উঠিব লগা হোৱা গণেশৰ মর্মবেদনাই অন্তৰ দহে —

"পুৱতি নিশাতে মাত্র আধাঘণ্টা সময় দি গণেশক টালি টোপোলা বান্ধি যুদ্ধলৈ যোৱাৰ বাবে নির্দেশ দিয়া হৈছিল। মাত্র আধাঘণ্টা সময়। চকুৰ পানীৰে বাট নেদেখা হৈ কলিজাৰ শীলাজনীক কেৱল চুমা খাইছিল। বাৰে বাৰে চুমা খোৱা পিতৃৰ আৱেগবিহ্বল অৱস্থা চাই চাই সেই পুৱতি নিশা সাৰ পাই উঠা শীলায়ো চাগে কিবা বুজি পাইছিল। বিছনাত উঠি বহি দেউতাকৰ ডিঙিত ওলমি বাৰে বাৰে 'চুম' দিছিল।" [৩]

গণেশে ভায়েক আৰু ভাইবোৱাৰীয়েকক সুশীলাক সঁপি দি তাইক চাবলৈ কৈ যুদ্ধলৈ যাব লগা হ'ল। যুদ্ধত নিউমোনিয়াত পৰি গণেশৰ মৃত্যু হ'ল। ইফালে কণমানি সুশীলাই দেউতাক আহিব বুলি সদায় বাট চাই থাকে। ইফালে মাক-দেউতাক নথকা সুশীলাক দুখে আগুৰি ধৰে আৰু এদিন জেঠায়েক আহি তাই লৈ গৈ মিছনেৰী স্কুলত ভর্তি কৰি দিয়ে — যিখন স্কুলত তাইক পঢ়ুৱাবলৈ গণেশে সপোন দেখিছিল। স্কুলৰ অধ্যক্ষা মিছ ইভান্সৰ মৰম আৰু আৱদাৰ তথা ছাত্রীনিৱাসৰ মিছ ৰবিনছনৰ তত্ত্বাৱধানত সুশীলাৰ নতুন জীৱন আৰম্ভ হয়। মাক-দেউতাকে এৰি যোৱাৰ পাছত জেঠায়েক আৰু মোমায়েক ৰিপনে তাইক স্কুলত এৰি গ'ল যদিও এজাক সমনীয়াৰ লগত তাই জীৱনৰ আদিপাঠ গ্রহণ কৰিবলৈ ধৰে। গোলাঘাট মিছনেৰী স্কুলৰ পৰা মেট্রিক পাছ কৰি এদিন সুশীলাই কটনত পঢ়িবলৈ যায়। ছাত্রীবাৰী খ্রীষ্টান হাস্পতালৰ চৌহদৰ ছাত্রীনিৱাসত থাকি বিজ্ঞান শাখাত পঢ়িবলৈ আৰম্ভ কৰে। মনে মনে তাই নান হৈ সমাজসেৱা কৰিবলৈ মন বান্ধে। ফলাফল নোলোৱালৈকে দিনকেইটা গোৱালপাৰাৰ হল্টু গাঁৱৰ স্কুলত শিক্ষকতা কৰিবলৈ সুশীলা আগবাঢ়ি আহে যদিও অৱশেষত ছাত্র- ছাত্রীৰ মোহত আৱদ্ধ হৈ নান বা ডাক্তৰ হোৱাৰ আশা বাদ দি গোৱালপাৰাতে শিক্ষক হিচাপে থাকি যায়।

ইতিমধ্যে বিক্রম ৰেডলি মমিনৰ লগত সুশীলা বিয়াত বহে। বিয়াৰ পাছত জপৰাজানৰ শহৰৰ গাঁৱতে নিগাজীকৈ বসতি স্থাপন কৰে নৱদম্পতীয়ে। কর্মহীন আৰু আচহুৱা, জয়াল কার্বি আংলঙত নানা অসুবিধাৰ মাজেদি আৰম্ভ হয় আন এক জীৱন-সংগ্রাম। অভাব-অনাটন নেওচি সাতটাকৈ ল'ৰাক মানুহ কৰাৰ সংগ্রাম উপন্যাসখনত তুলি ধৰা হৈছে। অৱশেষত সাতোটা ল'ৰাকে ইঞ্জিনীয়াৰ, সেনা, শিক্ষক তথা ডাক্তৰৰ দৰে পদত অধিষ্ঠিত কৰি সুশীলাই যেন এক প্রাপ্তি লাভ কৰে। তাৰ মাজতেই গিৰীয়েক বিক্রমৰ মৃত্যু হয়। এটি পুত্র নিৰুদ্দেশ হয়। এজনৰ মৃত্যু হয়। ৮৩ বছৰীয়া সুশীলাই আজি স্বামী বিক্রম আৰু শহুৰ দত্ত সিং মাৰাকক মনত পেলায়। পিতৃৰ

****

ইচ্ছাক পুতেক নোমল মমিনে ডাক্তৰ হৈ যেন সম্পূর্ণ কৰে। ইতিমধ্যে ডঃ নোমল মমিনে বোকাজান সমষ্টিৰ পৰা বিধায়ক নির্বাচিত হৈ যেন আইতাক ৰানজে (ছেমছুন ছিং ইংতিৰ মাহীয়েক) পৰিয়ালৰ সমাজসেৱাৰ পথকে গ্রহণ কৰে।

কাহিনীৰ শেষলৈ ৮৩ বছৰীয়া সুশীলাই পুত্র-বোৱাৰীয়েকৰ গৃহত থাকি অতীত ৰোমন্থন কৰে। যেন গিৰীয়েকে নাও লৈ ধনশিৰিয়েদি আহি ৰিঙিয়াই মাতেহি —

"মুখত বিমল হাঁহিৰ ৰেখ এটাৰে চিলমিলীয়া টোপনিত পৰি তেনেকৈয়ে ধীৰে ধীৰে নিদ্রাদেৱীৰ কোমল কোলাত গভীৰ টোপনিত ঢলি পৰে। নিদ্রাৰত হৈও পিছে সুশীলাই বাৰে বাৰে দেখে যেন জীৱনৰ পৰা হেৰাই যোৱা পৰিয়ালৰ আটাইবোৰ লগ হৈ সুশৃংখলিতভাৱে হাতত হাত ধৰি মানৱ শৃংখল তৈয়াৰ কৰি ধনশিৰিৰ পাৰৰ সেউজীয়া দলিচাৰ বুকুত থিয় হৈ ৰৈ আছে।" [৪]

৩. অদম্য সাহস, কর্মস্পৃহা, সংগ্রাম আৰুঃায়বদ্ধতাৰ স্বৰূপঃ

'সুশীলা' উপন্যাসখনত সুশীলাৰ জীৱন-সংগ্রামৰ সঁচা ছবিখন অংকিত হৈছে। পিছপৰা পাহাৰীয়া ঠাইত জনজাতীয় এগৰাকী শিক্ষিতা নাৰীয়ে কিদৰে সমাজসেৱা কৰাৰ লগতে পৰিয়ালৰ দায়িত্ব পালন কৰিছিল তাৰ জীৱন্ত উদাহৰণ হ'ল সুশীলা মমিন। সুদূৰ কার্বি আংলংঙৰ পৰা মিছনৰ শিক্ষাৰ জৰিয়তে কটন কলেজত পঢ়িবলৈ ওলাই যোৱাটোৱেই আছিল সুশীলা মমিনৰ জীৱন পথৰ অন্যতম সোপান। কটন কলেজৰপৰা আই এছ চি পাছ কৰি উঠিয়েই সুশীলাই শিক্ষকতা কৰাৰ মন মেলি আওহতীয়া গোৱালপাৰা জিলাৰ হল্টুগাওঁ পাইছিলগৈ। অৱশ্যে হল্টুগাঁৱৰ মিছন স্কুলত শিক্ষকতা কৰি থাকোঁতেই সুশীলাক দত সিং মাৰাকৰ পুত্র তথা গোৱালপাৰা গির্জাত কাম কৰা দিলাওজানৰ যুৱক বিক্রম মাৰাকে বিবাহ কৰালে। বিবাহৰ পিছত বিক্রমে মাক ৰানজেৰ যোৰহাটৰ ঘৰত সুশীলাক কিছুদিন ৰাখি দিলাওজানৰ দেউতাকৰ গৃহলৈ গ'ল। শহুৰেক দত সিঙে পুতেক-বোৱাৰীয়েকক দিলাওজান এৰি নাযাবলৈ অহৰহ কৈ থাকিবলৈ ধৰিলে আৰু অৱশেষত সেইটোৱেই হ'ল। দিলাওজানৰ হাবিতলীয়া ঠাইতে ঘটনাক্রমে আৰম্ভ হ'ল বিক্রম-সুশীলাৰ সংগ্রামী জীৱন।

'বাপেকৰ ইচ্ছাত হয়ভৰ দি মাকৰ সন্মতিসাপেক্ষে বিক্রম-সুশীলাৰ যুগ্ম জীৱনৰ নতুন ভেটি তৈয়াৰ হ'ল দিলাওজানৰ মাটিত। সকলোৰে অগোচৰে অলপ অলপকৈ ওখ হ'বলৈ ধৰিলে এটা নতুন সাহসৰ ভেটি। মহাকালেও যেন গভীৰ প্রত্যয়ৰ সুদীর্ঘ শ্বাস এটি স্বস্তিৰেহে এৰিলে।' [৫]

প্রথম তিনিটা ল'ৰা সন্তানক ককাকৰ ওচৰত থৈ সুশীলা সদায় বিক্রমৰ লগত পথাৰলৈ যায়। কষ্টকৰ দিনবোৰৰ মাজতো এখন বিৰাট ভৰা ঘৰৰ সুখে অহর্নিশে তাইক বেৰি ৰখাটো অনুভৱ কৰে। উপন্যাসখনত সুশীলাৰ ব্যস্ততাভৰা কর্মময় জীৱনৰ ৰূপ প্রকাশ কৰিছে এনেদৰে - *'সুশীলাৰ ভীষণ কষ্ট হয়। তথাপি গিৰীয়েক আৰু শহুৰেকৰ মৰমত পমি গৈ সকলো দুখ-কষ্ট পাহৰি থাকে। নতুন এটা জীৱনৰ জাগতিক সুখে বুকুখন ভৰাই থয়। কষ্টৰ মাজতে ভাল লাগে।'* [৬]

বিক্রম মাৰাকে স্কুলৰ চাৰৰিটো এৰি দিয়াৰ পিছত সুশীলাৰ দিনবোৰ আৰু কষ্টকৰ হৈ উঠে। সাতোটাকৈ উটি অহা ল'ৰাৰ পেটৰ ভোক গুচাব পৰাকৈ খোৱামুঠিৰ যোগাৰ নোহোৱাৰ বাবে সুশীলাৰ থৰকাছুটি হেৰাই যায়। সেই সময়ত তাইৰ ভীষণ দুখ আৰু কষ্ট হয়। সুশীলাৰ মনৰ ক্ষোভ উপন্যাসখনত ফুটি উঠিছে এনেদৰে -

অপৰিসীম কষ্টক স্বীকাৰ কৰিও সাহস নেহেৰুৱা সুশীলাই সদায় পুতেকহঁতৰ নৈতিকতা আৰু সামাজিক দায়বদ্ধতাৰ পাঠ দিয়ে। সাতোটা পুতেকক এক হৈ থাকিবলৈকে মিছনৰ ধর্মীয় নাতি আদর্শবোৰেৰে বান্ধি ৰাখিব বিচাৰে। পবিত্রতাৰে তেওঁলোকো বান্ধ খায়।

চতুর্থ পুতেক সেনাবাহিনীত সোমোৱাৰ পিছত ঘৰলৈ পঠিওৱা ধনেৰেই খন্দোৱাত বা বন্ধকত থোৱা মাটিখিনি মোকলোৱাৰ পৰাহে সুশীলাৰ পৰিয়ালৰ ঋণ দায়গ্রস্ততাৰ ওৰ পৰিল। ঘৰখনৰ পুত্রকেইটি আঁতৰত থকা দুখটোৱে সুশীলাৰ

****

বুকুখন উদং উদং কৰি ৰাখিবলৈ ধৰিলে। দুখ-দৈন্য, দায়িত্ববোধৰ মাজতে আহি পৰা সৰু সৰু প্ৰাপ্তিতে সুশীলাই সন্তুষ্টি লভিবলৈ ধৰিলে। তেতিয়াও তেওঁ একেই দায়িত্ববোধৰ গৰাকীয়েই -

'ঘৰখনৰ বাবে ত্যাগ কৰি যোৱাটোৱেই যেন সুশীলাৰ ধৰ্ম। বিক্ৰমে ভাবি থাকে মনে মনে, সুশীলা হয়তো যীশুৰ আশীৰ্বাদপুষ্ট এক পবিত্ৰ আত্মা। ল'ৰাহ'তে অৱশ্যে এই নিঃস্ব, সন্ন্যাসিনীসদৃশ তিৰোতাজনীত ৰাণী এলিজাবেথৰ দৰে সন্মান দিয়ে।'[৭]

সংকটৰ মাজতে নৰ সম্ভাৱনাৰ দুৱাৰ খোল খালে সুশীলাৰ। বিক্ৰম মাৰাকৰ বায়েক ৰেণুপমা হৈ পৰিল সুশীলাৰ পুতেকৰ বাবে দেৱদূতসদৃশ। সৰু পুত্ৰ নোমল মমিনক তেওঁ দিলাওজানৰপৰা উলিয়াই লৈ গৈ নিজৰ তত্ত্বাৱধানত ৰাখি কটন কলেজত বি.এ. পঢ়ুৱালে আৰু মেডিকেলৰ এণ্ট্ৰেন্স পাছ কৰোৱাই ডাক্তৰী পঢ়ুৱালে। তেৱেঁই কালক্ৰমত গুৱাহাটী মেডিকেল কলেজৰ মেডিচিন বিভাগৰ সহকাৰী অধ্যাপকৰ পদৰ পৰা অব্যাহতি লৈ প্ৰত্যক্ষ ৰাজনীতিত জড়িত হৈ অসম বিধানসভাৰ বোকাজান সমষ্টিৰ বিধায়ক আৰু বৰ্তমান বিধানসভাৰ উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

এটা এটাকৈ সাতোটাকৈ পুতেকক সফলভাবে প্ৰতিষ্ঠিত কৰা সুশীলা মমিনে শাৰীৰিক, মানসিক দুখ-কষ্টক একাষৰীয়া কৰি আজিও অটল হৈ আছে। চকুৰ আগতে স্বামী আৰু দুই পুত্ৰ কানাই আৰু ছিলভেষ্টাৰক হেৰুৱালে, হেৰুৱালে দ্বিতীয় পুত্ৰৰ বোৱাৰীক। অতীত ৰোমন্থনত আজিও অনুপ্ৰেৰণা পায় তেওঁ। অৱশ্যে তাৰ মাজতে একালৰ সংগ্ৰামৰ দিনবোৰত খাবলৈ কমকৈ পোৱাৰ পৰত পুতেক চিলভেষ্টাৰৰ উঠা অঁকৰা খংটোৰ কথা মনত পেলাই তেওঁ আজিও চকুলো টোকে।

'ভাত বা ৰুটী যিয়েই নাথাকক কিয়,- ভাগত কমকৈ পৰাৰ বাবে খোৱাৰ পাতত কেইবাদিনো কাঁহীখন ঠেলা মাৰি থৈ আধা খোৱাকৈ বা নোখোৱাকৈ? উঠি গুচি যায়। কানোদনত ভাগি পৰে সুশীলা। চৰম দাৰিদ্ৰৰে ভৰা ঘৰখনত ৭টাকৈ ডেকা ল'ৰাৰ বাবে নূন্যতম খোৰামুঠিৰ যোগাৰ হৈ নুঠাৰ দুখ আৰু ক্ষোভ। ছিলভেষ্টাৰৰ খং দেখি মজিয়াত একেলগে খাবলৈ বহা বাপেককে ধৰি বাকীকেইটা ককাই-ভাই মনে মনে থাকে,- মুখেৰে টু শব্দ এটাও নকৰে।' (দিলীপ চন্দন, সুশীলা, পৃ. ১২১)

৪. উপসংহাৰঃ

দিলীপ চন্দনৰ দ্বাৰা ৰচিত 'সুশীলা' উপন্যাসখনত বাস্তৱৰ এগৰাকী সঁচা নাৰীৰ কৰ্মস্পৃহা, অদম্য সাহস আৰু মনৰ একাগ্ৰতাৰ ছবিখনকে কাহিনীৰ মাজেৰে পোনপটীয়াকৈ উন্মোচিত হৈছে।

মনৰ একান্ত দৃঢ়তা আৰু সংকল্প থাকিলে ব্যক্তিয়ে কিদৰে সফলতাৰ পথত খোজ পেলাবলৈ সক্ষম হয়, তাৰ সাৰ্থক উদাহৰণ হ'ল সুশীলা মমিন। সৰুতেই মাকক হেৰুওৱা সুশীলাই মিছন স্কুলত পঢি উঠি একেই উদ্যমেৰে কটন কলেজৰ পৰা আই. এছ. চি পাছ কৰিয়েই গোৱালপাৰাৰ হল্টুগাঁৱৰ দৰে ঠাইত গৈ স্কুলৰ শিক্ষয়িত্ৰী হৈছিলগৈ।

সুশীলা মমিনৰ ধৈৰ্যশীল, শৃংখলাবদ্ধ, বিদ্যানুৰাগী মনৰ পৰিচয় উপন্যাসখনৰ স্তৰে স্তৰে বিৰাজমান।

সাংসাৰিক দুখ-কষ্টক বুদ্ধি আৰু সৎ চিন্তা, সৎ কৰ্মৰে শৃংখলিত কৰি প্ৰতিকূলতাক সফলতালৈ ৰূপান্তৰ ঘটোৱা সুশীলা মমিন নাৰী সমাজৰ অগ্ৰণীৰূপে সমাজত জিলিকি আছে।

ঔপন্যাসিক দিলীপ চন্দনে বলিষ্ঠ কথনশৈলীৰে সৰলৰৈখিকভাৱে কাহিনী বিবৃত কৰা উপন্যাসখনৰ আন্তঃগাথনি সবল, ভাষাও পোনপটীয়া।

বিংশ শতিকাৰ এগৰাকী বিদূষী মহিলা সুশীলা মমিনৰ জীৱন পৰিক্ৰমাৰ লগতে বিশাল আৰু সুগভীৰ ব্যক্তিত্বক প্ৰতিফলন ঘটোৱা 'সুশীলা' উপন্যাসখনৰ তথ্যসমৃদ্ধ কাহিনীভাগ সুসমন্বিত আৰু সুখপাঠ্য হৈ উঠিছে।

****

প্রসংগ টোকাঃ

[১] *দিলীপ চন্দন, সুশীলা,পৃ. ১৬-১৭*
[২] *দিলীপ চন্দন, সুশীলা ,পৃ. ২০-২১*
[৩] *দিলীপ চন্দন, সুশীলা ,পৃ. ২৮*
[৪] *দিলীপ চন্দন, সুশীলা ,পৃ. ১২৫*
[৫] *দিলীপ চন্দন, সুশীলা ,পৃ. ৮৬*
[৬] *দিলীপ চন্দন, সুশীলা ,পৃ. ৮৮*
[৭] *দিলীপ চন্দন, সুশীলা ,পৃ. ১১২*

গ্রন্থপঞ্জীঃ

মুখ্য গ্রন্থঃ

দিলীপ চন্দন ঃ **সুশীলা**, প্রকাশক -অনুপমা হাজং, বেলতলা ,গুৱাহাটী, প্রথম প্রকাশ, নৱেম্বৰ, ২০১৯

সহায়ক গ্রন্থঃ

দেৱী, জাহ্নৱী ঃ **অসমীয়া জীৱনী ভিত্তিক উপন্যাস**, চন্দ্র প্রকাশ, গুৱাহাটী-১, প্রথম প্রকাশ, জুলাই , ২০০৫

মিশ্র, কৃষ্ণ কুমাৰ ঃ **প্রসংগ উপন্যাস**, অসম প্রকাশন পৰিষদ, গুৱাহাটী, প্রথম প্রকাশ , ২০০৮

সহায়ক আলোচনীঃ

শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.), **গৰীয়সী**, সাহিত্য প্রকাশ, গুৱাহাটী, ত্রয়োদশ বছৰ, ষষ্ঠ সংখ্যা, মার্চ,২০০৬

শর্মা পূজাৰী, অনুৰাধা (সম্পা.) **সাতসৰী**, সাদিন প্রিন্টার্চ, বামুণীমৈদাম, গুৱাহাটী, ষোড়শ বছৰ, পঞ্চম সংখ্যা, ডিচেম্বৰ,২০২০

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত প্ৰতিফলিত পাৰিপাৰ্শ্বিক সংবেদনশীলতা

ড° তাম্ৰপালি ৰাজকোঁৱৰ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
পণ্ডিত দীনদয়াল উপাধ্যায় আদর্শ মহাবিদ্যালয়, দলগাঁও, দৰং

সাৰাংশ

প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক অতি নিবিড়। কিন্তু বিশ্বায়নৰ আগ্ৰাসনৰ লগে লগে পাৰিপাৰ্শ্বিক জগতখনলৈ নানা পৰিৱৰ্তন, সংশয় আৰু সংকট আহিবলৈ ধৰিলে। মানুহো যিহেতু এই পাৰিপাৰ্শ্বিক অৱস্থাৰে এক অংশ গতিকে মানৱ সমাজেও ইয়াৰ প্ৰভাৱত বৰ্তমানে নানা সমস্যাৰ সন্মুখীন হ'বলৈ লৈছে। এনে এক প্ৰেক্ষাপটতে ১৯৭০ চনৰ শেষৰফালে উদ্যোগীকৰণ, নগৰীকৰণ আদিৰ ফলত উদ্ভৱ হোৱা পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত পৰা প্ৰভাৱ সম্পৰ্কে আলোচনা-অধ্যয়ন কৰিবলৈ 'পাৰিপাৰ্শ্বিক সমালোচনা' শীৰ্ষক অধ্যয়নৰ বাট মুকলি কৰা হয়। প্ৰকৃতি আৰু মানুহৰ মাজত পাৰস্পৰিক ভাৰসাম্য ৰক্ষা কৰাৰ মাজেৰে উভয়ৰে ৰক্ষণাৱেক্ষণ সম্পৰ্কে ইয়াত আলোচনা কৰা হয়। পাৰিপাৰ্শ্বিক সমস্যাবোৰ সমাধানৰ বাবে দূৰদৰ্শী বৈজ্ঞানিক দৃষ্টিভংগী, ৰাজনৈতিক তৎপৰতাৰ লগতে সামাজিক মূল্যবোধ আৰু মানৱিক সংবেদনশীলতাৰো সমানে প্ৰয়োজনীয়।

এই আলোচনা পত্ৰত লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত পাৰিপাৰ্শ্বিক সমালোচনাৰ আধাৰত মানুহ আৰু প্ৰকৃতিৰ মানুহ ভিন্ন অন্য জগতৰ লগত থকা আন্তঃসম্পৰ্ক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে। অধ্যয়নৰ পদ্ধতি হিচাপে বিষয় বিশ্লেষণ পদ্ধতি আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায় গ্ৰহণ কৰা হৈছে।

বীজ শব্দঃ পাৰিপাৰ্শ্বিক সমালোচনা, লুম্মেৰ দাই, মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, পাৰিপাৰ্শ্বিক সংবেদনশীলতা

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

গোলকীয় উষ্ণতা বৃদ্ধি, প্ৰদূষণ, বৰ্দ্ধিত জনসংখ্যা, পৰিৱেশৰ ভাৰসাম্যহীন অৱস্থা আদি বিভিন্ন কাৰকে সমগ্ৰ বিশ্বৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। পৰিৱেশতন্ত্ৰৰ ওপৰত হোৱা এই অৱক্ষয়ৰ বিৰুদ্ধে এক সচেতনতা গঢ়ি তোলাৰ অৰ্থে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধ বিশেষকৈ নব্বৈ দশকৰপৰা 'পাৰিপাৰ্শ্বিক সমালোচনা' নামৰ এক বিশেষ সাহিত্য-সমালোচনাই চৰ্চা লাভ কৰিবলৈ আৰম্ভ কৰে। ইংৰাজীত এইবিধ সমাললোচনা সাহিত্যক 'Ecocriticism' বুলি কোৱা হয়। এইক্ষেত্ৰত ১৯৭৮ চনত পোনতে উইলিয়াম ৰুকার্টে (William Rueckert) তেখেতৰ শীৰ্ষক Literature and Ecology: An Experiment in Ecocriticism ৰচনাখনত পাৰিপাৰ্শ্বিক সমালোচনা (Ecocriticism) শব্দটো প্ৰথমে ব্যৱহাৰ কৰিছিল। এই সমালোচনা সাহিত্যই প্ৰধানতঃ সমগ্ৰ জগতখনে প্ৰকৃতিক কিদৰে চায়, প্ৰকৃতি সম্পৰ্কত মানুহৰ ব্যক্তিগত আৰু সামাজিক ৰুচি, প্ৰকৃতি ধ্বংসৰ কাৰণসমূহ, পৰিৱেশৰ

****

সৈতে জড়িত ৰাজনৈতিক, অর্থনৈতিক, ধর্মীয় কাৰক, আধুনিক বিজ্ঞান-প্রযুক্তিয়ে সৃষ্টি কৰা প্রদূষণ আদি বিভিন্ন বিষয় সামৰি লোৱাৰ লগতে প্রকৃতিৰ ওপৰত হোৱা শোষণ-অত্যাচাৰে মানুহৰ খাদ্য, স্বাস্থ্য, আশ্রয়লৈ কিদৰে সংকট আনিছে আদি দিশসমূহো সামৰি লয়।

অসমীয়া সাহিত্যৰ ক্ষেত্রখনত মৌখিক সাহিত্যৰ সময়ৰপৰাই প্রকৃতিৰ বিভিন্ন উপাদানৰ চিত্রণ দেখা পোৱা যায় যদিও সচেতনভাৱে প্রকৃতিৰ ওপৰত হোৱা নির্মম অত্যাচাৰ, ধ্বংসলীলা, পৰিৱেশৰ অৱক্ষয়, প্রকৃতি তথা জৈৱ-বৈচিত্র্য সংৰক্ষণৰ প্রচেষ্টা আদিক লৈ সাহিত্য ৰচনাৰ আৰম্ভণি একবিংশ শতিকাত আৰম্ভ হোৱা বুলি ক'ব পাৰি। এই আলোচনা পত্রত বিংশ শতিকাৰ ষাঠিৰ দশকত প্রকৃতি সচেতন উদ্দেশ্যে ৰচিত নহ'লেও অৰুণাচল প্রদেশৰ আদি জনগোষ্ঠীৰ ঔপন্যাসিক লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত মানুহ আৰু মানুহ ভিন্ন প্রকৃতিৰ অন্য উপাদানৰ লগত গঢ়ি উঠা গভীৰ আন্তঃসম্পর্ক কিদৰে চিত্রিত হৈছে সেয়া বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

পাৰিপার্শ্বিক সমালোচনাৰ আধাৰত লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত মানুহ আৰু মানুহ ভিন্ন প্রকৃতিৰ অন্য উপাদানৰ মাজত গঢ় লৈ উঠা আন্তঃসম্পর্কৰ বিশ্লেষণ অধ্যয়ন কৰাই এই আলোচনাৰ মূল উদ্দেশ্য।

০.৩ অধ্যয়নৰ গুৰুত্বঃ

একবিংশ শতিকাত পৰিৱেশতন্ত্রৰ ওপৰত অহা প্রত্যাহ্বানত শংকিত হৈ সমগ্র বিশ্বত ইয়াৰ সংৰক্ষণ আৰু সজাগতা সৃষ্টিৰ অর্থে সচেতন ৰূপত প্রকৃতি বা পৰিৱেশৰ বিভিন্ন উপাদানক লৈ সাহিত্য ৰচনা হ'বলৈ ধৰিলে। কিন্তু সম্পূর্ণ সচেতন উদ্দেশ্যৰে এই চিন্তাধাৰাই লেখকসকলৰ মনত ক্রিয়া কৰাৰ আগতেই লুম্মেৰ দাইৰ ৰচনাৰ মাজত ইয়াৰ আংশিক নিদর্শন প্রতিফলিত হোৱাৰ বাবে এই অধ্যয়নৰ গুৰুত্ব আছে বুলি ক'ব পাৰি।

০.৪ অধ্যয়নৰ পৰিসৰঃ

এই আলোচনা পত্রত লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত পাৰিপার্শ্বিক সমালোচনাৰ আধাৰত গিদুম নামৰ এগৰাকী বৃদ্ধা আৰু বমং নামৰ কুকুৰটোৰ মাজত থকা গভীৰ সম্পর্কৰ মাজেদি প্রকৃতি আৰু মানুহৰ আন্তঃসম্পর্ক অধ্যয়ন কৰিবলৈ বিচৰা হৈছে।

০.৫ অধ্যয়নৰ পদ্ধতিঃ

ক) বিষয় বিশ্লেষণ পদ্ধতিঃ

সাহিত্য পাঠ এটাৰ বিষয়বস্তু, গঠন আৰু কার্যকাৰিতা সম্পর্কে সাহিত্য অধ্যয়নৰ এই পদ্ধতিত আলোচনা কৰা হয়। পাঠ এটিৰ সকলোধৰণৰ অর্থ অর্থাৎ আক্ষৰিক অর্থৰপৰা আৰম্ভ কৰি আভ্যন্তৰীণ অর্থ, প্রতীক, মূল্যবোধ সকলো এই পদ্ধতিত অধ্যয়ন কৰা হয়। এই বিষয় বিশ্লেষণপদ্ধতিৰ আধাৰত *মন আৰু মন* উপন্যাসখনৰ পদ্ধতিগত এক অধ্যয়ন আগবঢ়োৱা হৈছে।

খ) বর্ণনাত্মক পদ্ধতি

এই পদ্ধতিৰ সহায়ত সাহিত্য পাঠটো ক'ত, কিদৰে, কেনেধৰণৰ পর্যবেক্ষণ, লিপিবদ্ধ, বিশ্লেষণ কৰিছে সেই সম্পর্কে অধ্যয়ন কৰা হ'ব।

১.০ মূল আলোচনাঃ

১.১ পাৰিপার্শ্বিক সমালোচনা আৰু জু ক্রিটিচিজিম (Zoo Criticism)ঃ

সাধাৰণতে পাৰিপার্শ্বিক জগতখনক ক্রমান্বয়ে গ্রাস কৰি অহা সংকটসমূহলৈ লক্ষ্য কৰি সাহিত্যত প্রকৃতি সম্পর্কীয় শংকা বা সচেতনতাৰ দিশসমূহৰ বিষয়ে অধ্যয়নৰ বাবে কৰা চিন্তা-চর্চাৰ মাজতেই 'পাৰিপার্শ্বিক সমালোচনা' নামৰ অধ্যয়ন ক্ষেত্রৰ জন্ম হৈছিল বুলি ক'ব পাৰি। এই পাৰিপার্শ্বিক সাহিত্য সমালোচনা কেইবাটাও

****

দিশৰ আধাৰত আলোচনা কৰা হয়। তেনে উল্লেখযোগ্য অৱধাৰণাসমূহৰ ভিতৰত গভীৰ পৰিৱেশ বিজ্ঞান (Deep Ecology), পাৰিপার্শ্বিক নাৰীবাদ (Eco feminism), স্থানভিত্তিক পাৰিপার্শ্বিক সমালোচনা (Place-Based Ecocriticism), Zoo Criticism আদি উল্লেখযোগ্য।

পাৰিপার্শ্বিক সমালোচনাৰ ক্ষেত্ৰখনত শেহতীয়াভাৱে চর্চিত এক অৱধাৰণা হৈছে 'Zoo Criticism'। এই অৱধাৰণাই মূলতঃ সাহিত্য পাঠত মানুহ ভিন্ন প্ৰকৃতিৰ অন্য প্ৰাণীসমূহৰ উপস্থাপন কিদৰে কৰা হৈছে সেই সম্পর্কে বিশ্লেষণ কৰাৰ সমান্তৰালভাৱে মানুহ আৰু মানুহ ভিন্ন প্ৰাণীৰ মাজৰ সম্পর্ক অধ্যয়ন কৰে। পৰিস্থিতি তন্ত্ৰ একোটাত পশু-পক্ষীবোৰ বিশেষ ভূমিকা থাকে গতিকে তেওঁলোকৰ ওপৰত হিংসা বা অত্যাচাৰ মানে সমগ্ৰ প্ৰকৃতিৰ ওপৰত অত্যাচাৰ। সমগ্ৰ বিশ্বৰ সাহিত্যতে বিভিন্ন প্ৰসংগত মানুহ ভিন্ন অন্য প্ৰাণীসমূহে স্থান লাভ কৰা দেখা যায়। কিন্তু বেছিভাগ সাহিত্য পাঠতে মানুহৰ সম সংগী হিচাপে এই প্ৰাণীসমূহক উপস্থাপন কৰা নহয় নতুবা মানুহতকৈ সিমান গুৰুত্বপূৰ্ণ ৰূপত চিত্ৰিত কৰা নহয়। তাৰ সলনি বিশ্বাসযোগ্য সংগী বা সহায়কাৰী হিচাপে কোনো পাঠত এই প্ৰাণীসমূহৰ চিত্ৰণ হয়। অন্যহাতে কেতিয়াবা আকৌ মানুহৰ হাতত ইহঁতৰ শোষিত ৰূপটোও অংকিত হয়। গ্ৰাহাম হাগগান (Graham Huggan) আৰু হেলেন টিফিনে (Helen Tiffin) যুটীয়া ৰূপত *Postcolonial Ecocriticism: Literature, Animals and Environment* (2010) শীৰ্ষক গ্ৰন্থত এই অৱধাৰণাটো প্ৰথমে ব্যৱহাৰ কৰিছিল। য'ত পৰিৱেশকেন্দ্ৰিক পৰিস্থিতি আৰু ভৌগলিক অৱস্থাৰ আধাৰত মানুহ আৰু মানুহ ভিন্ন প্ৰকৃতিৰ অন্য প্ৰাণীৰ আন্তঃসম্পর্ক অধ্যয়ন কৰা হয়। এই আলোচনাত 'Zoo Criticism'ৰ আধাৰত লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত প্ৰতিফলিত মানুহ আৰু মানুহ ভিন্ন অন্য প্ৰাণীৰ আন্তঃসম্পর্ক বিশ্লেষণ কৰা হৈছে।

১.২ লুম্মেৰ দাইৰ মন আৰু মন উপন্যাসত প্ৰতিফলিত পাৰিপার্শ্বিক সংবেদনশীলতাঃ

অৰুণাচলৰ প্ৰসিদ্ধ আদি জনগোষ্ঠীৰ ঔপন্যাসিক লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসত গিদুম নামৰ এগৰাকী আদি জনগোষ্ঠীৰ বৃদ্ধা আৰু তেওঁৰ ঘৰত বাস কৰা বমং নামৰ কুকুৰটোৰ মাজত থকা গভীৰ আন্তঃসম্পর্কৰ মাজেদি পাৰিপার্শ্বিক সংবেদনশীলতাৰ প্ৰকাশ ঘটিছে।

স্বামী আৰু সন্তানৰ অকাল মৃত্যুৰ পিছত 'গিদুম বৃদ্ধা'ৰ জীৱনৰ সহচৰ হৈ পৰিছে বমং নামৰ কুকুৰটো। গাঁৱৰ দুই-এক আন্তৰিকতাপূৰ্ণ চুবুৰীয়াৰ বাহিৰে কাৰো গিদুম বৃদ্ধাৰ খবৰ ল'বলৈ, বহি দুই-এষাৰ কথা পাতিবলৈ সময় নাই। তেওঁলোকে গিদুম বৃদ্ধাৰ নিসংগতাক উপলব্ধিও কৰিব নোৱাৰে। কৃষিৰ ওপৰত নির্ভৰশীল গাঁৱৰ বাসিন্দা গিদুমৰ যিকন খেতিৰ মাটি আছে তাত যিখিনি খেতি হয়, তাৰ গোটেইখিনি গিদুমে বমঙৰ কাৰণে সাঁচি থয় আৰু নিজে কচু আৰু পানী খাই জীৱন-যাপন কৰে।

বৃদ্ধ বয়সত পুষ্টিকৰ ভাত এমুঠি পেটত পৰাতো কিমান গুৰুত্বপূৰ্ণ সেয়া সকলোৱে জানে, কিন্তু নিজৰ স্বাস্থ্যলৈ কোনোধৰণৰ গুৰুত্ব নিদি গিদুমে মাত্ৰ বমঙক ভালে ৰখাত, বমঙে যাতে এসাঁজ খোৱাত তেওঁৰফালৰপৰা যিখিনি কৰণীয় সেইখিনি কৰাতযাতে গাফিলতি একো নাথাকে তাত গুৰুত্ব দিছিল- *"আলু-কচু আৰু পানী।'...ইয়াৰ পিছত বমঙক উদ্দেশ্য কৰি তাই ক'লে, অকল তোৰ কাৰণে অঁটাকৈ অলপ ধান চপাব পাৰিলেই চলিব।..এনেকৈ ঘৰত বহি থাকিলে বমঙৰ ভাতমুঠি কেনেকৈ ওলাব?"*[১]

গিদুমৰ বাবে বমঙ মাত্ৰ এটা কুকুৰ নহয়। 'কুকুৰ' বুলি কোনোবাই সম্বোধন কৰিলেও গিদুমে বেয়া পায়-

"....আৰু সি কুকুৰতকৈ অধম, 'চংগামে কৈ গ'ল।
ঃএনেকুৱা কুকুৰক মাৰি পেলালেও কোনে কি ক'ব?'
ঃ তই বমঙক কুকুৰ বুলিছ?"[২]

****

ৰমঙ গিদুমৰ বাবে তাইৰ সুখ-দুখ, হাঁহি-কান্দোনৰ লগৰী। ঠিক এক সন্তানৰ দৰে গিদুমে ৰমঙক ডাঙৰ-দীঘল কৰিছে। গিদুম বুঢ়ীয়ে মানুহক কোৱাৰ নিচিনাকৈ ঘৰত বুঢ়ী নথকা অৱস্থাত কোনোবাই মনে মনে প্ৰৱেশ কৰিব খুজিলে বা ফল-মূল চুৰ কৰিব খুজিলে খেদিবৰ বাবে নিৰ্দেশ দি পথাৰলৈ যায়। ৰমঙেও সেইমতে কোনোবাই বুঢ়ী নথকা অৱস্থাত ঘৰটোৰ আশে-পাশে অগা-দেৱা কৰা দেখিলে চিএঁৰ মাৰি চোঁচা লৈ খেদি যায় আৰু বুঢ়ীৰ ঘৰখনক ৰক্ষণাবেক্ষণ দিয়ে। মাত-কথাৰে কোনো ভাব প্ৰকাশ কৰিব নোৱৰা কুকুৰ নামৰ প্ৰাণীটোৱে গিদুমৰ প্ৰতিটো কথা বুজি পাইছিল। গিদুমে আকাৰ-ইংগিতেৰে কি ক'ব খুজিছে সেয়া যেন ৰমঙে তৎক্ষণাত ধৰিব পাৰিছিল ঠিক এগৰাকী সংবেদনশীল ব্যক্তিৰ দৰে। উদাহৰণস্বৰূপে এদিন গিদুম বুঢ়ীৰ বাৰীত লগা মধুৰী আম খাবলৈ অহা গাঁৱৰ ল'ৰা কেইটাক গিদুম বুঢ়ীৰ অনুপস্থিতিত ৰমঙে খেদি পঠিয়ালে। তাহাঁতে বুঢ়ীক সেইকথা লগাই মধুৰী আম বিচাৰি অহা কথা জনোৱাত মৰমীয়াল গিদুমে তাহাঁতক বাৰীৰপৰা মধুৰী আম পাৰি খাবলৈ অনুমতি প্ৰদান কৰিলে। তেতিয়া গিদুমে ৰমঙক বুজাইছে এনেদৰে, *"তই ল'ৰাকেইটাক কিয় খেদি দিলি?..একো নকৰিলে ঘৰৰ আগেদি যোৱা মানুহবোৰক নেখেদিবি। মই নাথাকোঁতে ঘৰৰ ভিতৰত সোমাব খুজিলে নাইবা আমাৰ বস্তু চুলেহে খেদিবি।" ৰমঙে মুখ চেলেকিলে।"*[৩] এই মুখ চেলেকাৰ জৰিয়তে ৰমঙে যেন গিদুমৰ কথাত সন্মতি প্ৰদান কৰিছে সেই ভাব প্ৰকাশ পাইছে।

গিদুম বুঢ়ীয়ে পথাৰলৈ গৈ জ্বৰত আক্ৰান্ত হৈ এনিশা ঘৰলৈ আহিব নোৱাৰি পথাৰতে টঙিৰ তলতে থাকি যাবলগীয়া হোৱাত চুবুৰীয়া কামাঙে খবৰ ল'বলৈ আহি 'ৰমঙ'ক ভোকত দেখি চৰুৰপৰা ভাত উলিয়াই দিবলৈ যো-জা কৰোঁতে ৰমঙে গাৰ সমস্ত শক্তি প্ৰয়োগ কৰি গিদুমৰ নিৰ্দেশ মানি সেই কাৰ্যত বাধা দিবলৈ গৈ ভুকিবলৈ আৰম্ভ কৰিছে। ৰমঙৰ ভুক্‌ভুকনি শুনি কামাঙে ক'বলৈ বাধ্য হৈছে এনেদৰে, *"মই আইতাৰ বস্তু চুৰ নকৰোঁ ৰমং,' কামাঙে ক'লে। 'তোক ভাত দিবলৈহে আহিছোঁ।"*[৪]

আকৌ আইতাক নথকা অৱস্থাত ৰমঙে বেলেগে বাঢ়ি দিয়া ভাত খাবলৈও সংকোচ কৰিছে। কামাঙে বাৰম্বাৰ জোৰ কৰাতো সি মুখলৈ ভাত দিব বিচৰা নাই। কামাঙে গিদুমৰ নাম লৈ খাব কোৱাতহে সি খাবলৈ কায চাপি আহিছে - *"খা। তই খুব ভাল। আইতাৰে খুব ভাল পাব।"*[৫]

বয়সৰ বাবে গিদুম শাৰিৰীকভাৱে ভীষণ দুৰ্বল। তদুপৰি বুঢ়ী পুষ্টিহীনতাতো ভুগিছে। ইয়াৰ ফলতে তাই টান জ্বৰত ভুগি পথাৰত ৰাতি কটাব লগা হ'ল। অচেতন হৈ থকা গিদুমক কামাঙ আৰু বাদাঙে শুশ্ৰূষা কৰি যেতিয়া চেতনা ঘূৰাই আনিছে তেতিয়াও গিদুমে যিখিনি কথা কৈছে তাতে গিদুম আৰু ৰমঙৰ মাজৰ সম্পৰ্ক কিমান গভীৰ তাৰ প্ৰমাণ পোৱা যায়- *"মৰিবলৈ মোৰ ভয় নাই। ৰৰং ভালেহে পালোঁহেঁতেন। কিন্তু ৰমঙৰ কাৰণে মোৰ চিন্তা। তাক এৰি মই মৰিব নোৱাৰোঁ। সিও কিজানি ভোকত মৰি আছে।"*[৬]

ৰোগে-যন্ত্ৰণাই কাতৰ কৰিলেও গিদুমৰ মনত মৃত্যুৰ প্ৰতি কোনো আকাংক্ষা তেতিয়ালৈকে জাগ্ৰত হোৱা নাই। ৰমঙৰ কাৰণে তাই জীয়াই থাকিব লাগিব। কাৰণ তাইৰ মৃত্যুৰ সময় হ'লেও ৰমঙৰ মৰিবলৈ এতিয়াও সময় হোৱা নাই-"*মোৰ মৰিবৰ মন নাই। মই জীয়াই থাকিব লাগিব। মই মৰিলে ৰমঙো মৰিব। পেটলৈ ভাত নগ'লে মৰিবই। কিন্তু মই মৰিলোঁ বুলি সি কিয় মৰিব? বুঢ়া হ'লে সিও মৰিব। কিন্তু সি এতিয়াও ডেকা হৈ আছে। সি এতিয়া মৰিব নোৱাৰে। সি নমৰে। ময়ো নমৰোঁ।"*[৭]

এগৰাকী মাতৃয়ে যিদৰে সন্তানৰ প্ৰতিটো ভাল-বেয়া দিশৰ খবৰ ৰাখে ঠিক তেনেদৰে গিদুমেও ৰমঙৰ প্ৰতিটো দিশৰ খবৰ ৰাখিছিল। ৰমঙে তাৰ মুখত পৰা বা আশে পাশে উৰি থকা মাখিবোৰ খাই গিলি পেলোৱাৰ অভ্যাস এটা আছিল। কিন্তু এদিন গিদুমে দেখা পাই তাৰ কাণত ধৰি মুখত কেইবাবাৰো চৰিয়াইছিল। সি যে গিদুমে ভাল নোপোৱা কাম এটা কৰিলে সেয়া লগে লগে বুজি পালে আৰু পিছলৈ সি তেনেকুৱা কাম নকৰা

****

হ'ল-

অৱশ্যে দুই-এটামান মাখিয়ে তাৰ মুখৰ ওচৰত উৰি উৰি অলপ দিগদাৰি দি আছিল। কিন্তু সেই মাখিকেইটাও সি কামুৰিব খোজাত উৰি গুচি গ'ল। এটামান সি কামুৰি মাৰিলে। মাখিটো তাৰ মুখৰ ভিতৰত লাগি থকাত সি জিভাৰে উলিয়াই পেলাই দিলে। মাখিটো গিলিলে তাৰ আইতাকে তাক গালি পাৰিব। এবাৰ সি তাৰ মাকৰ ওচৰত উৰি ফুৰা মাখি গিলি দিছিল। তাক দেখি আইতাকে তাৰ কাণত ধৰি মুখত কেইবাবাৰো চৰিয়াইছিল।[৮]

বমঙে কি খাই ভাল পায়, কি ভাল নাপায় সেয়াও গিদুমৰ নখদর্পণত- *'বমঙৰ খোৱা-বোৰাত অলপ চকু দিবি। ই কোমল ভাত নাখায়।"*

ঔপন্যাসিকে ইয়াত কেৱল গিদুমৰ দৃষ্টিভংগীৰে বমঙক ৰূপায়িত কৰা নাই। বমঙৰ মনোভাৱকো ইয়াত চিত্রিত কৰিছে। বুঢ়ী নথকা অৱস্থাত বাৰীৰ ফল খাবলৈ অহা ল'ৰাকেইটাক খেদাৰ লগতে বমঙে এটা ল'ৰাৰ আঁঠুত কামোৰো মাৰিছিল। বমঙৰ কবলৰপৰা ল'ৰাটোক বচাবলৈ গৈ গাঁৱৰে মানুহ এজনে বমঙৰ পিঠি আৰু মুখত কোবাই তাক আঘাতপ্রাপ্ত কৰিছিল। আঘাত প্রাপ্ত হৈ চাঙত বহি থাকোঁতে বমঙৰ মনৰ কথাখিনি প্রকাশ কৰিছে এনেদৰে,

"তাৰ মুখৰ পৰা টোপাল টোপালকৈ তেজ পৰিবলৈ ধৰিলে । এতিয়া পিঠিতো কাঁইটো বিন্ধাদি বিন্ধিবলৈ ধৰিলে। ডাঙৰ ডাঙৰকৈ চিঞৰি কান্দিবলৈ মন গ'ল তাৰ। কিন্তু তেনেকৈ কান্দিলে কি হ'ব,-কোনো নাই তাক মৰমৰ মাত এযাৰ মাতিবলৈ,-অলপ সান্ত্বনা দিবলৈ। আইতাকৰ অভাৱ সি বৰকৈ অনুভৱ কৰিলে। আইতাক থকা হ'লে সি হয়তো এনেকৈ কষ্ট ভুগিব লগা নহ'লহেঁতেন। তাই নথকাত মধুৰীআম পাৰিবলৈ অহা ল'ৰাকেইটাকো কামুৰিব লগা নহ'লহেঁতেন। তাই নথকাত মধুৰী আম বা বাৰীখন ৰখাটো তাৰ কর্তব্য। আৰু ঘৰ-বাৰী ৰখাৰ পৰিণাম হ'ল তেজৰ নদী বোৱা, -কলিজা বিন্ধা যন্ত্রণা।" [৯]

জীৱনত পোৱা দুখ-যন্ত্রণা, হতাশা আদিয়ে দৃঢ়মনা গিদুমক কেতিয়াবা মানসিকভাৱে দুর্বল কৰি নেপেলোৱাও নহয়। এনেকৈ এদিন এক দুর্বল মুহূর্তত নিজৰ ঘৰৰ চাঙৰ ওপৰৰপৰা আত্মহত্যাৰ বাবে প্রচেষ্টা চলাইও সেয়া গিদুমে কৰিব নোৱাৰিলে। কাৰণ তাই সেই পদক্ষেপ ল'বলৈ লওঁতেই বমঙে তাইক কাষলৈ আহি নেজ জোকাৰি জোকাৰি তাইলৈ চাই আছিল। গিদুমে, *"শপত-মই আৰু এনে কাম নকৰোঁ তই জীয়াই থকালৈকে ময়ো থাকিম।" বুলি কৈ বমঙক আঁকোৱালি লৈছে।" (৪৯ পৃ.)*

শেষৰফাললৈ বমঙে কামুৰি আঘাতপ্রাপ্ত কৰা ল'ৰাটো সু-চিকিৎসাৰ অভাৱত মৃত্যু ঘটিছে। তাৰ ল'ৰাটোৰ মৃত্যুৰ পোটক হিচাপে পিতৃয়ে বমঙক গুলীয়াই হত্যা কৰিলে।

বমঙৰ মৃত্যুত গিদুম মানসিকভাৱে সম্পূর্ণ ভাগি পৰিল। নিজৰ যি ভাল বুলি ক'ব পৰা পম্পৰাগত বস্ত্র, আ-অলংকাৰ আছিল তাৰে বমঙক মেৰিয়াই চাঙতে ৰাখি গিদুম ঘৰৰপৰা মৰিবলৈ বুলি ওলাই গৈছিল। বমঙৰ সম্মুখত সেয়া কৰিবলৈ সাহস কৰিব নোৱাৰি গিদুমে হাবিত বাঘ-ভালুকৰ সম্মুখত পৰিয়ে মৰোঁ বুলি ভাবি ওলাই গৈছিল বুলি গাঁওবাসীযে অনুমান কৰিলে। কিন্তু কায়িকভাৱে গিদুম নমৰিল, গাঁওবাসীয়ে অৰণ্য চলাথ কৰি গিদুমক ঘৰলৈ লৈ আহিল।

২.০ উপসংহাৰঃ

একবিংশ শতিকাত প্রকৃতিৰ প্রতি বিভিন্ন কাৰকে কঢ়িয়াই অনা ভাবুকি, প্রত্যাহ্বানৰ প্রতি সচেষ্ট হৈ এক দায়িত্ববোধ তথা সচেতনতাৰে প্রকৃতি সচেতন সম্পর্কীয় সাহিত্য সৃষ্টিৰ বহু আগতে সৃষ্ট লুম্মেৰ দাইৰ *মন আৰু মন* উপন্যাসখনত মানুহ আৰু মানুহ ভিন্ন প্রকৃতিৰ অন্য প্রাণীৰ যি নিবিড় সম্পর্ক সেয়া অতি সংবেদনশীল ৰূপত ইয়াত প্রকাশ পাইছে বুলি ক'ব পাৰি। প্রকৃতিক ভাল পাবলৈ, প্রকৃতিৰ হকে কাম কৰিবলৈ, প্রকৃতিৰ অংগ মানুহ ভিন্ন অন্য প্রাণীসমূহৰ প্রতি উদাৰ, সহানুভূতিশীল হ'বলৈ কোনো প্রকৃতিপ্রেমী সংগঠনৰ সদস্য বা তেনে কোনো

****

বিশেষ প্রকৃতি সজাগতা শ্রেণীৰ সদস্য যে হ'বই লাগিব সেইটো এক ভ্রান্ত ধাৰণাৰ বাহিৰে একো নহয়। জাতি-ধর্ম-বর্ণ-নির্বিশেষে সেইজন ব্যক্তিয়ে প্রকৃতি আৰু মানুহৰ মাজৰ আন্তঃসম্পর্ক উপলব্ধি কৰিবলৈ হ'লে গিদুমৰ দৰে নিঃস্বার্থভাৱে প্রকৃতিৰ সকলো উপাদান ভাল পোৱা, যত্ন লোৱা মানুহ হ'ব লাগিব। অসমীয়া সাহিত্যত বর্তমানে পোনপটীয়াকৈ পাৰিপার্শ্বিক চেতনাৰে সকলো বিধাতে সাহিত্য সৃষ্টি হোৱা পৰিলক্ষিত হয়। লুম্মেৰ দাইৰ *মন আৰু মন* পোনপটীয়াকৈ পাৰিপার্শ্বিক সম্পর্কীয় নহ'লেও মানুহ আৰু প্রকৃতিৰ আন্তঃসম্পর্ক উদ্‌ঘাটন কৰাত এক প্রাৰম্ভিক প্রচেষ্টা হিচাপে অসমীয়া সাহিত্যৰ ইতিহাসত সদায়েই গুৰুত্বপূর্ণ হৈ থাকিব। আনহাতে Zoo Criticism - ৰ আধাৰত এই সম্পর্কীয় অধ্যয়নৰ বাট মুকলি কৰাৰ ক্ষেত্রতো লুম্মেৰ দাইৰ এই উপন্যাসখনৰ ভূমিকা নিশ্চিতভাৱে প্রাসংগিক।

প্রসংগ টোকা ঃ

[১] *লুম্মেৰ দাই, মন আৰু মন, পৃ.২*
[২] *লুম্মেৰ দাই, মন আৰু মন, পৃ.২৮*
[৩] *লুম্মেৰ দাই, মন আৰু মন, পৃ. ৫*
[৪] *লুম্মেৰ দাই, মন আৰু মন, পৃ.১১*
[৫] *লুম্মেৰ দাই, মন আৰু মন, পৃ.১১*
[৬] *লুম্মেৰ দাই, মন আৰু মন, পৃ. ১৫*
[৭] *লুম্মেৰ দাই, মন আৰু মন, পৃ. ১৫*
[৮] *লুম্মেৰ দাই, মন আৰু মন, পৃ.১৯*
[৯] *লুম্মেৰ দাই, মন আৰু মন, পৃ.২০*

সহায়ক গ্রন্থপঞ্জীঃ

মূল গ্রন্থঃ

দাই, লুম্মেৰ ঃ *মন আৰু মন*, প্রথম জ্যোতি প্রকাশন সংস্কৰণ, গুৱাহাটী, জানুৱাৰী, ২০০৭

আলোচনীঃ

দেউৰী, মিহিৰ (সম্পা.) ঃ *প্রকাশ*, জানুৱাৰী, ২০২৫, ঃ *প্রকাশ*, ফেব্রুৱাৰী, ২০২৫

পূজাৰী, অনুৰাধা শর্মা (সম্পা.) ঃ *সাতসৰী*, বিংশ বছৰ, সপ্তম সংখ্যা, ২০২৫

ইণ্টাৰনেটৰপৰা লাভ কৰা তথ্যঃ

https://ecozona.eu/article/view/406/413
https://ojs.plhr.org.pk/journal/article/view/1035

****

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

নীলমণি ফুকনৰ কবিতা ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

ঝৰ্ণা নাথ
প্ৰাক্তন ছাত্ৰী, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, মাজুলী

সাৰাংশ

পৃথক শব্দ-চয়ন, প্ৰতীকধৰ্মীতা, চিত্ৰকল্পৰ প্ৰয়োগ, জীৱনৰ অন্তৰ্মুখী মননশীলতাই প্ৰথম অৱস্থাত কবিতাবোৰ সাধাৰণ পাঠকৰ বাবে দুৰূহ কৰি তুলিছিল যদিও পৰৱৰ্তী সময়ত হোৱা তেওঁৰ কবিতাৰ ব্যাপক বিচাৰ-বিশ্লেষণে কবিগৰাকীৰ কবিতা সম্পৰ্কীয় ধ্যান-ধাৰণালৈ পৰিৱৰ্তন আনে। নিঃসংগ অস্তিত্ববোধ ফুকনৰ কবিতাৰ প্ৰধান উপলব্ধি। তেওঁৰ কবিতাত শুনিবলৈ পোৱা যায় নিৰ্জ্জনাতীত জগতৰ আহ্বান। জীৱনৰ গভীৰতম সমস্যাৰ গধু�ৰতম প্ৰকাশ ফুকনৰ কবিতাত দেখা পোৱা যায়।

নীলমণি ফুকনৰ কবিতাত জীৱন আৰু জগত সম্পৰ্কে গভীৰ উপলব্ধি প্ৰকাশ পাইছে। বোধ, বুদ্ধি আৰু বুদ্ধিনিষ্ঠ মননশীলতাই নীলমণি ফুকনৰ কবিতাক মৰ্মস্পৰ্শী আৰু ঐশ্বৰ্য্যশালী কৰি তুলিছে। আমাৰ এই অধ্যয়নত নীলমণি ফুকনৰ ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ কবিতাটোৰ বিষয়বস্তু সম্পৰ্কে অধ্যয়ন কৰা হ’ব।

বীজ শব্দঃ নীলমণি ফুকন, আধুনিক অসমীয়া কবিতা, ওলমি থকা গোলাপী জামুৰ লগ্ন, চিত্ৰকল্প, ভাষাশৈলী।

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

সাহিত্য সমাজৰ দাপোণস্বৰূপ। সাহিত্যৰ যোগেদি সমাজৰ আবেগ, চিন্তা আৰু সময়ৰ প্ৰতিফলন ঘটে। সাহিত্যৰ বিভিন্ন বিধাসমূহৰ ভিতৰত কবিতা অন্যতম। কবিতাৰ জৰিয়তে কবিয়ে নিজৰ অভিজ্ঞতা, ভাৱনা আৰু দৃষ্টিভংগী কাব্যিক ৰূপত প্ৰকাশ কৰে। বিংশ শতিকাৰ পঞ্চম দশকত আত্মপ্ৰকাশ কৰা নীলমণি ফুকনৰ কবিতাত ব্যক্তিগত অনুভূতিৰ লগতে সামাজিক, সাংস্কৃতিক আৰু দাৰ্শনিক চেতনাৰ অভিব্যক্তি দেখা পোৱা যায়।

হীৰেন্দ্ৰনাথ দত্তই তেওঁৰ কবিতাত বিচাৰি পাইছে এটি ‘tragic sense’; হৰেকৃষ্ণ ডেকাই তেওঁৰ কবিতাত দেখিছে ‘বহুমুখী ব্যঞ্জনা’, ডেকাই লগতে তেওঁৰ কবিতাত অনুভৱ কৰিছে ‘ভাস্কৰ্য আৰু চিত্ৰকল্পৰ নান্দনিক ৰস’; হীৰেন গোহাঁয়ে ফুকনৰ বহু সফল সৃষ্টিৰ প্ৰেৰণা ‘স্বপ্নভংগৰ বিষাদ, পৰাস্ত আকাংক্ষাৰ গ্লানি’ বুলি অভিহিত কৰিছে; প্ৰহলাদ কুমাৰ বৰুৱাৰ বিচাৰত ফুকনৰ কবিতা ঐশ্বৰ্যশালী হোৱাৰ কাৰণ হৈছে ‘বোধ, বুদ্ধি আৰু বুদ্ধিনিষ্ঠ মননশীলতা’।[১] *‘নীলমণি ফুকনৰ কবিতা ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন’* উক্ত গৱেষণা পত্ৰখনৰ জৰিয়তে নিৰ্বাচিত কবিতাটোত প্ৰকাশ পোৱা মূখ্য বিষয়বস্তু, ব্যঞ্জনা, প্ৰতীক, চিত্ৰকল্পৰ প্ৰয়োগ

****

আৰু ভাষাশৈলী আদিৰ বিষয়ে এটি সামগ্ৰীক আলোচনা দাঙিধৰাৰ প্ৰয়াস কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

'নীলমণি ফুকনৰ কবিতা 'ওলমি থকা গোলাপী জামুৰ লগ্ন' ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক বিষয় অধ্যয়নৰ উদ্দেশ্যবোৰ এনেধৰণৰ -

- 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাৰ বিমূৰ্ত ভাষাশৈলী আলোচনা কৰা।
- নিৰ্বাচিত কবিতাৰ বিষয়বস্তু অধ্যয়ন কৰা।
- অসমীয়া কাব্যসাহিত্যৰ আধুনিক বিকাশৰ ধাৰা চিহ্নিত কৰা।

০.৩ অধ্যয়নৰ পদ্ধতিঃ

নীলমণি ফুকনৰ কবিতা 'ওলমি থকা গোলাপী জামুৰ লগ্ন' ঃ এক বিশ্লেষণাত্মক অধ্যয়ন শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব।

০.৪ তথ্য আহৰণৰ উৎসঃ

উক্ত গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে তথ্য আহৰণৰ উৎস হিচাপে নীলমণি ফুকনৰ *কুৰি শতিকাৰ অসমীয়া কবিতা* নামৰ গ্ৰন্থখনৰ সহায় লোৱা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ, গৱেষণা পত্ৰ, কাকত-আলোচনী আদিৰ সহায় লোৱা হৈছে।

১.০ আধুনিক অসমীয়া কবিতাৰ ইতিহাস আৰু বৈশিষ্ট্যঃ

আধুনিক অসমীয়া কবিতাৰ সৃষ্টি হয় ইংৰাজসকল অসমলৈ অহাৰ পাছত। ইংৰাজসকল অসমলৈ অহাৰ আগতে অসমীয়া কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশভংগী পৃথক আছিল। ইংৰাজসকল অহাৰ পিছত অসমীয়া কবিতাৰ প্ৰকাশভংগীৰ পৰিৱৰ্তন আৰু নতুন নতুন ছন্দ-অলংকাৰৰ সৃষ্টিয়ে অসমীয়া কাব্য সাহিত্যক বৈচিত্ৰ্যময় কৰি তুলিলে।

'অৰুনোদই'ৰ সময়ছোৱা হৈছে অসমীয়া সাহিত্যৰ প্ৰাচীন আৰু আধুনিক যুগৰ মধ্যৱৰ্ত্তী কাল। আধুনিক অসমীয়া ভাষাৰ অংকুৰ ইয়াতেই গজি উঠে যদিও আধুনিক অসমীয়া সাহিত্যৰ ভাবধাৰা, বিষয়বস্তু নাইবা ৰচনা ৰীতিত 'অৰুনোদই'ৰ বিশেষ প্ৰভাৱ নপৰিল বুলিবই পাৰি। অৰুনোদয় যুগৰ ভিতৰত ৰমাকান্ত চৌধুৰীয়ে মাইকেল মধুসূদন দত্তৰ আৰ্হিত অমিত্ৰাক্ষৰ ছন্দত 'অভিমন্যু বধ' কাব্য ৰচনা কৰে। তাৰ পৰৱৰ্তী সময়ছোৱাত ভোলানাথ দাস, বলদেৱ মহন্ত, কমলাকান্ত ভট্টাচাৰ্য আদিয়ে কবিতা লিখি এই যুগটোক সমৃদ্ধ কৰিছিল।

আধুনিক অসমীয়া কবিতাৰ পূৰ্ণ প্ৰকাশ হয় চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী' কবিতাটোত। এই কবিতাটোৰ যোগেদি অসমীয়া কবিতাৰ ৰোমান্টিকতাৰ প্ৰভাৱ পৰে। সেই সময়তে লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, মফিজুদ্দিন আহমদ হাজৰিকা, পদ্মনাথ গোহাঁইবৰুৱা, হিতেশ্বৰ বৰবৰুৱা, চন্দ্ৰধৰ বৰবৰুৱা আদিয়ে জোনাকী যুগত কবিতা লিখি অসমীয়া কাব্যজগতত সমৃদ্ধ কৰিছিল।

'জয়ন্তী' যুগত সাম্প্ৰতিক অসমীয়া কবিতাৰ জন্ম হয়। এই যুগৰ কবিসকলক দুটা ভাগত ভগাব পাৰি। প্ৰথম ভাগৰ কবিসকল হ'ল - হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কেশৱ মহন্ত, হেমাংগ বিশ্বাস, চৈয়দ আব্দুল মালিক, ৰাম গগৈ আদি কবিসকল। দ্বিতীয় ভাগৰ কবিসকল হ'ল - নৱকান্ত বৰুৱা, হৰি বৰকাকতি, অজিৎ বৰুৱা, মহেন্দ্ৰ বৰা, নিৰ্মল প্ৰভা বৰদলৈ আদি কবিসকলে আধুনিক অসমীয়া কবিতা লিখি এই শ্ৰেণীৰ সাহিত্যিক সকলক সমৃদ্ধিশালী কৰি তুলিছিল।

সাম্প্ৰতিক কালৰ কেইবাজনো কবিয়ে স্বৰচিত কবিতাৰ উপৰি ৰুছ, জাপান, চীন, পাৰস্য আদি বিভিন্ন দেশৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন কবিতা অসমীয়ালৈ ভাঙনি কৰি বিদেশী কবিৰ চিন্তাধাৰৰ লগত অসমীয়া

পাঠকক পৰিচয় কৰাই দিবলৈ প্ৰয়াস কৰিছে। অৱশ্যে সাম্প্ৰতিক অসমীয়া কবিতাই বৰ্তমানো স্বয়ংসম্পূৰ্ণতা লাভ কৰা বুলি ক'ব নোৱাৰি। এতিয়াও ভালেমান কবিতা দুৰ্বোধ্য হোৱাত সৰ্বজনপ্ৰিয় হ'ব পৰা নাই তথাপিও সাম্প্ৰতিক কবিতাৰ উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি। তলত আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা হ'ল।

♦এক নব্য মানৱীয় দৃষ্টিভংগীৰ আগমন ঃ

নতুন কবিতাৰ আটাইতকৈ আকৰ্ষণীয় দিশ হ'ল এক নব্য মানৱীয় দৃষ্টিভংগীৰ আৱন্তণি। আধুনিক কবিসকলে মানুহক মানুহ হিচাপে চিনি পাবলৈ চেষ্টা কৰিছিল আৰু সেই মানুহৰ সুখ-দুখ, হাঁহি-কান্দোন আদি কবিতাত চিত্ৰিত কৰিবলৈ বিচাৰিছিল।

♦ মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ ঃ

অন্যান্য দেশৰ আধুনিক কবিসকলৰ দৰেই অসমীয়া কবিতাত কাৰ্লমাৰ্ক্সৰ প্ৰভাৱ অসীম। মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদে অসমীয়া তৰুণ কবিসকললৈ নতুনত্বৰ জোৱাৰ কঢ়িয়াই আনিছিল।

♦ মনোবৈজ্ঞানিক চৰ্চাৰ প্ৰভাৱ ঃ

আধুনিক যুগত মাৰ্ক্সৰ দৰেই ফ্ৰয়েদৰ মনোবিজ্ঞানৰ তত্ত্বসমূহো মানৱৰ চিন্তা ৰাজ্যলৈ দান। ফ্ৰয়েদে আগবঢ়োৱা মনস্তাত্ত্বিক ব্যাখ্যাসমূহৰ প্ৰতিফলনো আধুনিক অসমীয়া কবিতাত আৰম্ভ হয়।

♦ শিল্প আৰু কল-কাৰখানাৰ প্ৰসাৰ আৰু কবিতাত তাৰ প্ৰতিফলন ঃ

অসমৰ ঔদ্যোগিক উন্নয়ন বা শিল্প আৰু কল-কাৰখানাৰ প্ৰসাৰৰ প্ৰভাৱ অসমীয়া কবিতাটো পৰা দেখা যায়। যান্ত্ৰিকতাই সৃষ্টি কৰা মানুহৰ চিন্তা-ভাৱনা আদি অসমৰ কবি সাহিত্যিকসকলে কবিতাত স্বতঃস্ফুটভাৱে উদঙাই দেখুৱাবলৈ চেষ্টা কৰিছে।

ইয়াৰ উপৰিও প্ৰাচীন মূল্যবোধৰ অপসাৰণ, ৰোমান্টিক প্ৰেমৰ প্ৰতি অৱজ্ঞা আৰু নৱবৌদ্ধিক চেতনা আদি আধুনিক অসমীয়া কবিতাত দেখা পোৱা যায়।

২.০ 'ওলমি থকা গোলাপী জামুৰ লগ্ন'ঃ

২.১ নীলমণি ফুকনৰ জীৱন আৰু সাহিত্যিক পৰিচয়ঃ

নীলমণি ফুকন অসমীয়া সাহিত্য তথা সমাজ জীৱনৰ এজন চিৰস্মৰণীয় ব্যক্তি। তেওঁৰ জন্ম হৈছিল ১৯৩৩ চনৰ ১০ চেপ্তেম্বৰত গোলাঘাট জিলাৰ দেৰগাৱত। ১৯৫০ চনৰ পৰা কবিতা লিখিবলৈ আৰম্ভ কৰা নীলমণি ফুকনৰ প্ৰকাশিত প্ৰথম কবিতা সংকলন হ'ল- "সূৰ্য হেনো নামি আহে এই নদীয়েদি"। এই কবিতাসংকলনখন ১৯৬৩ চনত প্ৰকাশিত হৈছিল। ইয়াৰ উপৰিও তেওঁৰ দ্বাৰা সংকলিত আন আন কবিতাপুথিসমূহ হ'ল - 'নিজ্জৰ্নতাৰ শব্দ' (১৯৬৫), 'আৰু কিনৈশব্দ' (১৯৬৮), 'ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে' (১৯৭৩), 'কাঁইট আৰু গোলাপ আৰু কাঁইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭), 'কবিতা' (১৯৮০), 'জাপানী কবিতা', 'লৰ্কাৰ কবিতা' আদি। সাহিত্যৰ বিভিন্ন দিশত আগবঢ়োৱা বৰঙণিৰ বাবেই তেওঁ অসমীয়া সাহিত্যত 'ককা' বুলি পৰিচিত। প্ৰায় আঠান্নবৈ বছৰীয়া দীৰ্ঘজীৱনেৰে নীলমণি ফুকনে অসমৰ সংবাদজগত, শিক্ষা, ৰাজনীতি আদি বিভিন্ন দিশত নিজৰ সেৱা আগবঢ়াইছিল।

২.২ কবিতাটিৰ পটভূমি আৰু গঠনঃ

'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটি এটি বিমূৰ্ত ধাৰাৰ কবিতা। কবিতাটিত প্ৰেম, স্মৃতি, নিঃসংগতা আৰু অস্তিত্বৰ অনিশ্চয়তাৰ মাজেৰে আগবাঢ়ে। অসমীয়া কবিতাৰ নতুন চিন্তাধাৰা আৰু ভাষাশৈলীৰ পৰিৱৰ্তনৰ

সময়ত অর্থাৎ ১৯৬০-১৯৮০ দশকত লিখা বুলি ধৰা হয়।

কবিতাটিত মুক্তক ছন্দৰ প্রভাৱ স্পষ্টকৈ পোৱা যায়। পংক্তিৰ দৈর্ঘ্যৰ পৃথকতা, শব্দবোৰৰ মাজত সাংগীতীয় ছন্দৰ প্রয়োগ ঘটিছে। কবিতাটিত পুনৰুক্তি আৰু অলংকাৰ শৈলীৰ সুক্ষ্ম ব্যৱহাৰ দেখা যায়।

আধুনিক অসমীয়া কবিতাৰ ক্ষেত্রখনত নীলমণি ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটো অন্যতম। কবিতাটোত অগতানুগতিক প্রতীক, চিত্রকল্প, ভাৱভংগীৰ সমাহাৰে অতি ভাৱগধুৰ কৰি তুলিছে। নীলমণি ফুকনে ৰহস্যময়ভাৱে 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটো আৰম্ভ কৰিছে এনেদৰে -

'নিনাদিত হৈ উঠা কিছুমান শব্দৰ
হাতৰ এটা মুদ্রা
হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলাপী জামুৰ লগ্ন' [২]

কবিতাটোৰ আৰম্ভণি আকস্মিক হোৱাৰ লগতে ইয়াৰ প্রতিটো বাক্যই সুকীয়া অর্থ প্রকাশ কৰিছে। ইয়াত বুজাইছে যে শব্দৰ হাতৰ মুদ্রাবোৰ কবিৰ মনৰ মাজত প্রতিফলিত জীৱনৰ প্রকৃত সত্য স্বৰূপ। কবিৰ হৃদয়ৰ মাজত হাহাকাৰ হোৱা চিত্রপট হৃদয়খনত ডাল ভগা গছৰ সৈতে তুলনা কৰিছে। 'জামু'ক এক প্রতীকধর্মীতাৰে চিহ্নিত কৰি সেই হৃদয়ৰ ভগা ডালত অংকুৰিত কৰিছে। গছ এজোপাত 'জামু' এটা পকা সময়ছোৱা অর্থাৎ সেই লগ্নটো যিসময়ত জামুটো সৰি পৰিব বা নপৰা ক্ষণত দেখা পোৱা মধুৰতাক জীৱনৰ ৰহস্য উদ্‌ঘাটন কৰি হেঁপাহ-হতাশাৰ, সম্ভাৱনাময় ক্ষণটোৱে মানুহৰ জীৱনক অৱলোকন কৰিছে।

"জুই জ্বলি থকা নগৰৰ ওপৰত উৰি ফুৰা
এটা সামুদ্রিক চৰাই
ক্রমশঃ মৰি অহা এটা আঙুলি
বৰফ হৈ অহা এটা জুৰি" [৩]

সাধাৰণতে এই স্তৱকটোৰ মাজেৰেই মনৰ মাজত উজ্জিৱিত এক অশান্তি প্রকাশ কৰিছে। ইয়াত প্রতিষ্ঠা কৰা সামুদ্রিক চৰাইবোৰ বেছি সময় উৰিব নোৱাৰা দুর্বলতাৰ যোগেদি এখন নগৰৰ সংকীর্ণতা আৰু অস্থিৰতাক প্রকাশ কৰিছে। হৃদয়ৰ অসহনীয় স্থবিৰতাই ক্রমশঃ বেদনা কঢ়িয়াই নিয়াৰ পথ নির্ধাৰণ কৰিছে।

"অন্তৰবো অন্তৰ খহাই বৈ যোৱা তপত লাভাৰ
আন্ধাৰ পাগলাদিয়া
ডিঙিলৈকে সাগৰত ডুবগৈ থকা
দীঘল এটা গান" [৪]

জুইৰ তপততা, বৰফৰ শীতলতাৰ সোঁতে অন্তৰত জাগ্রত তপত লাভাৰ নদী বোৱাইছে। জীৱনৰ ৰহস্যৰ প্রকাশত দেখা পোৱা ব্যর্থতাই যেন কবিতাটোৰ মাজেদি সকলো শেষ হোৱাৰ দৃশ্য প্রতিফলিত কৰিছে। জীৱনক সুন্দৰ ৰূপত উপলব্ধি কৰি সত্যক বাস্তৱায়িত কৰাৰ প্রয়াস সকলোৱে কৰে। মানুহৰ সৌন্দর্য আৰু আভ্যন্তৰীন লুপ্ত চেতনাৰ দ্বাৰা সৃষ্ট গানৰ সাগৰখন বর্তমানেও মৃত।

"বতাহৰ শূন্যতাৰ গভীৰত
নিশাৰ উন্মত বাঁহী
কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ
হে প্রাচীন শীতলতা" [৫]

ক্ষোভ, দুখ, সংঘাতৰ লগতে ভৱিষ্যত অনাকাংক্ষিত অৱস্থিতিয়ে এই ভাৱ প্রকাশ কৰিছে। বতাহৰ শূন্যতাৰ

****

মাজত শুনিবলৈ পোৱা বাঁহীৰ মাত আৰু জীৱনৰ কৰুণ ৰহস্য, সংবেদনশীল চেতনাৰ আভাস প্ৰদান কৰিছে।

কবি নীলমণি ফুকনে 'গোলাপী জামুৰ লগ'ক এক বিষাদ পূৰ্ণভাৱেৰে উপস্থাপন কৰিছে। তেওঁৰ মনৰ দুখ, আবেগ-অনুভূতি আৰু ক্ৰমশঃ হেৰাই যাবলৈ ধৰা ক্ষণক বৰ্ণনা কৰিছে।

কবিতাটোৰ মাজত আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য দেখা পোৱা যায়। কবিতাটোত থকা শব্দৰ হাতৰ মুদ্ৰা, ওলমি থকা গোলাপী জামুৰ লগ, সামুদ্ৰিক চৰাই, তপত লাভাৰ আন্ধাৰ পাগলাদিয়া আদিৰ যোগেদি চিত্ৰকল্প, প্ৰতীকৰ সফল প্ৰয়োগ বা ব্যৱহাৰ কৰিছে।

এই কবিতাটোৰ মূখ্য বিষয়বস্তু হ'ল- প্ৰেম আৰু স্মৃতিৰ গাঁঠনি, জীৱনৰ নশ্বৰতা আৰু অস্তিত্বৰ অনিশ্চয়তা। কবিতাটোত প্ৰেমৰ স্মৃতি যেন চিৰকাল সজীৱ হৈ আছে যদিও তাৰ দেহগত অস্তিত্ব নাই। 'গোলাপী জামু' হ'ল অনুভৱৰ, স্মৃতিৰ আৰু সম্ভৱত এক বিচ্ছিন্ন প্ৰেমৰ প্ৰতীক। ব্যঞ্জনা আৰু বিমূৰ্ততা কবিতাটোৰ শক্তি। ইয়াৰ কেতবোৰ স্তৱক দৃশ্যমান নহয়, অনুভৱযোগ্য- যি পাঠকক নিজৰ অভিজ্ঞতা অনুসৰি অৰ্থ নিৰ্মাণ কৰিবলৈ প্ৰেৰণা যোগাই।

২.৩ বিমূৰ্ততা, চিত্ৰকল্প আৰু ভাষাগত বৈশিষ্ট্যঃ

নীলমণি ফুকনৰ কবিতাত আত্মিক বিষণ্ণতা এটি সুঁতি প্ৰবাহমান হৈ আছে। আধুনিক জীৱনে নিসংগতা আৰু বিচ্ছিন্নতাবোধৰ জন্ম দিছে। কবি নীলমণি ফুকন পশ্চিমীয়া চিত্ৰকল্পবাদী আন্দোলনৰ দ্বাৰা আলোড়িত নহয় অথচ তেওঁ অৱচেতনৰ কেতবোৰ ভাৱ চিত্ৰকল্পৰ জৰিয়তে প্ৰকাশ কৰিছে। কবিৰ সেই ভগা ডালত ওলমি ৰৈছে সেই বিমূৰ্ততা।

ফুকনৰ কবিতাৰ উল্লেখযোগ্য দিশ হ'ল- চিত্ৰকল্প আৰু বিমূৰ্ত চিন্তাৰ প্ৰকাশ। তেওঁৰ কবিতাত শব্দ একোটা অৰ্থৱহ হোৱাৰ উপৰিও শব্দবোৰে একেলগ হৈ বিশেষ ধ্বনি, দৃশ্য আৰু অনুভৱৰ সৃষ্টি কৰে। "গোলাপী জামু" যেন এক বিশেষ মুহূৰ্তৰ, অনুভৱৰ আৰু স্মৃতিৰ চিৰন্তন চিহ্ন হৈ পৰিছে।

তেওঁৰ কবিতাবোৰত ভাষা সাধাৰণ কিন্তু গভীৰ ব্যঞ্জনাৰে পূৰ্ণ। ধ্বনি আৰু শব্দৰ গুণে কবিতাবোৰ সংগীতময় কৰি তোলে। পুনৰুক্তি, সংক্ষিপ্ততা আৰু স্থবিৰ চিত্ৰৰ ব্যৱহাৰে নীলমণি ফুকনৰ কবিতাবোৰক দৰ্শনৰ সান্নিধ্যলৈ লৈ যায়। তেওঁৰ কবিতাত অস্তিত্বৰ গভীৰ অন্বেষণ, স্মৃতি আৰু বিষাদ, বিমূৰ্ত অভিব্যক্তি, প্ৰেমৰ নৈৰাশ্য আৰু নশ্বৰতাৰ বোধ থাকে।

৩.০ উপসংহাৰ ঃ

নীলমণি ফুকনৰ 'ওলমি থকা গোলাপী জামুৰ লগ' কবিতাৰ বিশ্লেষণৰ জৰিয়তে অসমীয়া আধুনিক কবিতাৰ ভিন্ন দিশ, দৃষ্টিভংগী আৰু অভিব্যক্তি প্ৰকাশ পাইছে। কবিতাটোৰ কেন্দ্ৰবিন্দুত মানৱ অভিজ্ঞতা, অস্তিত্বৰ অন্বেষণ দেখা গৈছে। কবিতাটোত মানৱ জীৱন তথা সমাজৰ অস্থিৰতা প্ৰকাশ পাইছে। কবিতাটোৰ নামকৰণেও ব্যক্তি তথা সমাজৰ বিশেষ এক ক্ষণৰ ইংগিত বহণ কৰিছে। যিক্ষণ প্ৰচুৰ সম্ভাৱনাময় তথা আকাংক্ষিত।

নীলমণি ফুকন বিমূৰ্ত ধাৰাৰ কবি- যি পাঠকক ব্যাখ্যাৰ স্বাধীনতা দিয়ে। তেওঁৰ শব্দ, চিত্ৰকল্প আৰু ব্যঞ্জনাৰ গভীৰতাই পাঠকক এক ধ্যানমূলক অভিজ্ঞতা প্ৰদান কৰে। তেওঁৰ কবিতা নিপুণ শব্দচয়ন আৰু মানৱ অনুভৱৰ গভীৰ প্ৰকাশ।

প্ৰসংগ-সূত্ৰঃ

১. নীলমণি ফুকনৰ কবিতা ঃ আস্বাদনৰ প্ৰয়াস; চিত্ৰজিৎ শইকীয়া, পৃষ্ঠা-১
২. কুৰি শতিকাৰ অসমীয়া কবিতা; নীলমণি ফুকন, পৃষ্ঠা-২৮৩
৩. উল্লিখিত পৃষ্ঠা-২৮৩
৪. উল্লিখিত পৃষ্ঠা-২৮৩
৬. উল্লিখিত পৃষ্ঠা-২৮৩

সহায়ক গ্ৰন্থপঞ্জীঃ

মুখ্য গ্ৰন্থ ঃ

ফুকন. নীলমণি, *কুৰি শতিকাৰ অসমীয়া কবিতা,* অসম প্ৰকাশন পৰিষদ, ২০১৮

সহায়ক গ্ৰন্থ ঃ

বৰা, মহেন্দ্ৰ, *নতুন কবিতা,* বনলতা, ১৯৯৭
শৰ্মা, দেৱজ্যোতি, *অসমীয়া কবিতাৰ ভাষা আৰু শৈলী,* দীপ্তি প্ৰকাশন, ২০০৫
ভূঞা, প্ৰণৱ, *অসমীয়া আধুনিক কবিতা ঃ এক বিশ্লেষণ,* গুৱাহাটী ঃ সাহিত্য পৰিষদ, ২০১০
কটকী, চন্দ্ৰ, *আধুনিক অসমীয়া কবিতা,* চন্দ্ৰ প্ৰকাশ, ২০১৬
নেওগ, মহেশ্বৰ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* চন্দ্ৰ প্ৰকাশ, ২০১৯

গৱেষণা পত্ৰ ঃ

বৰুৱা, হৰি প্ৰসাদ, *নীলমণি ফুকনৰ কবিতাৰ ভাষা ঃ এক অধ্যয়ন,* ২০২২
শইকীয়া, চিত্ৰজিৎ, *নীলমণি ফুকনৰ কবিতা ঃ আস্বাদনৰ প্ৰয়াস*

পত্ৰিকা ঃ

ফুকন, প্ৰণৱ, *পানচৈ,* সৰুপথাৰ মহাবিদ্যালয়, ২০২৫

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

হিমেন্দ্ৰ বৰঠাকুৰৰ নাটক 'দ্বীপ'

নৱনীতা শইকীয়া
গৱেষক, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়
ড° ৰঞ্জন ভট্টাচার্য
গৱেষণা তত্ত্বাৱধায়ক, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়
সহযোগী অধ্যাপক, দেৱীচৰণ বৰুৱা ছাত্রী মহাবিদ্যালয়, যোৰহাট

সাৰাংশ

ঊনবিংশ শতিকাত অসমীয়া নাটকৰ আধুনিক ৰীতি প্রচলন হয় । এই নাটক অকল অৱসৰ বিনোদনৰ আহিলাই নহয় , ই হ'ল জনশিক্ষাৰ এক উৎকৃষ্ট মাধ্যম। সেই সময়ত কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যোৱা অসমীয়া ছাত্রসকলে কলিকতাত পশ্চিমীয়া ৰীতিৰ ৰংগমঞ্চ , ইংৰাজী আৰু বঙালী নাট্যাভিনয় উপভোগ কৰাৰ লগতে চেক্সপীয়েৰ আৰু পাশ্চাত্য নাটকসমূহ পাঠ্যপুথি হিচাপে কলেজত পঢ়ি তেওঁলোকে পশ্চিমীয়া নাট্যকলাৰ লগত এটা যোগসূত্র স্থাপন কৰিছিল । এই যোগসূত্রই আধুনিক মান নির্মাণ কৰি অসমৰ নাটকৰ গতি প্রকৃতিত যথেষ্ট পৰিৱর্তন আনিলে। স্বৰাজোত্তৰ কালছোৱাত অসমীয়া নাটকত কিছুমান নতুন আংগিক আৰু বিষয়গত পৰীক্ষা-নিৰীক্ষা কৰি যিসকল নাট্যকাৰে মঞ্চ সফল নাটক ৰচনা কৰিছিল তাৰ ভিতৰত যিজন নাট্যকাৰৰ নাটকে এই দিশত অৱদান আগবঢ়ালে তেওঁ হ'ল হিমেন্দ্র বৰঠাকুৰ। অন্যান্য নাট্যকাৰ সকলৰ দৰেই তেওঁ নাটকৰ জৰিয়তে সমাজৰ বিভিন্ন সমস্যা মৌলিক দৃষ্টিভংগীৰে প্রকাশ কৰিবলৈ চেষ্টা কৰিছে। আমাৰ এই অলোচনা পত্রত হিমেন্দ্র বৰঠাকুৰৰ 'দ্বীপ' নাটক খনৰ মাজত নাট্যকাৰে কেনেদৰে সমাজৰ কিছুমান বাস্তৱ ছবি দাঙি ধৰি সমাজ সচেতনতাৰ পৰিচয় দিছে সেই সম্পর্কে আলোচনা কৰা হ'ব ।

বীজ শব্দঃ দ্বীপ নাটক, সমাজ-সচেতনতা, বানপানী, মানৱীয়তা, আভিজাত্য ।

০.১ অৱতৰণিকাঃ

স্বৰাজোত্তৰ কালছোৱাত অসমীয়া নাটকত কিছুমান নতুন আংগিক আৰু বিষয়গত পৰীক্ষা-নিৰীক্ষা কৰা দেখা গ'ল। সেই সময়ত যিসকল নাট্যকাৰে মঞ্চ সফল নাটক ৰচনা কৰিছিল তাৰ ভিতৰত যিজন নাট্যকাৰৰ নাটকে এই দিশত অৱদান আগবঢ়ালে তেওঁ হ'ল হিমেন্দ্র বৰঠাকুৰ। আধুনিক অসমীয়া নাটকৰ ইতিহাসত তেওঁৰ নাটকসমূহৰ এক গুৰুত্বপূর্ণ স্থান আছে। স্বৰাজোত্তৰ কালত যিবোৰ বিষয় আৰু আংগিকৰ জৰিয়তে অসমীয়া নাটকে বিশ্বৰ নাট্যধাৰাৰ লগত অসমীয়া নাটকক সংযুক্ত কৰিছিল আৰু অসমীয়া নাটকৰ আধুনিক মান নিৰূপন কৰিছিল সেই বিষয়ৰ চর্চা হিমেন্দ্র বৰঠাকুৰৰ নাটকৰ চর্চাক বাদ দি কেতিয়াও সম্পূর্ণ নহয়। অন্যান্য নাট্যকাৰ সকলৰ দৰেই তেওঁ নাটকৰ জৰিয়তে সমাজৰ বিভিন্ন সমস্যা মৌলিক দৃষ্টিভংগীৰে প্রকাশ কৰিবলৈ চেষ্টা কৰিছে। পাশ্চাত্য নাট্য-চিন্তাৰ আধাৰত মৌলিক আৰু সৃষ্টিশীল প্রক্রিয়াৰে বাস্তৱ জীৱনৰ পটভূমিত অসমীয়া নাট্য সাহিত্যক এক নতুন ৰূপ দিবলৈ যত্ন কৰিলে। তেওঁ ৰচনা কৰা নাটকৰ সংখ্যা কম যদিও আটাইকেইখন নাটকেই অসমীয়া

****

নাট্য- সাহিত্যৰ জগতত বলিষ্ঠ সংযোজন। আমাৰ এই আলোচনাত তেখেতৰ দ্বীপ নাটকখনৰ মাজত প্রকাশ পোৱা অসমৰ বাস্তৱ ৰূপটো কেনেদৰে পাঠক—দর্শকৰ আগত দাঙি ধৰিছে সেয়া আলোচনা কৰিবলৈ প্রয়াস কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

হিমেন্দ্র বৰঠাকুৰৰ নাটক 'দ্বীপ' শীর্ষক গৱেষণা কর্মৰ উদ্দেশ্য হৈছে সমাজৰ বিভিন্ন সমস্যা লগতে অসমৰ বাস্তৱ তথা জ্বলন্ত ছবি এখন পাঠক-দর্শকৰ আগত ফুটাই তোলা।

০.৩ অধ্যয়নৰ পদ্ধতি ঃ

আলোচনা পত্রখন প্রস্তুত কৰাৰ ক্ষেত্রত বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে ।

০.৪ অধ্যয়নৰ পৰিসৰ ঃ

অধ্যয়নৰ পৰিসৰ হিচাপে হিমেন্দ্র বৰঠাকুৰৰ দ্বাৰা ৰচিত " দ্বীপ" নাটকখনৰ মূল বিষয়বস্তুক এই আলোচনাৰ পৰিসৰৰ ভিতৰত সামৰা হৈছে ।

০.৫ তথ্য আহৰণৰ উৎস ঃ

আলোচনা পত্রখন প্রস্তুত কৰোঁতে মুখ্য আৰু গৌণ দুয়োটা উৎসৰ সহায় লোৱা হৈছে । মুখ্য উৎস হিচাপে হিমেন্দ্র বৰঠাকুৰৰ 'দ্বীপ' নাটকখন লোৱা হৈছে আৰু গৌণ উৎস হিচাপে বিষয়ৰ লগত সংগতি থকা অনান্য গ্রন্থৰ সহায় লোৱা হৈছে ।

১. মূল বিষয়ৰ আলোচনাঃ

'দ্বীপ' নাটকখনৰ মাজত নাট্যকাৰে অতি কম পৰিসৰৰ ভিতৰতে অসমৰ এটা জলন্ত সমস্যা বানপানী আৰু গৰাখহনীয়াৰ কথা সুন্দৰ ৰূপত উপস্থাপন কৰিছে। বানপানীয়ে মাথাউৰি ভাঙি গাওঁখনৰ ঘৰ-দুৱাৰৰ লগতে, কোনোবা মাতৃৰ বুকু উদং কৰি সন্তানটোও উটুৱাই নিছে। প্রকৃতিয়ে চলোৱা এই সন্ত্রাসৰ সময়ত নৈপৰীয়া গাঁৱৰ ৰাইজৰ বাবে একমাত্র আশ্রয়ৰ ঠাই আছিল গাঁৱৰ মানুহৰ পৰা আঁতৰত অকলে অকলে বাস কৰা বুঢ়াজনৰ দ্বীপটো। বুঢ়াজনৰ কর্ম-কাণ্ড তথা আচৰণৰ বাবে গাঁৱৰ মানুহে তেওঁক পাগল বুলি কৈছিল যদিও তেওঁ সেইবোৰ কথাক গুৰুত্ব দিয়া নাছিল। বানপানীয়ে যেতিয়া গোটেই গাওঁখন বুৰাই পেলালে সেই সময়ত এইজন পাগল বুঢ়াই আশ্রয় দিয়া দেখা গৈছে। অৱশ্যে তেওঁৰ কথাৰ পৰা তেওঁক সুবিধাবাদী ব্যক্তি বুলি ভাৱ হয়। উদাহৰণ স্বৰূপে, বুঢ়াৰ লগত হোৱা খীৰেশ্বৰ, বিজন মঞ্জুলা আদিৰ কথোপকথনৰ মাজত বুঢ়া চৰিত্রটোৰ মাজত সুবিধাবাদী তথা অগতানুগতিক কার্যৰ প্রকাশ ঘটা দেখা গৈছে ঃ-

বুঢ়া ঃ কিয় দিম ?

খীৰেশ্বৰ ঃ অৱস্থা বৰ কাহিল ককা। ল'ৰাটোৰ অৱস্থা যে আৰু বেয়া।

বুঢ়া ঃ ভাল কথা। তেনেহ'লে ঘৰৰ ভাৰা দে।

খীৰেশ্বৰ ঃ ঘৰৰ ভাৰা ?

(এনেতে বহু দূৰত হেলিকপ্টাৰৰ শব্দ শুনা যায়।)

বুঢ়া ঃ দস্তুৰমত ঘৰৰ ভাৰা। নহ'লে এনেয়ে থাকিবলৈ দিম নেকি ? অকল ঘৰৰ ভাৰাই নহয়, এই যে তহঁতে মোৰ ৰাজ্যত ভৰি দিলি, তাৰ কাৰণে এন্ট্রি টেক্স দে।

খীৰেশ্বৰ ঃ সেইটো আকৌ কি ?[১]

পুনৰ দেখা গৈছে ঃ-

বুঢ়া ঃ টেক্সটো দি যাব ছাৰ। (বিজনে ঘূৰি চায়)

বিজন ঃ কোনহে তুমি ? কিহৰ টেক্স ?

(বুঢ়াই গহীনাই উত্তৰ দিয়ে.....)

বুঢ়া ঃ পোৰ্ট টেক্স।

মঞ্জুলা ঃ কি আচৰিত।

বিজন ঃ পোৰ্ট টেক্স?

বুঢ়া ঃ মোৰ বন্দৰত আপোনালোকে জাহাজ বান্ধিব, পোৰ্ট টেক্স দিব নালাগিব? অকল পোৰ্ট টেক্সেই নহয়, এই যে উঠি আহিলে, তাৰ কাৰণে এন্ট্রি টেক্স দিয়ক।[২]

প্রথম অৱস্থাত এনেধৰণৰ কথা-বতৰাৰ পৰা বুঢ়াক এজন আত্মকেন্দ্রিক লোক হিচাপে পাঠক তথা দর্শকে দেখা পাইছে যদিও পাছত তেওঁৰ মাজৰ মানৱীয়তাৰ গুণ দেখা গৈছে। নাটকখনৰ শেষত দেখা গৈছে যে যেতিয়া দ্বীপটো পানীৰে আগুৰি ধৰিলে তেতিয়া বুঢ়াই সকলোকে দ্বীপটোৰ পৰা আঁতৰাই পঠাইছে আনকি হাতত থকা পইচাকেইটাও দি পঠাই নিজে দ্বীপটোত অকলে আছে। ইয়াৰ মাজেৰে নাট্যকাৰে বুঢ়াজনৰ মানৱ দৰদী ৰূপটোৰ প্রকাশ কৰিছে-

বুঢ়া ঃ এতিয়া দেখিলা নহয় সেই আশ্রয় তেনেই মিছা, তেনেই চলনা। সময়ৰ সোঁতত মোৰ এই দ্বীপো গৈ আছে, অলপ পিছতে ডুবি যাব। যোৱা, সোনকাল কৰা, তোমালোক ভূৰত উঠাগৈ, কুইক।

(খীৰেশ্বৰ আৰু আঘোণী বাঁওফাললৈ যায়। আৱহ শব্দত পানীৰ হো- হোৱনি। বুঢ়াই ৰছীডাল টানি ধৰি আছে। কিবা এটা মনত পৰি নেপথ্যৰ বাঁওফাললৈ চাই চিঞৰে।)

বুঢ়া ঃ ঐ খীৰেশ্বৰ, ঐ! (দৌৰি খীৰেশ্বৰৰ প্রৱেশ।)

খীৰেশ্বৰ ঃ ককা। (বুঢ়াই এহাতে ৰছী ধৰি থাকি আনহাতেৰে দহটকীয়া নোট তিনিখন খীৰেশ্বৰৰ হাতত গুঁজি দিয়ে।)

বুঢ়া ঃ এইকেটকা লৈ যা। (খীৰেশ্বৰ আচৰিত)

খীৰেশ্বৰ ঃ ককা এয়া আপোনাৰহে পইচা। (বুঢ়াই ডাবি মাৰি কয়)

বুঢ়া ঃ লৈ যা অ', কথা চোবাই নাথাকিবি। এই পানীৰ মাজত মই টকাৰে কি কৰিম?

খীৰেশ্বৰ ঃ ককা [৩]

নাটকখনৰ মাজত নাট্যকাৰে বানপানীৰ দৰে এটা জ্বলন্ত সমস্যা অতি সুন্দৰ ভাৱে উপস্থাপন কৰাৰ লগতে সমাজৰ এচাম সুবিধাবাদী তথাকথিত আভিজাত্য লোকৰ বাস্তৱ ছবি এখনো দাঙি ধৰিছে। ইয়াৰ জৰিয়তে নাট্যকৰে সমাজৰ ফোপোলা স্বৰূপটো উদঙাই দিছে। এচাম সুবিধাবাদী লোকে নিজৰ স্বার্থসিদ্ধিৰ বাবে সহায় কৰিবলৈ আগবাঢ়ি অহাৰ অভিনয় কৰে। বাস্তৱত কিন্তু তেনেচাম সুবিধাবাদী লোকৰ অন্তৰত প্রকৃততে সহায় কৰাৰ মনোভাৱ নাই মাত্র নিজৰ জনপ্রিয়তাৰ বাবেহে সহায় কৰাৰ অভিনয় কৰে। নাটকখনৰ মাজত তেনে সুবিধাবাদী শ্রেণীৰ প্রতিনিধি হিচাপে মঞ্জুলা আৰু বিজনক দেখা গৈছে ঃ-

বিজন ঃ ৰ'বা ৰ'বা নবৌ, মই কেমেৰাটো ফ'কাচ কৰো।

(মঞ্জুলাই লাড়ু বিলায়। বিজনে ফটো তোলে।)

বিজন ঃ অ' এইফালে অলপ চোৱা না, অলপ হাঁহিৰ নিচিনা কৰা, 'অ' হ'ব, আঃ থেংক ইউ। খুব সুন্দৰ হ'ব ছবিখন। ডেপুটী কমিছনাৰৰ মিছেছ ইমান ইন্টেৰিয়'ৰ ঠাইলৈ গৈ ফ্লাড ৰিলিফৰ কাম কৰিছে, একেবাৰে হেড লাইন।

(অলপ লাজ লাজ ভাবেৰে মঞ্জুলাই সোধে...)

মঞ্জুলা ঃ পিছফালৰ ডাৰৰ আৰু পানীখিনি উঠিছেনে?[৪]

প্রতি বছৰে অহা বানপানীৰ ফলত উটুৱাই লৈ যোৱা ঘৰবোৰ, গাঁৱৰ ভুক্তভোগী মানুহবোৰৰ জীৱনৰ যি

কৰুণ ছবি সেয়া নাটকখনৰ মাজত নাট্যকাৰে সুন্দৰভাৱে উপস্থপন কৰিছে। নাটকখনত বুঢ়াৰ মুখত দিয়া সংলাপৰ মাজত বানপানীয়ে সর্বস্বান্ত কৰা মানুহৰ মনৰ ক্ষোভ প্রকাশ পাইছে ঃ-

বুঢ়া ঃ খবৰদাৰ, নাহাঁহিবা। সেইটোৱেই এই ৰাজ্যৰ গভর্ণমেন্ট হাউছ, দেখা নাই, চাৰিওফালে বানপানীয়ে সকলো ঠাই ডুবাই দিলে, কিন্তু এতিয়াও এই ৰাজ্য ডুবাব পৰা নাই। টৌবিলাকে কিন্তু চেষ্টা কৰি আছে, খলকনি তুলি আছে, খুন্দিয়াই আছে, শুনিছা পানীৰ শব্দ...

(পানীৰ শব্দ। বুঢ়াই নেপথাৰ সোঁফালৈলৈ চাই চিঞৰি কয়...) খবৰদাৰ অই বানপানী, আগ নাবাঢ়িবি, আগবাঢ়িলেই মৰিবি। ঐ টৌবিলাক, খুন্দিয়াই আছ কিয়, পিছু�ৰাই যা, গ' বেক্, গ' বেক্... (সোঁফালে উইংছৰ আঁৰত থিয় হৈ নেপথ্যলৈ চাই চিঞৰি বানপানীক শাসন কৰে। একে সময়তে বিজন আৰু মঞ্জুলাই কথা পাতে।)[৫]

দিচাঙৰ মথাউৰি ভাঙি বানপানীয়ে কেনেদৰে ইফালৰ পৰা খীৰেশ্বৰহঁতৰ গাঁওখন শেষ কৰি আনিছে, বানপানীয়ে আপোন মানুহবোৰ কাঢ়ি নিছে, সেইকথা নাটকখনৰ মাজৰ এই চৰিত্র সংলাপৰ দেখা যায় ঃ-

খীৰেশ্বৰঃ সময়নো পালো ক'ত? দিচাঙৰ মথাউৰি ভাগি পর্বত সমান পানী চপলিয়াই আহিল, ককাইদেউ আগবাঢ়ি চাবলৈ গৈ কেনি উটি গ'ল হিচাপেই নাই। মই কোনোমতে বৌটিকে নবৌকে ঘৰৰ চালত তুলিলো, পিটকণক নবৌৰে ধৰিলে, মই বাপুকণক বৌটিৰ পিঠিত তুলি দিলো। তাৰ পিছত পানী গৈ ঘৰৰ মূধ পালেগৈ। তাৰ মাজতে খেপিয়াই কলগছ কেইডাল কাটিলো।

বুঢ়া ঃ তাৰ পিছত?

খীৰেশ্বৰ ঃ তাৰ পিছত ক'ৰ ঘৰৰ মূধ ক'লৈ উটি গ'ল দিচাঙৰ বলিয়া পানী আহি লৈ গ'ল আমাক!

(হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা, পৃষ্ঠা-১০১)

এনে প্রলয়কাৰী বানপানীৰ মাজত থাকিবলৈ বুঢ়াৰ দ্বীপটোৰ বাহিৰে বেলেগ কোনো ঠাই নাছিল। দ্বীপটোৰ চাৰিওফালে পানীয়ে আৱৰি আছিল কিন্তু খাবৰ বাবে অকনমান ভালপানী নাছিল। তেনে এক পৰিস্থিতিৰ এখন বাস্তৱ ছবি নাট্যকাৰে সংলাপৰ জৰিয়তে অধিক বাস্তৱ কৰি তুলিছে ঃ-

ভাস্কৰ ঃ খোৱাপানী আছে নে?

মঞ্জুলা ঃ পানী?

বিজন ঃ সৌবিলাক নহয় পানী?

ভাস্কৰ ঃ এইবিলাক পানী বৰ ময়লা, মানুহে খাব নোৱাৰে।

চাৰিওফালে পানীয়েই পানী কিন্তু খাবলৈ ক'তো অকণমানো ভালপানী নাই, কেনে এক হৃদয়বিদাৰক পৰিস্থিতিৰ সন্মুখীন হৈছে সেই কথা বুঢ়াৰ মুখত দিয়া কলৰিজৰ এষাৰ বাক্যৰে বুজাইছে ঃ-

বুঢ়া ঃ 'ৰাটাৰ ৰাটাৰ এভৰি হোৱেৰ, নট এ ড্রপ টু ড্রিংক'। কলৰিজ।। (হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা, পৃষ্ঠা-১১১)

এখন নাটকৰ প্রধান উদ্দেশ্য হ'ল সমাজক সজাগ-সচেতন কৰি তোলা। এখন নাটকক তেতিয়াহে সফল নাটক বুলি ক'ব পৰা যায় যেতিয়া নাটকখনে এটা ভাল বার্তা কঢ়িয়াই আনিব পাৰে। আমাৰ আলোচিত "দ্বীপ" নাটকখনে সমাজ সচেতনতাৰ বার্তা দিয়াৰ লগতে বানপানীৰ দৰে এটা সমস্যা দাঙি ধৰিছে আৰু তাৰ সমাধানৰো পথ দেখুৱাই গৈছে ঃ-

মঞ্জুলা ঃ তোমালোক যে ইমান বিপদৰ মাজত থাকা-(ভাস্কৰক)

হেৰা ভাস্কৰ, তোমালোক ইঞ্জিনিয়াৰবিলাকে কিয় একো কৰিব নোৱাৰা বাৰু? (আঘোণী আৰু খীৰেশ্বৰে বাঁওফালৈলৈ প্রস্থান কৰে, যাওঁতে কথা পাতি যায় 'বাপুকণৰ বা কি হ'ল' ইত্যাদি।)

ভাস্কৰ ঃ তুমি ভাবা নেকি নবৌ আমি ব্রহ্মপুত্র নদীখন কন্ট্রল কৰিব নোৱাৰিম? চাৰিওফালে পাহাৰে-পর্বতে

যেৱা এটা উপত্যকা, ইয়াত যিমান ডাৱৰ সোমায় তাৰ এডোখৰো বিপথে যাব নোৱাৰে, দেশত পানী কিমান হ'ব তাৰ হিচাপ নখৰ আগত উলিয়াই ল'ব পাৰি, সেইমতে ডেম সাজি পানী ধৰি ৰাখিব পৰা যায়, নদীৰ পানী নিয়ন্ত্রণ কৰিব পাৰিব... (হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা ,পৃষ্ঠা -১১৩)

ভাস্কৰৰ মুখত দিয়া এই সংলাপৰ জৰিয়তে বানপানীৰ সমস্যাক ৰোধ কৰিবলৈ মানৱ সমাজ সচেতন হ'ব লাগিব সেই কথাই বুজাব বিচাৰিছে।

২. উপসংহাৰ ঃ

'দ্বীপ' নাটকখন মাজত নাট্যাকাৰে বানপানী আৰু গৰাখহনীয়াৰ ফলত সৃষ্টি হোৱা সমস্যা সমূহ সুন্দৰ ভাৱে ফুটাই তুলিছে। বানপানী আৰু গৰাখহনীয়াৰ দৰে সমস্যাই এফালৰ পৰা সকলো ধ্বংস কৰি আনিব পাৰে। প্রকৃতিয়ে চলোৱা এই সন্ত্রাসত মানুহ, ঘৰ-বাৰী, পশু আদি সকলো উটি গৈছে। খাদ্য আৰু বাসস্থানৰ বাবে নানান সমস্যাই গা কৰি উঠিছে। চাৰিওফালে পানীৰে ভৰি আছিল যদিও খাবলৈ এটুপি ভাল পানীৰ অভাৱ আছিল। নাটকখনৰ মাজত নাট্যকাৰে চিত্রিত কৰিছে এচাম তথাকথিত ভদ্র তথা অভিজাত শ্রেণীৰ মানুহ। যিবিলাক মানুহে নিজৰ সস্তীয়া জনপ্রিয়তাৰ বাহিৰে বেলেগ একো চিনি নাপায়। তেওঁলোকৰ অন্তৰত মানুহৰ দুখ বুজিব পৰা শক্তি নাই। নাটকখনৰ শেষত দেখা যায় জীয়াই থকাৰ শেষ আশা হিচাপে যিটো দ্বীপত সকলোৱে আশ্রয় লৈ আছিল সেই দ্বীপটোও বলীয়া বানত ডুবি যায়। এনে এক কৰুণ পৰিণতিৰে নাটকখনৰ কাহিনীভাগ সামৰণি মাৰিছে।

২.১ সিদ্ধান্তঃ

(ক) নাটকখনৰ মাজত সমাজৰ বাস্তৱ ৰূপটো সুন্দৰ ভাৱে ফুটি উঠিছে ।

(খ) যুগচেতনা আৰু সমসাময়িক সমস্যাৰ সুন্দৰ প্রতিফলন ঘটাইছে ।

(গ) আধুনিক মানসিকতা তথা সমাজৰ তথাকথিত অভিজাত্যক সুন্দৰ ৰূপত উপস্থাপন কৰিছে

(ঘ) নাটকখনৰ মাজত সামাজিক চেতনা ফুটাই তুলিবলৈ সক্ষম হৈছে ।

প্রসংগটোকাঃ

[১] *হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা , পৃ. ১০০*

[২] *হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা ,পৃ.১০৪*

[৩] *হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা,পৃ.১২২*

[৪] *হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা,পৃ.১১০*

[৫] *হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা, পৃ. ১০৬*

সহায়ক গ্রন্থপঞ্জীঃ

১) চেতিয়া, যোগেন । *নাটকৰ ৰূপ-ৰীতি আৰু মঞ্চায়ন* । তিলোত্তমা চেতিয়া, শিৱসাগৰ, ২০০৩ ।

২) তালুকদাৰ, নিশিগন্ধা । সং আৰু সম্পা: । *হিমেন্দ্র বৰঠাকুৰৰ নাট্যসম্ভাৰ আৰু আলোচনা* । সম্প্রীতি, গুৱাহাটী,প্রথম প্রকাশ, ২০১৯

৩) পাঠক, ৰমেশ । *নাটক আৰু নাটক* । গুৱাহাটী, বুকলেণ্ড, ১৯৯১

৪) মহন্ত, পোনা । *নাটকৰ ৰং-ৰূপ* । গুৱাহাটি, অসম প্রকাশন পৰিষদ, ২০০৮

৫) মহন্ত, পোনা । *নাটকৰ কথা* । গুৱাহাটি, কৌস্তুভ প্রকাশন, ২০১৪ ।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ঔপনিৱেশিক প্ৰেক্ষাপটত নন্দিতা দেৱীৰ *বাদুলী চাকিৰ পোহৰত* চাহ শ্ৰমিকৰ শোষণ আৰু বঞ্চনা ঃ এক আলোচনা

অভিলাষী গগৈ
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

সাৰাংশ

বৰ্তমান সময়ত ঔপনিৱেশিকতাবাদ শব্দটো অতি জনপ্ৰিয় যদিও ই আধুনিক পৰিঘটনা নহয়। ঔপনিৱেশিকতাবাদ এক প্ৰথা আৰু বিশ্বব্যাপী বিয়পি থকা এক দৃষ্টিভংগী। মূলতঃ ঔপনিৱেশিকতাবাদ হৈছে ৰাজনৈতিক আৰু অৰ্থনৈতিক আধিপত্যৰ এক কাৰ্য্য য'ত কোনো বিদেশী শক্তিৰ পৰা অহা বসতিপ্ৰধান লোকে এখন দেশ আৰু ইয়াৰ জনসাধাৰণক নিয়ন্ত্ৰণ কৰে। বেছিভাগ ক্ষেত্ৰতে এই ঔপনিৱেশিক দেশসমূহে উপনিৱেশকৰণ কৰা দেশসমূহৰ মানৱ আৰু অৰ্থনৈতিক সম্পদৰ শোষণ কৰি লাভৱান হোৱাটোৱেই লক্ষ্য কৰি লয়। এনে দৃষ্টিভংগীৰে অসমৰ ঔপনিৱেশিক ইতিহাসক লৈ ৰচনা কৰা এখন উপন্যাস হ'ল নন্দিতা দেৱীৰ *বাদুলী চাকিৰ পোহৰত* (২০২৩)। অসমৰ চাহ উদ্যোগ পতাক লৈ ৰচনা হোৱা উপন্যাসখনত চাহ উদ্যোগ পাতিবলৈ আহি সন্মুখীন হোৱা প্ৰত্যাহ্বান, চাহ বনোৱা আনি চাহ বাগান পতাৰ নিষ্ঠুৰ কাহিনী, চাহ শ্ৰমিকৰ আগমনে অসমৰ সমাজ জীৱন, জন-গাঁথনিত পেলোৱা প্ৰভাৱ আদিক সামৰিছে। প্ৰস্তাৱিত বিষয়ত চাহ শ্ৰমিকে যি ঔপনিৱেশিক শাসন-শোষণৰ সন্মুখীন হৈছিল সেই দিশত অধ্যয়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

বীজ শব্দঃ ঔপনিৱেশ, ব্ৰিটিছ, চাহ শ্ৰমিক, শোষণ, বঞ্চনা।

০.০ অৱতৰণিকাঃ

সাম্প্ৰতিক সময়ত ব্যাপকভাৱে চৰ্চা লাভ কৰি থকা এটা বিষয় হ'ল ঔপনিৱেশিকতাবাদ। ঔপনিৱেশিকৰণক সাধাৰণতে নেতিবাচক হিচাপেই লোৱা হয়। কিয়নো ঔপনিৱেশকৰণৰ ইতিহাস সততে বিপৰ্যয়জনক হোৱা দেখা যায়। ঔপনিৱেশিকতাবাদৰ ফলত খিলঞ্জীয়া লোকক দাসত্বত পৰিণত কৰা, হত্যা কৰা, ৰোগ আৰু অনাহাৰে মৃত্যুমুখত পৰা আদি ঘটনা ঘটিছিল। আলোচনাৰ বাবে গ্ৰহণ কৰা নন্দিতা দেৱীৰ উপন্যাস *বাদুলী চাকিৰ পোহৰত* চাহ বাগিচা স্থাপনৰ সমান্তৰালকৈ ব্ৰিটিছসকলে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বান, লগতে চাহ শ্ৰমিকসকলৰ শোষণ-বঞ্চনাৰ নিষ্ঠুৰতাৰে উপন্যাসৰ কাহিনী আধাৰিত। ভাৰতৰ বিভিন্ন স্থানৰ পৰা

****

আৰিকাটিৰ সহায়ত অসমলৈ অনা বনুৱাসকলে বাগিচাৰ মালিকপক্ষৰ শোষণ আৰু নিষ্ঠুৰতাৰ সন্মুখীন হৈছিল। উপন্যাসখনত শ্রমিকসকল কেনেদৰে ঔপনিৱেশিক শাসন-শোষণৰ সন্মুখীন হৈছিল সেই সম্পর্কে বিষয়টিত আলোচনা কৰা হ'ব।

০.১ অধ্যয়নৰ পৰিসৰঃ

নন্দিতা দেৱীৰ *বাদুলী চাকিৰ পোহৰত* উপন্যাসত ঔপনিৱেশিক সময়ৰ চাহ বাগিচা স্থাপনৰ সময়ছোৱাক সামৰি লোৱা দেখা গৈছে। উপন্যাসখনত চাহ বাগিচা স্থাপনৰ বাবে অনা শ্রমিকসকলৰ শোষণ, নিষ্পেষণৰ দিশসমূহৰ লগতে চাহ বাগিচা স্থাপনৰ বাবে ব্রিটিছ বিষয়াসকলৰ অদম্য কষ্টসহিষ্ণুতা, চাহ শ্রমিকসকলৰ আগমনে অসমৰ জনগাঁথনিত পেলোৱা প্রভাৱ আদি দিশসমূহ প্রতিফলিত হৈছে। এই অধ্যয়নত চাহ শ্রমিকৰ ওপৰত মালিক পক্ষৰ শোষণ-নিষ্পেষণৰ প্রসংগকহে অধ্যয়নৰ পৰিসৰত সামৰা হৈছে।

০.২ অধ্যয়নৰ পদ্ধতিঃ

গৱেষণা কর্মটিত বিষয় অধ্যয়নৰ পদ্ধতি হিচাপে বিশ্লেষণাত্মক আৰু বর্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

১.০ মূল আলোচনাঃ

১.১ উপন্যাসৰ বিষয়বস্তুঃ

নন্দিতা দেৱীৰ *বাদুলী চাকিৰ পোহৰত* উপন্যাসখনৰ সময় ঊনৈশ শতিকাৰ তৃতীয়-চতুর্থ দশকৰ পৰা আৰম্ভ হৈছে । ১৮২৩ চনত ৰবার্ট ব্রুছে চাহগছ বিচৰা কাহিনীৰে উপন্যাসখনৰ বিষয়বস্তু আৰম্ভ হৈছে । অসমৰ অটব্য অৰণ্য ভাঙি চাহগছৰ বাগান গঢ়ি তোলাৰ কষ্টকৰ যাত্রা উপন্যাসখনত প্রতিফলিত হোৱা দেখা গৈছে । অসমৰ অটব্য অৰণ্যৰ মাজত সেইসময়ত চাহ খেতি কৰিবলৈ প্রয়োজন হোৱা শ্রমিকৰ নাটনিৰ ফলত ভাৰতৰ আন আন ৰাজ্যৰ পৰা শ্রমিক আমদানি কৰিবলগীয়া হৈছিল। **আৰকাঠিয়া আৰু গিৰমিটিয়া প্রথাৰে** ভাৰতৰ বিভিন্ন ঠাইৰ পৰা শ্রমিক আমদানিৰ সময়ত শ্রমিকসকল সন্মুখীন হৈছিল চৰম শোষণ আৰু বঞ্চনাৰ । উপন্যাসখনত বাগিছাৰ মালিকপক্ষৰ শোষণ আৰু নিষ্ঠুৰতাই কোঙা কৰি পেলোৱা চাহ শ্রমিকৰ দুর্দশা জীৱন্ত হৈ উঠিছে । লগতে চাহ বাগিচা পাতিবলৈ আহি যিসকল ব্রিটিছ চাহাবে আহি অপঘাত মৃত্যুক সাৱটি লৈছিল সেই চাহাবসকলৰ কাহিনীও উপন্যাসখনত সন্নিৱিষ্ট হৈছে ।

১.২ ব্রিটিছ ঔপনিৱেশিক শাসন-শোষণত চাহ শ্রমিকঃ

অসমত চাহ বাগিচা স্থাপনৰ আৰম্ভণিৰ লগে লগে ব্রিটিছসকলে সন্মুখীন হোৱা এটা প্রধান সমস্যা হৈ পৰিছিল শ্রমিকৰ নাটনি। প্রথম অৱস্থাত বাগিচাৰ সাধাৰণ কাম-কাজৰ কাৰণেও চাহ খেতিয়কসকলে নগা, চিংফৌ আৰু অসমীয়া বনুৱাৰ ওপৰত নির্ভৰ কৰিবলগীয়া হৈছিল। নগা আৰু চিংফৌ বনুৱা যোগাৰ কৰাটো কষ্টকৰ আছিল আৰু অসমীয়া বনুৱাসকলে কেৱল আজৰি সময়তহে বাগিচাত কাম কৰিবৰ বাবে আহিছিল। থলুৱা বনুৱাসকলক আকৃষ্ট কৰিবলৈ চাহ খেতিয়কসকলে বনুৱাৰ দৰমহাও বঢ়াই দিছিল। ১৮৩৯ চনত এজন বনুৱাৰ মাহেকীয়া দৰমহা আছিল দুটকা আঠ অনা, ১৮৫৮-৫৯ চনত তাৰ পৰিমাণ বাঢ়ি গৈ চাৰি টকা আঠ অনা হ'লগৈ।[১]

কোম্পানীৰ চাহবাৰী পতাৰ নামত ব্রিটিছ বিষয়াসকলে দিন-ৰাতি একাকাৰ কৰি তুলিছিল। তেনে পৰিস্থিতিত বনুৱাৰ অভাৱ চাহ বাগিচা স্থাপনত প্রতিবন্ধক হৈ পৰিছিল। কিছু কিছু ক্ষেত্রত অসমীয়া স্বাভিমানী লোকে চাহ বাগিচাত কাম কৰিব নুখুজিছিল। আনহাতে চীনা শ্রমিক অনাৰ ক্ষেত্রত ব্যয় বহুলতাৰ কথা আহি পৰিছিল। তেনে পৰিপ্রেক্ষিতত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা শ্রমিক অনা আৰম্ভ হয়। উৰিষ্যা, পশ্চিমবংগ, ঝাৰখণ্ড, অন্ধ্রপ্রদেশ, বিহাৰ আদিৰ পৰা শ্রমিকসকলক বিভিন্ন প্রলোভন, ছল-চাতুৰীৰে অসমলৈ অনাৰ কাম আৰম্ভ হৈছিল। আসাম কোম্পানীয়ে ১৮৪০ চনতেই হাজাৰীবাগৰ পৰা ৬৫২ জন বনুৱাক ফুচুলাই আনিবলৈ চেষ্টা কৰাৰ কথা

জনা যায়। অৱশ্যে বাটত কলেৰা ৰোগত এই বনুৱা সকলৰ প্ৰায় আধা সংখ্যক মৃত্যু মুখত পৰে । ১৮৪১ চনৰ পৰা বিহাৰ আৰু ছোটনাগপুৰৰ পৰা চাহ খেতিয়কসকলে বনুৱা আনিবলৈ আৰম্ভ কৰে।[২] ইয়াৰ লগে লগে যেন জন্ম হৈছিল এটা শোষিত শ্ৰেণীৰ। উপন্যাসখনত ৰবাৰ্ট নামৰ এজন বিষয়াৰ বক্তব্যত চাহ শ্ৰমিকসকল যে পু�ৰণি দাস প্ৰথাৰে এক আধুনিক ৰূপ সেই কথা প্ৰকাশ পাইছে,

> *"ৰবাৰ্টে বিশ্বাস কৰিবলৈ লৈছিল যে ইংলেণ্ডৰ দাস প্ৰথাৰ অৱলুপ্তিৰ কথা সগৰ্বে বিশ্বৰ আগত ইংৰাজ জাতিয়ে ঘোষণা কৰিলেও ব্ৰিটিছ উপনিৱেশবিলাকত কুলীৰ ওপৰত চুক্তিবদ্ধ শ্ৰমৰ যি ধৰণে আৰোপিত হৈ আছে; ইয়াক একপ্ৰকাৰ আধুনিক দাস প্ৰথাৰে এক বিশেষ ৰূপ বুলিব পাৰি।"*[৩]

ষাঠিৰ দশকত অসমলৈ বনুৱা অনাৰ হাৰ বৃদ্ধি ক্ৰমান্বয়ে বৃদ্ধি পাইছিল । চৰকাৰী ৰিপৰ্ট অনুযায়ী ১৮৬৭-৬৮ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাগিচাত বনুৱাৰ সংখ্যা আছিল ৩৪,৪৩৩; ইয়াৰে ২২৮০০ জন বা দুই তৃতীয়াংশই আমদানি কৰা বনুৱা, মাত্ৰ ১১,৬৩৩ জন বা এক তৃতীয়াংশহে থলুৱা লোক । পৰৱৰ্তী কালত বাহিৰৰ পৰা অনা বনুৱা আৰু দ্ৰুত গতিত বাঢ়িব ধৰে। ১৮৮৪ চনত অসমৰ প্ৰাপ্তবয়স্ক চাহ বনু ৱাৰ সংখ্যা আছিল প্ৰায় ১,৮০,৮৩১ জন। ইয়াৰে শতকৰা ৫.৫ ভাগ মাত্ৰ থলুৱা লোক, বাকী সকলো ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা অনা বনুৱা।[৪] বহিঃৰাজ্যৰ পৰা অসমলৈ শ্ৰমিকসকলক জাহাজেৰে আনোতে সকলো মানৱীয় দিশ উলংঘা কৰা হৈছিল। জাহাজৰ উন্মুক্ত অংশত আনোতে শ্ৰমিকসকল বৰষুণত তিতিছিল, ৰ'দত শুকাইছিল, আক্ৰান্ত হৈছিল ভয়াবহ বেমাৰত। যিকেইটা আহি পাইছিল, সিহঁতৰ অৱস্থাও আছিল শোচনীয়। উপন্যাসখনত ঔপন্যাসিকে শ্ৰমিকৰ এই দুৰৱস্থাৰ বৰ্ণনা কৰিছে —*ডিৰ্বাকেন ডিপোত মাটিয়ে-বালিয়ে বাগৰি থকা বনুৱাহঁতক ওচৰৰ পৰা একো একোটা নৰকংকাল যেন লাগিছে। অৰ্ধাহাৰে অনাহাৰে চকুৰ কোটৰত সোমাই পৰি প্ৰতিটো বনুৱাই এক পিশাচৰ মূৰ্তি ধাৰণ কৰিছে।*[৫]

চাহ বাগিচাৰ সৰহসংখ্যক চাহ খেতিয়কেই আছিল অতি দাম্ভিক আৰু নিষ্ঠুৰ। বনুৱাসকলৰ ওপৰত চাহ খেতিয়কসকলে চলোৱা দৈহিক উৎপীড়নৰ সীমা সংখ্যা নাছিল। অপৰিসীম কষ্টৰ মাজত থাকিব নোৱাৰি পলাই যোৱা বা প্ৰতিবাদ কৰা বনুৱাৰ ওপৰত অমানুষিক নিৰ্যাতন চলোৱা হৈছিল। লগতে বাগিচাৰ শ্ৰমিকৰ বাবে কোনো ধৰণৰ আইন-আদালতৰ কথা নাছিল। সৰু সৰু কথাত চমতাৰ কোব, জেল আনকি মৃত্যু পৰ্যন্ত চাহ শ্ৰমিকৰ বাবে অতি সহজলভ্য হৈ পৰিছে,

> *"বাগিচাৰ পৰা পলাই যোৱা বনুৱা ঢাকা ৰেল ষ্টেচনত চাহাবৰ মাজত ধৰা পৰিছিল। চাহাবৰ চমতাৰ কোবত সেই বনুৱাৰ পিঠি ছিৰাছিৰ হৈ তেজ বৈছিল। পিঠিৰ কেঁচা ঘাত তেল-নিমখ সানি দিয়া হৈছিল।... বিনা ৰাৰেণ্টেই বাগিচাৰ চাহাবে পলৰীয়া বনুৱাক হালে হালে ধৰি অনাব পাৰে, কোৰ্ট-কেছাৰী নোহোৱাকৈ শাস্তি দিব পাৰে, বেটাব পাৰে। বাগানৰ নিজা গোপন জেলখানাত ভৰাই থ'ব পাৰে।"*[৬]

চাহ বাগিচাৰ নাৰী শোষণৰ ইতিহাস আছিল অতি ভয়াবহ। মহিলাসকলে সততে যৌন উৎপীড়নৰ সন্মুখীন হৈছিল। বাগিছাৰ মালিকপক্ষৰ যৌন কামনাৰ বলি হৈ বহু নাৰী মৃত্যুমুখত পৰিছিল কিন্তু তাৰ ন্যায় কোনো নাৰীয়েই পোৱা নাছিল। উপন্যাসখনত ৰান্‌বান্ চাহাবে এজনী বনুৱা তিৰোতাক দেখি তিৰোতাজনীৰ কোলাৰ কেঁচুৱা অৰণ্যৰ মাজলৈ দলিয়াই দি ধৰ্ষণ কৰা ঘটনাই বিকৃত যৌনলিপ্সা আৰু নাৰী শোষণৰ চৰম উদাহৰণ দাঙি ধৰিছে এনেদৰে, *"ৰান্‌বান্ চাহাবে বনুৱা তিৰোতাক কোলাৰ কেঁচুৱা অৰণ্যলৈ দলিয়াই সেই তিৰোতাক ধৰ্ষণ কৰিছিল। তৎসত্বেও এক মিছা সাক্ষীৰ সহায়ত বিচাৰৰ ৰায় চাহাবৰ সপক্ষে গৈছিল।"*[৭]

চাহ বাগিচাত কঠোৰ পৰিশ্ৰম কৰা বনুৱা সকলৰ লাইনবোৰত পৰ্যাপ্ত সুবিধা নাছিল। অস্বাস্থ্যকৰ পৰিৱেশত বেমাৰ লাগিলে এটা এটা লাইন ৰাতিটোৰ ভিতৰতে উছন্ন হৈ পৰিছিল। জাহাজৰ নৰকময় পৰিৱেশত আহোতেই বনুৱাসকল অতি দুৰ্বল হৈ আহিছিল। জাহাজত অনাৰ অবৰ্ণনীয় পৰিৱেশ উপন্যাসখনত এনেদৰে বৰ্ণনা কৰিছে —

****

"বমি-পায়খানা কৰি চেৰেলিয়াই জাহাজৰ ওপৰতে মূর্ছা যোৱা দেহবোৰ জাহাজৰ খালাচীবোৰে উবুৰিয়াই ফুৰিছিল। একোবাৰ সাৰ-সিকতি নোহোৱা হৈ কোৱাৰীৰে ফেন বৈ থকা, ভেনামাখি পৰা দেহবোৰ জীৱিত নে মৃত জানিবলৈ নাড়ী চুই চোৱাৰ প্রয়োজন আছে জানো?" [৮]

এই পৰিৱেশত জীৱিত হৈ থকা দুর্বল মানুহবোৰৰ অস্বাস্থ্যকৰ পৰিৱেশ, কঠোৰ পৰিশ্রমৰ ফলত অতি সোনকালে বেমাৰে আগুৰি ধৰিছিল। বেমাৰে সন্ত্রাস চলোৱা লাইনবোৰত মৃত্যু অতি সহজলভ্য হৈ পৰিছিল। চতু, সধু, নন্দইঁতৰ দৰে শ্রমিকসকল বেমাৰত পৰাৰ পিছত পোৱা নাই পর্যাপ্ত চিকিৎসা। চিকিৎসাৰ নামত সিহঁতে কেৱল কুইনাইন বড়িহে পায়,

"বমি-পায়খানা কৰি চেৰেলিয়াই জাহাজৰ ওপৰতে মূর্ছা যোৱা দেহবোৰ জাহাজৰ খালাচীবোৰে উবুৰিয়াই ফুৰিছিল। একোবাৰ সাৰ-সিকতি নোহোৱা হৈ কোৱাৰীৰে ফেন বৈ থকা, ভেনামাখি পৰা দেহবোৰ জীৱিত নে মৃত জানিবলৈ নাড়ী চুই চোৱাৰ প্রয়োজন আছে জানো?" [৯]

বাগানৰ কুলীৰ দুর্দশা সম্পর্কে দুজন অসমীয়া গএগলোকে অতি জাতযোৱা কাৰবাৰ বুলি উল্লেখ কৰিছে। বাগানৰ কাষৰীয়া অঞ্চলৰ লোকসকলেও বাগানীয়া শ্রমিকৰ দুখ-দুর্দশা বুজি উঠিছিল। তেওঁলোকৰ মতে কুলীৰ জীৱন আছিল আধা ফাটৈকৰ জীৱন,

"আৰু কুলীবোৰ আধা ফাটৈকিয়ালটোৰ দৰে। এবাৰ চুক্তি কৰা কুলীয়ে কাম নকৰিলে ফাটৈকত ভৰায়। কথাই কথাই বেতেৰে কোবায়। বাগানৰ কুলীৰ জীৱন বৰ ভাল বুলি ভাবিছ নেকি? একেবাৰে জাত যোৱা কাৰবাৰ হেৰ'।" [১০]

মিছা প্রলোভন দি অনা এই শ্রমিকসকল অসমৰ চাহ বাগানৰ নামত শোষণ-নিষ্পেষণৰ বলি হোৱা এই দুর্দশা সাধাৰণ অসমীয়া লোকৰো বোধগম্য হৈছিল। সেইবাবে অসমীয়া লোকে চাহাবৰ গোলামী কৰি বাগানত কাম কৰি জাত যোৱা কাৰবাৰ নকৰে বুলি ভবা দিশবোৰ উপন্যাসখনত প্রতিফলিত হৈছে।

২.০ উপসংহাৰঃ

সামগ্রিকভাৱে ক'ব পাৰি যে ব্রিটিছ ঔপনিৱেশিক কালৰ আধাৰত ৰচিত *বাদুলী চাকিৰ পোহৰত* উপন্যাসত চাহ বাগিচাৰ জীৱনৰ লগতে সমসাময়িক অসমীয়া জীৱনকো সামৰিছে। উপন্যাসখনত ব্রিটিছ ঔপনিৱেশিক শাসকৰ চাহ বাগিচা পতাৰ নামত শ্রমিকসকল যি নিষ্ঠুৰ শাসন-শোষণৰ বলি হ'ল তাৰ নির্মম বর্ণনা প্রকাশিত হৈছে। উপন্যাসখনত চাহ শ্রমিকসকলৰ শোষিত হোৱা দিশবোৰ হ'ল —

- চাহ শ্রমিক আমদানিত অত্যাধিক হাৰত জাহাজত কঢ়িয়াই অনাৰ ফলত বহু শ্রমিকৰ মৃত্যু।
- চাহ শ্রমিকে কষ্টকৰ পৰিৱেশৰ পৰা পলাই যাব বিচাৰিলে অথবা প্রতিবাদ কৰিলে তাতকৈ অধিক ভয়ংকৰ শাস্তি দি কৰা দমন।
- চাহ শ্রমিকসকলক একপ্রকাৰৰ আধুনিক দাস হিচাপে ভবা মনোভাৱ।
- নাৰীৰ ওপৰত চলোৱা যৌন উৎপীড়নৰ উপস্থাপন।
- অত্যাধিক হাৰত শ্রম কৰোৱাই নূন্যতম স্বাস্থ্য, খাদ্য, মজুৰিৰ সুবিধা প্রদান নকৰাৰত্ন দিশ।

প্রসংগসূত্রঃ

১. প্রসেনজিৎ চৌধৰী , *অসমৰ চাহ বনুৱা আৰু ঊনৈশ শতিকাৰ বিদ্বৎ সমাজ*, পৃ . ১৪
২. উল্লিখিত, পৃ. ২৩
৩. নন্দিতা দেৱী, *বাদুলী চাকিৰ পোহৰত*, পৃ. ৯১

****

৪. চৌধৰী , উল্লিখিত, পৃ. ২৩,২৪
৫. উল্লিখিত, পৃ. ১২৭
৬. উল্লিখিত, পৃ. ১৩৬
৭. উল্লিখিত, পৃ. ১৩৮
৮. উল্লিখিত, পৃ. ১৯২
৯. উল্লিখিত, পৃ. ২০৩
১০. উল্লিখিত, পৃ. ১২৭

গ্ৰন্থপঞ্জীঃ

মূল গ্ৰন্থঃ

১. দেৱী, নন্দিতা। *বাদুলী চাকিৰ পোহৰত* । অসম পাব্‌লিচিং কোম্পানী। ডিচেম্বৰ, ২০২৩।

সহায়ক গ্ৰন্থঃ

১. চৌধৰী , প্ৰসেনজিৎ । *অসমৰ চাহ বনুৱা আৰু ঊনৈশ শতিকাৰ বিদ্বৎ সমাজ* । ষ্টুডেণ্টচ্ ষ্টৰচ্ । প্ৰথম প্ৰকাশ , ডিচেম্বৰ ১৯৮৯।

২. ঠাকুৰ, নগেন (সম্পা.)। *এশ বছৰৰ অসমীয়া উপন্যাস*। জ্যোতি প্ৰকাশন। পুনৰ মুদ্ৰণ, নৱেম্বৰ, ২০০৮।

৩. দাস, অমলচন্দ্ৰ (সম্পা.)। *অসমীয়া উপন্যাস পৰিক্ৰমা*। বনলতা, প্ৰথম সংস্কৰণ, মে', ২০১২।

৪. শইকীয়া, গীতাশ্ৰী, জয়ন্ত দত্ত (সম্পা.)। *একবিংশ শতিকাৰ অসমীয়া উপন্যাস*। অসম বুক ট্ৰাষ্ট, জানুৱাৰী, ২০২০।

******

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

মেৰেং উপন্যাসত প্ৰতিফলিত নাৰীৰ সামাজিক স্থানঃ চমু অধ্যয়ন

জ্যোতি বড়া
গৱেষক, অসমীয়া বিভাগ, অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
ড° প্ৰভাত ভূঞা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ

সাৰাংশ

অনুৰাধা শৰ্মা পূজাৰীৰ *মেৰেং* অসমীয়া জীৱনীভিত্তিক উপন্যাস ধাৰাটোত এক উল্লেখযোগ্য সংযোজন। বিশিষ্ট শিক্ষাবিদ তথা উত্তৰ-পূব ভাৰত সীমান্তৰ প্ৰথমগৰাকী মহিলা শীৰ্ষ বিষয়া পদত নিয়োজিত হোৱা ইন্দিৰা মিৰিৰ সংগ্ৰামময় জীৱনক উপন্যাসখনৰ পাতত অংকন কৰা হৈছে। বিশেষকৈ ১৯০১ পৰা পঞ্চাশৰ দশকৰ অসমীয়া সমাজখনত কিদৰে ইন্দিৰাই সমাজৰ প্ৰতিবন্ধকতাক নেওচি শিক্ষা গ্ৰহণ কৰি পূৰ্বৰ নেফা তথা বৰ্তমানৰ অৰুণাচল প্ৰদেশত শৈক্ষিক বাতাৱৰণৰ সৃষ্টি কৰিছিল, সেই দিশটোক বাস্তৱসন্মতভাৱে ঔপন্যাসিকে তুলি ধৰাৰ যত্ন কৰিছে। লগতে প্ৰাকস্বাধীনতা আৰু উত্তৰ স্বাধীনতা কালৰ অসম-অৰুণাচলৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক, ৰাজনৈতিক ইত্যাদি দিশো উপন্যাসখনত প্ৰতিফলিত হোৱা দেখা যায়। তদুপৰি ঊনবিংশ শতিকা আৰু বিংশ শতিকাৰ আগছোৱাত নাৰীৰ স্থান সমাজত কি ধৰণৰ আছিল; সেই দিশটোকো উপন্যাসখনত প্ৰতিফলিত কৰা হৈছে। বিশেষকৈ ভাৰতবৰ্ষত প্ৰচলিত জাতিভেদ প্ৰথা অনুসৰি নাৰীৰ স্থান জাতিভেদে সুকীয়া সুকীয়া পৰিলক্ষিত হয়। উচ্চ বৰ্ণত নাৰীৰ ক্ষেত্ৰত যি কঠোৰ নীতি-নিয়ম, তাৰ তুলনাত নিম্ন জাতি হিচাপে গণ্য কৰা লোকসকলৰ মাজত ই যথেষ্ট শিথিল। অসমৰ প্ৰেক্ষাপটতো এই দৃশ্য সততে দেখা পোৱা যায়। উপন্যাসখনত অসম, অৰুণাচল আৰু ভাৰতবৰ্ষৰ কলিকতাৰ লগতে বিদেশৰ স্কটলেণ্ডতো নাৰীৰ সামাজিক স্থান সম্পৰ্কে ঔপন্যাসিকে সচেতনভাৱে উপস্থাপন কৰা দেখা গৈছে।

বীজ শব্দ - বিংশ শতিকা, সমাজ, শিক্ষা, নাৰী, সামাজিক স্থান।

০.০ বিষয়ৰ পৰিচয়ঃ-

পূৰ্বৰ নেফা(NEFA) তথা বৰ্তমানৰ অৰুণাচল প্ৰদেশত বিংশ শতিকাৰ সময়ছোৱাত শিক্ষাৰ প্ৰসাৰ কৰিবলৈ যোৱা অসমৰ এগৰাকী সাহসী আৰু কৰ্মোদ্যমী মহিলা হৈছে ইন্দিৰা মিৰি। যি সময়ত অসমত নাৰী শিক্ষাৰ বাবে সুবিধাজনক পৰিৱেশ গঢ়ি উঠা নাছিল, তেনে সময়তে পিতৃ সোণাধৰ সেনাপতিৰ প্ৰচেষ্টাত ইন্দিৰা মিৰিয়ে প্ৰথমে শ্বিলং আৰু পাছত ক্ৰমে কলিকতা, গুজৰাট, স্কটলেণ্ডত শিক্ষা গ্ৰহণ কৰি নিজকে শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। এইগৰাকী নাৰীৰ জীৱনৰ আধাৰতে অনুৰাধা শৰ্মা পূজাৰীয়ে ২০১০ চনত *মেৰেং* নামেৰে এখন উপন্যাস ৰচনা কৰে। উপন্যাসখনৰ মূল বিষয়বস্তু হৈছে ইন্দিৰা মিৰিৰ সংগ্ৰামময় জীৱন

****

কাহিনী। কিন্তু তাৰ সমান্তৰালকৈ উপন্যাসখনত প্ৰাকস্বাধীনতা আৰু উত্তৰ স্বাধীনতা কালৰ ভাৰতবৰ্ষ তথা অসম-অৰুণাচলৰ সামগ্ৰিক দিশটো প্ৰকাশিত হোৱা দেখা গৈছে। বিশেষকৈ প্ৰাকস্বাধীনতা কালৰ নেফাৰ সমাজ-জীৱন, অসমত চলি থকা শ্ৰেণী বৈষম্য, বাল্য বিবাহ, বিধৱা বিবাহ, নাৰী শিক্ষা আদিৰ বাবে চলা সংস্কাৰ আন্দোলন, উত্তৰ-পূব ভাৰতত স্বাধীনতা আন্দোলনৰ প্ৰভাৱ, ৰাজনৈতিক স্বাৰ্থত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক কৰা বিভাজন প্ৰসংগ, ভাষা আন্দোলন ইত্যাদিৰ প্ৰকাশে উপন্যাসখনক কেৱল জীৱনীভিত্তিক উপন্যাস হিচাপেই নহয়, উত্তৰ পূৰ্বাঞ্চলৰ সমাজ-ইতিহাসৰ এক গুৰুত্বপূৰ্ণ দলিল হিচাপেও বিবেচনা কৰিব পাৰি।

উপন্যাসখনৰ জৰিয়তে আমাৰ দৃষ্টিগোচৰ হোৱা আন এটা গুৰুত্বপূৰ্ণ প্ৰসংগ হৈছে, ঊনবিংশ আৰু বিংশ শতিকাৰ আগছোৱাত নাৰীৰ সামাজিক স্থান। ভাৰতবৰ্ষত উচ্চ বৰ্ণৰ লোকসকলৰ মাজত সাধাৰণতে নাৰীৰ স্থান আছিল নিম্নমানৰ। অসমৰ ক্ষেত্ৰতো ই ব্যতিক্ৰম নহয়। কিন্তু অসম তথা উত্তৰ-পূৰ্বাঞ্চল ভিন্ন জাতি-জনজাতি লোকৰ বাসস্থলী। কেইবাটাও জনজাতিৰ মাজত মাতৃপ্ৰধান নীতিও বিদ্যমান। সেয়ে ভাৰতবৰ্ষৰ আন ঠাইৰ তুলনাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত নাৰীৰ স্থান উন্নত। উচ্চ বৰ্ণৰ নাৰীৰ ক্ষেত্ৰত অসমৰ সমাজ-জীৱনো ভাৰতীয় পৰম্পৰাৰ বিপৰীতমুখী নহয়। উপন্যাসখনত প্ৰতিফলিত সমসাময়িক ভাৰতীয় সমাজ আৰু অসম-অৰুণাচলৰ সমান্তৰালকৈ পাশ্চাত্য দেশ স্কটলেণ্ডত নাৰীৰ স্থান কেনে আছিল, সেই দিশৰ বিষয়ে সুন্দৰভাৱে বৰ্ণনা পোৱা গৈছে। আমাৰ এই আলোচনা পত্ৰৰ জৰিয়তে উপন্যাসখনত প্ৰাচ্য আৰু পাশ্চাত্যত নাৰীৰ স্থান কেনেধৰণৰ আছিল, সেই দিশৰ আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

০.১ গৱেষণাৰ পৰিসৰ -

***মেৰেং* উপন্যাসত প্ৰতিফলিত নাৰীৰ সামাজিক স্থানঃ চমু অধ্যয়ন** শীৰ্ষক বিষয়টিৰ অধ্যয়নৰ পৰিসৰ কেৱল উপন্যাসখনত প্ৰতিফলিত বিংশ শতিকাৰ কলিকতা, অসম, নেফা বা অৰুণাচল প্ৰদেশ আৰু স্কটলেণ্ডৰ নাৰীৰ সামাজিক স্থান সম্পৰ্কীয় আলোচনাতে সীমিত।

০.২ গৱেষণাৰ উদ্দেশ্য -

- ভাৰতীয় নাৰীৰ স্থান কেনেধৰণৰ আছিল, সেই দিশৰ আলোচনা কৰা।
- অসম আৰু অৰুণাচল প্ৰদেশৰ জনজাতীয় সমাজত নাৰীৰ স্থান কেনে আছিল আলোচনা আগবঢ়োৱা।
- স্কটলেণ্ডৰ সমাজত নাৰীৰ স্থান কেনে আছিল, তাৰ আলোচনা কৰা।

০.৩ গৱেষণাৰ গুৰুত্ব -

বৰ্তমান সময়ত বিশ্বৰ সকলো ঠাইৰ দৰে ভাৰতবৰ্ষ তথা অসমতো নাৰীয়ে পুৰুষৰ সম মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু বিংশ শতিকাৰ আগছোৱালৈকে ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীৰ স্থান উন্নত নাছিল। অসমৰ নাৰীৰ ক্ষেত্ৰতো আমি ভাৰতীয় পৰম্পৰাগত মানসিকতাৰ প্ৰভাৱ দেখা পাওঁ। যাৰ ফলত বিংশ শতিকাৰ প্ৰায় পঞ্চাশ-ষাঠি দশকলৈকে অসমত নাৰীয়ে পুৰুষৰ সম মৰ্যাদা তথা সমঅধিকাৰৰ বাবে যথেষ্ট সংগ্ৰাম কৰা দেখা গৈছে। কিন্তু জনজাতীয় সমাজবোৰ আছিল ভাৰতীয় পৰম্পৰাগত ব্যৱস্থাৰ পৰা ব্যতিক্ৰম। *মেৰেং* উপন্যাসখনত বিংশ শতিকাৰ পঞ্চাশ দশকলৈকে প্ৰাচ্য আৰু পাশ্চাত্য দেশত নাৰীৰ স্থিতি সম্পৰ্কে স্পষ্ট নিদৰ্শন পোৱা গৈছে। *মেৰেং উপন্যাসত প্ৰতিফলিত নাৰীৰ সামাজিক স্থান ঃ চমু অধ্যয়ন* শীৰ্ষক বিষয়টিৰ জৰিয়তে অসম-অৰুণাচল, ভাৰতবৰ্ষৰ কলিকতাৰ লগতে স্কটলেণ্ডত নাৰীৰ স্থান সম্পৰ্কে জনাত সহায় হ'ব।

০.৪ গৱেষণাৰ পদ্ধতি -

***মেৰেং*উপন্যাসত প্ৰতিফলিত নাৰীৰ সামাজিক স্থানঃ চমু অধ্যয়ন** শীৰ্ষক বিষয়টিৰ আলোচনাৰ ক্ষেত্ৰত বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

১.০ *মেৰেং* উপন্যাসত প্রতিফলিত নাৰীৰ সামাজিক স্থান -

মেৰেং উপন্যাসখনত অসম আৰু অৰুণাচল প্রদেশৰ লগতে ইন্দিৰা মিৰিৰ শৈক্ষিক জীৱনৰ সৈতে সংগতি থকা ঠাইসমূহৰো সমাজ-জীৱন প্রকাশিত হৈছে। এই ঠাইসমূহৰ ভিতৰত কলিকতা আৰু স্কটলেণ্ডৰ কথা ক'ব পাৰি। শিক্ষাগ্রহণ কৰিবৰ বাবে তাত থকা সময়ছোৱাত মিৰিয়ে লক্ষ্য কৰা এটা স্পর্শকাতৰ বিষয় হৈছে, নাৰী স্বাধীনতা বা নাৰীৰ সামাজিক মর্যাদা। ভাৰতবর্ষতকৈ বিদেশত নাৰীৰ স্থান উন্নত। তেওঁলোকে স্বাধীনতা-অধিকাৰ তথা সামাজিক স্থান লাভৰ যুদ্ধখনত বহু পূর্বেই অৱতীর্ণ হৈছিল, সেয়ে বিংশ শতিকাৰ আগতেই পাশ্চাত্য দেশসমূহত নাৰীয়ে উপযুক্ত স্থান দখল কৰিবলৈ সক্ষম হৈছে। ভাৰতবর্ষত ইংৰাজৰ নেতৃত্বত আধুনিক শিক্ষাৰ প্রসাৰ হোৱাৰ পাছৰ পৰাহে অর্থাৎ ঊনবিংশ শতিকাৰ পৰাহে সংস্কাৰ আন্দোলনৰ আৰম্ভ হৈছে। নাৰী স্বাধীনতা, নাৰী অধিকাৰ এই সংস্কাৰ আন্দোলনৰ এক গুৰুত্বপূর্ণ অংগ। ঊনবিংশ শতিকাতে ভাৰতবর্ষত এই আন্দোলন আৰম্ভ হৈছিল যদিও ই বিংশ শতিকালৈয়ো সম্পূর্ণৰূপে ফলপ্রসূ হৈ উঠা নাছিল। তাৰ প্রমাণ ১৯১০ পৰা পঞ্চাশৰ দশকৰ পটভূমিত ৰচিত এই উপন্যাসখনৰ পাতত পৰিলক্ষিত হৈছে। ভাৰতীয় সমাজত বিংশ শতিকাৰ পঞ্চাশ-ষাঠী দশকলৈকে নাৰীৰ ওপৰত পৰম্পৰা তথা নীতি-নিয়মৰ নামত যি অন্যায়-অবিচাৰ চলিছিল, পাশ্চাত্যৰ দেশসমূহত আমি সেয়া দেখা পোৱা নাই। উপন্যাসখনত এই দিশটো স্পষ্টৰূপে ফুটি উঠিছে।

১.১ ভাৰতীয় সমাজত নাৰীৰ স্থান -

বিংশ শতিকাৰ ভাৰতীয় সমাজখনে নাৰীক কেৱল সন্তান জন্ম দিয়া, সন্তান প্রতিপালন কৰা আৰু বংশ-পৰিয়াল চোৱা-চিতা কৰাৰ বাবেহে উপযুক্ত বুলি গণ্য কৰিছিল। তেওঁলোকে ঘৰৰ চাৰিবেৰৰ বাহিৰত নাৰীৰ কোনো অস্তিত্ব স্বীকাৰ কৰি ল'ব নিবিচাৰে। তদুপৰি সতী দাহ প্রথা, বাল্য বিবাহ, ভ্রূণ হত্যা, দাউৰী প্রথা, পর্দা প্রথা, বহু বিবাহ প্রথা, বিধৱা বিবাহ নিষিদ্ধ ইত্যাদি কু-সংস্কাৰে নাৰীসকলৰ জীৱন অতি দুর্বিহ কৰি তুলিছিল। বিশেষকৈ উচ্চ বর্ণৰ নাৰীসকলে আনসকলৰ তুলনাত অধিক কঠোৰ অনুশাসনৰ মাজত জীৱন অতিবাহিত কৰা দেখা যায়। তেওঁলোকে মুকলিকৈ স্ব-ইচ্ছাৰে ঘৰৰ পৰা ওলাই যাব নোৱাৰে, বিধৱাসকলে ইচ্ছানুসৰি খোৱা-বোৱা, সাজ-পোছাক পৰিধান কৰিব নোৱাৰে, সামাজিক ক্ষেত্রত কেতিয়াও আগভাগ ল'ব নোৱাৰে ইত্যাদি নানান নীতি-নিয়মেৰে নাৰীসকলক বান্ধি ৰখা হৈছিল। ইয়াৰ উপৰিও পুষ্পিতা হোৱাৰ আগতে নিজতকৈ দুগুণ ডাঙৰ ব্যক্তিৰ সৈতে বিয়াত বহা, কম বয়সতে বিধৱা হৈ ওৰে জীৱন স্বামী গৃহ আৰু সমাজত নানান কটু কথাৰ সন্মুখীন হোৱা ইত্যাদিবোৰ আছিল সেই সময়ত তেনেই সাধাৰণ ঘটনা। ব্রিটিছসকলৰ নেতৃত্বত ভাৰতবর্ষত গঢ়ি উঠা আধুনিক শিক্ষা তথা আধুনিক চিন্তা-চচাঁই পৰৱর্তী সময়ত ভাৰতবর্ষৰ পৰা এই কু-সংস্কাৰসমূহ নির্মূল হোৱাত ভূমিকা গ্রহণ কৰে। এই সন্দর্ভত উপন্যাসখনত কমলাৰ মুখেৰে প্রকাশ হোৱা এযাৰ উল্লেখ কৰিব পাৰি। কমলাই কৈছে -

> *"ইন্দিৰা, তোমাৰ দেশ এই দেশৰ মানুহে শাসন কৰিছে, সতীদাহ প্রথাৰ বিৰুদ্ধে আইন, বাল্যবিবাহৰ বিৰুদ্ধে আইন বলৱৎ কৰিছে এই দেশৰ মানুহে। ইংৰাজ নোযোৱা হ'লে দেশত শিক্ষাৰ প্রসাৰতা লাভ কৰিলেহেঁতেন? বিজ্ঞানচর্চা হ'লহেঁতেন? ইতিমধ্যেই ভাৰতবর্ষক পোহৰ দেখুৱাইছে ইংৰাজে। এতিয়া যি স্বাধীনতা আন্দোলন হৈছে, সেয়া ক্ষমতাৰ স্বপ্ন, চাবা তুমি, স্বাধীনতা যদি ভাৰতৰ মানুহে পায় কোনোবা দিনা, সেইদিনাৰ পৰাই প্রকৃত দাসত্বৰ শৃংখল পিন্ধিব ভাৰতীয়ই।"* [১]

উপন্যাসখনত বাল্য বিবাহৰ ভয়াৱহতাৰ ইংগিত দিয়া হৈছে কলিকতাৰ হোষ্টেলত থাকোঁতে লগ পোৱা সুলেখা আৰু বেলাৰ জীৱন কাহিনীৰ জৰিয়তে। স্বামী, বিয়া, সংসাৰ সম্পর্কে কোনো ধাৰণা নথকাকৈয়ে তোলনী হোৱাৰ আগতে ঊনবিংশ-বিংশ শতিকাৰ আগছোৱাত উচ্চ বর্ণৰ লোকসকলে নিজৰ কন্যাক বিয়া দিয়ে। এনেদৰে

বিয়া দিয়া বহু ছোৱালীয়ে স্বামীৰ মুখখন নেদেখাকৈয়ে গোটেই জীৱন বিধৱা হৈ সমাজৰ কঠোৰ নিয়মসমূহ মানি চলিবলগীয়া হয়। সুলেখাই কৈছিল -

"মোৰ স্বামীক বিয়াৰ দিনাই ওৰণিৰ মাজেৰে চকামকাকৈ দেখিছিলোঁ। ক্ষীণ, ওখ, মূৰৰ টোপৰৰ বাবে মুখখন ফুলেৰে ঢাকি আছিল, সেয়ে নেদেখিলোঁ।...পিছে এদিন ৰাতিপুৱা ঘৰত হুৱা-দুৱা লাগিল। মই পিছফালে চোতালত চুলিখিনি মেলি দিছিলোঁ আৰু আমাৰ ঘৰত থকা মাধৱীদিয়ে খেজুৰীপতীয়া বেণীৰে এটা খোপা বান্ধিব খুজিছিল। তেনেতে মা দৌৰি আহি মোক সাৰটি ক'লে- 'হতভাগা, এই সাজোন-কাচোন থ, তই চিৰজীৱনলৈ আৰু এইবোৰ একো কৰিব নোৱাৰ।' মায়ে নিজৰ কপাল থপৰিয়াই চোতালত কান্দি কান্দি বাগৰি পৰিল। মই কান্দিবও নোৱাৰিলোঁ। মোৰ দুখ লগাও নাছিল।" [২]

স্বামীৰ মৃত্যুৰ পাছত কিদৰে বিধৱা ছোৱালীজনীক সমাজে শাৰীৰিক-মানসিক নিযাৰ্তন চলায়, সুলেখাৰ কথাখিনিৰ জৰিয়তে সেই দিশটোৰো প্রকাশ হৈছে। তাই কৈছিল -

...মোৰ গাৰ গহনা খহাই পেলালে। শিৰৰ সেন্দূৰ ঘঁহি ঘঁহি মচিলে। ভৰিৰ আল্‌তাবোৰ এৰুৱাব নোৱাৰি খহটা শিল-বালি সকলো ঘঁহিলে, ভোলৰ জাল টুকুৰা-টুকুৰ হৈ গ'ল। ভৰিৰ ছাল এৰাই তেজ ওলাল, মই তেতিয়া চিঞৰি চিঞৰি, কান্দিলোঁ।...মোৰ চুলি খুৰাই গংগাত ভঁহাই থৈ অহাৰ কথা-বার্তা শুনিলোঁ। মই তেতিয়া ৰাউচি জুৰি কান্দিছিলোঁ। পিছে মোৰ দেউতা আৰু খুৰাই মোক ৰক্ষা কৰিলে। তেওঁলোক ব্রাহ্ম সমাজৰ সদস্য আছিল। কিন্তু মা-আইতা সকলোৱে বৈধব্যৰ সকলো ৰীতি-নীতি পৰিহাৰ কৰি, বংশ ৰৌ-ৰৌ নৰকত পচি ধ্বংস হ'ব বুলি ভয় খাইছিল।...মই পুষ্পিতা হ'লোঁ। সেইদিনাও ঘৰত কান্দোনৰ ৰোল উঠিল। যেন মোৰ আকৌ এটা অপৰাধ হ'ল। মোক সমাজ, আত্মীয়-স্বজনৰ পৰা বচাবলৈকে দেউতাই এই স্কুলৰ হোষ্টেললৈ লৈ আহিল।... [৩]

১.১.১ অসমত নাৰীৰ স্থান -

অসমৰ প্রেক্ষাপটতো ভাৰতীয় পৰম্পৰাৰ গুৰুতৰ প্রভাৱ দেখা যায়। অসমৰ উচ্চ বর্ণ হিচাপে বিবেচিত লোকসকলৰ নাৰীয়ে কেনেদৰে নীতি-নিয়মৰ নামত শাৰীৰিক-মানসিক নির্যাতনৰ বলি হৈ আহিছে, সেই ছবি উপন্যাসখনৰ পাততে স্পষ্টকৈ ফুটি উঠিছে। উদাহৰণস্বৰূপে, উপন্যাসখনত বেণুৱে মেৰেঙক কোৱা বামুণী বিধৱাজনীৰ ঘটনাটো উল্লেখ কৰিব পাৰি। বেণুৱে কৈছে ,

"বামুণৰ ছোৱালীবোৰৰ বাবে ন-দহ বছৰীয়া ছোৱালী মানে বহুত বয়স। তই ভালকৈ নুবুজিবি। ছোৱালী শান্তি হ'লে সেই ছোৱালী অস্পৃশ্য হয় আৰু গৌৰীদান কৰিব পাৰিলে হেনো পুণ্য হয়। বামুণৰ লগতে চহকী আন জাতৰ ডাঙৰ মানুহবোৰেও এই নিয়মত বিয়া দি পুণ্যৰ ভাগ পায়। ঘৰতে তোলনী হোৱা ছোৱালী থাকিলে জুই-পানী নিষেধ কৰি সমাজে তেনে ছোৱালীৰ ঘৰখনক এঘৰীয়া কৰে।...দেহি ঐ, ফুলকুমলীয়া ছোৱালীবোৰৰ বিলৈ দেখিলে বেথা লাগে।" [৪]

কম সময়তে বিয়া দিয়া এই ছোৱালীবোৰ কেতিয়াবা স্বামীৰ গৃহ নেদেখাকৈয়ে বিধৱা হয়। তাৰ পাছত তেওঁলোকৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহে। ওৰে জীৱন নিৰামিষ আহাৰ গ্রহণ, সাজসজ্জাৰ নামত কেৱল বগা ৰঙৰ পোছাক যোৰ, চুলি চুটি কৰি মতা মানুহৰ দৰে কৰি ৰখাৰ নিয়ম, দাঁত ক'লা কৰিব লাগে ইত্যাদি নানান বাধ্যবাধকতা আহি পৰে। তদুপৰি সমাজৰ পৰা শুনিব লগা ভিন্ন অপায়-অমঙ্গল তথা কুলক্ষণীৰ অপবাদবোৰ থাকেই। উপন্যাসখনত লিখিছে ,

"তাই শেষবাৰৰ বাবে ক'লে— 'মোৰ দাঁতবোৰ ক'লা নকইবি অ', মই তহঁতৰ ভৰিত ধৰি কাৱৌ কৰিছোঁ।' পিছে একো কথা তাইৰ নৰজিল। জুইত পোৰা বাঁহৰ লেকেচিবোৰ কুহুমীয়া কৰি ৰস উলিয়াই তাইৰ আগদাঁত দুপাৰিত ঘঁহি দিলে। লগতে এই নিদাৰুণ দৃশ্য চাবলৈ বেয়া পায় পুখুৰীৰ পাৰত বাচন ধোৱাৰ ছলেৰে উচুপি থকা তাইৰ মাক বামুণীৰ কাষ চাপিলোঁগৈ। সুধিলোঁ, 'বোলো কি হৈছে আই?' তেওঁ যি ক'লে সেয়া শুনি মই বাজ

পৰা মানুহৰ দৰে হ'লোঁ। এই পোৰা বাঁহৰ লেকেচিৰ ৰসে তাইৰ ডালিমগুটীয়া, বগা চিকচিকিয়া দাঁতবোৰ হেনো চিৰকাললৈ ক'লা কৰি পেলাব। বিধৰা ছোৱালীজনী সদায় ঘৰত থাকিব নোৱাৰে, শহুৰৰ ঘৰলৈ পঠাব লাগিব। পিছে শহুৰৰ ঘৰে কৈ পঠাইছে, সকা দাঁতেৰে বোৱাৰীক নপঠিয়াবলৈ।" [৫]

উচ্চ বর্ণৰ নাৰীসকলৰ তুলনাত নিম্ন বর্ণৰ নাৰীসকলৰ মাজত এনে কু-সংস্কাৰৰ প্রভাৱ কম; সেই কথা বামুণীজনীৰ মুখেৰে প্রকাশিত এই কথাষাৰৰ পৰাই বুজিব পাৰি। বামুণীজনীয়ে কৈছিল— *"বেণু, তহঁতৰ তিৰোতাবোৰ নীহকুলত জন্ম হৈ ভাগ্যৱতী।"* [৬]

আকৌ বেণুৰ এযাৰ কথাও এই ক্ষেত্রত উল্লেখ কৰিব পাৰি। বেণুৱে মেৰেঙক কৈছিল,

গিৰিয়েকৰ মৃত্যুৰ শাস্তি ঘৈণীয়েকে পাব লাগে বুলি বামুণ-গোসাঁইৰ সমাজে ভাবে। তিৰোতাজনীয়ে ভাল খাবলৈ পালে চেহেৰা ভাল হ'ব, অলংকাৰে শুৱাই তুলিব, বগা দাঁত দুপাৰীৰে হাঁহিটো শুৱনি হ'ব, এইবোৰ হ'লে কোনোবা পুৰুষে আঁসৈ পাব পাৰে। কুৎসিত ক'লা দাঁত দুপাৰি দেখিলে কোনে তাইৰ মুখলৈ চাব হাঁ? বুজিছ আইজনী তোৰ ভাইগ' যে বামুণ-গোসাঁইৰ ঘৰত জনম নল'লি।... । [৭]

১.১.২ জনজাতীয় সমাজত নাৰীৰ স্থানঃ

ভাৰতবর্ষৰ উত্তৰ পূৰ্ব্বাঞ্চল বহুতো জনজাতীয় লোকৰ বাসভূমি। এই জনজাতীয় লোকসকলৰ মাজত শ্রেণী বৈষম্য, লিংগ বৈষম্যৰ দৰে কু-সংস্কাৰসমূহ সাধাৰণতে দেখা নাযায়। উপন্যাসখনত অসমৰ মিচিং, খাচী আৰু অৰুণাচল প্রদেশৰ জনজাতীয় সমাজৰ নাৰীৰ স্থান সুন্দৰভাৱে প্রতিফলিত হৈছে। তিনিওখন সমাজতে নাৰীৰ স্বাধীনতা আৰু অধিকাৰ সুৰক্ষিত। তেওঁলোকে বাল্যবিবাহ, পর্দা প্রথা, সতী দাস প্রথা ইত্যাদি কু-সংস্কাৰৰ বলি হৈ জীৱনত দুখ-সংঘাতৰ সন্মুখীন হ'ব লগা হোৱা নাই। জনজাতীয় সমাজত নাৰীয়ে পুৰুষৰ সমানে সমাজ-অর্থনীতি-ৰাজনীতি-ধর্মীয় দিশত সহায়ৰ হাত আগবঢ়োৱাহে পৰিলক্ষিত হৈছে।

ইন্দিৰা মিৰিৰ স্বামী মহীচন্দ্র মিৰি এজন মিচিং জনজাতিৰ ডেকা। তেওঁৰ ঘৰ আছিল লখিমপুৰ জিলাৰ ঢকুৱাখনাত। সেইসূত্রে ইন্দিৰাই ঢকুৱাখনাৰ মিচিং জনজাতিৰ মাজত সময় কটোৱাৰ সুযোগ লাভ কৰে। ইন্দিৰাই দেখিছিল, মিচিং মহিলাসকল আছিল স্বাধীনমনা। তেওঁলোকে ইচ্ছামতে কাম কৰে, ঘুৰা-ফুৰা কৰে, নৃত্য-গীত, হাঁহি-তামাচা কৰাৰ মুকলি পৰিৱেশ মিচিং সমাজত সততে পৰিলক্ষিত। মহীচন্দ্র মিৰিৰ পিতৃ তথা মেৰেঙৰ শহুৰ দেউতাকৰ সৈতে হোৱা সৌহার্দ্যপূর্ণ কথা-বতৰাৰ পৰাও বুজা যায় যে মিচিং জনজাতিৰ মাজত মহিলাসকলক পুৰুষে তুচ্ছ জ্ঞান নকৰে।

খ্বিলঙৰ খাচীয়া সমাজখন আছিল মাতৃপ্রধান। অতি সহজ-সৰল জীৱন-যাপন কৰি ভাল পোৱা এই খাচী জনজাতিৰ মানুহখিনিৰ মাজত পুৰুষতকৈ মহিলাক উচ্চ সম্মান দিয়ে। এই সম্পর্কে উপন্যাসখনত এনেদৰে পোৱা গৈছে — *"এই খাচী মানুহজনীয়েই সমগ্র খাচীয়া পাহাৰৰ মানুহখিনিৰ প্রতিনিধি বুজিছে। ইমান সৰল আৰু নিষ্কলুষ ইহঁতৰ ব্যৱহাৰ ।...মাতৃপ্রধান জাতি বাবে মাইকী মানুহৰ স্বাধীনতা বেছি।"* [৮]

উপন্যাসখনৰ আন এঠাইত উল্লেখ আছে এনেদৰে— *"খ্বিলঙৰ সমাজখন কিছুমান কথাত গুৱাহাটীতকৈ উদাৰ। ভৈয়ামত এগৰাকী বিধৰাৰ ওপৰত সামাজিক চকু কাঢ়া, কৌতুহলীও। ছিলঙৰ খাচীয়া মহিলাৰ আধিপত্য আৰু মাতৃপ্রধান সমাজ ব্যৱস্থাই সামাজিক পৰিৱেশক বহু শক্তিশালী কৰি তুলিছে।"* [৯]

পূর্বৰ নেফা তথা বর্তমানৰ অৰুণাচল প্রদেশতো জনজাতীয় সমাজত নাৰীৰ স্থান আছিল উন্নতমানৰ। তেওঁলোকৰ সমাজত প্রচলিত বিবাহৰ ক্ষেত্রত কইনাঘৰীয়াই গা-ধন লোৱা ৰীতিৰ পৰাও এই কথাৰ উমান পাব পাৰি। এই কথাৰ উল্লেখ আছে এইদৰে— *"মই ছোৱালীজনীক ঠগিব খোজা নাছিলো, বৰঞ্চ মই দণ্ড ভৰি একুৰি মেঠোন, দহোটা গৰু দি সিহঁতৰ নিয়মত বিয়া পাতি আনিছোঁ।"* [১০]

অৰুণাচলৰ জনজাতীয় সমাজত থকা আন এক গুৰুত্বপূর্ণ প্রসংগ হৈছে, যদি কোনো নাৰী-পুৰুষৰ

অবৈধ সম্পর্ক ঘটে। তেতিয়া সমাজে কেতিয়াও নাৰীগৰাকীক জগৰীয়া নকৰে। এই কথাৰ পৰাও নাৰীৰ স্থান জনজাতীয় সমাজত উচ্চ বুলিব পাৰি। কাৰণ ভাৰতবৰ্ষৰ আন সমাজত এনে ঘটনা সংঘটিত হ'লে সদায় নাৰীগৰাকীকহে লেই-লেই, ছেই-ছেই কৰা দেখা যায়। পুৰুষজনক সদায় ক্ষমাৰ দৃষ্টিৰে চোৱা হয়। উপন্যাসখনত লিখিছে,

"তই নেজান, আবৰ, মিছিমি এই সমাজত মতা মানুহটোৱেহে সকলো দোষৰ ভাগ ল'ব লাগে। এই সমাজবোৰত কোনো মাইকী মানুহৰ সৈতে শাৰীৰিক-মানসিক সম্বন্ধ ঘটিলে মাইকী বা ছোৱালীজনীৰ গাত আমাৰ সমাজৰ দৰে দোষ নাজাপে। মতাটোৱে হয় প্ৰচুৰ দণ্ড ভৰি বিয়া পাতিব লাগিব নতুবা কটা যাব লাগিব। আনকি কাচিং সিহঁতৰ নিজৰ ভিতৰতে এনে ঘটনা হ'লেও, বিবাহিতা বা অবিবাহিতা তিৰোতাজনীক নিজৰ কৰি ল'বই লাগিব, লগতে বহুত দণ্ডও ভৰিব লাগিব মতা মানুহটোৱে। তিৰোতাজনীক কেতিয়াও শাস্তি বিধান নিদিয়ে বা মান হানিও নকৰে।" [১১]

১.২ স্কটলেণ্ডত নাৰীৰ স্থান -

স্কটলেণ্ডৰ এডিনবৰা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকাৰ সময়ত ইন্দিৰাই পেয়িং গেষ্ট হিচাপে মিছেছ কাৰ আৰু মিছেছ কেম্পবেলৰ ঘৰত ক্ৰমে বাস কৰিছিল। সেই সময়ছোৱাত দুয়োগৰাকীৰ সৈতে হোৱা ভিন্ন কথোপকথনৰ মাজেৰে ঠাইখনৰ নাৰীৰ স্বাধীনতা সম্পৰ্কে ধাৰণা ল'ব পাৰি। উদাহৰণস্বৰূপে, মিছেছ কাৰে ৫৩ বছৰ বয়সত মিষ্টাৰ গ্ৰান্টৰ সৈতে বিবাহপাশত আবদ্ধ হৈ সুখী জীৱন যাপন কৰা কথাযাৰ উল্লেখযোগ্য। যি সময়ত ভাৰতবৰ্ষ তথা অসমত নাৰীয়ে পুৰুষৰ সম মৰ্যাদা আৰু সম অধিকাৰৰ বাবে সংগ্ৰামত লিপ্ত হ'বলগীয়া হৈছে, তেনে সময়তে স্কটলেণ্ডত পঞ্চাশৰ উৰ্দ্ধৰ এগৰাকী বিধৱাই অকলশৰীয়া জীৱনত অতীষ্ট হৈ পুনৰ জীৱনসংগী বিচাৰি লৈছে। এইক্ষেত্ৰত তেওঁৰ বন্ধুবৰ্গ তথা সমাজে মুকলিমনেৰে কাৰৰ সিদ্ধান্তক সন্মান জনাইছে।

"আৰু মই মোৰ পত্নীৰ মৃত্যুৰ পিছত দুবছৰে ঘৰ থাকিও অঘৰীৰ দৰে থকা এটা ডাক্তৰ, যি আনৰ অসুখ বুজিব পাৰে, কিন্তু নিজৰ অসুখ চিনি নাপায়। মোকেই তেওঁলোকে পছন্দৰ কৰি মিছেছ কাৰৰ প্ৰস্তাৱ দিলে। কাৰতকৈ মই দুবছৰহে ডাঙৰ। পঁচপন্ন হৈছেহে মোৰ।এটা সুদীৰ্ঘ সুন্দৰ জীৱন আমাৰ আগত পৰি আছে। কি কোৱা ইন্দিৰা?" (মেৰেং, পৃ.২১৯)

২. উপসংহাৰ -

***মেৰেং* উপন্যাসত প্ৰতিফলিত নাৰীৰ সামাজিক স্থানঃ চমু অধ্যয়ন** শীৰ্ষক বিষয়টিৰ আলোচনাৰ শেষত কেইটামান সিদ্ধান্তত উপনীত হ'ব পৰা গৈছে —

• ঊনবিংশ-বিংশ শতিকাৰ আগছোৱাৰ ভাৰতীয় সমাজখনত পৰম্পৰাগতভাৱে বহুতো কু-সংস্কাৰ প্ৰচলিত হৈ আহিছিল। বিশেষকৈ নাৰীসকলৰ ক্ষেত্ৰত আছিল সমাজখন অধিক কঠোৰ। উপন্যাসখনৰ জৰিয়তে সেই সময়ত প্ৰচলিত বাল্য বিবাহ আৰু বিধবা বিবাহ বিৰোধীতাই কিদৰে সমাজত নাৰীসকলৰ প্ৰতি অন্যায় কৰি আহিছে, তাৰ নিদৰ্শন পোৱা গৈছে।

• ভাৰতীয় সমাজত প্ৰচলিত কু-সংস্কাৰ তথা নাৰীৰ প্ৰতি কৰা অন্যায়ৰ ইতিহাস খুচৰিলে দেখা যায় যে উচ্চ বৰ্ণ নাৰীসকল আটাইতকৈ বেছি শোষণ-নিষ্পেষণৰ বলি হ'বলগীয়া হৈছে। উপন্যাসখনৰ পাততো এই কথা স্পষ্টৰূপত দেখা গৈছে।

• ভাৰতীয় পৰম্পৰাগত সমাজৰ প্ৰভাৱৰ পৰা অসমখনো মুক্ত নাছিল। অসমৰ উচ্চ বৰ্ণৰ লোকসকলৰ মাজতো নাৰীয়ে শাৰীৰিক-মানসিক নিৰ্যাতন তথা পুৰণিকলীয়া চিন্তা-চেতনাৰ বলি হৈছিল। উপন্যাসখনত উল্লেখিত বামুণী বিধৱাগৰাকী, সুলেখা, বেলা, ৰজনী শৰ্মাৰ কন্যা সমাজৰ পৰম্পৰাগত মানসিকতাৰ দ্বাৰা অৱহেলিত নাৰীৰ প্ৰতিনিধি।

****

• অসম তথা অৰুণাচলৰ যিসকল জনজাতীয় লোক; তেওঁলোকৰ সমাজত নাৰীৰ স্থান ভাৰতবর্ষৰ আন ঠাইতকৈ যথেষ্ট উন্নত। বহু জনজাতীয় সমাজত পুৰুষতকৈয়ো নাৰীৰ স্থান উন্নত। উপন্যাসখনত উল্লেখিত মিচিং, খাচি আৰু অৰুণাচলৰ জনজাতীয় সমাজখনৰ পৰা এই কথা বুজিব পাৰি।

• ভাৰতীয় তথা অসমৰ বহু সম্প্রদায়ৰ মাজত যি সময়ত পুৰুষতান্ত্রিকতাৰ প্রভাৱ, তেনে সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাটাও জনজাতীয় লোকৰ মাজত মাতৃতান্ত্রিকতা দেখিবলৈ পোৱা যায়। উপন্যাসখনত উল্লেখিত খাচীয়া জনজাতি সকলৰ সমাজো তেনে মাতৃতান্ত্রিক সমাজৰ উৎকৃষ্ট নিদর্শন।

• প্রাচ্যৰ তুলনাত পাশ্চাত্য দেশৰ মানুহৰ মানসিকতা বিংশ শতিকাৰ সময়ছোৱাত যথেষ্ট আগবঢ়া। বিশেষকৈ নাৰী স্বাধীনতাৰ বাবে প্রাচ্যত আন্দোলন চলি থকাৰ বিপৰীতে পাশ্চাত্যত বিধৱা নাৰীয়ে মুকলিমনেৰে পঞ্চাছ উর্ধত জীৱনসংগী নির্বাচন কৰি লোৱাৰ পৰিৱেশ গঢ় লৈ উঠিছিল। উপন্যাসখনত উল্লেখিত স্কটলেণ্ডৰ সমাজখনে এই কথাৰ নিদর্শন দাঙি ধৰিছে।

প্রসংগ টোকাঃ

[১] অনুৰাধা শর্মাপূজাৰী, *মেৰেং পৃ.* ২২১
[২] *মেৰেং* পৃ. ৫৪
[৩] *মেৰেং* পৃ.৫৪
[৪] *মেৰেং* পৃ.৭
[৫] *মেৰেং* পৃ.৮
[৬] *মেৰেং*, পৃ. ৯
[৭] *মেৰেং*, পৃ. ৯
[৮] *মেৰেং*, পৃ. ৫০
[৯] *মেৰেং*, পৃ.১৯৩
[১০] *মেৰেং*, পৃ.২৪২
[১১] *মেৰেং*, পৃ.২৪১

সহায়ক গ্রন্থপঞ্জী -

মূল গ্রন্থ -

শর্মা পূজাৰী, অনুৰাধা। ***মেৰেং***। বনলতা, ২০১০।

প্রাসংগিক অসমীয়া গ্রন্থ -

কলিতা, নিৰঞ্জন। ***অসমীয়া জীৱনভিত্তিক উপন্যাস***। বাণী মন্দিৰ, ২০০৯
গগৈ, দীপাংকৰ। ***ঊনবিংশ শতিকাৰ অসমীয়া নাৰী।*** পূর্বাঞ্চল প্রকাশন, ২০১৬
দেৰী, জাহ্নবী। ***অসমীয়া জীৱনী ভিত্তিক উপন্যাস***। ব্রহ্মপুত্র বুকচ্, ২০০৫
দেৰী, সন্ধ্যা। ***নাৰী ঃ বন্ধন আৰু মুক্তি***। অসম প্রকাশন পৰিষদ, ২০০৭
ৰাজখোৱা, অজন্তা। ***নাৰী ঐতিহ্য আৰু বাগ্‌ধাৰা***। ঐকান্তিক প্রকাশন, ২০২০
উল্লিখিত। ***১২ অসাধাৰণ অসমীয়া নাৰী।*** গুৱাহাটী ফাউণ্ডেচন, গুৱাহাটী, ২০২২

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

অনুৰাধা শর্মা পূজাৰীৰ *চাহেবপুৰাৰ বৰষুণ* উপন্যাসত প্রতিফলিত নাৰীবাদী চেতনাঃ এটি অধ্যয়ন

জয়ন্ত শইকীয়া
মাধৱদেৱ বিশ্ববিদ্যালয়, নাৰায়ণপুৰ, লখিমপুৰ

সাৰাংশ

সপ্তদশ-অষ্টাদশ শতিকাৰ পৰাই নাৰীবাদী চিন্তাধাৰাই ক্রমে বিকাশ লাভ কৰি সমগ্র পৃথিৱীত আলোড়নৰ সৃষ্টি কৰিছে। অসমীয়া সাহিত্যতো নাৰীবাদী ভাৱধাৰাৰে সাহিত্য ৰচিত হৈছে। সাম্প্রতিক সময়ত অনুৰাধা শর্মা পূজাৰীয়ে নাৰীবাদী চেতনাক বিষয় হিচাপে লৈ উপন্যাস ৰচনা কৰা পৰিলক্ষিত হয়। তেখেতৰ *'চাহেবপুৰাৰ বৰষুণ'* (২০০৩) নামৰ উপন্যাসত নতুন নাৰী বা মুক্ত নাৰীৰ প্রসংগ উত্থাপন কৰিছে। *'চাহেবপুৰাৰ বৰষুণ'* উপন্যাসত বর্ষা চৰিত্রৰ জৰিয়তে নাৰীবাদী চেতনা এক সূক্ষ্ম আৰু গভীৰ ৰূপত প্রতিফলিত হৈছে। এই গৱেষণা পত্রত বর্ষা চৰিত্রই স্পষ্ট বিদ্রোহৰ সলনি আত্ম-অনুধাৱন, মানসিক দ্বন্দ্ব আৰু নীৰৱ প্রতিবাদৰ মাজেদি নাৰীবাদী চিন্তাধাৰা প্রকাশ কৰিছে সেই বিষয়ে বিশ্লেষণ কৰা হৈছে। প্রান্তিক আৰু বর্ষাৰ চিঠিৰ আদান-প্রদানেই এটা সময়ত প্রেমলৈ ৰূপান্তৰিত হোৱা, দুয়ো প্রেমিক যুগল বিবাহপাশত আৱদ্ধ হ'ব'ব বাবে ঘৰলৈ অহা, হঠাৎ আত্মমর্যাদাৰ বাবে বর্ষাই প্রান্তিকক এৰি দি চাহেবপুৰাত ট্রেইনৰ পৰা নামি দিয়া, শেষত মুক্ত নাৰী হৈ দুখীয়া-নিপীড়িত লোকৰ বাবে নিজৰ জীৱন উৎসর্গা কৰা এই বিষয়সমূহক গৱেষণা পত্রত বিশ্লেষণ কৰা হৈছে।

বীজশব্দ ঃ নাৰীবাদ, অসমীয়া উপন্যাস, অনুৰাধা শর্মা পূজাৰী, নাৰী চৰিত্র, পুৰুষতন্ত্র

০.১ বিষয়ৰ পৰিচয়

ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা পুৰুষতান্ত্রিক সমাজত নাৰী অৱহেলিত, লাঞ্ছিত, ধর্ষিতা হৈ আহিছে। নাৰীয়ে পুৰুষৰ সমানে অধিকাৰসমূহ উপভোগ কৰিব পৰা নাই। পুৰুষৰ বিপৰীতে সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, শিক্ষা আদি ক্ষেত্রত সমভাৱে নাৰীয়ে অংশ গ্রহণ কৰিব পৰা নাই। নিজৰ প্রাপ্য অধিকাৰৰ দাবীৰে বর্তমান সময়ত বিশ্বৰ বিভিন্ন প্রান্তত নাৰীবাদী আন্দোলন গঢ় লৈ উঠিছে। বর্তমান সময়ত গল্প, উপন্যাস, কবিতা, নাটকতো নাৰীৰ সম-অধিকাৰৰ দাবীয়ে ঠাই পাইছে। সাম্প্রতিক অসমীয়া উপন্যাস সাহিত্যৰ প্রভাৱশালী লেখিকাসকলৰ অন্যতম অনুৰাধা শর্মা পূজাৰীৰ উপন্যাসতো নাৰীবাদী চেতনা প্রতিফলিত হৈছে। অনুৰাধা শর্মা পূজাৰীৰ *'চাহেবপুৰাৰ বৰষুণ'* উপন্যাসৰ নায়িকা 'বর্ষা' চৰিত্রত পৰম্পৰাগত নাৰীৰ বিপৰীতে মুক্ত নাৰীৰ ৰূপ প্রতিফলিত হৈছে। ৰাখী, বিনোদনী, ৰুক্মিণী আৰু মায়া চৰিত্রৰ জৰিয়তে শোষণ, লুণ্ঠন, হত্যা, ধর্ষণ আদি বিভিন্ন দিশ প্রতিফলিত হৈছে। উপন্যাসখনত এই চৰিত্র কেইটাৰ অৱদান গুৰুত্বপূর্ণ।

০.২ বিষয়ৰ গুৰুত্ব

অসমীয়া উপন্যাস সাহিত্যত নাৰীবাদী চেতনাক বিষয় হিচাপে লৈ বহু উপন্যাস ৰচিত হৈছে যদিও মুক্ত নাৰীৰ ভাৱনাক লৈ উপন্যাস ৰচিত হোৱা নাছিল। অনুৰাধা শর্মা পূজাৰীয়ে ৰচনা কৰা উপন্যাসত প্রকাশিত নাৰী

****

চেতনা সম্পর্কে এতিয়াও যথেষ্ট গৱেষণা হোৱা নাই। সেইফালৰ পৰা ক'বলৈ গ'লে একবিংশ শতিকাত ৰচিত *'চাহেবপুৰাৰ ৰৰষুণ'* উপন্যাসত নাৰীবাদী চেতনাৰ আলোচনা যথেষ্ট গুৰুত্বপূর্ণ। ঔপন্যাসিকাৰ *'চাহেবপুৰাৰ ৰৰষুণ'*ত 'বর্ষা' নামৰ কেন্দ্রীয় চৰিত্রটোৰ জৰিয়তে নতুন নাৰী বা মুক্ত নাৰীৰ ভাৱধাৰা কেনেকৈ প্রকাশ পাইছে, সেই সম্পর্কে এই আলোচনাত গুৰুত্বসহকাৰে শৃংখলাবদ্ধভাৱে বিশ্লেষণৰ প্রয়াস কৰা হৈছে। লগতে ৰাখী, বিনোদনী, ৰুক্মিণী আৰু মায়া চৰিত্রৰ নাৰীবাদী চেতনাৰ বিশ্লেষণ কৰাৰো যত্ন কৰা হৈছে।

০.৩ অধ্যয়নৰ লক্ষ্য

অনুৰাধা শর্মা পূজাৰীয়ে *'চাহেবপুৰাৰ ৰৰষুণ'* উপন্যাসত নতুন নাৰীভাৱনাক চিত্রায়িত কৰি কাহিনীভাগ আগুৱাই নিছে। উপন্যাসখনৰ নাৰী চৰিত্রকেইটাৰ মাজেৰে নাৰীবাদী চেতনা কেনেদৰে প্রকাশিত হৈছে সেই বিষয়ে অধ্যয়ন কৰা এই গৱেষণাপত্রৰ লক্ষ্য আৰু উদ্দেশ্য।

০.৪ অধ্যয়নৰ পৰিসৰ

অনুৰাধা শর্মা পূজাৰীৰ *'চাহেবপুৰাৰ ৰৰষুণ'* উপন্যাসক অধ্যয়নৰ পৰিসৰ হিচাপে লৈ প্রস্তাৱিত গৱেষণা পত্রখন প্রস্তুত কৰা হৈছে।

০.৫ অধ্যয়নৰ পদ্ধতি

প্রস্তাৱিত গৱেষণা পত্রখন বিশ্লেষণাত্মক পদ্ধতিত অধ্যয়ন কৰা হৈছে।

০.৬ অধ্যয়নৰ সমল

প্রস্তাৱিত বিষয়টিৰ নামকৰণৰ প্রতি লক্ষ্য ৰাখি মুখ্য সমল হিচাপে অনুৰাধা শর্মা পূজাৰীৰ *'চাহেবপুৰাৰ ৰৰষুণ'* উপন্যাসখনক লোৱা হৈছে। বিষয়বস্তুৰ লগত সংগতি থকা গ্রন্থ, প্রবন্ধ, আলোচনী আদিৰ পৰা গৱেষণাৰ বাবে গৌণ সমল সংগ্রহ কৰা হৈছে।

১. মূল আলোচনা

১.১ নাৰীবাদ

নাৰী আৰু পুৰুষৰ সমানাধিকাৰৰ দাবীত সপ্তদশ, অষ্টাদশ শতিকাত ইউৰোপত 'নাৰীবাদ' (Feminism) নামৰ এটি নতুন বাদৰ সূচনা হয়। সমাজত নাৰী আৰু পুৰুষৰ মাজত বৈষম্য থকাৰ বাবে চিন্তাধাৰাবোৰো এইভাৱেই গঢ়ি উঠিছে যে নাৰী পুৰুষতকৈ সকলো বিষয়তে হীন। নাৰীবাদীসকলে নাৰী আৰু পুৰুষৰ মাজত কোনো প্রভেদ মানি ল'ব নোখোজে আৰু সমাজত পুৰুষৰ সমানে অধিকাৰ সাব্যস্ত কৰিব খোজে।[২]

*'অক্সফৰ্ড ডিক্সনৰি'*ত ১৮৫০ খৃ.ত ইংৰাজীত 'ফেমিনিজম্' (Feminism) শব্দটি প্রথমে ব্যৱহৃত হৈছিল বুলি প্রকাশ কৰে। বর্তমান সময়ত 'ফেমিনিজম্' বুলিলে যি বুজো। সেই অর্থত ইংৰাজীত 'ফেমিনিজম্' শব্দটি ব্যৱহাৰ হয় ১৮৯৫ খৃ.ৰ পৰাহে। *'অক্সফৰ্ড ডিক্সনৰি'*ত 'ফেমিনিজম্' (Feminism) শব্দৰ অর্থ দিয়া হৈছে - 'নাৰীৰ অধিকাৰ আৰু লিংগ সমতাৰ বিষয়ে ওকালতি কৰা।'[২] সাম্প্রতিক কালত নাৰীবাদ হৈছে নাৰীৰ বিপক্ষে লিংগ বৈষম্য আৰু অসমতাৰ সৈতে জড়িত নৈতিক দর্শন আৰু ইয়াৰ লগত জড়িত সামাজিক, সাংস্কৃতিক আন্দোলন আৰু এইবোৰৰ পৰা উত্থিত তত্ত্বৰ সমাহাৰ।[৩] মূলতে এই নাৰী আন্দোলন আৰম্ভ হৈছিল দাসত্বৰ বিলোপন, সামাজিক পৰিশুদ্ধতা, মাদক দ্রব্য পৰিহাৰ আদি বিষয়ক কেন্দ্র কৰি।

অসমীয়া ভাষাত 'নাৰীবাদ' শব্দটি ইংৰাজী 'ফেমিনিজম্' (Feminism) শব্দৰ প্রতিশব্দ হিচাপে গ্রহণ কৰা হয়। 'নাৰীবাদ' ৰ সমার্থক শব্দ হিচাপে 'মানৱীবাদ', 'নাৰীমুক্তিবাদ', 'নাৰীচেতনাবাদ', 'নাৰী মুক্তি চেতনাবাদ' তথা 'মানৱী চেতনাবাদ' শব্দকেইটাৰো ব্যৱহাৰ লক্ষ্য কৰা যায়।[৪] নাৰীবাদী আলোচকসকলে নাৰীবাদৰ বিকাশক তিনিটা তৰঙ্গত বিভক্ত কৰিছে। ইয়াৰ প্রতিটো তৰঙ্গতে সুকীয়া সুকীয়া দিশ আৰু সমস্যা উন্মোচিত কৰিছে।[৫]

প্রখ্যাত ইংৰাজ দার্শনিক জন ল'কে ১৬৮৯ খৃ.ত প্রকাশিত *'Second Threatise of Government'* গ্রন্থত নাৰীক পুৰুষৰ সৈতে সমান মর্যাদা আৰু ৰাজনৈতিক অধিকাৰ সমানে পোৱাৰ প্রয়োজনীয়তা ব্যক্ত কৰে। জন ল'কৰ ব্যক্তি স্বাতন্ত্র্যবাদৰ (Individualism) ধাৰণাৰ ভিত্তিত ফৰাচী দার্শনিক কঁডর্চে (Condoreet) প্রায় এশ বছৰৰ পিছত *'Admision of Women to Full Citizenship'* নামৰ গ্রন্থখন ৰচনা কৰে। কঁডর্চে এই গ্রন্থত নাৰীও যে পুৰুষৰ দৰেই নাগৰিক আৰু তেওঁলোককো নাগৰিকত্বৰ পূর্ণ স্বাধীনতা দিব লাগে এই মত আগবঢ়ায়।

মেৰী উল্‌ষ্টোন্‌ক্রাফ্‌টে (Mary wollstonecraft) ১৭৯২ চনত *'A Vindication of the Rights of Woman'* গ্রন্থত নাৰীবাদী চিন্তাধাৰা প্রকাশ কৰে। তেওঁ মন্তব্য কৰে যে নাৰী যৌন সত্তা (Sexual being) নহয়। নাৰী মানৰ সত্তাহে (Human being)। সেয়েহে পুৰুষৰ দৰে নাৰীও যুক্তিবাদী (Rational) জীৱ। তেওঁ পুৰুষ আৰু নাৰীৰ একেই শিক্ষা পদ্ধতিৰ পোষকতা কৰে।

সমাজবাদী নাৰীবাদৰ ধাৰণা কার্ল্‌ মার্ক্সৰ চিন্তাতেই নিহিত আছে। কার্ল্‌ মার্ক্সৰ যি সমাজবাদী ধাৰণা, তাৰ মতে প্রতিটো ব্যক্তি সত্তাই একে সময়তে সামাজিক সত্তাও। একে সময়তে তেওঁ এহাতে যেনেকৈ এজন ব্যক্তি, তেনেকৈ আনহাতে সমাজৰ এটি অংগও।[৬] ১৮৮৪ চনত কার্ল মার্ক্সৰ সহকর্মী এংগেলছে *'Origin of the Family, Private Property and the State'* গ্রন্থত পোনপ্রথমে মার্ক্সবাদী নাৰীবাদ ধাৰণাটো আগবঢ়ায়। এংগেলছে গ্রন্থখনত আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ পৰা বর্তমানলৈকে সমাজত নাৰীৰ স্থান নিৰূপণ কৰিছে। এংগেলছৰ মতে সমাজত উৎপাদিকা শক্তিৰ বিকাশৰ লগে লগে পুৰুষৰ প্রভুত্বও বাঢ়িল। দাস সমাজ ব্যৱস্থা সৃষ্টি হোৱাৰ লগে লগে মাতৃপ্রধান সমাজ ধ্বংসৰ মুখত পতিত হ'ল।[৭]

ব্যক্তিবাদী নাৰীবাদৰ দর্শনৰ লগত মৌল নাৰীবাদৰ দর্শনৰ পার্থক্য আছে। এই পার্থক্য হৈছে নাৰীৰ প্রকৃতি সম্পর্কত। ব্যক্তিগত নাৰীবাদীসকলে পুৰুষৰ দৰে নাৰীকো মানৱীয় গুণসম্পন্ন বুলি মানি লৈ নাৰীৰ কর্তব্য পত্নীত্ব আৰু মাতৃত্ব বুলি গ্রহণ কৰিছে। লগতে সন্তান, ঘৰুৱা কাম-কাজৰ উপৰিও সামাজিক হ'বলৈও পৰামর্শ দিয়ে। আনহাতে মৌল নাৰীবাদৰ প্রবক্তাসকলে কয় যে নাৰীয়ে পুৰুষৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা মানেই নাৰীৰ সকলো স্বাধীনতা বিসর্জন দিয়া। বিবাহে নাৰীৰ দাসত্ব বন্ধন আনি দিয়ে বুলি মৌল নাৰীবাদীসকলে বিশ্বাস কৰে। সেয়েহে মৌল নাৰীবাদীসকলে নাৰীৰ স্বাধীনতা ৰক্ষাৰ বাবে বিবাহ, স্বামী, সন্তান-সন্ততিকো পৰিহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। মৌল নাৰীবাদীসকলৰ এক শ্রেণীয়ে পুৰুষক শত্রু হিচাপে গণ্য কৰে। তেনে নাৰীয়ে পুৰুষৰ পৰা সম্পূর্ণৰূপে আঁতৰি আহি কেৱল নাৰীৰ সৈতে জীৱন-যাপন কৰাৰ পোষকতা কৰে। এনে নাৰীবাদেই হ'ল লেজ্‌বিয়ান (Lesbian) আৰু এই দর্শনক লেজ্‌বিয়ানিজম্‌ (Lesbianism) বোলে। অসমীয়াত লেজ্‌বিয়ানৰ প্রতিশব্দ হিচাপে সমলিংগিনী আৰু লেজ্‌বিয়ানিজম্‌ৰ প্রতিশব্দ সমলিংগিনীবাদ গ্রহণ কৰা হৈছে।[৮]

ভাৰতবর্ষৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাৰ পিছৰে পৰাহে ধর্ম, সাংস্কৃতিক, অর্থনৈতিক, সামাজিক আদি বিভিন্ন ক্ষেত্রত পাশ্চাত্য প্রভাৱ পৰিলক্ষিত হয়। ব্রিটিছৰ শাসন কালত ভাৰতত স্ত্রী শিক্ষা প্রচলন, বাল্যবিবাহ দূৰীকৰণ, সতীদাহ প্রথা বিলোপ সাধন, বিধবা বিবাহ প্রচলন আদি নাৰী মংগলৰ বাবে সংস্কাৰমূলক আন্দোলন আৰম্ভ হয়। অসমতো হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা আদি ব্যক্তিসকলৰ প্রচেষ্টাত নাৰীমংগলৰ কামবোৰ আৰম্ভ হ'বলৈ ধৰে। ১৯১৫ চনত ডিব্রুগড়ত 'ডিব্রুগড় মহিলা সমিতি', ১৯১৭ চনত 'নগাঁও মহিলা সমিতি', ১৯২৬ চনত চন্দ্রপ্রভা শইকীয়ানীৰ নেতৃত্বত 'অসম মহিলা সমিতি' আদি নাৰী সংগঠনৰ জন্ম হয়।

১.২ 'চাহেবপুৰাৰ বৰষুণ'উপন্যাসত প্রতিফলিত নাৰীবাদী চেতনা

অসমীয়া উপন্যাস সাহিত্যত নাৰীৰ স্বাধীনতা, বাল্যবিবাহ সামাজিক স্থিতি আদি বিষয়ক লৈ ভালেকেইখন উপন্যাস ৰচিত হৈছে। অসমীয়া উপন্যাস সাহিত্যত প্রকৃত নাৰীবাদী উপন্যাসৰ আৰম্ভণি হয় নিৰুপমা বৰগোহাঞিৰ হাতত। বিংশ শতিকাৰ শেষৰ ফালে উপন্যাস ৰচনাত হাত দি একবিংশ শতিকাতো এই ধাৰা অব্যাহত ৰখাসকলৰ

****

ভিতৰত - মামণি ৰয়চম গোস্বামী, অৰূপা পটঙ্গীয়া কলিতা, অনুৰাধা শর্মা পূজাৰী, মণিকুন্তলা ভট্টচার্য, পূৰবী ৰৰমুদৈ, ৰত্না দত্ত আদিৰ হাতত নাৰীবাদী উপন্যাসৰ বিকাশ ঘটে। এওঁলোকৰ ভিতৰত অনুৰাধা শর্মা পূজাৰীৰ *'চাহেবপুৰাৰ ৰৰষুণ'* (২০০৩) উপন্যাসত দিল্লীত উচ্চশিক্ষা সমাপ্ত কৰি ঘৰলৈ ঘূৰি অহা *'বর্ষা'* নামৰ কেন্দ্রীয় চৰিত্রটোৰ জৰিয়তে নাৰীৰ নিজস্ব ব্যক্তিসত্তা আৰু স্বাভিমানক এটি আকস্মিক পৰিস্থিতিৰ জৰিয়তে প্রতিপন্ন কৰিছে। পূর্বৰ পৰম্পৰাগত নাৰী চৰিত্রৰ পৰা ওলাই আহি বর্ষাই *'চাহেবপুৰাৰ ৰৰষুণ'* উপন্যাসত মুক্ত নাৰীবাদী চেতনাৰ প্রতিফলন ঘটায়।

১.৩বর্ষাৰ চৰিত্রত প্রতিফলিত নাৰীচেতনা

অনুৰাধা শর্মা পূজাৰীৰ *'চাহেবপুৰাৰ ৰৰষুণ'* নামৰ উপন্যাসখনৰ প্রধান নাৰী চৰিত্র হৈছে বর্ষা। উপন্যাসখনৰ প্রথম খণ্ড অর্থাৎ 'প্রথম ৰৰষুণ জাক' নামৰ অধ্যায়টোতেই বর্ষা চৰিত্রৰ জৰিয়তে নাৰীবাদী চিন্তা প্রতিফলন ঘটাইছে। উপন্যাসখনৰ নায়ক হৈছে প্রান্তিক আৰু নায়িকা হৈছে বর্ষা। তিনিবছৰীয়া এটা প্রেমৰ সম্পর্কক বিবাহৰ বান্ধোনেৰে বান্ধিবলৈ ভাবী স্বামী প্রান্তিকৰ সৈতে বর্ষা অসমৰ অভিমুখে ৰে'লত যাত্রা কৰিছে। মাত্র ষোল্ল দিনৰ পাছত বিবাহপাশত আবদ্ধ হ'বলগীয়া বর্ষাই এই যাত্রাকালত প্রান্তিক সম্বন্ধে প্রেম, বিবাহ, মানৱীয় অনুভূতি আদিৰ গভীৰ উপলব্ধি কৰিব পাৰিছে। এই যাত্রাকালত বর্ষাই বুজিব পাৰিলেযে আমেৰিকাৰ দৰে এখন দেশত থাকিও পুৰুষতান্ত্রিক সমাজ ব্যৱস্থাৰ হাতোৰাৰ পৰা প্রান্তিক এতিয়াও মুক্ত হ'ব পৰা নাই। মাত্র ষোল্ল দিনৰ পিছত চিৰদিনৰ বাবে একে ডোলেৰে বান্ধ খাব লগা ভাবী স্বামী প্রান্তিকৰ আচল ৰূপ বর্ষাই বাৰুকৈয়ে অনুভৱ কৰিলে। নিজকে খুব 'স্মার্ট' বা 'চৌখিন' বুলি উপস্থাপন কৰি থকা প্রান্তিকে ৰাতিৰ কম পোহৰত বর্ষাৰ শৰীৰ এক বিশেষ অঙ্গলৈ দৃষ্টি নিক্ষেপ কৰা, ৰে'লৰ ডবাত থকা আন যাত্রীৰ উপস্থিতিক ভ্রূক্ষেপ নকৰি এক আদিম উন্মাদনাৰে তাইক চেপি ধৰি ওঁঠত সজোৰে চুম্বন কৰা কথাক বর্ষাই সহজভাৱে ল'ব পৰা নাই। --*"পাগল হৈছা নেকি? এইখন ইণ্ডিয়া, ইণ্ডিয়া তোমাৰ ৰ ষ্টঁন নহয়। খুলি যোৱা বুটামবোৰ কম্পিত হাতেৰে মাৰি বর্ষাই কৈ গ'ল- তুমি বিদেশত থাকি দুবছৰতে তোমাৰ এই অধৈর্য স্বাভাৱটো তিনিগুণ বঢ়াই আনিলা।"*[৯]

স্বামী-স্ত্রীৰ মাজত বুজা-বুজিৰ বাবেই কোনোবা এজনে কোনোবা এজনৰ সৈতে মিলিবলৈ যত্ন কৰিবই লগিব। প্রান্তিকৰ এই 'এড্‌জাষ্ট' কৰিব লগা কথাযাৰে বর্ষাৰ মনত আউল লগাইছে। কাৰণ বর্ষাই মাকৰ ক্ষেত্রতেই দেউতাকৰ ভাল লগা- বেয়া লগাৰ ওচৰত নিজকেই 'এড্‌জাষ্ট' কৰা দেখি আহিছে। স্ত্রীয়েই যে স্বামীৰ সৈতে 'এড্‌জাষ্ট' কৰিব লাগিব এই মত বর্ষাই সমর্থন কৰিব নোখোজে। বর্ষাই প্রান্তিকক কৈছে, *"কিন্তু সদায় সময় আৰু পৰিস্থিতিবোৰ স্বামীৰ অনুকূলে হোৱা মই দেখি আহিছোঁ। যেনেকৈ মোৰ মা- মোৰ ৰৰমা, মোৰ আইতা, সকলোকে দেখো, তেওঁলোকে কি ভাল পায় মই আজিলৈকে নাজানিলো। কিন্তু আমাৰ ঘৰত আমি সকলোৱে জানো, আমাৰ ককাই কোন সময়ত চাহ খায়, কোন সময়ত খোজকাঢ়িবলৈ যায়, দেউতাই তাচ খেলি কোন সময়ত ঘূৰি আহে, ৰৰ দেউতাৰ কি কি বিষয়ত চখ ..."*[১০]

দুবছৰে 'লিভিং টুগেডাৰ' কৰাৰ পাছত প্রান্তিকৰ বান্ধৱী মাৰিয়া আৰু মার্কৰ বিয়া কৰোৱাৰ ছমাহ হোৱাৰ পাছতে বিবাহ বিচ্ছেদ ঘটে। এই বিচ্ছেদক প্রান্তিকে সমর্থন জনোৱা কথাক বর্ষাই সহজভাৱে ল'ব পৰা নাই। 'স্বতন্ত্র মন এটা মই পছন্দ কৰো' বুলি ভবা প্রান্তিকৰ ওচৰত বর্ষা ভৱিষ্যতে কিমান দিনলৈ সুৰক্ষিত হ'ব সেয়া সময়েহে ক'ব। *"...অন্ধকাৰবোৰ যেন আৰু গভীৰ হ'ল। তীব্র বেগেৰে আন্ধাৰ ফালি যোৱা ট্রেইনৰ এটা দীঘলীয়া উকি ভাহি আহিল। আৰু মাত্র ষোল্ল দিন পাচতে বিবাহ হ'বলগা তাইৰ প্রেমিক প্রান্তিকৰ নিবিড় আলিংগনত থাকিও বর্ষাই অনুভৱ কৰিলে ৰে'লৰ উকিটো আহি তাইৰ বুকুৰ মাজত বন্দী হৈ গ'ল... তাইৰ বুকুৰ মাজত উকিটো ঘূৰি ফুৰিছে। তাইৰ হঠাতে অনুভৱ হ'ল তাই বাৰু সঁচাকৈয়ে প্রান্তিকক চিনি পাইছেনে? আৰু প্রান্তিকে তাইক ।"*[১১]

বর্ষাহঁত যাত্রা কৰা ৰে'লখন চাহেবপুৰা নামৰ বিহাৰৰ সৰু এটা ষ্টেচনত দূর্ঘটনাগ্রস্ত হয়। ৰে'লখন যে দহ-

বাৰ ঘণ্টা পলম হ'ব এই কথা জানি মানুহবোৰৰ মাজত এক প্ৰকাৰ হুৱা-দুৱা লাগিল। সেই সৰু ষ্টেচনটোত বহু সময় ধৰি আবদ্ধ হ'বলগীয়া হোৱাত যাত্ৰীসকলৰ মাজত পানী আৰু খাদ্যৰ বাবে হাঁহাকাৰ হৈছিল। প্ৰান্তিক-বৰ্ষাহঁত থকা এ.চি. ডবাত তেতিয়াও পানী শেষ হোৱা নাছিল। কিন্তু সাধাৰণ ডবাবোৰৰ মানুহে পানীৰ বাবে এ.চি. ডবাত আহি ভিৰ কৰিছিল। এ. চি. কম্পাৰ্টমেণ্টত থকা যাত্ৰীসকলে বেলেগক পানী দিবলৈ অস্বীকাৰ কৰিলে আৰু দুৱাৰখন বন্ধহে কৰি দিলে। বৰ্ষাই শেখৰ হুছেইনৰ ৱাটাৰ ফ্লাস্কটো হাতত ল'ব খোজোতেই বাংকত শুই দুৱাৰলৈ চাই থকা মানুহজনে জঁপিয়াই নামি আহি হিন্দীতে তাইক ধমকি দি বৰ্ষাক প্ৰায় ঠেলি দুৱাৰখন বন্ধ কৰি দিলে। বৰ্ষাই এই অমানৱীয় কাৰ্যক সমৰ্থন জনাব নোৱাৰিলে। যাৰ বাবে নিজৰ ওচৰত মজুত থকা দুটা পানী বটল ভাবী স্বামী প্ৰান্তিকৰ বাধাকো নেওচি শেখৰ হুছেইনক বিচাৰি দি আহিল। বৰ্ষাই কৰা এই প্ৰতিবাদ হ'ল পুৰুষ আধিপত্যৰ বিৰুদ্ধে কৰা প্ৰতিবাদ।

আমেৰিকাত সাত বছৰ চাকৰি কৰি নিজৰ দেশ ভাৰতবৰ্ষলৈ ঘূৰি অহা শেখৰ হুছেইনে দুখীয়া মানুহৰ সেৱাৰ বাবে কেইজনমান মানুহক লগত লৈ এটা এন. জি. অ'. পৰিচালনা কৰি আছে। শেখৰ হুছেইনৰ মানৱ দৰদী কথা-বতৰা আৰু মানৱীয় অনুভূতিমূলক ব্যক্তিত্বই বৰ্ষাক মুগ্ধ কৰে। এনে এজন ভাল মনৰ মানৱ দৰদী মানুহক বৰ্ষাই প্ৰান্তিকৰ সৈতে চিনাকি কৰাই দিবলৈ আনে যদিও প্ৰান্তিকে শেখৰ হুছেইনৰ প্ৰতি সৌজন্যমূলক আগ্ৰহকণো নেদেখুৱালে। ৰে'ল লাইন মুকলি হ'বলৈ ছয়-সাত ঘণ্টা আছে। সেয়েহে বৰ্ষা আৰু প্ৰান্তিকক হুছেইনে এন. জি. অ'.ৰ কাম চাবলৈ লগ ধৰিলে। বৰ্ষা তেওঁৰ কথাত মাস্তি হ'ল যদিও প্ৰান্তিক যাবলৈ ইচ্ছা প্ৰকাশ নকৰি আলোচনী এখন হাতত তুলি ল'লে। বৰ্ষাই প্ৰান্তিকক ক'বলৈ ধৰিলে - *"তোমাৰ দহটা অনুৰোধৰ বিপৰীতে মই দুটা অনুৰোধ কেতিয়াবা কৰো, তাকো তুমি নাৰাখা। আজিয়েই চোৱাচোন, মই কি অন্যায় অনুৰোধ কৰিছো তোমাক? আমি এই গৰমত পানী- খাদ্য নোহোৱাকৈ থকাতকৈ; কি বেয়া হুছেইনহঁতৰ কেম্পটো চাই অহাতো! তুমি বৰ ঈৰ্ষাকাতৰ মানুহ..."* *(চাহেবপুৰাৰ বৰষুণ, পৃ. ২৪-২৫)*

প্ৰান্তিক শুই থকাৰ পৰা গিৰিসতৈ উঠি বৰ্ষালৈ যি চাৱনি দিলে সেই চাৱনি, সেই চকুৰ ভাষা বৰ্ষাৰ বাবে অপৰিচিত আছিল। প্ৰান্তিকৰ চকুৰ শীতলতা আৰু হিংস্ৰতাই বৰ্ষাক বুজাই দিলে, প্ৰান্তিক সময়ে সময়ে কিমান ভয়ংকৰ হৈ উঠিব পাৰে।

শেখৰ হুছেইনৰ লগত ৰে'ল ষ্টেচনলৈ বৰ্ষা সময়মতে উভতি আহিল। উভতি আহি এক অমানৱীয় পৰিস্থিতিৰ সন্মুখীন হ'ল তাই। প্ৰান্তিক ঘপহকৈ বাংকাৰৰ পৰা উঠি আহি বৰ্ষাৰ হাতত ধৰি প্ৰায় চোঁচৰাই বাহিৰলৈ লৈ গ'ল। ফোঁপাই ফোঁপাই তীব্ৰ ক্ৰোধেৰে প্ৰান্তিকে ক'বলৈ ধৰিলে -

> *তোমাৰ মই কৈফিয়ৎ নলওঁ। কিন্তু এয়া শেষ ৰাৰ্ণিং, তুমি নিজকে সলনি কৰা। তোমাৰ যি খুচি তাকে কৰিব নোৱাৰা। মই তোমাক এনে বুলি জনা নাছিলোঁ।...*
>
> *বৰ্ষাই চকু দুটা বহলকৈ মেলি প্ৰান্তিকৰ ফালে চাই কিছুপৰ থৰ হৈ ক'লে - মোক কি বুলি জনা নাছিলা! কোৱা, কি বুলি জনা নাছিলা? চৰিত্ৰহীনা বুলি! (চাহেবপুৰাৰ বৰষুণ, পৃ. ৩৫)*

প্ৰান্তিকৰ মুখত অশ্লীল শব্দ শুনি বৰ্ষা স্তম্ভিত হ'ল। বৰ্ষাই এটাও শব্দ নোকোৱাকৈ হঠাৎ তাইৰ বাথৰলৈ গৈ ছুটকেছটো হাতত লৈ প্ৰান্তিকক ক'লে - *"ছ'ৰি, প্ৰান্তিক। মোৰ সম্পৰ্কে তোমাৰ যি ধাৰণা, সেয়া লৈ মই তোমাৰ স্ত্ৰী হ'ব নোৱাৰিম। মোৰ কোনো মৰ্যাদাই নাথাকিব জীৱনত।"* *(চাহেবপুৰাৰ বৰষুণ, পৃ. ৩৬)*

উপন্যাসখনৰ এই অংশত মূল নাৰীবাদী আদৰ্শ আৰু মুক্ত নাৰীৰ ৰূপ সম্পূৰ্ণকৈ ফুটি উঠিছে। বৰ্ষাই কোনো কাৰণতে প্ৰেমৰ নামত চলা বন্দীত্ব স্বীকাৰ কৰিবলৈ বাধ্য নহয়। অনিচ্ছা স্বত্বেও মুক্ত চিন্তাৰে, প্ৰগতিশীল ভাৱনাৰে মনৰ ভিতৰতেই 'গুড বাই' বুলি প্ৰান্তিকক চাহেবপুৰাৰ পৰা বিদায় দিলে আৰু শেখৰ হুছেইনৰ এন. জি. অ' ৰ কেম্পৰ দিশে গতি কৰিলে।

****

নিজৰ পিতৃ-মাতৃ, আত্মীয়-স্বজন, প্ৰান্তিক আদিৰ পৰা আঁতৰি মেচু গাঁৱৰ সহজ-সৰল মানুহখিনিৰ লগত সুখে-দুখে, আপদে-বিপদে সংগী হৈ বৰ্ষাই নতুন জীৱনেৰে কৰ্ম সম্পাদন কৰিবলৈ ধৰিলে। তাই কৰ্মৰ মাজেৰেই অতীত স্মৃতি পাহৰিবলৈ যত্ন কৰিলে। নিজৰ জীয়েকৰ কথা নুশুনি ভাবী জোঁৱায়েকৰ কথা মতে বৰ্ষাক নিজৰ পিতৃ-মাতৃয়ে কটু কথা শুনালে। মাকক বৰ্ষাই ফোনত কৈছিল -*"...মোৰ বিবেকে বাৰে বাৰে সুধিলে বৰ্ষা, প্ৰান্তিক তই ভালপোৱা ল'ৰাটো হয়নে? সি আগৰ দৰেই আছেনে? চাহেবপুৰাত হোৱা ট্ৰেইন এক্সিডেণ্টটোৱে মোৰ জীৱনৰ গতি সলনি কৰি দিলে। তোমাক প্ৰান্তিকে কোৱাৰ দৰে মই কোনো মুচলমান মানুহৰ প্ৰেমত হঠাতে পৰি চাহেবপুৰাত ৰৈ যোৱা নাই। প্ৰান্তিক কিমান নীচ, যান্ত্ৰিক সেই দুৰ্ঘটনাটোতে মই আৱিষ্কাৰ কৰিলোঁ। আধুনিক পোছাক, মুখত ফৰফৰাই ইংৰাজী, স্মাৰ্ট, দেখনীয়াৰ হ'লেই মনটো আধুনিক নহ'ব পাৰে। বিদেশত থাকিও প্ৰান্তিক এটা সামন্তযুগীয়া পুৰুষ।... পৃথিৱীৰ কামত লগাবলৈ বিচাৰো- আই ৱাণ্ট টু বি ইউছড্ ফৰ মাই ৱৰ্ল্ড - এজন প্ৰান্তিকৰ স্বাৰ্থত মই ব্যৱহাৰ হ'ব নোখোজো মা"* *(চাহেবপুৰাৰ বৰষুণ, পৃ. ৫৮)*

বৰমাক-বৰদেউতাকৰ কথা মতে ৰণ্টু আৰু বিজুৱে বৰ্ষাক চাহেবপুৰাৰ পৰা ঘৰলৈ উভতাই নিবলৈ আহিছে। ৰণ্টুহঁত খঙত অগ্নিশর্মা হৈ উঠিল, *"তহঁতে কেনেকৈ ভাবিলি যে মই তহঁতৰ সৈতে ঘৰলৈ উভতি যাম?"* বৰ্ষাই পুনৰ ক'লে - *প্ৰৱঞ্চনা? প্ৰৱঞ্চনা কোনে কাক কৰিলে? প্ৰান্তিকে মোৰ অনুভূতিক, আশাক প্ৰৱঞ্চনা কৰা নাই? তহঁত কোনেও মোৰ সিদ্ধান্তৰ কথা লৈ এটাও প্ৰশ্ন নকৰিলি, এক পক্ষীয়ভাৱে প্ৰান্তিকৰ পক্ষ ল'লি? কিয় মই ছোৱালী বাবে? মোৰ সকলো আশা, ইচ্ছা জলাঞ্জলি দি প্ৰান্তিকৰ দৰে বিদেশত থকা ল'ৰা এটাৰ জীৱনত চকু-কাণ মুদি চামিল হৈ যাব লাগিছিল নেকি? তেতিয়া মই ভাল ছোৱালী হ'লোহেঁতেন তহঁতৰ বাবে?"* *(চাহেবপুৰাৰ বৰষুণ, পৃ. ১২৪)*

লেখিকাই উপন্যাসখনত বৰ্ষা চৰিত্ৰটোক মানৱীয় গুণ সম্পন্ন নাৰী হিচাপে অংকন কৰিছে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ওফৰাই নাৰীৰো যে নিজৰ মন, আৱেগ-অনুভূতি আছে, নাৰীয়ো যে স্বাধীনতা প্ৰয়াসী এই ধাৰণাক ঔপন্যাসিকাই বৰ্ষা চৰিত্ৰটোৰ জৰিয়তে প্ৰতিফলিত কৰিছে। পূৰ্বৰ দৰে বৰ্তমানৰ নাৰী পুৰুষৰ বহতীয়া হ'ব নিবিচাৰে, পুৰুষৰ শোষণৰ বলি হ'ব নোখোজে সেই ভাৱনাকেই বৰ্ষা চৰিত্ৰৰ জৰিয়তে অংকন কৰিছে।

১.৩ ৰাখীৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা

উপন্যাসত ৰাখী ভাটনাগৰ নামৰ চৰিত্ৰটিৰ মাজেৰে নাৰীচেতনা প্ৰকাশিত হৈছে। ৰাখী ইনছাইটৰ এগৰাকী সক্ৰিয় কৰ্মী। তিলুৱা নামৰ গাঁওখনত ইনছাইটৰ কৰ্মীসকলৰ লগত নিষ্ঠাৰে সমাজসেৱা কৰাৰ সময়ত বৰ্ষাই ৰাখীৰ ভিতৰৰ মানুহজনীক ভালদৰে বুজি উঠিছিল। ৰাখী বৰ্ষাতকৈ বহু কঠোৰ আৰু পৰিপক্ক। বয়সতকৈ বেছি গহীন আৰু মার্জিত কথা-বতৰাৰ অধিকাৰী তাই । ৰাখীয়ে পুৱা পাঁচ বজাৰ পৰা নিশা দহ-এঘাৰটালৈ একমুহূর্ত জিৰণি নোলোৱাকৈ কাম কৰিব পাৰে।

উপন্যাসখনত ৰাখী এটি পৰম্পৰাপ্ৰৱাহী নাৰী চৰিত্ৰ নহয়। নিজৰ ইচ্ছা আৰু নিজৰ বিবেকৰ মতে জীৱন অতিবাহিত কৰা এটি মুক্ত নাৰী চৰিত্ৰ। ৰাখীৰ পিতৃৰ মৃত্যু হোৱাৰ পিছত তাইৰ মাতৃয়ে পিতৃসম বিপত্নীক বাসুদেৱৰ সৈতে পৰকীয়া প্ৰেমত মিলিত হয়। নিজ মাতৃয়েই সম্পত্তিৰ লোভত বাসুদেৱৰ সৈতে বিয়াত বহিবলৈ তাইক প্ৰস্তাৱ দিয়ে। এইগৰাকী স্বাৰ্থলোভী, ক্ষমতালোভী আৰু অর্থলোভী নিজ মাতৃয়েই বিবাহৰ পূৰ্বে ৰাখীক গর্ভনিৰোধক বড়ি খোৱাইছিল। নিজ মাতৃৰ ইচ্ছাতেই ঘৰত কোনো নথকাৰ সময়ত বাসুদেৱে ৰাখীক ধর্ষণ কৰিছিল। বাসুদেৱক হাতৰ মুঠিত বান্ধি ৰাখিবলৈ মাতৃয়ে নিজৰ শৰীৰৰ উপৰিও, ৰাখীৰ শৰীৰটো উপঢৌকন হিচাপে আগুৰাই দিছিল। বাসুদেৱৰ দৰে পিতৃসম বিপত্নীক ব্যক্তি এজনক স্বামী বৰণ কৰিবলৈ ৰাখী প্ৰস্তুত নহয়। স্নাতক চূড়ান্ত পৰীক্ষাত অৱতীর্ণ হ'ব লগা ৰাখীয়ে শেখৰ হুছেইনৰ প্ৰজেক্ট এটাত কাম কৰাৰ সুযোগতে ঘৰ এৰি ইনছাইটলৈ গুচি আহিল। -- *"... মই সতীত্ব-ফতীত্ব বিশ্বাস নকৰোঁ, কিন্তু অপমান বিশ্বাস কৰোঁ। বাসুদেৱে বাৰে বাৰে অপমান কৰিব পৰাকৈ মই চাৰেণ্ডাৰ কেনেকৈ কৰোঁ? ময়ো জানো, যি পুৰুষ মানসিক ভাৱে নপুংসক, তেওঁ নাৰীৰ শৰীৰ দখলত তৃপ্তি*

লভে। বাসুদেৱ তেনে এটা নপুংসক, কাপুৰুষ। কিন্তু মইতো হৃদয়ৰ ঐশ্বৰ্য্যক বিশ্বাস কৰোঁ, মই মোৰ শক্তিশালী হৃদয়খন লৈ, শৰীৰটো এটা নপুংসকক দিব পাৰোঁ জানো? কিমান যন্ত্রণা এয়া নুবুজিবা। মোৰ বাসুদেৱতকৈও ঘৃণা হৈছিল মাৰ প্রতি। মোৰ মাৰ দৰে নাৰী আছে বাৰেইতো বাসুদেৱবোৰ সাহসী হৈছে!" (চাহেবপুৰাৰ বৰষুণ, পৃ. ১১০)

১.৪ বিনোদিনীৰ চৰিত্রত প্রতিফলিত নাৰীচেতনা

আত্মমর্যাদা সম্পন্ন নাৰী হিচাপে ঔপন্যাসিকাই উপন্যাসখনত বিনোদিনী চৰিত্রটো অংকন কৰিছে। বিনোদিনী হৈছে 'ইনছাইট' ৰ কর্মী সঞ্জীৱ দাসৰ মাতৃ। ল'ৰা সন্তান জন্ম দিব নোৱাৰ বাবেই পিতৃ আৰু আইতাকে মাতৃক নানা তিৰস্কাৰ কৰা বিনোদিনীয়ে দেখি আহিছে। এদিন এইজন পিতৃয়েই বিনোদিনীৰ মাতৃক পেটত গুৰিয়াই শর্য্যাশায়ী কৰিছিল। চিকিৎসাৰ অভাৱত সেইদিনা ৰাতি বিনোদিনীৰ মাতৃৰ মৃত্যু ঘটিছিল। তাই দেউতাকৰ ছাঁটোও সহ্য কৰিব পৰা নাছিল। জীৱনত সবাতোকৈ ঘৃণা কৰা মানুহ হৈ পৰিছিল তাইৰ দেউতাক। মাকৰ শ্রাদ্ধ যোৱা তিনিমাহৰ পিছতেই দেউতাকে মহেন বণিক্যৰ আৰিয়ৈ ভনীয়েকক বিয়া কৰাই ঘৰত সুমুৱাৰ পিছদিনাই বিনোদিনী চিৰদিনৰ বাবে মোমায়েকৰ ঘৰলৈ গুচি আহিছিল।

মোমায়েক কৃষ্ণকান্তই বিনোদিনীক প্রাণসম ভাল পাইছিল। নেতাজী সুভাষ বসুৰ আজাদ-হিন্দ্-ফৌজৰ দলীয় আলোচনাস্থল আছিল মোমায়েকৰ দোকান 'কৃষ্ণকান্ত ভাণ্ডাৰ'। মোমায়েকহঁতৰ কথা-বতৰা শুনি নেতাজীৰ প্রতি তাইৰ অসীম শ্রদ্ধা আৰু ভক্তি গঢ়ি উঠিছিল। *"... নেতাজী অলপ গোড়া আৰু (adamant) আছিল। ... নাৰীৰ সমঅধিকাৰ ৰ বাবে থিয় দিছিল, সংখ্যালঘুৰ মর্যাদা আৰু জনগোষ্ঠীৰ উন্নয়নৰ প্রতি কিমান সজাগ আছিল, ঠিক তেনেদৰে এচাম মানুহৰ অন্তহীন ভোগ-বিলাস আৰু ৰাজনীতিক নিজ স্বার্থত ব্যৱহাৰ কৰাক লৈ গর্জি উঠিছিল। সুভাষৰ যি মুক্তিৰ সপোন, তাত বিনোদিনী আৰু বিনোদিনীৰ মাকৰ দৰে অগনন নাৰীৰ মুক্তিৰ সপোন এক হৈ গৈছিল। বিনোদিনী সেয়ে ৰাণী ঝাঁসী ব্রিগেদৰ সদস্য হ'ল। সেয়াই নহয় তাই ভাল সংগঠকো হ'ল।" (পৃ. ৯২)*

বিনোদিনীয়ে ঘটনাক্রমে সংযোগ ঘটে বেৰিষ্টাৰ মুখার্জীৰ লগত। এই বিনোদিনীয়েই সাতাইশ বছৰ বয়সত চিৰদিন চিৰকুমাৰী হৈ থাকিম বুলি ভাবিও পত্নী আৰু দুটা সন্তান আছে বুলি জানিও বেৰিষ্টাৰ মুখার্জীৰ প্রেমত পৰে। মুখার্জীৰ ঔৰসত বিনোদিনী গর্ভৱতী হয়। বিনোদিনী আছিল আত্মবিশ্বাসী নাৰী। মুখার্জীয়ে যেতিয়া নিজ পৰিয়াল, পত্নীক অনাগত সন্তানৰ কথা, বিনোদিনীৰ সৈতে থকা সম্পর্কৰ কথা ঘৃণাক্ষৰেও নজনালে আৰু বিনোদিনীকো নক'বলৈ অনুৰোধ কৰিলে, তেতিয়া বিনোদিনী মুখার্জীৰ পৰা চিৰদিনলৈ আঁতৰি আহিল। এখন সমাজত সন্তান এটা জন্ম দি মাতৃ পৰিচয়েৰে অকলেই ডাঙৰ দীঘল কৰিব পৰাকৈ বিনোদিনী যথেষ্ট সাহসী আছিল। মুখার্জীয়ে ভুল অনুতাপ কৰি পত্নীক সকলো কথা জনাই পুত্র আৰু বিনোদিনীক নিজৰ কৰি ল'বলৈ আহিল তেতিয়া আত্মমর্যাদা সম্পন্ন বিনোদিনীয়ে এই প্রস্তাৱ গ্রহণ নকৰিলে। তেওঁ ক'লে -*"যিদিনাই মুখার্জীয়ে বিনোদিনীৰ সৈতে থকা সম্পর্ক গোপনে ৰখাৰ কথা ক'লে, অনাগত সন্তানৰ কথা তেওঁৰ পত্নীক ক'বলৈ বাৰণ কৰিলে, সেইদিনাই মুখার্জীৰ প্রতি থকা শ্রদ্ধা, ভালপোৱাৰ অকাল মৃত্যু ঘটিল। বিনোদিনীয়ে মুখার্জীক সেইদিনালৈকেহে মনত ৰাখিছে, যিদিনালৈকে মুখার্জীয়ে বিনোদিনীক শ্রদ্ধাৰে প্রেম নিবেদন কৰিছিল। বিনোদিনীৰ প্রেম গোপন বিলাস নাছিল।" (চাহেবপুৰাৰ বৰষুণ, পৃ. ৯৮)*

সঞ্জীৱৰ জৰিয়তে বর্ষাই বিনোদিনীৰ সম্পর্কে জানিব পাৰিলে। অনুৰাধা শর্মা পূজাৰীয়ে অতি কম পৰিসৰতে বিনোদিনীৰ বিষয়ে যিখিনি কথা অৱতাৰণা কৰিলে সেইখিনিৰ পৰাই চৰিত্রটিৰ নাৰীচেতনা প্রকাশিত হৈছে।

১.৫ ৰুক্মিণীৰ চৰিত্রত প্রতিফলিত নাৰীচেতনা

ইনছাইটৰ কর্মী হিচাপে বর্ষা, ৰাখী, সঞ্জীৱহঁত গৈ বিহাৰৰ মেছু গাঁৱত লগ পোৱা এটি নাৰী চৰিত্র হৈছে ৰুক্মিণী। ৰুক্মিণী তেনেই দুখীয়া পৰিয়ালৰ মহিলা। ৰুক্মিণীৰ স্বামী আৰু ডাঙৰ পুত্র নাৰায়ণৰ মৃত্যুৰ পিছত সৰু

পুত্ৰ অর্থাৎ চৈধ্য-পোন্ধৰ বছৰীয়া শিৱকুমাৰে ৰেগন ব্ৰ'কাৰ বৃত্তি লৈ চোৰাং মালবস্তু বিক্ৰী কৰি ঘৰখন চলাই আছিল। চাহেবপুৰাৰ ৰে'ল দুর্ঘটনাত শিৱকুমাৰৰ মৃত্যুৰ বাতৰি পাই ৰুক্মিণী শোকত ভাগি পৰিছিল।

এদিন ৰাতি সঞ্জীৱে ৰুক্মিণীৰ লগত গাঁৱৰ মুখিয়াৰ বিৰ্জুৰ অবৈধ সম্পর্ক ধৰা পেলায়। সোধ-পোছ কৰাৰ পিছত ৰুক্মিণীয়ে ক'লে যে সি তাইৰ শৰীৰটো ভোগ কৰি থাকিবলৈ বিচাৰে। সি ৰুক্মিণীক কেতিয়াও বিয়া নকৰায়। ৰুক্মিণীয়ে বিৰ্জুক বিয়াৰ কথা ক'লেই তাই টকা-পইছা দুটামান সৰহকৈ গুজি দিয়ে। শিৱকুমাৰ মৰাৰ পিছৰ পৰা বিৰ্জুক ঘৰলৈ আহিবলৈ মানা কৰি দিছিল যদিও সি নিশা চোৰৰ দৰে আহি ৰুক্মিণীৰ শৰীৰ দখল কৰেহি।

উপন্যাসখনত ৰুক্মিণীক মানৱীয় গুণসম্পন্ন আৰু অনুভূতিশীল নাৰী চৰিত্ৰ হিচাপে অনুৰাধা শর্মা পূজাৰীয়ে ফুটাই তুলিছে। সঞ্জীৱ, বর্ষাইতক ৰুক্মিণীয়ে পোনতে নিজৰ ঘৰতেই থাকি গাঁৱৰ গঠনমূলক কামসমূহ কৰিবলৈ সুবিধা কৰি দিব বুলি ভাবিছিল। বিৰ্জুৱেহে ৰুক্মিণীৰ শৰীৰ ভোগৰ পৰা বঞ্চিত হ'ব বুলি ভাবি ঘৰ প্ৰদান কৰিবলৈ বাধা দিছিল।

বর্ষা, সঞ্জীৱহঁত ৰুক্মিণীৰ ঘৰত থকাত তাই সাহসী আৰু আনন্দিত হৈছে। তেওঁলোকৰ বাবে ৰুক্মিণীয়ে ৰন্ধা-বঢ়া কৰিছে। সঞ্জীৱে 'মাই' বুলি সম্বোধন কৰি ৰুক্মিণীক লিট্টি আৰু চৰ্জি অলপ খোৱাই দিয়াত অজানিতে চকুলো নিগৰিছে। তৎক্ষণাত এই ভাবি তাইৰ বেয়া লাগিছে এই গাঁৱত কাম শেষ হ'লে সঞ্জীৱহঁত যাবগৈ। পুনৰ তাই অকলশৰীয়া হৈ পৰিব। ৰাখীয়ে ৰুক্মিণীক কেতিয়াও এৰি নাযাওঁ আৰু যাব লগা হ'লেও লগত লৈ যাব বুলি হাতত ধৰি আশ্বাস দিয়াত তাই নিৰাপদ অনুভৱ কৰিছে।

ইনছাইট কর্মীসকলৰ পৰা চট্ বনোৱাৰ প্ৰশিক্ষণ গ্ৰহণ কৰিলে মেছু গাঁৱৰ মহিলা সকলে। নানা বাধা-বিঘিনিৰ অন্তত তেওঁলোকে চট্ বনালে। তেওঁলোকে কঠোৰ পৰিশ্ৰমেৰে বনোৱা চট্‌বোৰ নিবলৈ ট্ৰাক গাড়ী দুখন আহিছে। মেছু গাঁৱত আনন্দৰ জোৱাৰ উঠিছে। ৰুক্মিণীয়ে সকলোকে হতবাক কৰি ট্ৰাক দুখন ৰখাই দি চকাত ঘটিৰ পানী ঢালি সেৱা কৰিলে। ড্ৰাইভাৰৰ কপালত এটা ৰঙা আৰু এটা ক'লা ফোট দি চাকি-ধূপেৰে ঘূৰাই সেৱা কৰিলে। গোটেই ৰাতি উজাগৰে থাকি ৰুক্মিণীয়ে মিঠাতেলৰ শলিতা পুৰি কাজল প্ৰস্তুত কৰিছে। ৰুক্মিণীয়ে ৰঙা ফোটক নিন্দুক, চকু চৰহাবোৰৰ মুখ নালাগিবলৈ সকলো মানুহৰ কপালত লগোৱা হ'ব বুলি মত প্ৰকাশ কৰিলে। উপস্থিত হোৱা সকলোকে ৰঙা আৰু ক'লা ফোট দিয়াৰ লগতে শেখৰ হুছেইনহঁতকো কপালত ফোট লগাই আশীর্বাদ বিচাৰিলে। মেছু গাঁৱৰ ছমহীয়া প্ৰজেক্ট সফলতা লাভ কৰাৰ ফলত গাঁৱৰ মানুহৰ অর্থনৈতিক সবলীকৰণৰ পথ মুকলি হ'ল। ৰুক্মিণী আৰু মায়াক প্ৰজেক্টৰ সভাপতি-সম্পাদক পাতি আগন্তুক পৰিচালনাৰ দায়িত্ব দি শেখৰ হুছেইনে মেছুগাঁৱৰ ছমহীয়া প্ৰজেক্ট শেষ কৰিলে।

১.৬ মায়াৰ চৰিত্ৰত প্ৰতিফলিত নাৰীচেতনা

ইনছাইডৰ সদস্যসকলে তিলুৱা গাঁৱত লগ পোৱা এগৰাকী প্ৰতিবাদী নাৰী চৰিত্ৰ হৈছে মায়া। নিজৰ লাজকুৰীয়া ছোৱালীজনীক কোনোবাই ধর্ষণ কৰি মাৰি পোলোৱাৰ ঘটনাক মায়াই সহজভাৱে ল'ব পৰা নাই। তিলুৱা গাঁৱৰ একেবাৰে নষ্ট চৰিত্ৰৰ বুলি পৰিচয় থকা গোৱর্দ্ধনকেই এই ঘটনাৰ বাবে দোষী বুলি মায়াই কৈছে। এই গোৱর্দ্ধনেই এদিন মুখিয়াৰ ঘৰত কাম কৰি থকাৰ অৱস্থাত মায়াক গোদাম ঘৰৰ পৰা বস্তা আনিবলৈ যাওঁতে হেঁচা মাৰি ধৰি মায়াৰ ব্লাউজ ফালি পেলাইছিল। কিন্তু এটা প্ৰচণ্ড চৰ মাৰি মায়াই গোৱর্দ্ধনৰ হাতৰ পৰা বাছি আহিছিল। মুখিয়াৰৰ খাচ্ মানুহ বুলি জনাৰ পিছতো মায়াই জীয়েক তিত্‌লীৰ মৃত্যুৰ বাবে গোৱর্দ্ধনেই জগৰীয়া বুলি সমজুৱাকৈ ঘোষণা কৰিছে।

২. উপসংহাৰ

বিশ্বৰ বিভিন্ন প্ৰান্তত নাৰীক কেন্দ্ৰীয় বিষয় হিচাপে লৈ নানা নাৰীবাদী সাহিত্য ৰচিত হৈছে। অসমতো

****

ৰজনীকান্ত ৰৱদলৈ 'ৰহদৈ লিগিৰী' নামৰ উপন্যাসখনৰ সময়ৰ পৰাই বৰ্তমানলৈকে নাৰীবাদী উপন্যাস ৰচিত হৈছে। নিৰুপমা ৰৱগোহাঞিৰ হাততে প্ৰকৃত নাৰীবাদী উপন্যাস ৰচনাৰ পৰম্পৰা আৰম্ভ হয় যদিও সেই উপন্যাসত শোষিত, নিষ্পেষিত, অৱদমিত নাৰীৰ বৰ্ণনাহে আছিল। প্ৰতিবাদী নাৰী চৰিত্ৰৰ আৰম্ভণি ঘটে অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাসত। তেওঁৰ *'চাহেবপুৰাৰ ৰৱষুণ'* নামৰ উপন্যাসখনি কাহিনী আৰু পটভূমিৰ দিশৰ পৰা সম্পূৰ্ণ নতুন। শৰ্মা পূজাৰীয়ে প্ৰধান নাৰী চৰিত্ৰ বৰ্ষাৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যত এক নতুন চিন্তাধাৰাৰ নাৰীক উপস্থাপন কৰিছে। উপন্যাসখনত বৰ্ষা চৰিত্ৰটোৱে কাহিনীৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাত মুখ্য ভূমিকা গ্ৰহণ কৰিছে যদিও আন নাৰী চৰিত্ৰ ৰাখী, বিনোদিনী, ৰুক্মিণী আৰু মায়াৰ ভূমিকাও যথেষ্ট গুৰুত্বপূৰ্ণ। চৰিত্ৰকেইটাৰ মাজেৰে নাৰী জীৱনৰ ধ্যান-ধাৰণা, আশা-আকাংক্ষাক সুন্দৰভাৱে অনুৰাধা শৰ্মা পূজাৰীয়ে সাৱলীল আৰু প্ৰাঞ্জল ভাষাত বৰ্ণনা কৰিছে। নাৰীৰ ত্যাগ, ইচ্ছা-আকাংক্ষা, সহনশীলতা, ঘৰুৱা দায়িত্ব আদিয়েই হৈছে উপন্যাসৰ মূল দিশ। অনুৰাধা শৰ্মা পূজাৰীয়ে উপন্যাসখনত তুলি ধৰা এই নাৰী চৰিত্ৰকেইটা বাস্তৱ সময়ত লগ পোৱা নাৰী সমাজৰে প্ৰতিনিধি। উপন্যাসখনত নাৰী চৰিত্ৰকেইটাৰ মাজেৰে মানৱতাবাদী সুৰ ধ্বনিত হৈছে। উপন্যাসখনৰ বিভিন্ন দিশত অধিক গৱেষণাৰ থল আছে।

প্ৰসংগ সূত্ৰ

১. *দেৰী, মীৰা ঃ অসমীয়া উপন্যাসত নাৰীবাদ, পৃ.* ১৭-১৮

২. "Feminism - ' advocacy of women's rights and Sexual equality' ". Oxford Dictionary and Thesaurus III, Julia Elliott (Ed.), P. 276

৩. পাদুন, নাহেন্দ্ৰ ঃ *সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব,* পৃ. ৫৩

৪. হুছেইন, ইমৰাণ ঃ *আধুনিক আৰু উত্তৰ-আধুনিক পৰিভাষা কোষ,* পৃ. ৫৯

৫. পাদুন, নাহেন্দ্ৰ ঃ *সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব,* পৃ. ৫৫-৫৬

৬. শৰ্মা, গোৰিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস,* পৃ. ৮

৭. Engles, F. ঃ The Origin of the Family , Private Properly & the State (1884), P. 57

৮. শৰ্মা, গোৰিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস,* পৃ. ১২

৯. পূজাৰী, অনুৰাধা শৰ্মা ঃ *চাহেবপুৰাৰ ৰৱষুণ,* পৃ. ৯

১০. পূৰ্বোক্ত, পৃ. ১০

১১. পূৰ্বোক্ত, পৃ. ১২

গ্ৰন্থপঞ্জী

মুখ্য সমল

পূজাৰী, অনুৰাধা শৰ্মা ঃ *চাহেবপুৰাৰ ৰৱষুণ,* বনলতা, একবিংশতিতম প্ৰকাশ, ২০২৫

গৌণ সমল

দেৰী, মীৰা ঃ *অসমীয়া উপন্যাসত নাৰীবাদ,* লোকায়ত প্ৰকাশন, ১৯৯৬

দেৰী, সন্ধ্যা ঃ *নাৰীঃবন্ধন আৰু মুক্তি,* অসম প্ৰকাশন পৰিষদ, ২০০৭

নাথ, প্ৰফুল্ল কুমাৰ ঃ *অসমীয়া উপন্যাসৰ ধাৰা,* ৰেখা প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০২১

পাদুন, নাহেন্দ্ৰ ঃ *সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব,* বাণী মন্দিৰ, দ্বিতীয় প্ৰকাশ, ২০১৪

শৰ্মা, গোৰিন্দ প্ৰসাদ ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস,* ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, তৃতীয় সংস্কৰণ, ২০১২

শৰ্মা, গোৰিন্দ প্ৰসাদ ঃ *নাৰীবাদ আৰু অসমীয়া উপন্যাস,* অসম প্ৰকাশন পৰিষদ, তৃতীয় সংস্কৰণ, ২০১৬

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

অসম সাহিত্য সভা পত্রিকাত মাধৱদেৱ চর্চা ঃ এক অধ্যয়ন (নির্বাচিত পত্রিকাৰ আধাৰত)

ভাস্কৰজিৎ ফুকন
গৱেষক ছাত্র, অসমীয়া বিভাগ
আউনীআটী বিশ্ববিদ্যালয়

সাৰাংশ

শংকৰদেৱৰ পাছতেই যিজন বৈষ্ণৱ গুৰুৱে প্রাচীন অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক অনন্য মাত্রা প্রদান কৰিছিল— সেইজন বহুমাত্রিক প্রতিভাৰ অধিকাৰী মাধৱদেৱৰ মানৱতাবাদী আদর্শই মধ্যযুগীয় সামন্তবাদী সমাজৰ কলুষতা নিকা কৰি প্রতিষ্ঠা কৰিলে উদাৰ একশৰণ নামধর্মৰ বলিষ্ঠ ধাৰা। বিদ্যায়তনিক আৰু অসমৰ সমাজ জীৱনত *অসম সাহিত্য সভা পত্রিকা*-ত প্রকাশিত মাধৱদেৱ বিষয়ক চর্চাৰ এক বিশেষ গুৰুত্ব আছে। কেৱল ধর্মীয় প্রসংগৰে মাধৱদেৱক মূল্যায়ন নকৰি বিভিন্ন দিশত মাধৱদেৱৰ গভীৰ জীৱন-চর্য্যাৰ আলোকপাত হোৱাটোৱেই ইয়াৰ ঐতিহাসিক গুৰুত্ব। শংকৰদেৱ চর্চা যিধৰণে হয় তুলনামূলকভাৱে মাধৱদেৱ বিষয়ক আলোচনা সততে কমকৈ দেখা যায়; কিন্তু ব্যতিক্রম এয়ে যে, *অসম সাহিত্য সভা পত্রিকা*-ত শংকৰদেৱৰ লগতে মাধৱদেৱৰো গভীৰ অধ্যয়ন হৈ আহিছে। মাধৱদেৱৰ জীৱন-দর্শন, সৃষ্টিৰাজিৰ গভীৰ মূল্যায়ন, প্রেক্ষাপট বিচাৰ, জাতীয় জীৱনলৈ ভূমিকা, সাম্প্রতিক প্রাসংগিকতা— আদিৰ আলোকপাত পৰিলক্ষিত হৈছে।

বীজশব্দ ঃ অসম সাহিত্য সভা পত্রিকা, মাধৱদেৱ, চর্চা, ভক্তি আন্দোলন ইত্যাদি।

০.০ অৱতৰণিকা ঃ

০.১ বিষয়ৰ পৰিচয় ঃ

অসম সাহিত্য সভা অসমৰ সর্ববৃহৎ জাতীয় অনুষ্ঠান। অসম তথা উত্তৰ-পূর্বাঞ্চলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সর্বতোপ্রকাৰৰ উন্নয়নত ১৯১৭ চনতে প্রতিষ্ঠা হোৱা অসম সাহিত্য সভাৰ ভূমিকা গুৰুত্বপূর্ণ। অসম সাহিত্য সভা ১৯১৭ চনতে স্থাপিত হ'লেও ৯ বছৰৰ মূৰকতহে ১৯২৬ চন (আহিন, ভাদ, ১৮৪৮-৪৯শক)-ত সভাৰ মুখপত্র হিচাপে 'আসাম সাহিত্য-সভা-পত্রিকা' প্রকাশ পায়। তেতিয়াৰে পৰা বর্তমানলৈকে সুদীর্ঘ শতবর্ষ গৰকি পত্রিকাখনে অসম সাহিত্য সভাৰ মেৰুদণ্ডৰূপে থিয় হ'বলৈ সক্ষম হৈছে। এই পত্রিকাৰ প্রথম বছৰ, প্রথম সংখ্যা (আহিন-আঘোণ, ১৯৪৮-৪৯ শক)ৰ 'সম্পাদকৰ নিৱেদন'ত প্রথম সম্পাদক চন্দ্রধৰ বৰুৱাই লিখিছে, *মঙ্গলময় পৰমেশ্বৰৰ শ্রীপাদপদ্মত আমি শত সহস্র কোটি সেৱা কৰিছোঁ। তেওঁৰ কৃপাত আমাৰ শুভ বাঞ্ছা পূর্ণ হওক। অসম সাহিত্য সভাই, আজি ভালে দিনৰেপৰা সভাৰ মুখপত্র স্বৰূপে এখন আলোচনী উলিয়াবলৈ কল্পনা কৰি আহিছিল। ইংৰাজী ১৯২৫ চনৰ ডিচেম্বৰ মাহত, নগাঁৱত বহা সম্মিলনত, এই বিষয়ে তলত লিখা সিদ্ধান্ত কৰা হয়—"এই সম্মিলনে সিদ্ধান্ত কৰে যে ইংৰাজী ১৯২৬ চনৰ ভিতৰত, সাহিত্য সভাৰ মুখপত্র এখন তিনিমহীয়া কাকত প্রকাশ হ'ব লাগে। এই অর্থে যাবতীয় কাম কৰিবলৈ কার্য্যনির্ব্বাহক সভাক ভাৰ দিয়া হয়।" এই সিদ্ধান্তৰে ফল স্বৰূপে অসম সাহিত্য-সভা-পত্রিকাই আজি*

****

ভগৱন্তৰ কৰুণা আৰু বাইজৰ আশীৰ্ব্বাদ ভিক্ষা কৰি জন্ম গ্ৰহণ কৰিছে।[১]

অসমত নৱবৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰৱৰ্তক মাধৱদেৱৰ বিষয়ে হোৱা গৱেষণামূলক আলোচনাত *অসম সাহিত্য সভা পত্ৰিকা*-ৰ আছে এক গুৰুত্বপূৰ্ণ ভূমিকা। বৌদ্ধিক মহলত সততে এটা আপত্তি দৃষ্টিগোচৰ হয় যে, মাধৱদেৱৰ বিষয়ে যথাযথ অধ্যয়ন খুউব কম। আনহাতে *অসম সাহিত্য সভা পত্ৰিকা*-ৰ ক্ষেত্ৰত কথাটো পৃথক। পত্ৰিকাৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে অনেক মাধৱদেৱ বিষয়ক লেখা প্ৰকাশ পাইছে। বিদ্যায়তনিক ক্ষেত্ৰত এই অধ্যয়নসমূহৰ এক বিশেষ গুৰুত্ব আছে।

০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

অসম সাহিত্য সভা পত্ৰিকাত মাধৱদেৱ চৰ্চা (নিৰ্বাচিত পত্ৰিকাৰ আধাৱত)- শীৰ্ষক অধ্যয়নৰ বাবে নিৰ্দ্ধাৰণ কৰা উদ্দেশ্য হৈছে—

ক) *অসম সাহিত্য সভা পত্ৰিকা* অধ্যয়ন কৰা।

খ) *অসম সাহিত্য সভা পত্ৰিকা*-ত প্ৰকাশিত মাধৱদেৱ বিষয়ক অধ্যয়নৰ সমীক্ষা কৰা।

গ) মাধৱদেৱ বিষয়ক অধ্যয়নসমূহৰ বিশ্লেষণ কৰা।

ঘ) মাধৱদেৱ বিষয়ক প্ৰাসংগিক দিশবোৰ যথাযথভাৱে প্ৰকাশ কৰা।

ঙ) অসমৰ ভাষা-সাহিত্য, সমাজ-সংস্কৃতিৰ দিগ্‌দৰ্শনত ৰচনাসমূহৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়োৱা।

চ) নিৰ্বাচিত প্ৰবন্ধসমূহ বিষয়ভিত্তিক হিচাপে বিশ্লেষণ কৰি ইয়াৰ মাজত নিহিত হৈ থকা আদৰ্শ আৰু দৃষ্টিভংগীক বিচাৰি উলিওৱা।

০.৩ অধ্যয়নৰ কৰ্ম-পদ্ধতিঃ

ক) অধ্যয়নৰ পদ্ধতি ঃ

অধ্যয়নৰ গুৰুত্ব আৰু লক্ষ্য অনুসৰি বিশ্লেষণাত্মক পদ্ধতিক মূল পদ্ধতি হিচাপে গ্ৰহণ কৰা হৈছে। বিষয়টোৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে নিম্নলিখিত পদ্ধতিকেইটাৰো সহায় লোৱা হৈছে— বৰ্ণনাত্মক পদ্ধতিআৰু সমীক্ষাত্মক পদ্ধতি।

খ) তথ্য আহৰণৰ উৎস ঃ

তথ্য আহৰণৰ বাবে মুখ্য আৰু গৌণ দুয়োটা উৎসৰে সহায় লোৱা হৈছে—

মুখ্য উৎস ঃ ক) *অসম সাহিত্য সভা পত্ৰিকা*-ৰ নিৰ্বাচিত নটা সংখ্যাত প্ৰকাশিত মাধৱদেৱ বিষয়ক প্ৰবন্ধসমূহ।

গৌণ উৎস ঃ ক) *অসম সাহিত্য সভা পত্ৰিকা*-বিষয়ক গ্ৰন্থ; খ) কাকত, আলোচনী, স্মৃতিগ্ৰন্থ, পত্ৰিকা আদিত প্ৰকাশিত বিভিন্নজনে ৰচনা কৰা *অসম সাহিত্য সভা পত্ৰিকা* আৰু মাধৱদেৱ চৰ্চা সম্পৰ্কীয় প্ৰবন্ধ, গ) অসম সাহিত্য সভাবিষয়ক গৱেষণা-গ্ৰন্থ, কাকত, আলোচনী, স্মৃতিগ্ৰন্থ, পত্ৰিকা আদি আৰু ঘ) আনুষংগিক গৱেষণা গ্ৰন্থ আৰু ক্ষুদ্ৰ গৱেষণা গ্ৰন্থকণিকা।

০.৪ অধ্যয়নৰ পৰিসৰ ঃ

অসম সাহিত্য সভা পত্ৰিকা-ত প্ৰথমৰপৰা বৰ্তমানলৈকে অসংখ্য মাধৱদেৱ বিষয়ক প্ৰবন্ধ প্ৰকাশিত হৈছে। এই আলোচনাত সকলো প্ৰবন্ধ সামৰি লোৱা সম্ভৱ নহয়। সেয়েহে বিষয়ৰ গুৰুত্ব অনুসৰি পত্ৰিকাৰ কেইটামান সংখ্যা নিৰ্বাচন কৰি লোৱা হৈছে। তলত প্ৰকাশৰ ক্ৰম অনুসৰি উল্লেখ কৰা হ'ল—

১) পঞ্চম বছৰ, প্ৰথম সংখ্যা, পুহ-মাঘ, ১৮৫২-৫৩ শক, সম্পাদক ঃ পূৰ্ণানন্দ শৰ্মা পাঠক।

২) ত্ৰিংশ বছৰ, প্ৰথম সংখ্যা, বহাগ, ১৮৯৫ শক, সম্পাদক ঃ হেমন্তকুমাৰ শৰ্মা।

****

৩) ত্রিংশ বছৰ, পঞ্চম সংখ্যা, ভাদ, ১৮৯৫ শক, সম্পাদক ঃ হেমন্তকুমাৰ শর্মা।

৪) ত্রিংশ বছৰ, ষষ্ঠ সংখ্যা, আহিন, ১৮৯৫ শক (শাৰদীয় বিশেষ সংখ্যা), সম্পাদক ঃ হেমন্তকুমাৰ শর্মা।

৫) পঞ্চত্রিংশ বছৰ, তৃতীয় সংখ্যা, চেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ, ১৯৭৮ চন, সম্পাদক ঃ যোগেন্দ্রনাৰায়ণ ভূঞা।

৬) ঊনচত্বাৰিংশৎ বছৰ, প্রথম সংখ্যা, এপ্রিল, মে', জুন, ১৯৮২ চন, সম্পাদক ঃ নাহেন্দ্র পাদুন।

৭) দ্বাচত্বাৰিংশৎ বছৰ, দ্বিতীয় সংখ্যা, নৱেম্বৰ, ১৯৮৬ চন, সম্পাদক ঃ প্রহলাদ কুমাৰ বৰুৱা।

৮) অষ্টচত্বাৰিংশ বছৰ, দ্বিতীয় সংখ্যা, জুলাই, ছেপ্টেম্বৰ, ১৯৯২ চন, সম্পাদক ঃ দয়ানন্দ পাঠক।

৯) একষষ্টিতম বছৰ, প্রথম সংখ্যা, আগষ্ট, ২০০৫ চন, সম্পাদক ঃ দীপ্তি ফুকন পাটগিৰি।

০.৫ পূর্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

গৱেষণা বিষয়টোৰ লগত পোনপটীয়াকৈ সম্পর্কযুক্ত তাত্ত্বিক আৰু বস্তুনিষ্ঠ অধ্যয়ন অসমীয়া ভাষাত পৰিলক্ষিত হোৱা নাই। প্রাপ্ত *অসম সাহিত্য সভা পত্রিকা*-বিষয়ক পূর্বকৃত অধ্যয়নক এনেধৰণে সমীক্ষা কৰাৰ প্রয়াস কৰা হৈছে—

গ্রন্থ ঃ

ক) গ্রন্থৰ নাম ঃ *অসম সাহিত্য সভা মনন আৰু মন্থন* (২০১৬), সম্পাদনা ঃ ইন্দু প্রভা দেৱী আৰু গীতাশ্রী তামুলী

সম্পাদিত গ্রন্থখনৰ এটা অধ্যায়ত ক্রমে বর্ণালী ডেকা, জ্যোতিৰেখা হাজৰিকা, বলীন সন্দিকৈ, নীলোৎপল শর্মা, স্মৃতিৰেখা চেতিয়া সন্দিকৈ, চুমী কলিতা আৰু কৰবী দেৱীয়ে অসম সাহিত্য সভা পত্রিকা সম্পর্কে বিস্তৃত আলোচনা আগবঢ়াইছে।

খ) গ্রন্থৰ নাম ঃ *বিষয় ঃ সাহিত্য ১ অসম সাহিত্য সভা পত্রিকাৰ নির্বাচিত প্রবন্ধ* (২০২৬), সংকলক ঃ ৰঞ্জন ভট্টাচার্য্য ঃ গ্রন্থখনত *অসম সাহিত্য সভা পত্রিকাত* প্রকাশিত সাহিত্য বিষয়ক প্রাসংগিক প্রবন্ধ সংকলিত কৰা হৈছে।

প্রবন্ধ ঃ

• *যতীন্দ্রনাথ গোস্বামীৰ 'অসম সাহিত্য সভা পত্রিকাৰ নতুন ৰূপ', (প্রকাশ ঃ অসম সাহিত্য সভা পত্রিকা, ত্রিংশ বছৰ, প্রথম সংখ্যা, বহাগ, ১৯৭৩, সম্পাদক ঃ হেমন্তকুমাৰ শর্মা)।*

• *নাৰায়ণ দাসৰ 'অসমীয়া ভাষা-সাহিত্য আৰু অসম সাহিত্য সভা পত্রিকা', (প্রকাশ ঃ অসম সাহিত্য সভা পত্রিকা, চত্বাৰিংশৎ বছৰ, চতুর্থ সংখ্যা, ১৯৮৪, সম্পাদক ঃ নাহেন্দ্র পাদুন)।*

• *জ্যোতিৰেখা হাজৰিকাৰ 'অসম সাহিত্য সভা পত্রিকাৰ ঐতিহ্য' (সম্পাদকীয়), (প্রকাশ ঃ অসম সাহিত্য সভা পত্রিকা, ষট্‌ষষ্টিতম বর্ষ, প্রথম সংখ্যা, জুন-জুলাই-আগষ্ট, ২০১১, সম্পাদক ঃ জ্যোতিৰেখা হাজৰিকা)।*

• *জ্যোতিৰেখা হাজৰিকাৰ 'অসম সাহিত্য সভা পত্রিকাৰ সুদীর্ঘ পৰিক্রমা (প্রস্তাৱনাৰ পৰা বর্তমানলৈ)' (প্রকাশ ঃ চিৰ চেনেহী, স্মৃতিগ্রন্থ, অসম সাহিত্য সভাৰ শতবর্ষৰ উদ্বোধনী অনুষ্ঠানৰ উপলক্ষে প্রকাশিত, ২০১৭, সম্পাদক ঃ ৰমানন্দন বৰা)।*

• *ৰঘুনাথ কাগ্‌য়ুঙৰ 'অসম সাহিত্য সভা আৰু সভাৰ পত্রিকা' (সম্পাদকীয়), (প্রকাশ ঃ অসম সাহিত্য সভা পত্রিকা, সপ্তসপ্ততিতম্‌ বর্ষ, প্রথম সংখ্যা, এপ্রিল-মে'-জুন, ২০২৩, সম্পাদক ঃ ৰঘুনাথ কাগ্‌য়ুং)। **(প্রথম অধ্যায়)***

১.০ অসম সাহিত্য সভা পত্রিকা ঃ এক আলোকপাত

১.১ অসম সাহিত্য সভা পত্রিকা প্রকাশৰ ইতিহাস ঃ

জাতীয় জীৱন আৰু ভাষা-সাহিত্যক পৰিপুষ্টি প্রদানত পত্রিকাৰ ভূমিকা অনস্বীকার্য। এটা অনুষ্ঠানৰ

উদ্দেশ্য সফল কৰাতো পত্রিকা সহায়ক হয়। আনহাতে, গৱেষণা পত্রিকাই এটা অনুষ্ঠানৰ লগত জড়িত লেখক তথা অধ্যয়নপিপাসু লোকৰ আৰু সমাজখনৰ বিদ্যায়তনিক দিশতো সমৃদ্ধি প্রদান কৰে। এখন সমাজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতি আৰু বিকাশৰ ক্ষেত্রত গৱেষণা পত্রিকাসমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে। যিকোনো অনুষ্ঠানৰ আঁচনি, লক্ষ্যাদি, সমাজক অৱগত কৰিবলৈ এখন মুখপত্র বা পত্রিকা বা স্মৰণিকা থকাটো নিয়মৰ নিচিনা। ইয়াৰ দ্বাৰা অনুষ্ঠানৰ অন্তৰালৰ উদ্দেশ্য কার্য্যকৰী কৰাত সুবিধা হয়। *অসম সাহিত্য সভা পত্রিকা* 'অসম সাহিত্য সভা'ৰ মুখপত্র। অসমীয়া ভাষাত গৱেষণা পত্রিকাৰ মর্যাদা লাভ কৰা পত্রিকাখনে ১৯২৬ চনত (আহিন-আঘোণ, ১৮৪৮-৪৯ শক) পোনপ্রথমবাৰৰ বাবে প্রকাশ পায়। যোৰহাটৰ দর্পণ প্রেছত টুনিৰাম শর্মা বৰুৱাৰ দ্বাৰা প্রকাশ হোৱা পত্রিকাখনৰ প্রতিষ্ঠাপক সম্পাদক আছিল চন্দ্রধৰ বৰুৱা। কিন্তু পোনতে পত্রিকাখনৰ নাম আছিল 'আসাম সাহিত্য-সভা-পত্রিকা'। সম্পাদক বৰুৱাই প্রথম বছৰ, প্রথম সংখ্যাত লিখিছে, *...এই কাগজত সর্বসাধাৰণত ঃ ৭ ফর্ম্মা, অর্থাৎ ৫৯ পৃষ্ঠা থাকিব। প্রয়োজন বুজি, মাজে সময়ে, দুপাত এপাত সৰহ তাকৰো হ'ব পাৰে। অৱস্থা টনকিয়াল দেখিলে, ইয়াৰ কলেৱৰো বৃদ্ধি কৰিবৰ যত্ন কৰা হ'ব। ইয়াৰ কি নাম দিয়া হব সেই বিষয়ে বাতৰি কাকতৰ যোগে সর্ব্বসাধাৰণৰ মত আহ্বান কৰা হৈছিল। অনেকে অনেক নাম প্রস্তাৱ কৰি পঠাইছিল। সাহিত্য সভাৰ কার্য্যনির্ব্বাহক সভ্যসকলে, সেই সকলোবিলাক প্রস্তাৱ বিবেচনা কৰি চাই, 'আসাম সাহিত্য-সভা-পত্রিকা' এই নামকে দিয়া স্থিৰ কৰিলে। ই প্রতি তিনি মাহে একো সংখ্যাকৈ ওলাব, আৰু ইয়াৰ মূল্য তিনি টকা নিৰূপন কৰা হৈছে।..*[২]

ষষ্ঠ বছৰ, দ্বিতীয় সংখ্যা (মাঘ-চ'ত, ১৮৫৭-৫৮শক)-ৰপৰা পত্রিকাখনে নাম পালে 'অসম সাহিত্য-সভা পত্রিকা'। পত্রিকাৰ নতুন প্রকাশ (১৮৭৪ শক, কাতি, মাঘ)-ৰ পৰাহে 'অসম সাহিত্য সভা পত্রিকা' হৈছে। ত্রিংশ বছৰ (১৮৯৫ শক, ইং ঃ ১৯৭৩ চন), প্রথম সংখ্যাৰপৰা হেমন্ত কুমাৰ শর্মাৰ সম্পাদনাত *অসম সাহিত্য সভা পত্রিকা*-ই মাহেকীয়া পত্রিকা হিচাপে প্রকাশ পাইছিল। এই সম্পর্কে 'অসম সাহিত্য সভা পত্রিকাৰ নতুন ৰূপ' শীর্ষক প্রবন্ধত যতীন্দ্রনাথ গোস্বামীয়ে লিখিছে,

> *...অসম সাহিত্য সভা পত্রিকা বর্তমান মাহেকীয়া কৰিবৰ কাৰণে অসম সাহিত্য সভাৰ কার্য্যনির্বাহক সভাই যোৱা ৪।৩।৭৩ তাৰিখে সিদ্ধান্ত লৈছে। ... ৪র্থ সংখ্যাতে সম্পাদক চন্দ্রধৰ বৰুৱাই 'পত্রিকাক মাহেকীয়া কৰাৰ সম্পর্কে একেষাৰ' এই শিৰোণামাত লিখিছিল—"এই পত্রিকাখন মাহেকীয়া নকৰাত বহুতে বেয়া পাইছে। তেখেত সকলৰ সজ অভিপ্রায়ৰ আমি মোল বুজিছোঁ। মাহেকীয়া কৰিব পাৰিলে আমিও ৰংহে পাওঁ, আৰু সময়ত মাহেকীয়া কৰাৰ অভিপ্রায়ো আমাৰ নোহোৱা নহয়।... দেখোঁ। সৰুকৈ জুৰি লৈ লাহে লাহে, কিন্তু দোপত দোপে উন্নতি কৰি গৈ থাকি, ডাঙৰ কৰাটোহে সকলো কামৰ নিমিত্তে ভাল নিয়ম।" বিশেষত ঃ পত্রিকাখন মাহেকীয়া কৰিবলৈ হলে যে এটা উপৰি খৰচ লাগিব, সাহিত্য সভাৰ বর্তমান অৱস্থাত সিও এটা ভাবিব লগীয়া কথা। আন আন সমৃদ্ধিশালী দেশতো এই শ্রেণীৰ কোনো কোনো কাকত এতিয়াও তিনিমহীয়া হৈয়েই আছে। তিনিমহীয়া ... পত্রিকাক মাহেকীয়া কৰাটো একো টান কথা নহয়। সেই বাবে আমাৰ হিতাকাংক্ষী সকলক আৰু কিছুদিন বাট চাবলৈ আমি অনুৰোধ কৰোঁ।...*[৩]

কিন্তু এই ধাৰা অব্যাহত নাথাকিল। বর্তমানেও পত্রিকাখন তিনিমহীয়া ৰূপত প্রকাশ পাই আহিছে। বিশেষভাৱে উল্লেখযোগ্য যে, চন্দ্রধৰ বৰুৱাৰ সম্পাদনাত প্রকাশিত পত্রিকাৰ তৃতীয় বছৰ, প্রথম সংখ্যাৰ প্রথমটো পৃষ্ঠাত এই কথা উল্লেখ আছে, *"আসাম সাহিত্য-সভা-পত্রিকা এই সংখ্যাৰ পৰা দুমাহে দুমাহে ওলাব।"* এনেদৰে তৃতীয় বছৰ, প্রথম সংখ্যাৰপৰা পঞ্চম বছৰলৈকে *অসম সাহিত্য সভা পত্রিকা* দুমহীয়া হিচাপে প্রকাশ পাইছিল। তাৰপাছত পুনৰ ষষ্ঠ বছৰৰপৰা পত্রিকাখনে তিনি মাহৰ মুৰকত প্রকাশ লাভ কৰে।

২০১১-১৩ বর্ষৰ পত্রিকাৰ সম্পাদনা সমিতিৰ বিশেষ তৎপৰতাত পোনপ্রথমবাৰৰ বাবে *অসম সাহিত্য সভা পত্রিকা*-ই ৰাষ্ট্রীয়ভাৱে পঞ্জীয়নভুক্ত হৈ গৱেষণা পত্রিকা হিচাপে পূর্ণ মর্য্যাদা লভিবলৈ সক্ষম হ'ল। জুন-

জুলাই-আগষ্ট সংখ্যা (২০১২)-ৰপৰা পত্রিকাখনে ISSN পঞ্জীয়নভুক্ত হৈ প্রকাশ পালে। ISSN নম্বৰটো হৈছে— 2277-9515। **(দ্বিতীয় অধ্যায়)**

২.০ অসম সাহিত্য সভা পত্রিকাত মাধৱদেৱ চর্চা ঃ

২.১ নির্বাচিত পত্রিকাত প্রকাশিত মাধৱদেৱ চর্চা বিষয়ক প্রবন্ধৰ উল্লিখন ঃ

অসম সাহিত্য সভা পত্রিকা-ৰ নির্বাচিত সংখ্যাত প্রকাশিত মাধৱদেৱ বিষয়ক প্রবন্ধসমূহ তলত উল্লেখ কৰা হ'ল

লেখকৰ নাম	প্রবন্ধৰ শীর্ষক
১) ডিম্বেশ্বৰ নেওগ	'মহাপুৰুষ শ্রীমাধৱদেৱৰ ধর্মমত' *(পঞ্চম বছৰ, প্রথম সংখ্যা, পুহ-মাঘ, ১৮৫২-৫৩ শক)*
২) সত্যেন্দ্রনাথ শর্মা	'বৈষ্ণৱ আন্দোলন' *(প্রকাশ ঃ ত্রিংশ বছৰ, প্রথম সংখ্যা, বহাগ, ১৮৯৫ শক)*
৩) বাপচন্দ্র মহন্ত	'মাধৱদেৱৰ নামঘোষাত শংকৰদেৱ আৰু গুৰুতত্ত্ব *(প্রকাশ ঃ ত্রিংশ বছৰ, পঞ্চম সংখ্যা, ভাদ, ১৮৯৫ শক)*
৪) বাপচন্দ্র মহন্ত	'মাধৱদেৱৰ নামঘোষাত শংকৰদেৱ আৰু গুৰুতত্ত্ব' (দ্বিতীয় খণ্ড) *(প্রকাশ ঃ ত্রিংশ বছৰ, ষষ্ঠ সংখ্যা, আহিন, ১৮৯৫ শক)*
৫) লোকনাথ ভঁৰালী	'মাধৱদেৱৰ নাটক ঃ এখন হিন্দী গ্রন্থ' *(প্রকাশ ঃ পঞ্চত্রিংশ বছৰ, তৃতীয় সংখ্যা, চেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ, ১৯৭৮ চন)*
৬) কেশদা মহন্ত	'মাধৱদেৱৰ 'আদিকাণ্ড' আৰু কৃত্তিবাসী ৰামায়ণত বালক ৰাম আৰু গুহচণ্ডালৰ মিত্রতা' *(প্রকাশ ঃ ঊনচত্বাৰিংশৎ বছৰ, প্রথম সংখ্যা, এপ্রিল, মে', জুন, ১৯৮৮ চন)*
৭) বিপিন চেতিয়া	'নামঘোষাৰ ঈশ্বৰতত্ত্ব' *(প্রকাশ ঃ দ্বাচত্বাৰিংশৎ বছৰ, দ্বিতীয় সংখ্যা, নৱেম্বৰ, ১৯৮৬ চন)*
৮) গহন চন্দ্র মহন্ত	'বৰগীতৰ ভাব, ভাষা আৰু সৌন্দর্য' *(প্রকাশ ঃ অষ্টচত্বাৰিংশ বছৰ, দ্বিতীয় সংখ্যা, জুলাই, ছেপ্টেম্বৰ, ১৯৯২ চন)*
৯) ইন্দিৰা শইকীয়া বৰা	'ভক্তি-ৰত্নাৱলীৰ অনুবাদ ৰীতি'
নবীন চন্দ্র শর্মা	'মহাপ্রস্থানিক গীত নামঘোষা মহাগ্রন্থ'
দ্বিজেন্দ্রনাথ ভকত	'নামঘোষাত শংকৰ স্মৃতি'
ৰামচন্দ্র ডেকা	'মাধৱদেৱৰ নাট - ঝুমুৰা ঃ বিতর্ক আৰু সিদ্ধান্ত' *(প্রকাশ ঃ ৬১ তম বছৰ, প্রথম সংখ্যা, আগষ্ট, ২০০৫ চন)*

২.২ মাধৱদেৱ বিষয়ক চর্চাৰ বিশ্লেষণাত্মক অধ্যয়ন ঃ

অসম সাহিত্য সভা পত্রিকা-ত প্রকাশিত মাধৱদেৱ বিষয়ক ৰচনাই পোনপ্রথমে মাধৱদেৱক নামঘৰ-মণিকূটৰপৰা সভক্তিৰে উলিয়াই আনি সর্বসাধাৰণ অসমীয়া মানুহৰ মাজত নতুনকৈ পৰিচয় কৰি দিলে। ইয়াৰ আগলৈকে শংকৰদেৱ-মাধৱদেৱৰ ৰচিত শাস্ত্রসমূহ নামঘৰ-মণিকূট, সত্র আৰু ব্যক্তিবিশেষৰ গৃহতে আবদ্ধ হৈ আছিল। পত্রিকাত প্রকাশিত ৰচনাই মাধৱদেৱ ৰচিত সাহিত্যৰ আলোচনা কৰি ইবিলাকত কি গুৰুত্ব আৰু সমসাময়িক প্রাসংগিকতা আছে সেই কথা সহজ-সৰল ভাষাত বহলকৈ অসমীয়া সমাজত প্রচাৰ কৰি দিলে। অসমৰ বৌদ্ধিক আৰু সামাজিক প্রেক্ষাপটত মাধৱদেৱক এগৰাকী সমাজ সংস্কাৰক আৰু অসমীয়া জাতিৰ অন্যতম প্রাণ প্রতিষ্ঠাতা স্বৰূপে বিদ্যায়তনিকভাৱে প্রকাশ কৰাত *অসম সাহিত্য সভা পত্রিকা*-ই বিশেষ ভূমিকা গ্রহণ কৰিছে। মধ্যযুগীয় শংকৰ-মাধৱদেৱসৃষ্ট সাহিত্যৰ উচিত মূল্যায়ন কৰি এই সাহিত্য যে অসমীয়া সাহিত্যৰ সোণালী

সৌধ এই কথা প্ৰতিপাদনতো পত্ৰিকাৰ ভূমিকা অনস্বিকাৰ্য্য। বিষয়টো এনেধৰণে আলোচনা কৰা হ'ল—

২.২.১ মাধৱদেৱক নৱ আৰিস্কাৰ আৰু জাতীয় জীৱনত প্ৰতিষ্ঠা ঃ

লোকনাথ ভঁৰালীয়ে 'মাধৱদেৱৰ নাটক ঃ এখন হিন্দী গ্ৰন্থ' শীৰ্ষক প্ৰবন্ধত মাধৱদেৱক ব্যতিক্ৰম ৰূপত উপস্থাপন কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ ৰীডাৰ ডঁ কৃষ্ণনাৰায়ণ প্ৰসাদে মাধৱদেৱৰ নাটকৰ বিষয়ে *মাধৱদেৱৰ নাটক* শীৰ্ষক গ্ৰন্থত বিস্তৃত অধ্যয়ন আগবঢ়াইছে আৰু নাটসমূহ দেৱনাগৰী লিপিলৈ লিপ্যন্তৰণ কৰা হৈছে। লেখক ভঁৰালীয়ে তেওঁৰ প্ৰবন্ধত গ্ৰন্থখনত থকা ভুলবোৰ দেখুৱাই উপযুক্ত সমালোচনা কৰিছে। তেওঁ অতি সচেতনতাৰে আন ভাষাত মাধৱদেৱ চৰ্চাৰ বিকৃত ৰূপটোক তুলি ধৰি মাধৱদেৱৰ স্বকীয়তাক অধ্যয়ন কৰিছে। তেখেতৰ মত,

> *'মাধৱদেৱৰ নাটক' নামৰ গ্ৰন্থখনক পুৰস্কৃত কৰি এক ভুল উছাহক আগ ঠাই দিয়া হৈছে। এই গ্ৰন্থত তেৰাৰ নখন অঙ্কীয়া নাটৰ পৰিচয় দি সেইবোৰৰ দেৱনাগৰী লিপ্যন্তৰ কৰা হৈছে। এই কাৰ্য সাধাৰণ দৃষ্টিত দোষণীয় হোৱা নাই। কিন্তু এই কাৰ্যত যি নিৰপেক্ষতা আৰু নিৰ্লিপ্ততাৰ প্ৰয়োজন আছিল— তাক গ্ৰন্থখনত ৰক্ষা কৰা হোৱা নাই। এনে কৰিবৰ কাৰণে লেখকৰ বহু সুবিধা আছিল। সেই সুবিধা গ্ৰহণ নকৰিলে। কিন্তু তেওঁ বৰং নিজৰ একাঙ্গী দৃষ্টিকোণ, অনুদাৰ ভাবনা আৰু আত্মম্ভৰী মনোভাবৰ দ্বাৰা এই নাটসমূহক এক বিশেষ গোষ্ঠীভুক্ত সামগ্ৰী বুলি কবলৈ পাৰেমানে চেষ্টা কৰিলে।*[৪]

গহন চন্দ্ৰ মহন্তৰ 'ৰগীতৰ ভাব, ভাষা আৰু সৌন্দৰ্য', কেশদা মহন্তৰ 'মাধৱদেৱৰ 'আদিকাণ্ড' আৰু কৃত্তিবাসী ৰামায়ণত বালক ৰাম আৰু গুহচণ্ডালৰ মিত্ৰতা' আদি এনে বিষয়ক প্ৰবন্ধ।

২.২.২ অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ ব্যাখ্যা ঃ

বিপিন চেতিয়াৰ 'নামঘোষাৰ ঈশ্বৰতত্ত্ব' শীৰ্ষক প্ৰবন্ধত ভাৰতীয় দৰ্শনৰ নাস্তিক আৰু আস্তিক, এই দুটা ভাগক আধাৰ হিচাপে লৈ *নামঘোষা*-ত অদ্বৈতবাদ— এই সম্পৰ্কে বিস্তৃতভাৱে আলোচনা আগবঢ়াইছে। লেখকে ইয়াত মাধৱদেৱৰ ঈশ্বৰ 'অব্যক্ত'ৰ পোষকতা কৰি নিৰ্গুণ ব্ৰহ্মাক *নামঘোষা*-ৰ ঘোষাৰ বিশেষ উল্লিখনসহ অধ্যয়ন কৰিছে।

> *পুৰুষ আৰু প্ৰকৃতি সাংখ্য মতে বিপৰীতধৰ্মী। পুৰুষ চৈতন্য কিন্তু ক্ৰিয়াহীন। প্ৰকৃতি জড় কিন্তু ক্ৰিয়াশীল। এই দুই বিপৰীত ধৰ্মৰ সত্ত্বাৰ মিলনত সৃষ্টি কেনেকৈ সম্ভৱ হ'ব পাৰে? নিৰীশ্বৰ সাংখ্য দৰ্শনৰ মতে এই মিলন সান্নিধ্যৰ বাবে হয়। কিন্তু এই ব্যাখ্যা তাত্ত্বিক দিশৰ পৰা গ্ৰহণযোগ্য নহয়। সেয়ে এই দ্বৈতবাদী দৰ্শনৰ ওপৰত অদ্বৈতবাদী ব্যাখ্যা—*
>
> *প্ৰকৃতি পুৰুষ দুইবো নিয়ন্তা মাধৱ।*
> *সমস্তৰে আত্মা হৰি পৰম বান্ধৱ ।।...*[৫]

ডিম্বেশ্বৰ নেওগে 'মহাপুৰুষ শ্ৰীমাধৱদেৱৰ ধৰ্মমত' শীৰ্ষক ৰচনাত ভাৰতীয় বেদান্ত দৰ্শন অনুসৰি মাধৱদেৱৰ সাহিত্যিক দৰ্শনৰ ব্যাখ্যা আগবঢ়াইছে। লেখকে ইয়াত মাধৱদেৱৰ ধৰ্মীয় বাণীত *শ্ৰীমদ্ভাগৱত*-ৰ শিশু কৃষ্ণৰ চৰিত্ৰ চিত্ৰণ, বাৎসল্য ভাব, দাস্য ভাব-আদিৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ 'বৈষ্ণৱ আন্দোলন' শীৰ্ষক প্ৰবন্ধত সৰ্বভাৰত আৰু অসমৰ প্ৰেক্ষাপটত শংকৰ-মাধৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্মৰ ভূমিকা সম্পৰ্কে অধ্যয়ন কৰা হৈছে।

২.২.৩ মাধৱদেৱসৃষ্ট ভাষা-সাহিত্যৰ মূল্যায়ন ঃ

মাধৱদেৱৰ সাহিত্যসমূহৰ ভিতৰত *নামঘোষা, ভক্তি-ৰত্নাৱলী* আৰু নাট বা ঝুমুৰাসমূহৰ বিস্তৃত আলোচনা হৈছে। ৰগীতসমূহ মূলতে সাংগীতিক দিশৰ লগত জড়িত হ'লেও ইয়াৰ কবিত্ব গুণৰ প্ৰতি লক্ষ্য ৰাখি কৰা সাহিত্যিক আলোচনাও বহু পৰিমাণে হৈছে। এইসমূহৰ কাব্যিক সৌন্দৰ্য্য, কবিত্ব গুণ, অলংকাৰ, ৰস, ছন্দ ইত্যাদি পৰম্পৰাগত সাহিত্য সমালোচনাৰ দৃষ্টিভংগীকে চেৰাই গৈ বহুতে *নামঘোষা*-ৰ মাজত শ্ৰেষ্ঠ আধুনিক কবিতাৰ

****

লক্ষণ বিচাৰি পোৱাটো বিশেষ মন কৰিবলগীয়া।

২.২.৩.১ ভাষা ঃ

গহন চন্দ্র মহন্তই 'বৰগীতৰ ভাব, ভাষা আৰু সৌন্দর্য' শীর্ষক প্রবন্ধত ভাষাতত্ত্ব আৰু নন্দনতত্ত্বৰ আধাৰত মাধৱদেৱৰ বৰগীতসমূহৰ ভাব-ভাষাৰ বিষয়ে অধ্যয়ন কৰিছে। তাৰোপৰি লেখকে ইয়াত বৰগীতৰ ৰস, ধ্বনি, অলংকাৰ, আদিৰ বিষয়ে আলোকপাত কৰিছে,

মহাপুৰুষ দুগৰাকীৰ ৰচিত এই বৰগীতবোৰৰ ভাষা আৰু বাণীভঙ্গিমা মনকৰিবলগীয়া।... শঙ্কৰ-মাধৱৰ অন্তৰত কৃষ্ণভক্তিৰ যি প্লাবন নামিছিল, সেই প্লাৱনধাৰাৰ ফলতেই বৰগীতৰ সৃষ্টি হৈছিল। সেয়েহে বৰগীতৰ অনুভূতিৰ নিবিড়তাই আমাৰ আটাইকে মুগ্ধ কৰে। অলংকাৰৰ প্রাচুর্য আৰু ছন্দৰ ঝংকাৰে বক্তব্য বিষয় স্পষ্টভাৱে পৰিস্ফুট কৰি এটি বিস্ময়বোধ জগাই তোলে।... উপমা, ৰূপক, শ্লেষ, অনুপ্রাস, সাদৃশ্য, অতিশয়য়োক্তি আৰু অন্যান্য অলংকাৰে বৰগীতক সৌন্দর্যশালী আৰু ঐশ্বর্যশালী কৰি তুলিছে। অনুপ্রাস অলংকাৰৰো প্রচুৰ প্রয়োগ ঘটিছে। এনে এক অনুপ্রাসপূর্ণ অলংকাৰ বিশিষ্টযুক্ত বৰগীতৰ উদাহৰণ হ'ল— "শেষ শয়নশিৰ, কেলি বিনাশন, পীতবসন অবিনাশী। জগতবন্ধু বিধু মাধৱ মধু ৰিপু মধৱ মুৰুতি মুৰনাশী ।।"

সেইদৰে অনুপ্রাসযুক্ত অলংকাৰৰে পৰিপূর্ণ আন এটি বৰগীতৰ নিদর্শন হ'ল—

"নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সেহি জন্মে জীৱৰ জনম দূৰ কৰা ।।" (মাধৱদেৱ)[৬]

২.২.৩.২ অনুবাদ-তত্ত্ব ঃ

ইন্দিৰা শইকীয়া বৰাই 'ভক্তি-ৰত্নাৱলীৰ অনুবাদ ৰীতি' শীর্ষক প্রবন্ধত মাধৱদেৱৰ অনুবাদ প্রতিভাৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে এনেদৰে, *"... মাধৱদেৱৰ 'ভক্তি-ৰত্নাৱলী'ত মৌলিক-অনুবাদৰীতি আৰু স্বকীয় বৈশিষ্ট্য, বিদ্যমান। অনুবাদক তিনিটা ভাগত ভগোৱা হয়— (১) অৱিকল অনুবাদ বা আক্ষৰিক অনুবাদ, (২) ভাবানুবাদ আৰু (৩) ব্যাখ্যাত্মক অনুবাদ। মহাপুৰুষ মাধৱদেৱে তেওঁৰ 'ভক্তি ৰত্নাৱলী'ত দ্বিতীয় প্রকাৰ অর্থাৎ ভাবানুবাদ ৰীতি গ্রহণ কৰিছে। মূলৰ প্রতিটো শব্দৰ অনুবাদত গুৰুত্ব নাৰাখি তাৰ ভাবটো ঠিকমতে প্রকাশ কৰাতহে প্রাধান্য দিছে।*

'ভক্তি-ৰত্নাৱলী' (মূল) শাস্ত্রখনো সংস্কৃত শাস্ত্রৰ ভাঙনি। মিথিলাৰ তিৰহুত জিলাৰ বিষ্ণুপুৰী সন্যাসী নামৰ ৰৈষ্ণৱসমাজৰ এক উজ্জ্বল নক্ষত্রস্বৰূপ পৰম ভক্তই সংস্কৃত শ্রীমদ্ভাগৱতৰ পৰা তিনিশ সাতানব্বৈ (৩৯৭) যোকা শ্লোক বাচি লৈ তাত স্বৰচিত দহ যোকা (১০) আৰু ভক্তি সুধোদয়ৰ পৰা দুযোকা (২) শ্লোক যোগ দি শাস্ত্রখন সঙ্কলন কৰে।"[৭]

২.২.৩.৩ সাংস্কৃতিক অধ্যয়ন ঃ

নবীন চন্দ্র শর্মা, 'মহাপ্রস্থানিক গীত নামঘোষা মহাগ্রন্থ' ঃ লেখক শর্মাই শীর্ষক ৰচনাত মাধৱদেৱ সৃষ্ট *নামঘোষা*-ক এখন মহাগ্রন্থ হিচাপে বিচাৰ কৰিছে। *নামঘোষা এখনি যে উত্তম গ্রন্থ সেই কথা স্বয়ং মাধৱদেৱেই অনুভৱ কৰিব পাৰিছিল আৰু সেই কাৰণেই তেওঁ তেওঁৰ ভক্তসকলক এইদৰে কৈছিল—*

শংকৰদেৱৰ হস্তে যিবা খানি পাইলো।
ইটো ঘোষা গ্রন্থত তাহাংক নিবন্ধিলো।।
শাস্ত্র বিচাৰিয়া মই যিবা খিনি পাইলো।
সি সৱ সকলো কথা ঘোষাত বান্ধিলো।।[৮]

২.২.৪ মাধৱদেৱৰ ৰচনাত ধ্বনিত বিশ্বজনীন ভাৱাদর্শৰ অধ্যয়ন ঃ

কেশদা মহন্তৰ 'মাধৱদেৱৰ 'আদিকাণ্ড' আৰু কৃত্তিবাসী ৰামায়ণত বালক ৰাম আৰু গুহচণ্ডালৰ মিত্রতা', নবীন চন্দ্র শর্মাৰ 'মহাপ্রস্থানিক গীত নামঘোষা মহাগ্রন্থ', ডিম্বেশ্বৰ নেওগৰ 'মহাপুৰুষ শ্রীমাধৱদেৱৰ ধর্মমত' আদি ৰচনাত মাধৱদেৱসৃষ্ট সাহিত্যৰ বিশ্বজনীন আদর্শক অধ্যয়ন কৰিছে।

****

২.২.৫ তত্ত্ব আৰু দৰ্শন বিচাৰ ঃ

২.২.৫.১ গুৰুতত্ত্ব

মাধৱদেৱে নিজৰ গুৰু শংকৰদেৱৰ কথা *নামঘোষা*-ৰ বহু ঠাইত কৈছে। এই সকলো কথা বিচাৰ কৰি চালে মহাপুৰুষীয়া ধৰ্মৰ গুৰুতত্ত্বসম্পৰ্কীয় কিছুমান বিশেষ ইংগিত পোৱা যায়। বাপচন্দ্ৰ মহন্তই 'মাধৱদেৱৰ নামঘোষাত শংকৰদেৱ আৰু গুৰুতত্ত্ব' শীৰ্ষক দুটা খণ্ডৰ দীঘল ৰচনাত অসমৰ নৱবৈষ্ণৱ ধৰ্মত গুৰুৰ গুৰুত্বৰ লগতে ইয়াৰ যে এক তাত্ত্বিক ভিত্তি আছে, সেইকথা গভীৰ অধ্যয়ন আৰু যুক্তি সহকাৰে বিশ্লেষণ কৰিছে। মাধৱদেৱে নিজ গুৰু শংকৰদেৱক অতি গৌৰৱেৰে প্ৰশংসা আৰু কৃতজ্ঞতা প্ৰকাশ কৰাত ক'তো সুৰোঙা ৰখা নাই। আন বৈষ্ণৱ সকলো এই ক্ষেত্ৰত ক'বলৈগ'লে এক কথাত গুৰুমুখী। 'গুৰু-চৰিত'সমূহ ইয়াৰ উৎকৃষ্ট নিদৰ্শন। এই কথা অতি সহজে অনুমেয়; কিন্তু গুৰুৰ প্ৰতি থকা বৈষ্ণৱসকলৰ আদৰ মনোভাব আৰু মহাপুৰুষীয়া ধৰ্মত ইয়াৰ ভূমিকা যে ধৰ্মীয় দৰ্শন হ'ব পাৰে, সেই কথাক অতি সচেতনতাৰে লেখক মহন্তই এই ৰচনাত প্ৰতিষ্ঠা কৰিছে। দ্বিজেন্দ্ৰনাথ ভকতৰ 'নামঘোষাত শংকৰ স্মৃতি' এনে বিষয়ক ৰচনা।

২.২.৬ বিতর্ক আৰু সিদ্ধান্ত ঃ

প্ৰাচীনযুগৰ ভাষা-সাহিত্যৰ বিতর্ক থকাটো একধৰণৰ স্বাভাৱিক আৰু সাধাৰণ অর্থত এক প্ৰৱাহমান ধাৰা। মাধৱদেৱে ৰচনা কৰা নাট বা ঝুমুৰাক লৈও বিতর্ক আছে। নাটৰ ভাষা, নাট নে ঝুমুৰা আৰু আন কোনোজনৰ মতে যাত্ৰা ইত্যাদি। ৰামচন্দ্ৰ ডেকাই 'মাধৱদেৱৰ নাট - ঝুমুৰা ঃ বিতর্ক আৰু সিদ্ধান্ত' শীৰ্ষক ৰচনাত এনে কিছুমান বিতর্কৰ অৱধাৰণা কৰি ইয়াৰ সুদোত্তৰ দিবলৈ প্ৰয়াস কৰিছে। মূলঃত প্ৰবন্ধটোৰ মূল বিষয় 'মাধৱদেৱৰ নাট'। *ব্ৰহ্মামোহন' ঝুমুৰা মাধৱদেৱৰ ৰচনা ঃ (১) প্ৰথম কথা ব্ৰহ্মামোহন' ঝুমুৰাৰ ভাব-ভাষা মাধৱদেৱৰ শৈলীৰ বহুত ওচৰচপা, যাৰবাবে এই ঝুমুৰাখনি মাধৱদেৱৰ ৰচনা বুলি নিশ্চিত হ'ব পাৰি। (২) মাধৱদেৱৰ নাট ৰচনাৰ ক্ৰম অনুসৰিও এই ঝুমুৰাখনি ষষ্ঠ স্থানত স্থাপন কৰিব পাৰি। (৩) নাট ৰচনাৰ ক্ৰম অনুসৰি 'ভোজন-বিহাৰ' মাধৱদেৱৰ পঞ্চম নাট। কিন্তু 'ভোজন-বিহাৰ' ঝুমুৰাখনিৰ ৰচনাৰ সময়, বিভিন্ন তথ্যৰ ওপৰত ভিত্তি কৰি ১৫৮৬ খ্ৰীষ্টাব্দৰ পৰা ১৫৯০ খ্ৰীষ্টাব্দৰ ভিতৰত বুলি নিৰূপণ কৰা হৈছে। ঠিক এই সময়তে মাধৱদেৱ ৰাজৰোষত পৰি বৰপেটাৰ পৰা কোঁচবিহাৰলৈ যাবলগীয়া হৈছিল। এই কাৰণতেই 'ভোজন-বিহাৰ' ঝুমুৰাখনি আংশিকভাবে অসম্পূৰ্ণ হৈ ৰ'ল বুলি সত্যেন্দ্ৰ নাথ শর্মাই উল্লেখ কৰিছে। পিছত 'ব্ৰহ্মামোহন ৰচনা কৰি ভোজন বিহাৰ'ৰ বিষয়বস্তুক পূৰ্ণতা প্ৰদান কৰিছে।...*[৯]

এনেদৰে লেখকে ইয়াত যুক্তিৰে কিছুমান সিদ্ধান্ত দিবলৈ প্ৰয়াস কৰিছে।

২.২.৭ তুলনামূলক অধ্যয়ন ঃ

সময়ে সময়ে মধ্যযুগীয় দুজন বৈষ্ণৱ সাহিত্যিক শংকৰদেৱ আৰু মাধৱদেৱৰ ভাৰত তথা ইউৰোপৰ পণ্ডিত সমাজৰ মাজত তুলনামূলক অধ্যয়ন হৈ আহিছে। কেশদা মহন্তই তেওঁৰ ৰচনা 'মাধৱদেৱৰ 'আদিকাণ্ড' আৰু কৃত্তিবাসী ৰামায়ণত বালক ৰাম আৰু গুহচণ্ডালৰ মিত্ৰতা'ত কৃত্তিবাসী *ৰামায়ণ*-ৰ লগত মাধৱদেৱৰ 'আদিকাণ্ড' *ৰামায়ণ*-ৰ তুলনামূলক অধ্যয়ন কৰিছে।

২.২.৮ গৱেষণামূলক পদ্ধতিৰে মাধৱদেৱ অধ্যয়ন ঃ

অসম সাহিত্য সভা পত্ৰিকা-ত প্ৰকাশিত মাধৱদেৱ বিষয়ক চর্চাৰ অন্যতম বিশেষত্বটোৱেই হ'ল— বিদ্যায়তনিকভাৱে অধ্যয়ন। নির্বাচিত ৰচনাৰ প্ৰায়বোৰেই গৱেষণামূলক পদ্ধতিৰ সহায়ত কৰা অধ্যয়ন। বর্ণনাত্মক, সমীক্ষাত্মক আৰু বিশ্লেষণাত্মক— এই কেওটা পদ্ধতিৰ সহায়ত আলোচনা কৰিছে। সহায়ক গ্ৰন্থপঞ্জী উল্লিখনৰ ক্ষেত্ৰটো পদ্ধতিৰ ওচৰ চাপিছে। প্ৰতিজন লেখকেই টীকা প্ৰস্তুত কৰি বিষয়ক অনন্য মাত্ৰা প্ৰদান কৰিছে। মাধৱদেৱ বিষয়ক অধ্যয়নসমূহে নির্দিষ্ট গতি আৰু শৃংখলা লাভ কৰাত গৱেষণামূলক পদ্ধতিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

৩.০ উপসংহাৰ ঃ

মাধৱদেৱ অসমীয়াৰ চেতনাত শিপাই থকা এক জাতীয় সত্তা। বহুমুখী প্রতিভাৰ অধিকাৰী মাধৱদেৱৰ বিশাল চিন্তা আৰু কর্ম অধ্যয়নৰ আকাৰ। যুগে যুগে এই অধ্যয়নে ন ন ৰূপত বাট কাটিছে। ভিন্নজনে নিজস্ব দৃষ্টিভংগীৰে মাধৱদেৱৰ ধর্ম, দর্শন, সাহিত্য, সংস্কৃতি, সমাজ তথা জীৱনবোধ সম্পর্কে অধ্যয়ন কৰিছে। এই চর্চাই মাধৱদেৱ অধ্যয়ন বিষয়টিক সমৃদ্ধ কৰিছে আৰু এই বহুমাত্রিক অধ্যয়নত ন ন দিশ উন্মোচিত হৈছে। পূর্বৰ অধ্যায়সমূহৰ বিভিন্ন প্রসংগৰ আলোচনাৰ মাজেদি প্রকাশিত হৈছে যে মাধৱদেৱৰ অৱদানে অসমৰ সাংস্কৃতিক ইতিহাস সমৃদ্ধ কৰাই নহয়, বেজবৰুৱাই কোৱাৰ দৰে অসমীয়াক এটা জাতীয় পৰিচয় দিলে।

৩.১ সামগ্রিক সিদ্ধান্ত ঃ

অসম সাহিত্য সভা পত্রিকাত মাধৱদেৱ চর্চা ঃ এক অধ্যয়ন— শীর্ষক গৱেষণা-কর্মত প্রাপ্ত সামগ্রিক সিদ্ধান্তসমূহ তলত উল্লেখ কৰা হ'ল—

ক) নির্বাচিত ৰচনাৰ মাজত মাধৱদেৱৰ উদাৰ সমাজ-সংস্কাৰী জাতীয় চেতনাক উন্মোচন কৰাৰ প্রয়াস পৰিলক্ষিত হ'ল।

খ) তুলনামূলক পদ্ধতিৰ সহায়ত সর্বভাৰতীয় ভক্তি আন্দোলনৰ বহুকেইজন ব্যক্তিৰ আদর্শৰ প্রেক্ষাপটত মাধৱদেৱক অধ্যয়ন কৰা হৈছে।

গ) মাধৱদেৱৰ জীৱন, কর্মৰাজিৰ মূল্যায়ণৰ দিশত প্রায় সকলো লেখকে সেই সময়ৰ ঐতিহাসিক পটভূমিক আধাৰ কৰি লৈছে। ইতিহাস সমর্থিত নোহোৱা কোনো কথাৰে গ্রহণযোগ্যতা থাকিব নোৱাৰে। এই দিশটোৰ প্রতি সকলো আলোচকে সজাগ দৃষ্টি ৰাখিছে।

ঘ) নন্দনতাত্ত্বিক দৃষ্টিত মাধৱদেৱসৃষ্ট সাহিত্যৰ মূল্যায়ন— অধ্যয়নৰ এক বিদ্যায়তনিক গুৰুত্ব।

ঙ) গৱেষণামূলক পদ্ধতিৰ সহায়ত দর্শন-তত্ত্বৰ আধাৰত মাধৱদেৱৰ ভাষা-সাহিত্য আৰু সাংস্কৃতিক পৰিক্রমাক ঐতিহাসিক দৃষ্টিৰে মূল্যায়ন।

চ) বিশ্বৰ মানসপটত মাধৱদেৱক প্রতিষ্ঠা কৰাৰ আন্তৰিক প্রচেষ্টা অধ্যয়নৰ মাজত পৰিলক্ষিত হৈছে।

প্রসংগ টীকা ঃ

[১] বৰুৱা, চন্দ্রধৰ। 'সম্পাদকৰ নিবেদন', *অসম সাহিত্য সভা পত্রিকা*, প্রথম বছৰ, প্রথম সংখ্যা, আহিন-আঘোণ, ১৮৪৮-৪৯ শক, ১।

[২] উল্লিখিত, ২।

[৩] গোস্বামী, যতীন্দ্রনাথ। 'অসম সাহিত্য সভা পত্রিকাৰ নতুন ৰূপ', *অসম সাহিত্য সভা পত্রিকা*, ত্রিংশ বছৰ, প্রথম সংখ্যা, বহাগ, ১৮৯৫ শক, ৫৬।

[৪] ভঁৰালী, লোকনাথ। 'মাধৱদেৱৰ নাটক ঃ এখন হিন্দী গ্রন্থ', উল্লিখিত, পঞ্চত্রিংশ বছৰ, তৃতীয় সংখ্যা, চেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ, ১৯৭৮ চন, ৬৩।

[৫] চেতীয়া, বিপিন। 'নামঘোষাৰ ঈশ্বৰতত্ত্ব', উল্লিখিত, দ্বাচত্বাৰিংশৎ বছৰ, দ্বিতীয় সংখ্যা, নৱেম্বৰ, ১৯৮৬ চন, ৭৩।

[৬] মহন্ত, গহন চন্দ্র। 'ৰগীতৰ ভাব, ভাষা আৰু সৌন্দর্য', উল্লিখিত, অষ্টচত্বাৰিংশ বছৰ, দ্বিতীয় সংখ্যা, জুলাই, ছেপ্টেম্বৰ, ১৯৯২ চন, ২৬।

[৭] বৰা, ইন্দিৰা শইকীয়া। 'ভক্তি-ৰত্নাৱলীৰ অনুবাদ ৰীতি', উল্লিখিত, একষষ্টিতম বছৰ, প্রথম সংখ্যা, আগষ্ট, ২০০৫ চন, ২০।

[৮] শর্মা, নবীন চন্দ্র। 'মহাপ্রস্থানিক গীত নামঘোষা মহাগ্রন্থ', উল্লিখিত, একষষ্টিতম বছৰ, প্রথম সংখ্যা, আগষ্ট, ২০০৫ চন, ৫৪।

****

[৯] ডেকা, ৰামচন্দ্ৰ। 'মাধৱদেৱৰ নাট - ঝুমুৰা ঃ বিতর্ক আৰু সিদ্ধান্ত', উল্লিখিত, একষষ্টিতম বছৰ, প্ৰথম সংখ্যা, আগষ্ট, ২০০৫ চন, ৬৯।

সহায়ক গ্ৰন্থপঞ্জী ঃ

মুখ্য উৎস ঃ

পাঠক, পূৰ্ণানন্দ শৰ্মা (সম্পা.)। *অসম সাহিত্য সভা পত্ৰিকা*(পঞ্চম বছৰ— প্ৰথম সংখ্যা)। অসম সাহিত্য সভা, ১৮৫২-৫৩ শক।

শৰ্মা, হেমন্তকুমাৰ (সম্পা.)। উল্লিখিত (ত্ৰিংশ বছৰ— প্ৰথম সংখ্যা)। অসম সাহিত্য সভা, ১৮৯৫ শক।

শৰ্মা, হেমন্তকুমাৰ (সম্পা.)। উল্লিখিত (ত্ৰিংশ বছৰ— পঞ্চম সংখ্যা)। অসম সাহিত্য সভা, ১৮৯৫ শক।

শৰ্মা, হেমন্তকুমাৰ (সম্পা.)। উল্লিখিত (ত্ৰিংশ বছৰ— ষষ্ঠ সংখ্যা)। অসম সাহিত্য সভা, ১৮৯৫ শক।

ভূঞা, যোগেন্দ্ৰনাৰায়ণ (সম্পা.)। উল্লিখিত (পঞ্চত্ৰিংশ বছৰ— তৃতীয় সংখ্যা)। অসম সাহিত্য সভা, ১৯৭৮ চন।

পাদুন, নাহেন্দ্ৰ (সম্পা.)। উল্লিখিত (ঊনচত্বাৰিংশৎ বছৰ— প্ৰথম সংখ্যা)। অসম সাহিত্য সভা, ১৯৮২ চন।

বৰুৱা, প্ৰহলাদ কুমাৰ (সম্পা.)। উল্লিখিত (দ্বাচত্বাৰিংশৎ বছৰ— দ্বিতীয় সংখ্যা)। অসম সাহিত্য সভা, ১৯৮৬ চন।

পাঠক, দয়ানন্দ (সম্পা.)। উল্লিখিত (অষ্টচত্বাৰিংশ বছৰ— দ্বিতীয় সংখ্যা)। অসম সাহিত্য সভা, ১৯৯২ চন।

পাটগিৰি, দীপ্তি ফুকন (সম্পা.)। উল্লিখিত (একষষ্টিতম বছৰ— প্ৰথম সংখ্যা)। অসম সাহিত্য সভা, ২০০৫ চন।

গৌণ উৎস ঃ

গ্ৰন্থ ঃ

গোস্বামী, যতীন্দ্ৰনাথ (সম্পা.)। *শৰৎচন্দ্ৰ গোস্বামী ৰচনাৱলী*। অসম সাহিত্য সভা, ১৯৮৭।

গোস্বামী, বসন্ত কুমাৰ। *অসম সাহিত্য সভাৰ ইতিহাস ১৯১৭-৫০ প্ৰথম খণ্ড*। অসম সাহিত্য সভা, ২০১৮।

— *অসম সাহিত্য সভাৰ ইতিহাস ১৯৫৩-৭৬ দ্বিতীয় খণ্ড*। অসম সাহিত্য সভা, ২০১৮।

চলিহা, ভৱপ্ৰসাদ (সম্পা.)। *মাধৱদেৱৰ সাহিত্য*। শ্ৰীমন্ত শংকৰদেৱ সংঘ, ২০০০।

চৌধুৰী, গনপদ, নমিতা ডেকা, দেৱজিৎ ডেকা (সম্পা.)। *অসম সাহিত্য সভাৰ সভাপতিসকলৰ ভাষণাৱলী (২০০৭-২০২০ খ্ৰীষ্টাব্দলৈকে*। অসম সাহিত্য সভা, ২০২২।

দেৱী, ইন্দু প্ৰভা, গীতাশ্ৰী তামুলী (সম্পা.)। *অসম সাহিত্য সভা মনন আৰু মন্থন*। অসম সাহিত্য সভা, ২০১৬।

ফুকন, তীৰ্থ (সম্পা.)। *অসম সাহিত্য সভাৰ সভাপতিসকল*। অসম সাহিত্য সভা, ১৯৮৮।

বেজবৰুৱা, লক্ষ্মীনাথ। *শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ*। বনলতা, ১৯১৪।

পত্ৰিকা ঃ

বৰুৱা, চন্দ্ৰধৰ। "সম্পাদকৰ নিবেদন"। *অসম সাহিত্য সভা পত্ৰিকা*, সম্পা. চন্দ্ৰধৰ, বৰুৱা। প্ৰথম বছৰ, প্ৰথম সংখ্যা, অসম সাহিত্য সভা, আহিন-আঘোণ, ১৮৪৮-৪৯ শক, ১।

গোস্বামী, যতীন্দ্ৰনাথ। "অসম সাহিত্য সভা পত্ৰিকাৰ নতুন ৰূপ"। উল্লিখিত, সম্পা. হেমন্তকুমাৰ, শৰ্মা। ত্ৰিংশ বছৰ, প্ৰথম সংখ্যা, অসম সাহিত্য সভা, বহাগ, ১৮৯৫ শক, ৫৫।

স্মৃতিগ্ৰন্থ ঃ

দাস, বসন্ত, ছাৰ এৎ হানছে (সম্পা.)। *ৰ'থাতলাংছ'*। অসম সাহিত্য সভাৰ ষষ্ঠ বিশেষ বাৰ্ষিক ৰ'থাতলাংছ' অধিবেশন, অসম সাহিত্য সভা, ২০১০।

বৰা, ৰমানন্দন (সম্পা.)। *চিৰ চেনেহী*। অসম সাহিত্য সভাৰ শতবৰ্ষৰ উদ্বোধনী অনুষ্ঠান, অসম সাহিত্য সভা, ২০১৭।

****

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

আধুনিক অসমীয়া কবিতাত প্রেম

(নীলিম কুমাৰৰ কবিতাৰ বিশেষ উল্লেখেৰে)

নিশামণি দাস, গৱেষক,
অসমীয়া বিভাগ, কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়, ববপেটা

সাৰাংশ

অসমীয়া কাব্য পৰম্পৰাত ভালেসংখ্যক কবিৰ মাজত আপোন শৈলীৰে নিজাকৈ বাট এটা কাটি অসমীয়া কবিতাক অভিনৱত্ব প্রদান কৰাৰ সমান্তৰালভাৱে তৰুণ প্রজন্মৰ কবিকো আকর্ষিত কৰিবলৈ সমর্থ হোৱা কবি নীলিম কুমাৰ এটি চর্চিত নাম। সাম্প্রতিক অসমীয়া কবিতাৰ প্রচলিত ধাৰাটোৰ মাজতে বিষয়, ভাব আৰু আংগিকত পৰিৱর্তন সাধনৰ বাবে ভিন্ন পৰীক্ষা নিৰীক্ষাৰে অসমীয়া কবিতাক নতুন গতি এটা দিবলৈ সচেষ্ট হোৱা নীলিম কুমাৰ অন্যতম। তেওঁৰ কবিতাত আধুনিক জীৱনৰ জটিলতা, মানৱ-মনৰ অনুভূতি, প্রেম, নিঃসংগতা আৰু সময়-সচেতনতা সুন্দৰভাৱে প্রকাশ পাইছে। উক্ত গৱেষণা পত্রখনত নীলিম কুমাৰৰ কবিতাত প্রতিফলিত প্রেমৰ ধাৰণা সম্পর্কে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা হ'ব।

বীজ শব্দ ঃ প্রেম, আধুনিক কবিতা, জীৱন, সাম্প্রতিক

০.১ অৱতৰণিকাঃ

কবিতা মানৱ মনৰ সুকুমাৰ প্রকাশ। কবিতাৰ ৰং ৰূপ বিচিত্র। সাম্প্রতিক অসমীয়া কবিতা মূলতঃ বাস্তৱবাদী সৃষ্টি। সমাজৰ সর্বসাধাৰণজনৰ প্রতি থকা সহমর্মিতা আৰু আত্মীয়তাবোধ সাম্প্রতিক কবিতাৰ মূল বিষয়বস্তু। দিনে দিনে যুগে যুগে কবিতাই নতুন ৰূপ লাভ কৰিছে। যেতিয়া কবিতাই চলি অহা পৰম্পৰাগত ৰূপ সলাই, নতুন ৰূপ ল'বলৈ ধৰে তেতিয়া প্রথমে কবিতা আচহুৱা আৰু দুর্বোধ্য যেন লাগে। সময়ৰ লগে লগে সেই নতুন কবিতাসমূহ এদিন পুৰণি হৈ ন-বিষয় ভাৱেৰে পুনৰ জীৱিত হৈ পৰে। কবি, লেখক সকল সমাজৰে অংগ। তেওঁলোকে কবিতা, গল্প, উপন্যাস যিকোনো সৃষ্টিশীল সাহিত্য ৰচনা কৰিবলৈ বিষয়বস্তুও সমাজৰ পৰাই গ্রহণ কৰে। জীৱন আৰু জগতৰ প্রতি থকা বাস্তৱবাদী দৃষ্টিভংগীৰে সমস্যাবহুল সমাজৰ অন্তর্ভেদী সৌন্দর্য্য আৰু ইয়াৰ বিপৰীতে কদর্যতাভৰা জীৱনমাত্রাক তুলি ধৰাই সাম্প্রতিক কালৰ কবিসকলৰ মূল উদ্দেশ্য।

সাম্প্রতিক অসমীয়া কাব্য সাহিত্যৰ এটা অতি জনপ্রিয় নাম হ'ল - নীলিম কুমাৰ। আধুনিক জীৱনৰ জটিলতাক সৰলতাৰে প্রকাশ কৰি তেওঁ অসমীয়া কবিতাক আধুনিকতাৰ এক নতুন মাত্রা প্রদান কৰাৰ লগতে শব্দ কথনত চমৎকাৰিতা আৰু বুদ্ধিদীপ্ততাৰো পৰিচয় দিছে। সাধাৰণ কথাতেই অসাধাৰণ অনুভূতি প্রদানৰ প্রচেষ্টাই তেওঁৰ কবিতাবোৰক এক বিশেষ মাত্রা প্রদান কৰিছে। লোকজীৱনৰ পৰা বুটলি লোৱা সমল সমূহৰ

****

যথোচিত উপস্থাপনো তেওঁৰ কবিতাৰ লেখত লবলগীয়া বৈশিষ্ট্য।

০.২ অধ্যয়নৰ উদ্দেশ্য ঃ

'আধুনিক অসমীয়া কবিতাত প্ৰেম (নীলিম কুমাৰৰ কবিতাৰ বিশেষ উল্লিখনসহ)' শীৰ্ষক বিষয়টোৰ অধ্যয়নৰ উদ্দেশ্য হ'ল - নীলিম কুমাৰ কবিতাত প্ৰতিফলিত প্ৰেমৰ বিষয়ে আলোচনা কৰা।

০.৩ অধ্যয়নৰ পদ্ধতি আৰু গুৰুত্ব ঃ

বিষয়টো অধ্যয়ন কৰোঁতে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

১.০ মূল আলোচনাঃ-

১.১ নীলিম কুমাৰৰ কবিতাত প্ৰেমঃ-

নীলিম কুমাৰ (. ১৯৬১) সাম্প্ৰতিক অসমীয়া কাব্য সাহিত্যৰ এটা অতি জনপ্ৰিয় নাম। তেওঁৰ দ্বাৰা প্ৰকাশিত কবিতা সংকলন সমূহ হ'ল - অচিনাৰ অসুখ (১৯৮৫), বাৰী কোঁৱৰ (১৯৯০), পানীত টো টোঁবোৰ মাছ (১৯৯০), স্বপ্নৰ বেলগাড়ী (১৯৯২), শেলুৱৈ গধূলি (১৯৯৩), টোপনিৰ বাগিছা (১৯৯৬), ধুনীয়া তিৰোতাবোৰ আৰু অন্যান্য কবিতা (২০০০), জোনাক ভালপোৱা তিৰোতজনী (২০০২), নিমখ আৰু একৈশটা কবিতা (২০০৪), আমাৰ আকাশত চাৰিজনী জোন (২০০৪), নৰকাসুৰ (২০০৫), আত্মগাঁথা(২০০৭), নীলিম কুমাৰৰ নিৰ্বাচিত কবিতা (২০১৫), খালীঘৰ, মই তোমালোকৰ কবি, এদিন তোমাৰ ঘৰলৈ যাম, য'ত তোমাৰ জন্ম হৈছিল (২০০৭), কাইলৈৰ পৰা আপোনাক ভাল পাম (২০০৯)।

নীলিম কুমাৰৰ কবিতাৰ আটাইতকৈ সূক্ষ্ম আৰু স্পৰ্শকাতৰ অনুভূতিটোৱেই হ'ল তেওঁৰ প্ৰেম। তেওঁৰ কবিতাত প্ৰেমানুভূতিৰ লগতে আছে দেহজ প্ৰেমৰ আকুলতা। তেওঁৰ 'স্পৰ্শ' কবিতাত প্ৰেমিকাৰ দেহৰ সৌন্দৰ্য্য, স্পৰ্শৰ মাদকতা আৰু শাৰীৰিক আকৰ্ষণৰ অনুভূতি প্ৰকাশ পাইছে এইদৰে -

"কেঁচা এহালি স্তন আৰু মোৰ দগ্ধ হাত
মোৰ বিষাদে তিয়ায় এই তৰা চৰা দুখনি ওঁঠ
বুদ বুদনিবোৰ বিৰিঙে ছালাত। অতীতৰ ঋতুৰ পৰা
নামি অহা দ্ৰাক্ষাবনৰ ছায়াত মই, উপহাৰ লওঁ
ঘনবদ্ধ আলিংগন।" [১]

তেওঁৰ প্ৰেমৰ কবিতা বিলাক প্ৰেমৰ সংস্কৃতিৰে নিৰ্মিত নহয়, বৰং সংস্কৃতিৰ সৈতে বিৰোধহে সংঘটিত হয় কবিতাত। তেওঁৰ 'ৰাতি' কবিতাটোত প্ৰেমৰ শাৰীৰিক উপলব্ধিৰ প্ৰকাশ ব্যঞ্জিত হৈছে এইদৰে-

"আজি ৰাতিয়েই জোনাকৰ ৰূপালী নদীত নামি
মোৰ শৰীৰে তোমাৰ শৰীৰক
আজি ৰাতিয়েই আকাশীলতা হৈ
মোৰ বাহুৰে তুমি বগাই আহিবা
আজি ৰাতিয়েই মোৰ হাত দুখন
তোমাৰ হাতৰ ধুমুহাত
আজি ৰাতিয়েই মোৰ ওঁঠ উপচি পৰিব
তোমাৰ অমৃত জিভাৰে।" [২]

নীলিম কুমাৰে প্ৰেমক অত্যন্ত কোমল আৰু অনুভূতিময় ৰূপত প্ৰকাশ কৰিছে। তেওঁৰ কবিতাত প্ৰেম মানে হৃদয়ৰ গভীৰ আবেগ, যি নিঃশব্দে মানুহৰ মনত জাগ্ৰত হয় -

"তোমাৰ গানৰ ৰৰষুণ

****

মোৰ উৰুখা চালেৰে নামে
মূৰৰ পৰা ভৰিলৈকে
মই তিতি যাওঁ
উপচি পৰে
মোৰ বুকুৰ বাট-পদূলি
কেৱল মোৰ হৃদয়
পানী কাটি কাটি আহে
আৰু সেউজীয়া এটা পাতৰ তলত
বৈ চাই থাকে
ধাৰাসাৰ তোমাৰ ওঁঠৰ বৰষুণেৰে।" [৩]

কবিয়ে নিজৰ প্রাত্যহিক ব্যস্ত পৰিবেশৰ মাজতে প্রেমৰ অনুভূতিক তেওঁ সুস্থিৰ কৰিবলৈ বিচাৰিছে। ৰোমাণ্টিক প্রেমৰ পৰম্পৰাক কবিয়ে ব্যংগ কৰি কৈছে -

"চুলিখিনি
কাইলৈ জুখিম দীঘল হয়নে সিমান
প্রেমত লাগে যিমান।"[৪]

সোণালী চুলি, দীঘল চুলি, মেঘ বৰণীয়া চুলি আদি প্রেমৰ সাহিত্যত উদ্‌যাপিত হ'লেও প্রেমৰ বাবে চুলিৰ নির্দ্দিষ্ট কোনো জোখ নাই। প্রেমক চুলিৰ জোখেৰে জুখিবলৈ যোৱাটো এক ধৰণৰ ধেমালি। ঠিক একে প্রসংগতে নৱকান্ত বৰুৱাই কৈছিল -

"পাহাৰ ইমান ওখ
ওখ নে মেঘতকৈ
ওখ নে প্রেমতকৈও"[৫]

প্রেমৰ অমৰত্ব আৰু শাৰীৰিক সৌন্দর্যৰ প্রতি কবিয়ে শংকা প্রকাশ কৰিছে। প্রেম হৈছে শাশ্বত, চিৰন্তন। কবিয়ে অনুভৱ কৰিছে মানুহ মুহূর্তৰ পৰা মূহূর্তলৈ জীয়াই থাকে আৰু মানুহে কিবা উদ্‌যাপন কৰে যদিও সেয়া মূহূর্তৰ উদ্‌যাপনেই -

"আজি য'ত দেখিছিলো আপোনাক
দেখিছিলো যিখিনি
থাকিবনে সেইখিনি কাইলৈও।" [৬]

সাহিত্যত বিভিন্ন ধৰণেৰে প্রেমক প্রতাৰণাৰ কাহিনী বিবৃত হৈছে। নীলিম কুমাৰৰ কবিতাত যি নির্লিপ্ত সুৰত আৰু পাতলামিৰে বিবৃত হৈছে, সেই সুৰটো আধুনিক কবিতাত নতুন -

"আহক বহোঁ ফুটপাথতে
গাতে গা লগাই বহোঁ আহক
ঠিক নির্জনতাত আমি যেনেকৈ বহিলোহেঁতেন।"[৭]

কবিয়ে প্রেমিক, প্রেমিকাৰ মিলনৰ আগ্রহক মানুহৰ ব্যস্ততাৰ পৰিস্থিতিৰে ব্যংগ কৰিছে এইদৰে -

"আৰু থাকে যদি ঘড়ীটো
দুখতে শেইট হৈ
কিস্না খঙতে ফাষ্ট

****

মিলাই ল'ৱ আপুনি
মোৰ উপস্থিতিৰ জোখেৰে
কিয়নো সেয়াই প্ৰেমৰ লগ্ন।" [৮]

নীলিম কুমাৰৰ বহু কবিতাত প্ৰেমৰ লগতে বিৰহৰ গভীৰ বেদনাও প্ৰকাশ পাইছে এইদৰে -

"খুলি চাই টোপোলাটো
দেখিলো মোৰ প্ৰেমৰ ফুলদানিটোৰ দৰে
ভাগি আছে তেওঁৰ হৃদয়
ক'ৰ আলহী আহিছিল
ৰাতিৰ ৰেলত তেওঁ ক'লৈ বা গুচি গ'ল।" [৯]

নীলিম কুমাৰ কবিতাত 'নিমখ' এটা শক্তিশালী প্ৰতীক। ইয়াত 'নিমখে' প্ৰেমৰ বাস্তৱ ৰূপটোও দেখুৱাইছে, য'ত কেৱল মিঠা নহয়, দুখ, কষ্ট আৰু তিক্ততাৰো স্থান আছে। কবিয়ে দেখুৱাইছে যে প্ৰেম যদি কোনো সুখৰ হয়, তেন্তেই স্থায়ী নহয় -

"নিমখ খাওঁ বাৰেই
আমাৰ তেজ লুণীয়া
অশ্ৰু লুণীয়া
ঘাম লুণীয়া
আনকি হৃদয়ো
হৃদয়তো দুখৰেই ভঁৰাল
লোণৰেই ভঁৰাল
সেয়েহে হৃদৰোগীয়ে নিমখ খোৱা মানা।"

মনোজ শৰ্মা, (সম্পা), নীলিম কুমাৰৰ শ্ৰেষ্ঠা কবিতা, পৃ. নং ২১৫

কবিয়ে প্ৰেমৰ বাবে কৰিব লগা অপেক্ষাৰ যন্ত্ৰণাৰ সত্য প্ৰকাশ কৰিছে এইদৰে -

"এহালি চকুৰ পৰা এজাক তৰা উৰি গ'ল
আৰু মই তাতেই থাকিলো যত
সেউজীয়াবোৰ আৰু বাঢ়িব নোৱাৰে।
ময়ো মাতিছিলো সেই মাত
ময়ো হেৰুৱাইছিলো মোৰ চকু এজাক তৰাৰ ডেউকতি।"

মনোজ শৰ্মা, (সম্পা), নীলিম কুমাৰৰ শ্ৰেষ্ঠা কবিতা, পৃ. নং ২৩৭

তেওঁৰ কবিতাত প্ৰেমৰ মাজেৰে যৌন অনুভূতি বা শাৰীৰিক আকৰ্ষণৰ প্ৰকাশ দেখা যায় এইদৰে-

"শিলবোৰত
সেন্দূৰ লগালে কোনে
কোনে আঁকি দিলে
শিলবোৰত চকু
কোনে পিন্ধিলে
শিলবোৰেৰে হাত
শিলবোৰত কোনে থৈ গ'ল

****

ভৰপূৰ স্তন।" মনোজ শর্মা, (সম্পা), নীলিম কুমাৰৰ শ্ৰেষ্ঠা কবিতা, পৃ. নং ১৮৫

'নৰকাসুৰ' কবিতাটোত কবিয়ে নৰকাসুৰৰ পোনপটীয়া পৰিচয় দাঙি ধৰিছে 'প্রেমিক নৰকাসুৰ'। কবিতাটোত দুখ, বেদনা আৰু কৰুণাৰ মাজেৰে প্রেমৰ গভীৰতা প্রকাশ পাইছে, যিয়ে গভীৰ আবেগৰ সৃষ্টি কৰিছে এইদৰে -

"য'লৈকে যায় নৰকাসুৰ
হৃদয়ত লৈ যায়
কামাখ্যা
প্রেমিক
নৰকাসুৰ।" মনোজ শর্মা, (সম্পা), নীলিম কুমাৰৰ শ্ৰেষ্ঠা কবিতা, পৃ. ২৪৯

২. সামৰণি ঃ

নীলিম কুমাৰৰ কবিতাত প্রেমে এক গভীৰ নান্দনিক আৰু মানসিক অনুভূতি হিচাপে প্রকাশ পাইছে। তেওঁৰ কবিতাত প্রেম কেৱল আনন্দ বা মিলনৰ অনুভূতি নহয়, বৰং বিৰহ, বেদনা, আকুলতা আৰু আশা-আকাংক্ষাৰো প্রকাশ দেখা যায়। তেওঁৰ কবিতাত মানৱ হৃদয়ৰ সূক্ষ্ম অনুভূতি আৰু জীৱনৰ সৌন্দর্যক প্রেমে গভীৰভাৱে প্রতিফলিত কৰিছে।

প্রসংগসূত্র ঃ

১. শর্মা, মনোজ (সম্পা), নীলিম কুমাৰৰ শ্ৰেষ্ঠা কবিতা, পৃষ্ঠা - ৯৩
২. উল্লিখিত, পৃষ্ঠা - ১০৩
৩. উল্লিখিত, পৃষ্ঠা - ৬৭
৪. উল্লিখিত, পৃষ্ঠা - ২১৫
৫. উল্লিখিত, পৃষ্ঠা - ২২৩
৬. উল্লিখিত, পৃষ্ঠা - ২২৫
৭. উল্লিখিত , পৃষ্ঠা - ১৮৪
৮. উল্লিখিত , পৃষ্ঠা - ২১০
৯. উল্লিখিত , পৃষ্ঠা - ১২০

গ্রন্থপঞ্জী ঃ

দাস, নিশামনি (সম্পা) ঃ আধুনিক অসমীয়া কবিতাত এভুমুকি, পূর্বায়ন, গুৱাহাটী, ২০২১
নাথ, কবিতা ঃ আধুনিক অসমীয়া কবি আৰু কবিতা, (ৰামধেনুৰ পৰা সাম্প্রতিকলৈ) বান্ধৱ, গুৱাহাটী, ১৯১৭
বৰুৱা, লোপা ঃ আধুনিক অসমীয়া কবিতাত প্রতীক আৰু চিত্রকল্প, পূর্ব্বঞ্চল, গুৱাহাটী, ১৯৯৯
ৰাজখোৱা, অৰবিন্দ ঃ অসমীয়া কাব্য পৰিক্রমা, দত্ত প্রকাশন, লখিমপুৰ, ২০০৮
ৰায়, নীলমোহন ঃ আধুনিক অসমীয়া কবিতাত বিচাৰ আৰু বিশ্লেষণ, সৰস্বতী বুক, গুৱাহাটী, ১৯১৯
শর্মা, মনোজ (সম্পা) ঃ নীলিম কুমাৰৰ শ্ৰেষ্ঠা কবিতা, আঁক-বাঁক, গুৱাহাটী, ২০০৯
হাজৰিকা ডেকা, কৰবী ঃ অসমীয়া কবিতা, বনলতা, গুৱাহাটী, ১৯৯২

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

মনোজ কুমাৰ গোস্বামীৰ চুটিগল্পত সন্ত্রাসৰ প্রতিফলন ঃ এক তাত্ত্বিক অধ্যয়ন

('সমীৰণ বৰুৱা আহি আছে'ৰ বিশেষ উল্লেখেৰে)

টুলেশ্বৰ ৰাজবংশী
গৱেষক, অসমীয়া বিভাগ,
কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়

সাৰাংশ

অসমীয়া চুটিগল্পৰ বিৱর্তনৰ ইতিহাসত আশী আৰু নব্বৈৰ দশকটো এক অত্যন্ত জটিল আৰু সন্ধিক্ষণৰ সময় হিচাপে চিহ্নিত হৈছে। এই সময়ছোৱাৰ অন্যতম শক্তিশালী গল্পকাৰ মনোজ কুমাৰ গোস্বামীয়ে তেওঁৰ গল্পসমূহৰ জৰিয়তে সমকালীন অসমৰ ক্ষত-বিক্ষত জনজীৱন আৰু সন্ত্রাসৰ এক নির্মোহ বাস্তৱক তুলি ধৰিছে। আলোচ্য গৱেষণা পত্রখনিত গল্পকাৰগৰাকীৰ 'সমীৰণ বৰুৱা আহি আছে' গল্পসংকলনৰ আধাৰত সন্ত্রাসৰ বিভিন্ন মাত্রা, যেনে- ৰাজ্যিক সন্ত্রাস, সশস্ত্র বিদ্রোহৰ ত্রাস, সামাজিক সন্দেহবাদ আৰু অস্তিত্ববাদী সংকটৰ এক তাত্ত্বিক বিশ্লেষণ আগবঢ়োৱা হৈছে। আশীৰ দশকৰ 'অসম আন্দোলন' আৰু পৰৱর্তী পর্যায়ৰ সশস্ত্র সংগ্রাম তথা সামৰিক অভিযানে অসমীয়া সমাজত যি গভীৰ ত্রাস আৰু মানসিক ট্রমাৰ (Trauma) সৃষ্টি কৰিছিল, তাক গোস্বামীয়ে অতি সংবেদনশীলতাৰে অথচ নিৰাসক্তভাৱে উপস্থাপন কৰিছে। তেওঁৰ গল্পত সন্ত্রাস কেৱল এক ৰাজনৈতিক পৰিঘটনা হিচাপে চিত্রিত কৰাতেই সীমাবদ্ধ নাৰাখি, ইয়াক এক 'মানসিক অৱস্থা'ৰ ৰূপত প্রকাশ কৰিছে, যিয়ে মানুহৰ আশা, বিশ্বাস আৰু নিৰাপত্তাৰ বোধক নিঃশেষ কৰা পৰিলক্ষিত হয়।

গৱেষণা পত্রখনত গল্পৰ বিশ্লেষণৰ জৰিয়তে দেখুওৱা হৈছে যে কেনেকৈ সন্ত্রাসে মানৱীয় সম্পর্কসমূহক ঠুনুকা কৰে আৰু সমাজক অমানৱীকৰণৰ দিশলৈ ঠেলি দিয়ে। গোস্বামীৰ গল্পসমূহ কেৱল এটা বিশেষ কালখণ্ডৰ সাহিত্য নহয়, ই মানৱীয় অস্তিত্বৰ চিৰকালীন সংগ্রাম আৰু সন্ত্রাসজর্জৰ সমাজ এখনৰ এক বস্তুনিষ্ঠ দলিল আলোচনাৰ জৰিয়তে সেয়া পোহৰলৈ আহিছে।

বীজ শব্দঃ সন্ত্রাস, ৰাষ্ট্র সন্ত্রাস, বিদ্রোহীৰ সন্ত্রাস, অস্তিত্ববাদ, চুটিগল্প, সমাজিক সংকট, বিভীষিকা, নিৰাপত্তাহীনতা।

০.১ প্রস্তাৱনাঃ

অসমীয়া চুটিগল্পৰ বিৱর্তনৰ ইতিহাসত আশীৰ দশকটো এক গুৰুত্বপূর্ণ সময় হিচাপে চিহ্নিত হৈছে। ঊনবিংশ শতিকাৰ শেষ ভাগত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত যি আধুনিক অসমীয়া চুটিগল্পৰ বীজ অংকুৰিত হৈছিল, সি পৰৱর্তী সময়ত আবাহন, ৰামধেনু আদি বিভিন্ন যুগৰ মাজেৰে পাৰ হৈ আশীৰ দশকত এক নতুন আৰু নির্মোহ বাস্তৱবাদৰ মুখামুখি হয়। এই সময়ছোৱাত অসমীয়া চুটিগল্পই কেৱল গ্রাম্য জীৱনৰ সহজ বর্ণনা বা

****

ব্যক্তিকেন্দ্রিক আৱেগৰ মাজত আৱদ্ধ নাথাকি সমাজৰ ৰাজনৈতিক অস্থিৰতা, সামাজিক সংকট আৰু সামূহিক ট্রমাক (Trauma) মূল বিষয়বস্তু হিচাপে গ্রহণ কৰে। সমকালীন অসমীয়া চুটিগল্পৰ এই ধাৰাটোৰ এগৰাকী অন্যতম শক্তিশালী আৰু স্বতন্ত্র কণ্ঠস্বৰ হ'ল মনোজ কুমাৰ গোস্বামী।

মনোজ কুমাৰ গোস্বামীৰ গল্পৰ জগতখন গঢ় লৈ উঠিছে সমকালীন অসমৰ ক্ষত-বিক্ষত জনজীৱনৰ আধাৰত। এগৰাকী সচেতন সাংবাদিক আৰু সমাজ নিৰীক্ষক হোৱাৰ হেতুকে তেওঁ সমাজৰ যি নগ্ন আৰু নিষ্ঠুৰ ৰূপ প্রত্যক্ষ কৰিছিল, তাক অত্যন্ত সূক্ষ্মতাৰে সাহিত্যিক সুষমা প্রদান কৰি গল্পৰ মাজেৰে তুলি ধৰিছে। তেওঁৰ লিখনীত সন্ত্রাস কেৱল এক সাময়িক ৰাজনৈতিক পৰিঘটনা নহয়, ই এক গভীৰ মনস্তাত্ত্বিক আৰু অস্তিত্ববাদী সংকট। যি সময়ত অসমত সশস্ত্র সংগ্রাম আৰু ৰাজ্যিক দমন নীতিৰ এক ভয়াৱহ পৰিৱেশ বিৰাজ কৰিছিল, সেই সময়ৰ সমাজৰ প্রতিচ্ছবি তেওঁৰ গল্পত অতি সংবেদনশীলতাৰে অথচ নিৰাসক্তভাৱে ফুটি উঠিছে। গল্পকাৰৰ দৃষ্টিত সন্ত্রাসবাদ আৰু সামাজিক সংকটৰ স্থান অত্যন্ত গভীৰ আৰু বহুমাত্রিক। তেওঁ সন্ত্রাসক কোনো বিশেষ মতাদর্শৰ জয়গান গাবলৈ বা বিৰোধিতা কৰিবলৈ ব্যৱহাৰ কৰা নাই। তেওঁৰ দৃষ্টিত সন্ত্রাস হ'ল মানৱীয় মূল্যবোধৰ বিপর্যয় আৰু নৈতিক অৱক্ষয়ৰ এক চৰম পৰিণতি। গোস্বামীৰ গল্পৰ চৰিত্রবোৰ প্রায়ভাগেই এক অনিশ্চিত ভৱিষ্যতৰ মাজত জীৱন যাপন কৰে, য'ত মৃত্যুৰ ছাঁ সদায় অনুসৰণকাৰী হৈ থাকে। সমাজৰ সামূহিক উন্মাদনা, গণ-সন্দেহবাদ, বিচ্ছিন্নতাবোধ আৰু ব্যক্তিগত অৱসাদ- এই সকলোবোৰে তেওঁৰ লিখনীত এক তাত্ত্বিক মাত্রা লাভ কৰিছে। তেওঁ দেখুৱাইছে যে সন্ত্রাসে মানুহক পশুৰ পর্যায়লৈ নমাই আনিব পাৰে আৰু যুগ যুগ ধৰি চলি অহা মানৱীয় সম্পর্কসমূহক মুহূর্তৰ ভিতৰতে ঠুনুকা কৰি তুলিব পাৰে।

গোস্বামীৰ গল্পৰ এক প্রধান বৈশিষ্ট্য হ'ল তেওঁৰ নিৰাসক্ত বর্ণনা শৈলী । তেওঁ সন্ত্রাসৰ অতি ভয়াৱহ দৃশ্য একোটাও এনেদৰে বর্ণনা কৰে যে পাঠকে তাৰ আঁৰত থকা এক বৃহৎ শূন্যতা আৰু নিৰাপত্তাহীনতা মর্মে মর্মে অনুভৱ কৰিব পাৰে। তেওঁৰ গল্পত সন্ত্রাস কেৱল গুলী-বাৰুদৰ শব্দতে সীমাবদ্ধ নহয়, ই হ'ল এক 'মানসিক অৱস্থা'। 'সমীৰণ বৰুৱা আহি আছে' গল্পসংকলনৰ কেইবাটাও গল্পৰ মাজেৰে তেওঁ প্রমাণ কৰিছে যে কেনেকৈ সন্ত্রাসে মানুহৰ আশা, বিশ্বাস আৰু নিৰাপত্তাৰ বোধক নিঃশেষ কৰি পেলায়।

০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

'মনোজ কুমাৰ গোস্বামীৰ চুটিগল্পত সন্ত্রাসৰ প্রতিফলনঃ এক তাত্ত্বিক অধ্যয়ন' শীর্ষক এই গৱেষণা পত্রৰ মূল লক্ষ্য হ'ল মনোজ কুমাৰ গোস্বামীৰ 'সমীৰণ বৰুৱা আহি আছে' গল্পসংকলনৰ চুটিগল্পৰ আধাৰত সন্ত্রাসৰ বিভিন্ন মাত্রাসমূহ- যেনে ৰাজ্যিক সন্ত্রাস, সশস্ত্র বিদ্রোহৰ ত্রাস, সামাজিক সন্দেহবাদ আৰু অস্তিত্ববাদী সংকটৰ এক তাত্ত্বিক বিশ্লেষণ আগবঢ়োৱা। সমকালীন অসমীয়া সাহিত্যত গোস্বামীয়ে সন্ত্রাসক যি এক তাত্ত্বিক আৰু সমাজতাত্ত্বিক দৃষ্টিকোণেৰে উপস্থাপন কৰিছে, সেই বিষয়ে এক বস্তুনিষ্ঠ আৰু পদ্ধতিগত আলোচনা আগবঢ়োৱাই এই গৱেষণাৰ মুখ্য উদ্দেশ্য।

০.৩ অধ্যয়নৰ পৰিসৰঃ

'মনোজ কুমাৰ গোস্বামীৰ চুটিগল্পত সন্ত্রাসৰ প্রতিফলনঃ এক তাত্ত্বিক অধ্যয়ন' শীর্ষক আলোচনাটি প্রস্তুত কৰোঁতে গোস্বামীৰ 'সমীৰণ বৰুৱা আহি আছে' নামৰ চুটিগল্প সংকলনৰ চুটিগল্প সমূহক সামৰি তাত্ত্বিক বিশ্লেষণ কৰা হৈছে ।

০.৪ গৱেষণা পদ্ধতিঃ

'মনোজ কুমাৰ গোস্বামীৰ চুটিগল্পত সন্ত্রাসৰ প্রতিফলনঃ এক তাত্ত্বিক অধ্যয়ন' শীর্ষক আলোচনাটি প্রস্তুত কৰোঁতে বর্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

****

০.৫ তথ্য আহৰণৰ উৎসঃ

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে তথ্য আহৰণৰ বাবে মুখ্য আৰু গৌণ উভয় উৎসৰ সহায় লোৱা হৈছে। মুখ্য সমল হিচাপে গোস্বামীৰ সমীৰণ বৰুৱা আহি আছে নামৰ চুটিগল্প সংকলন লোৱা হৈছে। তথ্য আহৰণৰ গৌণ সমল হিচাপে বিষয়ৰ লগত সম্পৰ্কিত তাত্ত্বিক আলোচনাৰ লগতে বিষয় সম্পৰ্কিত বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে।

১.০ মূল বিষয়ত প্ৰৱেশঃ

১.১ ঐতিহাসিক আৰু সামাজিক পটভূমিঃ

অসমীয়া সাহিত্যৰ ইতিহাসত, বিশেষকৈ চুটিগল্পৰ ধাৰাত বিংশ শতিকাৰ আশী আৰু নব্বৈৰ দশকটো এক অত্যন্ত জটিল আৰু সন্ধিক্ষণৰ সময় হিচাপে পৰিগণিত হয়। এই সময়ছোৱাই কেৱল অসমৰ ৰাজনৈতিক মানচিত্ৰ সলনি কৰাই নহয়, অসমীয়া সমাজৰ মানসিক আৰু বৌদ্ধিক জগতখনকো আমূল পৰিৱৰ্তন কৰিছিল। গোস্বামীৰ গল্পৰ তাত্ত্বিক অধ্যয়ন কৰিবলৈ হ'লে সেই সময়ৰ উত্তপ্ত ঐতিহাসিক আৰু সামাজিক প্ৰেক্ষাপট বুজি পোৱাটো অপৰিহাৰ্য। অসমৰ আশী-নব্বৈৰ দশকৰ ৰাজনৈতিক অস্থিৰতাৰ বীজ নিহিত আছিল ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা ঐতিহাসিক 'অসম আন্দোলন'ৰ মাজত। বিদেশী বহিষ্কাৰৰ দাবীত আৰম্ভ হোৱা এই গণ-আন্দোলনে সমগ্ৰ অসমীয়া জাতিক একত্ৰিত কৰি এক তীব্ৰ জাতীয়তাবাদী চেতনাৰ জো�ৱাৰ তুলিছিল। ছয় বছৰীয়া এই আন্দোলনে অহিংসাৰ মাজেৰে আৰম্ভণি হৈছিল যদিও পৰৱৰ্তী পৰ্যায়ত ইয়াৰ মাজতে সংঘাত আৰু হিংসাৰ কেইবাটাও ঘটনা (যেনে নেলীৰ হত্যাকাণ্ড) সংঘটিত হৈছিল। ১৯৮৫ চনৰ 'অসম চুক্তি'ৰ জৰিয়তে আন্দোলনৰ আনুষ্ঠানিক সমাপ্তি ঘটিছিল যদিও এই ছবছৰীয়া অস্থিৰতাই সমাজত এক গভীৰ ক্ষতৰ সৃষ্টি কৰিছিল।

আন্দোলনৰ পৰৱৰ্তী সময়ছোৱাত অসমৰ ৰাজনীতিয়ে এক ভয়ংকৰ মোৰ লয়। অসম আন্দোলনৰ বিফলতা বা ইয়াৰ গতিবিধিৰ প্ৰতি অসন্তুষ্ট হৈ এচাম যুৱকৰ মাজত সশস্ত্ৰ সংগ্ৰামৰ চিন্তা গঢ়ি উঠে। ১৯৭৯ চনতেই জন্মলাভ কৰা 'সংযুক্ত মুক্তি বাহিনী, অসম' (ULFA)-এ আশীৰ দশকৰ শেষৰ ফালে আৰু নব্বৈৰ দশকত সমগ্ৰ অসমত এক সমান্তৰাল শাসন ব্যৱস্থা গঢ়ি তোলাৰ চেষ্টা কৰে। ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বৰ প্ৰত্যাহ্বান জনাই আৰম্ভ হোৱা এই সশস্ত্ৰ সংগ্ৰামে সমাজখনক এক নতুন ধৰণৰ 'সন্ত্ৰাস'ৰ মুখামুখি কৰাইছিল। সশস্ত্ৰ বিদ্ৰোহক দমন কৰিবলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাসমূহে ৰাজনৈতিক পৰিৱেশটো অধিক জটিল কৰি তুলিছিল। ১৯৯০ চনত অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰা হয় আৰু ভাৰতীয় সেনাবাহিনীৰ দ্বাৰা 'অপাৰেচন বজৰং' (Operation Bajrang) আৰম্ভ কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত ১৯৯১ চনত 'অপাৰেচন ৰাইন' (Operation Rhino) পৰিচালিত হয়। এই সামৰিক অভিযানসমূহৰ ফলত অসমৰ গাঁৱে-ভূঞে এক অভূতপূৰ্ব ত্ৰাসৰ সৃষ্টি হৈছিল। সেনাৰ তালাচী, জেৰা, নিৰীহ যুৱকক আটক কৰা আৰু এনকাউণ্টাৰৰ দৰে ঘটনাবোৰ অসমীয়া মানুহৰ দৈনন্দিন জীৱনৰ অংশ হৈ পৰিছিল। এই পৰ্যায়তে ৰাজ্যিক সন্ত্ৰাস (State Violence) আৰু বিদ্ৰোহীৰ সন্ত্ৰাসৰ (Insurgent Violence) মাজত সাধাৰণ জনতা পিষ্ট হৈ পৰিছিল।

১.২. সমাজত 'সন্ত্ৰাস'ৰ সৃষ্টি আৰু ইয়াৰ প্ৰভাৱঃ

অসমৰ ৰাজনৈতিক অস্থিৰতাই ততকালীন সমাজত যি 'সন্ত্ৰাস'ৰ সৃষ্টি কৰিছিল, তাৰ প্ৰভাৱ আছিল সুদূৰপ্ৰসাৰী। সন্ত্ৰাস কেৱল এটা ৰাজনৈতিক শব্দ হৈ থকা নাছিল, ই এক সামূহিক মানসিক ব্যাধিত পৰিণত হৈছিল। ইয়াৰ প্ৰভাৱসমূহ অসমৰ আকাশত স্পষ্ট হৈ উঠিছিল। সন্ত্ৰাসৰ পৰিৱেশে সমাজৰ আদিম বিশ্বাসৰ ভেটিটো কঁপাই তুলিছিল। মানুহে নিজৰ প্ৰতিবেশীক, আনকি আত্মীয়কো সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিছিল। কোন বিদ্ৰোহীৰ সংগ্ৰহকাৰী আৰু কোন চৰকাৰৰ চোৰাংচোৱা, তাক লৈ এক অহৰহ সংশয়ে সমাজত বিৰাজ কৰিছিল। এই 'গণ-সন্দেহবাদ'ৰ বাবেই সমাজত বহু নিৰীহ মানুহ গণ-প্ৰহাৰৰ দৰে ঘটনাৰ বলি হ'বলগীয়া হৈছিল,

****

যাৰ প্ৰতিফলন মনোজ কুমাৰ গোস্বামীৰ গল্পত স্পষ্টকৈ পোৱা যায়। নব্বৈৰ দশকৰ শেষৰ ফালে অসমত 'গুপ্তহত্যা' এক ভয়াৱহ অধ্যায় হিচাপে দেখা দিছিল। মুখত কাপোৰ বান্ধি অহা আততায়ীয়ে ঘৰৰ পৰা মানুহক টানি নি হত্যা কৰা বা ৰাজপথত গুলীয়াই থৈ যোৱা ঘটনাই সমাজত এক অবৰ্ণনীয় আতঙ্কৰ সৃষ্টি কৰিছিল। ইয়াৰ ফলত মানুহৰ মাজত এক ধৰণৰ 'মৌনতা'ৰ সংস্কৃতি গঢ়ি উঠিছিল। দীৰ্ঘদিনীয়া সন্ত্রাস আৰু মৃত্যুৰ ছাঁত বাস কৰা অসমীয়া সমাজখনৰ মাজত এক অস্তিত্ববাদী সংকটৰ জন্ম হৈছিল। জীৱনৰ কোনো নিশ্চয়তা নোহোৱা হৈছিল। যুৱ প্ৰজন্মৰ মাজত বিৰক্তি, অৱসাদ আৰু নিৰাশাই গা কৰি উঠিছিল। বহু যুৱকে কোনো আদৰ্শ নোহোৱাকৈয়ে কেৱল ক্ষমতা বা ভয়ৰ বশৱৰ্তী হৈ সন্ত্রাসৰ পথ বাছি লৈছিল। একেদৰে সন্ত্রাসৰ সুযোগ লৈ সমাজৰ এটা শ্ৰেণীৰ মাজত চৰম ভোগবাদী মানসিকতা আৰু অনৈতিকতাৰ জন্ম হৈছিল। ধন দাবী, অপহৰণ আৰু ঠিকা-ঠুকলিৰ নামত চলা অৰ্থনৈতিক সন্ত্রাসে সমাজৰ নৈতিক মেৰুদণ্ড দুৰ্বল কৰি পেলাইছিল। দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীটোৱে সৰ্বাধিক যন্ত্ৰণা ভোগ কৰিছিল।

ক'ব পাৰি যে, আশী-নব্বৈৰ দশকৰ অসম আছিল এক 'জৰুৰীকালীন অৱস্থা'ৰ দৰে, য'ত আইনতকৈ বন্দুকৰ নলীৰ শক্তি অধিক আছিল। এই ঐতিহাসিক আৰু সামাজিক পৰিৱেশেই আছিল মনোজ কুমাৰ গোস্বামীৰ গল্পৰ মূল আধাৰ। তেওঁৰ গল্পসমূহত আমি যি মানসিক ক্ষত, প্ৰশাসন যন্ত্ৰৰ নিৰ্মমতা আৰু সাধাৰণ মানুহৰ অসহায়তা দেখা পাওঁ, সেয়া এই কালখণ্ডৰ এক নিষ্ঠুৰ বাস্তৱ।

১.৩. তাত্ত্বিক আলোচনাঃ

অসমীয়া সাহিত্যত সন্ত্রাসৰ প্ৰতিফলনক বিশ্লেষণ কৰিবলৈ হ'লে ইয়াৰ তাত্ত্বিক আধাৰসমূহ অনুধাৱন কৰাটো প্ৰয়োজনীয়। সন্ত্রাস কেৱল এটা ৰাজনৈতিক কাৰ্য নহয়, ইয়াৰ এক গভীৰ সামাজিক আৰু মনস্তাত্ত্বিক মাত্ৰা আছে। সাহিত্যই যেতিয়া এই সন্ত্রাসক বিষয়বস্তু হিচাপে গ্ৰহণ কৰে, তেতিয়া ই ইতিহাসৰ তথ্যৰ পৰিধি অতিক্ৰম কৰি মানুহৰ চেতনাৰ গভীৰলৈ প্ৰৱেশ কৰে। তাত্ত্বিক দৃষ্টিকোণৰ পৰা 'সন্ত্রাস' হ'ল এক চৰম বিভীষিকা বা ভীতিগ্ৰস্ত অৱস্থা। ৰাজনীতি বিজ্ঞানৰ মতে, সন্ত্রাস হ'ল কোনো এক বিশেষ লক্ষ্যত উপনীত হ'বলৈ পৰিকল্পিতভাৱে ব্যৱহাৰ কৰা হিংসা। কিন্তু সাহিত্যত সন্ত্রাসৰ ধাৰণাটো অধিক ব্যাপক। সাহিত্যই সন্ত্রাসক কেৱল গুলী-বাৰুদ বা তেজৰ হিচাপত সীমাবদ্ধ নাৰাখি, ইয়াৰ দ্বাৰা সৃষ্ট 'ভয়ৰ পৰিৱেশ' (Atmosphere of Fear) আৰু ই মানৱীয় আৱেগ-অনুভূতিক কেনেকৈ বিৰূপ প্ৰভাৱিত কৰে, তাক গুৰুত্ব দিয়ে।

সন্ত্রাসবাদ বা বিদ্রোহ (Insurgency) মূলতঃ ক্ষমতাৰ (Power) সংঘাতৰ পৰা জন্ম হয়। সাহিত্যত এই ধাৰণাটোৱে এক নান্দনিক মাত্ৰা লাভ কৰে। মনোজ কুমাৰ গোস্বামীৰ দৰে গল্পকাৰৰ লিখনীত সন্ত্রাস এক 'অদৃশ্য চৰিত্ৰ' হিচাপে কাহিনীটোৰ সমগ্ৰ গতিপথ নিয়ন্ত্ৰণ কৰে। সাহিত্যই দেখুৱায় যে সন্ত্রাসৰ পৰিৱেশত ভাষা কেনেকৈ মৌন হৈ পৰে আৰু মানুহে কেনেকৈ নিজৰ স্বাভাৱিক অভিব্যক্তি হেৰুৱাই পেলায়।

ক্ষমতাৰ এই তাত্ত্বিক বিচাৰত সন্ত্রাসক দুটা দিশেৰে চাব পাৰি। সেয়া হৈছেঃ ৰাষ্ট্ৰ সন্ত্রাস (State Violence) আৰু বিদ্রোহীৰ সন্ত্রাস (Insurgent Violence)। ৰাষ্ট্ৰ সন্ত্রাস আৰু বিদ্রোহীৰ সন্ত্রাসৰ মাজত এক সূক্ষ্ম পাৰ্থক্য আছে। মিশেল ফুকোৰ 'Discipline and Punish' গ্ৰন্থত বৰ্ণিত ক্ষমতাৰ যান্ত্ৰিকতাই ৰাষ্ট্ৰ সন্ত্রাসক ব্যাখ্যা কৰিবলৈ সহায় কৰে। ফুকোৰ মতে, অনুশাসনে ব্যক্তিক এক বিশেষ ৰূপ প্ৰদান কৰে য'ত ব্যক্তিক একেলগে ক্ষমতা প্ৰয়োগৰ লক্ষ্য আৰু আহিলা হিচাপে ব্যৱহাৰ কৰা হয়।[১] ফুকোৱে সাৰ্বভৌম ক্ষমতা (sovereign power)ৰ ৰূপ হিচাপে ৰাষ্ট্ৰ সন্ত্রাসক চৰম দমন আৰু ত্ৰাসৰ আচাৰ-অনুষ্ঠান (ritual of terror) হিচাপে ব্যাখ্যা কৰিছে। ৰাষ্ট্ৰই নিজৰ সাৰ্বভৌমত্ব ৰক্ষাৰ নামত প্ৰশাসন যন্ত্ৰৰ সহায়ত (পুলিচ, মিলিটাৰী) সাধাৰণ জনতাৰ ওপৰত চৰম দমন নীতি প্ৰয়োগ কৰে । এনে কাৰ্যই জনসাধাৰণক ত্ৰাসিত কৰি ৰাখে। তাকেই ৰাষ্ট্ৰ সন্ত্রাস বুলি কোৱা হয়। তাত্ত্বিকভাৱে

****

ৰাষ্ট্ৰ সন্ত্ৰাসক জৰ্জিঅ' আগামবেনৰ 'State of Exception' বা 'ব্যতিক্ৰমী অৱস্থা'ৰ ধাৰণাৰে বিশ্লেষণ কৰিব পাৰি। আগামবেনৰ মতে, ব্যতিক্ৰমী অৱস্থা কোনো বিশেষ ধৰণৰ আইন নহয়, ই হ'ল এক আইনবিহীন স্থান য'ত আইনক নিজেই স্থগিত কৰি ৰখা হয়।[২] এই অৱস্থাত ৰাষ্ট্ৰই আইনৰ দোহাই দি আইনক নিজেই স্থগিত কৰে আৰু জীৱনক 'bare life'ত পৰিণত কৰে। ইয়াত আইনৰ দোহাই দি আইনক অতিক্ৰম কৰা হয়। এনকাউণ্টাৰ, নিৰুদ্দেশ কৰা বা গণ-তালাচীৰ দৰে কাৰ্যই সমাজত যি ত্ৰাসৰ সৃষ্টি কৰে, সেয়া হ'ল ৰাষ্ট্ৰীয় যন্ত্ৰৰ হিংস্ৰ ৰূপ। আনহাতে, বিদ্ৰোহী সন্ত্ৰাস হ'ল কোনো সশস্ত্ৰ গোটে এক নিৰ্দিষ্ট মতাদৰ্শৰ নামত চলোৱা হিংসা। ইয়াত সন্ত্ৰাসক এক কৌশল (Tactics) হিচাপে ব্যৱহাৰ কৰা হয় যাতে ৰাষ্ট্ৰ আৰু জনসাধাৰণক মানসিকভাৱে দুৰ্বল কৰিব পৰা যায়। সাহিত্যত এই দুয়োটা ৰূপৰ সংঘাতক দেখুওৱা হয়। বিশেষকৈ মনোজ কুমাৰ গোস্বামীৰ গল্পত এই সংঘাতৰ মাজত পিষ্ট হোৱা 'তৃতীয় পক্ষ' অৰ্থাৎ সাধাৰণ মানুহজনৰ অসহায়তাই তাত্ত্বিক গুৰুত্ব লাভ কৰে।

সন্ত্ৰাসৰ ফলত ব্যক্তিৰ মানসিক জগতত যি প্ৰভাৱ পৰে তাক 'ট্ৰমা থিয়ৰী'ৰ জৰিয়তে গভীৰভাৱে বুজিব পাৰি। কেথী কাৰুথৰ মতে, ট্ৰমা হ'ল এনে এক ভয়াৱহ অভিজ্ঞতালৈ দিয়া সঁহাৰি যিটো ঘটাৰ মুহূৰ্তত সম্পূৰ্ণৰূপে উপলব্ধি কৰিব নোৱাৰি, কিন্তু পিছলৈ সি বাৰে বাৰে স্মৃতি বা দুঃস্বপ্নৰ ৰূপত ঘূৰি আহে। সেয়া তেওঁলোকৰ মনত এক 'অসমাপ্ত অভিজ্ঞতা' হৈ ৰৈ যায়।[৩] গোস্বামীৰ গল্পৰ চৰিত্ৰসমূহৰ মৌনতা, হঠাৎ চিঞৰি উঠা বা স্মৃতিভ্ৰম হোৱাৰ দৰে লক্ষণসমূহ এই ট্ৰমাৰেই বহিঃপ্ৰকাশ। সন্ত্ৰাসৰ দীৰ্ঘদিনীয়া প্ৰভাৱত সমাজৰ সামূহিক স্মৃতিত এক ধৰণৰ অৱসাদ আৰু বিভীষিকাই বাহ লয়। জা প'ল চাত্ৰ (Jean-Paul Sartre) আৰু এলবেয়াৰ কামুৰ (Albert Camus) অস্তিত্ববাদী দৰ্শনত সন্ত্ৰাসৰ এক সুকীয়া ব্যাখ্যা পোৱা যায়। এলবেয়াৰ কামুৰ অস্তিত্ববাদী দৰ্শনৰ মতে, সন্ত্ৰাসে মানুহক এক 'নিৰৰ্থকতা'ৰ (Absurdity) মুখামুখি কৰায়। যেতিয়া মৃত্যু অনিশ্চিত আৰু আকস্মিক হৈ পৰে, তেতিয়া জীৱনৰ অৰ্থ হেৰাই যায়। সন্ত্ৰাসৰ পৰিৱেশত মানুহে অনুভৱ কৰা বিচ্ছিন্নতাবোধ (Alienation) আৰু মৃত্যুৰ বিভীষিকাৰ মাজত নিজৰ অস্তিত্বক বিচাৰি ফুৰাৰ যি প্ৰচেষ্টা, সেয়া এক অস্তিত্ববাদী সংকট।[৪] গোস্বামীৰ গল্পত সন্ত্ৰাসে মানুহক যন্ত্ৰৰ দৰে নিৰ্বিকাৰ কৰি তোলে, যিটো অস্তিত্ববাদৰ এক উল্লেখযোগ্য দিশ। জা প'ল চাত্ৰৰ অস্তিত্ববাদ অনুসৰি, মানুহ স্বাধীন হ'বলৈ বাধ্য আৰু তেওঁৰ প্ৰতিটো কৰ্মৰ বাবে তেওঁ নিজেই জগৰীয়া।[৫] গোস্বামীৰ গল্পত সন্ত্ৰাসৰ পৰিৱেশত মানুহে অনুভৱ কৰা বিচ্ছিন্নতাবোধ আৰু মৃত্যুৰ বিভীষিকাৰ মাজত নিজৰ অস্তিত্ব বিচাৰি ফুৰাৰ যি প্ৰচেষ্টা, সেয়া এই দৰ্শনৰেই অংশ।

সন্ত্ৰাসবাদৰ এই তাত্ত্বিক দিশসমূহে সাহিত্যক কেৱল এটা কাহিনীৰ পৰা উন্নীত কৰি এক সমাজতাত্ত্বিক আৰু মনস্তাত্ত্বিক দলিললৈ ৰূপান্তৰিত কৰে। ৰাজ্যিক আৰু বিদ্ৰোহী সন্ত্ৰাসৰ মাজৰ দ্বান্দ্বিকতাই সমাজত যি ট্ৰমাৰ সৃষ্টি কৰে আৰু ইয়াৰ ফলত ব্যক্তিৰ যি অস্তিত্ববাদী সংকট হয়, সেয়াই হ'ল মনোজ কুমাৰ গোস্বামীৰ গল্পৰ তাত্ত্বিক মেৰুদণ্ড। এই তাত্ত্বিক কাঠামোৰ আধাৰত তেওঁৰ গল্পসমূহ বিশ্লেষণ কৰিলে সমকালীন অসমৰ ক্ষত-বিক্ষত জনজীৱনৰ এক নিৰ্মোহ সত্য উন্মোচিত হয়।

২.০ গল্পৰ বিশ্লেষণঃ

মনোজ কুমাৰ গোস্বামীৰ চুটিগল্পৰ এক অন্যতম বৈশিষ্ট্য হ'ল সমকালীন অসমৰ সন্ত্ৰাসজৰ্জৰ সময়খিনিক অতি নিৰ্মোহভাৱে আৰু শৈল্পিক দৃষ্টিৰে কৰা নিৰীক্ষণ। তেওঁৰ গল্পত সন্ত্ৰাস কেৱল এক ৰাজনৈতিক বা বাহ্যিক ঘটনা হৈ থকা নাই, ই মানুহৰ অন্তৰ্জগত আৰু সমাজ ব্যৱস্থাক কেনেকৈ স্থবিৰ কৰি পেলাইছে, তাৰ এক দাপোণস্বৰূপ হৈ পৰিছে। সন্ত্ৰাসবাদৰ চৰম পৰিণতি হ'ল ই মানুহৰ মনত যি গভীৰ ভয় আৰু নিৰাপত্তাহীনতাৰ জন্ম দিয়ে। গোস্বামীৰ গল্পত এই মনস্তাত্ত্বিক দিশটোৱে প্ৰাধান্য লাভ কৰিছে। বিশেষকৈ 'ব্যক্তিগত আৰু নৈৰ্ব্যক্তিক' গল্পটোত এজন বিপ্লৱীৰ চৰিত্ৰৰ মাজেৰে সন্ত্ৰাসৰ পৰিৱেশত হোৱা মানসিক অৱসাদ আৰু ট্ৰমাক অংকন কৰা হৈছে। গল্পটোৰ মুখ্য চৰিত্ৰ অনাদিয়ে মোহন দত্তক হত্যা কৰিবলৈ গৈ যি মানসিক যন্ত্ৰণাৰ মাজেৰে পাৰ হৈছে, সেয়া

****

সন্ত্রাসৰ এক অন্তঃসাৰশূন্যতাৰ প্ৰতিচ্ছবি। অনাদিৰ মনত হোৱা অৱসাদৰ বৰ্ণনা দি গল্পকাৰে লিখিছে-*"খুব ক্লান্ত যেন লাগিল নিজকে তাৰ, ইমান ভয়ংকৰ অৱসাদবোধ যেন তাৰ কেতিয়াও হোৱা নাই... ।"(ব্যক্তিগত আৰু নৈৰ্ব্যক্তিক, পৃঃ ৫৮)* এয়া কেৱল শাৰীৰিক ক্লান্তি নহয়, এয়া হ'ল এক আদৰ্শবাদী সংঘাতৰ ফলত সৃষ্টি হোৱা অস্তিত্ববাদী ক্লান্তি। সন্ত্রাসে কেনেকৈ এজন ব্যক্তিক আৱেগহীন কৰি পেলায়, তাৰ প্ৰতিফলন অনাদিৰ নিৰ্লিপ্ততাৰ মাজেৰে ফুটি উঠিছে।

একেদৰে 'সমীৰণ বৰুৱা আহি আছে' গল্পত সন্ত্রাস এক 'উপস্থিতি'তকৈ এক 'উদ্বেগ' হিচাপে বেছি প্ৰকট হোৱা পৰিলক্ষিত হয়। গল্পটোত 'সমীৰণ বৰুৱা' এজন ব্যক্তি নহয়, তেওঁ ৰাষ্ট্ৰযন্ত্ৰ আৰু সমাজৰ বাবে এক 'অদৃশ্য ত্ৰাস'ৰ নাম। এছ. পি. বৰ্মন আৰু ডি. আই. জি. হৰ দত্তৰ মানসিক উত্তেজনাই প্ৰমাণ কৰে যে সন্ত্রাসে কেনেকৈ কৰ্তব্যপৰায়ণ বিষয়াৰ মনতো এক বিৰক্তিকৰ অস্থিৰতাৰ সৃষ্টি কৰে। গল্পটোৰ আৰম্ভণিতে থকা বৰ্ণনাই ইয়াৰ স্পষ্ট ইংগিত দিয়ে- *"তেওঁ উচ্চাৰণ কৰা ধাতৰ শব্দবোৰৰ প্ৰতিটোতে কিছু উদ্বেগ আৰু উত্তেজনাই ভৰ কৰি আছে।"(সমীৰণ বৰুৱা আহি আছে, পৃঃ ৯)*

মনস্তাত্ত্বিক দিশৰ পৰা চালে দেখা যায় যে গোস্বামীৰ গল্পৰ চৰিত্ৰবোৰ একো একোটা 'মানসিক গুহা'ত আৱদ্ধ হৈ পৰিছে। তেওঁলোকৰ বাবে সন্ত্রাস এক স্বাভাৱিক জীৱনশৈলী হৈ পৰিছে, য'ত মানুহে নিজৰ স্বাভাৱিক প্ৰবৃত্তি আৰু সপোনবোৰ হেৰুৱাই পেলোৱাৰ উপক্ৰম হয়। সন্ত্রাসজৰ্জৰ সমাজ এখনত নৈতিক মূল্যবোধৰ অৱক্ষয় কেনেকৈ ঘটে, তাক গোস্বামীয়ে অতি নিপুণভাৱে অংকন কৰিছে। তেওঁৰ গল্পত সাধাৰণ মানুহৰ দুৰৱস্থা এক আধ্যাত্মিক আৰু নৈতিক দেউলীয়াৰূপত ধৰা দিয়া দেখা যায়।

'শগুন' গল্পটো সমাজৰ এই নৈতিক বিপৰ্যয়ৰ এক চৰম নিদৰ্শন। ইয়াত মৃত্যুৰ প্ৰতি মানুহৰ যি নিৰ্লিপ্ততা দেখুওৱা হৈছে, সেয়া সন্ত্রাসৰ এক অমানৱীয় ফল বুলিব পাৰি। ৰাস্তাৰ কাষত পৰি থকা মৃতদেহটো দৰ্শনীয় সামগ্ৰীত পৰিণত হৈছে। গল্পটোৰ ডেকা ল'ৰাবোৰৰ বাবে মৃত্যুৰ দৃশ্যটো এক চিনেমেটিক অভিজ্ঞতাৰ দৰে- *"ৱাঃ কি টেৰিফাইং ছিন। মুঠতে গডাৰে পৰিৱেশ এটা ক্ৰিয়েট কৰিব জানে।"(শগুন, পৃঃ ৫০)*

ইয়াত মানৱীয় সমবেদনাৰ ঠাইত এক ধৰণৰ 'দৃশ্যবাদী আনন্দ' (Voyeurism) সোমাই পৰিছে। সমাজৰ এই বিৱৰ্তন এক বিপৰ্যয়ৰ ইংগিত স্বৰূপ। মৃত্যু যিহেতু এক দৈনন্দিন ঘটনা হৈ পৰিছে, সেয়েহে ইয়াৰ প্ৰতি থকা পবিত্ৰতা আৰু শোক সমাজৰ পৰা নোহোৱা হৈ গৈছে। আনহাতে, 'পৰমা আৰু এজাক নিগনি' গল্পত দৰিদ্ৰতা আৰু অৰ্থনৈতিক সন্ত্রাসে কেনেকৈ এজন মানুহৰ নৈতিকতাক ধ্বংস কৰিব পাৰে, তাক দেখুওৱা হৈছে। পৰমাই যেতিয়া নিজৰ পৰিয়ালটোক বিহ খুৱাই হত্যা কৰাৰ সিদ্ধান্ত লয়, তেতিয়া তাৰ মনত কোনো অনুশোচনা নোপজে। তাৰ চিন্তা কেৱল 'নিগনি'ৰূপী সমাজৰ সেইবোৰ শক্তিৰ ওপৰত কেন্দ্ৰিত যিয়ে তাৰ সকলো কাঢ়ি লৈছে। *"মৃত্যুমুখী পৰিয়ালটোৰ প্ৰতি, নিজৰ প্ৰতি পৰমাৰ কোনো সমবেদনা নোপজিল। হাঁহ, আৰু হাঁহ তহঁতে, আৰু স্ফূৰ্তি কৰহঁত..." (পৰমা আৰু এজাক নিগনি, পৃঃ ১২৪)*

এয়া হ'ল সমাজৰ সেইটো বিপৰ্যয় য'ত চৰম অভাৱে মানুহক হিতাহিত জ্ঞানশূন্য কৰি তোলে। সন্ত্রাস ইয়াত এক গাঁথনিক হিংসা (Structural Violence) ৰূপত প্ৰতিফলিত হৈছে, যিয়ে নিৰীহ মানুহক ঘাতকলৈ ৰূপান্তৰিত কৰে।

সন্ত্রাসবাদৰ পৰিৱেশত সমাজৰ সামূহিক একতাৰ গাঁথনিটো ভাঙি পৰে আৰু তাৰ ঠাইত সন্দেহ আৰু অৱিশ্বাসে বাহ লয়। গোস্বামীৰ গল্পত এইটো এক অত্যন্ত শক্তিশালী উপজীব্য। যেতিয়া এজন ব্যক্তিয়ে আন এজন ব্যক্তিক কেৱল এজন 'আততায়ী' বা 'চোৰাংচোৰা' হিচাপে কল্পনা কৰিবলৈ লয়, তেতিয়াই সামাজিক সম্পৰ্কসমূহ মষিমূৰ হয়।

'সমীৰণ বৰুৱা আহি আছে' গল্পত চহৰখনৰ যিটো সজাগ অৱস্থা বৰ্ণনা কৰা হৈছে, সেয়া আচলতে সন্দেহৰ এক চৰম বহিঃপ্রকাশ। ৰাষ্ট্র যন্ত্রৰ পৰা আৰম্ভ কৰি সাধাৰণ মানুহলৈকে সকলোৱে 'সমীৰণ বৰুৱা'ৰ অপেক্ষাত আছে, অথচ কোনেও নাজানে তেওঁ আচলতে ক'ত। এই 'অজান শংকা'ই মানুহক এজনে আনজনৰ পৰা আঁতৰাই ৰাখিছে। একেদৰে 'ইন্দু হাজৰিকাৰ বাবে নাকান্দিবা' গল্পত গণ-সন্দেহবাদৰ এক বিভীষিকা দেখুওৱা হৈছে। এজন ব্যক্তিক কেৱল সন্দেহৰ বশৱর্তী হৈ সমাজৰ মানুহে কেনেকৈ হত্যা কৰিব পাৰে, সেয়া সন্ত্রাসৰ এক সামাজিক পৰিণতি। মানুহৰ মাজত গঢ়ি উঠা এই দুৰত্বই সমাজখনক এটা একত্রিত গোটৰ সলনি বহুতো সৰু সৰু সন্দেহবাদী দ্বীপত পৰিণত কৰি তোলা পৰিলক্ষিত হৈছে।

গোস্বামীৰ গল্পৰ বিশ্লেষণৰ পৰা দেখা যায় যে তেওঁৰ চৰিত্রবোৰৰ মাজত থকা কথোপকথনবোৰো প্রায়েই আধৰুৱা বা চুটি চুটি। ইয়াৰ কাৰণ হ'ল মানুহে কাৰোবাৰ আগত নিজৰ মন খুলি কবলৈ ভয় কৰে। 'ব্যক্তিগত আৰু নৈব্যক্তিক' গল্পত অনাদি আৰু মোহন দত্তৰ মাজত হোৱা কথা-বতৰাবোৰো অত্যন্ত শীতল আৰু নিৰাসক্ত। এই শীতলতা হ'ল অবিশ্বাসৰ ফলত গঢ়ি উঠা এক মানসিক দূৰত্ব। গোস্বামীৰ এই গল্পসমূহৰ বিশ্লেষণৰ পৰা এইটো স্পষ্ট হয় যে সন্ত্রাস তেওঁৰ বাবে কেৱল এটা কেন্দ্রীয় বিষয়বস্তু নহয়, ই সমকালীন সমাজৰ এক নির্মম সত্য হিচাপে গোস্বামীৰ গল্পত চিত্রিত হোৱা দেখা যায়। সন্ত্রাসে কেনেকৈ ব্যক্তিৰ মানসিক জগতত অৱসাদ আৰু ট্রমাৰ সৃষ্টি কৰে, সমাজৰ নৈতিক মেৰুদণ্ড ভাঙি মৃত্যুক এক উপভোগ্য সামগ্রীত পৰিণত কৰে গল্পকাৰে সেয়া অতি সূক্ষ্মতাৰে অংকণ কৰিছে। লগতে মানুহৰ মাজত থকা চিৰকালীন বিশ্বাসৰ ঠাইত সন্ত্রাসে কেনে এক বিভীষিকাপূর্ণ সন্দেহৰ পৰিৱেশ গঢ়ি তোলে তাৰ ছবিও সুন্দৰকৈ প্রতিফলিত হৈছে। সমীৰণ বৰুৱা আহি আছে গল্পসংকলনখনৰ চুটিগল্পসমূহৰ সন্ত্রাসে এখন সমাজক সম্পূর্ণৰূপে অমানৱীকৰণ (Dehumanization) কৰাৰ দিশলৈ ঠেলি দিয়ে। গোস্বামীৰ শিল্পদৃষ্টিয়ে এই সত্যটোক অত্যন্ত সফলভাৱে ফুটাই তুলিছে। গোস্বামীৰ চুটিগল্পৰ সার্থকতা কেৱল তেওঁ নির্বাচন কৰা সমকালীন বিষয়বস্তুৰ মাজতেই আৱদ্ধ নহয়, সেই বিষয়সমূহক পাঠকৰ মগজুত প্রতিষ্ঠা কৰিবলৈ ব্যৱহাৰ কৰা অনন্য শিল্পকৌশল আৰু ভাষিক শৈলীৰ দিশটোও মনকৰিবলগীয়া। সন্ত্রাসৰ দৰে এটা স্থূল আৰু বিভীষিকাপূর্ণ বিষয়টোক তেওঁ অত্যন্ত সূক্ষ্ম শৈল্পিক তুলিকাৰে অংকন কৰিছে। তেওঁৰ গল্পত ব্যঙ্গ বা আইৰনী কেৱল হাস্যৰস সৃষ্টিৰ আহিলা নহয়, ই হ'ল সমাজৰ বিসংগতি আৰু ক্ষমতাৰ ফোঁপোলাস্বৰূপটো উদঙাই দিয়াৰ এক তীব্র অস্ত্র। তেওঁৰ গল্পত এনে কিছুমান পৰিস্থিতিৰ সৃষ্টি কৰা হয় য'ত আপাত দৃষ্টিত যিটো সত্য যেন লাগে, তাৰ অন্তৰালত এক বিপৰীতমুখী নিষ্ঠুৰ বাস্তৱ লুকাই থাকে।

'সমীৰণ বৰুৱা আহি আছে' গল্পটো বিপৰীতধর্মী ব্যঙ্গ কৌশলৰ এক শ্রেষ্ঠ নিদর্শন পৰিলক্ষিত হয়। গোটেই চহৰখনৰ পুলিচ-প্রশাসন যাৰ বাবে ত্রস্তমান, যিজন 'ভয়ানক' আৰু 'বিপজ্জনক' বিদ্রোহী নেতাৰ বাবে ডি.আই.জি.ৰ পৰা কনিষ্টবললৈকে সকলোৱে বিনিদ্র ৰজনী কটাইছে, সেই সমীৰণ বৰুৱাক গল্পৰ শেষত অতি সাধাৰণ ৰূপত দেখা গৈছে। *"বুঢ়া বাদামৱালাটোৰ পৰা সমীৰণে এমুঠি বাদাম ল'লে। ... এটা-এটাকৈ বাদাম ভাঙি বিভ্রান্তৰ দৰে সমীৰণ ৰৈ থাকে।" (সমীৰণ বৰুৱা আহি আছে, পৃঃ ২০)*

শক্তিশালী ৰাষ্ট্রযন্ত্রই সৃষ্টি কৰা 'ভয়' আৰু সেই ভয়ৰ উৎসজনৰ 'অসহায়তা'ৰ মাজত থকা ব্যৱধানটোৱে এক মর্মান্তিক ব্যঙ্গৰ সৃষ্টি কৰিছে। গোস্বামীয়ে নির্জীৱ বস্তু বা প্রাণীক প্রতীক হিচাপে ব্যৱহাৰ কৰি একোটা বৃহৎ সামাজিক সত্যক প্রকাশ কৰে। 'পৰমা আৰু এজাক নিগনি' গল্পত নিগনি কেৱল এটা উপদ্রৱকাৰী প্রাণী নহয়। ই হ'ল সমাজৰ সেইবোৰ অদৃশ্য শক্তি বা ব্যৱস্থা যিয়ে এজন দৰিদ্র মানুহৰ সম্বলবোৰ কুটি কুটি ধ্বংস কৰে। প্রসংগক্রমে গল্পটোত ব্যাখ্যা কৰা নিগনিৰ উপদ্রৱ আচলতে সমাজৰ গাঁথনিক সন্ত্রাসৰ প্রতীক। তেনেদৰে 'শগুন' গল্পত শগুনবোৰ মৃত্যু আৰু অৱক্ষয়ৰ প্রতীক। সমাজত যি হাৰত মৃত্যু স্বাভাৱিক হৈ পৰিছে, শগুনবোৰৰ উপস্থিতি যেন

****

সিমানেই অনিবার্য। ইয়াত মৰাশৰ ওচৰত বহি আপেল খোৱা কার্যও এক প্রকাৰৰ মানৱীয় শগুনৰ প্রতীক হিচাপে ধৰা দিছে।

সন্ত্রাসক বর্ণনা কৰিবলৈ গোস্বামীয়ে এক বিশেষ ধৰণৰ ভাষিক শৈলী ব্যৱহাৰ কৰে, যাক 'নিৰাসক্ত বর্ণনা' (Detached Narration) বুলি ক'ব পাৰি। তেওঁ কাহিনীটোত নিজে আৱেগিকভাৱে জড়িত নহৈ এজন নিৰপেক্ষ পর্যবেক্ষকৰ দৰে শব্দৰ প্রয়োগ কৰে। সন্ত্রাসৰ থমথমীয়া পৰিৱেশ সৃষ্টি কৰিবলৈ তেওঁ অতি চুটি আৰু প্রত্যক্ষ বাক্য ব্যৱহাৰ কৰে। ই পাঠকৰ মনত এক ধৰণৰ খৰতকীয়া উত্তেজনাৰ সৃষ্টি কৰে। *"মই মোহন দত্তক বিচাৰিছিলো।"*- শীতল কণ্ঠে সি ক'লে। *(ব্যক্তিগত আৰু নৈর্ব্যক্তিক, পৃঃ ৫৮)* একেদৰে সমীৰণ বৰুৱা আহি আছে গল্পত পুলিচ বিষয়া বর্মনৰ কথা-বতৰাক তেওঁ 'ধাতৰ শব্দ' (Metallic sounds) বুলি অভিহিত কৰিছে, যিয়ে ৰাষ্ট্রযন্ত্রৰ আৱেগহীনতা আৰু যান্ত্রিকতা প্রকাশ কৰে। গোস্বামীৰ ভাষা বৰ চিত্রধর্মী। তেওঁ শব্দৰে এনে কিছুমান দৃশ্যকল্প নির্মাণ কৰে যিয়ে পাঠকৰ চকুত সন্ত্রাসৰ এখন ছবি আঁকি দিয়ে। 'শগুন' গল্পত মৃতদেহটোৰ বর্ণনা দিওঁতে তেওঁ অতি নির্মমভাৱে বাস্তৱক তুলি ধৰিছে: *"কিতাপ-বহীবোৰ ডুবি আছে তেজত, বাঃ কি টেৰিফাইং ছিন। মুঠতে গডাৰে পৰিৱেশ এটা ক্রিয়েট কৰিব জানে।"* *(শগুন, পৃঃ ৫০)*

ইয়াত সন্ত্রাসক এটা 'চিনেমেটিক ছিন' হিচাপে বর্ণনা কৰি তেওঁ সমাজৰ সংবেদনহীনতাক ভাষিক ৰূপ দিছে। তেওঁৰ গল্পত 'আন্ধাৰ', 'স্তব্ধতা' আৰু 'শীত' এই শব্দবোৰ সঘনাই ব্যৱহৃত হয়। এইবোৰ সন্ত্রাসৰ মনস্তাত্ত্বিক প্রকাশৰ একো একোটা ভাষিক আহিলা। 'ব্যক্তিগত আৰু নৈর্ব্যক্তিক' গল্পত অনাদিৰ মানসিক স্থিতি বুজাবলৈ তেওঁ লিখিছে- *"চাৰিওপিনে স্তব্ধতা আৰু কি ভয়ংকৰ আন্ধাৰ সর্বত্র। এয়া কি প্রলয়ৰ প্রাক-মুহূর্ত। শীতত কঁপি উঠিল অনাদি।"* *(ব্যক্তিগত আৰু নৈর্ব্যক্তিক, পৃঃ ৫৮)*

ইয়াত 'শীত' শব্দটোৱে কেৱল ঋতুৰ কথা কোৱা নাই, ইয়াত শব্দটোৰ এজন ঘাতকৰ মনত থকা ভয়ংকৰ অৱসাদ আৰু শূন্যতাক প্রকাশ কৰিছে। গোস্বামীৰ লিখনিত কোনো আৱেগিক অতিৰঞ্জন নাই। তেওঁ অতি ভয়ংকৰ ঘটনা একোটাও অতি সাধাৰণভাৱে বর্ণনা কৰে। এই 'নির্লিপ্ত বর্ণনা' শৈলীয়েই সন্ত্রাসক অধিক ভয়াৱহ কৰি তোলে। তেওঁৰ ভাষাই পাঠকক শোক কৰাৰ সলনি স্তব্ধ হৈ পৰিবলৈ বাধ্য কৰে। ক'ব পাৰি যে, মনোজ কুমাৰ গোস্বামীৰ শিল্পকৌশল হ'ল- এক বিশেষ 'নান্দনিক নিৰাসক্তি'ৰ মাজেৰে সমাজৰ বিভীষিকাক প্রতিষ্ঠা কৰা। ব্যঙ্গৰ জৰিয়তে তেওঁ বিসংগতি আঙুলিয়াই দিয়ে, প্রতীকৰ জৰিয়তে ভাবৰ গভীৰতা বৃদ্ধি কৰে আৰু তীক্ষ্ণ, নির্মম ভাষাৰ জৰিয়তে সন্ত্রাসক পাঠকৰ অস্তিত্বৰ ভিতৰলৈ লৈ যায়। তেওঁৰ ভাষিক কৌশলসমূহেই তেওঁৰ গল্পক সমকালীন সমাজৰ এক অবিনশ্বৰ দলিলত পৰিণত কৰিছে।

৩.০ উপসংহাৰঃ

মনোজ কুমাৰ গোস্বামীৰ নির্বাচিত চুটিগল্পৰ আধাৰত চলোৱা এই গৱেষণাভিত্তিক অধ্যয়নে সমকালীন অসমীয়া সাহিত্যত সন্ত্রাসবাদৰ চিত্রায়ণ আৰু ইয়াৰ তাত্ত্বিক প্রাসংগিকতাৰ এক বিস্তৃত স্বৰূপ উন্মোচিত কৰিছে। আশী-নব্বৈৰ দশকৰ যি উত্তপ্ত ৰাজনৈতিক আৰু সামাজিক পৰিৱেশত এই গল্পসমূহ ৰচনা কৰা হৈছিল, সেই সময়ৰ বিভীষিকাক গোস্বামীয় মানৱীয় অস্তিত্বৰ এক সংকট হিচাপে উপস্থাপন কৰিছে। গল্পকাৰ হিচাপে মনোজ কুমাৰ গোস্বামীৰ অনন্যতা নিহিত আছে তেওঁৰ নিৰাসক্ত অথচ তীক্ষ্ণ পর্যবেক্ষণৰ মাজত। তেওঁৰ গল্পত সন্ত্রাস কেৱল গুলী-বাৰুদৰ শব্দ বা কোনো নির্দিষ্ট ৰাজনৈতিক মতাদর্শৰ প্রচাৰত আৱদ্ধ নহয়। তেওঁ দেখুৱাইছে যে সন্ত্রাস হ'ল ক্ষমতাৰ এক এনেকুৱা যান্ত্রিক প্রয়োগ, যিয়ে সমাজৰ প্রতিটো স্তৰক অমানৱীকৰণ কৰে। তেওঁৰ গল্পৰ চৰিত্রসমূহৰ মাজেৰে প্রকাশ পোৱা 'ট্রমা' আৰু 'অস্তিত্ববাদী সংকট' সমকালীন অসমৰ প্রতিটো পৰিয়ালৰে এক

****

অব্যক্ত যন্ত্রণাৰ প্রতিধ্বনি বুলিব পাৰি।

বিশ্লেষণৰ পৰা দেখা গৈছে যে গোস্বামীৰ গল্পত ৰাষ্ট্র সন্ত্রাস আৰু বিদ্রোহীৰ সন্ত্রাস- এই দুয়োৰে মাজত পিষ্ট হোৱা সাধাৰণ মানুহজনৰ কোনো ত্রাণকর্তা নাই। বিশেষকৈ 'সমীৰণ বৰুৱা আহি আছে' গল্পত দেখা গৈছে যে কেনেকৈ ৰাষ্ট্রযন্ত্রই এজন ব্যক্তিক লৈ এক সন্ত্রাসৰ পৰিৱেশ সৃষ্টি কৰে, যাৰ ফলত গোটেই সমাজখন এক অনামী আশংকাত ভুগিবলৈ লয়। আনহাতে, 'ব্যক্তিগত আৰু নৈব্যক্তিক' গল্পত এজন বিপ্লৱীৰ ব্যক্তিগত আৱেগ আৰু ৰাজনৈতিক কর্তব্যৰ মাজৰ সংঘাতৰ মাজেৰে সন্ত্রাসৰ অন্তঃসাৰশূন্যতা প্রকট হৈছে। মনোজ কুমাৰ গোস্বামীৰ গল্পত সন্ত্রাস এক বাহ্যিক আক্রমণতকৈ এক 'মানসিক অৱস্থা' হিচাপে বেছি প্রকট। সন্ত্রাসৰ পৰিৱেশে মানুহৰ মনত যি দীর্ঘদিনীয়া ট্রমাৰ সৃষ্টি কৰে, সি মানুহক বিচ্ছিন্নতা আৰু অৱসাদৰ ফালে ঠেলি দিয়ে। 'গুহা' আদি গল্পত ব্যৱহৃত প্রতীকসমূহৰ মাজেৰে মানুহৰ মগজুত সোমাই থকা এই অবদমিত ভয়ৰ সত্যটোৱেই প্রতিষ্ঠা হৈছে। সন্ত্রাসে সমাজৰ পৰা মানৱীয় সমবেদনা কাঢ়ি লৈ যায়। 'শগুন' গল্পৰ বিশ্লেষণৰ পৰা এইটো নিশ্চিত হৈছে যে যেতিয়া হিংসা আৰু মৃত্যু এক দৈনন্দিন ঘটনা হৈ পৰে, তেতিয়া ই সমাজৰ বাবে এক 'দৃশ্য' বা উপভোগৰ সামগ্রীত পৰিণত হয়। সমাজৰ এই নৈতিক বিপর্যয় সন্ত্রাসবাদৰ আটাইতকৈ ভয়ংকৰ সামাজিক পৰিণতি। গোস্বামীৰ গল্পসমূহত 'অবিশ্বাস' আৰু 'সন্দেহ' এক শক্তিশালী উপাদান। সন্ত্রাসৰ পৰিৱেশে চুবুৰীয়াৰ মাজত থকা চিৰকালীন বিশ্বাসৰ সম্পর্ক মবিমূৰ কৰে। এই সন্দেহবাদৰ বাবেই মানুহৰ মাজত দূৰত্ব বৃদ্ধি পায় আৰু সমাজখন একো একোটা নির্মম দ্বীপত পৰিণত হয়। গল্পকাৰৰ ব্যৱহৃত 'নিৰাসক্ত বর্ণনা শৈলী' আৰু ব্যঙ্গই সন্ত্রাসৰ নিষ্ঠুৰতাক অধিক গভীৰভাৱে পাঠকৰ হৃদয়লৈ লৈ যায়। তেওঁৰ ভাষিক কৌশলে সন্ত্রাসক কেৱল বর্ণনা কৰাৰ সলনি পাঠকক এক যন্ত্রণাৰ অংশীদাৰ কৰি তোলে। গৱেষণাত এইটোও স্পষ্ট হৈছে যে ৰাজনৈতিক সন্ত্রাসৰ সমান্তৰালভাৱে সমাজত এক অর্থনৈতিক আৰু গাঁথনিক সন্ত্রাসো চলি থাকে। 'পৰমা আৰু এজাক নিগনি' গল্পত প্রকাশ পোৱা দৰিদ্রতা আৰু অভাবৰ যন্ত্রণা সন্ত্রাসৰ অন্য এক ৰূপ, যিয়ে মানুহৰ জীৱনক তিলতিলকৈ ধ্বংস কৰে।

মনোজ কুমাৰ গোস্বামীৰ গল্পসমূহ কেৱল এটা বিশেষ কালখণ্ডৰ সাহিত্য পৰিৱর্তে ই মানৱীয় অস্তিত্বৰ চিৰকালীন সংগ্রামৰ এক নির্মম বাস্তৱক বহন কৰে। গোস্বামীয়ে সন্ত্রাসক এক তাত্ত্বিক আৰু সমাজতাত্ত্বিক দৃষ্টিকোণেৰে উপস্থাপন কৰি অসমীয়া চুটিগল্পলৈ এক নতুন মাত্রা কঢ়িয়াই আনিছে। তেওঁৰ গল্পই আমাক সোঁৱৰাই দিয়ে যে বন্দুকৰ নলীৰ পৰা ওলোৱা গুলীয়ে কেৱল এটা শৰীৰ হত্যা নকৰে, ই এখন সমাজৰ বিশ্বাস, নৈতিকতা আৰু সপোনবোৰকো নিপাত কৰে। সন্ত্রাসৰ এই বহুমাত্রিক প্রতিফলনক অতি সূক্ষ্মতাৰে আৰু শিল্পসন্মতভাৱে ধৰি ৰখাত মনোজ কুমাৰ গোস্বামী সফল হৈছে।

প্রসংগ টোকাঃ

১. Michel Foucault, Discipline and Punish pp.170.
২. Giorgio Agamben, State of Exception pp.1.
৩.Cathy Caruth, Unclaimed Experience. Trauma, Narrative, and History pp.4
৪.Albert Camus, The Myth of Sisyphus and Other Essays pp.21
৫.Jean-Paul Sartre, Being and Nothingness pp.567

গ্রন্থপঞ্জীঃ

মূল গ্রন্থঃ

গোস্বামী, মনোজ কুমাৰ। *সমীৰণ বৰুৱা আহি আছে*। গুৱাহাটীঃ অসম বুক হাইভ, ২০২১।

****

প্রাসংগিক গ্রন্থঃ

অসমীয়াঃ

গগৈ, অন্বেশ্বৰ, (সম্পা.)। *চুটিগল্পৰ বিচাৰ*। গুৱাহাটীঃ চন্দ্র প্রকাশ, ২০১২।

বৰা, অপূর্ব, (সম্পা.)। *অসমীয়া চুটিগল্প: ঐতিহ্য আৰু বিৱর্তন*। যোৰহাটঃ যোৰহাট কেন্দ্রীয় মহাবিদ্যালয় প্রকাশন কোষ, ২০১২।

বৰুৱা, প্রহ্লাদ কুমাৰ। *অসমীয়া চুটিগল্পৰ অধ্যয়ন*। ডিব্রুগড়ঃ বনলতা, ২০০৬।

ইংৰাজীঃ

Agamben, Giorgio. *State of Exception*. Translated by Kevin Attell, University of Chicago Press, 2005.

Camus, Albert. *The Myth of Sisyphus and Other Essays*. Translated by Justin O'Brien, Vintage Books, 1955.

Caruth, Cathy. *Unclaimed Experience. Trauma, Narrative, and History*. Johns Hopkins University Press, 1996.

Foucault, Michel. *Discipline and Punish. The Birth of the Prison*. Translated by Alan Sheridan, Vintage Books, 1995.

Sartre, Jean-Paul. *Being and Nothingness.* Translated by Hazel E. Barnes, Washington Square Press, 1992.

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

নক্টে ভাষাৰ স্বৰধ্বনিৰ বিশ্লেষণ

ড° অমৰ শইকীয়া

সহকাৰী অধ্যাপক, সৰুপথাৰ মহাবিদ্যালয়

সাৰাংশ

অৰুণাচল প্ৰদেশ আৰু অসমৰ সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা নক্টে জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতি অত্যন্ত সমৃদ্ধ। তিব্বত-বৰ্মী ভাষা পৰিয়ালৰ অন্তৰ্গত আৰু প্ৰায় ৩৬,০০০ লোকৰ মুখে মুখে প্ৰচলিত নক্টে ভাষাৰ সাম্প্ৰতিক সময়ত বৈজ্ঞানিক সংৰক্ষণ আৰু মান্য ৰূপ (Standardization) গঠনৰ তীব্ৰ প্ৰয়োজনীয়তা দেখা গৈছে। এই পটভূমিত প্ৰস্তুত কৰা বৰ্তমানৰ গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য হৈছে নক্টে ভাষাৰ স্বৰধ্বনিসমূহৰ এটি বিজ্ঞানসম্মত আৰু বৰ্ণনাত্মক বিশ্লেষণ ডাঙি ধৰা। ক্ষেত্ৰভিত্তিক অধ্যয়নক মুখ্য সমল হিচাপে লৈ বৰ্ণনাত্মক আৰু ঐতিহাসিক পদ্ধতিৰে কৰা এই অধ্যয়নত নক্টে ভাষাৰ ঘাই ৬ টা স্বৰধ্বনি চিনাক্ত কৰা হৈছে। এই স্বৰধ্বনিসমূহৰ উচ্চাৰণৰ স্থান (সন্মুখ, কেন্দ্ৰীয় আৰু মূলীয়) আৰু উচ্চাৰণৰ ধৰণ (উচ্চ, উচ্চমধ্য, মধ্য, নিম্নমধ্য আৰু নিম্ন) অনুসৰি শ্ৰেণীবিভাজন কৰাৰ লগতে শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত এইবোৰৰ প্ৰয়োগ উদাহৰণসহ বিশ্লেষণ কৰা হৈছে। ইয়াৰ উপৰিও স্বৰবৰ্ণসমূহৰ পাৰ্থক্য নিৰূপণৰ বাবে 'বিৰোধ বিচাৰ' আৰু 'স্বৰ সংযুতি'ৰ স্বৰূপো ইয়াত আলোচনা কৰা হৈছে। সাম্প্ৰতিক সময়ত লিপিৰ সমস্যা, পাঠ্যপুথি তথা ব্যাকৰণৰ অভাৱ আৰু নৱপ্ৰজন্মৰ হীনমন্যতাবোধৰ বাবে নক্টে ভাষা সংকটাপন্ন হৈ পৰিছে। এই অধ্যয়নে ভাষাটোৰ উপভাষিক বৈচিত্ৰ্যৰ মাজৰ পৰা এটি সৰ্বসম্মত মান্য ৰূপ প্ৰদান কৰাত আৰু ভৱিষ্যতৰ ভাষা-সংৰক্ষণৰত এক গুৰুত্বপূৰ্ণ প্ৰামাণ্য দলিল হিচাপে সহায় কৰিব বুলি আশা কৰা হৈছে।

বীজ শব্দঃ নক্টে ভাষা, স্বৰধ্বনি, বৰ্ণনাত্মক বিশ্লেষণ, বিৰোধ বিচাৰ, ভাষা সংৰক্ষণ

১.০ অৱতৰণিকাঃ

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল ভাষা আৰু সংস্কৃতিৰ বৈচিত্ৰ্যময় মিলনভূমি। এই অঞ্চলৰ অন্যতম প্ৰাকৃতিক প্ৰাচুৰ্যৰে ভৰপূৰ ৰাজ্য অৰুণাচল প্ৰদেশত সুকীয়া ভাষিক আৰু সাংস্কৃতিক পৰিচয়েৰে সমৃদ্ধ হৈ বসবাস কৰি থকা এটা উল্লেখযোগ্য জনগোষ্ঠী হৈছে নক্টেসকল। বুৎপত্তিগত দিশৰ পৰা বিচাৰ কৰিলে দেখা যায় যে 'নক্টে' শব্দটো দুটা বিশেষ অংশৰ সংমিশ্ৰণত গঠিত - য'ত 'নক্' মানে হৈছে 'মানুহ' আৰু 'টে' মানে হৈছে 'গাঁও'; অৰ্থাৎ সামগ্ৰিকভাৱে ইয়াৰ অৰ্থ হ'ল 'গাঁৱত বাস কৰা লোক বা এক সংগঠিত সমাজৰ বাসিন্দা'[৭]। নক্টেসকলৰ আদি বাসস্থান আৰু প্ৰব্ৰজনৰ ইতিহাস সম্পৰ্কে বিভিন্ন লোককথা তথা ঐতিহাসিক সমল পোৱা যায়। তেওঁলোকৰ পৰম্পৰাগত বিশ্বাস অনুসৰি, বিশ্বৰ সৃষ্টিৰ দেৱতা 'ঝাওবান' (Jauban) এ সমগ্ৰ মানৱজাতিৰ লগতে তেওঁলোককো

****

সৃষ্টি কৰিছিল। পৰৱৰ্তী সময়ৰ বিভিন্ন ঐতিহাসিক তথা নৃগোষ্ঠীয় অধ্যয়নৰ পৰা এই কথা স্পষ্ট হৈছে যে অৰুণাচলৰ বৰ্তমানৰ মূল ভূমিলৈ অহাৰ আগতে নক্টেসকলে পাটকাই পৰ্বতমালা পাৰ হৈ ম্যানমাৰ (বাৰ্মা)ৰ সীমান্তৰ পৰা প্ৰব্ৰজন কৰিছিল।[৮]

ঐতিহাসিক কালৰে পৰা অৰুণাচল প্ৰদেশৰ মূল ভূখণ্ডৰ উপৰি অসমৰ অৰুণাচল সীমান্তৱৰ্তী অঞ্চলত বাস কৰা নক্টে সমাজৰ সৈতে অসমৰ ভৈয়ামৰ লোকসকলৰ এক গভীৰ বাণিজ্যিক, সামাজিক তথা সাংস্কৃতিক সু-সম্পৰ্ক বৰ্তি আহিছে আৰু এই ধাৰা বৰ্তমানেও অক্ষুণ্ণ আছে। মধ্যযুগৰ আহোম ৰাজত্ব কালত এই জনজাতীয় লোকসকলৰ সৈতে থকা সম্পৰ্ক আৰু থলুৱা ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি তেওঁলোকক নামচঙীয়া, বৰদুৱৰীয়া, পানীদুৱৰীয়া, বানফেৰীয়া, শ'ল'গুৰীয়া আদি বিভিন্ন নামেৰে অভিহিত কৰা হৈছিল। প্ৰজাতিগত তথা নৃবৈজ্ঞানিক শ্ৰেণীবিভাজনৰ দিশৰ পৰা নক্টেসকল মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত। এই জনগোষ্ঠীটো নিজৰ স্বকীয় লোকসংস্কৃতি, পৰম্পৰাগত খাদ্যসম্ভাৰ, নান্দনিক সাজ-পোচাক আৰু অনন্য জীৱনধাৰণ প্ৰণালীৰ বাবে সমাজত সুকীয়া পৰিচয় লাভ কৰিবলৈ সক্ষম হৈছে।

ভাষিক দৃষ্টিকোণৰ পৰা নক্টেসকলে নিজৰ প্ৰথম ভাষা বা মাতৃভাষা হিচাপে কথিত ৰূপত 'নক্টে ভাষা' ব্যৱহাৰ কৰি আহিছে। নক্টে ভাষাটো পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ ভাষা পৰিয়ল তিব্বত চিনীয়ৰ তিব্বত-বৰ্মীয় উপশাখাৰ অন্তৰ্গত।বৰ্তমান প্ৰায় ৩৬,০০০ লোকৰ মাজত প্ৰচলিত এই নক্টে ভাষা ভাষিক উপাদান আৰু আভ্যন্তৰীণ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। ভৌগোলিক আৰু আঞ্চলিক পাৰ্থক্যৰ বাবে এই ভাষাৰ ভিতৰতে কেইবাটাও ঔপভাষিক ৰূপৰো প্ৰচলন দেখা যায়। এই আলোচনাত নক্টে ভাষাৰ স্বৰধ্বনিসমূহৰ প্ৰকৃতি, উচ্চাৰণৰ স্থান-ধৰণ আৰু শব্দৰ বিভিন্ন স্থানত ইয়াৰ ব্যৱহাৰিক প্ৰয়োগ সম্পৰ্কে এটি শৃংখলাবদ্ধ আৰু বিজ্ঞানসন্মত বৰ্ণনাত্মক অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

১.১ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

- নক্টে ভাষাৰ স্বৰধ্বনিসমূহৰ বিজ্ঞানসন্মত ভাষাতাত্ত্বিক পৰিচয় ডাঙি ধৰা।
- এই ধ্বনিগত অধ্যয়নৰ জৰিয়তে পৰৱৰ্তী সময়ত ভাষাটোৰ ব্যাকৰণ আৰু অভিধান প্ৰণয়নৰ পথ প্ৰশস্ত কৰা।
- নক্টে ভাষাৰ বিভিন্ন উপভাষাসমূহৰ মাজৰ পৰা এটি সৰ্বসন্মত মান্য ৰূপ নিৰ্ধাৰণ কৰা, যাতে জনগোষ্ঠীটোৰ আভ্যন্তৰীণ ভাব-বিনিময়ত সুবিধা হয়।
- নতুন প্ৰজন্মৰ মাজত হ্ৰাস পাই অহা নক্টে ভাষাৰ ব্যৱহাৰক লৈ ভাষিক সচেতনতা বৃদ্ধি কৰা আৰু ভাষাটো বিলুপ্তিৰ পৰা সংৰক্ষণ কৰা।

১.২ অধ্যয়নৰ পদ্ধতি

এই অধ্যয়নত ঘাইকৈ বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। ইয়াৰ জৰিয়তে নক্টে ভাষাৰ বৰ্তমান সমাজত প্ৰচলিত কথিত ৰূপটোক সূক্ষ্মভাৱে নিৰীক্ষণ কৰি তাৰ স্বৰধ্বনিসমূহ বিশ্লেষণ কৰা হৈছে।

নক্টে জনগোষ্ঠীটোৰ পৰিচিতি, প্ৰব্ৰজনৰ ইতিহাস আৰু ভাষাটোৰ মূল উৎস নিৰ্ণয়ৰ ক্ষেত্ৰত আংশিকভাৱে ঐতিহাসিক পদ্ধতিৰ আশ্ৰয় লোৱা হৈছে। আলোচনাটো প্ৰস্তুত কৰোঁতে নক্টেভাষী অঞ্চলৰ পৰা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে সংগ্ৰহ কৰা প্ৰাথমিক সমলসমূহক মুখ্য আধাৰ হিচাপে লোৱা হৈছে। প্ৰাথমিক সমলৰ উপৰিও বিষয়টোৰ প্ৰাসংগিক পূৰ্বপ্ৰকাশিত পুথি-পাঁজি, গৱেষণা প্ৰবন্ধ আৰু ইণ্টাৰনেটৰ বিশ্বাসযোগ্য তথ্যসমূহ গৌণ সমল হিচাপে ব্যৱহাৰ কৰা হৈছে।

****

২.০ বিষয়ৰ আলোচনাঃ

নক্টে ভাষাৰ স্বৰধ্বনিঃ

নক্টে ভাষাৰ স্বৰবৰ্ণ ছ টা। তলত ওঁঠৰ আকৃতি আৰু জিভাৰ অৱস্থান অনুসৰি এইসমূহ এনেধৰণে দেখুৱাব পাৰি—

উচ্চাৰণৰ স্থান অনুসৰি নক্টে ভাষাৰ স্বৰবৰ্ণঃ

সম্মুখ ঃ	/i/, /e/
কেন্দ্রীয় ঃ	/a/
মূলীয় ঃ	/í/, /O/,/Á/

উচ্চাৰণৰ ধৰণ অনুসৰি নক্টে ভাষাৰ স্বৰবৰ্ণঃ

উচ্চঃ	/i/, /í/
উচ্চমধ্য ঃ	/e/
মধ্য ঃ	/O/
নিম্নমধ্য ঃ	/Á/
নিম্ন ঃ	/a/

স্বৰবৰ্ণসমূহৰ প্রয়োগ বিশ্লেষণঃ

/i/

প্রান্তীয়, বিবৃত স্বৰৰূপে উচ্চাৰিত হয়। ইয়াৰ উচ্চাৰণ উচ্চ আৰু সুথিৰ। শব্দৰ আদি, মধ্য আৰু অন্ত্য তিনিওটা অৱস্থানতে উচ্চাৰিত হয়। উদাহৰণ —

আদি অৱস্থানত ঃ	[inaÎ]	'তাত'
	[ipa]	'সেইটো'
মধ্য অৱস্থানত ঃ	[sia]	''মধ্যমা আঙুলি'
	[riÎ]	''ঘঁৰিয়াল'
	[miaÎ]	'মেকুৰী'
অন্ত্য অৱস্থানত ঃ	[ni]	''আমি'
	[makakui]	''শিয়াল'
	[rai]	''সহায়'
	[lOi]	''ম'হ'

/e/

প্রান্তীয় উচ্চ -মধ্য স্বৰ। ওঁঠৰ অৱস্থান বিবৃত। আদি, মধ্য আৰু অন্ত্য তিনিওটা অৱস্থানতে উচ্চাৰিত হয়। উদাহৰণ —

আদি অৱস্থানত ঃ	[epa]	''এইটো'
	[enanÎ]	''এইফালে'
মধ্য অৱস্থানত ঃ	[keÎ]	''গাঁও'

	[mei]	'ছাগলী'
	[pʰaseĨ]	'এবিধ ৰঙা পৰুৱা'
অন্ত্য অৱস্থানত ঃ	[he]	''তেজ'
	[me]	''নেজ'
	[zakke]	'সোঁহাত'
	[Ĩate]	'এবিধ সৰু মাছ'

/a/

এই স্বৰৰ উচ্চাৰণ নিম্ন কেন্দ্রীয়। ইয়াৰ উচ্চাৰণ আনবোৰ স্বৰতকৈ কিছু বিস্তৃত। তিনিওটা অৱস্থানতে ইয়াৰ প্রয়োগ হয়। উদাহৰণ —

আদি অৱস্থানত ঃ	[aluĨ]	'পোহৰ'
	[aria]	'দেখ' '
	[atsin]	'লেতেৰা'
মধ্য অৱস্থানত ঃ	[pʰak]	'বাহু' '
	[lam̃]	'ৰাষ্টা'
	[Ĩam]	'পেশী'
অন্ত্য অৱস্থানত ঃ	[na]	'কাণ'
	[pa]	'দাঁত' '
	[Va]	'দেউতা'

/i/

উচ্চ, মূলীয় আৰু সংবৃত্ত স্বৰ। আদি অৱস্থানত ইয়াৰ প্রয়োগ নাই। উদাহৰণ —

মধ্য অৱস্থানত ঃ	[kím] '	'ৰঙালাও'
	[balím]	'আকাশ'
অন্ত্য অৱস্থানত ঃ	[hí]	'কুকুৰ'
	[kʰí]	'ন' (৯)

/O/

সংবৃতৌষ্ঠ মধ্য মূলীয় স্বৰ। উচ্চাৰণত ওঁঠ দুখন গোলাকাৰ হৈ পৰে। আদি অৱস্থানত ইয়াৰ প্রয়োগ নাই। মধ্য আৰু অন্ত্য অৱস্থানত প্রয়োগ পোৱা যায়। উদাহৰণ —

মধ্য অৱস্থানত ঃ	[bOli]	'চাৰি'
	[mOk]	'গাধ'
	[sOk]	'থু'

****

	[rOd]	'খাদ্যনলী'
অন্ত্য অৱস্থানত ঃ	[bO]	'ডিঙি'
	[VsarO]	'পাখি'
	[zO]	'পানী'

/Á/

মূলীয় স্বৰবোৰৰ ভিতৰত /Á/ স্বৰ নিম্নতম। ওঁঠ দুটা সংবৃত্তত্ব, ইয়াৰ উচ্চাৰণত সবাতোকৈ কম, প্রায় বিবৃতৰ দৰেই। ইয়াৰ উচ্চাৰণৰ ক্ষেত্র /a/তকৈ আপেক্ষিকভাৱে কিছু উন্নত। তিনিওটা অৱস্থানত ইয়াৰ প্রয়োগ পোৱা যায়। উদাহৰণ —

আদি অৱস্থানত ঃ	[Áti]	'কণী'
মধ্য অৱস্থানত ঃ	[rÁk]	'ছয়'
	[rÁÎ]	'শিং'
অন্ত্য অৱস্থানত ঃ	[kampÁ]	'ফুল'
	[zu-pÁ]	'এন্দুৰ'

স্বৰবর্ণৰ বিৰোধ বিচাৰঃ

/i/:/e/	[k^hiÎ]	'কঁকাল'	[k^heÎ]	'নাক'
	[si]	'আঙুলি'	[se]	'মহিলাৰ যৌনাংগ''
	[taÈi]	'তেজ''	[taÈe]	'গিবন' বান্দৰ বিশেষ
/a/:/O/	[an]	'খৰি'	[On]	'জালুক'
	[p^hak]	'বাহু'	[p^hOk]	'চুঙা বাদুলী'
	[ba]	'গছ'	[bO]	'থোপা'
	[la]	'শেন চৰাই''	[lO]	'শগুণ'
/O/:/u/	[bO]	'ডিঙি'	[bu]	'তিলয়মাহ'
	[rOn]	'চেলাউৰি''	[run]	'হাড়'
	[rOd]	'খাদ্যনলী''	[rud]	'শিং'
/i/:/O/	[tik]	'ৰন্ধা পাত্র'	[tOk] `	'জুহালত থকা পাত্র'
/i/:/O/	[k^hi]	'শৌচালয়''	[k^hO]	'মোনা'
	[ri]	'গজালি''	[rO]	'লতা'
	[pi]	'ফুল''	[pO]	'ফুলনি'

****

স্বৰ সংযুতিঃ

নক্টে ভাষাত দুটা স্বৰৰে কেইবাটাও সংযুতি পোৱা যায়। কেইটামান এনে সংযুতি —

Áa	pÁak	'হাতী'
	mikk^{h}Áan	'চকুৰ মণি'
	kínÁak	'গুডাম ঘৰ'
	bÁan	'মহিলাৰ হোৱা'
iÁ	®iÁÎ	'গাহৰি'
ea	litp^{h}eaÎ	'হাড় (এবিধ অলংকাৰ)'
ie	Vanhiet	'দিয়াশলাই'
	VÁhírien	'কুকুৰা গড়াল'
ia	miniaÎ	'মানুহ'
í a	t^{h}ínk^{h}íap	'ওঁঠ'
	Üts íakk^{h}O	'ৰাজহাড়'
Oa	rOam	'কঁকাল'

৩.০ উপসংহাৰঃ

এই অধ্যয়নৰ জৰিয়তে নক্টে ভাষাৰ কথিত ৰূপত ছটা স্বৰধ্বনি সুনির্দিষ্টভাৱে চিনাক্ত কৰা হৈছে। উচ্চাৰণৰ স্থান অনুসৰি স্বৰধ্বনিসমূহ সন্মুখ, কেন্দ্রীয় আৰু মূলীয় হিচাপে আৰু উচ্চাৰণৰ ধৰণ অনুসৰি উচ্চৰ পৰা নিম্নলৈকে বিভাজন কৰা হৈছে।

নক্টে ভাষাৰ স্বৰধ্বনিসমূহৰ শব্দৰ আটাইকেইটা অৱস্থান (আদি, মধ্য, অন্ত্য)ত সমানে ব্যৱহাৰ নহয়। স্বৰধ্বনিৰ প্রকৃতি সমান নহয়। ই ভাষাটোৰ স্বৰধ্বনিৰ প্রয়োগৰ এক অন্যতম বিশেষত্ব। নক্টে ভাষাৰ শব্দগঠন প্রক্রিয়াত দুটা স্বৰধ্বনিৰ পাৰস্পৰিক সংযুতি বা দ্বিস্বৰৰ প্রাচুর্য পোৱা যায়।

ক্ষেত্রভিত্তিক অধ্যয়নৰ পৰা স্পষ্ট হৈছে যে নক্টে জনগোষ্ঠীৰ অঞ্চলভেদে প্রচলিত ঔপভাষিক ৰূপসমূহৰ মাজত ধ্বনিগত ভিন্নতা আছে, যাৰ বাবে পাৰস্পৰিক ভাব-বিনিময়ত অন্তৰায় সৃষ্টি হয়। সেয়েহে, এই ধ্বনিগত বৈশিষ্ট্যসমূহক মূল আধাৰ হিচাপে লৈ ভাষাটোৰ এটি 'মান্য ৰূপ' নির্ধাৰণ কৰাটো ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা জৰুৰী হৈ পৰিছে।

নক্টে ভাষা উত্তৰ-পূর্বাঞ্চলৰ অৰুণাচল প্রদেশৰ এটা জনগোষ্ঠীয় ভাষা। সাম্প্রতিক সময়ত এই জনগোষ্ঠীয় ভাষাটো বিভিন্ন সমস্যাৰে জর্জৰিত হোৱাৰ লগতে ভাষাটো জীয়াই ৰখা আৰু ভাষাবোৰ ভৰিষ্যতলৈ সংৰক্ষণ কৰাৰ ক্ষেত্রতো বহুতো সমস্যা তথা বাধা আহি পৰিছে। এই ভাষাৰ বিকাশৰ ক্ষেত্রত লিপিৰ সমস্যা, পাঠ্যপুথিৰ সমস্যা, ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন নোহোৱাৰ কাৰণে দেখা দিয়া ব্যাকৰণ আৰু অভিধান প্রণয়নৰ সমস্যা, জনগোষ্ঠীয় নৱপ্রজন্মৰ মাজত নিজা ভাষাটোৰ প্রতি হীনমন্যতাবোধ – ইত্যাদিয়েই প্রধান।

গতিকে সাম্প্রতিক যুগৰ লগত খাপ খাব পৰাকৈ এই ভাষা চর্চা আৰু অধ্যয়নৰ লগতে সর্বসন্মত লিপি গ্রহণ, বিজ্ঞানসন্মতভাৱে প্রণয়ন কৰা অভিধান, পাঠ্যপুথি আদিয়ে ভাষাৰ বিকাশত দেখা দিয়া সমস্যাসমূহ দূৰ কৰিব পাৰিব। এই ক্ষেত্রত সময়ৰ সকীয়নি মনত ৰাখি ভাষাক সমৃদ্ধ কৰাৰ অবিৰত যত্নৰ বাবে নিজকে সংশ্লিষ্টসকলে প্রস্তুত কৰিব লাগিব। নক্টে ভাষাটোৰ বিষয়ে অধ্যয়ন আৰু গৱেষণা কৰি এই ভাষাটোক এটা সুশৃংখলিত ৰূপ দি বিকাশ লাভ কৰাৰ ক্ষেত্রত চেষ্টা চলোৱাটো ভাষাপ্রেমীসকলৰ এক গুৰুত্বপূর্ণ কাম হ'ব। ■■

প্রসংগ সূত্রঃ

৭. Parul Dutta, (2003) *The Noctes*, P. 8

Nocte means "People living in an organised community." (Noc = village, and te = people, i.e. "One who lives in a villagee" or "Village people"

৮. Ibid P. 14.

"Legends of migration described the journey from Burma beyond the Patkai hills locations of their present villagers"

৯. Pramod Ch. Bhattacharji, "Sino Tibetan Languages of North East India : Social Aspect ", Mrinal Miri., Ed. (2003) *Linguistic Situation in North East India.* P 133

১০. Lawang, Wangpha, *The Land and the People*, retrieved from http://tirap.nic.in/arti4.aspx May 10, 2013.

"In view of such difference dialect spoken by various groups of Noctes a crude of Assamese groups of Noctes is also spoken to communicated amongest themselves."

গ্রন্থ পঞ্জীঃ

Borpujari, H.K. : *Problem of Hill Tribes*, North East Frontier, Guwahati, United Publishers, 1978

Boruah, H.M. : *Encyclopedia of North East India*, Vol. I, New Delhi, Mittal Publication, 2001

Dhar, Bibhas & Coomar, Palash ch. (ed.) : *Tribes of Arunachal Pradesh*, History and *Culture,* Delhi, abhijit Publication, 2004

Das Gupta, K. : *An Introduction to Nocte Language*, Shillong, Director of Information and Public Realtion, NEFA, 1st Published, 1971

Dutta Boruah, P.N. : *Language of North East*, Mysore, CIIL, 1997

Dutta, Parul : *The Noctes*, Shillong, Director of Research, Govt of Arunachal Pradesh, 1978

Dutta, Parul : *Tribel Chieftainship*, Itanagar, First Edition 2003.

Goswami, S.N. : *Studies in Sino Tibettan Language*, Guwahati, Mondira Goswami (Publisher), 1988

Grierson, G. A. : *Linguistics Survey of India*, Vol : III, Part : II, New Delhi, Monital Banersidas, 1967

Gupta, R.S. & : *Language & the State,* New Delhi, Creative Abbi, etal. Books, 1995

Miri, Mrinal : *Linguistic Situation in North East India*, Shillong, NEICSSR, 2003, 2nd Edition

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

গোৱালপৰীয়া উপভাষাৰ শব্দ সাধনৰ প্ৰত্যয়

(স্থানীয় কথ্যৰূপৰ বিশেষ প্ৰসংগত)

ড° ৰান্না দাস, সহকাৰী অধ্যাপক
কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়
গুৱাহাটী, অসম।

সাৰাংশ

অসমীয়া ভাষাক শব্দ সাধনৰ প্ৰত্যয়ৰ ব্যৱহাৰৰ বৈচিত্ৰ্যই এক বিশেষ বিশিষ্টতা প্ৰদান কৰিছে। অসমীয়া ভাষাৰ অন্যতম উপভাষা গোৱালপৰীয়া উপভাষাতো শব্দ সাধনৰ প্ৰত্যয়ৰ ব্যৱহাৰৰ বৈচিত্ৰ্যতা লক্ষ্য কৰা যায়। অসমীয়া মান্যৰূপৰ মিল থকা প্ৰত্যয়ৰ ব্যৱহাৰৰ সমান্তৰালভাৱে মিল নথকা প্ৰত্যয় ৰূপবো ব্যৱহাৰ আছে। মিল থকা প্ৰত্যয়সমূহবো বেছিভাগ ক্ষেত্ৰতে ধ্বনিগত পৰিবৰ্তন লক্ষ্য কৰা যায়। উপভাষাটোৰ স্থানীয় কথ্যৰূপসমূহতো এই বিধ প্ৰত্যয়ৰ প্ৰয়োগ বিশেষ তাৎপৰ্যপূৰ্ণ। স্থানীয় কথ্যৰূপসমূহত একে ধৰণৰ অৰ্থ প্ৰকাশ কৰিবৰ বাবে ভিন ভিন প্ৰত্যয়ৰ প্ৰয়োগ বিশেষ লক্ষণীয়। এই উপভাষাত শব্দসাধন প্ৰত্যয়ৰ প্ৰয়োগৰ দিশত কামৰূপী উপভাষাৰ লগত সাদৃশ্য আৰু বৈসাদৃশ্য দুয়োটা দিশেই দেখা যায়। এই গবেষণা-পত্ৰখনত এই সকলো দিশ পৰ্যালোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

সাৰশব্দ ঃ শব্দ সাধন, প্ৰত্যয়, গোৱালপৰীয়া উপভাষা, স্থানীয় কথ্যৰূপ, ৰূপতত্ত্ব।

০.১ অৱতৰণিকা

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এটি উল্লেখযোগ্য দিশ হ'ল শব্দ সাধনৰ প্ৰত্যয়। ধাতু বা নাম শব্দৰ পিছত বিভিন্ন প্ৰত্যয় যোগ দি নতুন নতুন অৰ্থবাচক শব্দ সাধন কৰা প্ৰত্যয়বোৰেই হ'ল শব্দ সাধনৰ বা শব্দ গঠনৰ প্ৰত্যয়। গাঁঠনিক দিশৰ পৰা এই প্ৰত্যয়বোৰক প্ৰধানভাৱে দুটা ভাগত ভগাব পাৰি- (ক) কৃৎ প্ৰত্যয় আৰু (খ) তদ্ধিত প্ৰত্যয়। ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়বোৰক কৃৎ প্ৰত্যয় আৰু নাম শব্দৰ পিছত যোগ হোৱা প্ৰত্যয়বোৰক তদ্ধিত প্ৰত্যয় বুলি কোৱা হয়। ভাষাবিদ উপেন্দ্ৰনাথ গোস্বামীয়ে *তেওঁৰ অসমীয়া ভাষাৰ ৰূপ-কথা, অসমীয়া ভাষাৰ-ব্যাকৰণ* আদি পুথিত ইয়াৰ আলোচনা দাঙি ধৰিছে। কৃৎ-প্ৰত্যয়ক মুখ্য প্ৰত্যয় আৰু তদ্ধিত-প্ৰত্যয়ক গৌণ প্ৰত্যয় বুলিও কোৱা হয়।

অসমীয়া ভাষাত কৃৎ আৰু তদ্ধিত প্ৰত্যয়ৰ উপৰি আৰু এক শ্ৰেণীৰ প্ৰত্যয়ৰ ব্যৱহাৰ হোৱা দেখা যায়। এই প্ৰত্যয়বিধ হ'ল পূৰ্ব প্ৰত্যয়। পূৰ্ব প্ৰত্যয়ে শব্দৰ আগত বহি নতুন অৰ্থবাচক শব্দ গঠন কৰে। অসমীয়া ভাষাৰ গোৱালপৰীয়া উপভাষাতো কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয় আৰু পূৰ্ব প্ৰত্যয়ৰ বহুল প্ৰয়োগ আছে। এই উপভাষাত প্ৰয়োগ হোৱা প্ৰত্যয়সমূহৰ কিছুমান মান্য অসমীয়াৰ লগত মিল থকা আৰু কিছুমান মিল নথকা। উপভাষাটোত ব্যৱহাৰ হোৱা শব্দ সাধনৰ প্ৰত্যয়সমূহ যদিও মান্য অসমীয়াতকৈ সুকীয়া তথাপি অৰ্থগত দিশৰ পৰা ৰূপসমূহৰ মাজত ভিন্নতা নাই।

****

০.২ অধ্যয়নৰ উদ্দেশ্য

শব্দ সাধনৰ প্রত্যয়সমূহ অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ এটি বিশেষ বৈশিষ্ট্য। অসমীয়া ভাষাৰ অন্যতম উপভাষা গোৱালপৰীয়া উপভাষাত ব্যৱহাৰ হোৱা শব্দ সাধনৰ প্রত্যয়সমূহৰ বিষয়ে বিস্তৃতভাবে পর্যালোচনা কৰাই এই গবেষণা-পত্রখনৰ মূল উদ্দেশ্য। গোৱালপৰীয়া উপভাষাৰ স্থানীয় ৰূপসমূহত ব্যৱহৃত শব্দ সাধনৰ প্রত্যয়সমূহৰ ভিন্নতা সম্পর্কেও ইয়াত বিশ্লেষণ কৰাৰ প্রয়াস কৰা হ'ব।

০.৩ বিষয়ৰ পূর্ব অধ্যয়ন

গোৱালপৰীয়া উপভাষা সম্পর্কে ইতিমধ্যে বিভিন্ন ধৰণৰ আলোচনা বা অধ্যয়ন সম্পন্ন হৈছে। পণ্ডিতসকলে তেওঁলোকৰ বিভিন্ন গ্রন্থৰাজিৰ জৰিয়তে এই উপভাষা সম্পর্কে বিভিন্ন অভিমত আগবঢ়াইছে। এইবোৰৰ ভিতৰত গ্রীয়ার্ছনৰ *The Linguistic Survey of India* (1912), বাণীৰকান্ত কাকতিৰ গবেষণা-গ্রন্থ— *Assamese, Its Formation and Development* (1941), উপেন্দ্রনাথ গোস্বামীৰ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ* (১৯৯১), ৰমেশ পাঠকেৰ *অসমীয়া ভাষাৰ ইতিহাস* (১৯৮৫), দীপংকৰ মৰলৰ *উপভাষা বিজ্ঞান* (১৯৯৭), ভীমকান্ত বৰুৱাৰ*অসমীয়া ভাষা* (১৯৯৭) উল্লেখযোগ্য।

ওপৰত উল্লেখ কৰা গ্রন্থসমূহৰ উপৰি আৰু ভালেমান মৌলিক আৰু সম্পাদিত গ্রন্থত গোৱালপৰীয়া উপভাষা সম্পর্কে আলোচনা কৰা হৈছে। তাৰ ভিতৰত উল্লেখযোগ্য কেইখনমান হ'ল- বীৰেন্দ্রনাথ দত্তৰ *গোৱালপাৰীয়া লোক সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান* (১৯৮২) আৰু *ভাষা সাহিত্যৰ জলঙাইদি* (১৯৮৮), বিশ্বেশ্বৰ হাজৰিকাৰ *অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্রমবিকাশ* (১৯৮৮), প্রভাত ৰায়ৰ *গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সংস্কৃতি* (১৯৯১), পৃথ্বীশ নাৰায়ণ গোস্বামীৰ *ঐতিহ্যমণ্ডিত গোৱালপাৰা* (১৯৯৩), ধীৰেন দাসৰ *গোৱালপাৰীয়া লোকসংস্কৃতি আৰু লোকগীত* (১৯৯৪), ধ্রুবজ্যোতি বৰাৰ *অ' মোৰ সুৰীয়া মাত, আধুনিক জাতীয় ভাষা অসমীয়া ভাষাৰ বিকাশ* (১৯৯৪), নগেন ঠাকুৰ আৰু খগেশ সেন ডেকা সম্পাদিত *ভাষা-চিন্তা-বিচিত্রা* (২০০০), দীপ্তি ফুকন পাটগিৰি সম্পাদিত *অসমীয়া ভাষাৰ উপভাষা* (২০০৭), উপেন ৰাভা হাকাচামৰ *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা* (২০০৯), বিভা ভৰালী আৰু কল্পনা তালুকদাৰ সম্পাদিত *গোৱালপৰীয়া উপভাষাঃ ৰূপ-বৈচিত্রা* (২০০৯), দীপ্তি ফুকন পাটগিৰি সম্পাদিত *উপভাষা আৰু অসমৰ উপভাষা* (২০১০) ইত্যাদি।

গোৱালপৰীয়া উপভাষাৰ বিভিন্ন আঞ্চলিক ৰূপক লৈ সামগ্রিকভাৱে কেইবাগৰাকী গৱেষকে গ্রন্থ প্রস্তুত কৰি উলিয়াইছে। প্রধানতঃ বিশ্ববিদ্যালয়ৰ পি. এইচ. ডি. ডিগ্রী অথবা এম. ফিল, ডিগ্রীৰ বাবে গবেষণা কার্য সম্পন্ন হৈছে। এইবোৰৰ ভিতৰত ধীৰেন দাসৰ *The Dialect of Goalpara and Kamrupi: Comparative Analysis* (1990), অনিমা চৌধুৰীৰ *Goalporiya Dialect: Critical Study* (1992), খগেশ্বৰ নায়কৰ *ৰাজবংশী উপভাষাৰ বিশ্লেষণাত্মক অধ্যয়ন* (২০০৪), দিলীপ ৰাজবংশীৰ *শিৰসাগৰ আৰু গোৱালপাৰা জিলাৰ উপভাষাঃ এটি তুলনামূলক অধ্যয়ন* (২০১১) ইত্যাদি।

এইবোৰৰ উপৰি অসম সাহিত্য সভাৰ বিভিন্ন অধিবেশনৰ স্মৃতিগ্রন্থ আৰু সাহিত্য সভা পত্রিকাত গোৱালপৰীয়া উপভাষাৰ বিষয়ে বিভিন্ন আলোচনা হৈছে।

উল্লেখনীয় যে, ইয়াত উল্লেখ কৰা বেছিভাগ অধ্যয়নতে গোৱালপৰীয়া উপভাষাৰ সামগ্রিক আলোচনাহে দাঙি ধৰা হৈছে। নির্দিষ্টতাবাচক প্রত্যয়ৰ বিষয়ে কেইখনমান গৱেষণা-গ্রন্থ আৰু অতি কম সংখ্যক প্রবন্ধতহে কিছু আলোচনা আছে।

****

০.৪ অধ্যয়নৰ পদ্ধতি

এই গৱেষণা-পত্রখনি প্রস্তুত কৰিবলৈ প্রধানতঃ বর্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। প্রয়োজন সাপেক্ষে তুলনাত্মক পদ্ধতিও গ্রহণ কৰা হৈছে। প্রয়োজনীয় তথসমূহ প্রধানকৈ বিভিন্ন গ্রন্থ আৰু প্রৱন্ধাদিৰ পৰা সংগ্রহ কৰা হৈছে, কিঞ্চিৎ তথ্য ক্ষেত্র অধ্যয়নৰ পৰাও সংগ্রহ কৰা হৈছে। এই তথ্যসমূহ বিশ্লেষণ কৰি পদ্ধতিগতভাৱে ইয়াত উপস্থাপন কৰা হৈছে।

১.০ গোৱালপৰীয়া উপভাষাৰ শব্দ সাধনৰ প্রত্যয়

ধাতু বা নাম শব্দৰ পিছত বিভিন্ন প্রত্যয় যোগ দি নতুন নতুন অর্থবাচক শব্দ সাধন কৰা প্রত্যয়বোৰেই হ'ল শব্দ সাধনৰ বা শব্দ গঠনৰ প্রত্যয়। অসমীয়া ভাষাত 'মুখ্য বা কৃৎ প্রত্যয়বোৰ ধাতুৰ পিছত যোগ দি কিছুমান বিশেষ্য আৰু বিশেষণ শব্দ সজোৱা হয়। গৌণ বা তদ্ধিত প্রত্যয়বোৰ বিশেষ্য শব্দৰ পাছত যোগ দি নতুন বিশেষ্য শব্দৰ সৃষ্টি কৰিব পাৰি নাইবা বিশেষ্য শব্দৰ পৰা বিশেষণ শব্দ সজাব পাৰি। কেতিয়াবা বিশেষণ শব্দৰ পৰা অমূর্ত ভাৱ প্রকাশক বিশেষ্য শব্দ পাব পাৰি অথবা বিশেষণ শব্দৰ পৰা বিশেষণ শব্দ উৎপন্ন কৰিব পাৰি'।[২]

গোৱালপৰীয়া উপভাষাৰ শব্দসাধনৰ প্রত্যয়সমূহকো কৃৎ আৰু তদ্ধিত -এই দুটা বহল ভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি। এই উপভাষাতো ওপৰত আলোচনা কৰা ধৰণে শব্দ সাধন কৰা হয়। কৃৎ আৰু তদ্ধিতপ্রত্যয়ৰ উপৰি উপভাষাটোত পূর্ব প্রত্যয়ৰ ব্যৱহাৰো আছে। এই উপভাষাটোৰ সকলো প্রকাৰৰ শব্দ সাধনৰ প্রত্যয়ৰ আলোচনা তলত দাঙি ধৰা হ'ল—

কৃৎ প্রত্যয়ঃ

-আই ঃ বিশেষ্য পদ সাধিত হয়। যেনে—
জাচ্ + আই = জাচাই (বিবেচনা কৰা),
মৰ্ + আই = মাৰাই (মাৰা কাম) ইত্যাদি।

'-আইত' ঃ বিশেষণ পদ গঠন কৰা হয়। যেনে-
গাপ্ + আই = গাপাইত (গোপনীয়),
শাব্ + আইত = শ্যাবাইত (সেৰাৰ যোগ্য) ইত্যাদি।

'-আন্' ঃ বিশেষ্য আৰু বিশেষণ পদ সাধিত হয়। যেনে-
শুন্ + আন্ = শুনান্ (শুনানি), উৰ্ + আন্ = উৰান (উৰান),
ফিৰ্ + আন্ = ফিৰান্ (ফিৰোৱা) ইত্যাদি।

'-আনি' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
ঘুৰ্ + আনি = ঘুৰানি (ঘূৰণ),
ফিৰ্ + আনি = ফিৰানি (ফিৰণ) ইত্যাদি।

'-আইয়া' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
শুন্ + আইয়া = শুনাইয়া (শুনোতা),
দ্যাখ্ + আইয়া = দ্যাখাইয়া (দেখোতা) ইত্যাদি।

'-আৰু' ঃ বিশেষ্য পদ গঠন কৰা হয়। যেনে-
বুঝ্ + আৰু = বুঝাৰু (বিবেকবান),
ডুব্ + আৰু = ডুবাৰু (ডুবাৰু) ইত্যাদি।

'-অক্' ঃ বিশেষ্য পদ গঠন কৰা হয়। যেনে-
চৰ্ + অক্ = চৰক্ (পথ)

'-অন্' ঃ বিশেষ্য পদ গঠন কৰা হয়। যেনে-

****

চল্ + অন্ = চলন্,
পিট্ + অন্ = পিটন্ ইত্যাদি।

'-ইয়া' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠিত হয়। যেনে-
খা + ইয়া = খাইয়া (খাওঁতা)
চাশা + ইয়া = চাশাইয়া (চহ কৰোঁতা, খেতিয়ক-চাশা) ইত্যাদি।

'-উ' ঃ বিশেষণ পদ গঠন কৰা হয়। যেনে-
হাগ্ + উ = হাগু (পেট বেমাৰী),
হব্ + উ = হবু (ডাবিদিযা) ইত্যাদি।

'-উৰা' ঃ বিশেষণ পদ সাধন কৰা হয়। যেনে-
মুত্ + উৰা = মুতুৰা,
হাগ্ + উৰা = হাগুৰা ইত্যাদি।

'-উৰা' প্রত্যয়টো '-উৱে' ৰূপেও প্রয়োগ হয়। যেনে-
কান্দ্ + উৱে = কান্দুৱে (কান্দুৰা),
মুত্ + উৱে = মুতুৱে (মুতুৰা) ইত্যাদি।

'-উনি' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
পিন্ধ্ + উনি = পিন্দুনি (পৰিধান কৰা),
আন্দ্ + উনি = আন্দুনি (ৰান্ধনি) ইত্যাদি।

'-উইয়া' ঃ খা + উইয়া = খাউইয়া (খাওঁতা),
ক্ + উইয়া = কউইয়া (কওঁতা) ইত্যাদি।

'-ওক্' ঃ বিশেষ্য পদ সাধন কৰা হয়। যেনে-
মৰ্ + ওক্ = মৰোক (মৰা অর্থ),
চৰ্ + ওক্ = চৰোক্ (স্বর্গ) ইত্যাদি।

'-ওনা' ঃ বিশেষ্য পদ গঠিত হয়। যেনে-
গা + ওনা = গাওনা (গান),
ক + ওনা = কওনা (কথা), ইত্যাদি।

'-ওন্' ঃ বিশেষ্য পদ সাধিত হয়। যেনে-
বান্ধ্ + ওনা = বান্দোন (বান্ধোন),
ঢাক্ + ওনা = ঢাকোন (ঢাকোন) ইত্যাদি।

'-ওয়াল্' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠিত হয়। যেনে-
পাৰ্ + ওয়াল্ = পাৰোয়াল্ (সমর্থ),
ৰাখ্ + ওয়াল্ = ৰাখোৱাল্ (ৰখীয়া) ইত্যাদি।

'-না' ঃ বিশেষ্য পদ সাধন কৰা হয়। যেনে-
হাগ্ + না = হান্না (শৌচ হোৱা বেমাৰ),
মাৰ্ + না = মাৰ্না (পালোবান),
মাঙ্ + না = মাঙ্না (বিনামূলীয়া) ইত্যাদি।

'-নি' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
খাট্ + নি = খাট্নি (খাটনি),
পাগ্ + নি = পাগ্নি (ৰন্ধন) ইত্যাদি।

****

'-তি' ঃ বিশেষ্য আৰু বিশেষণ পদ সাধিত হয়। যেনে-
কাট্ + তি = কাট্তি (চাহিদা),
গণ্ + তি = গন্তি (গণন) ইত্যাদি।
'-ৰি' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
গাজা+ ৰি = গাজ্ৰি (গজালি) ইত্যাদি।
'-ই' ঃ বিশেষ্য পদ গঠন কৰা হয়। যেনে-
মাৰ্ + ই = মাইৰ (মাৰ),
মান্ + ই = মানি ইত্যাদি।

তদ্ধিত প্রত্যয়

'-আ' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
মাটি + আ = মাটিআ (মাটিয়া),
হাশি + আ = হাশিআ (হাঁহি),
মইষ /ভইশা + আ = মইষা /ভইশা (ম'হৰপৰা উৎপত্তি হোৱা) ইত্যাদি।
'-আই' ঃ বিশেষ্য পদ সাধন কৰা হয়। যেনে-
বামোন্ + আই = বাম্নাই (ব্রাহ্মণ সুলভ আচৰণ),
চোৰ্ + আই = চোৰাই (চুৰ কৰা বস্তু) ইত্যাদি।
'-আতি' ঃ বিশেষ্য পদ গঠন কৰা হয়। যেনে-
মাও+ আতি = মাওয়াতি (মাতৃৰ সদৃশ),
হাকিম + আতি = হাকিমাতি (উকিলৰ কর্ম) ইত্যাদি।
'-আমি' ঃ বিশেষ্য আৰু বিশেষণ পদ সাধিত হয়। যেনে-
দুশ্টো + আমি = দুশ্টোমি (দুষ্টামি),
ফাজিল + আমি = ফাজলামি (ফাজলামি), ইত্যাদি।
'-আৰ্' ঃ বিশেষ্য আৰু বিশেষণ পদ সাধন কৰা হয়। যেনে-
ছুত্ + আৰ = ছুতাৰ (কাৰিকৰ),
ভক্তি + আৰ = ভক্তিয়াৰ (ভক্তিমান), ইত্যাদি।
'-আৰি' ঃ বিশেষণ পদ সাধিত হয়। যেনে-
বোঝা + আৰি = বোঝাৰি (বোজাই),
পাত্ + আৰি = পাতাৰি (পাতল), ইত্যাদি।
'-আনি' ঃ বিশেষণ পদ গঠন কৰা হয়। যেনে-
নাক্ + আনি = নাকানি (লাঞ্ছনা),
ঠ্যাঙ্ + আনি = ঠ্যাঙানি (প্রহাৰ) ইত্যাদি।
'-ই' ঃ বিশেষ্য পদ গঠন কৰা হয়। যেনে-
দাগ্ + ই = দাগী (দাগযুক্ত),
হিশাব্ + ই = হিশাবি (হিচাবী) ইত্যাদি।
'-আলি' ঃ বিশেষ্য আৰু বিশেষণ পদ গঠন কৰা হয়। যেনে-
গাভুৰ্ + আলি = গাভুৰালি (যৌবন),
কাম্ + আলি = কামালি (কর্মী তিৰোতা),
আগ্ + আলি = আগালি (আগভাগ) ইত্যাদি।

****

'-ইয়া' ঃ বিশেষণ পদ গঠন কৰা হয়। যেনে-
বাইগন্ + ইয়া = বাইগোনিয়া (বেঙুনীয়া),
আলস্য + ইয়া = আল্সিয়া (এলেহুৱা) ইত্যাদি।
'-ইল' ঃ বিশেষণ পদ গঠিত হয়। যেনে-
শঙ্ + ইল = শঙিল্ (সংগী),
অঙ্ + ইল = অঙিল্ (ৰঙীণ) ইত্যাদি।
'-ইলা' ঃ বিশেষণ পদ গঠিত হয়। যেনে-
আগ্ + ইলা = আগিলা (আগভাগ),
পাচ্ + ইলা = পাচিলা (পাচভাগ) ইত্যাদি।
'-উ' ঃ বিশেষণ পদ গঠিত হয়। যেনে-
গাট্ + উ = গাটু (গাঁতযুক্ত),
দাত + উ = দাতু (দাঁত ওলোৱা ব্যক্তি) ইত্যাদি।
'-উয়া' ঃ বিশেষণ পদ সাধিত হয়। যেনে-
পথ + উয়া = পথুয়া (পথিক),
জল + উয়া = জলুৱা (পানীযুক্ত), ইত্যাদি।
'-উৰা' ঃ বিশেষণ পদ গঠন কৰা হয়। যেনে-
ন্যাচ্ + উৰা = নেচুৰা (অৱশিষ্ট),
আধ্ + উৰা = আধুৰা (আধৰুৱা) ইত্যাদি।
'-কিয়া' ঃ বিশেষণ পদ গঠিত হয়। যেনে-
শ্যাৰ্ + কিয়া = শ্যাক্কিয়া (একসেৰ),
মন্ + কিয়া = মন্কিয়া (একমোন ওজন) ইত্যাদি।
'-চি' ঃ বিশেষণ পদ গঠিত হয়। যেনে-
তবোল্ + চি = তবোল্চি (তবলা বাদক),
বন্দুক্ + চি = বনদুক্চি (বন্দুকধাৰী) ইত্যাদি।
'-চা' ঃ বিশেষণ পদ সাধন কৰা হয়। যেনে-
কাল্ + চা = কাল্চা (ক'লা বৰণীয়া),
বোগ + চা = বোগ্চা (বগা বৰণৰ নিচিনা) ইত্যাদি।
'-টিয়া' ঃ বিশেষণ পদ গঠন কৰা হয়। যেনে-
ঘোলা + টিয়া = ঘোলাটিয়া (ঘোলাৰ দৰে),
শুকান + টিয়া = শুকান্টিয়া (শুকানৰ নিচিনা) ইত্যাদি।
'-তি' ঃ বিশেষণ পদ গঠিত হয়। যেনে-
বোকা + তি = বোকাতি (পৰিত্যক্ত),
চাওয়া + তি = ছাওয়াতি (গর্ভবতী) ইত্যাদি।
'-ল' ঃ বিশেষণ পদ সাধন কৰা হয়। যেনে-
আঠা + ল = আঠাল (আঠাযুক্ত)
'-লা' ঃ বিশেষণ পদ সাধন কৰা হয়। যেনে-
কাম্ + লা = কাম্লা (হাজিৰা কৰা মানুহ),
দিঘ্ + লা = দিঘ্লা (দীঘল) ইত্যাদি।

****

'-শৰা' ঃ বিশেষণ শব্দ গঠিত হয়। যেনে-

দুই + লা =দেশোৱা (দ্বিতীয়),

তিন + লা = তেশোৱা (তৃতীয়) ইত্যাদি।

'-মি' ঃ বিশেষ্য পদ গঠিত হয়। যেনে-

কিপ্টা + মি = কিপ্টামি (কৃপণতা),

চ্যাঙ্ৰা + মি = চাঙ্ৰামি (চপলতা) ইত্যাদি।

পূর্ব প্রত্যয়

'অ-' ঃ	অকাঠ, অঘটন, অজানা /অচিনা /অচিনে (অচিনাকি), অধর্মা /অধর্মী (অধর্মী), অসম্ভব /সম্ভাৱ, অসময় /অসুমায়।
'অন-' ঃ	অনিচ্ছে (অনিচ্ছা), অন্দিশা (দিশহীন)।
'কু-' ঃ	কুনাম, কুলক্ষণ, কুমান্শি (বেয়া মানুহ), কুনজোৱ (বেয়া দৃষ্টি)।
'বে-' ঃ	বেপাক, বেপৰ্ৱা, বেহিচাবী।
'নি-' ঃ	নিময়া (মায়াহীন, মৰম নথকা), নিপুততিৰি (অপুত্রক)।
'ঘোৱ-' ঃ	ঘোৱপাক (ঘোঁৱাপাক)
'বি-' ঃ	বিধুয়া (বিধবা /স্বামী নথকা), বিপৱিত।
'শু-' ঃ	শুজন (সুজন), শুনজোৱ (ভাল নজৰ)।
'আদা-' ঃ	আদাবয়সী (আদবয়সীয়া)।

ওপৰত উল্লেখ কৰা পূর্বপ্রত্যয়সমূহৰ উপৰি সংস্কৃতৰ উপসর্গবোৰো গোৱালপৰীয়া উপভাষাত পূর্বপ্রত্যয় হিচাপে ব্যৱহাৰ হোৱা দেখা যায়।

২.০ গোৱলপৰীয়া উপভাষাৰ স্থানীয় কথ্যৰূপৰ শব্দ সাধনৰ প্রত্যয়

গোৱালপৰীয়া উপভাষাৰ স্থানীয় ৰূপসমূহৰ বিভাজনক লৈ পণ্ডিতসকলৰ মাজত মতভেদ আছে। উপেন্দ্রনাথ গোস্বামীয়ে গোৱালপৰীয়া উপভাষাটোক পশ্চিমৰ গোৱালপৰীয়া আৰু পূৱৰ গোৱালপৰীয়া বুলি দুটা ভাগত ভাগ কৰি দেখুৱাইছে। ... পশ্চিমৰ বিভাগটো লক্ষীপুৰ, বিলাসীপাৰা আৰু মুখীগাঁও অঞ্চলৈকে বিস্তৃত। লক্ষীপুৰ, বিলাসীপাৰা, শালকোছা, চাপৰ মুখীগাঁও অঞ্চল পশ্চিম পূর্বীয় বিভাগৰ অন্তর্গত। বাসুগাঁও, বঙাইগাঁও, বিজনী, কৃষ্ণাই আৰু দুধনৈ অঞ্চল পূর্বীয় বিভাগৰ ভিতৰুৱা।[২]

বীৰেন্দ্রনাথ দত্তই গোৱালপৰীয়া উপভাষাক দুটা প্রধান আঞ্চলিক ৰূপত বিভক্ত কৰিছে- পূৱ গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া। ... এই দুয়োটা উপভাষাৰ সংমিশ্রণ ঘটা দুই ঔপভাষিক ক্ষেত্রৰ মাজৰ এলেকাক মধ্য গোৱালপৰীয়া উপভাষা নাম দি তেওঁ আন এটা ভাগো নির্ণয় কৰিছে। আকৌ, তেওঁ হাবৰাঘাটীয়া, বাউসীয়া, নামদানীয়া, বাৰোহাজাৰী আদি আঞ্চলিক ৰূপভেদো দেখুৱাইছে। আনহাতে, গৌৰীপুৰ আৰু শালকোছা অঞ্চলত প্রচলিত কথ্য ৰূপ দুটাক ঘুল্লীয়া আৰু ঝাৰুৱা বুলি অভিহিত কৰিছে।[৪] ধীৰেন্দ্রনাথ দাস আৰু অনিমা চৌধুৰীৰ মতে গোৱালপৰীয়া উপভাষাৰ আঞ্চলিক ৰূপ তিনিটা ঘুল্লীয়া, চৰুৱা আৰু ঝাৰুৱা।[৫]

ৰমেশ পাঠকে গোৱালপৰীয়া উপভাষাৰ দুটা প্রধান আঞ্চলিক ৰূপ নির্ধাৰণ কৰিছে পূৱ গোৱালপৰীয়া আৰু পশ্চিম গোৱালপৰীয়া। ...পুৱ গোৱালপৰীয়াৰ সৰু সৰু ভাষাৰূপৰ থলুৱা নামো আছে। যেনে- হাবৰাঘটীয়া, বাৰহাজাৰী, বাউসীয়া ইত্যাদি। আনহাতে, পশ্চিমৰ গোৱালপৰীয়াৰ আঞ্চলিক ৰূপ দুটা গৌৰীপুৰীয়া আৰু শালকোছীয়া। স্থানীয়ভাৱে গৌৰীপুৰীয়া ৰূপটোক 'ঘুল্লীয়া' আৰু শালকোছীয়া ৰূপটোক 'ঝাৰুৱা' বুলি কোৱা হয়।[৬]

আলোচনাৰ পৰা দেখা গ'ল যে, পণ্ডিতসকলে গোৱালপৰীয়া উপভাষাৰ স্থানীয় ৰূপ সম্পৰ্কে ভিন্ন ধৰণে আলোচনা দাঙি ধৰিছে। এই সকলো বিভাজনৰ প্ৰতি লক্ষ্য ৰাখি লগতে বিভিন্ন অঞ্চলৰ ভাষাগত বৈশিষ্ট্যলৈ চাই গোৱালপৰীয়া উপভাষাটোক কেইটামান আঞ্চলিক ৰূপত ভাগ কৰি দেখুৱাব পাৰি-(১) মানকাচৰ অঞ্চল, লক্ষীপুৰ অঞ্চল, আগিয়া, কৃষ্ণাই, দুধনৈ অঞ্চল, (২) বঙাইগাঁত্ত, কোকৰাঝাৰ, বিজনী, উত্তৰ শালমাৰা, বৈটামাৰী অঞ্চল, (৩) শালকোছা, চাপৰ, অভয়াপুৰী, বিলাসীপাৰা অঞ্চল আৰু (৪) ধুবুৰী, গৌৰীপুৰ অঞ্চল।

অৱশ্যে, আগিয়া, কৃষ্ণাহ, দুধনৈ অঞ্চলৰ ভাষাৰ লগত চাপৰ, অভয়াপুৰী, বিলাসীপাৰা অঞ্চলৰ ভাষাৰ সাদৃশ্য অধিক। এই দুটা অঞ্চলৰ লগত মানকাচৰ অঞ্চলৰ ভাষাৰো মিল পৰিলক্ষিত হয়। আনহাতে লক্ষীপুৰৰ ভাষাৰ লগত উত্তৰপাৰৰ বঙাইগাঁও, উত্তৰ শালমাৰা, বৈটামাৰী আদি অঞ্চলৰ ভাষাৰ মিল দেখা যায়।

গোৱালপৰীয়া উপভাষাৰ এই স্থানীয় কথ্যৰূপসমূহত শব্দ সাধনৰ প্ৰত্যয়সমূহৰ প্ৰয়োগৰ বিচিত্ৰতা মনকৰিবলগীয়া। স্থানীয় ৰূপসমূহত কেতবোৰ সুকীয়া সুকীয়া প্ৰত্যয়ৰ প্ৰয়োগ আছে। তলত অঞ্চল বিশেষে প্ৰয়োগ হোৱা কৃৎ প্ৰত্যয়সমূহৰ কেতবোৰ উদাহৰণ দাঙি ধৰা হ'ল-

মানকাচৰ /চাপৰ /অভয়াপুৰী /বিলাসীপাৰা /আগিয়া /কৃষ্ণাই অঞ্চলত প্ৰয়োগ হোৱা কৃৎ প্ৰত্যয়-

'-আল' ঃ ধাৰ্ + আল = ধাৰাল,
'-উৰে' ঃ কৰ্ + উৰে = কৰুৰে,
'-অন' ঃ কান্দ্ + অন = কান্দোন,
'-উৰা' ঃ কান্দ্ + উৰা = কান্দুৰা,
'- উইআ' ঃ ক + উইআ = কউইআ ইত্যাদি।

ধুবুৰী / গৌৰীপুৰ অঞ্চলত প্ৰয়োগ হোৱা কৃৎ প্ৰত্যয়—

'-অন' ঃ কান্দ্ + অন্ = কান্দন,
'-অন্ত' ঃ ঘুম্ + অন্ত = ঘুমন্ত 'শুই থকা',
'-আৰু' ঃ যুজ্ + আৰু = যুজাৰু,
'-আই' ঃ বাচ্ + আই = বাচাই (চালি জাৰি চোৱা),
'-ই' ঃ মাৰ্ + ই = মাইৰ (কোব),
'-উৰা' ঃ হাগ্ + উৰা =হাউগ্ৰা,
'-ওনা' ঃ পা + ওনা = পাওনা ইত্যাদি।

স্থানীয় ৰূপসমূহত সুকীয়া সুকীয়া তদ্ধিত প্ৰত্যয়ৰ প্ৰয়োগ হোৱাও দেখা যায়। তলত অঞ্চল বিশেষে প্ৰয়োগ হোৱা তদ্ধিত প্ৰত্যয়সমূহ দাঙি ধৰা হ'ল-

ধুবুৰী / গৌৰীপুৰ অঞ্চলত প্ৰয়োগ হোৱা তদ্ধিত প্ৰত্যয় ঃ

'-আক' ঃ জোন + আক = জোনাক,
'-আন' ঃ যোগ + আন = যোগান,
'-ইক' ঃ বৎসৰ + ইক = বাৎসাৰিক (বছৰেকীয়া),
'-উৰা' ঃ ঢাক + উৰা = ঢাকুৰা (তপামূৰা),
'-অ'ই' ঃ বাপ + অ'ই = বাপ'ই (ল'ৰাক সম্বোধনাৰ্থত),
'-কাৰ' ঃ তখন + কাৰ = তখনকাৰ (তেতিয়াৰ),
'-কুৰা' ঃ বাট + কুৰা = বাটকুৰা (পিতৃহীন সন্তান),
'-বাৰি' ঃ ধান + বাৰি = ধানবাৰি (ধাননি),
'-সই' ঃ মাপ + সই = মাপসই (ঠিক মাপৰ),

****

'-সা' ঃ কালা + সা = কাল্‌সা (ক'লা বৰণৰ),
'-সি' ঃ আলস + সি = আল্‌সি (এলাহ)।

'-আই' প্রত্যয়টো শালকোছা /বঙাইগাঁও /কোকৰাঝাৰ / বিজনী / উত্তৰ শালমাৰা / বৈটামাৰী অঞ্চলত বহুলভাৱে প্রয়োগ হয়-

এই ৰূপটো '-অই', '-ঐ', '-ও' আদি ৰূপত প্রয়োগ হয়। যেনে—
খল + আই = খলাই / খলই / খলে (খালৈ)
গৰাই / গৰে (গৰৈ এবিধ মাছ)
জেঠাই /জোঠো

মানকাচৰ / চাপৰ / অভয়াপুৰী / বিলাসীপাৰা / আগিয়া / কৃষ্ণাই অঞ্চলত বহুলভাৱে প্রয়োগ হোৱা তদ্ধিত প্রত্যয়—

'-আ' ঃ আঘোণ + আ = আঘোণা (আঘোণ মাহত জন্মা ব্যক্তি),
'-অই' ঃ '-অই' প্রত্যয়টো কেতিয়াবা '-ও' ৰূপেও প্রয়োগ হয়। যেনে-
খল + অই = খালৈ,
জেঠ + অই = জেঠো,
'-উআ' ঃ শেশ + উআ = শেশুআ,
ঘৰ + উআ = ঘৰুৱা।
'-কুৰো / -কুৰা' ঃ বাট + কুৰো /কুৰা = বাটকুৰো /কুৰা
'-উলা' ঃ কাশ + উলা = কাশুলা
'-ঠ / -ঠা' ঃ নু + ঠা = নুনঠা

এইখিনিতে এটা কথা উল্লেখনীয় যে, অসমীয়া ভাষাৰ এটি অন্যতম উপভাষা কামৰূপীত প্রয়োগ হোৱা কৃৎ আৰু তদ্ধিত প্রত্যয়সমূহ বিভিন্ন অঞ্চল অনুসৰি সুকীয়া সুকীয়া। যেনে- সৰ্থেবাৰী, বৰপেটা অঞ্চলৰ কথ্যৰূপত প্রয়োগ হোৱা '-অতা' কৃৎ প্রত্যয়টো ছয়গাঁও / পলাশবাৰী অঞ্চলত '-আঁৱতা'; ডিমৰীয়া / সোণাপুৰ অঞ্চলত '-ঙতা' ৰূপ প্রয়োগ হয়। যেনে— নি +অতা = নিঅতা (নিওঁতা), ক + আঁৱতা = কৱতা (কওঁতা), কৰ + ঙতা, কৰঙতা (কৰোঁতা)। আকৌ, সৰ্থেবাৰী, বৰপেটা, নলবাৰী অঞ্চলৰ কথ্যৰূপত প্রয়োগ হোৱা '-এইৰা' তদ্ধিত প্রত্যয়টো পাতিদৰং অঞ্চলত '-এৰে' আৰু ছয়গাঁও, পলাশবাৰী অঞ্চলত '-এৰিয়া' ৰূপে ব্যৱহাৰ হয়। যেনে- ভাগ + এইৰা = ভাগেইৰা (ভাগৰীয়া), ভাগ + এৰে = ভাগেৰে (ভাগৰীয়া), ভাগ + এৰিয়া = ভাগেৰীয়া (ভাগৰীয়া)।

২.০ সামৰণি

অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ ৰূপগত দিশৰএক উল্লেখযোগ্য বৈশিষ্ট্য শব্দ সাধনৰ প্রত্যয়ৰ গোৱালপৰীয়া উপভাষাতো বহুল আৰু বিশিষ্ট প্রয়োগ পোৱা সায়। এই উপভাষাত প্রয়োগ হোৱা শব্দ সাধনৰ প্রত্যয়সমূহ কিছুমান মান্য অসমীয়াৰ লগত মিল থকা আৰু কিছুমান মিল নথকা। মিল নথকা বোৰবোৰ কিন্তু অর্থগত দিশত ভিন্নতা নাই। গোৱালপৰীয়া ঔপভাষিক অঞ্চলত একাধিক স্থানীয় কথ্যৰূপ আছে। এই স্থানীয় কথ্যৰূপবোৰত শব্দ সাধনৰ প্রত্যয়ৰ ভিন্নতা বিশেষ তাৎপর্যপূর্ণ। আনহাতে, কামৰূপী উপভাষাবোৰ একাধিক স্থানীয় কথ্যৰূপ আছে। দুয়োটা উপভাষাতে বিভিন্ন স্থানীয় কথ্যৰূপত সুকীয়া সুকীয়া শব্দ সাধনৰ প্রত্যয়ৰ প্রয়োগৰ সাদৃশ্য মনকৰিবলগীয়া। যিখিনি বৈসাদৃশ্য পৰিলক্ষিত হয় সেইখিনি প্রধানকৈ ধ্বনি পৰিবর্তনৰ বাবে হোৱা পার্থক্যহে। পৰিশেষত, গোৱালপৰীয়া উপভাষাৰ শব্দ সাধনৰ প্রত্যয়ৰ বিস্তৃত অধ্যয়নে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ ক্ষেত্রখনত নতুনত্বৰ সন্ধান দিব পাৰিব বুলি আশা কৰিব পাৰি।

****

প্রসংগ টোকা

[১] *অসমীয়া ভাষাৰ ব্যাকৰণ* (পৃ. ৰৰচ), উপেন্দ্রনাথ গোস্বামী, মণিমাণিক প্রকাশ, ১৯৯৭।

[২] *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ* (পৃ. ৯৬), উপেন্দ্রনাথ গোস্বামী, বৰুৱা এজেন্সি, ২০০৫।

[৩] *ভাষা সাহিত্যৰ জলঙাইদি* (পৃ. ১০৯), বীৰেন্দ্রনাথ দত্ত, গ্রন্থপীঠ, ১৯৮৮।

[৪] *Dialects of Goalpara District* (pp. 58-62) Birendranath Dutta, The Assam Academic Review, 1971.

[৫] *The Dialect of Goalpara and Kamrup: A Comparative Study* (p. XV), Dhirendranath Das, Gauhati University (Unpublished Thesis), 1990.

Goalpara Dialect (p.15) Anima Choudhury, Gauhati University (Unplublished Thesis). 1992.

[৬] *অসমীয়া ভাষাৰ ইতিহাস* (পৃ. ১০২), ৰমেশ পাঠক, অসম অকাডেমিক চেণ্টাৰ, ২০০০।

প্রসংগ গ্রন্থঃ

গোস্বামী, উপেন্দ্রনাথ (১৯৯৬)। *অসমীয়া ভাষা আৰু উপভাষা*। মণিমাণিক প্রকাশ, গুৱাহাটী।

গোস্বামী, উপেন্দ্রনাথ (১৯৯৭)। *অসমীয়া ভাষাৰ ব্যাকৰণ*। মণিমাণিক প্রকাশ, গুৱাহাটী।

গোস্বামী, উপেন্দ্রনাথ (২০০৫) *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*। বৰুৱা এজেন্সি, গুৱাহাটী।

গোস্বামী, গোলোকচন্দ্র (১৯৯০)। *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*। বীণা লাইব্রেৰী, গুৱাহাটী।

গোস্বামী, পৃথ্বীশ নাৰায়ণ (১৯৯৩)। *ঐতিহ্যমণ্ডিত গোৱালপাৰা*। এন. এল পাব্লিকেশ্যন, কোকৰাঝাৰ।

দত্ত, বীৰেন্দ্রনাথ (১৯৮২)। *গোৱালপাৰাৰ লোক-সংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান*। ভোলানাথ কলেজ শিক্ষক গোট, ধুবুৰী।

দত্ত, বীৰেন্দ্রনাথ (১৯৮৮) *ভাষা সাহিত্যৰ জলঙাইদি*। গ্রন্থপীঠ, গুৱাহাটী।

দাস, ধীৰেন (১৯৯৪)। *গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত*। চন্দ্র প্রকাশ, গুৱাহাটী।

পাঠক, ৰমেশ (২০০০)। *অসমীয়া ভাষাৰ ইতিহাস*। অসম অকাডেমিক চেণ্টাৰ, গুৱাহাটী।

বৰা শইকীয়া, লীলাৱতী (২০০৬)। *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*। বনলতা, গুৱাহাটী।

বৰুৱা, হেমচন্দ্র (১৯৯৫)। *অসমীয়া ভাষাৰ ব্যাকৰণ*। অসমীয়া বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয়।

ভকত, দ্বিজেন্দ্রনাথ (২০০৪)। *ৰাজবংশী ভাষা প্রসংগ*। ধুবুৰী: চেণ্টাৰ ফৰ এথ্নিক ষ্টাডিস এণ্ড ৰিচার্চ, গোলকগঞ্জ।

বাসু, প্রভাত (১৯৯১)। *গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সংস্কৃতি*। এন. এল. পাব্লিকেশ্যন, কোকৰাঝাৰ।

Choudhury, Anima (1992). *Goalpariya Dialect: A Critical Study.* Gauhati University (Unplublished Thesis).

Das, Dhirendranath (1990). *The Dialects of Goalpara and Kamrup: A Comparative Analysis.* Gauhati University (Unpublished Thesis).

Dutta, Birendranath (1971). *Dialects of Goalpara District*. The Assam Academic Review. No.-1. 53-74.

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

ছেৰদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয়

জয়শ্রী শইকীয়া
গৱেষক ছাত্রী, অসমীয়া বিভাগ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়
ড° পংকজ্যোতি বৰা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়

সাৰাংশ

ভাষা হ'ল মানুহৰ মনৰ ভাব প্রকাশ কৰা মুখ্য মাধ্যম। যাৰ জৰিয়তে মানুহৰ মনত উদয় হোৱা চিন্তা-ভাৱনা অন্য এজন ব্যক্তিলৈ প্রেৰণ কৰে। মানুহৰ মনত উদয় হোৱা এই চিন্তা, অনুভূতিসমূহ প্রকাশ কৰিবলৈ বাগিন্দ্রিয়ৰ সহায়ত কিছুমান ধ্বনি উচ্চাৰণ কৰে। বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ গুণ, লক্ষণ, ধ্বনি উচ্চাৰণৰ ধৰণ আৰু স্থানৰ প্রকৃতিৰ বিজ্ঞানসম্মত বিশ্লেষণ ধ্বনিবিজ্ঞানত কৰা হয়। অর্থাৎ বাগ-যন্ত্রৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ তাত্ত্বিক আৰু প্রায়োগিক দিশৰ বিশ্লেষণ ধ্বনিবিজ্ঞানত কৰা হয়। পৃথিৱীৰ প্রত্যেক ভাষাতে ধ্বনি উচ্চাৰিত হয় যদিও প্রতিটো ভাষাৰ ধ্বনি ৰূপ সুকীয়া সুকীয়া হোৱা দেখা যায়। এই সুকীয়া ধ্বনিৰূপসমূহৰ ভিত্তিতেই ভাষা এটাই নিজস্ব বৈশিষ্ট্যবোৰ অটুট ৰাখে। যাৰ কাৰণে মানৱ প্রজাতিৰ এটা ভাষাৰ লগত আন এটা ভাষাৰ পৃথকতা দেখা পোৱা যায়। এই পৃথকতাৰ বাবেই প্রতিটো ভাষাৰ গৱেষণা বা অধ্যয়নৰ প্রয়োজনীয়তা আহি পৰে। সেয়ে অৰুণাচল প্রদেশত প্রচলিত বিপদাপন্ন ছেৰদুকপেন ভাষাৰ ধ্বনিগত দিশত গৱেষণাৰ বাবে গুৰুত্ব আৰোপ কৰা হৈছে।

বীজ শব্দঃ ছেৰদুকপেন, ধ্বনি, বর্ণ, প্রয়োগ, বিৰোধ।

০.১ অৱতৰণিকা

অৰুণাচল প্রদেশৰ ৱেষ্ট কামেং (পশ্চিম কামেং) জিলাত প্রচলিত এটা ভাষা হ'ল ছেৰদুকপেন। জিগাঁও, ছেৰগাঁও, থুংৰি আৰু ৰূপা অঞ্চলৰ লগতে ভালুকপুং অঞ্চলৰ কামেংবাৰী আৰু দক্ষিণ ব'মদিলা অঞ্চলত ছেৰদুকপেন ভাষাৰ প্রচলন আছে। *স্থানীয় ছেৰদুকপেন লোকসকলে ছেৰদুকপেন ভাষাক ছেৰটুকপেন ভাষা বুলিহে ক'ৰ বিচাৰে।*[১] ছেৰদুকপেন ভাষাটো চীন-তিৰ্ব্বতীয় ভাষা পৰিয়ালৰ তিৰ্ব্বত বর্মীয় অন্তর্গত উত্তৰ অসম শাখাৰ ভাষা। *২০১৯ চনৰ লোকপিয়ল অনুসৰি মাত্র ৫০০০ জন লোকেহে ছেৰদুকপেন ভাষাটো ব্যৱহাৰ কৰে।*[২] ইংৰাজী আৰু হিন্দী ভাষাৰ আগ্রাসনৰ ফলত বর্তমান নৱ-প্রজন্মৰ মাজত ছেৰদুকপেন ভাষাৰ ব্যৱহাৰ কমি আহিছে। ভাষাটোৰ প্রতি অনিহাৰ ফলত ভাষাটোৱে নিজস্বতা হেৰুৱাৰ লগতে মৃত্যুৰ দিশে গতি কৰিছে। গতিকে ছেৰদুকপেন ভাষাৰ প্রণালীবদ্ধ অধ্যয়ন বর্তমান সময়ত প্রয়োজনীয় হৈ পৰিছে। সেয়েহে *ছেৰদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয়* শীর্ষক গৱেষণামূলক প্রবন্ধটো প্রস্তুত কৰা হৈছে।

০.২ অধ্যয়নৰ উদ্দেশ্য

- ছেৰদুকপেন ভাষাত উচ্চাৰিত স্বৰধ্বনিৰ পৰিচয় আৰু শ্রেণী বিভাজন।
- ছেৰদুকপেন ভাষাত উচ্চাৰিত স্বৰধ্বনিৰ ধ্বনিগুণ বিচাৰ কৰা।

****

- ছেৱদুকপেন ভাষাত উচ্চাৰিত স্বৰধ্বনিৰ প্ৰয়োগ নিৰ্ণয় কৰা আৰু বিৰোধ বিচাৰ কৰা।

০.৩ অধ্যয়নৰ গুৰুত্ব

ছেৱদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয় শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটোৰ গুৰুত্ব হৈছে—

- ছেৱদুকপেন ভাষাৰ স্বৰধ্বনি সম্পৰ্কে বৰ্তমান সময়লৈকে কোনোধৰণৰ বিজ্ঞানসন্মত গৱেষণামূলক অধ্যয়ন দৃষ্টিগোচৰ হোৱা নাই। সেয়েহে এই অধ্যয়নৰ গুৰুত্ব আছে।
- নৱ-প্ৰজন্মৰ ভাষাটোৰ প্ৰতি সচেতনতাৰ অভাৱ। ফলত ছেৱদুকপেন ভাষাটোৱে স্বকীয়তা হেৰুৱাৰ উপক্ৰম হৈছে। সেয়েহে এই অধ্যয়নৰ গুৰুত্ব আছে।

০.৪ অধ্যয়নৰ পৰিসৰ

প্ৰবন্ধটোৰ পৰিসৰত ছেৱদুকপেন ভাষাৰ ধ্বনিতত্ত্বৰ অন্তৰ্গত উচ্চাৰিত স্বৰধ্বনিৰ পৰিচয় আৰু শ্ৰেণী বিভাজন, ধ্বনিগুণ বিচাৰ, প্ৰয়োগ নিৰ্ণয় আৰু বিৰোধ বিচাৰহে সামৰি লোৱা হৈছে।

০.৫ অধ্যয়নৰ পদ্ধতি

ছেৱদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয় শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটো আলোচনা কৰোঁতে বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে আৰু ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সাক্ষাৎকাৰ পদ্ধতিৰ দ্বাৰা ৰেকৰ্ডাৰৰ সহায়ত তথ্য সংগ্ৰহ কৰা হৈছে।

১.০ ছেৱদুকপেন ভাষাৰ স্বৰধ্বনি

১.১ ছেৱদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয় আৰু ধ্বনিগুণ বিচাৰ

ভাষাৰ আলোচনাত ধ্বনিয়ে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। ধ্বনিসমূহক বিভাজ্য আৰু অবিভাজ্য এই দুটা ভাগত ভাগ কৰা হয়। ব্যঞ্জন আৰু স্বৰধ্বনিসমূহ বিভাজ্য ধ্বনিৰ অন্তৰ্গত। *স্বৰধ্বনি বিভাজ্য ধ্বনি অথবা অনুক্ৰম ধ্বনিৰ এবিধ প্ৰকাৰ। এই ধ্বনি উচ্চাৰণত বহিৰ্গামী বায়ুপ্ৰবাহত স্বৰতন্ত্ৰীৰ কম্পন হয়, কিন্তু গলকোষ আৰু মুখবিবৰৰ ক'তো বাধা নাপায়। অৱশ্যে জিভা আৰু ওঁঠৰ অৱস্থান লৱচৰ কৰি বায়ুপ্ৰবাহ কম্পন কৰা হয়।*[৩] ছেৱদুকপেন ভাষাত পাঁচটা বিশিষ্ট স্বৰধ্বনি পোৱা যায় — /i, e, a, u,o/। তলত ছেৱদুকপেন ভাষাৰ স্বৰধ্বনিসমূহক ধ্বনি উচ্চাৰণৰ স্থান, ধৰণ আৰু জিভাৰ উচ্চতা অনুসৰি তালিকাকৰণ কৰা হ'ল

ওঁঠৰ আকৃতি বা অৱস্থান অনুসৰি→		বিবৃতৌষ্ঠ্য		সংবৃতৌষ্ঠ্য
জিভাৰ সঞ্চালন অনুসৰি→		প্ৰান্তীয়	কেন্দ্ৰীয়	মূলীয়
জিভাৰ উচ্চতা বা অৱস্থান অনুসৰি	উচ্চ	i		u
	উচ্চ-মধ্য	e		o
	নিম্ন		a	

****

ছেৰদুকপেন ভাষাৰ স্বৰৰ ধ্বনিগুণ

/i/ উচ্চ, প্রান্তীয়, বিবৃতৌষ্ঠ ধ্বনি।

/u/ উচ্চ, মূলীয়, সংবৃতৌষ্ঠ, ধ্বনি।

/e/ উচ্চ-মধ্য, প্রান্তীয়, বিবৃতৌষ্ঠ ধ্বনি।

/o/ উচ্চ-মধ্য, মূলীয়, সংবৃতৌষ্ঠ ধ্বনি।

/a/ নিম্ন, কেন্দ্রীয়, বিবৃতৌষ্ঠ ধ্বনি।

১.২ ছেৰদুকপেন ভাষাৰ স্বৰধ্বনিৰ প্রয়োগ

- **প্রান্তীয় স্বৰৰ প্রয়োগ**

/i/

ছেকদুকপেন ভাষাৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত /i/ ধ্বনিৰ ব্যৱহাৰ পোৱা যায়। তলত উদাহৰণ দাঙি ধৰা হ'ল —

আদি স্থানত /i$/

ikan	—	মৃত্যু
ik	—	হাত

মধ্য স্থান/i/

sit	—	সাত
zik	—	তৰা

অন্ত্য স্থানত /$i/

hi	—	মালভূমি
i	—	শৰীৰ

/e/

ছেৰদুকপেন ভাষাৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত /e/ ধ্বনিৰ ব্যৱহাৰ পোৱা যায়। তলত উদাহৰণ দাঙি ধৰা হ'ল —

আদি স্থানত /e$/

ezeÎ	—	নাম
ebi	—	আইতা

মধ্য স্থানত/e/

rekpa	—	পুলি
nepa	—	চেলেকা

অন্ত্য স্থানত /$e/

ze	—	খোৱা
gre	—	খচ্চৰ

- **কেন্দ্রীয় স্বৰৰ প্রয়োগ**

/a/

ছেৰদুকপেন ভাষাৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত /a/ ধ্বনিৰ ব্যৱহাৰ পোৱা যায়। তলত

উদাহৰণ দাঙি ধৰা হ'ল —

আদি স্থানত /a$/

azap	—	ভাল
a m	—	আম

মধ্যস্থানত /a/

san	—	গুই
m a n	—	ঔষধ

অন্ত্য স্থানত /$a/

m a	—	বাঁহ
ba	—	আছে

মূলীয়া স্বৰৰ প্রয়োগ

/u/

ছেৱদুকপেন ভাষাৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত /u/ ধ্বনিৰ ব্যৱহাৰ পোৱা যায়। তলত উদাহৰণ দাঙি ধৰা হ'ল —

আদি স্থানত /u$/

ukpa	—	ঢাকি ৰখা
uba	—	তললৈ যোৱা

মধ্যস্থান/u/

guti	—	বাতি
nunu	—	জোতা

অন্ত্য স্থানত /$u/

du	—	পুত্র সন্তান
asu	—	ককা

/o/

ছেৱদুকপেন ভাষাৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য অৱস্থানত /o/ ধ্বনিৰ ব্যৱহাৰ পোৱা যায়। তলত উদাহৰণ দাঙি ধৰা হ'ল —

আদি স্থানত /o$/

odukpa	—	হত্যা
oho	—	সতেজ

মধ্যস্থান/o/

moŋsu	—	আদা
soŋ	—	পিয়াঁজ

অন্ত্য স্থানত /$o/

abo	—	ককাই-ভাই

mudubo — মাক-জীয়েক

১.২ ছেৱদুকপেন ভাষাৰ স্ৱৰধ্ৱনিৰ বিৰোধ নির্ণয়

অভিন্ন পৰিৱেশত বিৰোধ নির্ণয়

আদি স্থানত

পৰিৱেশ [$ba]

স্ৱৰঃ/i, o, u/

i —— iba (মৃত্যু)

o — oba (দেখা)

u — uba (তললৈ যোৱা)

ওপৰৰ /i, o, u/ স্ৱৰ কেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যাদা লাভ কৰিছে।

পৰিৱেশ [¯gi]

স্ৱৰ ঃ /e, a/

e — egi (গভীৰ)

a — agi (দ)

ওপৰৰ /e, a/ স্ৱৰকেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যাদা লাভ কৰিছে।

পৰিৱেশ [$jo]

স্ৱৰঃ/a, o/

a — ajo (আইতা)

o — ojo (শকত)

ওপৰৰ /a, o/ স্ৱৰকেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যদা লাভ কৰিছে।

- **মধ্য স্থানত**

পৰিৱেশ [m$k]

স্ৱৰঃ/i, a/

i — mik (কাড়)

a — mak (যুদ্ধ)

ওপৰৰ /i, a/ স্ৱৰকেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যাদা লাভ কৰিছে।

পৰিৱেশ [l$n]

স্ৱৰ ঃ /e, a/

e — len (অতিক্রম কৰা)

a — len (চোৱা)

ওপৰৰ /e, a/ স্বৰকেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যাদা লাভ কৰিছে।

পৰিৱেশ [d$k]

স্বৰঃ/u, o/

u — duk (পিন্ধা)

o — dok (চোৱা)

ওপৰৰ /u, o/ স্বৰকেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যাদা লাভ কৰিছে।

অন্ত্য স্থানত

পৰিৱেশ [$g]

স্বৰঃ/i, e, a, u, o/

i — gi (হয়)

e — ge (গুই)

a — ga (আমি)

u — gu (মই)

o — go (বহিবৰ বাবে ব্যৱহাৰ কৰা এবিধ সঁজুলি)

ওপৰৰ/i, e, a, u, o/ স্বৰকেইটাই অভিন্ন পৰিৱেশৰ আদি স্থানত বিৰোধ সংযোগত সুকীয়া অর্থ লাভ কৰি বর্ণৰ মর্যাদা লাভ কৰিছে।

উপসংহাৰ

ছেৰদুকপেন ভাষাৰ স্বৰধ্বনিৰ পৰিচয় শীর্ষক গৱেষণামূলক প্রবন্ধটোৰ আলোচনাৰ অন্তত উপনীত হোৱা সিদ্ধান্তসমূহ এনেধৰণৰ —

- ছেৰদুকপেন ভাষাত বিশিষ্ট স্বৰধ্বনি পাঁচটা পোৱা গৈছে। সেইকেইটা হ'ল — /i, e, a, u, o/।
- ছেৰদুকপেন ভাষাৰ স্বৰধ্বনিসমূহক ধ্বনি উচ্চাৰণৰ স্থান, ধৰণ, আৰু জিভাৰ উচ্চতা অনুসৰি শ্রেণীকৰণ কৰা হৈছে। ছেৰদুকপেন ভাষাত বিবৃতৌষ্ঠ্য স্বৰ /i, e, a/ সংবৃতৌষ্ঠ স্বৰ /u, o/ৰ উচ্চাৰণ পোৱা যায়। ছেৰদুকপেন ভাষাত প্রান্তীয় স্বৰ /i, e/ কেন্দ্রীয় স্বৰ /a/ আৰু মূলীয় স্বৰ /u, o/ৰ উচ্চাৰণ পোৱা যায়। ছেৰদুকপেন ভাষাত উচ্চ স্বৰ /i, u/ উচ্চ-মধ্য স্বৰ /e, o/ আৰু নিম্ন স্বৰ /a/ৰ উচ্চাৰণ পোৱা যায়।
- ছেৰদুকপেন ভাষাৰ শব্দৰ আদি, মধ্য আৰু অন্ত্য তিনিটা স্থানতে /i, e, a, u, o/ এই বিশিষ্ট্য স্বৰবর্ণ কেইটাৰ ব্যৱহাৰ পোৱা যায়।

****

প্ৰসংগসূত্ৰ

১. ৰিনচিন্ ফুনচু ঠংচি, দিগাঁও, ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা তথ্য সংগ্ৰহ কৰা।

২. Pascale Dollfus আৰু Francois Jacquesson, *Khiksaba*, পৃ. ১৩।

৩. অৰ্পণা কোঁৱৰ আৰু অনুৰাধা শৰ্মা (সম্পা.), *ভাষাবিজ্ঞান পাৰিভাষিক কোষ*, পৃ. ২৭৮।

সহায়ক গ্ৰন্থপঞ্জী

অসমীয়া

কোঁৱৰ, অৰ্পণা। *ভাষাবিজ্ঞানৰ পাৰিভাষিক কোষ*। ডিব্ৰুগড়, বনলতা, চতুৰ্থ সংস্কৰণ, ২০১৫।

গোস্বামী, গোলোক চন্দ্ৰ। *ধ্বনিবিজ্ঞানৰ ভূমিকা*। গুৱাহাটী, বীণা লাইব্ৰেৰী, পৰিবৰ্দ্ধিত সংস্কৰণ, ২০০৮।

মৰল, দীপংকৰ। *ব্যৱহাৰিক ধ্বনিবিজ্ঞান*। ডিব্ৰুগড়, দ্বিতীয় প্ৰকাশ, ২০০৭।

ইংৰাজীঃ

Akmajian, Adrian. and Demers, Richard A., et. al.Ed. *Linguistics: An Introduction to Language and Communicaton*. New Delhi: Prentice Hall of India Private Limeted, 2007.

Catford, J.C. *A Practical Introduction to Phonetics.* Edinburgh: Edinburgh University Press, Second Edition, 2001.

Dollfus, Pascale. and Jacquesston, Francois. *Khiksaba*. Guwahati Spectrum Publications, 2013.

Laver, John. *The Gift of Speech: Reading in the Analysis of Speech and Voice*. Edinburgh University press, 1966.

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

মহাকাব্যত সাংবাদিক চৰিত্ৰ হিচাপে হনুমান ঃ এটি বিশ্লেষণ

ড° প্ৰাপ্তি ঠাকুৰ
অধ্যক্ষ, সৰুপথাৰ মহাবিদ্যালয়

সাৰাংশ

মানৱ সমাজত তথ্য আদান-প্ৰদান তথা লোক-সংযোগৰ এক শক্তিশালী মাধ্যম হিচাপে সংবাদ আৰু সাংবাদিকতাই নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। মহাকাব্যৰ যুগত আধুনিক সাংবাদিকতাৰ প্ৰতিষ্ঠানিক ৰূপ বা আহিলা নাছিল যদিও সংবাদ সংগ্ৰহ, সত্যতা নিৰূপণ আৰু উদ্দেশ্যধৰ্মী প্ৰেৰণৰ যি স্বৰূপ, সি মহাকাব্যিক ঘটনাপ্ৰবাহৰ মাজত স্পষ্টভাৱে বিদ্যমান আছিল। গৱেষণা-পত্ৰখনত বাল্মীকি ৰামায়ণ তথা অসমীয়া ৰামায়ণী পৰম্পৰাক আধাৰ হিচাপে লৈ মহাকাব্যৰ কেন্দ্ৰীয় চৰিত্ৰ পৱনপুত্ৰ হনুমানক এগৰাকী কুশলী 'সাংবাদিক' আৰু 'ক্ষেত্ৰ প্ৰতিবেদক' (Field Reporter) হিচাপে বিশ্লেষণাত্মকভাৱে অধ্যয়ন কৰা হৈছে।

সীতাৰ সন্ধানত সাগৰ পাৰ হৈ লংকাত প্ৰৱেশ কৰা, অতি সন্তৰ্পণে লংকাৰ ভৌগোলিক আৰু সামৰিক পৰিৱেশ নিৰীক্ষণ কৰা, অশোক বনত সীতাক প্ৰত্যক্ষ কৰি মনৰ বুজ লোৱা আৰু পৰৱৰ্তী সময়ত সীতাক ৰামৰ স্থিতি তথা ৰামক সীতাৰ মানসিক অৱস্থা আৰু লংকাৰ দুৰ্গম প্ৰতিৰক্ষা ব্যৱস্থাৰ সূক্ষ্ম বিৱৰণ দাঙি ধৰাৰ সমগ্ৰ প্ৰক্ৰিয়াটোত হনুমানৰ মাজত এজন আদৰ্শ সংবাদ-দাতাৰ সততা, নিৰপেক্ষতা, তথ্যনিষ্ঠতা আৰু পৰিস্থিতি নিৰীক্ষণৰ দক্ষতা প্ৰতিফলিত হৈছে। এই অধ্যয়নে স্পষ্ট কৰে যে হনুমান কেৱল এজন ভক্ত বা আজ্ঞাবাহী দূতেই নাছিল, ৰৰঞ্চ উপযুক্ত তথ্য সংগ্ৰহ, সত্য প্ৰমাণীকৰণ আৰু সঠিক সময়ত নিৰ্ভুল বাৰ্তা প্ৰেৰণৰ জৰিয়তে তেওঁ প্ৰাচীন ভাৰতীয় গণ-সংযোগ ধাৰাৰ এক অপ্ৰতিদ্বন্দ্বী সাংবাদিক চৰিত্ৰৰূপে প্ৰতিষ্ঠিত হৈছিল।

বীজ শব্দ ঃ মহাকাব্য, ৰামায়ণ, হনুমান, সাংবাদিক, সংবাদ-দাতা, ক্ষেত্ৰ প্ৰতিবেদক, গণ-সংযোগ।

০.০ অৱতৰণিকাঃ

প্ৰাচীন কালৰে পৰা সংবাদ তথা সাংবাদিকতাই সমাজত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সংবাদ এটাক কেন্দ্ৰ কৰি সাংবাদিকে ধ্বংস, সৃষ্টি আৰু ঐক্য সাধন কৰিব পাৰে। মহাকাব্যৰ সময়চোৱা অৰ্থাৎ ত্ৰেতা আৰু দ্বাপৰ যুগত সংবাদ সেৱা বুলি কোনো কথা নাছিল, নীতি বা আহিলাও নাছিল; কিন্তু তাৰ মাজতে ত্ৰিলোক অৰ্থাৎ আকাশ, পাতাল আৰু পৃথিৱীৰ ভিতৰত অগ্নি দেৱতাকে প্ৰমুখ্য কৰি বিভিন্নজনে সংবাদ-দাতাৰ ভূমিকা পালন কৰিছিল। অগ্নি দেৱতাই যাগ-যজ্ঞৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন বাৰ্তা দেৱতাসকললৈ প্ৰেৰণ কৰি বিপদ-বিঘিনি বিনাশ কৰিছিল। তাৰ পাছতেই আহে নাৰদৰ প্ৰসংগ। আমাৰ মহাকাব্যসমূহত ইয়াৰ অজস্ৰ উদাহৰণ আছে। নাৰদ, বিদূৰ, শূৰ্পনখা, সঞ্জয়, হনুমান, মন্থৰা আদি বিভিন্ন চৰিত্ৰৰ মাজৰে সমাজত সাংবাদিক আৰু

****

সাংবাদিকতাৰ ভূমিকা সেই সময়তো কিমান প্ৰভাৱশালী আছিল আমি সহজেই অনুমান কৰিব পাৰোঁ।

ৰামায়ণৰ সৃষ্টিৰ আধাৰেই হৈছে নাৰদৰ সংবাদ। নাৰদে ঋষি বাল্মীকিক ইক্ষাকু বংশৰ ৰজা ৰামৰ কাহিনী কৈ শুনাইছিল। ৰামায়ণৰ অন্যতম প্ৰধান চৰিত্ৰ হনুমানক ৰামচন্দ্ৰই সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ দূত বুলি আখ্যা দি মান্যতা প্ৰদান কৰিছে। ৰামায়ণৰ সৃষ্টিত মন্থৰাৰ সংবাদেও অত্যন্ত গুৰুত্বপূৰ্ণ তাৎপৰ্য বহন কৰিছে।

মানুহৰ এক সহজাত প্ৰবৃত্তি হৈছে কোনো বিষয় সম্বন্ধে জনাৰ আৰু জনোৱাৰ আগ্ৰহ। কৌতূহলী মানুহৰ স্বভাৱধৰ্ম হৈছে জ্ঞান-স্পৃহাৰ নামান্তৰ। সমাজৰ ক্ৰমবিৱৰ্তনৰ লগে লগে জনাৰ আৰু জনোৱাৰ পদ্ধতিৰ ৰূপান্তৰ ঘটিছে। প্ৰাচীন কালত মানুহৰ শিক্ষা, অভিজ্ঞতা আৰু জ্ঞানলব্ধ বিষয়ৰ কাহিনী প্ৰচাৰ হৈছিল মুখে মুখে। শ্ৰুতি আৰু স্মৃতিৰ ইতিহাস সৃষ্টি এইদৰেই হৈছিল। হাজাৰ হাজাৰ বছৰৰ বিৱৰ্তনৰ ফলত দিয়েই কালক্ৰমত সাংবাদিকতাৰ ৰূপ লৈছে।

ঐতিহাসিক তথ্যৰ অনুসন্ধানক্ৰমে দেখা গৈছে যে সাংবাদিকতা বিষয়টো বা পেছাটো অতি প্ৰাচীন। অন্যান্য বিভিন্ন বৃত্তিৰ দৰে এই বৃত্তিও নানা বাধা-বিঘিনি, ঘাত-প্ৰতিঘাত, সময়োপযোগী পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ মাজেদি আজিৰ এই সন্মানজনক বৃত্তিৰ স্থিতি লাভ কৰিছে। পৃথিৱীত যিবিলাক ঘটি আছে, জনসাধাৰণে যদি এইবোৰ জনাৰ বাবে আগ্ৰহী হৈ থাকে, তেন্তে সেইবোৰ গানৰ বিভিন্ন দিশ উপস্থাপন কৰাই সাংবাদিকতাৰ মুখ্য উপাদান স্বৰূপ।

ৰামায়ণ আৰু মহাভাৰত এই দুখন মহাকাব্যত বৰ্ণিত অসাধাৰণ বৰ্ণনাশৈলী, চৰিত্ৰ-চিত্ৰণ আৰু ঘটনা প্ৰৱাহৰ বস্তুনিষ্ঠ বিশ্লেষণৰ মাজেৰে সংবাদধৰ্মী উপস্থাপন পৰিলক্ষিত হয়। ই এটা গুৰুত্বপূৰ্ণ দিশ। দেৱতা বা শ্ৰেষ্ঠ ৰজা, নায়ক বা অন্যান্য চৰিত্ৰসমূহৰ মাজেৰে সংবাদ গ্ৰহণ আৰু সৰবৰাহৰ বিষয়টোও লক্ষ্যণীয়ভাৱে পৰিস্ফূত হয়। এই দুয়োখন মহাকাব্যতে গুৰুত্বপূৰ্ণ মুহূৰ্তত হঠাৎ আৱিৰ্ভাৱ হোৱা দেৱৰ্ষি নাৰদৰ কথা বিশেষভাৱে উল্লেখযোগ্য। নাৰদৰ সংবাদ গ্ৰহণ আৰু প্ৰেৰণৰ এই তৎপৰতাৰ বাবেই নাৰদক প্ৰাচীনতম সাংবাদিক হিচাপে অভিহিত কৰা হৈছে। সেইদৰে গণ-সংযোগৰ অন্যতম চৰিত্ৰ হিচাপেও গৱেষণাৰ বিস্তৰ সমল আছে।

নিশ্চিত ৰূপত সাংবাদিক বা সাংবাদিকতা এইবোৰ অভিধা সেই সময়ত নাছিল অথচ সংবাদ তথা সাংবাদিকতাৰ যিটো প্ৰকৃত স্বৰূপ বা বৈশিষ্ট্য সেয়া কিন্তু মহাকাব্যিক কালতেই পৰিলক্ষিত হৈছিল। সৎ সাংবাদিকতা, হালধীয়া সাংবাদিকতা, অপপ্ৰচাৰৰ ভয়ংকৰ ফলশ্ৰুতি মহাকাব্য দুখনত বিশদভাৱে আছে। ৰাৱণৰ দূত শুক বা চৰেন দুজনেই সৎ সাংবাদিক হিচাপে নিজৰ দায়িত্ব পালন কৰিছে। প্ৰয়োজনীয় মুহূৰ্তত হঠাতে আৰ্বিভাৱ হৈ নাৰদে খবৰ সংগ্ৰহ কৰি সেই খবৰ যথাযোগ্য স্থানত বা যথাযোগ্য ব্যক্তিক প্ৰেৰণ কৰি ন্যায়ৰ পক্ষত কাহিনী আগবঢ়াই লৈ যোৱাৰ লগতে সমস্যা সমাধানৰ পথো সততে প্ৰশস্ত কৰিছিল। নাৰদ হ'ল সংবাদৰ বাহক। এই নাৰদেই অসুৰৰ ষড়যন্ত্ৰৰ বাতৰি যথাস্থানলৈ নি সংসাৰ ৰক্ষাও কৰিছিল। আনকি ব্ৰহ্মাৰ নিৰ্দেশত বাল্মিকীক সাক্ষাৎ কৰি দূৰদৃষ্টিসম্পন্ন নাৰদেই ৰামায়ণ ৰচনাৰ বাবে সন্মত কৰাইছিল। কোনো কোনোৱে নাৰদক টুটকীয়া ৰূপত অংকন কৰিলেও প্ৰকৃততে নাৰদৰ সংবাদ গ্ৰহণ আৰু বিতৰণৰ লক্ষ্য আছিল জগতৰ কল্যাণ। সেয়েহে নাৰদক প্ৰথমগৰাকী সাংবাদিকৰ স্বীকৃতি প্ৰদান কৰি চত্তিশগড় কুশভাউ থাকৰে সাংবাদিকতা আৰু গণ-মাধ্যম বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত নাৰদৰ তথ্যপূৰ্ণ অধ্যায় অন্তৰ্ভুক্ত কৰা হৈছে। সেই একেখন বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত শেহতীয়াকৈ ৰামায়ণৰ চৰিত্ৰ হনুমানকো গণ-সংযোগৰ চৰিত্ৰ হিচাপে অধ্যয়নৰ ব্যৱস্থা কৰা হৈছে। ৰাৱণে সীতাক অশোক বনত বন্দী কৰি ৰখা সন্দৰ্ভত তথ্য সংগ্ৰহ কৰি ৰামচন্দ্ৰক যি চাক্ষুষ সংবাদ প্ৰদান কৰিছিল তাক অনুসন্ধানমূলক সাংবাদিকতাৰ নিদৰ্শন বুলিব পাৰি। সেইদৰে অশোক বনত বন্দী সীতাক ৰাক্ষসী ত্ৰিজটাই সামগ্ৰিকভাৱে প্ৰতিনিয়ত অজস্ৰ সংবাদ প্ৰদান কৰিছিল। মহাকাব্য দুখনত সংবাদৰ লগত জড়িত চৰিত্ৰ ভালে সংখ্যক আছে। জটায়ু, মন্থৰা, অকম্পন - এই প্ৰতিটো চৰিত্ৰই সংবাদ মাধ্যমৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা

****

গ্রহণ কৰিছে। অকস্মাতেই সীতাৰ অতুলনীয় ৰূপ-লাৱণ্যৰ কথা ৰাৱণৰ আগত প্রথমে বর্ণনা কৰি মনত ভৰাই দিছিল। সেইদৰে মন্থৰাৰ সংবাদৰ বাবেই ৰামায়ণ সৃষ্টি হ'ল। অগ্যস্ত মুনিয়েও সমগ্র উত্তৰাকাণ্ডত এজন বিশিষ্ট সংবাদ দাতাৰ ভূমিকা পালন কৰিছে। সেইদৰে মহাভাৰতৰো বিভিন্ন পর্বত দূত হিচাপে শ্রীকৃষ্ণক দেখা গৈছে। সংবাদ সৰবৰাহকাৰীৰ ভূমিকাত কৃষ্ণ অৱতীর্ণ হৈছে। সঞ্জয় অন্য এটা খুব উল্লেখনীয় চৰিত্র এই প্রসংগত। অন্ধ ধৃতৰাষ্ট্রক কুৰুক্ষেত্র যুদ্ধৰ পুংখানুপুংখ বর্ণনা দিয়া কার্য একপ্রকাৰ আজিৰ বৈদ্যুতিন মাধ্যমৰ সাংবাদিকে ঘটনাস্থলীৰ পৰা পোনপটীয়া বার্তাৰ প্রচাৰ কৰাৰ সমপর্য্যায়ৰ। মহাভাৰতত থকা অন্যান্য পৌৰাণিক আখ্যানসমূহৰ বেদনিধি, চিত্রলেখা আদিৰ দৰে চৰিত্রবোৰো একো একোজন সংবাদদাতাৰেই উৎকৃষ্ট উদাহৰণ। এইদৰে মহাকাব্য দুখনত বিভিন্ন চৰিত্রৰ জৰিয়তে সমাজত সংবাদ আৰু সাংবাদিকতাৰ তাৎপর্যকৰ ভূমিকা শক্তিশালী ৰূপত উপস্থাপন কৰা হৈছে। ভাৰতীয় জীৱনৰ অবিচ্ছেদ্য অংগ এই দুখন মহাকাব্যত দূত, বার্তাবাহক বা সংবাদদাতা / সাংবাদিক হিচাপে বিভিন্নজনক পোৱা যায় আৰু সংবাদৰ যি সর্বব্যাপী প্রভাৱ সেই বিষয়েও সবিস্তাৰে জানিব পাৰি।

০.১ গৱেষণাৰ উদ্দেশ্য ঃ

নির্বাচিত অধ্যয়নৰ প্রধান উদ্দেশ্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

- **মহাকাব্যিক প্রেক্ষাপটত সাংবাদিকতাৰ স্বৰূপ নিৰূপণ ঃ** প্রাচীন কালত আধুনিক প্রযুক্তি আৰু মাধ্যমৰ অবিহনেও মহাকাব্যিক ঘটনাক্রমৰ মাজত সংবাদ সংগ্রহ, আদান-প্রদান আৰু লোক-সংযোগৰ যি প্রাথমিক ধাৰা প্রৱাহিত হৈ আছিল, তাৰ ঐতিহাসিক আৰু সাহিত্যিক তাৎপর্য নির্ণয় কৰা।

- **হনুমানৰ চৰিত্রক ক্ষেত্র প্রতিবেদক হিচাপে বিশ্লেষণ ঃ** ৰামায়ণৰ কাহিনীত সীতাৰ সন্ধানৰ পৰা আৰম্ভ কৰি

লংকা নগৰীৰ ভৌগোলিক তথা সামাজিক পৰিৱেশ নিৰীক্ষণ কৰালৈকে হনুমানৰ কার্যাৱলীক আধুনিক 'ক্ষেত্র সাংবাদিক'ৰ (Field Reporter) কর্তব্য আৰু ভূমিকাৰ সৈতে তুলনা কৰি বিচাৰ কৰা।

- **তথ্য সংগ্রহ আৰু সত্যতা নিৰূপণৰ পদ্ধতি ঃ** অশোক বনত সীতাৰ স্থিতি প্রত্যক্ষ কৰা, ৰামৰ পৰিচয়ৰ প্রমাণ হিচাপে মুদ্রিকা অর্পণ কৰা আৰু সীতাৰ পৰা চূড়ামণি তথা গোপন কাকপখীৰ বৃত্তান্ত সংগ্রহ কৰি এজন দায়িত্বশীল তথ্য সংগ্রহকাৰী হিচাপে হনুমানৰ ভূমিকা পৰীক্ষা কৰা।

- **সামৰিক আৰু প্রতিৰক্ষামূলক প্রতিবেদনৰ মূল্যায়ন ঃ** লংকা ধ্বংসৰ সমান্তৰালভাৱে ৰাৱণৰ চাৰিদ্বাৰৰ সৈন্য সংখ্যা, দুর্গৰ সুৰক্ষা আৰু প্রতিৰক্ষা ব্যৱস্থাৰ যি সূক্ষ্ম তথ্য হনুমানে ৰামৰ সন্মুখত দাঙি ধৰিছিল, তাক এজন দক্ষ অনুসন্ধানকাৰী প্রতিবেদকৰ দৃষ্টিভংগীৰে চালি-জাৰি চোৱা।

- **দূত আৰু সাংবাদিকৰ তুলনামূলক পার্থক্য স্পষ্ট কৰা ঃ** মহাকাব্যৰ পৰম্পৰাগত দূত ধাৰণাটোৰ সীমা চেৰাই হনুমানে কিদৰে নিজৰ বৌদ্ধিক প্রজ্ঞা, যোগাযোগ দক্ষতা আৰু বস্তুনিষ্ঠ বার্তা প্রেৰণেৰে এগৰাকী সার্থক গণ-সংযোগকাৰীৰ মর্যাদা লাভ কৰিলে, সেয়া প্রতিষ্ঠা কৰা।

০.২ গৱেষণাৰ পৰিসৰ ঃ

আমাৰ এই গৱেষণা-পত্রত ৰামায়ণৰ হনুমানৰ চৰিত্রটোক সামৰি লোৱা হৈছে। যদিও ৰামায়ণত যথেষ্ট সংখ্যক চৰিত্রক সংবাদ-দাতা ৰূপত দেখা গৈছে, গৱেষণা-পত্রৰ ক্ষুদ্র পৰিসৰলৈ চাই কেৱল হনুমানকহে উপস্থাপন কৰা হৈছে। মুখ্য সমল হিচাপে লোৱা হৈছে গীতা প্রেছ, গোৰখ্পুৰৰ পৰা প্রকাশিত শ্রীমদ্ৰামায়ণ।

০.৩ গৱেষণাৰ পদ্ধতি ঃ

প্রস্তুত গৱেষণা-পত্রখনৰ উদ্দেশ্য আৰু প্রকৃতিৰ প্রতি লক্ষ্য ৰাখি প্রধানকৈ বিশ্লেষণাত্মক আৰু বর্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। মহাকাব্যিক আখ্যানৰ ঘটনা প্রৱাহৰ মাজত আধুনিক সাংবাদিকতা আৰু গণ-সংযোগৰ মূল উপাদানসমূহ কিদৰে নিহিত হৈ আছিল, তাক নিৰূপণ কৰিবলৈ ঐতিহাসিক তুলনামূলক দৃষ্টিভংগীও

****

প্ৰয়োগ কৰা হৈছে।

তথ্য সংগ্ৰহৰ বাবে প্ৰধানকৈ দুটা উৎসৰ ওপৰত নিৰ্ভৰ কৰা হৈছে -

- **প্ৰাথমিক উৎস ঃ** মহৰ্ষি বাল্মীকিৰ মূল 'শ্ৰীমদ্বাল্মীকি ৰামায়ণ' (গীতা প্ৰেছ সংস্কৰণ) আৰু মাধৱ কন্দলিৰ 'সপ্তকাণ্ড ৰামায়ণ'ৰ কিষ্কিন্ধ্যা কাণ্ড আৰু সুন্দৰা কাণ্ডৰ প্ৰাসঙ্গিক শ্লোক আৰু পাঠসমূহক প্ৰাথমিক সমল হিচাপে গ্ৰহণ কৰা হৈছে। বিশেষকৈ সীতাৰ অন্বেষণ, অশোক বনত সীতা-হনুমানৰ কথোপকথন, ৰাৱণৰ ৰাজসভাত হনুমানৰ উপস্থিতি আৰু ৰামৰ সন্মুখত লংকাৰ সামৰিক স্থিতিৰ বিৱৰণ দাঙি ধৰা অংশসমূহৰ তথ্যনিষ্ঠ বিশ্লেষণ কৰা হৈছে।

- **গৌণ উৎস ঃ** মহাকাব্য, ভাৰতীয় সংস্কৃতি, পৌৰাণিক যোগাযোগ ব্যৱস্থা আৰু সাংবাদিকতাৰ বিকাশ সম্পৰ্কীয় বিভিন্ন প্ৰাসঙ্গিক গ্ৰন্থ, প্ৰবন্ধ, সমালোচনা সাহিত্য আৰু গৱেষণামূলক বক্তৃতাৰ সহায় লোৱা হৈছে।

০.৪ পূৰ্বকৃত অধ্যয়ন ঃ

গৱেষণামূলক অধ্যয়ন এই বিষয়ত এতিয়ালৈকে বৰ বিশেষ পৰিলক্ষিত হোৱা নাই। বিভিন্ন আলোচনাত, প্ৰবন্ধত ছেগাচোৱোকাকৈ এই বিষয়ে উল্লেখ আছে। গতিকে গৱেষণাৰ বিস্তৃত ক্ষেত্ৰ এখন এই সন্দৰ্ভত মুকলি হৈ আছে। এই প্ৰসংগত ২০২১ চনৰ ২৬ ডিচেম্বৰত মহাকাব্য অধ্যয়ন কেন্দ্ৰ, যোৰহাটৰ দ্বাৰা আয়োজিত বক্তৃতানুষ্ঠান 'মহাকাব্যত সাংবাদিক আৰু সাংবাদিকতা'ৰ কথা উল্লেখ কৰিব পাৰি।

১.০ মহাকাব্যৰ সাংবাদিক চৰিত্ৰ হিচাপে হনুমান ঃ

ৰামায়ণ সৃষ্টি হৈছে দেৱৰ্ষি নাৰদৰ এটি মহত্বপূৰ্ণ সংবাদৰ জৰিয়তে। মহৰ্ষি বাল্মীকিয়ে নাৰদক প্ৰশ্ন কৰিছিল- 'হে দেৱৰ্ষি, বৰ্তমান কালত এই জগতত গুণৱান, বীৰ্যবান, ধৰ্মজ্ঞ, বন্ধুবৎসল, সত্যবাদী আৰু দৃঢ়প্ৰতিজ্ঞ পুৰুষ কোনোবা আছেনে?'[১] - এই প্ৰশ্নৰ উত্তৰত নাৰদে জনাইছিল যে তেনেবোৰ দুৰ্লভ গুণেৰে বিভূষিত মহাবলবান, তেজস্বী, ধৈৰ্যশীল, কান্তিমান আৰু জিতেন্দ্ৰিয় পুৰুষসিংহ ত্ৰিজগতত মাত্ৰ এজনেই আছে; আৰু সেইজনেই হৈছে ৰাম। ইক্ষাকু ৰাজবংশৰ কুলৰত্ন। যিজন আৰ্য-অনাৰ্যৰ প্ৰতি সমভাৱাপন্ন। এইদৰে বাল্মীকিৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ নাৰদে সামগ্ৰিকভাৱে ৰামৰ জীৱন কাহিনী বৰ্ণনা কৰিছে। ৰামৰ জন্ম-বিবাহ, ৰাজ অভিষেকৰ প্ৰাকমুহূৰ্তত হোৱা লক্ষ্মণ-সীতা সহিতে বনবাস যাত্ৰা, সীতা-হৰণ, ৰাম-ৰাৱণৰ যুদ্ধ, হনুমানৰ ভূমিকা, সীতা উদ্ধাৰ, বিভীষণ আৰু সুগ্ৰীৱৰ অভিষেক, অযোধ্যালৈ প্ৰত্যাৱৰ্তন, ৰামৰাজ্য স্থাপন আৰু শেষত এঘাৰ হাজাৰ বছৰ ৰাজত্ব কৰাৰ পিছত ৰামে ভৱলীলা সামৰি পৰমধামলৈ উভতি যোৱালৈকে - এইখিনি কথা সমুলধোঁ ব্যাখ্যা কৰি নাৰদে বাল্মীকিৰ পৰা বিদায় মাগিলে।

গতিকে সম্পূৰ্ণ ৰামায়ণৰ ইতিবৃত্তয়েই নাৰদে বাল্মীকিক দিয়া সংবাদমূলক ব্যাখ্যাৰ মাজতে সোমাই আছিল। ৰাম সম্পৰ্কে সেয়াই আছিল এক মহত্বপূৰ্ণ স্বয়ংসম্পূৰ্ণ সংবাদ। নাৰদকেই সেয়েহে এই ব্ৰহ্মাণ্ডৰ প্ৰথমগৰাকী সাংবাদিক বা সংবাদদাতা বুলি স্বীকৃতি দিয়া হৈছে।

সীতাৰ সন্ধানত ৰাম-লক্ষ্মন বনে বনে ঘূৰি ফুৰোতেই ঋষ্যমুক পৰ্বতত অৱস্থিত এক মনোমোহা পম্পা সৰোবৰত ৰাম-লক্ষ্মনৰ সৈতে হনুমান আৰু সুগ্ৰীবৰ সাক্ষাত ঘটে। এই ঋষ্যমুক পৰ্বততে অৱস্থিত মনোমোহা পম্পা সৰোবৰত ৰাম-লক্ষ্মণৰ হনুমান আৰু সুগ্ৰীৱৰ সাক্ষাৎ ঘটে। সুগ্ৰীৱে ভাতৃ বালীৰ ভয়ত ঋষ্যমুক পৰ্বতত থকা মতংগ মুনিৰ আশ্ৰমত থাকিবলৈ লৈছিল; কিয়নো সেয়াই আছিল মুনিৰ অভিশাপ। মুনিৰ শাপত সেই আশ্ৰমত প্ৰৱেশ কৰিলেই বালীৰ মৃত্যু অনিবাৰ্য্য। তাতেই তেনে সময়তে ৰাম-লক্ষ্মণক দিব্য অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত ৰূপত দেখি সুগ্ৰীৱ চিন্তিত হ'ল - কিজানিবা বালীয়েই এই দুয়োজন বীৰক পঠিয়াইছে! হনুমানে তেতিয়া সুগ্ৰীৱক অভয় প্ৰদান কৰিলে যদিও সুগ্ৰীৱ মুক্ত নহ'ল শংকাৰ পৰা। তেতিয়া সুগ্ৰীৱে হনুমানকে ৰাম-লক্ষ্মণৰ বিষয়ে জানি-বুজি আহিবলৈ দূত হিচাপে প্ৰেৰণ কৰিলে। হনুমানে তপস্বী এজনৰ বেশ ধৰি তেওঁলোকৰ ওচৰ পালেগৈ।

****

ৰামায়ণৰ এইখিনিতে প্ৰথমবাৰৰ বাবে ৰামৰ সৈতে সংযোগ ঘটিছিল ৰামৰ পৰম ভক্ত হনুমানৰ। সেইদিনা পম্পা সৰোবৰৰ পাৰত ৰাম-লক্ষ্মণৰ সম্মুখত থিয় হৈ বানৰ ৰাজ সুগ্ৰীৱৰ দ্বাৰা প্ৰেৰিত দূতৰ কাম কৰিছিল হনুমানে। কিন্তু তাতো হনুমানে নিজৰ হৃদয়ৰ সৰ্বস্ব আবেগ, স্নেহ উজাৰি দিছিল তেওঁৰ কথাত। তন্ময় হৈ হনুমানে ৰাম-লক্ষ্মণৰ ৰূপ-গুণৰ বৰ্ণনা কৰিছিল। তাৰপিছত হনুমানে বানৰৰাজ সুগ্ৰীৱৰ পৰিচয় দি নিজকে সুগ্ৰীৱৰ মন্ত্ৰী হিচাপে পৰিচয় দিছিল। সুগ্ৰীৱৰ মিত্ৰতাৰ প্ৰস্তাৱ হনুমানে ৰাম-লক্ষ্মণক আগবঢ়াইছিল। হনুমান যে এজন বানৰ, তেওঁ যে পৱন পুত্ৰ সেয়াও কৈছিল।

ইমানখিনি কোৱাৰ পিছত হনুমানৰ কথা শুনি ৰাম প্ৰসন্ন হ'ল। তেওঁ হনুমানৰ গুণ বখানিবলৈ ধৰিলে। সুগ্ৰীৱৰ বীৰত্বৰ বিষয়ে জানিয়েই ইতিমধ্যে ৰাম-লক্ষ্মণে তেওঁকে বিচাৰি আহি ইয়াত উপস্থিত হৈছিলহি; গতিকে সুগ্ৰীৱৰ পৰা অহা মিত্ৰতাৰ প্ৰস্তাৱ তেওঁলোকে আগ্ৰহেৰে গ্ৰহণ কৰিলে। কিয়নো কৱন্ধৰূপী দনু দৈত্যৰ উপদেশমতেই সুগ্ৰীৱক বিচাৰি ৰাম-লক্ষ্মণ তালৈ আহিছে। হনুমানেও ধৰ্মাত্মা সুগ্ৰীৱ যে ভাতৃ বালীৰ দ্বাৰা ৰাজ্যৰ পৰা বিতাড়িত আনকি নিজৰ পত্নীও যে বালীৰ হাতত বন্দী সেই সমস্ত ব্যাখ্যা হনুমানে অকপটে দাঙি ধৰিলে। তাৰপিছত তপস্বীৰ বেশ ত্যাগ কৰি নিজৰ বানৰ ৰূপ ধাৰণ কৰি পিঠিত ৰাম-লক্ষ্মণক লৈ মহা পৰাক্ৰমী হনুমানে ঋষ্যমুক পৰ্বতলৈ অৰ্থাৎ সুগ্ৰীৱৰ ওচৰলৈ যাত্ৰা কৰিলে।

মহাকাব্যত আমি সংবাদদাতাৰ ৰূপত তিনিধৰণে সংবাদ প্ৰাপ্ত হোৱা দেখিবলৈ পাইছো। প্ৰথম কোনো এজন দূতৰ জৰিয়তে, দ্বিতীয়তে গুপ্তচৰৰ জৰিয়তে, তৃতীয়তে কোনো এজন ব্যক্তিয়ে অন্য এজন ব্যক্তিক কোনো এক সংবাদ প্ৰদান কৰাৰ জৰিয়তে।

সুগ্ৰীবৰ সৈতে ৰামৰ মিত্ৰতা হোৱাৰ পাছত তেওঁলোকে সম্পূৰ্ণ বাৰিষা কালচোৱা অপেক্ষা কৰিলে। সেই বাৰিষাৰ চাৰিমাহ ৰাম-লক্ষ্ম ণে প্ৰস্ৰৱণগিৰি নামৰ এটা পৰ্বতৰ গুহাত বাস কৰিছিল। সেই অৱস্থাত সীতাক স্মৰণ কৰি ৰামচন্দ্ৰই অহৰহ বৰ্ষা বৰ্ণন কৰি থাকিছিল। সুদীঘ সেই বৰ্ণনা অতি অপূৰ্ব। শৰৎ কাল আহিলেই তেওঁলোক সাজু হ'ব সীতা উদ্ধাৰৰ অৰ্থে।

হনুমানৰ ওপৰতেই সুগ্ৰীৱৰ সৰ্বাধিক আস্থা আৰু বিশ্বাস আছিল। তাকে দেখি ৰামেও নিজৰ নামাংকিত আঙুঠি এটা হনুমানৰ হাতত দি পঠিয়ালে যাতে সীতাৰ বিশ্বাস জন্মে। সুগ্ৰীৱৰ এনে বিস্তৃত ভৌগোলিক জ্ঞান দেখি ৰাম তৰধ মানিলে। বালীৰ ভয়ত সুগ্ৰীৱ যেতিয়া ঘূৰি ফুৰিবলগীয়া হৈছিল, তেতিয়াই দেশ-দেশান্তৰে ভ্ৰমি বিশ্বভুৱনৰ জ্ঞান আহৰণ কৰিছিল তেওঁ।

হনুমানৰ আখ্যা দিয়া হৈছে মহাকাব্যৰ প্ৰথমজন সফল সাংবাদিক হিচাপে। হনুমান হৈছে অসাধ্য সাধন কৰিব পৰা এজন মহাবীৰ। ৰামায়ণত ৰাম-সীতা-লক্ষণ-ৰাৱণৰ সমপৰ্যায়ৰ এক চৰিত্ৰ হৈছে হনুমানৰ। ৰামৰ প্ৰতি থকা অতুলনীয় ভক্তি আৰু আনুগত্যই হৈছে হনুমানৰ প্ৰথম আৰু প্ৰধান পৰিচয়। কিন্তু হনুমানক কেৱল ভক্তি আৰু শক্তিৰ প্ৰতীক হিচাবেই নহয়, প্ৰাচীন কালৰ এক মহত্বপূৰ্ণ সাংবাদিক চৰিত্ৰ হিচাপেও বিবেচনা কৰা হয়। ৰামায়ণৰ কাহিনীত তেওঁ সংবাদ দাতাৰ দৰে তথ্য বা খবৰ সংগ্ৰহ কৰিছে, প্ৰচাৰ কৰিছে আৰু প্ৰেৰণ কৰি সাংবাদিকৰ দায়িত্ব যথাৰ্থভাৱে পালনম কৰিছে। ৰাৱণে সীতাক অপহৰণ কৰাৰ পিছত হনুমানক সীতাৰ সংবাদ আনিবলৈ পঠিওৱা হয়। হনুমানেই প্ৰথম সীতা লংকাত আছে বুলি আশ্বস্ত হৈ লংকালৈ যায় সাগৰ পাৰ হৈ। অতি গোপনে লংকাত প্ৰৱেশ কৰি গুপ্তচৰৰ দৰে লংকাত বিচৰণ কৰি চৌদিশৰ পৰিস্থিতি অধ্যয়ন কৰে, ৰাৱণৰ ৰাজপ্ৰসাদত উপস্থিত হৈ অৱশেষত সীতাক বিচাৰি উলিয়াবলৈ সক্ষম হয়। সীতাক প্ৰত্যক্ষভাৱে দৰ্শন কৰি ৰামৰ দূত হিচাবে ৰামৰ খবৰ দিয়ে আৰু সীতাৰো মনৰ বুজ লয়। হনুমানৰ এই কৰ্মক বৰ্তমানৰ field reporter অৰ্থাৎ ক্ষেত্ৰ সাংবাদিক ৰূপে ৰিজাব পাৰি। তাৰপিছত সীতাৰ মানসিক কষ্ট, মনৰ আশা আৰু ৰামৰ প্ৰতি থকা একান্ত ভক্তি আৰু নিষ্ঠাৰ বতৰা লৈ গৈ ৰামকো জনাইগৈ পৰৱৰ্তী পৰ্যায়ত। তেতিয়া তেওঁ সীতাৰ দূত হিচাপে ৰামৰ ওচৰলৈ

****

যায়। ৰাৱণৰ শান্তি, লংকাৰ সামৰিক ক্ষমতা এইবোৰৰ তন্ন তন্ন খবৰ ৰাৱণৰ ৰাজকাৰেঙৰ প্ৰৱেশ কৰি সমগ্ৰ লংকা নগৰী তচনচ কৰি হনুমানে ৰামক দিয়েগৈ। ৰাৱণৰ ৰাজসভাত হনুমানে ৰাম আৰু সুগ্ৰীৱৰ দূত হিচাপে নিজকে পৰিচয় দাঙি ধৰি ৰামৰ বাৰ্তা প্ৰেৰণ কৰিছে।

ৰামায়ণৰ মতে হনুমান অঞ্জনা আৰু পৱন অৰ্থাৎ বায়ু দেৱতাৰ পুত্ৰ। পৱন আৰু অঞ্জনাৰ মিলনৰ ফলস্বৰূপে গুহাত হনুমানৰ জন্ম হয়। নৱ উচিত সূৰ্য্যক দেখি ফল বুলি খাবলৈ খোজাত শিশু হনুমানে ইন্দ্ৰই ব্ৰজ্ৰৰে আঘাত কৰে। পৰ্বতৰ শিখৰত পৰি হনুমানৰ হনু ভাঙি যায়। গতিকে নাম 'হনুমান'। আন এক আখ্যানমতে অহংকাৰক নিধন কৰোঁতা।

সীতাৰ উদ্ধাৰৰ ক্ষেত্ৰত হনুমানৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। পক্ষীৰাজ সম্পাতিৰ মুখৰ পৰা ৰাৱণৰ লংকা নগৰৰ বৰ্ণনা শুনি বানৰ সেনাই সাগৰ পাৰ হ'বলৈ মনস্থ কৰিলে। কিন্তু সেই আকাশ স্পৰ্শ কৰি থকা মহাবাহু সমুদ্ৰক দেখিয়েই হতবুদ্ধি হৈ ৰ'ল বানৰ সেনানী। তেওঁলোকে চিন্তা কৰিলে কোনে এশযোজন সমুদ্ৰ লংঘন কৰি একেজাপে লংকা পাবগৈ পাৰিব? জাম্ববানে সকলোকে আশ্বস্ত কৰিলে যে তেওঁলোকৰ মাজতে থকা হনুমন্ত বীৰেই এই কাৰ্য্য অনায়াসে সমাধা কৰিব পাৰিব। জাম্ববানৰ মুখৰ পৰা নিজৰ জন্ম বৃত্তান্ত আৰু অতুলনীয় বীৰত্বৰ কথা শুনি সমুদ্ৰ লংঘন কৰিব পৰাকৈ হনুমানে বিৰাটাকাৰ ৰূপ ধাৰণ কৰিলে। সকলোৰে পৰা আশীৰ্বাদ লৈ সীতাদেৱীৰ সন্ধান নিশ্চিতৰূপত অনাত প্ৰতিশ্ৰুতি প্ৰদান কৰি হনুমানে মহেন্দ্ৰ পৰ্বতৰ পৰা একেজাপে লংকাত পদাৰ্পণ কৰিলেগৈ।

লংকাত উপস্থিত হৈয়েই হনুমানে আৰম্ভ কৰিলে সীতাৰ সন্ধান। লংকাৰ বাটে-পথে, ৰাজকাৰেং সকলোতে বিচাৰি চলাথ কৰিও নাপালে সীতাৰ কোনো শুংসূত্ৰ। এবাৰ মন্দোদৰীক সীতা বুলি ভুল কৰিছিলেই যদিও পিছত নিজৰেই বোধোদয় হ'ল যে ৰাজকাৰেঙত শুই থকা সুন্দৰীগৰাকী সীতা কেতিয়াও হ'ব নোৱাৰে। অৱশেষত ৰাজপুৰীৰ কাষৰ বনভূমিৰ কাষতে থকা অশোকবনতে হনুমানে দেখিলেগৈ মলিয়ন বস্ত্ৰ পৰিহিতা সুন্দৰী বৈদেহীক। ক্ষুদ্ৰাকৃতি বানৰৰ ৰূপ লৈ এইবাৰ হনুমন্ত সীতাৰ ওচৰত কৰযোৰে উপস্থিত হ'লগৈ ৰামচন্দ্ৰৰ দূতৰ ৰূপত। হনুমানৰ মুখৰ পৰা সীতাই ৰামৰ কিষ্কিন্ধা আগমনৰ পৰা সীতাৰ অন্বেষণ আৰম্ভ হোৱালৈকে সকলো কথাৰ বিৱৰণ শুনিলে। ৰামৰ শৰীৰৰ বিভিন্ন চিহ্নবোৰ বৰ্ণনা কৰি শুনালে দূতৰূপী হনুমন্তই। সীতাই বিশ্বাস কৰিলে যে এয়েই হনুমন্ত, ৰামৰ দূত। হনুমানে ৰামে দি পঠিওৱা ৰামৰ নাম লিখা মুদ্ৰিকা আঙুঠি দেখুৱালে। সীতাৰ বিৰহত কাতৰ হৈ থকা ৰামৰ মানসিক অৱস্থাৰ বৰ্ণনা দিলে এইদৰে - 'ৰাম তোমাৰ ভাৱনাতে বুৰ গৈ থাকে সৰ্বক্ষণ। তোমাৰ কথাকে কৈ অন্ত নাপায়। তোমাৰ চিন্তাতে অকমান টোপনি আহিলেও পিচমুহূৰ্ততে সীতা সীতা বুলি সাৰ পাই উঠি বহে - তোমাৰ কথা ভাবি থাকোতে ইমান তন্ময় হৈ পৰে যে গাত মহ-মাখি-ডাঁহ, পোক-পৰুৱা পৰিলেও গম নেপায়।

নিত্যং ধ্যানপৰো ৰামো নিত্যং শোকপৰায়ণঃ।
নান্যচ্চিন্তয়তে কিঞ্চিত স তু কামবশং গতঃ।।' [২]

এইখিনিকে কৈ নিজৰ বিৰাট ৰূপ প্ৰদৰ্শন কৰি হনুমানে বিদায় মাগিলে; এইবাৰ আকৌ হনুমান হৈ পৰিল সীতাৰ দূত। ৰামলৈ বুলি অভিজ্ঞান হিচাপে এটা মণিৰত্ন দি পঠিওৱাৰ বাহিৰে সীতাৰ একোৱেই নাছিল। লগতে সীতাই কেৱল ৰাম আৰু তেওঁহে জনা ঘটনা এটাকে পুংখানুপুংখভাৱে হনুমানক বিৱৰি ক'লে, - যিটো ঘটনা ৰামক ক'বগৈ হনুমানে। চিত্ৰকূট পৰ্বততে এবাৰ সীতাক ঢোৰাকাউৰী এটাই আঘাত কৰোঁতে ৰামে ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিছিল। স্বৰ্গ, মৰ্ত্ত্য ক'তোৱেই পৰিত্ৰাণ নাপাই সেই ঢোৰাকাউৰীয়ে (প্ৰকৃততে ইন্দ্ৰৰ পুত্ৰ) পুনৰ ৰামৰ ওচৰতে শৰণ লোৱাত ৰামে কেৱল কাউৰীৰ সোঁ চকুটো নষ্ট কৰি তাৰ প্ৰাণ ভিক্ষা দিছিল। - এইটো ঘটনাকে সীতাই বাৰ্তা হিচাবে ৰামৰ আগত ক'বলৈ হনুমানক কৈ পঠিয়াইছিল।

****

ইয়াৰ পিছত সীতাৰ পৰা বিদায় লৈ হনুমানে লংকেশ্বৰ ৰাৱণৰ ওচৰলৈ যোৱাৰ পৰিকল্পনা কৰিলে। কিয়নো ৰাম আৰু সুগ্ৰীৱৰ দূত হিচাপে আহিছে যেতিয়া সকলোবোৰ কৰ্তব্য পালন কৰি যোৱাটোহে সমীচীন হ'ব। সেয়েহে লংকা নগৰী এফালৰ পৰা ধ্বংস কৰি যাবলৈ ধৰিলে। সকলোকে শুনালে - *"মই ৰামৰ দূৰ। ৰামৰ দ্বাৰা সুৰক্ষিত মহাৰাজ কিষ্কিন্ধ্যাপতি সুগ্ৰীৱৰ দূত। মোৰ নাম হনুমান। ৰামৰ ভাৰ্য্যা সীতাক প্ৰণাম কৰি আহিছোঁ মই। এতিয়া চাব খুজিছোঁ তহঁতৰ শক্তি কিমান!"*[৩] হনুমানক ধৰিবলৈ পঠিওৱা ৰাক্ষস বীৰ, সেনাপতি সকলোকে হনুমানে মাৰি উচন কৰিলে। অৱশেষত ইন্দ্ৰজিতেহে হনুমানক ব্ৰহ্মপাশেৰে বান্ধি পেলালে - সেয়াও সম্ভৱ হ'ল হনুমানৰ ইচ্ছাৰ বাবেই, - কাৰণ তেতিয়াহে ৰাৱণক সাক্ষাৎ কৰাৰ ইচ্ছা পূৰণ হ'ব হনুমানৰ। ৰাৱণৰ ৰাজকাৰেঙত বন্দী হনুমানে নিজৰ পৰিচয় দাঙি ধৰিলে ৰামৰ দূত বুলি। ইয়াকো জনালে যে ভগৱান ব্ৰহ্মাৰ বৰ প্ৰাপ্ত বাবেই ব্ৰহ্মশাপে তেওঁক বান্ধিব নোৱাৰে। তেওঁ নিজেই বন্দিত্ব গ্ৰহণ কৰিছে ৰাৱণৰ সাক্ষাৎ পোৱাৰ আশাত। হনুমানে ক'লে অতি বিনীতভাৱে, - *'হে মহাৰাজ ৰক্ষপতি, মই আহিছোঁ কিষ্কিন্ধাৰ ৰজা মহাৰাজ সুগ্ৰীৱৰ দূত হৈ তেওঁৰ বাৰ্তা বহন কৰি। মহাৰাজ সুগ্ৰীৱ দশৰথৰ পুত্ৰ ৰামৰ মিত্ৰ। ৰামৰ সহায়তে সুগ্ৰীৱ আজি কিষ্কিন্ধাৰ ৰজা। মহাৰাজ তুমি হীন চৌৰ্য্যবৃত্তি অৱলম্বন কৰি ৰামৰ ভাৰ্য্যা সীতাক অপহৰণ কৰি ইয়াত বন্দী কৰি ৰাখিছা, ই ঘোৰতৰ অধৰ্ম। ৰামৰ লগত শত্ৰুতা মুৰ্খ নহ'লে কোনেও নকৰে। তোমাৰ পতন আসন্ন। গতিকে ভালে ভালে সীতাক ৰামৰ হাতত প্ৰত্যপৰ্ণ কৰি নিজৰ হিত চিন্তা কৰা। তুমি তপস্যাৰ বলত ব্ৰহ্মাৰ পৰা দেৱতা-অসুৰ-দৈত্য-দানৱ-যক্ষ-ৰক্ষ-কিন্নৰ-গন্ধৰ্ব সকলোৰে অবধ্য হ'বলৈ বৰ লাভ কৰিছিলা ঠিকেই। কিন্তু ৰাম মনুষ্য আৰু সুগ্ৰীৱ বানৰ। গতিকে তোমাৰ বাবে নিশ্চিত মহাকাল। ত্ৰিলোকত দেৱতা-অসুৰ-যক্ষ-ৰক্ষ আনকি স্বয়ং ব্ৰহ্মা আৰু সদাশিৱেই যুদ্ধ কৰিও ৰামক একো কৰিব নোৱাৰে। তুমিতো নিতান্তই নগণ্য। কাৰণ বহু অধৰ্ম আচৰণে তোমাৰ তেজ হৰণ কৰিছে ইতিমধ্যে।'*[৪]

হনুমানৰ এই কথা শুনি ৰাৱণে বধ কৰাৰ আদেশ দিছিলেই যদিও জ্ঞানী বিভীষণে দূত অবধ্য বুলি বুজাই ৰাৱণক নিৰস্ত্ৰ কৰিলে। তেতিয়া ৰাৱণে হনুমানৰ নেজত জুই লগাই এৰি দিবলৈ আদেশ দিলে। তেনেস্থলতো সীতাৰ প্ৰাৰ্থনাত হনুমানৰ কোনো জুইৰ উত্তাপ অনুভূত নহ'ল। সেয়েহে সমগ্ৰ লংকানগৰী জ্বলাই ছাৰখাৰ কৰি পুনৰ সাগৰত বুৰ মাৰি নেজৰ জুই নুমুৰাই সীতাৰ পৰা পুনৰ বিদায় মাগি হনুমানে আকৌ জাঁপ মাৰি জাম্বৱান, অংগদৰ ওচৰ পালেহি। তাৰ পৰা মহানন্দে সকলোবোৰ একেলগে আহি সুগ্ৰীৱ-ৰাম-লক্ষ্মণৰ ওচৰত উপস্থিত হ'লহি সীতা আৰু লংকাপুৰীৰ সংবাদ লৈ। এইবাৰ হনুমানে ৰামৰ আগত সীতাৰ মুখৰ বাৰ্তা আনি দিলেহি সীতাৰ দূত হিচাপে। প্ৰথমেই হনুমানে কৃতাঞ্জলি লৈ ৰামৰ সন্মুখত সীতাই অভিজ্ঞান হিচাপে দিয়া ৰত্নময় চূড়ামণিটো অৰ্পণ কৰি সীতাৰ বিষয়ে সবিশেষ ক'বলৈ ধৰিলে। ৰামৰ চিন্তাত কৃশাংগী হৈ পৰা সীতাই কিদৰে অহোৰাত্ৰ কেৱল ৰাম চিন্তন কৰি অনাহাৰে-অনিদ্ৰাই সহস্ৰ শংকা আৰু প্ৰলোভনৰ মাজত থাকিবলগীয়া হৈছে সেইয়া বিৱৰি ক'লে। সীতাই কৈ পঠিওৱা কাকপখীৰ কাহিনীটো বৰ্ণনা কৰিলে। লগতে হনুমানে ক'বলৈ নাপাহৰিলে যে আৰু মাত্ৰ দুমাহৰ পিছতেই প্ৰাণ ত্যাগ কৰিব সীতাই। কাৰণ দুৰাত্মা ৰাৱণে তেওঁক দুমাহ সময় দিছে - দুমাহৰ পিছত ৰাৱণৰ কথাত সন্মতি নিদিলে ৰাৱণে যিহেতু তেওঁক বধ কৰিব বুলি কৈছেই; গতিকে তাৰ আগতেই জানকীয়ে প্ৰাণ ত্যাগ কৰাৰ সংকল্প গ্ৰহণ কৰিছে। সীতাই হনুমানক সোধা ত্ৰিলোক বিজয়ী ৰামচন্দ্ৰই তেওঁক বিচাৰিবলৈ কিয় যত্ন কৰা নাই বা কিয় ৰাৱণক বধ কৰা নাই এই প্ৰশ্ন দুটাৰ বিষয়েও হনুমানে ৰামৰ আগত ব্যক্ত কৰিলে। সেই প্ৰশ্নৰ উত্তৰত হনুমানে যিখিনি কথা সীতাক কৈছিল সেয়াও সমগ্ৰখিনিকেই হনুমানে ৰামৰ আগত ক'লে। কেনেকৈ সাগৰ পাৰ হৈ ৰাম আৰু বানৰ সেনা আহিবলৈ সক্ষম হ'ব সেই বিষয়ে থকা সীতাৰ শংকাও হনুমানে ৰামক জনালে।

হনুমানৰ মুখৰ পৰা প্ৰাণাধিকা পত্নী সীতাৰ সমগ্ৰ সংবাদ শুনি ৰাম দুখ-বেদনা-বিস্ময় আৰু কৃতজ্ঞতাবোধৰ মিশ্ৰিত আৱেগৰ অভিভূত হৈ হনুমানক বুকুত সাৱটি ধৰিলে। আনন্দ আৰু কৃতজ্ঞতাত গদ গদ হৈ ৰামে হনুমানক শ্ৰেষ্ঠ

****

দূতৰ অভিধা প্ৰদান কৰিলে। দূতৰ মাজত উত্তমজনেই হ'ল হনুমান। কাৰণ সীতাক সন্মান কৰাৰ উপৰিও স্ব-মহিমাৰে লংকাপুৰীত তাণ্ডৱ সৃষ্টি কৰি ৰাৱণৰ মনতো সংশয় জাগ্ৰত কৰি থৈ আহিবলৈ সক্ষম হ'ল। তাৰপাছত ৰামে হনুমানক দুৰ্গম লংকাপুৰীৰ দুৰ্গৰ সংখ্যা, ৰাৱণৰ সৈন্যবল, লংকাৰ প্ৰতিৰক্ষা ব্যৱস্থা কেনেকুৱা সেই সম্পৰ্কে বিশদভাৱে জানিব বিচাৰিলে। হনুমানেও সকলো প্ৰশ্নৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা দি গ'ল ৰামক। বিশাল লংকাপুৰীত চাৰিখন প্ৰকাণ্ড প্ৰধান তোৰণ। চাৰিওফালে সোণৰ প্ৰাচীৰ। প্ৰাচীৰৰ বাহিৰফালে সমগ্ৰ নগৰ আগুৰি থকা গভীৰ খালত কুম্ভীৰ, মগৰৰ দপদপনি। পূব দুৱাৰত দহ হাজাৰ, দক্ষিণত এক লাখ, পশ্চিমত দহ লাখ আৰু উত্তৰ দুৱাৰত থাকে দহ কোটি দুৰ্জয় ৰাক্ষস সেনা।

হনুমানৰ মুখৰ এই লংকাৰ বাৰ্তা শুনি ৰাম উল্লাসিত হৈ লংকা জয়ৰ সংকল্প গ্ৰহণ কৰিলে। সেইদিনা আছিল উত্তৰ ফাল্গুণী আৰু সেইদিনাই যুদ্ধ যাত্ৰা আৰম্ভ কৰিলে। গতিকে দেখা গ'ল একেখিনি সময়তে হনুমানে ৰাম আৰু সুগ্ৰীৱৰ দূত হৈ লংকালৈ গ'ল; - লংকা জ্বলাই ছাৰখাৰ কৰিলে, আকৌ সীতাৰ দূত হৈ সীতাৰ বাৰ্তা দিলেহি; লগতে মেলি দিলেহি ৰামৰ সন্মুখত লংকাৰ সমস্ত খবৰৰ ভাণ্ডাৰ।

২.০ উপসংহাৰ ঃ

"মহাকাব্যত সাংবাদিক চৰিত্ৰ হিচাপে *হনুমান* ঃ এটি বিশ্লেষণ" শীৰ্ষক এই পৰ্য্যালোচনাত আমি দেখিবলৈ পালোঁ যে ভাৰতীয় সংবাদ জগতখনত ৰামায়ণে এক চিৰন্তন স্বাক্ষৰ ৰাখি থৈ গৈছে। সংবাদ জগতখনৰ পৰৱৰ্তী সময়লৈ প্ৰকৃতাৰ্থত আদৰ্শ আৰু আৰ্হি সৃষ্টি কৰি সামগ্ৰিকভাৱে সংবাদ মাধ্যমৰ সৈতে জড়িত প্ৰত্যেকজনকে সাম্প্ৰতিক সময়লৈকে অনুপ্ৰাণিত কৰি আছে। সেই প্ৰাচীন কালৰে পৰা সংবাদ তথা সংবাদ-দাতাই আমাৰ সমাজত অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সংবাদ এটাক কেন্দ্ৰ কৰি কিদৰে সাংবাদিকে ধ্বংস, সৃষ্টি আৰু ঐক্য সাধন কৰিব পাৰে তাৰ বিভিন্ন উদাহৰণ আমি মহাকাব্যৰ পৰা পাওঁ। নাৰদ, হনুমান, শূৰ্পনখাৰ দৰে মহাভাৰততো সঞ্জয়, শ্ৰীকৃষ্ণ আদিৰ চৰিত্ৰৰ মাজেৰে আমি সমাজত সাংবাদিক আৰু সাংবাদিকতাৰ ভূমিকা কিমান প্ৰভাৱশালী সেই সম্পৰ্কে জ্ঞাত হ'ব পাৰোঁ।

সামগ্ৰিক সিদ্ধান্ত ঃ

প্ৰস্তুত বিশ্লেষণাত্মক অধ্যয়নৰ পৰা মহাকাব্যিক প্ৰেক্ষাপট আৰু আধুনিক সাংবাদিকতাৰ তুলনামূলক দিশসমূহ পৰীক্ষা কৰি তলত দিয়া সিদ্ধান্তসমূহত উপনীত হ'ব পাৰি ঃ

- **পৰম্পৰাগত দূতৰ পৰা সাংবাদিকতালৈ উত্তৰণ ঃ** মহাকাব্যিক যুগত দূত শব্দটো মূলতঃ এজন ৰজা বা নিৰ্দিষ্ট পক্ষৰ আজ্ঞা কঢ়িয়াই নিয়া ব্যক্তিক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু হনুমানে কেৱল ৰামৰ এটা মৌখিক বাৰ্তা লংকাত বিলোৱাই নহয়, ৰৱঞ্চ নিজৰ তীক্ষ্ণ প্ৰজ্ঞা আৰু পৰ্যবেক্ষণেৰে সমগ্ৰ লংকাৰ ৰাজনৈতিক, ভৌগোলিক আৰু সামৰিক পৰিৱেশৰ নিৰপেক্ষ তথ্য সংগ্ৰহ কৰিছিল। ইয়ে তেওঁক গতানুগতিক আজ্ঞাবাহী দূতৰ পৰিধিৰ পৰা এগৰাকী সাৰ্থক অনুসন্ধানকাৰী সাংবাদিকৰ মৰ্যাদালৈ উন্নীত কৰিছে।
- **আধুনিক ক্ষেত্ৰ প্ৰতিবেদনৰ আদৰ্শ চানেকি ঃ** লংকাত প্ৰৱেশ কৰি অশোক বন বিচাৰি উলিওৱা, সীতাৰ বাহ্যিক আৰু মানসিক অৱস্থা প্ৰত্যক্ষ কৰা আৰু পৰৱৰ্তী সময়ত ৰামৰ আগত সীতাৰ শোকাকুল মানসিক স্থিতি আৰু লংকাৰ চাৰিদ্বাৰৰ সৈন্যবাহিনীৰ নিখুঁত পৰিসংখ্যা (পূব দুৱাৰত ১০ হাজাৰৰ পৰা উত্তৰ দুৱাৰত ১০ কোটি সৈন্যৰ বিৱৰণ) দাঙি ধৰাটো বৰ্তমানৰ 'গ্ৰাউণ্ড ৰিপৰ্টিং' বা যুদ্ধকালীন সাংবাদিকতাৰ সৈতে হুবহু সাদৃশ্যপূৰ্ণ।
- **তথ্যৰ সত্যতা নিৰূপণ ঃ** এগৰাকী দায়িত্বশীল সাংবাদিকে কেতিয়াও উৰাবাতৰি বা কল্পনাত ভৰ দি বাতৰি পৰিৱেশন নকৰে। হনুমানেও সীতাৰ বিশ্বাস অৰ্জনৰ বাবে ৰামৰ অঙ্গুৰীয়ক (মুদ্ৰিকা) প্ৰদৰ্শন কৰিছিল আৰু প্ৰত্যুত্তৰত ৰামক পতিয়ন নিয়াবলৈ সীতাৰ চূড়ামণিৰ উপৰিও অতি গোপনীয় কাকপখীৰ ঘটনাটো প্ৰমাণ হিচাপে সংগ্ৰহ কৰিছিল। সাংবাদিকতাত 'Cross-verification' - ৰ যি গুৰুত্ব, হনুমানৰ কাৰ্যৰীতি

****

তাৰ পূৰ্ণ প্ৰতিফলন দেখা যায়।

- **যোগাযোগ কৌশল আৰু মনস্তাত্ত্বিক ভাৰসাম্য ঃ** অশোক বনত সীতাৰ বাবে আশ্বস্তকাৰী প্ৰশান্ত দূত, ৰাৱণৰ ৰাজসভাত ভয়হীন আৰু স্পষ্টবাদী প্ৰবক্তা, আৰু যুদ্ধ প্ৰস্তুতিৰ পৰ্যায়ত ৰামৰ বাবে কৌশলগত তথ্যদাতা হিচাপে হনুমানৰ বহুমুখী যোগাযোগ কৌশল লক্ষ্যণীয়। বাৰ্তা গ্ৰহণকাৰীৰ মানসিক অৱস্থা বুজি ভাষা আৰু তথ্যৰ প্ৰয়োগ কৰাৰ যি কুশলতা, সেয়া এজন সফল গণ-সংযোগকাৰীৰ প্ৰধান লক্ষণ।

সামৰণিত ক'ব পাৰি যে আধুনিক যুগত ব্যৱহৃত প্ৰযুক্তি, মুদ্ৰণ যন্ত্ৰ বা ডিজিটেল মাধ্যম সেই সময়ত নাছিল যদিও সাংবাদিকতাৰ মূল আত্মা - অৰ্থাৎ সত্যৰ সন্ধান, সূক্ষ্ম পৰ্য্যবেক্ষণ, তথ্যভিত্তিক সত্যতা নিৰূপণ আৰু উদ্দেশ্যধৰ্মী সংবাদ পৰিৱেশনৰ যি নৈতিক মান, সেয়া হনুমানৰ চৰিত্ৰত পূৰ্ণ ৰূপত প্ৰতিষ্ঠিত হৈছিল। গতিকে ৰামায়ণৰ পৱনপুত্ৰ হনুমান কেৱল এক ঐশ্বৰিক বা ভক্তিমূলক চৰিত্ৰই নহয়, তেওঁ প্ৰাচীন ভাৰতীয় চিন্তা আৰু সাহিত্যিক ইতিহাসৰ এক বাটকটীয়াৰ লগতে মহাকাব্যৰ প্ৰথমজন সফল সাংবাদিক চৰিত্ৰ।

প্ৰসংগ টীকাঃ

১. প্ৰদীপ শইকীয়া, *এ জয় ৰঘুৰ নন্দন*
২.ড°প্ৰদীপ শইকীয়া
৩. দ্বিতীয় খণ্ড
৪. উল্লিখিত, পৃ.১৩০, ১৩৬, ১৪২

গ্ৰন্থপঞ্জী ঃ

মাধৱ কন্দলি আৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ-শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত *সপ্তকাণ্ড ৰামায়ণ* , বনলতা, গুৱাহাটী, ২০১৭
শইকীয়া, প্ৰদীপ ঃ *এ জয় ৰঘুৰ নন্দন* , প্ৰথম আৰু দ্বিতীয় খণ্ড, বাণী মন্দিৰ প্ৰকাশক, ২০০৭
শইকীয়া, প্ৰদীপ (অনুবাদ) ঃ *চক্ৰৱৰ্তী ৰাজাগোপালাচাৰী কথা-ৰামায়ণ* , নতুন বজাৰ, ডিব্ৰুগড়-১, ২০০৮
মালিনী, ঠাকুৰ প্ৰাপ্তি, মহন্ত ৰেৱত ঃ *মাধৱ কন্দলি ৰামায়ণৰ প্ৰাচীনত্ব নিৰূপণ* , গুৱাহাটী, ২০২২
মহন্ত, কেশদা ঃ *অসমীয়া ৰামায়ণী সাহিত্য* , যোৰহাট, ২০১১
ৰৱদলৈ, মাধৱ চন্দ্ৰ (সম্পা.) ঃ *মাধৱ কন্দলি-বিৰচিত সাতকাণ্ড ৰামায়ণ* , অসম পৰিশন পৰিষদ, গুৱাহাটী-১, ২০১৫
কৃষ্ণআচার্য্য, টি. আৰ. (সম্পা.) ঃ *শ্ৰীমদ্বাল্মীকিৰামায়ণম্* , নির্ণয় সাগৰ প্ৰেছ , মুম্বাই , ১৯১১
চক্ৰৱৰ্ত্তী, ৰাজাগোপালাচাৰী ঃ *ৰামায়ণ,* ভাৰতীয় বিদ্যা ভৱন, ১৯৫৯
মহর্ষি বাল্মীকি ঃ *শ্ৰীমদ্বাল্মীকিয় ৰামায়ণ* , গীতা প্ৰেছ, গোৰখপুৰ, ১৯৭০
ড° মালিনী ঃ *মহাকাব্যৰ চিন্তা-প্ৰৱাহ* , পূৰ্বাঞ্চল প্ৰকাশ, ২০২৩

বিঃদ্রঃ - এই গৱেষণাত ব্যৱহাৰ কৰা সমস্ত উদ্ধৃত পদাংশ, ব্যাক্যাংশ লোৱা হৈছে ক্ৰমে প্ৰদীপ শইকীয়াৰ **এ জয় ৰঘুৰ নন্দন (প্ৰথম আৰু দ্বিতীয় খণ্ড)** ৰ পৰা।

****

PANCHOI

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

কোচ-ৰাজবংশীসকলৰ সমন্বয় তথা সম্প্রীতিৰ নিদর্শন 'সাউৰী প্রথা'

ড° লিলি দাস
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ৰাজীৱ গান্ধী মেম'ৰিয়েল মহাবিদ্যালয়, লেংটিছিঙা

সাৰাংশ

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়েৰে গঢ়ি উঠা এখন ৰাজ্য। বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসস্থান বাবে বাৰেৰহণীয়া সাংস্কৃতিক নিদর্শন ৰাজ্যখনত বিদ্যমান। বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ ভিতৰত নামনি অসমৰ বিশেষকৈ তাহানিৰ অবিভক্ত গোৱালপাৰা জিলাখনত বসবাস কৰা কোচ-ৰাজবংশীসকল অন্যতম। সাংস্কৃতিক দিশেৰে কোচ-ৰাজবংশীসকল অতি মহীয়ান। কোচ-ৰাজবংশীসকল মূলতঃ কৃষিজীৰী আৰু তেওঁলোকৰ মূল খেতি হৈছে ধান। কৃষিজীৰী হোৱা বাবে তেওঁলোকে গাঁও পাতি বসবাস কৰে। গাঁৱত সমাজ পাতি বসবাস কৰি তেওঁলোকে ভাল পায়। কৃষিজীৰী গাঁৱলীয়া সমাজত কাম-কাজৰ ক্ষেত্রত প্রচলিত এবিধ পৰম্পৰাগত প্রথা হৈছে 'সাউৰী প্রথা'। সাউৰী প্রথাক অঞ্চল বিশেষে বা ঠাই বিশেষে সাউৰী খোৱা বা সাউৰী দিয়া বা সাউৰী লোৱা বুলিও কোৱা হয়। সাউৰী প্রথা হৈছে কেবাজনো লোক একেলগ হৈ কোনো এটা কাম সমাধা কৰা। কোনো এটা কামৰ উদ্দেশ্যে গাঁৱৰ কিছু সংখ্যক লোক একগোট হয় আৰু এদিনৰ ভিতৰতে গোটেই কামখিনি শেষ কৰে। সাউৰী প্রথাই সমাজত সম্প্রীতি তথা সমন্বয়ৰ নিদর্শন দাঙি ধৰে।

বীজ শব্দঃ কোচ ৰাজবংশী, সাউৰী প্রথা, কৃষিজীৰী, পৰম্পৰাগত।

০.১ অৱতৰণিকাঃ

অসমৰ পশ্চিম প্রান্তত অৱস্থিত তাহানিৰ অবিভক্ত গোৱালপাৰা জিলা। বৃহত্তৰ অঞ্চলটো সাংস্কৃতিক দিশেৰে ঐতিহ্যমণ্ডিত। বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী মানুহে পুৰণি কালৰ পৰাই অঞ্চলটোত সমিল-মিলেৰে বসবাস কৰে যদিও কোচ-ৰাজবংশীসকলৰ সংখ্যাধিক্য পৰিলক্ষিত হোৱা দেখা যায়। কোচ-ৰাজবংশীসকল সাংস্কৃতিক দিশেৰে অতি চহকী। কোচ-ৰাজবংশীসকলৰ মূল জীৱিকা কৃষি। কৃষিজীৰী লোক-জীৱনতহে লোকসংস্কৃতি বর্তি থাকে। কৃষিজীৰী গাঁৱলীয়া কোচ-ৰাজবংশীসকলৰ জীৱন পৰিক্রমাত পৰম্পৰাগতভাৱে বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান, লোকাচাৰ, লোকবিশ্বাস আদি ওতঃপ্রোতভাৱে সম্পৃক্ত। উৎসৱ-অনুষ্ঠান, লোকবিশ্বাস, লোকধর্ম, লোকাচাৰ আদিয়ে তেওঁলোকক সুস্থ জীৱন-ধাৰণ কৰাত সহায় কৰাৰ লগতে বিভিন্ন ধৰণে বিভিন্ন দিশত সহায় কৰে।

****

০.২ অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বঃ

সংস্কৃতিয়ে কোনো এটা জাতি বা জনগোষ্ঠীক তেওঁলোকৰ জাতীয় পৰিচয় প্ৰদান কৰাত সহায় কৰে। লোকসাংস্কৃতিক সমলসমূহৰ ভিতৰত তেওঁলোকৰ জাতীয় ইতিহাস সোমাই থাকে কিন্তু সেই বিষয়সমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা নহয়। কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত 'সাউৰী প্ৰথা'ত জনগোষ্ঠীটোৰ একতা, সমন্বয়, সম্প্ৰীতি আদি বহুতো দিশৰ নিদৰ্শন সোমাই আছে। গতিকে উক্ত দিশসমূহ আলোচনাৰ বাবে 'কোচ-ৰাজবংশীসকলৰ সমন্বয় তথা সম্প্ৰীতিৰ নিদৰ্শনঃ সাউৰী প্ৰথা' বিষয়ত অধ্যয়নৰ প্ৰয়োজনীয়তা আৰু বিশেষ গুৰুত্ব আছে।

০.৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

'কোচ-ৰাজবংশীসকলৰ সমন্বয় তথা সম্প্ৰীতিৰ নিদৰ্শনঃ সাউৰী প্ৰথা' বিষয়ত অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ এনেধৰণৰ—

১. কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত পৰম্পৰাগত প্ৰথাসমূহৰ বিষয়ে অৱগত হোৱা।

২. পৰম্পৰাগত প্ৰথাসমূহ গাঁৱবাসী লোকসমাজত কিয়, কেনেদৰে প্ৰচলিত তাৰ বিষেয় বিশ্লেষণ আগবঢ়োৱা।

৩. পৰম্পৰাগত ৰীতি-নীতি, পদ্ধতি আদিয়ে কিদৰে জনগোষ্ঠীটোৰ জাতীয় পৰিচয় দাঙি ধৰে, তাৰ বিষয়ে অৱগত হোৱা।

৪. পৰম্পৰাগত প্ৰথাসমূহে লোকসমাজত কিদৰে সমন্বয় আৰু সম্প্ৰীতিৰ বাৰ্তা বহন কৰে, তাৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা।

০.৪ অধ্যয়নৰ পৰিসৰ ঃ

কোচ-ৰাজবংশীসকলৰ জীৱন ধাৰণ প্ৰণালী, খেতি-বাতি, উৎসৱ-অনুষ্ঠান, ঘৰ-দুৱাৰ নিৰ্মাণ পদ্ধতি আদিৰ সৈতে কেনেদৰে সাউৰী প্ৰথা জড়িত হৈ আছে, সেই বিষয়সমূহ অধ্যয়নৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

০.৫ অধ্যয়নৰ পদ্ধতি ঃ

'কোচ-ৰাজবংশীসকলৰ সমন্বয় আৰু সম্প্ৰীতিৰ নিদৰ্শনঃ সাউৰী প্ৰথা' শীৰ্ষক অধ্যয়নৰ বাবে প্ৰথমে এটি সমীক্ষা আগবঢ়োৱা হৈছে। তাৰ পাছত সম্প্ৰীতি আৰু সমন্বয়ৰ নিদৰ্শনৰ বাবে এটি বিশ্লেষণ আগবঢ়াবলৈ যত্ন কৰা হৈছে।

১. কোচ-ৰাজবংশীসকলৰ জীৱন-ধাৰণ প্ৰণালীঃ

মানুহৰ জীৱন-ধাৰণৰ প্ৰাথমিক প্ৰয়োজনীয় আহিলা হৈছে অন্ন, বস্ত্ৰ আৰু বাসস্থান। মানুহে আদিম অৱস্থাৰ পৰাই ইয়াৰ বাবে সংগ্ৰাম কৰি আহিছে। আদিম অৱস্থাত যেতিয়া মানুহে বাসস্থানৰ বাবে গছৰ খোৱোঙত আৰু বস্ত্ৰৰ বাবে গছৰ বাকলি পৰিধান কৰিছিল, তেতিয়াও খাদ্যৰ বাবে আটাইতকৈ বেছি সংগ্ৰাম কৰিবলগীয়া হৈছিল। অভাৱেই আৱিষ্কাৰৰ মূল কথাযাৰৰ দৰে খাদ্যৰ বাবেই হয়তো মানুহে সমাজ পাতি বসবাস কৰিবলৈ শিকিছিল। সময়সাপেক্ষে খাদ্যৰ অভাৱ অনুভৱ কৰাৰ বাবেই হয়তো মানুহে খেতি-বাতি কৰিবলৈ মন মেলিছিল। সমাজ পাতি বসবাস কৰাৰ পৰম্পৰা তেনেদৰেই আৰম্ভ হৈছিল। সমাজ পাতি বসবাস কৰিবলৈ লোৱা লোকসকলৰ ভিতৰত আদিম জনগোষ্ঠী কোচ-ৰাজবংশীসকল অন্যতম। সমাজ পাতি তেওঁলোকে ঘৰ-দুৱাৰ নিৰ্মাণ কৰি বসবাস কৰে। তেওঁলোকে তেওঁলোকৰ আৰ্থিক সামৰ্থ অনুযায়ী ঘৰ-দুৱাৰ নিৰ্মাণ কৰে। ঘৰ-দুৱাৰ নিৰ্মাণৰ ক্ষেত্ৰত কোচ-ৰাজবংশীসকলে মানি চলা এটি প্ৰবাদ বাক্য হৈছে—

"পূৱে হাঁহ পশ্চিমে বাঁহ

****

উত্তৰে ওৱা দক্ষিণে ধুৱা।।"

অর্থাৎ উত্তৰফালে তামোল পাণৰ বাৰী, দক্ষিণফালে মুকলি পথাৰ, পূৱফালে পুখুৰী আৰু পশ্চিমফালে বাঁহ থকা বাঞ্ছনীয়। পশ্চিমফালৰ বাঁহ, তামোল-পাণৰ বাগান ধুমুহাৰ পৰা ৰক্ষা, পূৱৰ পুখুৰীয়ে পুৱাৰ ৰ'দ লোৱাত সহায় আৰু দক্ষিণফালৰ মুকলি বতাহ গৃহস্থীৰ স্বাস্থ্য ৰক্ষাত সহায় কৰে বুলি কোচ-ৰাজবংশীসকলৰ বিশ্বাস। (ভকত, ৮৫)

কোচ-ৰাজবংশীসকলে বতৰ পৰিৱর্তনৰ লগত সংগতি ৰাখি বিভিন্ন ধৰণৰ খেতি-বাতি কৰে। তাৰ ভিতৰত প্রধান হৈছে জলখেতি আৰু স্থলখেতি। জলখেতিসমূহ হ'ল— (ক) শালি ধান, (খ) বৰো ধান আৰু (গ) বোৱা ধান। আকৌ স্থল খেতিসমূহ হ'ল (ক) আহু ধান আৰু (খ) গম ধান। খেতি-বাতিৰ ওপৰত নির্ভৰ কৰি জীৱিকা নির্বাহ কৰা কোচ-ৰাজবংশীসকলে বহুতো কৃষিকেন্দ্রিক উৎসৱ-অনুষ্ঠান পাতে। অনুষ্ঠানসমূহ ভিতৰত— হাল যাত্রা, গছা দিয়া, নাঙল ঝাক্রা, কাতি গাছা, লক্ষ্মী পূজা, আগ অনা, বুঢ়া-বুঢ়ীৰ ভাৰ পেলোৱা, নয়া খাওৱা, কাচি উঠা, এউৰী মগা, দোমাহী/ পুষুনা আদি। এই উৎসৱ-অনুষ্ঠানসমূহ বিভিন্ন ৰীতি-নীতি আৰু নৃত্যগীতৰ মাজেদি জাকজমকতাৰে পালন কৰা হয়।

২. সাউৰী প্রথা (সাউৰী খোৱা বা সাউৰী দিয়া বা সাউৰী লোৱা)ঃ

কোচ-ৰাজবংশী সমাজত সমাজ পাতি গাঁৱত বসবাস কৰা লোকসকলে ইজনে সিজনক বা এঘৰ মানুহে আন এঘৰ মানুহক সহায়-সহযোগ কৰা বা পোৱাৰ বাবে কিছুমান পৰম্পৰাগত প্রথা বা পদ্ধতিৰ প্রচলন আছে। তাৰ ভিতৰত এক প্রকাৰ পৰম্পৰাগত প্রথা হৈছে সাউৰী প্রথা। সাউৰী প্রথা হৈছে এখন গৃহস্থৰ নিজৰ কাম পিছপৰি থাকিলে নাইবা কামটো অকলে কৰাৰ ক্ষেত্রত অসুবিধান সন্মুখীন হ'লে নাইবা অকলে কৰিব নোৱাৰা কিছুমান কামৰ ক্ষেত্রত কামটো আগুৱাই লৈ যাবলৈ আন লোকৰ সহায়-সহযোগ লোৱা প্রথাই হৈছে 'সাউৰী প্রথা'। উক্ত প্রথামতে যিখন গৃহস্থই সাউৰী লোৱাৰ কথা ভাৱে, সেইখন গৃহস্থই ওচৰ-চুবুৰীয়া তথা জ্ঞাতিৰ অন্তর্গত লোকৰ ঘৰে ঘৰে গৈ এটা নির্ধাৰিত দিনত মাতে। নির্ধাৰিত দিনটোত সকলো আহি সেই গৃহস্থত উপস্থিত হয় আৰু সকলোৱে মিলিজুলি কামটো সমাপ্ত কৰে। শালি খেতিৰ সময়ত হাল বোৱা, ভূই ৰোৱা, ধান ছপোৱা আদি কামসমূহৰ ক্ষেত্রত সাউৰী লোৱা/ মাউৰী খোৱা প্রথা প্রচলিত। সাউৰী লোৱাৰ দিনাখন ৰাতিপুৱাৰ ভাগত ভালকৈ চাহ-জলপান নাইবা পিঠাপনা খুওৱা হয়। দুপৰীয়াৰ ভাতসাঁজ মাছ-মঙহেৰে ভালদৰে খুওৱা হয়। আকৌ এদিন পিছত নাইবা মাঘ বিহুৰ সময়ত মাছ-মঙহেৰে এসাঁজ ভাত ভালকৈ খুৱায়। আর্থিক অৱস্থাৰ ওপৰত নির্ভৰ কৰি কোনোবাই নুখুৱালেও কোনো আপত্তি নাথাকে। শালি খেতিৰ উপৰিও আন খেতি যেনে ঃ (মৰাপাট, তিল, সৰিয়হ, দাইল, মাকৈ, ধেমচি)ৰ সময়তো সাউৰী লোৱা হয়। খেতি-বাতিৰ উপৰিও ঘৰ-দুৱাৰ নির্মাণৰ ক্ষেত্রতো সাউৰী লোৱা পৰম্পৰা প্রচলিত। বাঁহেৰে বেৰ দিয়া, খেৰেৰে চাল চোৱা, মাটিৰ বেৰ লিপাৰ সময়ত সাউৰী খোৱা-লোৱা হয়।

কোচ-ৰাজবংশী সমাজত পৰম্পৰাগতভাৱে প্রচলিত আন এবিধ প্রথা হৈছে 'গাতা'। উক্ত প্রথা অনুসৰি আঠ/দহজনমান লোক একেলগে হৈ এটা অস্থায়ী দল গঠন কৰে। দলৰ অন্তর্গত প্রতিজনৰে ঘৰত এদিন এদিনকৈ কৃষি কর্মৰ অন্তর্গত কাম নাইবা আন যিকোনো কাম কৰে। এনেদৰে দলগত হৈ কাম-কাজ কৰাৰ বাবে জা-জলপানৰ ব্যৱস্থা থাকে কিন্তু ভাতসাঁজৰ ব্যৱস্থা নাথাকে।

'গাতা' পদ্ধতিৰ উপৰিও কোচ-ৰাজবংশী সমাজত খেতি-বাতি বা আন কাম কাজৰ ক্ষেত্রত আন এক পদ্ধতি হৈছে 'হাৱালি'। হাৱালি পদ্ধতি অনুসৰি কোনো এজন লোকৰ নিজৰ খেতি-বাতি বা আন কামখিনি সময়মতে নহ'লে বা পিছুৱাই থাকিলে, কামটো আগুৱাই নিবলৈ ওচৰ-চুবুৰীয়াক মাতি আনি এদিনৰ ভিতৰতে সম্পন্ন কৰে। কামটো কৰাৰ সময়ত জা-জালপানৰ ব্যৱস্থা থাকে, ভাতসাঁজৰ ব্যৱস্থা নাথাকে কিন্তু কোনো এক উৎসৱৰ লগত সংগতি ৰাখি চিৰা-পিঠা, মাছ-মঙহেৰে এসাঁজ ভালকৈ খুৱায়।

****

৩. সমন্বয় তথা সম্প্রীতিৰ নিদর্শনঃ

যেতিয়া এখন গাঁৱৰ লোকসকলে একলগে কাম কৰি একতা, সামঞ্জস্য বা মিলাপ্রীতিৰ নিদর্শন দেখুৱায়, সেয়াই হৈছে সমন্বয়। আনহাতে মানুহৰ মাজত মিল, ভালপোৱা আৰু শান্তিৰ সম্পর্ক থাকিলে, সেয়াই হৈছে সম্প্রীতি। কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে খেতি-বাতিৰ লগত সম্পর্কিত, ঘৰ-দুৱাৰ নির্মাণ কৰা, বাট-পথ মেৰামতি কৰা আদি কামসমূহ একেলগে মিলিজুলি কৰে। এঘৰ মানুহে আন এঘৰ মানুহক সহায়ৰ হাত আগবঢ়াবলৈ তেওঁলোকৰ মাজত কিছুমান পৰম্পৰাগত পদ্ধতি প্রচলিত। উক্ত পদ্ধতিসমূহে তথা প্রথাসমূহে তেওঁলোকৰ মাজত সমন্বয় একতা তথা সম্প্রীতিৰ নিদর্শন দাঙি ধৰাত সহায় কৰে। আকৌ জনগোষ্ঠীটোৰ লোকসকলে বিভিন্ন ধৰণৰ উৎসৱ-পার্বন, বিয়া-সবাহ আদি একেলগে মিলিজুলি অনুষ্ঠিত কৰাত ফলত তেওঁলোকৰ মাজত সম্প্রীতি তথা ভাতৃত্ববোধৰ নিদর্শন ফুটি উঠে। সমন্বয় আৰু সম্প্রীতিয়ে হৈছে কোচ-ৰাজবংশী সমাজৰ মূল ভিত্তি। এই সমন্বয় আৰু সম্প্রীতি পৰস্পৰে পৰস্পৰক সহায়, মিলিজুলি বসবাস কৰাৰ ফলস্বৰূপে গঢ়ি উঠে। মিলিজুলি বসবাস কৰা এখন সমাজহে শক্তিশালী আৰু উন্নত হয়। সেইবাবে এই মূল্যবোধ বজাই ৰখা সমাজত বসবাস কৰা সকলো লোকৰে দায়িত্ব।

৪. উপসংহাৰঃ

কোচ-ৰাজবংশী সমাজত অতীত কালৰ পৰাই কৃষি কার্য বা ঘৰখনত আন কাম-কাজৰ বাবে সাউৰী প্রথা, গাতা, হাৱালী আদি পদ্ধতিসমূহৰ প্রচলন আছে। এই পদ্ধতিসমূহৰ লগত হালোৱা, কামালা, ৰোৱাতি, ভেন্নীয়া, ধানা ধানি, ৰাখাল, মহীষাল, বোকালি আদিৰ মাজত এক নিবিড় সম্পর্ক। খেতি-বাতি বা আন কাম-কাজ কৰাৰ সময়ত যিজনে হাল বায়, তেওঁ হৈছে হালোৱা। হালোৱাজনে কৃষিকার্যৰ সম্পূর্ণ কাম কৰে। যিজনে ব্যক্তিয়ে দৈনিক হাজিৰা কাম কৰে তেওঁ হৈছে 'কামালা'। ঠিক তেনেদৰে যিগৰাকী তিৰোতাই ভূই ৰোৱে তেওঁ হৈছে 'ৰোৱাতী/ ৰোৱান্তী'। আকৌ যিজনী তিৰোতাই দৈনিক দিন হাজিৰা কাম কৰে তেওঁক ভেন্নীয়া, যিয়ে মাহেকীয়া হিচাপে মহাজনৰ ওচৰত কামবন কৰে সেইজন ব্যক্তিক 'ধানী' বুলি কোৱা হয়। এই হালোৱা, কামালা, ৰোৱাতী, ভেন্নীয়া, ধানা-ধানি, ৰাখাল, মাহিষাল আদি শব্দবিলাকৰ লগত জনগোষ্ঠীটোৰ এটা স্বকীয় পৰিচয় আছে। ইয়াৰোপৰি উক্ত পদ্ধতিসমূহৰ পৰা আর্থিকভাৱে দুর্বল গৃহস্থ এখনে আর্থিকভাৱে সবল গৃহস্থ এখনৰ পৰা সকাহ লাভ কৰে। সমাজ পাতি গাঁৱত বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ পৰম্পৰাগত পদ্ধতিসমূহে একতাবদ্ধ হৈ সম্প্রীতিৰ নিদর্শন দেখুৱাই জীৱন-ধাৰণৰ উজ্জ্বল নিদর্শন দাঙি ধৰিব পাৰিছে কিন্তু সামাজিক পৰিৱর্তনৰ লগে লগে উক্ত পদ্ধতিসমূহৰ বহুখিনি লুপ্ত হোৱাৰ পথত।

প্রসঙ্গটোকাঃ

১. ভকত, দ্বিজেন্দ্রনাথ ঃ *অসমৰ কোচ-ৰাজবংশী জনজাতি*, চেণ্টাৰ ফৰ ইথনিক ষ্টাডিজ এণ্ড ৰিচার্জ, ২০১০।

গ্রন্থপঞ্জীঃ

গগৈ, লীলা ঃ *অসমৰ সংস্কৃতি*, বনলতা, ২০২১।

বৰদলৈ, নির্মলপ্রভা ঃ *অসমৰ লোকসংস্কৃতি*, বীণা লাইব্রেৰী, ২০০৪।

বৰুৱা বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোকসংস্কৃতি*, বীণা লাইব্রেৰী, ২০০২।

ভকত, দ্বিজেন্দ্রনাথ ঃ *অসমৰ কোচ-ৰাজবংশী জনজাতি*, চেণ্টাৰ ফৰ ইথনিক ষ্টাডিজ এণ্ড ৰিচার্জ, ২০১০।

শর্মা, নবীন চন্দ্র ঃ *অসমীয়া লোক-সংস্কৃতিৰ আভাস*, বাণী প্রকাশ, ২০১০।

স্মৃতিগ্রন্থঃ

ৰায়, নিখিল (সম্পাদনা) ঃ *জাগুৰানি*, সদৌ কোচ-ৰাজবংশী ছাত্র সম্থা, ২০১৫।

****

PANCHOI

ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

বিহুনামত অলংকাৰৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (ধনশিৰি পৰীয়া অঞ্চলৰ বিহুনামৰ আধাৰত)

চিৰঞ্জীত বড়া
সহকাৰী অধ্যাপক, সৰুপথাৰ মহাবিদ্যালয়

সাৰাংশ

অসমীয়া লোকজীৱনৰ এক গুৰুত্বপূৰ্ণ উপাদান হৈছে বিহু নাম। লোক সংস্কৃতি চহকী কৰাত বিহুনামৰ অৱদান উল্লেখযোগ্য। এই বিহুনামবোৰে যুগ-যুগান্তৰ ধৰি অসমীয়া জনসমাজৰ মুখে মুখে ঠাই পাই আহিছে। বিহুনামবোৰলৈ চকু ফুৰালে দেখা যায় যে কোনো এটা অঞ্চলক কৰিও বহু সংখ্যক বিহুনাম ৰচিত হৈছে। তাৰে ভিতৰত গোলাঘাট জিলাত প্ৰচলিত ধনশিৰি পৰীয়া বিহুনাম অন্যতম। আমাৰ দ্বাৰা প্ৰস্তুত কৰা গৱেষণা পত্ৰখনত গোলাঘাট জিলাত প্ৰচলিত ধনশিৰি পৰীয়া অঞ্চলৰ বিহুনামত কেনেদৰে অলংকাৰ প্ৰয়োগ হৈছে তাৰে এক চমু অৱলোকনৰ প্ৰয়াস কৰা হৈছে।

বীজশব্দঃ বিহুমাম, ধনশিৰী, অলংকাৰ

১.০ অৱতৰণিকা ঃ

০.১ বিষয়ৰ পৰিচয় ঃ

অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ বা উপাদান হৈছে বিহু। বিহু তিনি প্ৰকাৰৰ, সেয়া হৈছে ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। ব'হাগৰ বিহুত নৃত্য, গীত-মাত, বাদ্য আদি পৰিৱেশন কৰাৰ লগতে খাদ্য সম্ভাৰ, ৰীতি-নীতি আদিৰে অসমীয়া জনসমাজত উদযাপন কৰে।

ব'হাগ বিহুত জা-জলপান খোৱা, মান-সংকাৰ কৰা, বিহুৱান দিয়া আদি নীতি-নীয়ম আৰু সংস্কাৰৰ উপৰি আটাইতকৈ আকৰ্ষণীয় আৰু অবিচ্ছেদ্য অংগ হৈছে বিহুনাম। ব'হাগ বিহু পৰম্পৰাত আঞ্চলিক ৰূপ থকাৰ দৰে বিহু নামৰ ক্ষেত্ৰতো আঞ্চলিক প্ৰভাৱ দেখা পোৱা যায়। বিশেষকৈ অসমত ভৌগোলিকভাৱে নৈ-উপনৈসমূহে ভৰি আছে যাৰ ফলত বিহু নামসমূহতো স্থানীয় নৈৰ প্ৰভাৱ পৰা দেখা যায়। অসমখনলৈ মন কৰিলে বিহু নামসমূহত যেনে-শিৱসাগৰত দিচাং, দিখৌ, জাঁজী নৈয়ে (দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰ, জাঁজী নৈ এৰিব পাৰোঁ...), যোৰহাটত ভোগদৈ(ভোগদৈৰে বালিচৰ চিকুণ দেখি...), ডিব্ৰুগড়ত দিহিং (দিহিঙে দিপাঙে হ'ল একে সুঁতি...), ধেমাজিত জীয়াধল (জীয়াধল বাঢ়িলে, মৰিধল শুকালে...), লক্ষিমপুৰত চাৰিকড়ীয়া, সোৱনশিৰি (সোৱনশিৰি পৰীয়া, বগা হাঁহ চৰীয়া...) নৈয়ে বিশেষ স্থান লাভ কৰাৰ দৰে গোলাঘাট জিলাৰ ধনশিৰি নৈক কেন্দ্ৰ কৰি গড় লোৱা নদী কাষৰীয়া অঞ্চল সমূহত প্ৰচলিত বিহুনামবোৰত স্থানীয় প্ৰভাৱ পৰিছে।

****

গোলাঘাট জিলাত প্ৰচলিত ধনশিৰিপৰীয়া বিহুনামসমূহত বিহুনাম ৰচোঁতাসকলে বিভিন্ন প্ৰাকৃতিক উপাদান, জীৱজন্তু(কপৌ, গৰু, ম'হ, শালিকা আদি), নদ-নদী (ভোগদৈ, দিখৌ, জাঁজি, সোৱণশিৰি, মহাবাহু ব্ৰহ্মপুত্ৰ), পাহাৰ-পৰ্বত, ফুল-লতা, সাঁজপাৰ আদিক সুন্দৰভাৱে তুলি ধৰিবলৈ বিভিন্ন অলংকাৰ (যেনে ঃ অনুপ্ৰাস, উপমা, ৰূপক) অতি সাৱলীল ভাৱে প্ৰয়োগ কৰিছে। এই অলংকাৰসমূহৰ গুণত গোলাঘাট জিলাত প্ৰচলিত ধনশিৰিপৰীয়া বিহুনামসমূহ অধিক আকৰ্ষণীয়, ৰসাল আৰু মাধুৰ্যময় কৰি তুলিছে।

০.২ অধ্যয়নৰ উদ্দেশ্যঃ

বিহুনামত অলংকাৰৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন(ধনশিৰি পৰীয়া অঞ্চলৰ বিহুনামৰ আধাৰত) শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল -১) বিহুনামৰ অলংকাৰসমূহ চিহ্নিত কৰা। ২) অলংকাৰৰ দুটা ভাগ শব্দালংকাৰ আৰু অৰ্থালংকাৰ ধনশিৰি পৰীয়া বিহুনামসমূহত কেনেদৰে প্ৰয়োগ হৈছে তাক বিতংকৈ আলোচনা কৰাৰ লগতে ঐতিহ্যমণ্ডিত ধনশিৰিপৰীয়া বিহুনামসমূহক গৱেষণামূলক দৃষ্টিভংগীৰে বিচাৰ কৰাটোৱেই অধ্যয়নৰ মূল উদ্দেশ্য।

০.৩ গৱেষণা পদ্ধতি ঃ গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে 'বিশ্লেষণাত্মক' আৰু 'বৰ্ণনাত্মক' পদ্ধতি প্ৰয়োগ কৰা হৈছে।

০.৪ তথ্যৰ উৎস ঃ

প্ৰস্তুত কৰা গৱেষণা পত্ৰখনৰ প্ৰাথমিক উৎস গোলাঘাট জিলাৰ প্ৰচলিত বিহুনামসমূহৰ লগতে গৌণ উৎস হিচাপে লোক-সাহিত্য, সংস্কৃতি বিষয়ক গ্ৰন্থ আৰু তাৰ সৈতে জড়িত বিভিন্ন প্ৰবন্ধ লোৱা হৈছে।

১.০ বিহুনামত অলংকাৰ প্ৰয়োগ ঃ

বিহুনামত লোক কবি বা বিহুনাম ৰচোঁতাই বিহুনাম ৰচোঁতে ব্যৱহাৰ কৰা কল্পনা বা বাস্তৱ জগতত উপাদানসমূহৰ দ্বাৰা ৰূপ, গুণ, ক্ৰিয়াৰ বলত বিহুফাঁকি শুনিলে শুনোতাৰ মনত লাগি যোৱাকৈ বা মন বহাকৈ যি কাৰকে ক্ৰিয়া কৰি থাকে সি অলংকাৰৰ ভিতৰুৱা। ৰূপ, গুণ, ক্ৰিয়া আদি বিষয়গতৰ ভাৱক বৰ্ণনা কৰোঁতে উকা শব্দৰে ব্যৱহাৰ কৰাতকৈ অলংকাৰ প্ৰয়োগেৰে ব্যৱহাৰ কৰিলে উপস্থাপন বিষয়টোৰ সৌন্দৰ্য্য দুগুণ চ'ৰে। উদাহৰণ স্বৰূপে এই বিহুনামফাঁকিলৈ চোৱা যাওক —

"অতিকৈ চেনেহৰ মুগাৰে মহৰা
তাতোকৈ চেনেহৰ মাকোঁ
তাতোতকৈ চেনেহৰ বহাগৰ বিহুটি
নাপাতি কেনেকৈ থাকোঁ।"(ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-২৪)

বিহু হ'ল অসমীয়াৰ নিচেই চেনেহৰ আৰু আদৰৰ। সেইটোকে পোনকৈ ক'লে শ্ৰোতাৰ যি ধাৰণা হ'ব, সেয়া তেনেই সাধাৰণ আৰু অলংকাৰ প্ৰয়োগৰ ফলত নামফাঁকিৰ গুণ, ৰূপ, আৰু সৌন্দৰ্য্য সাবলীল ৰূপত ধৰা দিয়াৰ লগতে শুনিলে শ্ৰোতাৰ মনত পৰ্যাপ্ত পৰিমানে সাঁচ বহুৱাব। বিহুনামত অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰত আমি অলংকাৰক দুটা ভাগত ভাগ কৰিব পাৰোঁ। সেইকেইটা হ'ল শব্দালংকাৰ আৰু অৰ্থালংকাৰ। তলত এই অলংকাৰসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

১.১ শব্দালংকাৰ ঃ

তীৰ্থনাথ শৰ্মাই তেওঁৰ 'সাহিত্যবিদ্যা পৰিক্ৰমা' গ্ৰন্থখনত শব্দালংকাৰৰ বিষয়ে কৈছে এনেদৰে - *" যি অলংকাৰে ভাৱ সাৰ্থকতাৰ কাৰণে সম্পূৰ্ণকৈ শব্দৰ উপৰত নিৰ্ভৰ কৰে তাক শব্দালংকাৰ বোলে"*[১] । ধনশিৰী পৰীয়া বিহুনামবোৰতো ফঁহিয়াই চালে তেনে উদাহৰণ বহুতো আমি এই বিহুনামবোৰত পাব পাৰোঁ।

১.২ অনুপ্ৰাস ঃ যিবোৰ শব্দ শুনিবলৈ শুৱলা হয় আৰু সদৃশ ব্যঞ্জনবৰ্ণৰ ওচৰা ওচৰিকৈ বিন্যাস ঘটিলে তাক অনুপ্ৰাস অলংকাৰ বুলি কোৱা হয়। ধনশিৰীপৰীয়া অঞ্চলৰ প্ৰচলিত বিহুনামসমূহতো লোক কবিয়ে অনুপ্ৰাস

অলংকাৰৰ দ্বাৰা ধেমালিতে গাভৰু এগৰাকীক কৈছে এনেদৰে —

"জীৱ যৌৱন দৈ...
তেনেকৈ আমালৈ নাচাবা মৰম লাগি যোৱাকৈ
চালে আমাৰ চকুলৈ মৰম লাগে তোমালৈ
মৰমতে মৰমী লৈ যাম আমাৰ ঘৰলৈ
মায়াদোলে বান্ধি থম এৰিব নোৱাৰাকৈ" (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৪১).

এই বিহুনাম ফাঁকিলৈ মন কৰিলে দেখা যায় যে প্ৰথম শাৰীত ওচৰা ওচৰিকৈ 'ৱ', 'ন', 'য' এইকেইটা বৰ্ণ ব্যৱহাৰ কৰিছে। আকৌ আন এফাঁকি বিহুনামলৈ চোৱা যাওক —

"চকুৰে চকুৰে চাইনো কি কৰিবা
অন্তৰত মৰম নহ'লে অ' মৰম
জোকাই আমাৰ নল'বা জ্বলা জুই নিদিবা গাত" (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৪৩)

প্ৰদত্ত বিহুনাম ফাঁকিৰ প্ৰথম শাৰীত 'চ' বৰ্ণৰ আৰু তৃতীয় শাৰীত যুক্ত হৈ থকা 'জ' আৰু 'ব' বৰ্ণকেইটা ওচৰা ওচৰিকৈ ব্যঞ্জন বৰ্ণৰ বিন্যাস ঘটিছে।

অনুপ্ৰাস অলংকাৰৰ এটা ভাগ হৈছে 'অন্ত্যানুপ্ৰাস'। শৰ্মাৰ 'সাহিত্যবিদ্যা পৰিক্ৰমা'ত উল্লেখ কৰিছে এনেদৰে- *"কবিতাৰ বিভিন্ন চৰণৰ শেষৰ ব্যঞ্জন বৰ্ণৰ মিল থাকিলে অনুপ্ৰাস হয়। এই অনুপ্ৰাসত কেৱল ব্যঞ্জনৰ মিল থকাতকৈও মিল থকা ব্যঞ্জনৰ দুটা আগৰ পাছৰ স্বৰৰ সাম্য থকাও বাঞ্ছণীয়।"*[২] তলৰ বিহুফাঁকিলৈ মন কৰিলে দেখা যায় যে — *"ধনশিৰী ভেটিলৈ জেঙেকৈ জাৱৰে*
সোনণশিৰী ভেটিলে কিহে
ভগা খোলা বাতি কুমাৰে গঢ়িলে
তোমাৰ যৌৱন গঢ়িলে কোনে" (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-২১)

ধনশিৰী পৰীয়া অঞ্চলৰ বিহুগীতত অন্ত্যানুপ্ৰাসৰ ব্যৱহাৰ অধিক। যিহেতু পুৰণি অসমীয়া ছন্দত অন্ত্যমিল থকাটো নিয়মেই। উক্ত বিহু ফাঁকিটো দ্বিতীয় চৰণৰ 'কিহে' আৰু চতুৰ্থ চৰণৰ 'কোনে' মাজত শেষৰ ব্যঞ্জণ মিল থকাৰ ওপৰিও স্বৰৰ সাম্যতাও ৰক্ষিত হৈছে।

অনুপ্ৰাস অলংকাৰৰ দ্বিতীয়টো ভাগ হৈছে 'ছেকানুপ্ৰাস' তীৰ্থনাথ শৰ্মাৰ 'সাহিত্যবিদ্যা পৰিক্ৰমা'ত উল্লেখ থকাৰ মতে ছেকানুপ্ৰাস হৈছে- *"দুটা বা ততোধিক বৰ্ণ একেটা ক্ৰমতে সংযুক্ত ভাৱেই হওক বিযুক্ত ভাৱেই হওক দুবাৰ ধ্বনিত হ'লে অৰ্থাৎ এবাৰ পুনৰাবৃত্ত হ'লে ছেকানুপ্ৰাস হয়।"*[৩] ধনশিৰী পৰীয়া বিহুগীতত ছেকানুপ্ৰাস প্ৰতিফলিত হৈছে এনেদৰে —

"বিহুটি আদৰৰ বিহুটি সাদৰৰ
বিহুটি অসমৰ ধন
এনুৱা বিহুটি এৰিব লাগিলে
নাথাকে অসমৰ মান " (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-২৫)

বিহুনাম ফাঁকিত সংযুক্ত ভাৱে একেটা ক্ৰমতে থকা 'আদৰৰ' আৰু 'সাদৰৰ' শব্দ দুটাৰ প্ৰথম আখৰ 'আ' আৰু 'সা' কাটি দিলে 'দৰৰ' শব্দটো একেটা ক্ৰমতে উল্লেখ আছে। আৰু দুবাৰ ধ্বনিত হোৱাৰ বাবেই ছেকানুপ্ৰাস।

বৃত্তানুপ্ৰাস হৈছে অনুপ্ৰাসৰ আন এটা ভাগ। শৰ্মাৰ 'সাহিত্যবিদ্যা পৰিক্ৰমা'ত উল্লেখ থকা অনুসৰি *"এক বা অনেক বৰ্ণ দুবাৰ বা তাতোধিকবাৰ আবৃত্ত হ'লে বৃত্তানুপ্ৰাস হয়।"* [৪] বিহুগীতটো বৃত্তানুপ্ৰাসৰ প্ৰয়োগৰ উদাহৰণ হিচাপে তলৰ বিহুনাম ফাঁকিলৈ চকু ফুৰাঁওহক —

"সোনটি হেৰা বলিয়া লতা তোমাৰে বাতৰি
সোনটি হেৰা বলিয়া লতা নেপাঁও ভালে কৰি
সোনটি হেৰা বলিয়া লতা পুখুৰী পাৰলৈ পুখুৰী পাৰলৈ যাওঁ।" (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৪২)

ইয়াত 'স', 'ক', 'ৰ', 'ল', 'প', 'হ', 'ত' এই বৰ্ণসমূহৰ একাধিক ব্যৱহাৰত ই বৃত্তানুপ্রাস হৈছে।

১.৩ যমক ঃ

শব্দালংকাৰৰ এটা ভাগ হ'ল 'যমক'। 'সাহিত্যবিদ্যা পৰিক্রমা' গ্রন্থত যমকৰ বিষয়ে উল্লেখ আছে এইদৰে, *স্বৰব্যঞ্জন বৰ্ণৰ একোটা সমূহৰ একে ক্রমতে সাৰ্থক নিৰৰ্থকভাৰে যদি পুনৰুক্তি হয় তেতিয়া যমক অলংকাৰ হয়।*[৫] ধনশিৰী পৰীয়া বিহুনামটো এই প্রয়োগৰ উদাহৰণ দেখা যায়। তাৰে এটা উদাহৰণ হ'ল —

"বৰহমপুত্রৰ পাৰৰে বৰহমথুৰি এজুপি
আমাৰ বিহু মৰা ঠাই
উটুৰাই নিনিবা বৰহম দেৱতা
তামোল দি মাতোতা নাই" (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৮১)

ইয়াত নিৰৰ্থকভাৰে বৰহমপুত্রৰ 'বৰহম' আৰু বৰহমথুৰিৰ 'বৰহম' শব্দটো পুনৰুক্তি হৈছে। সেয়ে ই যমক অলংকাৰ। উদাহৰণ হিচাপে যমক অলংকাৰ প্রয়োগ হোৱা আন এফাঁকি ধনশিৰী পৰীয়া বিহুনামলৈ চোৱা যাওক —

"লুইতৰ চাপৰি উদুলি মুদুলি
ঢোল পেপাই মাতিছে তাত
পেপাৰ মাতে শুনি ৰবকে নোৱাৰো
ততে নাইকীয়া গাত "(ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৭৪)

ইয়াৰ প্রথম শাৰীত 'উদুলি' আৰু 'মদুলি'ৰ 'উ' আৰু 'মু' বৰ্ণ দুটা বাদ দিলে বাক্যশাৰীত 'দুলি' শব্দকেইটা নিৰৰ্থকভাৰে পুনৰুক্তি হৈছে।

২.০ অৰ্থালংকাৰ ঃ

অলংকাৰৰ অন্যতম এটা ভাগ হৈছে অৰ্থালংকাৰ। শৰ্মাৰ 'সাহিত্যবিদ্যা পৰিক্রমা' গ্রন্থখনত উল্লেখ কৰা অনুসৰি *"অৰ্থালংকাৰত অলংকাৰৰ সাৰ্থকতা বা অস্তিত্ব নিৰ্ভৰ কৰে অৰ্থৰ ওপৰত।"*[৬]। এই অৰ্থালংকাৰসমূহৰ প্রয়োগ ধনশিৰী পৰীয়া বিহুনামত কি দৰে প্রয়োগ হৈছে তাক আমি পৰৱৰ্তী অংশত বিশ্লেষণ কৰি চালে গ'ম পাম।

২.১ সাদৃশ্যগৰ্ভ অলংকাৰ ঃ

অৰ্থালংকাৰ এটা প্রধান ভাগ হৈছে সাদৃশ্যগৰ্ভ অলংকাৰ। সাদৃশ্যগৰ্ভ অলংকাৰৰ ওপৰত হৰিনাথ শৰ্মা দলৈৰ 'সাহিত্য প্রৱেশ' নামৰ গ্রন্থখনত উল্লিখিত *"সাদৃশ্যমূলক অলংকাৰবোৰ সদৃশ অথচ বিজাতীয় বস্তুৰ ৰিজনিৰ ওপৰত নিৰ্ভৰ কৰে। সেই ৰিজনি অৱশ্যে চমৎকাৰাত্মক বা আ াদায়ক হ'ব লাগিব। আ াদ জন্মাব নোৱাৰা বা নতুন সৌন্দৰ্য্যৰ উন্মেষ কৰিব নোৱাৰা ৰিজনি অলংকাৰ নামৰ যোগ্য নহয়।"*[৭] সাদৃশ্যগৰ্ভ অলংকাৰৰ অংগকেইনাম যথাক্রমে- উপমেয়, উপমান, সাধাৰম ধর্ম, উপমাবাচক।

সাহিত্য প্রৱেশ গ্রন্থখনত উল্লেখ কৰা অনুসৰি সাদৃশ্যগৰ্ভ অলংকাৰৰ ভিতৰত বিভিন্ন ভাগ পোৱা গৈছে। তাৰ ভিতৰত এক অন্যতম হ'ল উপমা। শৰ্মাৰ 'সাহিত্যবিদ্যা পৰিক্রমা'ত উল্লেখ কৰা অনুসৰি উপমা হৈছে *"স্পষ্ট আৰু বৈচিত্র্যজনক সাদৃশ্যকে উপমা বোলে।"*[৮] এই সাদৃশ্যবোৰ ক্রিয়াগত আৰু গুণগত বা গুণ আৰু ক্রিয়া উভয়গত হ'ব পাৰে। ধনশিৰী পৰীয়া প্রচলিত বিহুনামত এই উপমাৰ প্রয়োগ দেখা যায়। উদাহৰণ হিচাপে তলৰ বিহুনাম

ফাঁকি লোৱা যাওক —

"ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন"(ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-২৫)

উক্ত বিহু নামফাঁকিৰ উপমেয় 'মন', উপমান 'কমোৱা তুলা', সামান্য ধর্ম 'উৰা', উপমানবাচক 'যেনেকৈ তেনেকৈ'।

আন এটা উদাহৰণ —

"তোমাৰ মুখখনি মালি মাছৰ নিচিনা
ঘোঁৱা ফানৰ নচিনি চুলি
ল'ম ল'ম বুলি এদিনো নল'লা
তোমাৰ কোলাত এবেলি তুলি"(ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৩৫)

উক্ত বিহুনাম ফাঁকিত উপমেয় 'মুখ আৰু চুলি', উপমান 'মালিমাছ আৰু ঘোঁৱা ফান', সামান্য ধর্ম 'কোলাত তুলি লোৱা', উপমাবাচক 'নিচিনা'।

সাদৃশ্যগর্ভ অলংকাৰৰ অন্যতম এটা ভাগ হৈছে অতিশয়োক্তি। ইয়াত উপমেয়ৰ প্রকাশ নকৰি উপমানহে উজ্বল ৰূপত ফুটি উঠে। উদাহৰণ স্বৰূপে —

"দলনীৰ ওপৰে কি চৰাই উৰিলে
আতাই ৰঙা ৰঙা ঐ ঠোঁত
চেনাই বগীতৰা গাৰু গিলিপ মৰা ঐ
কপালত সেন্দুৰৰ ফোঁট" (ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-৮০)

ইয়াত প্রথম দুশাৰী বিহু নাম মন কৰিলে দেখা যায় যে দলনীৰ ওপৰেদি গাভৰুৰ জাকটো উঁঠত ৰঙা ৰঙেৰে সৈতে বিহু নাচিবলৈ যোৱা সময়খিনিক লোক কবিয়ে বুজাবলৈ চেষ্টা কৰিছে। কিন্তু ইয়াত উপমেয় অর্থাৎ গাভৰু জাকটো সম্পূর্ণ ৰূপে অপ্রকাশ্য।

সাদৃশ্যগর্ভ অলংকাৰৰ অন্যতম এটি ভাগ হ'ল ব্যতিৰেক। ইয়াক ভেদ প্রধান অলংকাৰ বোলা হয়। শৰিনাথ শর্ম্মাদলৈৰ 'সাহিত্য প্রৱেশ'ত *"যেতিয়া উপমানতকৈ উপমেয়ত অধিক গুণ আৰোপ কৰি নাইবা উপমানতকৈ উপমেয়ত অপকর্ষ সাধক দোষ আৰোপ কৰি উপমান উপমেয়ৰ মাজত প্রভেদ দেখুওৱা হয় তেতিয়া ইয়াক ব্যতিৰেক অলংকাৰ বোলা হয়।"* [১] ধনশিৰী পৰীয়া বিহুনামত ইয়াৰ প্রয়োগৰ উদাহৰণ স্বৰূপে —

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকোঁ
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নাপাতি কেনেকৈ থাকোঁ"(ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-২৪)

ইয়াত অসমীয়া গাভৰুৰে অতিপ্রিয়তাৰ সাদৃশ্যত মুগাৰে মহুৰা আৰু চেনেহৰ মাকোঁৰ লগত বহাগ বিহুক তুলনা কৰিছে। বহাগৰ বিহুটি যেন চেনেহৰ মাকোঁ আৰু মহুৰাতকৈও অধিক প্রিয় বুলি উল্লেখ কৰাত ব্যতিৰেক হৈছে।

২.২ গূঢ়ার্থমূলক অলংকাৰ ঃ

অর্থালংকাৰৰ এটা অন্যতম ভাগ হ'ল গূঢ়ার্থমূলক অলংকাৰ । আকৌ ইয়াৰে এটা ভাগ হ'ল ব্যাজস্তুতি

অলংকাৰ । শৰ্মাৰ 'সাহিত্যবিদ্যা পৰিক্ৰমা'ত উল্লেখ অনুসৰি *"প্ৰশংসাৰ ছলেৰে নিন্দা বা নিন্দাৰ ছলেৰে প্ৰশংসা কৰাকে ব্যাজস্তুতি অলংকাৰ বোলে।"*[১০] ধনশিৰী পৰীয়া বিহুনামফাঁকিলৈ মন কৰা যাওক —

"মোকে নিন্দা কৰি খাবা কত কালে -
জুৰিয়া ভঁৰালৰ ভাত ।
ইশ্বৰে নিদিলে তুমি ক'তে পাবা
মাগিয়ো নাপাবা ভাত।।"(ধনশিৰী পাৰৰ বিহুনাম, পৃষ্ঠা-১৩)

ওপৰৰ উদাহৰণটিত উপকাৰ বুলি একো। নাই ইয়াত মাত্ৰ ৰচকে আওপকীয়াকৈ নিন্দাৰ ছলেৰে প্ৰশংসা কৰাকে দেখুৱাইছে।

৩.০ উপসংহাৰ ঃ

বিহুনামত অলংকাৰৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন(ধনশিৰি পৰীয়া অঞ্চলৰ বিহুনামৰ আধাৰত) শীৰ্ষক গৱেষণা পত্ৰত ধনশিৰীপৰীয়া অঞ্চলৰ প্ৰচলতি বিহুনামবোৰত কেনেদৰে অলংকাৰ প্ৰয়োগ কৰা হৈছে তাক বিশ্লেষণ কৰি দেখুওৱা হ'ল। বিহুনামসমূহ চহা গাঁৱলীয়া মনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। সেয়ে এইসমূহত প্ৰয়োগ হোৱা অলংকাৰসমূহো চহা মনৰ কবিত্ব প্ৰতিভাৰে পৰিচায়ক। শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ সাৰ্থক প্ৰয়োগে বিহুনামত সোণত সুৱগা চৰোৱাৰ দৰে। এই অলংকাৰ প্ৰয়োগৰ ফলত ধনশিৰীপৰীয়া বিহুনামসমূহ শ্ৰুতিমাধুৰ্য হোৱাৰ লগতে শ্ৰোতাৰ মনত সাঁচ বহুৱাবলৈ সক্ষম হৈছে।

প্ৰসংগটোকা ঃ

১.তীৰ্থনাথ শৰ্ম্মা, সাহিত্যবিদ্যা পৰিক্ৰমা, পৃ.৭৮
২.উল্লিখিত, পৃ.৮৬
৩. উল্লিখিত, পৃ.৮৭
৪.উল্লিখিত, পৃ.৮৯
৫.উল্লিখিত, পৃ.৯২
৬.উল্লিখিত, পৃ.৭৯
৭.হৰিনাথ শৰ্ম্মা দলৈ, সাহিত্য প্ৰৱেশ, পৃ.৮৬
৮.তীৰ্থনাথ শৰ্ম্মা, সাহিত্যবিদ্যা পৰিক্ৰমা, পৃ.১০৪
৯.হৰিনাথ শৰ্ম্মা দলৈ, সাহিত্য প্ৰৱেশ, পৃ.১০০
১০.তীৰ্থনাথ শৰ্ম্মা,সাহিত্যবিদ্যা পৰিক্ৰমা, পৃ.১৫৯

সহায়ক গ্ৰন্থপঞ্জী ঃ

মুখ্য উৎস ঃ

বৰা নৰেন্দ্ৰনাথ, শইকীয়া লোহিত, শইকীয়া ধনেশ্বৰ (সংগ্ৰাহক), ধনশিৰী পাৰৰ বিহুনাম, প্ৰাগজ্যোতিকা কাব্য কানন, গোলাঘাট, ২০২৩।

শৰ্ম্মা তীৰ্থনাথ, সাহিত্যবিদ্যা পৰিক্ৰমা, বাণীপ্ৰকাশ প্ৰাইভেট লিমিটেড পাণবজাৰ, গুৱাহাটী, ২০১৬।

শৰ্ম্মা দলৈ হৰিনাথ, **সাহিত্য প্ৰৱেশ, পদ্মপ্ৰিয়া লাইব্ৰেৰীৰ হকে শ্ৰীসৰলা দেৱী শান্তিপুৰ, নলবাৰী,** ২০২১।

গৌণ উৎস ঃ

গন্ধীয়া জয়কান্ত (মুখ্য সম্পাদক), চাংমাই নিতুল(সম্পাদক), বিহু সংস্কৃতিৰ ৰূপৰেখা, অসম পাব্লিচিং-কোম্পানী কলেজ হোষ্টেল ৰোড পাণবজাৰ, গুৱাহাটী, ২০১৮।

গগৈ লীলা,অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, বনলতা ডিব্ৰুগড়, ২০১১।

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

A Study on Rural Poverty Alleviation Programmes of India

Dr. Minakshi Duarah
Assistant Professor
Eastern Karbi Anglong College

Abstract

Poverty is a socio-economic phenomenon in which people lack financial resources, and essential need for livelihood like food, safe water, shelter, health care for a minimum standard of living. According to Population Census 2011, 68.84% of the population of India is rural. From the 1st Five Year Plan, the Government of India has adopted measures to reduce poverty of India. But serious poverty alleviation programmes have been undertaken by the Government of India since the 5th Five year plan. The study attempts to know the rural poverty alleviation programmes initiated by the Government of India to reduce poverty.

Keywords: Poverty, Rural Development, Poverty Alleviation Programmes, etc.

1. Introduction:

Poverty is a serious problem of almost all underdeveloped and developing countries of the world. It is a socio-economic phenomenon in which a section of society cannot enjoy the basic amenities of life. Poor quality of life, deprivation, malnutrition, illiteracy, and low human resource development reflect high poverty level. Internationally, extreme poverty refers to the earnings below the international poverty line of $1.90/day (in 2011 prices) set by World Bank. A family is said to be poor if their "total earnings are insufficient to obtain the minimum necessaries for the maintenance of merely physical efficiency" (Rowntree, 1901).

Rural development is related to the development of rural areas of a country, signifying the process that improves the quality of life and economic well-being of people in rural areas. It improves infrastructures, creates employment opportunities, and ensures access to essential services like education, health care and sanitation. Rural development provides opportunities for earning livelihood and helps in poverty reduction, accelerates economic growth, and increases the

****

standard of living of people. According to the report of the Economic Survey 2022-23, 65% of India's population lives in rural areas. The 2011 Census recorded 68.84% of the population as rural. The Ministry of Rural Development, the primary Government Body of India, undertakes the responsibility of rural development in India.

India's rural poverty has seen a dramatic decrease. According to the reports of SBI, the poverty rate of India has fallen from 25.7 percent in 2011-12 to 4.86 percent in 2023-24. This decline in poverty rate signifies improvements in living standards, because of rising consumption expenditures among the poorest, effective welfare schemes undertaken by the Government, and increased rural development. Since independence, the Government of India has undertaken different programmes for the reduction of poverty of the country.

2. Objectives:

The objective of the study is to give a picture of important rural poverty reduction progrmmes undertaken by the Government of India.

3. Methodology:

The study is conducted by using descriptive method, collecting secondary data collected from different websites, Government Publications, research articles, thesis, etc.

4. **Discussion:**

It is interesting to note that the Government of India has adopted serious poverty alleviation programmes since the 5th Five year plan. During the 1970s, the Government adopted programmes like Small Farmers Development Agency(SFDA), Marginal Farmers and Agricultural Labourers Development Agency(MFALDA), Drought Prone Area Programme(DPAP), Cash Scheme for Rural Employment(CSRE), Pilot Intensive Rural Employment Project(PIREP) for the benefit of the rural poor(Dhar,2013).

4.1. Integrated Rural Development Programme (IRDP):

The Integrated Rural Development Programme was introduced in 1978-79 in selected areas of India. It is a centrally sponsored scheme sharing the funds 50:50 by the center and the state. By November 1980, the programmes had covered all states of the country. The primary aim of the programmes is to help the poor people of rural areas to cross the poverty line. To improve the economic condition of rural poor, the programme provides income- generating assets and inputs through the provision of subsidies and credit facilities. The target group of the programme is small and marginal farmers, agricultural labourers, and rural artisans whose income is less than Rs. 11000(Poverty Line defined in 8th Plan).The scheme aimed to cover at least 50% of the families of scheduled castes and scheduled tribes, 40% of women beneficiaries, and 3% of physically challenged persons. During the 6th Five- Year Plan, assets worth 47.6 billion rupees were distributed to about 16.6 million families by the programme. Of Course the scheme was not successful to alleviate poverty of the country (Garmora, 2007).

****

4.2 Training of Rural Youth for Self-Employment (TRYSEM):

The Training of Rural Youth for Self-Employment was introduced on 15th August. The scheme aimed to provide necessary skills and technology to the rural youth employed in different sector namely agriculture and allied activities, industries, services, and business activities. The scheme imparted training to the rural youth below the poverty line families of age group of 18-35 so that they can engage themselves in different sectors. However, lack of confidence and finance among the trainees hampered the effective implementation of the scheme (Sundaram,1989).

4.3 National Rural Employment Programme(NREP):

The National Rural Employment Programme was introduced in 1980 to generate gainful employment for the unemployed and underemployed youth of rural areas, to create productive community assets, and to raise the nutritional standard of rural people. It was a centrally sponsored programme, sharing the fund 50:50 basis by both the central and state governments, implemented by District Rural Development Agency (DRDA). The scheme provided wages on the basis of the provisions of the Minimum Wage Act. The scheme ensured payment of minimum wages, created additional employment, created durable community assets, and improved nutritional standards for the rural people(Dhar, 2013).

4.4 Development of Women and Children in Rural Areas (DWCRA):

Development of Women and Children in Rural Areas was started in 1982-83, implemented as a sub- scheme of IRDP in 50 districts of the country initially. Finally, in 1994-95, the scheme covered all the districts of the country. The aim of the scheme was to raise the income of the rural women, and to enable organized participation of women in the programme of credit, skill training, and infrastructure support for self-employment. The programme also aimed to improve the access of rural women to health, education, safe drinking water, sanitation, and nutrition, etc., to improve the quality of general well-being of women and children (Planning Commission, 2017).

4.5 Rural Landless Employment Guarantee Programme(RLEGP):

The Rural Landless Employment Guarantee Programme was started in 1983-84 with the objective of improving the employment generation to at least one member of rural landless labour households up to 100 days in a year. The programme focused on creating durable assets to strengthen the rural infrastructure for the rapid growth of the rural economy. However, the programme was not successful in reducing rural poverty of the country (Singh& Ali 2000).

4.6 Indira Awaas Yojana(IAY):

In 1985, Indira Awaas Yojana was started as a sub- scheme of RLEGP, and in 1989, it was subsumed in Jawahar Rozgar Yojana. It has been operating as an independent scheme since 1996. The scheme helps the Below Poverty Line (BPL) families in the villages to construct houses. It provides financial assistance to houseless families or those families that do not have adequate facilities for

constructing a safe and durable shelter. The scheme provides financial assistance of Rs. 70000 to construct houses in plain areas and Rs. 75000 in difficult areas (high land areas)(GoI,2013).

4.7 Jawahar Rozgar Yojana(JRY)):

Jawahar Rozgar Yojana was launched in 1989 by merging NREP and RLEGP. It was a centrally sponsored scheme, and the cost was shared at the ratio of 80:20 by the Centre and the State. The main objective of the scheme is to generate additional gainful employment in rural areas. The scheme also aimed to strengthen the rural economic infrastructure, to create community and social assets to help the poor, to improve the quality of life of poor people. Panchayati Raj Institutions (PRI) implements the programme, persons below the poverty line being the target group of the programme. However, JRY generated limited employment for poor families and representatives of the PRI have misused the funds (Krishnaiah,2003).

4.8 Million Wells Scheme (MWS):

The Million Wells Scheme was introduced in 1988-89 as a sub-scheme of NREP and RLEGP, a centrally sponsored scheme sharing the cost as 80:20 between the centre and the states. The scheme worked as a sub-scheme of JRY from April 1989 to December, 1995. Since January 1996, the scheme has worked as an independent scheme. The scheme aimed to help the needy rural poor by increasing the productivity of land and production, which raises the income of the rural people and increases their standard of living. Later on, the scheme was extended to non- ST/SC communities of the rural poor. The scheme also allows the beneficiaries to construct the wells in their vicinity with their own effort, and labour and local labour, for which the scheme provides wages and costs.

4.9 Supply of Improved Toolkits to Rural Artisans (SITRA):

Supply of Improved Toolkits to Rural Artisans was introduced in 1992 as a sub-scheme of IRDP. The scheme aimed to help the rural artisans of BPL families so that they can earn money. The average cost was Rs. 2000 and Rs 5000 for the power- driven tools. Under the scheme, the Government of India bore 90% cost of the tools, whereas the remaining (10%) was borne by the beneficiary. The scheme ensures that 50% of the total beneficiaries should be from the Scheduled Castes and the Scheduled Tribe communities.

4.10 Employment Assurance Scheme (EAS):

The Employment Assurance Scheme was started in October 1993 to provide employment to needy persons seeking employment. The scheme aimed to provide assured employment of 100 days of unskilled work during the lean agricultural season for a maximum of two adults per family seeking employment. The scheme also aimed to create economic infrastructure and community assets for sustained employment, and development. The scheme gave importance on labour-intensive works like roads, minor irrigations, community buildings, etc., and work was done on the basis of priority.

****

4.11 National Social Assistance Programme(NSAP):

The National Social Assistance Programme, a centrally sponsored scheme, bearing the whole fund by the Central Government, was announced on 15th August, 1995, to succour the aged persons and families below the poverty line. The scheme provides old age pension, family benefit in case of the death of the bread earner, and maternity benefits. It includes the National Old Age Pension Scheme, the National Family Benefit Schemes, and the National Maternity Benefit Scheme.

4.12 Ganga Kalyan Yojana(GKY):

Ganga Kalyan Yojana was started as a sub-scheme of IRDP in 1996-97, and from April 1, 1999, the scheme started work as an independent scheme. The scheme aimed to provide irrigation through the exploitation of ground water (bore wells and tube wells) to individuals of marginal and small farmers of BPL families.

4.13 Swarnajayanti Gram Swarojgar Yojana(SGSY):

Swarnajayanti Gram Swarojgar Yojana is a programme for rural poor, funded by the Centre and the State at the ratio of 75:25, implemented by the District Rural Development Agency through the Panchayat Samiti. The programme was introduced in April 1999, merging IRDP, TRYSEM, and MWS to help poor families of rural areas. SGSY aimed to help poor families by providing income generating assets through bank credit, and Government subsidies. The programme aims to establish micro enterprises by assisting poor people through, and subsidized loan. The scheme organizes rural poor into Self-Help Groups, provides them training, helps in capacity building and thereby helps in creating income-generating assets. The programme ensures that the net income of the assisted families must be at least Rs. 2000. In the case of irrigation project, the programme does not provide any limit, but in other cases, it provides subsidy at the rate of 30 percent of the project cost. However, for SCs and STs, subsidy is maximum of Rs.10000, i.e., 50 percent of the project cost and for the SHGs it is 50 percent i.e., equivalent to Rs. 1.25 lakh.

4.14: Jawahar Gram Samridhi Yojana (JGRY):

Jawahar Gram Samridhi Yojana is a restructured, streamlined, and comprehensive version of JRY, introduced on April 1, 1999.The scheme aimed to create demand-driven community village infrastructure, including durable assets, to enable the rural poor to increase the opportunities for sustained employment. It also aimed to create supplementary employment for sustained employment. The programme provides wage employment for the unemployed poor of rural areas. It provides wage employment to BPL families.

4.15 Sampoorna Grameen Rozgar Yojana(SGRY):

Sampoorna Grameen Rozgar Yojana was started in September 2001with the aims of providing wage employment and food security and creation of durable community, social and economic assets. The fund was shared between the Centre

and the State at the ratio of 75:25. Jawahar Gram Samridhi Yojana and Employment Assurance Schemes were merged into it.

4.16 Food for Work Programme(FFWP):

It is a wage employment programme to augment food security in drought-affected rural areas of Gujarat, Chhattisgarh, Himachal Pradesh, Madhya Pradesh, Maharashtra, Orissa and Rajasthan launched in February 2001. Under the progrmme, wage was paid partly in kind and partly in cash.

4.17 National Food for Work Programme(NFFWP):

It is a centrally sponsored scheme, introduced in 2004 in 150 backward districts of the country. The main objective of the scheme is to generate additional supplementary wage employment for food security. The scheme focuses on works like water conservation, drought proofing, land development, flood control and protection, and rural connectivity.

4.18 Mahatma Gandhi National Rural Employment Guarantee Scheme (MGNREGS):

Mahatma Gandhi National Rural Employment Guarantee Scheme is a demand- driven, wage -employment programme implemented from 2nd February 2006, by merging SGRY and NFFWP implemented under the banner of the Ministry of Rural Development, each state implements it through Gram Panchayat, Intermediate Panchayat and District Panchayat. The main objective of the programme is to provide at least 100 guaranteed wage employment to every rural household whose adult members are willing to do unskilled manual work. Different - generating works like water conservation, drought- proofing, land development, flood control, renovation of traditional water bodies, rural connectivity, etc., are undertaken under the scheme. The scheme pays equal pay for both male and female and aims for minimum of 33 percent participation of women in MGNREGA activities.

4.19 National Rural Livelihood Mission (NRLM):

National Rural Livelihood Mission is a centrally sponsored programme, sharing the funds at the ratio of 75:25 between the centre and the state. The ratio of the fund is 90:10 for the North Eastern States, including Sikkim, and the 100 percent fund by the centre in case of union territories. It is the new form of SGSY launched in 2011 with a budget of $5.1 billion. The programme aims to improve the livelihood of the rural poor by promoting self-employment and organizing the rural poor. The NRLM organizes the poor into Self-Help Group to make them capable of self-employment. The scheme also aims to alleviate poverty by enabling the poor households to access gainful self- employment opportunities to enjoy a sustainable livelihood. Further, from 25 September 2015 onwards, the scheme is renamed as Deen Dayal Antyodaya Yojana.

4.20 Pradhan Mantri Awas Yojana(PMAY):

Pradhan Mantri Awas Yojana was launched to provide permanent (paucaa) houses to poor and homeless families in rural areas. The scheme aims to ensure

****

a safe, durabl, and affordable house with basic facilities like water, electricity and toilet. The scheme provides financial assistance of Rs. 1.2 lakhs per house in plain areas and Rs. 1.30 lakhs in hilly, difficult, or North-Eastern regions. The scheme is given to the beneficiary's bank account through Direct Benefit Transfer.

4.21 Pradhan Mantri Gram Sadak Yojana(PMGSY):

Pradhan Mantri Gram Sadak Yojana is a centrally sponsored scheme, launched on 25 December 2000, to create all- weather roads for connecting rural areas as a part of the poverty reduction strategy. The scheme aims to improve rural livelihoods and has been implemented in 4 phases, executed by the state governments and monitored by the National Rural Infrastructure Development Agency. Phase 1 focused on initial connectivity to unconnected habitations, Phase 11 (2013) on upgradation of existing roads to improve network efficiency, Phase 111 focused on linking rural roads to agricultural markets, schools, and hospitals, Phase 1V focused on planned construction of 62,500 km of roads.

4.23 Deendayal Upadhyaya Grameen Kaushlya Yojana(DDU-GKY):

It is a skill training and placement programme of the Ministry of Rural Development with the aims of livelihood diversification and poverty reduction. The scheme aims to skill rural youth who are poor and provide them with jobs having regular monthly wages at or above the minimum wage for semi-skilled. It promotes sustainable livelihoods for rural youth through placement- linked skilling programmes.

5.Conclusion:

Poverty can be alleviated if the poor actively participate and contribute to the growth process. A process of social mobilization, empowerment of poor people, is the utmost requirement for this. A well- structured poverty reduction programme accompanied by the creation of employment opportunities and skill development may help in the reduction of poverty in the country.

Reference

1. Dhar, P. K.(2013). *Indian Economy-Its growing dimensions*(22nd ed.) New Delhi: Kalyani Publishers.
2. Garmora, J.L. (2007). *Rural development & rural economy* (pp 12-66). Jaipur: Vital Publications.
3. Sundaram, I.S.(Ed.).(1989).Rural poverty and area planning(pp.229-235).Delhi: B.R. Publishing Corporation(Division of B.R. Publishers Distributors(p)Ltd.
4. Planning Commission (2017).*Development of Women and Children in Rural areas (DWRCA)*.
5. Singh, K.K. & Ali, S. (Eds.)(2000). *Encyclopedia of rural planning and development (3 vols)*.New Delhi: Sage Publication.
7. Government of India (2013). *Indira Awaas Yojana(IAY):Guidelines*. Ministry of Rural Development, New Delhi.

****

PANCHOI
ISSN : 2320-6306
Vol. XIV, Issue-I, August, 2026

